# শৰণীয়া কছাৰী
# সমাজ আৰু সংস্কৃতি

শ্ৰীনলিনী ডেকা
তামুলপুৰ
জিলা - নলবাৰী
পিন - ৭৮১৩৬৭

THE SARANIA KACHARI SAMAJ ARU SANSKRITI, a collection of brief history of their Social and Cultural life by Sri Nalini Deka, Tamulpur, Nalbari (Assam). Rs. 70.00 only.

প্ৰকাশক : শ্ৰীনলিনী ডেকা
তামুলপুৰ, নলবাৰী (অসম)

বেটুপাটৰ ছবি : ডিম্‌লাপাৰ গোঁসাই ঘৰৰ গোঁসাই বাঁহ

মূল্য : ৭০.০০ টকা মাত্ৰ ।

প্ৰথম প্ৰকাশ : ২০০২ খৃ:

মুদ্ৰক : জয়ন্তী অফচেট্‌ প্ৰেছ,
ষ্টেচন ৰোড, বঙিয়া ।
ফোন নং - ৪১৬০১

## ঃঃ উচৰ্গা ঃঃ

পূজনীয় পিতৃ স্বৰ্গীয় দূৰ্গা ডেকাৰ স্মৃতিত
আৰু
পূজনীয়া মা শ্ৰীপ্ৰমিলা দেৱীৰ
কৰকমলত ।

# স্বাগতম

সশ্ৰদ্ধ প্ৰণিপাত জনাই সুধী সমাজক জনাব খুজিছো যে " শৰণীয়া কছাৰী সমাজ আৰু সংস্কৃতি" মোৰ বিনম্ৰ প্ৰয়াস । এই গ্ৰন্থখন শৰণীয়া কছাৰী সকলৰ সমাজ আৰু সংস্কৃতিৰ ওপৰত মোৰ বিদ্যায়তনিক অধ্যয়নহে ।

শৰণীয়া কছাৰী সকলৰ ওপৰত অধ্যয়ন চলাই এটা জাতিৰ ওপৰত কিতাপ লিখাৰ জ্ঞান মোৰ নাই । ই মোৰ বাবে দু:সাধ্য, কঠিন কাম । তথাপি শৰণীয়া কছাৰী সকলৰ ওপৰত অধ্যয়ন চলাবলৈ কিয় হাত দিলো, মই নিজকে প্ৰশ্ন কৰো। এই প্ৰশ্নৰ উত্তৰ মোৰ অন্তৰে দিয়ে যে শৰণীয়া সকলৰ বিষয়ে মই জানিবই লাগিব। জনাৰ একান্ত আগ্ৰহেই শৰণীয়া সকলৰ ওপৰত অধ্যয়নত মই নিজকে প্ৰবৃত্ত কৰিলোঁ ।

মই পণ্ডিত নহওঁ ; বিদগ্ধতা মোৰ নাই । অধ্যয়নৰ কাৰণে থাকিব লগা গুণসমূহো মোৰ নাই । কেৱল আছে জানিবৰ কাৰণে এক অসীম তৃষ্ণা । জানিবৰ চেষ্টাৰে সংগ্ৰহ কৰা বিভিন্ন পণ্ডিত সকলৰ তথ্য শৰণীয়া কছাৰী সমাজত প্ৰচলিত নানা নীতি-নিয়ম, ধৰ্ম্ম-সংস্কৃতিত সংগীতৰ ধাৰাবোৰ অৰ-তৰ পৰা বুটলি অনা সমল সমূহে ৰূপ পৰিগ্ৰহণ কৰি ৰূপ ললে " শৰণীয়া কছাৰী সমাজ আৰু সংস্কৃতি" য়ে । ইয়াত মোৰ কোনো মৌলিকতা নাই ।

গ্ৰন্থৰ পাততেই লিখা হয় জাতিৰ ইতিহাস । গ্ৰন্থৰ পাততেই কেন্দ্ৰীভূত হৈ থাকে মানুহৰ জাতি এটাৰ সুখ-দুখ পোৱা-নোপোৱাৰ দস্তাবেজ । কোনো এটা জাতিৰ সভ্যতা বিকাশ কৰিব লাগিলে সেই জাতিৰ সংস্কৃতি অধ্যয়ন তথা চৰ্চা কৰিবই লাগিব । যদি কোনো এটা জাতিৰ সমাজ আৰু সংস্কৃতিৰ বিষয়ে অধ্যয়ন কৰা নহয় তেতিয়া সেই জাতিৰ আভ্যন্তৰিণ সংস্কৃতি আৰু সমস্যা সমূহ বুজিব নোৱাৰি ।

যিটো জাতিৰ সভ্যতাৰ পৰিচয় অন্য জাতি বা অন্য সমাজে নাপায় তেতিয়া সেই জাতিৰ লগত ভাবৰ আদান প্ৰদানত সুচল নহয় । তেতিয়া ভুল বুজাবুজি হয় জাতীয় জীৱনত কেৰোণ জন্মে , সমস্যাৰ উপৰি সমস্যাৰ সৃষ্টি হয় । সেই গুনে

আজিৰ অসমত শৰণীয়া কছাৰী সকলে সামাজিক জীৱন আৰু ৰাজনৈতিক নানা সমস্যাত ওত:প্ৰোত ভাবে জৰিত হৈ আহিছে । স্বাধীন দেশৰ জাতি হিচাবে আজিও শৰণীয়া কছাৰী সকলৰ সমাজ আৰু সংস্কৃতি পৰ্যালোচনা নোহোৱাটো আৰু শৰণীয়া সকলেও নিজৰ সভ্যতা সমাজ আৰু সংস্কৃতি যথাৰ্থ ভাবে প্ৰকাশ কৰিব নোৱাৰাটো দূৰ্ভাগ্যৰ পৰিচায়ক ।

সেয়েহে আজিৰ শৰণীয়া ডেকাই বিচাৰে সাংস্কৃতিক আত্মনিয়ন্ত্ৰণৰ তাত্বিক(Logical ) আত্মনুসন্ধান কিন্তু শৰণীয়া সকলৰ অদ্য পৰিমিত কোনো পৰিকল্পিত তথা বিজ্ঞান সম্মত আৰু সু-সংবদ্ধ তথ্যপাতি(Data ) লিখিত ৰূপত কতো দেখিবলৈ পোৱা নেযায় । সেয়েহে বিদ্যায়তনিক অধ্যয়নৰ মাজেৰে এই পুথি খনিত শৰণীয়া কছাৰী সকলৰ মাজত সুপ্ত অৱস্থাত থকা ঐতিহ্য, ইতিহাস, ভাষা-সাহিত্য, কৃষ্টি-সংস্কৃতি, লোক-কলা; লোক শিল্প সমাজ জীৱনৰ পৰা আৰম্ভ কৰি এক সামাজিক স্বকীয়তাৰ বিজ্ঞান সম্মত প্ৰকাশ আৰু প্ৰচাৰৰ ব্যৱস্থাৰ প্ৰয়াস কৰা হৈছে ।

অসমৰ মহান অসমীয়া জাতি, বিভিন্ন জাতি আৰু জনজাতিৰ সংমিশ্ৰনত গঢ়ি উঠিছে । এই অসমীয়া জাতি গঢ়ি উঠাৰ আগেয়ে পুৰণি কামৰূপত বিভিন্ন জনজাতীয় লোকৰ সংমিশ্ৰণত এই শৰণীয়া জাতি গঢ়ি উঠিছিল । তেতিয়া এই জাতিটোক শৰণীয়া জাতি বুলি কোৱা হোৱা নাছিল ।

আৰ্য সকলে ব্ৰহ্মপুত্ৰ উপত্যকাত ৰাজ্য স্থাপন কৰাৰ আগেয়ে বিভিন্ন জনজাতীয় লোকৰ যি সংমিশ্ৰিত ভাষা আছিল সেয়াই হল শৰণীয়া সকলৰ মাতৃ ভাষা, অৰ্থাৎ শৰণীয়া ভাষা । এই শৰণীয়া সকলৰ ভাষাই আহোম সকলে কামৰূপ দখল কৰাৰ পিছত দেশৰ নাম অসম হয় আৰু অসম দেশৰ নাম অনুসৰিএই শৰণীয়া ভাষাই অসমীয়া ভাষা হয় ।

ধৰ্ম আৰু সংস্কৃতিৰ সমন্বয়ত খৃ:পূ: ৫০০ বছৰ পূৰ্বৰ পৰা সময়ৰ সোতত শৰণীয়া সকল জাতি গঠন প্ৰক্ৰিয়াত কেনেদৰে আগ বাঢ়িল আৰু ১৯০০ শতিকাত পূৰ্ণ জাতি গঠন হল তাৰ অধ্যয়ন এই পুথিত আগবঢ়োৱা হল ।

শৰণীয়া জাতি গঠন প্ৰক্ৰিয়াত বিস্তৃত ভাবে আলোচনা কৰিবলৈ যাওঁতে আমনি লাগিলেও কিছুমান বুৰঞ্জীমূলক কথা তানি আনিবলগীয়া হৈছে । লগতে

ধৰ্ম সম্বন্ধে মানুহৰ ধাৰণা শুদ্ধ কৰাৰ প্ৰয়াসেৰে কিছুমান তাত্বিক কথাওঁ সংযোগ কৰিব লগা হৈছে। সেয়েহে আমনি লগাটো স্বাভাবিক। গঠন প্ৰক্ৰিয়াৰ আলোচনাৰ সুবিধাৰ কাৰণে তিনি ভাগত ভাগ কৰি লোৱা হৈছে। মহাপুৰুষ শংকৰদেৱৰ জন্মৰ আগলৈ প্ৰাক শংকৰী যুগ আৰু শংকৰদেৱৰ জন্মৰ পিছৰ পৰা শঙ্কৰী যুগ (১) আৰু শঙ্কৰী যুগ (২) এই তিনি ভাগত ভগোৱা হৈছে।

শৰণীয়া কছাৰী জাতিৰ ক্ষেত্ৰত এয়া প্ৰথম আৰু নতুন কিতাপ। আলোচনাত যথেষ্ট সাৱধানতা অৱলম্বন কৰা হৈছে যদিও যি ক্ৰুটি ৰল সেইবোৰ পাঠক সকলৰ চকুত ধৰা পৰিবই তাৰ কাৰণে কৰযোৰে ক্ষমা বিচাৰিছোঁ। লগতে ভুলবোৰ আঙুলিয়াই দিবলৈ পাঠক সকলক কৰযোৰে প্ৰাৰ্থনা জনালোঁ।

এই কিতাপখন ছপোৱাৰ অনুপ্ৰেৰণাৰ ক্ষেত্ৰত মই প্ৰথমেই নাম লব লাগিব সাহিত্যিক মাননীয় শ্ৰীসোমবৰ বৰুৱা ডাঙৰীয়াৰ কথা। তেখেত ভাৰতীয় ষ্টেট বেঙ্ক, ৰঙিয়া শাখাৰ বিষয়া। তেখেতে কিতাপখনৰ ছপা আহিঁ যথাসাধ্যে চাই-চিটি হি কষ্ট কৰিলে সেই কষ্ট কাহানিও পাহৰিব নোৱাৰিম। এই খিনিতে তেখেতক মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এই কিতাপখন ছপোৱাৰ ক্ষেত্ৰত অনুৰাগ দেখুৱা জয়ন্তী অফছেট প্ৰেছ ৰঙিযাৰ স্বত্বাধীকাৰী শ্ৰীপৰমেশ্বৰ বুজৰ বৰুৱা তথা ছপাশালৰ সমূহ কৰ্ম্মীলৈ মোৰ আন্তৰিক শলাগ আগ বঢ়ালোঁ।

# সূচীপত্ৰ

## প্ৰথম অধ্যায়

শৰণীয়া জাতি গঠনৰ ইতিবৃত্ত - ১-৩১

প্ৰাক শঙ্কৰী যুগ, মঙ্গোলীয় সকলৰ আদি কথা বা বংশলতা, মানৱ জাতিৰ শ্ৰেণী বিভাজন, সাংস্কৃতিক সমন্বয় ।

শঙ্কৰী যুগ - ১

সামাজিক পৰিস্থিতি, শঙ্কৰ দেৱৰ নাম ধৰ্ম্ম আৰু শৰণীয়া জাতি গঠনত ইয়াৰ প্ৰভাৱ,

শঙ্কৰী যুগ - ২

## দ্বিতীয় অধ্যায়

শৰণীয়া ভাষা - ৩২-৪০

ভাষাৰ উৎপত্তি লিপিৰ উৎপত্তি, মঙ্গোলীয় ভাষাৰ শ্ৰেণী বিভাজন,

## তৃতীয় অধ্যায়

সমাজ - ৪১-৫৮

পৰিয়ালৰ পৰিচয়, বাসস্থান নিৰ্ণয় আৰু ঘৰ সজাৰ নিয়ম, গৃহ প্ৰৱেশ, চোতাল সম্পৰ্কে লোক বিশ্বাস, ভাখৰীৰ (ভঁড়াল ঘৰ) প্ৰতি লোক বিশ্বাস, বৰ ঘৰৰ প্ৰতি লোক বিশ্বাস, অন্যান্য বিশ্বাস, খোৱা লোৱা সম্পৰ্কে বিশ্বাস, যাত্ৰাৰ সময়ত বিশ্বাস, সপোনৰ বিশ্বাস, খেতিৰ মাটি নিৰ্ব্বাচন, ঘৰৰ বস্তিৰ মাটি নিৰ্ব্বাচন, ধান খেতিৰ উৎপত্তি সম্পৰ্কে কিংবদন্তি, খেতিৰ বতৰ গণনা, বৰষুণ গণনা, আমতীৰ সাঠ, ধানখেতি সম্পৰ্কে মানিচলা লোক বিশ্বাস, খোৱা বোৱাত আচাৰ ব্যৱহাৰ, হালখতিৰ নিয়ম ।

## চতুৰ্থ অধ্যায়

সংস্কৃতি - ৫৯-২০৩

সংস্কৃতিৰ পৰম্পৰাগত অভ্যাস, বিবাহ, কইনা সুধিবলৈ যোৱাত যাত্ৰা কালীন শুভা শুভৰ লোক বিশ্বাস, বিয়াৰ খাতিৰ ভাৰ, বিয়ৈ বন্ধা, বভা সজা, বিয়াৰ জোৰণ বা তেলৰ ভাৰ, অধিবাস আৰু পূজা, পানীতোলা অনুষ্ঠান, গোহাই পূজা,

বসুদেৱৰ পূজা, শ্ৰাদ্ধ, নখ কমোৱা অনুষ্ঠান, গা ধোওৱা অনুষ্ঠান, শুৱাগ জাৰা অনুষ্ঠান, দৰাৰ বিবাহ যাত্ৰা, ডাবলি ভাৰ, গৰখীয়া ভাৰ, দৰা আদৰা অনুষ্ঠান, টিক ধৰা বা সম্বন্ধ চিঙা অনুষ্ঠান, দৰা ঘৰত কইনা, কইনাৰ ভাত চুবনী, জন্ম প্ৰকৰণ, মৃত্যু প্ৰকৰণ, চিতা সজা, মুখাগ্নী, অস্থি গ্ৰহণ, পজা সজা, তিলনি, হবিচ খাটা, দাহা বা দোহা, শ্ৰাদ্ধ, শ্ৰাদ্ধৰ পিণ্ড ৰ সম্ভাৰ, উৎসৱ পাৰ্ব্বণ, শৰণীয়া কছাৰীৰ বহাগ বিহু উৎসৱ, মানুহ বিহু আৰু বিহান, গোসাই ঘৰ আৰু গোসাই বাঁ, হোম পূৰা আৰু গোসাই বাঁ খহোৱা উৎসৱ, বুৰঞ্জীৰ পটভূমিত গোসাই বাঁ আৰু গোসাই ঘৰৰ জন্ম, হোম যজ্ঞৰ প্ৰাসংগিকতা, বাতৰ পূজা, কাতি গাছা, মাঘৰ দোমাহী, বাম্বোল পিৃতা উৎসৱ, মহ খেদা উৎসৱ, আই নাম, তোলনী বা ধূৱনী বিয়া, অপেশ্বৰী নাম ।

### ৫ম অধ্যায়

শিল্প কৰ্ম্ম - ২০৪-২১১

এণ্ডি কাপোৰ শিল্প, পলু পোহা পদ্ধতি, সুতা কাটা পদ্ধতি, কপাহ কাপোৰ শিল্প, পাট শিল্প, সুতা কটা পদ্ধতি, কাপোৰ লগোৱা পদ্ধতি, তেলপেৰা শিল্প, কুহিয়াৰৰ মিঠাই শিল্প ।

### ৬ষ্ঠ অধ্যায়

আহাৰ - ২১২-২১৭

আঞ্জাৰ তালিকা, বাৰিষাৰ পাচলি, জাৰ কালিৰ পাচলি, মা-মছলা, সিন্দল মাছ, ফল-মূল, ৰন্ধন প্ৰকৰণ, মদৰ ব্যৱহাৰ, তামোল পাণ ।

### সপ্তম অধ্যায়

সাজ পাৰ আৰু অলঙ্কাৰ, অলঙ্কাৰ ২১৮-২২০

### ৮ম অধ্যায়

খেল ধেমালিৰ গীত, পাৰিবাৰিক সম্বন্ধ, উপাধি ২২১-২২৮

### নবম অধ্যায়

শৰণীয়া কছাৰী সকলৰ ৰাজনৈতিক দৰ্শন অতীত আৰু বৰ্ত্তমান, সদৌ অসম শৰণীয়া সন্থাৰ অধিবেশনৰ জিলিঙণি, সদৌ অসম শৰণীয়া ছাত্ৰ সন্থাৰ অধিবেশনৰ জিলিঙণি - ২২৯-২৬৪

# প্ৰথম অধ্যায়

## শৰণীয়া কছাৰী জাতি গঠনৰ ইতিবৃত্ত
## প্ৰাক শঙ্কৰী যুগ

অসমীয়া সাহিত্য আৰু বুৰঞ্জী মেলি চালে আমি দেখিবলৈ পাওঁ যে মাতৃভাষা অসমীয়াৰে ব্ৰাহ্মণ্য হিন্দু ধৰ্মালম্বী যি সকল মঙ্গোলীয় (কিৰাত) গোষ্ঠীৰ লোক আছে সেই সকলেই "শৰণীয়া" ।

শৰণীয়া জতি গঠন প্ৰক্ৰিয়ালৈ লক্ষ্য কৰিলে আমি দেখিবলৈ পাওঁ যে শৰণীয়া সকল আৰ্য আৰু অনাৰ্যৰ মাজত সাংস্কৃতিক সমন্বয় গঢ়ি উঠাৰ পিছত উদ্ভব হোৱা জাতি। বিভিন্ন সময়ত বিভিন্ন ধৰ্মৰ প্ৰতি আকৃষ্ট হৈ মঙ্গোলীয় সকলে ধৰ্মান্তৰিত আৰু আৰ্য সকলৰ লগত সাংস্কৃতিক সমন্বয় ঘটাৰ পিছত শৰণীয়া জাতি গঠনৰ পথত আগবাঢ়ে । অৱশ্যে মহাপুৰুষ শঙ্কৰদেৱৰ নাম ধৰ্ম প্ৰচাৰৰ আগেয়ে ধৰ্মান্তৰিত আৰু জাতান্তৰিত হৈ সৃষ্টি হোৱা এই জাতিটোক শৰণীয়া বুলি কোৱা হোৱা নাছিল । বৈষ্ণৱ গুৰু সকলৰ চৰিত পুথিত আমি পাওঁ যে , এক শৰণ নাম ধৰ্মত যিজনে নতুনকৈ গ্ৰহণ কৰিছে , তেওঁকেই শৰণীয়া বুলি কোৱা হৈছে । অৱশ্যে এই শৰণীয়া সকলৰো বিবাহ শ্ৰাদ্ধ আদি সামাজিক আচাৰ অনুষ্ঠান বৈদিক প্ৰথামতে ব্ৰাহ্মণৰ পৌৰাহিত্যত সম্পাদন কৰা হয় । মহাপুৰুষ শঙ্কৰদেৱৰ নাম ধৰ্মৰ আগতে এই জাতিটোৱে ব্ৰাহ্মণৰ দ্বাৰা দীক্ষিত হৈ আৰ্য সংস্কৃতি গ্ৰহণ কৰি ক্ষত্ৰিয় বুলি পৰিচয় দিছিল ।

পণ্ডিত সকলে এই দেশৰ লোক সকলক তিনি ভাগত ভাগ কৰিছে । প্ৰথম আৰ্য- যিবিলাক আৰ্যই ভাটিৰ ফালৰ পৰা আহি বাস কৰিছে আৰু যাৰ মাতৃ ভাষা সংস্কৃত মূল। ইয়াৰ মাজত ব্ৰাহ্মণ, কলিতা,কেওট প্ৰভৃতি। দ্বিতীয়তে অনাৰ্য - অৰ্থাৎ যিবিলাক লোক আৰ্য্য নহয় আৰু যি এই দেশত আদিৰে পৰা বাস কৰি আহিছে । যাৰ স্বতন্ত্ৰ ভাষা আছিল আৰু আছে । ইয়াৰ ভিতৰত

বড়ো, গাৰো, লালোং, ৰাভা, চুটিয়া, দেউৰী, মেচ, কচাৰী, ডিমাচা, মিকিৰ প্ৰভৃতি পৰে ।

তৃতীয় মিশ্ৰজাতি — অৰ্থাৎ আৰ্য আৰু অনাৰ্য জাতিৰ সংমিশ্ৰনৰ দ্বাৰা উৎপন্ন হোৱা জাতি । অধিকাংশ শৰণীয়া, সনোৱাল, দোৱানীয়া, কোচ, চুটিয়া প্ৰভুতি জাতি ইয়াৰ অন্তৰ্গত ।

পণ্ডিত সকলৰ মতে এই তৃতীয় মিশ্ৰিত জাতিবোৰো মঙ্গোলীয় গোষ্ঠীৰ। এই কথা মঙ্গোলীয় ( কিৰাত) সকলৰ বংশ লতাৰ পিনে লক্ষ্য কৰিলে দেখা যায় ।

মঙ্গোলীয়(কিৰাত) সকলৰ আদি কথা বা বংশ লতা - পণ্ডিত সকলৰ মতে মঙ্গোলীয় সকলৰ বাসস্থান হল চাইবেৰীয়া আৰু মঙ্গোলীয়া । খৃ:পূ:২০০০ বছৰআগে এই মঙ্গোলীয় সকলে তিনি ভাগত ভাগহৈ এভাগ ইউৰোপৰ ফালে যায়গৈ । বুৰঞ্জীবিদ সকলৰ মতে তেওঁলোকে তুৰ্কি আৰু ইটালিত বাস কৰে । দ্বিতীয় ভাগে উত্তৰ আমেৰিকাৰ মেক্সিকোত বাস কৰে গৈ । তৃতীয় ভাগটো দক্ষিণ ফালে আহি চীনৰ দক্ষিণ পশ্চিমত হোৱাংহো উপত্যকাত আৰু তিব্বত মালভূমিত বাস কৰে । তিব্বতৰ পৰাও চামে চামে হিমালয়ৰ নামনিত বাস কৰে । পিছত এই থালটোৱে ব্ৰহ্মপুত্ৰৰ দাতি কাষৰিয়া ঠাইত বাস কৰে আৰু সৰু সৰু ৰাজ্য স্থাপন কৰে । হিমালয় পৰ্বতৰ দাঁতি কাষৰীয়া ঠাইবোৰত বসতি কৰাৰ কাৰণে সংস্কৃত কক্ষৰাত বা কচ্ছাত শব্দৰ পৰা কিৰাত আৰু কছাৰী শব্দৰ উৎপত্তি হৈছে বুলি পণ্ডিত সকলে অনুমান কৰে । কালক্ৰমত এই মঙ্গোলীয় গোষ্ঠীৰ পৰাই বহুতো উপজাতিৰ সৃষ্টি হয় । ইতিহাস গৱেষক সকলে মঙ্গোলীয় সকলৰ বংশ লতাক তলত দিয়া ধৰণে ভাগ কৰিছে —


মঙ্গোলীয়
তিব্বত ব্ৰহ্ম
টাইচীন
তিব্বত হিমালয়
উত্তৰ অসম
অসম ব্ৰহ্ম
খামতি ফাকিয়াল
টাইশ্যান
বায়
লিম্বা
গুৰুং
ভোটজা
চেৰডুকপেন
অকা
ডফলা
মিৰি
মিচিমি
গালং
মোম্বা
বড়ো
নগা
কুকিচীন
আওঁ
লোঠা
কুকি
মনিপুৰী
বড়ো
গাৰো
লালুং
ৰাভা
চুটিয়া(দেউৰী)
কোচ
মেচ
কছাৰী
ডিমাচা
মিকিৰ
বৰ্মন(কাচাৰ)
হোজাই
ঠেঙাল
সোনোৱাল
ফুলগুৰীয়া
মৰাণ
মটক
হাজং
থিয়াল
চলনীমাচ
মহিলা
ভোতজা
মদাহী
বায়বায়দো
বানথা
বানচৈ
পাতিৰাভা
বাংখা
হাটো
বাগ

উক্ত বংশ লতালৈ লক্ষ্য কৰিলে আমি দেখিবলৈ পাওঁ যে খৃ:পূ: দুহেজাৰ বছৰ আগৰ এটা জাতিয়ে আজি চাৰিহাজাৰ বছৰৰ পাছত পচপন্নতা উপজাতিৰ সৃষ্টি কৰিলে। অৰ্থাৎ চাৰিহাজাৰ বছৰৰ আগৰ এটা পৰিয়াল আজি পচপন্নটা পৰিয়ালত ভাগ হ্‌ল।

উক্ত পচপন্নতা উপজাতিৰ মাজত শৰণীয়া সকলক কিন্তু ভাগ কৰি দেখুওৱা হোৱা নাই। কিয়নো শৰণীয়া সকল উক্ত কোনো এটা নিৰ্দিষ্ট জাতিৰ পৰা সৃষ্টি হোৱা নাই। পণ্ডিত সকলৰ মতে শৰণীয়া সকল উক্ত সমূহ মঙ্গোলীয় জাতিৰ সংমিশ্ৰনৰ ফলতহে সৃষ্টি হৈছে। এই কথা এখন কিতাপত ড০ লক্ষ্মী দেৱী এম এ ডি ফিল ডাঙৰীয়ানীয়ে লিখিছে যে "মেচ-ৰাভা কছাৰী ইত্যাদি ভৈয়ামত বাস কৰা অনাৰ্য জনজাতি কিছুমানে হিন্দু ধৰ্ম গ্ৰহণ কৰিছে আৰু ব্ৰাহ্মণ সকলে তেওঁলোকক শৰণীয়া নাম দি শুদ্ৰ শ্ৰেণীত ভুক্ত কৰিছে"।

The mane in Assam is no longer that of a tribe but mation of a Hindu caste in to which all converts to Hindusim from the different tribes Kachary, Garo, Lalung, Mikir etc. are admitted on convertion RcA(1851 213).

L.A. waddell ডাঙৰীয়াই লিখিছে —" This semi-Hindusim people occupying the plains of the Brahmaputra between Lower Assam and North Eastern Bengal, are in many ways intersting. They do not,as stated by Colonel DALTON, Mr. RISLEY and others, belong to the dark Dravidian aborigines of India, But are distinctly Mongoloid, though some what heterogeneous. This term koch has become more of a caste title than tribal appellation, so that individuals of the Kachari, Garo, Rabha, Lalung and allied Indo-chinese tribes can become Koch by establishing a Brahminical priest and giving up eating beef, though we need not necessarily abjure animal food altogather. In this stage he is called Saraniya, which means " a refugee im-

plying that he has taken refuge in Hinduism".

L.A. waddell : The tribes of the Brahmaputra valley(1901).

গতিকে শৰণীয়া সকল বিভিন্ন জনজাতিৰ সংমিশ্ৰনত গঠিত বুলি আমি কব পাৰো।

<u>মানৱ জাতিৰ শ্ৰেণী বিভাজন</u> ঃ— জাতি গঠন প্ৰক্ৰিয়ালৈ লক্ষ্য কৰিলে দেখা যায় যে এই পৃথিৱীত কোনো এটা জাতিয়েই এদিনতে গঢ়লৈ উঠা নাই। অধ্যাপক ফ্লাৱাৰে মানৱ জাতিক নিগ্ৰয়ত মঙ্গোলীয়ান আৰু ককেচিয়ান বুলি তিনিটা মূল জাতিত ভাগ কৰিছে। কিন্তু ১৮৯১ চনৰ ভাৰতীয় জাতিৰ জৰীপত চাৰ হাৰ্বাট ৰিছলিয়ে (১) দ্ৰাবিড়ী মঙ্গোলীয় (২) মঙ্গোলীয় দ্ৰাবিড়ী (৩) আৰ্য দ্ৰাবিড়ী (৪) কাইথ দ্ৰাবিড়ী (৫) তুৰ্ক ইৰাণীয়ান আৰু (৬) ইন্দো ইৰিয়ান (ইন্দো আৰ্য) এই ছয় ভাগত ভাগ কৰে। পিছত ১৯৩১ চনৰ মানুহ পিয়লত ড° বীৰজা শঙ্কৰ গুহই এন্থ্ৰোপমেটিক (মূৰৰ জোখ লোৱা) নতুন বিজ্ঞান সন্মত গবেষণা পদ্ধতিৰে নিগ্ৰিটো প্ৰটোঅষ্ট্ৰেলয়ত আৰু মঙ্গোলীয়ত বুলি তিনিটা ট্ৰাইবেল(অনাৰ্য) আৰু ভূমধ্যিক বহুল মূৰীয়া নামে তিনিটা আৰ্য ভাষী মুঠ ছয়তা জাতিৰ ভাগ দেখুৱাইছে। (ডিম্বেশ্বৰ নেওঁগ, অসমীয়া সাহিত্যৰ বুৰঞ্জী)

অধ্যাপক ফ্লাৱাৰৰ আগতে ভাৰতৰ মানুহক কোনো জাতিত ভাগ কৰা হোৱা নাছিল বুলি অনুমান হয়। অধ্যাপক ফ্লাৱাৰৰ পিছৰ পৰাইহে মানুহৰ মাজত জাতি বিভাজন আৰু জৰীপৰ ব্যৱস্থা হয়।

ড° বীৰজা শঙ্কৰ গুহৰ মতে



এইদৰে যুগে যুগে মানুহৰ মাজত জাতি বিভাজন চলি আহিছে আৰু নতুন জাতিৰ সৃষ্টি হৈছে বুলি কব পাৰি ।

পণ্ডিত সকলৰ মতে ভাৰতৰ ট্ৰাইবেল বা অনাৰ্য পৰিয়াল গঠন কৰা তৃতীয়টো জাতি মঙ্গোলয়ড ইয়াৰ পেলী(পুৰা) মঙ্গোলয়ড ডালৰ দীঘলমূৰীয়া ঠালটোৰ বংশধৰ হিমালয়ৰ পাঠান অঞ্চলত অসম আৰু ইণ্ডো-ব্ৰহ্ম সীমান্তত য়ুনাম আৰু দক্ষিণ পূব চীনত এইবোৰ ঠাইত আদিম অধিবাসী ৰূপে বৰ্তমান ।

<u>সাংস্কৃতিক সমন্বয়</u> ঃ— পণ্ডিত সকলৰ মতে খৃ:পূ: এহেজাৰ বছৰ পূৰ্বে এৰিয়ান মঙ্গোলীয়ান বা অনাৰ্য কিৰাতৰ মাজত সাংস্কৃতিক সমন্বয় গঢ়ি উঠিছিল । এই সংস্কৃতি সমন্বয় বিশেষকৈ বৈবাহিক আৰু ধৰ্মান্তৰিত হৈ গঢ়ি উঠিছিল । পূব ভাৰতৰ প্ৰাগজ্যোতিষ- পুৰ বা প্ৰাচীন কামৰূপৰ মহাৰাজ ভগদত্তৰ ভনীয়েক ভানুমতীক কৌৰৱৰ জেষ্ঠ দুৰ্যোধনে বিয়া কৰাইছিল । আৰ্যৰ শ্ৰেষ্ঠ অৱতাৰ পুৰুষ শ্ৰী শ্ৰীকৃষ্ণই কুণ্ডিল ৰাজ্যৰ কিৰাত বংশীয় ভীষ্মকৰ কন্যা ৰুক্মীনিক বিয়া কৰাইছিল । শ্ৰীকৃষ্ণৰ নাতিয়েক অনিৰুদ্ধই কিৰাত বংশীয় বান ৰজাৰ কন্যা উষা দেবীক বিয়া কৰাইছিল । ইয়াৰ পৰাই প্ৰমাণ হয় যে সেই সময়ৰ পৰাই আৰ্য আৰু অনাৰ্যৰ সভ্যতা আৰু সংস্কৃতিৰ ভিতৰত আদান প্ৰদানৰ সম্পূৰ্ণ সম্বন্ধ গঢ়ি উঠিছিল ।

আনফালে ধৰ্মৰ পিনে লক্ষ্য কৰিলে দেখিবলৈ পাওঁ যে খৃ:পূ: ৫০০ বছৰ পূৰ্বে গৌতম বুদ্ধই প্ৰথম মঙ্গোলীয় গোষ্ঠীৰ মাজত বৌদ্ধ ধৰ্ম প্ৰচাৰ কৰে । ভগৱান বুদ্ধই ভূটান, তিব্বত, চীন, চিকিম, জাপান, মঙ্গোলীয়া, ব্ৰহ্মদেশ, কোৰিয়া আদি দেশৰ মানুহবোৰৰ মাজত বৌদ্ধ ধৰ্ম প্ৰচাৰ কৰি তেওঁলোকক দিক্ষিত কৰে । এইদৰে বৌদ্ধ ধৰ্ম প্ৰচাৰৰ ফলত আৰ্য, শুদ্ৰ, দাস, আদি লোকৰ মাজত সমন্বয় ঘটে ।

ভগৱান বুদ্ধৰ বৌদ্ধত্ব প্ৰাপ্তি হোৱাৰ আগতে পুৰণি দিদেহ (উত্তৰ বিহাৰ, উত্তৰ বংগ) আৰু মিথিলা (পশ্চিম বিহাৰ) আদি দেশত লিচ্ছবি জাতিয়ে প্ৰচীন কালত ৰাজত্ব কৰিছিল । পণ্ডিত সকলৰ মতে শাক্য, কেলীয়, লিচ্ছবি, ব্ৰিজি বা বিজ্জ, মল্ল আদি জাতিবোৰ আদিতে মঙ্গোলীয় আছিল । পিছৰ কালত লিচ্ছবি জাতিয়ে বৰ্তমান উত্তৰ বঙ্গত ৰাজত্ব কৰাৰ সময়ত ব্ৰাহ্মণৰ দ্বাৰা দীক্ষিত হৈ আৰ্য সংস্কৃতি গ্ৰহণ কৰি ক্ষত্ৰিয় বুলি পৰিচয় দিয়ে ।

আনপিনে সেই সময়ত সমাজত যিবোৰ কুসংস্কাৰ আছিল, সেই

কুসংস্কাৰবোৰ বুদ্ধদেৱে সংস্কাৰ কৰিবলৈ সমৰ্থ হয় । তেওঁৰ দিনতে লিচ্ছবি সকলৰ মাজত থকা বহু পত্নীক বিবাহ ব্যৱস্থা বন্ধ কৰিবলৈ সমৰ্থ হয় । প্ৰজাতন্ত্ৰ আৰু ব্ৰাহ্মণ সকলৰ মাজত একো গোপনীয়তা নেথাকিল । গৌতমে বুদ্ধত্ব প্ৰাপ্ত হৈ বৌদ্ধ ধৰ্ম প্ৰচাৰ কৰাৰ লগে লগে ভাৰতীয় সংস্কৃতিৰ আমূল পৰিবৰ্তন ঘটি উন্নত সংস্কৃতি আৰু সভ্যতালৈ অগ্ৰসৰ হয় । সেই উন্নতি আৰু সভ্যতা গঢ়ি উঠিছিল আৰ্য আৰু অনাৰ্যৰ সমন্বয়ত । আমি অনুমান কৰিব পাৰো যে সেই সমন্বয়ৰ পৰা এটা সংমিশ্ৰিত জাতিৰ সৃষ্টি হয় । সেই সংমিশ্ৰিত জাতিয়েই হল শৰণীয়া জাতি ।

ইয়াৰ পিছতে বুৰঞ্জীত আমি পাওঁ দানৱ ৰাজ ভগদত্তৰ বংশধৰ বৰকাছা বৰ্মা ভাস্কৰ বৰ্মাৰ কথা । হিউৱেনচাঙে ভাস্কৰ বৰ্মাক ব্ৰাহ্মণ বুলি উল্লেখ কৰিছিল । দৰাচলতে ভাস্কৰ বৰ্মা ব্ৰাহ্মণ্য ধৰ্মীহে আছিল, ব্ৰাহ্মণ নাছিল । তেওঁক ভুলতে ব্ৰাহ্মণ বুলি উল্লেখ কৰাৰ কাৰণ হল তেওঁ আৰু তেওঁৰ বংশই ইতিমধ্যে হিউৱেনচাঙে কামৰূপলৈ অহাৰ আগেয়ে ব্ৰাহ্মণ্য ধৰ্ম গ্ৰহণ কৰিছিল । অৰ্থাৎ শৰণীয়া হৈছিল । গতিকে ভাস্কৰ বৰ্মা শৰণীয়া ৰজা আছিল । এই বৰ্মা বা বৰ্মন বংশৰ শাসন কাল খৃঃ চতুৰ্থ শতিকাৰ পৰা সপ্তম শতিকালৈ বুলি ধৰা হয় । এই বৰ্মা বা বৰ্মন বংশৰ ৰজা সকলে শৰণীয়া বা ক্ষত্ৰিয় হোৱাৰ বৰ্ণনা "পুৰণি অসম" নামৰ পুথিত এইদৰে পাওঁ (৪৩)

নিম্ন বৰ্ণৰ বা জনজাতীয় মানুহক ক্ষত্ৰিয় শ্ৰেণীত এক অভিনব পন্থাৰে অন্তৰ্ভূক্ত কৰা হয় । ব্ৰাহ্মণ সকল সদায় অৰ্থ আৰু সুবিধাৰ পিছত দৌৰে । নিৰ্দিষ্ট ৰজাজন বা ৰাজ বিষয়া জনক এটা ডাঙৰ সোণৰ গৰুক কলহত ভৰাই পূজা কৰি উলিয়াই অনা হয় । গৰুটোক কলহটোৰ পৰা উলিয়ায় অনাৰ লগে লগে তেওঁ আৰু তেওঁৰ বংশ ক্ষত্ৰিয়লৈ ৰূপান্তৰিত হয় আৰু সোনৰ গৰুটো বা কলহটোব্ৰাহ্মণ সকলে ভগায় লয় । এইদৰে সাতবাহন সকলৰ পৰা আৰম্ভ কৰি কাছাৰৰ ডিমাচা ৰজা সকললৈকে এই অভিনব পন্থাৰে ব্ৰাহ্মণ সকলে ক্ষত্ৰিয়ত্ব দান কৰিছিল । ধাতবৰ আবৰণ বা বৰ্মাৰ মাজেৰে ওলোৱা বাবে বৰ্মা বা বৰ্মন নামাকৃত হৈছিল । পিছত ৰাজবংশ বিলাকক উচ্চ মৰ্যদা দিবলৈ বা তেওঁলোকক তোষামোদ কৰি অধিক অৰ্থ আৰু ক্ষমতা আদায়ৰ বাবে কিছুমান অলৌকিক কাহিনীৰ লগত এই ৰাজবংশ সমূহ উৎপত্তিৰ কাহিনী সংযুক্ত কৰিছিল আৰু ৰাজতন্ত্ৰ আৰু পুৰোহিতৰ হাত

শক্তিশালী কৰিবৰ বাবে ৰজা আৰু পুৰোহীত শ্ৰেণী দৈৱ প্ৰেৰিত বুলি মতবাদ সৃষ্টি কৰিছিল ।এইদৰে বিভিন্ন জনগোষ্ঠিৰ সমূহ মুখিয়াল ৰজা আৰু প্ৰশাসনীয় বিষয়ালৈ পৰিবৰ্তন হল ; এখন নতুন ৰাষ্ট্ৰৰ জন্ম হল আৰু জনগোষ্ঠি সমূহৰ মাজৰ পৰা একোটাকৈ নতুন শ্ৰেণীৰ সৃষ্টি হল । কামৰূপে ৰাষ্ট্ৰ হিচাবে এনেকৈয়ে প্ৰতিষ্ঠা লাভ কৰিছে । যেনেকৈ এজন অষ্ট্ৰিক দেৱতাৰ নামেৰে ছিলং এখন থাই তেনেকৈ এজন অষ্ট্ৰিক দেৱতা "কামৰূপ"ৰ নামেৰে নামাকৃত হৈ কামৰূপ এখন ৰাষ্ট্ৰ হল ।

আৰ্য সংস্কৃতিৰ প্ৰভাৱ এই জনগোষ্ঠী সমূহৰ ৰাজ দৰবাৰত প্ৰবেশ কৰাৰ আগলৈকে তেওঁলোকৰ বিষয়ে কোনো বিস্তৃত বিবৰণ পোৱা নাযায় । সমুদ্ৰ গুপ্তৰ এলাহাবাদস্তম্ভলিপিৰ উপৰিও উমাচল বৰ গঙ্গা আৰু নগাজৰী খনিকৰ গাও শিলালিপিয়ে প্ৰমাণ কৰে যে খৃ: পঞ্চম শতিকাৰ আগে আগে পুৰণি অসমত সুসংহত ৰাষ্ট্ৰ গঠন হৈছিল। ইয়াৰ অতিৰিক্ত সাক্ষ্য বহন কৰিছে ভাস্কৰ বৰ্মাৰ ডুবি আৰু নিধনপুৰ তামৰ ফলিয়ে । গছতল আৰু লঙ্কা স্তম্ভলিপিয়ে প্ৰমাণ কৰে যে সমুদ্ৰ গুপ্তৰ এলাহাবাদ স্তম্ভলিপিৰ ডবাক বৰ্ত্তমান নগাঁও জিলাৰ ডবাক অঞ্চলেই ।

নগাজৰী খনিকৰ গাও শিলালিপি আৰু দেঊপানীৰ মূৰ্তিলিপি সমূহে দেখুৱায় যে খৃ: চতুৰ্থ পঞ্চম শতিকাত বৰ্তমান গোলাঘাট অঞ্চলৰ এখন স্বাধীন ৰাষ্ট্ৰৰজন্ম হৈছিল। আৰু খৃ: অষ্টম নবম শতিকালৈকে ইয়াৰ অস্তিত্ব আছিল ।

সেই সময়ত পুৰণি হিন্দু ধৰ্মৰ ওপৰত বৌদ্ধ ধৰ্মৰ প্ৰভাৱ পৰিছিল । এই কথা অসমীয়া সমাজ আৰু সংস্কৃতি নামৰ গ্ৰন্থত ড০ সৰ্বেশ্বৰ ৰাজগুৰুদেৱে বিস্তৃত ভাবে বৰ্ণনা কৰিছে । ভাস্কৰ বৰ্মাৰ বৌদ্ধ ধৰ্মৰ প্ৰতি শ্ৰদ্ধা আছিল । ভাস্কৰ বৰ্মাৰৰাজ্যত বৌদ্ধ ধৰ্মালম্বী আছিল বুলি উল্লেখ কৰিছে । অৱশ্যে তেওঁলোকে প্ৰকাশ্যে নিজৰ ধৰ্ম প্ৰচাৰ কৰিব নোৱাৰিছিল । কিন্তু অষ্টম নবম শতিকামানৰ পৰা তান্ত্ৰিক বা সহজীয়া বৌদ্ধ ধৰ্ম কামৰূপত প্ৰকাশ্য হৈ উঠিছিল । সহজীয়া বা তান্ত্ৰিক বৌদ্ধ ধৰ্মই প্ৰাচীন কামৰূপত জনপ্ৰিয়তা লাভ কৰাৰ যুক্তিসংগত কাৰণো আছিল । তান্ত্ৰিক বৌদ্ধ ধৰ্ম হৈছে তান্ত্ৰিক হিন্দু ধৰ্ম বা শাক্ত ধৰ্ম আৰু উদাৰ বৌদ্ধ ধৰ্মৰ সংমিশ্ৰনৰ ফল । গতিকে কামৰূপত তান্ত্ৰিক বৌদ্ধ ধৰ্মই শৈৱ বা শাক্ত ধৰ্মৰ পৰা প্ৰতিৰোধ পাব লগা নহৈছিল । গতিকে অনুমান কৰিব পাৰি যে শৈৱ, শাক্ত আৰু তান্ত্ৰিক বৌদ্ধ ধৰ্মই প্ৰচীন কামৰূপত এখন উমৈহতীয়া হিন্দু সমাজৰ সূচনা কৰি

কামৰূপীয়া(অসমীয়া) সমাজ আৰু সংস্কৃতি কিছুদূৰ আগুৱাই আনিবলৈ সক্ষম হৈছিল। ভাস্কৰ বৰ্মাৰ ৭ম শতিকাৰ নিধন পুৰকস্থ তামৰ শাসনৰ পৰা জনা যায় যে তেওঁৰ দিনৰ পৰা অন্তত নিয়ম তান্ত্ৰিক ভাবে আৰু ৰাজকীয় নিৰ্দেশত কামৰূপত হিন্দু বৰ্ণাশ্ৰম ধৰ্ম প্ৰতিস্থা হয়। প্ৰচিন যুগৰ তামৰ শাসনৰ পৰা জনাযায় যে কাৰ স্মৃতিকাৰ আৰু ব্ৰাহ্মণ পুৰোহিত সকলে বৰ্ণাশ্ৰম ধৰ্মৰ লগত সংগতি ৰাখি তিব্বত বৰ্মা ফৈদৰ ৰজা কিছুমানকো কাহিনী ৰচনা কৰি তাত উচ্চ বংশ সম্ভূত হিচাবে দেখুৱাই হিন্দু সমাজলৈ আনিছিল। উদাহৰণ স্বৰূপে কিৰাত বা তিব্বত বৰ্মী ফৈদৰ ৰজা কিছুমানকো তামৰ শাসনত বৰাহ, বিষ্ণুৰ সতি সন্তুতি হিচাবে দেখুওৱা হৈছিল। এই যুগৰ জাতিগত ৰক্ত সংমিশ্ৰনৰ স্পষ্ট উদাহৰণ দেখুৱাব পৰা নেযায়। কিন্তু পণ্ডিত সকলে অনুমান কৰে যে এই যুগতো অসমত বিভিন্ন ফৈদ বা গোষ্ঠীৰ মাজত নিশ্চয় ৰক্ত সংমিশ্ৰন বা জাতিগত সংমিশ্ৰন হৈছিল আৰু কমাৰ, কুমাৰ, কৈবৰ্ত, নাপিত, ধোবা আদি নিম্ন ব্যৱসায়ৰ লোক সকলে উচ্চ ব্যৱসায়, কৃষিত ধৰি ব্ৰাহ্মণ পুৰোহিত আৰু স্মৃতিকাৰ সকলৰ উদাৰ ব্যৱস্থাৰ ফলত এই যুগৰে পৰা উচ্চ পৰ্যায়লৈ অৰ্থাৎ কলিতালৈ উন্নতি হৈছিল।

উল্লেখযোগ্য যে সেই সময়ত অৰ্থাৎ যি সময়ত শৈৱ, শাক্ত আৰু তান্ত্ৰিক বৌদ্ধ ধৰ্ম সংমিশ্ৰিত হৈ নতুন হিন্দু ধৰ্ম কামৰূপত সূচনা কৰিছিল তেতিয়া সেই সময়ৰ শৈৱ, শাক্ত আৰু তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ পণ্ডিত সকলেই এই নতুন হিন্দু ধৰ্মৰ ব্ৰাহ্মণত পৰিণত হ'ল আৰু সেই ব্ৰাহ্মণ সকলৰ চক্ৰান্ততেই কামৰূপত আদিম ৰজা সকল দীক্ষিত হৈ প্ৰজাৰ পৰা বেলেগ জাতিত পৰিণত হয়। ইয়াকে ব্ৰাত্য ক্ষত্ৰিয় হোৱা বুলি কোৱা হয়। এনেদৰে ৰজা আৰু প্ৰজাৰ মাজত বিভেদ সৃষ্টি কৰি ব্ৰাহ্মণ সকলৰ প্ৰাধান্য স্থাপিত হ'ল।

সেই সময়ত ৰজা মহাৰজা সকলৰ ওপৰত এই ব্ৰাহ্মণ সকলে কেনেদৰে প্ৰভাব বিস্তাৰ কৰিছিল সেই কথা ভবেন নাৰ্জী ডাঙৰীয়াই তেখেতৰ বড়ো কছাৰী সমাজ আৰু সংস্কৃতি নামৰ গ্ৰন্থত তলত দিয়া ধৰণে বৰ্ণনা কৰিছে।

কিছুমান বড়ো কছাৰীয়ে আৰ্যগোষ্ঠীৰ কোনো গোস্বামীক গুৰুমানী তেওঁৰ পৰা মন্ত্ৰ দীক্ষিত হৈ ভগৱানৰ পৰা শৰণীয়া বুলি জনাজাত হয়। শৰণ লোৱা মানুহে তেতিয়াৰে পৰা পবিত্ৰ হোৱা বুলি ধাৰণা কৰি লয়। তেওঁলোকে নিজ

ভাষা মাত-কথা এৰিদি অসমীয়া মাত-কথা কয়। খোৱা খাদ্য কিছুমান সলনি কৰি ললেও পিছত পুৰণি বড়ো কছাৰীৰ দৰে হৈ পৰে। কাছাৰ বাসী বড়ো, কছাৰী, ডিমাচা সকলে শৰণ লোৱাৰ পিছত বৰ্মন উপাধি লিখে। ডিমাচা সকলে পুৰণি কালত শৰণ লোৱাৰ সুন্দৰ কিংবদন্তি আছে।

"১৭৮০ খৃ:ত কাছাৰৰ ৰজা কৃষ্ণ চন্দ্ৰই এদিনাখন হিন্দু নেতা বিক্ৰমপুৰৰ মজুমদাৰক পৰীক্ষা কৰিলে। এখন তৰোৱাল আৰু এটা পাত্ৰত পানী আসনৰ ওপৰত লৈ ৰজাই বিক্ৰমপুৰৰ মজুমদাৰক সুধিলে। এই দুটা বস্তুৰ ভিতৰত আপুনি কোনটো গ্ৰহণ কৰিব ? মজুমদাৰে সগৌৰবে তৰোৱালখন উঠাইলৈ ৰজাক কলে-

" মহাৰাজ একজন হইতে যদি জাতি ৰক্ষা পায়।
প্ৰাণদিয়া জ্ঞানবন্ত সে কাৰ্য দাড়ায় "

এই কথাত ৰজা মনে মনে থাকিল। হিন্দু সকলে তেওঁক ভীমৰ বংশধৰ বুলি জানিও কিয় তেওঁৰ পানী নচুৱে তাৰ কাৰণ বিচাৰি নেপাই তেওঁ বিষন্ন হয়। এদিন ব্ৰাহ্মণ পণ্ডিত সকলৰ মাজত ৰজাই এই কথা প্ৰচাৰ কৰিলে। তেতিয়া ব্ৰাহ্মণ সকলে ৰজাক কলে—

"মাতৃদোষৰ উপশম হলে আপোনাৰ পানী আচৰণীয় হয় "

এই কথা বিশ্বাস কৰি ৰজাই ১১ জন জ্ঞানী পণ্ডিতৰ পৰামৰ্শ মতে মাতৃদোষৰ উপশমাৰ্থে হিৰণ্যগৰ্ভ নামৰ প্ৰায়চিত্তৰ অনুষ্ঠান পাতে। ব্যৱস্থা অনুসাৰে পিতলৰ এটা ডাঙৰ গাই বনাই সোণপাতে মণ্ডিত কৰিলে। ৰজা আৰু অমাত্যই গাইৰ মুখেদি সোমায় পিছৰ ফালে বাহিৰ হৈ পুনৰজন্ম লভিলে। কথিত আছে যে কছাৰী বহুত মানুহে তেনেকৈ পুনৰজন্মত ক্ষত্ৰিয়ত্ত্ব প্ৰাপ্ত হৈ বৰ্মা বা বৰ্মন উপাধি পাইছিল।

প্ৰায়চিত্ত কাৰ্য সমাধা হোৱাৰ পিছত ব্ৰাহ্মণ সকলে সেই পিতলৰ গাইটো ভগাই লৈছিল। শেষত ব্ৰাহ্মণ ভোজন আৰম্ভ হল। চিৰা গুৰ দৈ আদি ভগাই দি উঠি ৰজাই নিজ হাতে পানী ভগাই দিলে। ব্ৰাহ্মণ সকলে ৰজাৰ পানী গ্ৰহণ কৰিলে। এই কথা

A History of Assam by sir Edward Gait ডাঙৰীয়াই এই লিখিছে (246 )

The process of Hinduization had,probably already

commenced at Haibong at least among the Royal family and the court . At khaspur it proeceded rapidly and in 1790 the formal act of convertion took place; the Raju Krishna Chandra and his brother, Gobinda Chandra enterd the body of a copper effigy of a cow . On emergoing from it they were proelaimed to be Hindus of the Kshatriya caste, and a generlogy of the Mahabharat, was composed for them by the Brahmans names are purely immaginary and other are misplaced, while some kings, who as we know from other sources, reigned in fairly recent themes are not mention at all . The list which will be found in Henters Statistical Account of Assam ( vol ii page 403) is clearly a compound of oral tridition and deliberate invantion and no Historical value .

সেই সময়ত ৰজাৰ যি ধৰ্ম আছিল প্ৰজাৰো সেই একেই ধৰ্ম আছিল । ৰজাই ব্ৰাহ্মণৰ দ্বাৰা ধৰ্মান্তৰিত হৈ হিন্দু হোৱাৰ লগে লগে প্ৰজাসকলো ধৰ্মান্তৰিত হৈ হিন্দু হৈ ক্ষত্ৰিয় হৈছিল । সাধাৰণ প্ৰজাই কিন্তু একেদিনাই ক্ষত্ৰিয় হব পৰা নাছিল । সাধাৰণ প্ৰজাই কেনেকৈ ক্ৰমানুসাৰে ক্ষত্ৰিয় হৈছিল সেই কথা আমি পিছত এই অধ্যায়ৰ শঙ্কৰী যুগৰ ২য় অধ্যায়ত আলোচনা কৰিম ।

এতিয়া আহো আমি মহাপুৰুষ শঙ্কৰদেৱৰ সময়লৈ । কেনেকৈ মহাপুৰুষ শঙ্কৰদেৱৰ বৈষ্ণৱ ধৰ্মত উটি আহি অসমৰ মঙ্গোলীয় সকল শৰণীয় হৈ কোচ ৰাজবংশী পৰ্যায় পাইছিল ।

# শঙ্কৰীযুগ (১)

মহাপুৰুষ শঙ্কৰদেৱৰ ধৰ্ম প্ৰচাৰৰ আগেয়ে অসমৰ সামাজিক পৰিস্থিতি কেনে আছিল তাৰ বিষয়ে কিছু আলোচনা কৰা হল —

বুৰঞ্জীৰ পাত লুটিয়ালে আমি দেখিবলৈ পাওঁ যে মহাপুৰুষ শঙ্কৰদেৱৰ বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ আগলৈকে অৰ্থাৎ খৃ: দশম শতিকা মানৰ পৰা খৃ: তেৰশ শতিকালৈকে অসমত ঘোৰ ব্যাভিচাৰ আৰু সমাজত দুৰ্ঘোৰ বিশৃংখলতাৰ সৃষ্টি হৈছিল । এই কালতেই আৰ্য আৰু অনাৰ্যৰ ধৰ্মৰ খিচিৰিৰ পতন আৰু নব গঠন আৰাম্ভ হয় ।

আমি দেখিবলৈ পাওঁ যে কোচ ৰাজত্বৰ সময়তে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে বৈষ্ণব ধৰ্ম প্ৰচাৰ কৰিছিল । সেই কোচ ৰাজত্বৰ সময়ত কামৰূপত শাক্ত ধৰ্ম ৰাজধৰ্ম ৰূপে স্বীকৃত হৈছিল । সেই ধৰ্মই সেই সময়ত কেনে পৰিবেশ সৃষ্টি কৰিছিল, সেই সময়ৰ সামাজিক পৰিস্থিতি কেনেকুৱা আছিল আৰু মহাপুৰুষ জনাৰ ধৰ্ম প্ৰচাৰৰ জৰিয়তে দেশত কেনেকুৱা শান্তিৰ পৰিবেশ সৃষ্টি কৰিছিল, সেই বিষয়ে ডিম্বেশ্বৰদেৱে তেখেতৰ অসমীয়া সাহিত্যৰ বুৰঞ্জী নামৰ পুথিত তলত দিয়া ধৰণে বৰ্ণনা কৰিছে । (৯৬)

<u>সামাজিক পৰিস্থিতি</u>ঃ— পুৰণি অসমত যথাক্ৰমে দশম আৰু পঞ্চাদশ শতিকামানত ৰচিত হোৱা ভাৰতৰ প্ৰসিদ্ধ সংস্কৃত গ্ৰন্থ কালিকাপূৰাণ আৰু যোগীনি তন্ত্ৰই অন্ধকাৰময় প্ৰাচিন অসমীয়া সমাজৰ সৰহখিনিতে ফটফটিয়া পোহৰ পেলায়। বাহিৰে দেখাত ৰাজনৈতিক ফালৰ দৰেই সমাজনৈতিক ফালেও ই এক যুজ বাগৰৰকাল; আহোম বিলাকৰ ধৰ্ম্ম আদিতে কি আছিল কোৱা টান হলেও তেওঁ লোকৰ পূৰ্ব বৰ্ত্ত বাৰভূঞা আৰু চুতিয়া বিলাক যে বিভিন্ন শাক্ত ধৰ্ম্মালম্বী আছিল তাত সন্দেহ নাই। সদিয়াৰ কেচাই খাইতী তাম্ৰেশ্বৰী মন্দিৰ বুকাননে স্বৰূপ ভাবেই "পূবৰ কামাখ্যা মন্দিৰ" বুলিছে। যিহেতু কামাখ্যাত আৰ্য্য গঢ়ত এক শক্তিপূজাই চলিছিল। চুটিয়া ৰাজ্য পতনৰ পাচতো আহোমৰ আমোলত দেউৰী বিলাকে কামাখ্যাত চলাৰ দৰেই দূৰ্ঘোৰ নৰবলী চলাইছিল। কামাখ্যাৰ নৰবলিৰ সম্পৰ্কত "আইন ই আকবৰি" আদি মুছলমান লিখকে লিখাৰ দৰেই তাম্ৰেশ্বৰীৰ বলি বিলাকো ভোগী নামে অভিহিত হৈ ঘাইকৈ তিৰোতাৰ সম্পৰ্কত যি ব্যাভিচাৰ কৰিব

পাৰিছিল তাৰ পৰা সমসাময়িক অসমীয়া সমাজৰ দূৰ্যোৰ বিশৃঙ্খল অৱস্থাৰ অনুমান কৰিব পাৰি। এই কালত আৰ্য্য আৰু অনাৰ্য্য ধৰ্ম্মৰ খিচিৰি পতন আৰু নৱ গঠন কি দৰে সম্পন্ন হৈছিল তাৰো প্ৰকৃত প্ৰমাণ এই কালিকা পুৰাণ আৰু যোগিনী তন্ত্ৰ গ্ৰন্থ দুখনিয়েই। মদ্য মাংস আৰু স্ত্ৰী সম্ভোগ আৰু নৰবলিৰ বিধান কালিকা পুৰাণত স্পষ্ট ভাবে বৰ্ণাইছে। ষোড়শীৰ বিভিন্ন অঙ্গৰ ৰূপ ধ্যানৰ বিধান আৰু মদ্য মাংস আৰু স্ত্ৰী সম্ভোগৰ সমৰ্থন যোগীনি তন্ত্ৰত বিৰদ ভাবে দিয়া হৈছে। এই যোগিনীতন্ত্ৰতে উপভোগৰ বাবে কেনে মদ্য আৰু স্ত্ৰী উপযুক্ত তাক বৰ্ণাইছে; আৰু

"মাতৃ যোনিম পৰিত্যজ্য মৈথুনম সৰ্বযোনীষু"
দ্বাদশব্দাধিক যোনিৰ্যাবৎ ষষ্ঠি প্ৰজায়তে ।
ত্বাবত্তু মৈথুনম তস্মাৎ স্বয়ম্ভুৰ " বুলিছে ॥

হীনযান, মহাযান, বজ্ৰযান, বৌদ্ধ তান্ত্ৰিক আদি বিভিন্ন পৰৱৰ্ত্তী বৌদ্ধ সম্প্ৰদায়ো ধৰ্ম্মৰ নামত এনে অধৰ্ম্মৰ ইন্ধন যোগাইছিল বুলি বৈষ্ণৱ চৰিত বোৰত পোৱা যায়। জালসাই থলসাই আদি নানা আদিম পূজা পদ্ধতিৰ উপৰিও কছাৰী বিলাকে ব্ৰা-ব্ৰী পূজা কৰিছিল। অতিশয় উত্তাপৰ ছাটিফুটিও আৰু অত্যান্ত খৰাং বতৰৰ ধূলি মাকটিও যেনেকৈ এচাটি জুৰ বতাহ আৰু এজাক শান্তি ময় বৃষ্টিৰ সংকেত দিয়ে ধৰ্ম্মৰ নামত অধৰ্মৰ এই তান্দৱ নৃত্য বা প্ৰলয় নাচোনো নতুন বৃষ্টিৰ আগজাননী বুলিব পাৰি। গতিকে অতি স্বাভাবিক ৰূপেই এই সময়ত বহু দেৱ দেৱীৰ ঠাইত 'এখদেব এক সেব' বহু পূজা পাতালৰ কপটতা আৰু আড়াম্বৰৰ ঠাইত চিত্ত শুদ্ধিদায়ক সহজ সৰল ভক্তিৰে নাম ধৰ্ম্ম শ্ৰীমন্ত শঙ্কৰে যেতিয়া প্ৰচাৰ কৰিলে তাকে সেইদৰেই জনগণেই আদৰেৰে যে গ্ৰহণ কৰিব ইয়াকো সহজে আশা কৰিব পাৰি। কিন্তু ইহাতেও ঠিক সমানে তেনেকৈ স্বাৰ্থ জৰিত সুবিধা প্ৰাপ্ত সকলে তাৰ বিৰুদ্ধে যে প্ৰতিক্ৰিয়া কৰিবই অতো বিস্ময় মানিবলৈ একো নাই। এতেকে আমি দেখাপাও ৰাজনীতিৰ ক্ষেত্ৰত বাহিৰৰ বহু যুজবাগৰ চলি থকাৰ অৱস্থাৰ ভিতৰতে যেনেকৈ এই যুগতে বিপুল ৰাজশক্তিগাটি উঠিছিল, সমাজ নৈতিক ক্ষেত্ৰতো বিভিন্ন ধৰ্ম্মৰ এনে তয়া ময়া ৰণ চলি থাকোতে কিবাত বৈষ্ণৱ ধৰ্ম্মই আধিপত্য লাভ কৰি ৰহিছিল।

এই ক্ষেত্ৰত ডঃ সৰ্ব্বেশ্বৰ ৰাজগুৰুই তেখেতৰ "ইতিহাসৰ পাতমিলি

অসমীয়া সমাজ আৰু সংস্কৃতি" নামৰ গ্ৰন্থত এই দৰে লিখিছে। (১৬৪)

অসমীয়া জাতীয় জীৱনৰ ক্ষেত্ৰত এই যুগৰ আন এটি তাৎপৰ্য্যপূৰ্ণ ঐতিহাসিক ঘটনা হল মহাপুৰুষ শঙ্কৰদেৱ প্ৰবৰ্ত্তিত নববৈষ্ণৱ আন্দোলন। মহাপুৰুষ শঙ্কৰদেৱৰ নববৈষ্ণৱ আন্দোলনো আছিল অসমীয়া জাতীয় এটি ঐতিহাসিক প্ৰয়োজন। প্ৰাচীন অসম তথা কামৰূপৰ ৰাজ্যৰ প্ৰাচীন ধৰ্মীয় ধাৰাবোৰ হল মোটা-মুটি ভাবে শৈৱ, শাক্ত সহজীয়া বৌদ্ধ, তান্ত্ৰিক বৌদ্ধ বাসুদেবীয় বৈষ্ণৱ (তান্ত্ৰিক) ধৰ্ম। এইবোৰ ধৰ্ম্মীয় ধাৰাই বিভিন্ন জনজাতীয় সংস্কৃতিৰ মাজত সমন্বয় সাধন কৰি অসমীয়া জাতীয় সংস্কৃতিৰ মাজত সমন্বয় সাধন কৰি অসমীয়া জাতীয় সংস্কৃতি কিছুপৰিমানে চহকী আৰু বৈচিত্ৰ পূৰ্ণ কৰিলেওঁ ইয়াৰ কিছুমান ধৰ্ম্মীয় ধাৰাই সামাজিক ভাবে নৈতিক অধ:পতন ঘটাই অসমীয়া সামাজিক জীৱনৰ দূৰ্বল কৰিছিল। এনে ধৰ্ম্মীয় ধাৰাৰ ক্ষেত্ৰত সহজীয়া বৌদ্ধ আৰু তান্ত্ৰিক বৌদ্ধ ধৰ্ম্মৰ কথাই বিশেষ ভাবে উল্লেখ কৰিব পাৰি। সম্ভৱত তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ এই ক্ষেত্ৰত প্ৰভাব বেছি হব। খৃষ্টীয় অষ্টম নৱম শতিকামানৰ পৰা অসমত তান্ত্ৰিক বৌদ্ধ ধৰ্ম্মৰ প্ৰভাব পৰিছিল আৰু পাল ৰজা সকলৰ দিনত এই ধৰ্ম্ম অসমত ৰাজ ধৰ্ম্ম হৈ পৰিছিল। প্ৰধানকৈ এই দুই ধৰ্ম্মৰ প্ৰভাবত হোৱা সামাজিক অধ:পতনৰ পৰা অসমীয়া সমাজক উদ্ধাৰ কৰি ভাগৱত পুৰাণ আৰু ভগবদ গীতাৰ ভিত্তিত এক সুবিমল ভক্তি ধৰ্ম অসম বাসীৰ মাজত প্ৰচাৰ কৰাৰ ওপৰিও বিভিন্ন প্ৰকাৰৰ সামাজিক সংস্কাৰ, ব্যাপক ভাবে সাহিত্য, নৃত্য-গীত, অভিনয় আৰু শিল্প কলাৰ চৰ্চা আৰু ব্যক্তিগত তথা সামাজিক ভাবে শিষ্টাচাৰিতা, নীতি পৰায়নতা আৰু নীতি পৰায়ন জীৱন নিৰ্বাহ পদ্ধতিৰ প্ৰচলনেৰে অসমীয়া জাতীয় জীৱনৰ সামাজিক আৰু সাংস্কৃতিক মানদণ্ড ভাৰতবৰ্ষৰ ভিতৰত উল্লেখ যোগ্য কৰি তোলে। এই ধৰ্মই এহাতেদি শিষ্টাচাৰিতা নীতি পৰায়নতা আৰু শুচিতাৰ শিক্ষাৰ যোগেদি বিভিন্ন আৰ্য্যেতৰ গোষ্ঠীৰ অজস্ৰলোকক পৰ্য্যায়ক্ৰমে উন্নত কৰি বৃহৎ অসমীয়া সমাজৰ অন্তৰ্ভূক্ত কৰি অসমীয়া সমাজখনৰ পৰিষৰ বৃহত্তৰ কৰি তোলাৰ উপৰিও বিভিন্ন মানৱ গোষ্ঠীৰ লোকে বাস কৰা এই অসমত পূবে শদিয়াৰ পৰা পশ্চিমে কোচ বিহাৰলৈকে এখন শান্তিপূৰ্ণ ঐক্যবদ্ধ বৃহৎ অসমীয়া সমাজ গঢ়ি তোলে। এইটোৱেই আছিল মধ্যযুগৰ নববৈষ্ণৱ আন্দোলনৰ অসমীয়া সমাজ তথা জাতীয় জীৱনলৈ আগবঢ়োৱা ঐতিহাসিক

অবদান। অৱশ্যে এই ক্ষেত্ৰত কোচ ৰজা সকলৰ, বিশেষকৈ মহাৰাজ নৰনাৰায়ণৰ অবদানো কম অতুলনীয় নহয়।

আহোম ৰজা সকলে বিভিন্ন আৰ্য্যোত্তৰ গোষ্ঠীৰ ৰাজ শক্তিবোৰক ক্ৰমে পৰাজিত কৰি তেওঁলোকৰ ক্ষুদ্ৰ ৰাজ্যবোৰ নিজৰাজ্যৰ লগত চামিল কৰি গলেও আৰু নব বৈষ্ণৱ আন্দোলনে তেওঁলোকৰ মাজত ভক্তিধৰ্ম নব বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰি তেওঁলোকক ক্ৰমান্বয়ে এখন অসমীয়া হিন্দু সমাজৰ অন্তৰভূক্ত কৰি গলেও এই কালচোৱাত বিভিন্ন আৰ্য্যোত্তৰ গোষ্ঠীৰ বিভিন্ন ফৈদৰ অজস্ৰ ৰীতি-নীতি, আচাৰ অনুষ্ঠান গীত-মাত, লয় নৃত্য, শিল্প কলা অসমীয়া সমাজত সোমাই পৰিছিল।

অসমীয়া সংস্কৃতি বিশ্লেষণ কৰি চালে দেখা যায় যে বিভিন্ন আৰ্য্যোত্তৰ গোষ্ঠীৰ ভিতৰত মঙ্গোলীয় গোষ্ঠীৰ বিভিন্ন ফৈদৰ পৰা অহা অবদানেই এই অবদান সমূহৰ ভিতৰত বেছি। সেই কাৰণে এই যুগত ৰচনা কৰা এখন বিশেষ তান্ত্ৰিক গ্ৰন্থ যোগিনী তন্ত্ৰই যথাৰ্থ ভাবে কৈছে যে কামৰূপৰ ধৰ্ম্ম প্ৰধানকৈ কিৰাত মুলিয় (মঙ্গোলীয়)। এই ফালেদি বৈষ্ণব ধৰ্ম্মৰ সহন শীলতা আৰু আৰ্য্য ধৰ্ম্মী কৰণ প্ৰচেষ্টা আৰু আন হাতেদি আহোম ৰজা সকলে হিন্দু ধৰ্ম্মৰ প্ৰতি আগ বঢ়োৱা পৃষ্ঠপোষকতা, হিন্দু ধৰ্ম্ম গ্ৰহণ আৰু বিভিন্ন আৰ্য্যোত্তৰ গোষ্ঠীৰ মানুহ আহোম ফৈদত তুলিলোৱা আৰু বিভিন্ন গোষ্ঠীৰ মানুহক ৰাজনৈতিক আৰু অৰ্থনৈতিক কাৰণত বিভিন্ন অঞ্চলত বসতি দিয়াই এই সামাজিক আৰু সাংস্কৃতিক সমন্বয়ৰ মূলকাৰণ। বিভিন্ন আৰ্য্যোত্তৰ গোষ্ঠীৰ এই জাতিগত আৰু সাংস্কৃতিক সমন্বয়ে অসমীয়া জাতি আৰু সাংস্কৃতিক বৈচিত্ৰ পূৰ্ণ আৰু ঐশ্বৰ্য্যশালী কৰাৰ উপৰিও অমসীয়া সমাজখন অধিক ঐক্যবদ্ধ আৰু শক্তিশালী কৰি তুলিছিল। এইবোৰেই হল মধ্যযুগীয় অসমীয়া সমাজ আৰু সংস্কৃতিকৰ ঐতিহাসিক ঘটনা।

উক্ত লিখনি সমূহৰ পৰা আমি কব পাৰো যে মধ্যযুগত বিভিন্ন জনজাতীয় লোকক মহাপুৰুষ শঙ্কৰদেৱৰ নব বৈষ্ণৱ ধৰ্ম্মত দিক্ষা দিয়া বা শৰণ দিয়াই শৰনীয়া কৰাটো আছিল সেই সময়ৰ অসমীয়া জাতীয় জীৱনৰ এটি ঐতিহাসিক প্ৰয়োজন। যদিহে মহাপুৰুষ জনাই সেইটো সময়ত এক শৰণ নাম ধৰ্ম্মৰ জৰিয়তে শিষ্টাচাৰিতা নীতি পৰায়ণতা আৰু শুচিতাৰ শিক্ষাৰ যোগেদি বিভিন্ন জনজাতীয় অজস্ৰ লোকক

শৰণীয়া কৰি পৰ্য্যায় ক্ৰমে উন্নীত কৰি বৃহৎ অসমীয়া সমাজৰ অন্তৰভূক্ত কৰি অসমীয়া সমাজখনৰ পৰিসৰ বৃহত্তৰ কৰি নোতোলা হেতেন পূৱে শদিয়াৰ পৰা পশ্চিমে কোচ বিহাৰলৈ এখন শান্তিপূৰ্ণ বৃহৎ অসমীয়া সমাজ গঢ়ি নুঠিল হেতেন।

<u>**শঙ্কৰদেৱৰ নাম ধৰ্ম আৰু শৰণীয়া জাতি গঠনত ইয়াৰ প্ৰভাব**</u> ঃ মহাপুৰুষ শঙ্কৰদেৱে একেৰাহে বাৰ বছৰ কাল ভাৰতবৰ্ষৰ বিভিন্ন তীৰ্থস্থানবোৰ পৰিদৰ্শন কৰি আহি অসমত ভাগৱতী বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰিছিল। তাকে কোনো কোনোৱে এক শৰণ নাম ধৰ্ম্ম বুলিও কয়। এই ধৰ্ম্মই মানুহক মুক্তি আৰু মোক্ষ প্ৰাপ্তিৰ এটা চৰম উপলক্ষত উপনীত হবলৈ নিৰ্দ্দেশ দিছিল ।

"ভগৱন্তৰ গুন নাম শ্ৰবন কীৰ্ত্তনত মানুহে পাচ প্ৰকাৰ মুক্তিলাভ কৰে।" সালোক্য, সৃষ্টি, সামীপ্য, স্বাৰূপ্য আৰু সাজোৰ্য্য মুক্তি।

<u>(১) সালোক্য মুক্তি</u> - মায়াৰ পৰা নিগ্ৰহ হৈ সত্যলোক প্ৰাপ্তি হোৱাই সালোক্য মুক্তি।

<u>(২) সৃষ্টি মুক্তিঃ</u> ভগৱন্তৰ দৰে ঐশ্বৰ্য্যশালী হোৱা মুক্তিয়েই সৃষ্টি মুক্তি।

<u>(৩) সামিপ্য</u> ঃ ভগৱন্তৰ নিকতবৰ্ত্তী হোৱা মুক্তিয়েই সামিপ্য মুক্তি।

<u>(৪) স্বাৰূপ্য</u> ঃভগৱন্তৰ দৰে হোৱা মুক্তিয়েই স্বাৰূপ্য মুক্তি।

<u>(৫) সাজোৰ্য্য</u> ঃ ভগৱন্তলীন হোৱা মুক্তিয়েই সাজোৰ্য্য মুক্তি বা নিৰ্বান মুক্তি। এই মুক্তিবিলাকক মোক্ষপদ প্ৰাপ্তি, হোৱা বোলে। (বৈষ্ণৱ তত্ত্ব দৰ্শন, পূৰ্ণ চন্দ্ৰ কাকতি)

এই মুক্তি কিন্তু সহজ নাছিল। ই হব লাগিব কোনো ফলাফলৰ কথা চিন্তা নকৰাকৈ কৰা ভক্তিৰ বলত। ভগৱন্তত লীন যোৱা মানে সমগ্ৰ পৃথিৱীৰ চৰাচৰ আত্মাৰ লগত একীভূত হোৱা যিটোৱে অতি সহজ ভাষাত সকলো প্ৰাণীকে নিজৰ দৰে ভাবিবলৈ শিকায়।

**মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো**
**ৰসময়ি মাগহো ভকতি ।**
**সমস্ত মস্তক মনি নিজ ভকতৰ বৈশ্য**
**ভজো হেন দেব যদুপতি ।**
**নালাগে লীন মুকুতিতো যথা।**

নাহি হৰি পদ পঙ্কজ তথা
কৃষ্ণৰ ৰহস্য কথা শুনা সৰ্ব্বজন
মোক্ষ পদ পাবে যাৰ শ্ৰবন কীৰ্ত্তন
নামাগহো সুখ ভোগ নালাগে মুকুতি
তোমাৰ চৰণে যেন থাকক ভকতি (ঘোষা)
তোমাৰ পাৱত লৈলে যিজনে শৰণ
তযু গুন নাম কৰে শ্ৰবন কীৰ্ত্তন ।।
মোক্ষ প্ৰসাদক প্ৰভূ তোমাক নালাগে
ছাৰা স্বৰ্গ সুখ কোন তাসাম্বৰ আগে ।

নি স্বাৰ্থভাবে ভগৱন্তৰ গুণ নাম শ্ৰবন কীৰ্ত্তন আৰু স্মৰণ কৰি যি জনে অনাবিল ভক্তিকৰে যিজনে ভগৱন্তৰ নিৰ্গুন তত্ত্ব লাভ কৰিব পাৰে। তাকে নিৰ্বান বা লীন মুকুতি বোলে। এনে মহাজ্ঞানী লোকৰ হৰি গুণ ব্যতিৰেকে আন কতো একো স্পৃহা নেথাকে। এই আধ্যাত্মিক লক্ষ্যৰ পৰা মানুহক বিচলিত কৰিবলৈ জড়চেতনা মায়াই সদায় প্ৰতিবন্ধক হিচাবে থিয় দিয়ে। যেনে --

নামে সাতো কাৰ্য্য সাধিবে দেখা।
প্ৰতি প্ৰতিলোক সাতৰো লেখা ।
ওপজাইবে অতি বৈষ্ণব জ্ঞাণ
মায়াক কৰিব দহি নিৰ্যান ।। (কীৰ্ত্তন)

সেই কাৰণে মায়াত জৰিত মানুহে মায়াৰ গ্ৰাসৰ পৰা মুক্ত হবৰ বাবে সজ্জ গুৰু, শাস্ত্ৰ, সন্ত, মহন্ত আদিৰ আশ্ৰয় গ্ৰহণ কৰি একমাত্ৰ মুক্তিৰ পথ হৰিৰ গুণ, নামত শৰণ লোৱা আৱশ্যাক। শ্ৰীমন্ত শঙ্কৰদেৱে কীৰ্ত্তনত শ্ৰীকৃষ্ণৰ অৱতাৰ লীলা বিগ্ৰহ চৰিত্ৰ আদিত চৈতন্য ভগৱন্তৰ ৰূপ ৰস আদিৰ অৰ্থ সন্নিবিষ্ট কৰি সেই কৃষ্ণৰ চৰণত একান্ত মনে শৰণ লবলৈ উপদেশ দিয়ে। প্ৰকৃত জ্ঞান লাভ কৰিবলৈ যি আশ্ৰয় গ্ৰহণ কৰা যায়, সেয়ে শৰণ। এই জ্ঞান হল জড়বাদী মায়াৰ আকৰ্ষণৰ পৰা হাত সাৰি মোক্ষ লাভৰ কথা চিন্তা কৰিব পৰা। নিজৰ দেহ্য আৰু ধৰ্ম্ম সম্পৰ্কে জ্ঞান লাভৰ বাবে ধৰ্ম্ম গুৰুৰ ওচৰত আশ্ৰয় গ্ৰহণ কৰিব লগাত পৰে। তাৰ পিচত জীবাত্মাৰ সদগতিৰ বাবে নামত শৰণ নাইবা শ্ৰীকৃষ্ণত শৰণ লব লাগে। নামত

শৰণ নাইবা শ্ৰীকৃষ্ণত শৰণ লোৱাই হৈছে বিবেক জ্ঞান লাভ কৰি লোৱা শৰণ। এই শৰণেই উৎকৃষ্ণ শৰণ। শ্ৰীকৃষ্ণত শৰণৰ অন্তৰভূক্ত শৰণ হৈছে শাস্ত্ৰ ভক্ত আৰু সমাজ বা সংগ। হৰি গুণ নাম শ্ৰৱন কীৰ্ত্তন আৰু স্মৰণত গুৰু শাস্ত্ৰ আৰু ভকত শৰণ সাধন হয়। কিন্তু অকল হৰি নামতো শৰণ সাধন হয়।

" যাদব যদু নন্দন
মাধব মধু সুদন
তুমি নিত্য নিৰঞ্জন নাৰায়ণ
তোমাতে লৈলো শৰণ"॥ (ঘোষা)

ড: কাকতি দেৱে 'বৈষ্ণৱ তত্ব দৰ্শন' পুথিত গুৰু আৰু শৰণ সম্পৰ্কে ওপৰত এনেকৈ কোৱাৰ ওপৰিও আৰু কৈছে যে "মানুহে যাৰ পৰা জ্ঞান লাভ কৰিব পাৰে সেয়ে গুৰু" আমি শাস্ত্ৰ সমাজ আৰু সজ্জনৰ পৰা জ্ঞান লাভ কৰো। সেই বাবেই সেই সকল আমাৰ গুৰু। চৰণ বা পদ শব্দই আচলতে মূল তত্ত্বক বুজায়। সেইবাবে শাস্ত্ৰ মহন্ত আৰু ভক্ত সমকলৰ পৰা চৈতন্য ভগবন্তৰ মূল তত্ব জ্ঞান লাভ কৰিবৰ বাবে যিখিনি কৰ্ম কৰা যায় তাকেই শৰণ বোলা হয়।

শঙ্কৰদেৱে একশৰণ নাম ধৰ্ম্মত "গুৰুদেব নাম আৰু ভক্তি" এই চাৰিবিধ ব্যৱস্থা কৰিছিল। এই ব্যৱস্থাৰ জৰিয়তে ভক্তই মোক্ষ পদ লাভ কৰিছিল। কথা গুৰু চৰিতত পোৱা যায় যে এই দিনাখন শঙ্কৰদেৱে ৰাম ৰাম গুৰু পুজাৰীৰ পুজিত মূৰ্ত্তিৰ ওচৰত বহি আছিল। ৰাম ৰাম গুৰু ধ্যানস্থ হৈ মন্ত্ৰ পঢ়ি যিবোৰ ফুল তুলসী, চন্দন মূৰ্ত্তিৰ ওচৰত অৰ্পন কৰিছিল সেই আটাইবোৰ মূৰ্ত্তিৰ ওচৰত নপৰি শঙ্কৰদেবৰ মূৰৰ ওপৰতহে পৰিছিল। এনে অদ্ভুত কান্দ দেখি গুৰুৱে হৰি হৰি সুৱৰিলে আৰু শঙ্কৰদেৱক ঈশ্বৰজ্ঞান কৰিবলৈ ললে। ব্ৰাহ্মণ সকলে শঙ্কৰদেৱক প্ৰণিপাতে সেৱা জনাই প্ৰাৰ্থনা কৰি কলে - "বাপ আমি এতিয়াহে ভালদৰে বুজিব পাৰিছো, আপুনিয়েই আমাৰ একমাত্ৰ মুক্তি দাতা সাক্ষাত ভগৱন্ত । অনুগ্ৰহ কৰি আমাক শৰণ দিয়ক। তেতিয়া শঙ্কৰদেৱৰ উত্তৰ আছিল -

"আমি শূদ্ৰ, তুমি গুৰু ব্ৰাহ্মণ সকল।
শৰণ লৈবাক লাগি কেনমতে বল ॥"

পুণৰ ব্ৰাহ্মণ সকলে কৰযোৰে প্ৰাৰ্থনা কৰি কলে -

"তোমাৰ মহিমা জ্ঞাত হৈল যেনমত
তাকো আবে কহিবাক প্ৰয়োজন নাই
কৰিয়োক দয়া কৰি আবে আমাকো গোসাই" (গুৰু চৰিত)—

শেষত শঙ্কৰদেৱে মান্তি হৈ পিচদিনা তেওঁলোকক শৰণ লগালে আৰু গুৰুদেৱৰ নাম আৰু ভক্তিচিনাই দিলে। সেই দিন ধৰি প্ৰায়ভাগ ধৰ্ম্ম পৰায়ণ লোকে শঙ্কৰদেৱৰ ধৰ্মমত গ্ৰহণ কৰিলে।

"সেহিদিনা হন্তে সবে ভৈলন্ত ভকত।
সমস্তে ধৰিলা দেব শঙ্কৰৰ মত্ত"॥ (গুৰু চৰিত)

ইয়াৰ পিছত শঙ্কৰদেৱে একশৰণ নাম ধৰ্ম শ্ৰৱণ কীৰ্ত্তন আদিৰ কাৰণে ঠায়ে ঠায়ে গাৱে ভূঞে সত্ৰ আৰু নামঘৰ প্ৰতিষ্ঠা কৰে। তেতিয়া সাত্তিক ব্ৰাহ্মণ সকলে এই বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে বাধা প্ৰদান কৰিছিল। শঙ্কৰদেৱে যেতিয়া ভাগৱতী বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰে তেতিয়া ব্ৰাহ্মণ সকলে দেখিলে যে তেওঁলোকৰ সান্দহ খোৱা বাতি তল গ'ল। চাওক শঙ্কৰদেৱৰ নিজপুত্ৰ ৰামচৰণ ঠাকুৰে কি লিখিছে — — —

"অনন্তৰে যেন ভৈলা তাকো শুনিয়োক।
অসম ৰাজাক খল দিলা বিপ্ৰলোক॥
শূদ্ৰ একগোট নামে শঙ্কৰ আছয়।
শ্ৰাদ্ধ বিধি কৰিবাক লোকক নেদয়॥
পাষণ্ড আচাৰে লোক নষ্ট কৰিলেক।
নিৰন্তৰে লোকে স্বধৰ্মক এৰিলেক॥
হেনশুনি ৰাজা শঙ্কৰক নিয়াইলেক।
দ্বিজগণে সমে তাৰ চাঙ্গে তুলিলেক॥
দুৱাৰাক বোলে কথা পুছ শঙ্কৰত।
ৰাজ্য নষ্ট কৰিলেক কহে দ্বিজগণ॥
দুৱাৰা আছিয়া পুছিলেক শঙ্কৰক।
বোলয় শঙ্কৰে পুছা ব্ৰাহ্মণ সবক॥
দ্বিজগণে বোলে শঙ্কৰ দেই হাক।

সমস্ত লোকক শ্ৰাদ্ধ বিধি কৰিবাক ।।
এহিকথা দুৱাৰায়ে ৰজাক কহিলা ।
শ্ৰাদ্ধ কাক বোলে বুলি ৰজায়ে পুছিলা ।।
দুৱাৰা বোলয় মৰাক বঢ়ায়ে যত যত ।
গুৱা পান দুগ্ধ চাউল কল আৰু বস্ত্ৰ ।।
তাক নিয়া সবে পাচে ব্ৰাহ্মণে ভঞ্জয় ।
শ্ৰাদ্ধ বুলি ব্ৰাহ্মণ সকলে তাক কয় ।।
শুনিয়া অসম ৰাজা ভৈল কোপ মন ।
মৰাক বঢ়ায়া চাউল কৰয় ভোজন ।।
কাউৰৰ কায়াসম চুইবে নুমুৰায় ।
শঙ্কৰে কৰিব কাম ভালতো নেদয় ।।
মৰাৰ চাউলক নপায়া শঙ্কৰক ।
বোলে কৰিলোক নষ্ট সমষ্ট লোকক ।।
খেদাউ চাঙ্গৰ পৰা কোবাই এখনে ।
হেন শুনি নামিলা আপুনি দ্বীজগণে ।।
লাজ হুয়া সমস্তে গৃহকলাগি গৈলা ।
শঙ্কৰক আসাম ৰাজায়ে প্ৰশংশিলা ।।
অনন্তৰে গৃহক লাগিয়া পঠাই দিলা ।
অন্যায় চিন্তিয়া দ্বিজে মানক বঢ়ালা ।।

(অসমীয়া সাহিত্য বুৰঞ্জী)

আৰু চাওক দত্যাদি ঠাকুৰৰ মতে কামৰূপৰ বিপক্ষ বাদী ব্ৰাহ্মণ বিলাকে অন্যায় কৈ লগোৱাত বিৰক্ত হৈ নৰনাৰায়ণনে তৎক্ষণাত শঙ্কৰদেৱক ধৰি আনিবলৈ মানু পাচিলে। শঙ্কৰদেৱক নাপাই ৰজাৰ মানুহে গোকুলচন্দ আৰু নাৰায়ণ ঠাকুৰক ধৰি নি গোসানী সেৱা কৰিব দিলে আৰু তাত অমান্তি হোৱাত তেওঁলোকক নানা অত্যাচাৰ কৰিলে। শঙ্কৰদেৱে পাটবাউসীত থাকি তাতী কুচিৰ তাত শালৰ নিৰীক্ষক ৰূপে সহায় কৰাৰ সময়তেই শঙ্কৰদেৱৰ বিৰুদ্ধে গৈ ৰজাৰ আগত খবৰদিলে বিপ্ৰলোকে — —

সমস্ত ৰাজ্যক নস্ত কৰিলে শঙ্কৰ
শূদ্ৰ হুয়া নমস্কাৰ লৱে ব্ৰাহ্মণৰ ।।
ব্ৰাহ্মণৰ স্ত্ৰীও সেৱা কৰে শঙ্কৰক ।
ঘৰে ঘৰে দিয়া ফুৰয়া পাদোদক ।।
পিতৃৰ গৃহত পুত্ৰে নকৰে ভূজন ।
বোলে নতুলস তই হৰিৰ শৰণ ।।
কৈবৰ্ত্ত কলিতা কোচ ব্ৰাহ্মণ সমস্ত ।
একে লগে খায় দুধ চিৰা কল যত ।।
ব্ৰাহ্মণৰ গুৰুহুই দেই উপদেশ ।
সেৱা দান আদি যত লবয় নি:শেষ ।।

খণ্ডৰ ভমকত ৰজা নৰনাৰায়ণে বৰপেটাৰ পৰাই শঙ্কৰদেৱক ধৰাই নিয়ালে। ৰজাৰ ভায়েক চিলাৰায়ে শঙ্কৰদেৱৰ ভতিজা জীয়েকক বিয়া কৰাইছিল। ৰাজসভাত শঙ্কৰদেৱে মাত্ৰ বিপক্ষবাদী সকলৰ মুখৰ অভিযোগ তেওঁলোকৰ নিজমুখে ৰজাৰ আগত শুনিব বিচাৰিলে। ৰজাই বিদ্বেষী বামুণ বিলাকক মতাই অনালে। তেওঁলোকে ৰাজসভাত কেনেকৈ ঘাটিখালে তাক আগতে উল্লেখ কৰিছো ।

তেওঁলোকে ৰাজসভাৰ পৰা খেদাখাই গৈ বাটত শঙ্কৰদেৱক লগধৰি কলে —

এই বুলি শঙ্কৰদেৱক পথাই দিলা ।
পথত যাওঁতে লাগ ব্ৰাহ্মণে ধৰিলা ।।
আমাসাৰ জীৱিকা ৰাজাও কহি পনু ।
ভাই বুলি শঙ্কৰে বিৰাজ কৰে জুনু ।।
এই বুলি শঙ্কৰৰ আগত ব্ৰাহ্মণ
দুই হাতে লগুন ধৰি বোলয় বচন ।।
শুনিয়ো শঙ্কৰ বোলে ব্ৰাহ্মণ সকল ।
দেওঁ আশীৰ্বাদ হৌক তোমাৰ কুশল ।।
ব্ৰাহ্মণৰ জীবিকাক নকৰিবা হ্রয় ।
প্ৰীতি পূৰ্ব্বক বোলে সাকুত বচন ।।

কিন্তু তোৰা ভকতিত বিপক্ষ আচৰা ।
নিষ্ঠা কৰি বোলো তেবে বাজিবো আমাৰা ।।
তেৰে তেৰা সকলক কেনেবাৰো দেখা ।
ভকতিত বিৰোধ নকৰি সুখে থাকা । (অসমীয়া সাহিত্যৰ বুৰঞ্জী)

এইবোৰৰ পৰা এইটোৱেই প্ৰমাণ হয় ব্ৰাহ্মণ সকলে ধৰ্ম ব্যৱসায় কৰিছিল। ধৰ্মৰ এটা জীৱিকাৰ পথ হিচাবে ব্যৱহাৰ কৰিছিল ।

শঙ্কৰ চৰিত্ৰৰ সপ্তম খণ্ডত শঙ্কৰ মাধবৰ শেষ দেখা দেখি কাহিনী ভাগত ৰমানন্দই বৰ্ণনা কৰিছে।

নৃৰনাট সামৰিবে মনে ইচ্ছা কৰি ।
মনত আলচ পাচে কৰিলান্ত হৰি ।।
গনক কুচিত দেব মাধব আচন্ত ।
ভক্তক পথাই তাক মতাই আনিলন্ত ।।
উত্তৰে দক্ষিণে যত ভক্তসব আছে ।
সমস্তকে মতায়ে আনিলন্ত পাচে ।।
এহিবুলি মাধবৰ মাথে মালা দিলা ।
আচাৰ্য্য পাতিলো বুলি সবাতে কহিলা ।।
শঙ্কৰে বোলন্ত তুমি নকৰিবা দুখ ।
বস্ত্রে ধৰি মাধবৰ মুচিলন্ত মুখ ।।
অনন্তৰে শঙ্কৰে গণক কুছি পাইলা ।
মাধব দেৱৰ যাই গৃহত বহিলা ।।
তিনিজন লোকৰ নুহিকে গুৰু আমি ।
নিশ্চয় কৰিয়া তাক কহো শুনা তুমি ।।
ৰাজা স্ত্রী কৰ্মকান্দী ব্ৰাহ্মণ সবৰ ।
কদাচিতো আমি গুৰু নহে ই সবৰ ।।
ৰাজনীতি ৰাজকৰ্ম কৰিব লাগয় ।
হাসছাগ কাটি ব্যভিচাৰী প্ৰবৰ্ত্তয় ।।
এতেকে ৰজাৰ শৰণ আছে কৈত ।

কিমতে হৈবেক ৰাজা কৃষ্ণত ভকত ॥
কৰ্ম্ম কাণ্ডী বিপ্রে প্রেত কৰ্মক কৰয় ।
প্রেতৰ উছৰ্গি বস্তু আনিয়া ভূঞ্জয় ॥
এতেকে অধৰ্মী সিটো পৰম দূৰ্ম্মতি ।
ইহপৰকালে তাৰ নাই নাই গতি ॥
তাতেসে তোমাক বোলো ই সব আসায় ।
এহি তিনিজনৰ শৰণ নাহিকয় ॥
আউৰ কৌটি লোকসব নৰকক যাইব ।
মোক গুৰু মানি যিটো আনক ভজিব ॥ (অসমীয়া সাহিত্যৰ বুৰঞ্জী)

মহৰাজ নৰনাৰায়নে শঙ্কৰৰ ওচৰত দীক্ষা লবলৈ ইচ্ছা কৰাত শঙ্কৰদেবে নিজৰ প্রতিজ্ঞা সুৱৰি কলে —

শঙ্কৰে বোলন্ত শুনা ৰাজা মহাশয় ।
শৰণ হৈবাক খুজা নুবুজি আশয় ॥
হাস ছাগ কাটি তুমি দেব দেৱী পূজা ।
মূৰ্খৰ স্বভাব যেন ভৈলাহা নুবুজা ॥ (শ: শ: কোন জাতিৰ মানুহ)

ব্রাহ্মণ সকলে সাধাৰণতে প্রেত কৰ্ম, যাগ-যজ্ঞ (আহুতি বা হোম) পূজা পাতল আদি কৰে। তাৰোপৰি ব্রাহ্মণ সকলেই স্বয়ম্ভু ভাৱে নিজকে বেদৰ অধিকাৰি বুলি ঘোষণা কৰি পুৰো হিতৰ কাম কৰে। গতিকে ভাগৱতী বৈষ্ণৱ ধৰ্ম্মৰ উদ্দেশ্যই যিহেতু বামুণীয়া কৰ্ম্মকাণ্ডৰ গ্রাসৰ পৰা জনসাধাৰণক ৰক্ষা কৰি একমাত্র বিষ্ণু ভক্ত কৰা, গতিকে ব্রাহ্মণৰ হাতত বৈষ্ণব ধৰ্ম্ম তুলি দিলে তাক তেওঁলোকে নিজ স্বাৰ্থ পূৰণৰ বাবে বিক্রিও কৰি পেলাব; সেই বাবেই শঙ্কৰে জীৱণত এটি কথোৰ প্রতিজ্ঞা কৰিছিল যে— ব্রাহ্মণক তেও দীক্ষা নিদিয়ে । কাৰণ তেওঁৰ ভয় বিদৰে শাক্ত কবি সকলে ৰামায়ণৰ মূল কাহিনীৰ লগত শক্তি উপসনাৰ কথা সংযোগ কৰি মূল কাহিনীতোক বিকৃত কৰি পেলাইছে আৰু বেদান্তৰ পবিত্র সিদ্ধান্ত সমূক একমাত্র ব্রাহ্মণ সকলেই বিকৃত কৰি ধৰ্ম্মৰ নামত ব্যাভিচাৰ কৰিছে; সেইদৰে জানোচা ভাগৱতী বৈষ্ণৱ ধৰ্ম্মকো কৰ্ম্ম কাণ্ডৰী ব্রাহ্মণ সকলে বিকৃত কৰে; অৱশ্যে অপ্রিয় হলেও সত্য যে শ্রীমন্ত শঙ্কৰে যি সংশয় কৰিছিল তেওঁৰ মৃত্যুৰ পাচত

সেইটোৱেই হ'ল ।

শঙ্কৰদেৱৰ মৃত্যুৰ পিছত তেওঁৰ শিষ্য সকলৰ মাজত বিবাদ লাগি ব্ৰাহ্ম সংহতি, নিকা সংহতি, পুৰুষ সংহতি আৰু কাল সংহতি নামেৰে সত্ৰবোৰ চাৰি ভাগ হয় ।

(১) ব্ৰাহ্ম সংহতি — হৰিদেৱ আৰু দামোদৰদেৱৰ পৃষ্ঠপোষকতাত ।

(২) পুৰুষ সংহতি — শঙ্কৰদেৱৰ নিজা বংশধৰ সকলৰ দ্বাৰা ।

(৩) নিকা সংহতি — মাধবদেৱ আৰু তেওঁৰ সঙ্গী সকলৰদ্বাৰা ।

(৪) কাল সংহতি — গোপাল আটাৰ দ্বাৰা প্ৰতিষ্ঠিত ।




যিদিনা শঙ্কৰদেৱৰ ১ ম্ মৃত্যু বাৰ্ষিকী পৰে সেইদিনা দামোদৰদেৱ কাজলৈ নাহে। কাৰণ শঙ্কৰদেৱে মাধৱদেৱক তেওঁৰ প্ৰথম আৰু প্ৰধান শিষ্য কৰি লৈছিল। তেওঁৰ শিষ্য বোৰৰ এজন দামোদৰ দেৱে কিন্তু শঙ্কৰদেৱৰ মৃত্যুৰ পিছত মাধবদেৱক গুৰু হিচাবে মানিবলৈ অস্বীকাৰ কৰে। আক্ৰোশ কৰি শঙ্কৰদেৱৰ ধৰ্ম্মৰ পৰা ফাটি যায়। সেইদৰে নামনি অসমত শঙ্কৰদেৱৰ আন এজন শিষ্য হৰিদেৱ আতৰি যায়। তেওঁলোকে নিজকে বংগদেশৰ চৈতন্যদেৱ আৰু উৰিষ্যাৰ বাসুদেৱ মিশ্ৰৰ শিষ্য বুলি দাবি কৰে। অসমৰ আউনীআতি,দক্ষিণপাত্ৰ, গড়মূৰ, কুৰুৱাবাহী আদি সত্ৰবোৰ ব্ৰহ্ম সংহতিৰ ভিতৰত পৰে। উল্লেখযোগ্য এই সংহতিৰ আটাইবোৰ ব্ৰাহ্মণ —

দ্বিতীয়তে শঙ্কৰদেৱৰ ভক্তিপন্থা গ্ৰহণ কৰিলেও দামোদৰদেৱে কায়বাক্যমনে কৰ্ম পন্থাৰ আসক্তিএৰিব পৰা নাছিল। সেই বাবেই এই চেগতে তেওঁ ভক্তি পন্থাৰ

লগত কৰ্ম পন্থা লগ লগাই লয় ।

তৃতীয়তে বৈষ্ণৱৰ "তৃণাদপি সুনীচেন" ভাব সম্পূর্ণ নহাবাবে শঙ্কৰদেৱৰ অনুগত্য কোনোমতে অস্বীকাৰ কৰিবৰ উপায় নেপাই তেওঁ নিজকে হালোৱা মহন্ত বুলিছে। আৰু এই খিনিতেই মূল মহাপুৰুষীয়া মতৰ পৰা দামোদৰীয়াসকল বেলেগ হৈছে ।

চাৰি সংহতিৰ সত্ৰবোৰ অন্যতম গোপাল আটাৰ কাল সংহতিৰ সত্ৰৰ অধিকাৰী সকলে জনজাতীয় লোক সকলক শৰণ ধৰ্মত দীক্ষিত কৰাৰ নামত ধৰ্মান্তৰিত কৰিছিল। এই সংহতিৰ অন্তৰভুক্ত শিষ্যই অন্য সংহতিৰ শিষ্য সকলৰ লগত বিয়া বাৰু হোৱাটো নিষিদ্ধ আছিল ।

"Kal Samhati consists of the Satras tracing officiation to Gapal Ata who they belive was nominated by Madhavdeva as his successor (উত্তৰাধিকাৰী). It was proselytised (ধৰ্মৰ সকলো বিলাক নিয়মৰ অধীন নহোৱা শৰণীয়া) among the tribal people and lower castes and is sef apart from the other somhaties by its regidity of attitude and by certain variations(পৰিবৰ্তন) in ritual. Until recently it is said there was no intermarriage between disciples of the Gopal Ata seet and those of other Samhaties. (The Assames, Audre contlic)

বাস্তব ক্ষেত্ৰত কাল সংহতিৰ ওপৰিও ব্ৰহ্মসংহতি আৰু আন আন সংহতিৰ সত্ৰতো জনজাতীয় শিষ্য দেখা যায়। কালসংহতিয়ে গুৰুদেৱৰ নাম আৰু ভক্তি কেবল গুৰুৰ ওপৰতহে প্ৰাধান্য দিছিল। এই সংহতিৰ ক্ষেত্ৰত — Although the division in the Bhakti movement orinted in disputes as to the sucession, the resulting alignments, seficate more fundamantal differences. The degree of Brahmanigation greatest among the satras of Brahma Samhati which contain the largest proportion of Brahma disciples. The adhikous are also with a few exceptions, Brahman coste distinction between disciples in respect of seating and commen solidy are carefully maintained in the satra name houses.

যি নাম ধৰ্ম্মত মূৰ্ত্তিপূজা নিষিদ্ধ আছিল তাত -

The warship of images is permitted and the richer satras comploy a Brahman prist for the daily warship of the satra imag with vedic rites. There is little interdiction on the warship of the other Gods. and the disciples are not casually discouraged from attending the durgapuja and similar festivals (The Assemes 175)

আট ইবোৰ সংহতিৰ সত্ৰই শঙ্কৰদেৱৰ মূল সূতিৰ পৰা আতৰি আহিছিল। তাৰ ভিতৰত ব্ৰহ্ম সংহতি সম্পূৰ্ণ পৃথক হৈ পৰিছিল। চাৰিওতা সংহতি সৌজন্যত অসমৰ গাৱে ভূঞে আৰু অধিক সত্ৰ স্থাপিত হল। শাক্ত ধৰ্ম্মক প্ৰাধান্য দিয়া কোচ আৰু আহোম ৰাজ বংশৰ পৃষ্ঠপোষকতাত অধিক ৰাজকীয় সা-সুবিধা যেনে — ভূমিদান, কৰ মুক্তি, সংৰক্ষণ আদিৰ বাবে ব্ৰাহ্মসংহতিৰ সত্ৰই মুৰ্ত্তিপূজা কৰিবলৈ লৈছিল। সময় বাগৰি যোৱাৰ লগে লগে ব্ৰাহ্মণ গোহাঁই আদি আৰ্য্য সম্ভূত বংশধৰ সকলে শঙ্কৰদেৱৰ এক শৰণ নাম ধৰ্ম্মৰ সোতত উটি হেৰাই যোৱা তেওঁলোকৰ বৈদিক ব্ৰাহ্মণ ধৰ্ম্মৰ আঁতদাল পুনৰ ঘুৰাই আনিবলৈ সমৰ্থ হয়। শঙ্কৰ উত্তৰ যুগত এই ধৰ্ম্ম গুৰু সকলে শঙ্কৰদেৱৰ মতক নিজৰ পুৰণি বৈদিক ধৰ্ম্মৰ লগত নিজৰ সুবিধাৰ্থে উপযোগিত কৰি পুনৰ অসমৰ আদিবাসী জনজাতীয় লোক সকলক শৰণ দি হিন্দু ধৰ্ম্ম প্ৰচাৰং কৰিবলৈ আৰম্ভ কৰে। (হাতে লিখা পুথি, ৰমেশ দাস)

## শঙ্কৰী যুগ - ২

আমি বুৰঞ্জীত পাওঁ যে ১৫১৫ চনত (সূৰ্য্য কুমাৰ ভূঞাৰ পুৰণি কামৰূপৰ বুৰঞ্জী মতে ১৪৪৯ চন) বিশুই ব্ৰাহ্মণ ধৰ্ম্ম গ্ৰহণ কৰি বিশ্বসিংহ নামলৈ হিন্দুত্ব মতে অভিষিক্ত হৈ কমতা কোচ বিহাৰৰ সিংহাসনত আৰোহণ কৰে। এই বিষয়ে ডাল্টেনে লিখিছে “বিশু হিন্দু ধৰ্ম্ম গ্ৰহণ কৰি ৰাজবংশী বুলি চিহ্নিত হয়”।

কোচ বিহাৰ ইতিহাস প্ৰভৃত উইলিয়াম হাণ্টাৰৰ উক্তি উদ্ধৃতি কৰি কোৱা হৈছে “হাজোৰ দৌহিত্ৰ বিশুৰ (বিশ্ব সিংহৰ) সময়ত কোচ সকলৰ মাজত পোন প্ৰথম বাৰৰ বাবে ব্ৰাহ্মণ হিন্দু ধৰ্ম্ম প্ৰবিষ্ট হয় আৰু ৰজাৰ কৰ্ম্মচাৰী আৰু মুখ্য অধিবাসী সকলৰ লগত লৈ হিন্দু ধৰ্ম্ম গ্ৰহণ কৰিছিল।

১৮২০ চনত ওৱালটাৰ হেমিল্টনে উল্লেখ কৰিছে "কামৰূপৰ আদিম অধিবাসী সকল অধিকাংশই কোচ জনজাতি আৰু তেওঁলোকৰ আন এটা শাখা আছিল পানি কোচ। সি সকলে ব্ৰাহ্মণ্য হিন্দু ধৰ্ম্ম গ্ৰহণ কৰা নাই আৰু আজিলৈ তেওঁলোকৰ আদিম ভাষা ৰক্ষা কৰি আছে। যি ভাষা বঙলা ভাষাৰ পৰা সম্পূৰ্ণ পৃথক। কলিতা সকলেই কোচ সকলৰ প্ৰথম ব্ৰাহ্মণৰ দায়িত্ব পালন কৰিছিল। ব্ৰাহ্মণ সকলৰ প্ৰভাব পৰাৰ আগলৈকে তেওঁলোকেই প্ৰভাব বিস্তাৰ কৰিছিল।

শ্ৰীঅম্বিকা চৰণ চৰকাৰে মণ্টো গমাৰী মাৰ্টিনৰ মন্তব্য অনুসৰি লিখিছে – - "কোচ ৰজা মহাৰাজ বিশ্বসিংহৰ দিনৰ পৰা কোচ বিলাকৰ ওপৰত থকা কলিতাৰ আধিপত্য কমি আহে, কাৰণ বিশ্ব সিংহৰ প্ৰচেষ্টাত কোচ বিলাক বৌদ্ধ ধৰ্ম্মৰ তান্ত্ৰিকতাৰ পৰা পুনৰ হিন্দু ধৰ্ম্মলৈ আহে। লগে লগে কলিতা বিলাকৰ ঠাইত কামৰূপী ব্ৰাহ্মণ বিলাক কোচ জাতিৰ পুৰহিত নিযুক্ত হল। (ড: ৰেৱতী মোহন স্মাহা)

উক্ত আলোচনাৰ পৰা জনা যায় যে আলোচ্য কালৰ পৰা কোচ ৰাজ্যৰ জনজাতীয় লোক সকল কোচ-ৰাজবংশীলৈ উন্নীত হোৱাৰ কাৰণে এটা সামাজিক চাপ আহে। ৰজাই ব্ৰাত্য ক্ষত্ৰিয় হৈ কোচ-ৰাজবংশী হোৱাৰ লগে লগে তেওঁৰ প্ৰজা সকলো হিন্দু ধৰ্ম্মত দীক্ষিত হৈ ৰাজবংশী হোৱাৰ প্ৰৱনতা জন্মে। এই হিন্দু কৰণ শঙ্কৰদেৱৰ মৃত্যুৰ পিচত অসমত গঠিত বিভিন্ন সত্ৰৰ সত্ৰাধিকাৰ আৰু গোহাঁই সকলৰ দ্বাৰা কৰা হয়। তেওঁলোকে সত্ৰৰ দ্বাৰা জনজাতি সকলক কেনেকৈ হিন্দু কৰিছিল তাক A. Contlie এ সুন্দৰকৈ বৰ্ণনা কৰিছে --

The Gosais in fact multiplied with there disciples and the growth of branch satras through out the Brahmaputra velley in the period between 1650 and 1800 can be taken to indicate the rapid progress of proselytization. Although some converts attach from other Hindu seets. The majority must have been tribal people ........

Today initiation by the Guru is the first step in the Gradual transformation of a tribe in to a caste".

সাধাৰণ প্ৰজাই ৰজা বিলাকৰ দৰে একেদিনে বা হিন্দু ধৰ্ম্ম লোবাৰ লগে লগে কোচ বা ৰাজবংশী হব পৰা নাছিল। প্ৰজাসকলে জখলাৰ খোপে খোপে গৈ আগ বাঢ়িব লাগিছিল। জনজাতীয় সকলে যেতিয়া প্ৰথম হিন্দু ধৰ্ম্ম দিক্ষীত হয় তেতিয়া শঙ্কৰী ধৰ্ম্মৰ "শৰণ"ৰ তত্ত্বটোকে নিজা বৈদিক ধৰ্ম্মৰ লগত, নিজৰ সুবিধা অনুযায়ী কিছুমান নীতি নিয়ম উপযোগী কৰি গোসাই সকলে শৰণ দিয়ায়।

শ্ৰী অম্বিকাচৰণ চৰকাৰে বিচি এলেনৰ উক্তিউদৃত কৰি লিখিছে মেচ আৰু ৰাভা সকলে মদাহী আৰু শৰণীয়া স্তৰ অতিক্ৰম কৰিহে ৰাজবংশী স্তৰত উপনীত হব পাৰিছিল। মেচ, ৰাভাৰপৰা ৰাজবংশীলৈ উন্নিত হোৱাৰ আশাত শৰণ লোৱাৰ পিছত "দাস" উপাধি পায়ো বিভিন্ন আচাৰ আচৰণ সঠিক ভাবে পালন কৰিব নোৱাৰৰ কাৰণে মদাহী স্তৰতে থাকি যোৱা জলপাই গুৰি জিলাৰ দক্ষিণ কামাখ্যা গুৰি গাওৰ শ্ৰীহনুমান দাস (৭৫ বছৰ) শ্ৰীধাওলা দাস (৭২) আৰু দেবেন্দ্ৰ দাস (৬০)ৰ পৰা ১৯৭৮ চনত আমি যি তথ্য সংগ্ৰহ কৰো সেয়া হ'ল —

কোচ বিহাৰৰ ৰাজন্য বৰ্গই উল্লেখযোগ্য কোচ প্ৰজা সকলৰ ৰাজ্যৰ বিভিন্ন ধৰণৰ কাম কাজৰ কাৰণে নিযুক্তি দিয়ে আৰু কৰ্ম্ম অনুসৰী তেওঁলোকক কাৰ্বী, ডাকুৱা, পাখাধৰা, হালধৰা, খাড়াধৰা, বাৰিয়া, বৰুৱা আদি উপাধি দিয়ে। কৰ্ম্ম আৰু উপাধি দিয়াৰ লগে লগে ৰজাৰ উদ্যোগ আৰু ব্যয়ত তেওঁলোকৰসংস্কাৰ কৰি দিয়া হয় আৰু তেতিয়াৰপৰাই তেওঁলোকে ব্ৰাহ্মণ্য ধৰ্ম্মৰ অঙ্গীভূত হৈ পৰে। সংস্কাৰ লাভৰ পিছত তেওঁলোকে ৰজাঘৰীয়া মানুহ সকলৰ দ্বাৰা আত্মীয়ৰ দৰে বিবেচিত হৈছিল।

ইয়াৰ বাহিৰেও বহু সংখ্যক কোচ-ৰাভা মানুহে সংস্কৃত হৈ ৰাজবংশী হোৱাৰ কাৰণে শৰণ লৈছিল। তেওঁলোকে গাহৰী আৰু কুকুৰা খোৱা আৰু মদ্য পানৰ পৰা বিড়ত হোৱাৰ উপৰিও বাধ্যতামূলক ভাবে কামৰূপী উপ-ভাষা (অসমৰ অবিভক্ত গোৱালপাৰা জিলা উত্তৰ বংগ আৰু বাংলাদেশৰ উত্তৰ অঞ্চলত ৰাজবংশী, নাথ, খোনা আদি আৰু মুছলমান সকলে ব্যৱহাৰ কৰা দোৱান। ই অসমীয়া আৰু বাংলাভাষাৰ উপ ভাষা) গ্ৰহণ কৰে আৰু তেওঁলোকৰ সাতাম পুৰুষীয়া তিব্বত ধৰ্ম্মীয় মাতৃ ভাষা ত্যাগ কৰিব লাগিছিল।

ৰাজবংশী হোৱাৰ কাৰণে তেওঁলোকে মদাহী শৰণীয়া, হেৰেমীয়া, সৰুকোচ

স্তৰ অতিক্ৰম কৰি বৰকোচ বা পৰিশুদ্ধ ৰাজবংশীৰ উন্নিত হ'ব পাৰিছিল।

ইয়াৰ মদাহী আৰু শৰণীয়া স্তৰত খাদ্যাদি আৰু পূজা পাতলৰ ক্ষেত্ৰতে নিয়ম কানুনবোৰ সীমাবদ্ধ থাকিলেও শৰণীয়া স্তৰ অতিক্ৰম কৰি হেৰেমীয়া স্তৰত উন্নীত হোৱাৰ কাৰণে ঘৰৰ বাহিৰত মাতৃভাষাৰ ব্যৱহাৰ সম্পূৰ্ণ নিষিদ্ধ কৰিছিল। কোনোৱে এই নিয়ম উলঙ্ঘন কৰিলে ৰাজবংশী সমাজৰ পৰা তেওঁক ৫.০০ টকা দণ্ড বিহা হৈছিল।

আলোচ্য কোচ সকলে শৰণীয়াৰ পৰা হেৰেমীয়া স্তৰলৈ উন্নত হৈছিল আৰু কোচৰ সলনি "দাস" পদবীও লাভ কৰিছিল। কিন্তু চকং অৰ্থাৎ মদ আৰু ক্ৰেঠ অৰ্থাৎ ভাষা এৰিব নোৱাৰাৰ কাৰণে তেওঁলোকক আকৌ শৰণীয়া স্তৰলৈ নমাই দিয়া হয় আৰু তেওঁলোক আজিলৈ তেনে অৱস্থাতে আছে। (ড: ৰেৱতী মোহন চাহা কোচ কেনেকৈ ৰাভা হ'ল)

আমি আগেয়ে উল্লেখ কৰি আহিছো যে শঙ্কৰদেৱৰ মৃত্যুৰ পিচত অৰ্থাৎ সম্ভূত বংশধৰ সকলে শঙ্কৰদেৱৰ একশৰণ নাম ধৰ্ম্মৰ সোতত উতি-হেৰাই যোৱা তেওঁলোকৰ বৈদিক ব্ৰাহ্মণ্য ধৰ্ম্মৰ আতডাল পুনৰ ঘুৰাই আনিবলৈ সক্ষম হয়। শঙ্কৰ উত্তৰ যুগত এই ধৰ্ম্ম গুৰু সকলে শঙ্কৰ দেৱৰ মতৰ লগত নিজৰ পুৰণি বৈদিক ধৰ্ম্মৰ মতক নিজৰ সুবিধাৰ কাৰণে উপযোগী কৰি পুনৰ অসমৰ আদিবাসী জনজাতী য় সকলৰ মাজত "শৰণ" দিয়াই হিন্দু ধৰ্ম্ম প্ৰচাৰত লাগি যায়।

উক্ত 'শৰণ'ৰ আধ্যাত্মিক তত্ত্ব শঙ্কৰদেৱৰ ধৰ্ম্ম প্ৰচাৰত বৰ্ণনা কৰা হৈছে। এতিয়া গোসাই সকলে "শৰণ" দিয়াৰ ব্যৱস্থা চাওঁক। শ্ৰীৰমেশ দাসে তেখেতৰ হাতে লিখা পুথিত বৰ্ণনা কৰিছে —

"শৰণ" শব্দগত অৰ্থ হ'ল আশ্ৰয় লোৱা। প্ৰত্যেক লোকেই বিবাহৰ পিছত শৰণ লব লাগে। তেওঁ নিজৰ ইচ্ছানুযায়ি যি কোনো সত্ৰৰ গোসাইক গুৰুকৰি লব লাগে। এখন সত্ৰৰ সত্ৰাধিকাৰ বা গোসাই বংশানুক্ৰমিক হয়। আকৌ জন প্ৰবাদ মতে গোসাই সকলৰ গুৰু বাচনি বা সত্ৰাধিকাৰ বাচনি এনে ধৰণৰ হয়।

গোসাই হ'ব পৰা বৈদিক গুণ সম্পন্ন নৱজাতক ভূমিষ্ট হোৱাৰ লগে লগে সত্ৰৰ ভিতৰত থকা বিভিন্ন বাদ্যৰ সুমধুৰ বাজনা আপোনা আপুনি বাজি উঠে। তেতিয়া সত্ৰৰ লোক সকলে কাৰঘৰত সন্তান জাম্মিছে বিচাৰে আৰু মাকে স্তন পান কৰোৱাৰ আগেয়ে

সত্ৰলৈ লৈ আহে আৰু প্ৰতিপালন কৰে। এনে লোকক কেৱলীয়া গোসাই বুলি কোৱা হয়। শৰণৰ সময়ত গুৰুৱে শিষ্যক আধ্যাত্মিক মন্ত্ৰেৰে ধৰ্ম্মমতৰ ৰহস্য প্ৰকাশ কৰে আৰু শিষ্যই আনৰ আগত প্ৰকাশ নকৰিবলৈ প্ৰতিজ্ঞা কৰোৱায়। স্নানৰ পিছত গুৰুৱে কঠৰ ওপৰত বহে আৰু শিষ্যই মাটিত বহে। শৰণৰ সময়ত গুৰুৰ মাজেৰে শিষ্যই কৃষ্ণৰ মূৰ্ত্তি স্মৰণ কৰিব লাগে।

গুৰুৱে কয় "হৰি আৰু হৰৰ আত্মা অভিন্ন, সেয়ে গুৰু ভক্তিৰ জৰিয়তে শিষ্যই ভগৱান প্ৰাপ্তি লাভ কৰে।

ওপৰোক্ত নিয়মেৰে জনজাতীয় সকলৰ গোসাই সকলে 'শৰণ' দিছিল। ইয়াত শঙ্কৰৰ মূলধৰ্ম্ম মতৰ পৰা আতৰি গৈ শৰণৰ বিকৃত ৰূপেৰে জনজাতীয় সকলক ধৰ্ম্মান্তৰিত আৰু জাত্যন্তৰিত কৰি হিন্দু কৰণ কৰা হৈছিল। হিন্দু ধৰ্ম্মৰ পবিত্ৰতাৰ বিষয়ে জনজাতীয় সকলক বুজোৱা হৈছিল —

The Method of convertion by the Gosains is described in some detail by the officiating Deputy Commissioner of Nawgaon in respect of the belongs Kacharies and Mukirs of the district. The Trible people are frequintly lactured upon the purity of Hindu relegion on the care with which they can acquire salvation and aposition in Hind society. If they give up their habits of eating pork and other forbidden food and drinking strong liquor and conform to Hindu usages. When offer some they show some inclination in becoming Hindu the Gosain given them the option of simply taking "Soran" and remaining free in their eating habits (this is the status of the saraniya koch) or of becoming perfect Hindu (sarukuch).

ইয়াৰ পিছত প্ৰায়চিত্ত নাম ধৰ্ম্মীয় সংস্কাৰেৰে কোচলৈ জাত্যন্তৰিত কৰা হয়।

সত্ৰীয়া গোহাই সকলৰ দিনৰ পৰা অস্পৃস্যজ্ঞান আৰু জাতিভেদৰ মাত্ৰা বাঢ়ি যায়। গোসাই সকলৰ মতে গুৰুৱে যি অন্ন গ্ৰহণ কৰেআৰু শিষ্য সকলৰ বাবে যি বাকী ৰাখে সেয়াই প্ৰসাদ। শিষ্যই প্ৰসাদ আৰু গুৰু পদজল আশীষ নিৰ্ম্মালী হিচাবে সাদৰেৰে গ্ৰহণ কৰে। আকৌ গোসায়ে কায়স্থ কলিতা আদি জাতিত কৈ জলখাপৰ জাতিৰ কোনো

শিষ্যৰ পৰা পানী পৰ্য্যন্ত গ্ৰহণ নকৰে। জাতি সমূহৰ ওপৰৰ পৰা তললৈ কৰা শ্ৰেণী বিভাগো এই গোসাই সকলে কৰা। সেয়ে উচ্চ জাতৰ লোকে নিজকে পবিত্ৰ জ্ঞান কৰি, নীচ জাতিৰ লোকক অপবিত্ৰৰ জ্ঞান কৰি জাতিভেদৰ বিচাৰ কৰে। এই পবিত্ৰ আৰু অপবিত্ৰ অৰ্থ শঙ্কৰদেৱৰ তত্বগত অৰ্থতকৈ সম্পূৰ্ণ বেলেগ।

কোচ ৰাজত্বৰ অবসান বৃটিচ শাসনৰ প্ৰবৰ্ত্তন পশ্চিমীয়া চিন্তাধাৰা, আধ্যাত্মিক ভাব ধাৰাৰ প্ৰতি উদাসীনতা, বাস্তৱ সম্মত চিন্তাধাৰা কোচৰাজবংশত প্ৰতিষ্ঠিত কোচ সকলৰ লগতে অন্যান্য জনজাতি অথচ সত্ৰীয়া প্ৰভাৱৰ পৰা লোক সকল আৰু ব্ৰাহ্মণ গোহাই সকলৰ হিন্দু ধৰ্ম্মৰ অতি তল খাপত থকা শৰণীয়া মদাহী আদি অ হিন্দু জনজাতি সকললৈ অস্পৃশ্যজ্ঞান আৰু অপজ্ঞাসুচক মনোভাৱৰ লগে লগে এই শৰণীয়া প্ৰথাৰে হিন্দু ধৰ্ম্মত দীক্ষিত হোৱা প্ৰথা আৰু শৰণীয়াৰ পৰা কোচ ৰাজবংশীলৈ জাত্যান্তৰিত হোৱা প্ৰথা স্তব্ধ হৈ গল। উচ্চজাত কোচলৈ উঠা জখলাদালৰ শৰণীয়া বুলি থকা খোপনীটোৰ উৰ্দ্ধৰ খোপনী বোৰ চিৰ দিনৰ কাৰণে বন্ধ হৈ গ'ল।

মঙ্গোলীয় গোষ্ঠীৰপৰা হিন্দু কৰণ প্ৰক্ৰিয়াৰে কোচ হোৱা বন্ধ হলেও কিন্তু জাত্যান্তৰৰ এই শৰণীয়া নামৰ অৱস্থাটোত থকা লোকসকলৰ উত্তৰ পুৰুষ সকলো শৰণীয়া হয়। পূৰ্বৰ বিধি অনুসাৰে বিবাহৰ পিছত এই উত্তৰ পুৰুষ সকলে গোহাই সকলৰ ওচৰত 'শৰণ' লয়। থিক তেনেকৈয়ে কেইবাটাও পুৰুষে সেই গোষ্ঠীটোও পাৰ হৈ যোৱাৰ পিছত এই বৃহৎ গোষ্ঠীটোৱে শৰণীয়া জাতি হিচাবে পৰিচয় দিবলৈ বাধ্য হয়। অৰ্থাৎ খৃ: পূ: ৫০০ বছৰ পূৰ্বৰ বুদ্ধদেৱৰ সময়ৰ পৰাই বিভিন্ন ৰাজবংশৰ ৰাজত্ব, আহোম ৰাজত্ব, কোচ ৰাজত্ব আৰু বৃটিছ ৰাজত্বৰ পৰা প্ৰাক স্বাধীন কাললৈকে অসমত ধৰ্ম্মৰ নামত যি বা মাৰলি বৈছিল তাৰ বা এই মিশ্ৰিত অসমীয়া ভাষি জনগোষ্ঠীৰ মাজত লাগিছিল। অৱশেষত ৰাসায়নিক বিক্ৰিয়াৰ অধ: ক্ষেপনৰ দৰে সামাজিক বিক্ৰিয়াত 'শৰণীয়া' এটা জনজাতীয় সম্প্ৰদায় ৰূপে ঊনবিংশ শতিকাত প্ৰতিষ্ঠিত হয়। আজি অসমৰ সাহিত্যিক, বুদ্ধিজীবি সকলে জানে যে বৃটিছ আমোলৰ বিষয়া সকলে বহু কষ্ট কৰি ঊনবিংশ শতিকাৰ শেষত তেওঁলোকৰ শাসন কাললৈকে বিভিন্ন লোক পিয়লত এই জাতিৰ কথা উল্লেখ কৰিছে। সেয়া হৈছে ১৮৭১ চনৰ লোকপিয়লৰ পৰা।

গতিকে খৃ: পূ: ৫০০ বছৰ পূৰ্বৰ পৰা শৰণীয়া জাতি গঢ় লবলৈ আৰম্ভ কৰে আৰু খৃ: ১৯ শতিকাত ই সম্পূৰ্ণ সুকিয়া শৰণীয়া জাতি ৰূপে প্ৰতিষ্ঠিত হয়।

# দ্বিতীয় অধ্যায়

# শৰণীয়া ভাষা

<u>ভাষাৰ উৎপত্তি</u> **:** ভাষা আৰু সাহিত্যৰ বুৰঞ্জীৰ পাত মেলিচালে আমি দেখিবলৈ পাওঁ যে অসমীয়া ভাষাটো দুই শ্ৰেণী মানুহৰ ভাষাৰ সংমিশ্ৰণৰ ফলত সৃষ্টি হোৱা তৃতীয় ভাষা।

আমি আগেয়ে উল্লেখ কৰি আহিছো যে অসমত তিনি শ্ৰেণীৰ মানুহ আছে। প্ৰথম আৰ্য্য - যিবিলাক আৰ্য্যই ভাটিৰ ফালৰ পৰা আহি সংস্কৃত মূলীয়া। দ্বিতীয়- অনাৰ্য্য অৰ্থাৎ যি সকল লোক আৰ্য্য নহয়। যি এই দেশত আগৰে পৰা বাস কৰি আছে আৰু যাৰ স্বতন্ত্ৰ ভাষা আছিল বা এতিয়াও আছে। ইয়াৰ ভিতৰত বড়ো, ৰাভা, গাৰো, লালু, চুতিয়া, মেচ্, কছাৰী, ডিমাচা, মিকিৰ, আহোম আদি পৰে। তৃতীয় মিশ্ৰ জাতি — অৰ্থাৎ আৰ্য্য আৰু অনাৰ্য্য জাতিৰ দ্বাৰা উৎপন্ন হোৱা জাতি। যেনে — শৰণীয়া, সোনোৱাল কছাৰী, দোৱানীয়া কোচ প্ৰভৃতি ইয়াৰ অন্তৰ্গত।

শৰণীয়া সকলে দাবী কৰিব পাৰে যে আৰ্য্য আৰু অনাৰ্য্য জাতিৰ সংমিশ্ৰণত শৰণীয়া জাতি সৃষ্টি হোৱাৰ নিচিনাকৈ আৰ্য্য ভাষা আৰু অসমত বাসকৰা বহুতো অনাৰ্য্য ভাষাৰ সংমিশ্ৰণৰ ফলত এটা মিশ্ৰিত ভাষা পুৰণি কামৰূপত সৃষ্টি হৈছিল। সেয়াই শৰণীয়া ভাষা। সেই ভাষাই কালক্ৰমত আধুনিক অসমীয়া ভাষা ৰূপে প্ৰতিষ্ঠিত হয়।

পণ্ডিত শ্ৰীবিশ্বেশ্বৰ হাজৰিকা দেৱে এই ভাষাকেই পুৰণি কালৰ অসম সেই সময়ৰ নাম প্ৰাগজ্যোতিষ নামানুসাৰে খৃ: প্ৰথম শতিকাৰ পৰা ৫ম শতিকালৈ

প্ৰাগ[illegible] প্ৰাকৃত [illegible] শতিকাৰ পৰা দশম শতিকালৈ "কামৰূপী প্ৰাকৃত" আৰু কামৰূপে "অ[illegible]

নামো অসমীয়া হয়। এই কথা অধ্যাপক হাজৰিকাই "এছামিজ লেংগুৱেজ অৰিজিন এণ্ড ডেভলপমেণ্ট" (প্ৰবন্ধ লেখক বিশ্বেশ্বৰ হাজৰিকা: প্ৰকাশক - জয় প্ৰকাশ: কল্যাচল, গুৱাহাটী - ৩, দৈনিক অসম ৪ জুন ১৯৮৭) সুন্দৰ ভাবে বৰ্ণনা কৰিছে-

অসমীয়া ভাষা তত্বৰ ক্ষেত্ৰত অধ্যাপক বিশ্বেশ্বৰ হাজৰিকা এগৰাকী বহু বিতৰ্কীত পণ্ডিত। আখৰ জোটনী বাক্য বিন্যাস আদি ভাষা সম্পৰ্কীয় বিষয়ৰ ওপৰত বিভিন্ন পত্ৰ পত্ৰিকাত প্ৰকাশিত তেওঁৰ প্ৰবন্ধাবলিয়ে বহুদিনৰ পৰাই স্বৰস্বত সমাজত আলোচনাৰ খোৰাক জোগাই আহিছে। সম্প্ৰতি প্ৰকাশপোৱা অসমীয়া ভাষাত ৰচিত তেখেতৰ (এছামিজ লেংগুৱেজ অৰিজিন এণ্ড ডেভলপমেণ্ট) "অসমীয়া ভাষাৰ উৎস আৰু বিকাশ" শীৰ্ষক পুথিত তেওঁ এনে কিছুমান মৌলিক তত্ব উৎথাপন কৰিছে যিবোৰ অসমীয়া ভাষা উৎপত্তি সম্পৰ্কে এতিয়ালৈ প্ৰচলিত ভালেমান তত্ব খাৰিজ কৰি এই ভাষাৰ স্বতন্ত্ৰ বিকাশৰ সন্দৰ্ভত নতুন তত্ব প্ৰতিষ্ঠা কৰিছে।

ভাষাতত্ববিদ ড: সুনীতি কুমাৰ চেতাৰ্জীয়ে তেওঁৰ গবেষণা গ্ৰন্থ "অৰিজিন এণ্ড ডেভলপমেণ্ট অব বেঙ্গলী লেংগুৱেজত" অসমীয়া বঙালী আৰু উৰীয়া ভাষাৰ ধ্বণি তাত্বিক (ফনটিক) আৰু ৰূপ তাত্বিক (মৰফনজিকেল) কেতবোৰ সাদৃশ্যৰ পৰা এই তত্ব উপস্থাপন কৰিছে যে এই তিনিটা ভাষা একোটা পুৰণি আৰ্য্য ভাৰতীয় ভাষা ৰূপৰ পৰা ওলাইছে। যি ভাষা ৰূপক তেওঁ "মাগধী" আখ্যা দিছে। এই মাগধী অপভ্ৰংশৰ পৰাই কামৰূপী বঙালী, বাৰেন্দ্ৰী আৰু ৰাড়ী ভাষা গুচ্ছৰ উৎপত্তি তথা অসম, বংগ আৰু উৰিষ্যাৰ নব্য ভাৰতীয় ভাষা কেইটা এই গুচ্ছ বোৰৰ পৰা উদ্ভব হোৱা বুলিতেওঁ মত প্ৰকাশ কৰিছে। ড: বাণীকান্ত কাকতীকে আদি কৰি অসমীয়া পণ্ডিত সকলেও ড: চেতাৰ্জীৰ মতকেই গ্ৰহণ কৰিছে। একমাত্ৰ ব্যতিক্ৰম হল ডিম্বেশ্বৰ নেওঁগ। ড: চেতাৰ্জীৰ তত্বৰ অসমীয়া ভাষাটো বঙালী ভাষাৰ প্ৰভাৱত উৎসাৰিত ধৰণৰ মত এটা প্ৰচ্ছন্ন হৈ থকাৰ বাবেই সেই তত্ব গ্ৰহণ কৰা বাবে ড: কাকতিক নেওঁগে কঠোৰ সমালোচনা কৰিবলৈ পৰাংমুখ হোৱা নাছিল। নেওঁগৰ মতে অসমীয়া ভাষা সংস্কৃতৰ পৰা পোনে পোনে ওলোৱা; পৰোক্ষ ভাৱে নহয়। "অসমীয়া সাহিত্যৰ বুৰঞ্জী" গ্ৰন্থৰ আগ কথাত নেওঁগে ড: কাকতিক সমালোচনা কৰি কৈছে সংস্কৃত ... সমৰ্থন নাপাবৰ ভয়ত আমাক গুৱী গোষ্ঠীৰ সত্য কথা কবলৈ

ভয় কৰিব লগাতো অসমীয়া জাতীয় দুৰ্ভাগ্য আৰু লাজৰ কথা বুলি মই ভাবো। অধ্যাপক হাজৰিকায়ো কৈছে যে যিহেতু ড: চেতাৰ্জীয়ে খৃ: প্ৰথম শতিকাৰপৰা ৫ ম শতিকা কাল ছোৱাত আৰু ৬ষ্ঠ শতিকাৰ পৰা ১০ শতিকাৰ কালছোৱাত অসমত যথাক্ৰমে মাগধী আৰু কামৰূপী বঙালী বাৰেন্দ্ৰী আৰু ৰাঢ়ী ভাষা চলাৰ কোনো প্ৰত্ন নিদৰ্শন ডাঙি ধৰিব পৰা নাই। সেয়ে অসমীয়া ভাষাৰ উৎস সম্পৰ্কে তেওঁৰ তত্ব অনুমানৰ ওপৰতহে প্ৰতিষ্ঠিত তথ্যৰ ওপৰত নহয়। তদুপৰি মাগধী ভাষা ভাষী সকল কোন সময়ত প্ৰৱেশ কৰিছিল সেই সন্দৰ্ভতো তেওঁ নিৰব থকাৰ পৰা তেওঁৰ তত্বৰ ঠেংকচিগা প্ৰকৃতিটো জল জল পট পট কৈ ওলাই পৰে বুলি অধ্যাপক হাজৰিকাই মত প্ৰকাশ কৰিছে। খৃ: দশম শিতিকাৰ ওচৰা ওচৰি সময়ছোৱাত অন্যান্য নব্য ভাৰতীয় আৰ্য্য (নিউ ইন্দো এৰিয়ান) ভাষাৰ লগে লগে অসমীয়া ভাষাৰো উৎপত্তি ঘটে। গতিকে ইয়াৰ আগৰ কালচোৱাৰ ঐতিহাসিক বিচাৰ বিশ্লেষণৰ জৰিয়তেহে অসমীয়া ভাষাৰ উৎস আৰু বিকাশৰ বিজ্ঞান সন্মত সিদ্ধান্তত উপনীত হোৱা সম্ভৱ। অধ্যাপক হাজৰিকাই আলোচ্য পুথিত এনে বিচাৰ বিশ্লেষণেৰে অসমীয়া ভাষাৰ মূল সম্পৰ্কে যি তত্ব প্ৰতিষ্ঠা কৰিছে; সিয়ে তেওঁৰ মৌলিক চিন্তাৰ ফল, তাত সন্দেহ নাই।

ধ্বনি তাত্বিক আৰু ৰূপতাত্বিক লক্ষণৰ পৰা সমস্ত ভাৰতীয় আৰ্য্য ভাষাৰ তিনিটা বহল যুগত ভাগ কৰা হৈছে।

(১) পত্ন ভাৰতীয় আৰ্য্য (অল্ড ইণ্ডো এৰিয়ান) খৃ: পূ: ১৫ শতিকাৰ পৰা খৃ: পূ: ৬ষ্ঠ শতিকা ।

(২) মধ্য ভাৰতীয় আৰ্য্য (মিডল ইণ্ডো এৰিয়ান)

(৩)নব্য ভাৰতীয় আৰ্য্য (নিউ ইণ্ডো এৰিয়ান)

খৃ: ১০ শতিকাৰ পৰা আধুনিক কাল। ৰামায়ণ ৰচিত হৈছিল খৃ: পূ: ৫ম শতিকাত আৰৌ খৃ: পূ: ২য় শতিকালৈ ৰামায়ণৰ মূল কাহিনীৰ ওপৰিও অন্যান্য কথা সংযোজিতহৈ আছিল। কৌটিল্যৰ অৰ্থ শাস্ত্ৰ ৰচিত হৈছিল খৃ: পূ: চতুৰ্থ শতিকাত। ৰামায়ণত উল্লেখ আছে প্ৰাগজ্যোতিষ বুলি। খৃ: পূ: ৫ ম শতিকাত ৰচিত পানিনীৰ “অষ্টাধ্যায়ী”ত “সুৰমাস” বোলা হৈছে । সুৰ মানে সূৰ্য্য আৰু

মাস মানে গণনা। প্ৰচীন প্ৰাগজ্যোতিষৰ জ্যোতিষ মণ্ডলী সম্পৰ্কে চিন্তা চৰ্চা হোৱাত পানিনিৰ "স্বৰমাস" যে প্ৰাগজ্যোতিষৰ আন এটা নাম, সেই কথা ড: বসুদেব শৰণ শৰ্মাই তেওঁৰ "পানিনি কালিন ভাৰতবৰ্ষ" গ্ৰন্থত উল্লেখ কৰিছে। সেই সময়ত পূব ভাৰতৰ অনাৰ্য্য অধ্যুষিত অঞ্চলত এক মাত্ৰ প্ৰাগজ্যোতিষেই আছিল আৰ্য্য সভ্যতাৰ দেশ। চাৰ চাৰ্লছ লিয়েন প্ৰমুখ্যে ভূ-তত্ত্ববিদ সকলৰ মতে সেই সু-প্ৰাচিন কালত বঙ্গদেশৰ অস্তিত্বই নাছিল। সমুদ্ৰৰ বিস্তৃতি আছিল হিমালয়ৰ পাদদেশলৈকে। এচ্ এন ভদ্ৰ নামৰ এজন বঙালী ঐতিহাসিকে তেওঁৰ "উত্তৰ পূব ভাৰতৰ ইতিহাস" গ্ৰন্থত লিখিছে যে আনকি খৃ: ৬ষ্ঠ শতিকাতো সমুদ্ৰ প্ৰায় হিমালয় পৰ্যন্ত বিয়পি আছিল। প্ৰাচিন কালত ভাৰত আৰু প্ৰাগজ্যোতিষৰ মাজত থকা সমুদ্ৰ খণ্ডক "পূৰ্ব সাগৰ" বোলা হৈছিল। বংগ সমুদ্ৰ গৰ্ভত থকাৰ সেই সময়চোৱাত খৃ: পূ: ৫ম শতিকাত আৰ্য্য সকল গঙ্গাৰ পাৰেদি আহি পূৰ্ব বংগ পাৰ হৈ ব্ৰহ্মপুত্ৰৰ পাৰত এখন ৰাজ্য স্থাপন কৰিছিল। সেই আৰ্য্য প্ৰবজনকাৰী সকলৰ ভাষাও আছিল সেই সময়ৰ প্ৰচলিত মধ্যভাৰতীয় আৰ্য্য ভাষা, খৃ: পূ: ৫ ম শতিকাৰ পৰা খৃ: পূ: ১ ম শতিকালৈ অসমত তেওঁলোকে যি ভাষা প্ৰচলন ঘটাইছিল তাক অধ্যাপক হাজৰিকাই সেই সময়ৰ অসমৰ নামানুসাৰে "প্ৰাগজ্যোতিষ প্ৰাকৃত" আখ্যা দিছে।

খৃ: ১ ম শতিকাৰ পৰা ৫ ম শতিকাৰ কালছোৱাত প্ৰাগজ্যোতিষ প্ৰাকৃতৰ পৰা পৰিবৰ্ত্তন হৈ ৬ষ্ঠ শতিকাৰ পৰা ১০ শতিকাৰ কালছোৱাত লোৱা ৰূপক "কামৰূপী প্ৰাকৃত" বোলা হৈছে। কাৰণ সেই সময়ত প্ৰাগজ্যোতিষ "কামৰূপ" নামেৰে জনাজাত হয়। এই কালচোৱাত কামৰূপৰ ভাস্কৰ বৰ্মনে (৫৯৪-৬৫০) ৰাজত্ব কৰিছিল আৰু চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ আগমন ঘটিছিল। হিউৱেন চাঙে কামৰূপকে ধৰি ভাৰতৰ বহু অঞ্চলৰ ভাষাৰ কথা তেওঁৰ ভ্ৰমণ টোকাত উল্লেখ কৰিছে। কিন্তু বঙালী ভাষাৰ বিষয়ে কোনো কথা কোৱা নাই। স্মৰ্ত্তব্য যে ৰামায়ণ কৌটিল্যৰ অৰ্থ শাস্ত্ৰ আৰু পানিনিৰ অষ্টাধ্যায়িতো বংগৰ উল্লেখ নাই। সমুদ্ৰগৰ্ভৰ পৰা বঙ্গৰ উদ্ভদৰ পিছৰে পৰা বংগ যে কামৰূপৰ অধীন আছিল তাৰ বহু সংখ্যা ইতিহাসত পোৱা যায়। কামৰূপাধিপতি পুৰ্য্যবৰ্মাৰ বংশধৰ ভূমি বৰ্মনৰ-

কালত (৫১০-৫৫৫ খৃ:) কামৰূপৰ সামা জলপাহ্ গুৰালে বিস্তৃত আছিল। শালস্তম্ভৰ বংশধৰ হৰ্ষদেৱৰ কালত (৭২৫-৭৫০) গৌড় কলিঙ্গ, ওড্র ইত্যাদি কামৰূপৰ তলতীয়া আছিল। ড: চেটাৰ্জীয়েও স্বীকাৰ কৰিছে যে খৃ: ৪ৰ্থ শতিকাৰ গুপ্ত সম্রাট সকলৰ সময়লৈকে বংগৰ বিশেষ সঠিক জনাৰ কোনো উপায় নাই। ইয়াৰ আগলৈ দক্ষিণ বংগ অঞ্চল জলাতক আৰু অৰণ্য সংকুলহৈ থকাৰ কাৰণে তাত জনবসতি নাছিল। ৰাজ্য স্থাপনতো দূৰৰ কথা। উত্তৰ আৰু মধ্যবংগ ভূখণ্ড আছিল কামৰূপৰ অধীনত। খৃ: ৬ষ্ঠ শতিকাৰ শেষ ভাগত গুপ্ত সম্রাট মহাসেন গুপ্তই কামৰূপ ৰজা সুস্থিত বৰ্মনক পৰাস্ত কৰি শশাঙ্ক নামৰ এজনক উত্তৰ আৰু মধ্য বংগৰ শাসন কৰ্তা হিচাবে নিযুক্তিদিছিল। ৬১৯ খৃ:ত গঞ্জাম শিলালিপিৰ পৰা জনা যায় যে ভাস্কৰ বৰ্মনে ৬১৮ খৃ:ত শশাঙ্কক বংগৰ পৰা বিতাৰণ কৰি পুনৰ কামৰূপৰ আধিপত্য স্থাপন কৰে। উল্লেখযোগ্য যে ৫৯৪ খৃ:ত ভাস্কৰ বৰ্মনে আৰম্ভ কৰা "ভাস্কৰাব্দ" নামৰ নতুন চন আজিও বংগাব্দ নামেৰ বংগত প্ৰচলিত হৈ আছে। খৃ: অষ্টম শতিকাৰ মাজ ভাগত পাল বংশৰ প্ৰতিষ্ঠাতা গোপালে দক্ষিণ বংগৰ কিয়দাংতহে ৰাজত্ব কৰিছিল। বস্তুত খৃ: দশম শতিকালৈ বংগৰ অধিকাংশ কামৰূপৰ ৰজা সকলৰ অধীনত আছিল। এই কালছোৱাতেই কামৰূপী প্ৰাকৃত বিকাশ ঘটে কামৰূপী অপভ্ৰংশলৈ। এই কামৰূপীৰ অপভ্ৰংশৰ সৈতে মগধী অপভ্ৰংসৰ কোনো সাদৃশ্য নাই বুলি ড: বেণী মাধৱ বৰুৱাৰ লেখিয়া গৱেষক পণ্ডিতেও কৈছে। কামৰূপী অপভ্ৰংশ বঙ্গৰ পুণ্ড্ৰবৰ্ধন, কৰ্ণ-সুবৰ্ণ, মমতট আৰু তাম্ৰলিপ্তত প্ৰচলিত থকাৰ কাৰণেই হিউৱেনচাঙে সেই অঞ্চলবোৰৰ ভাষাৰ বিষয়ে কোনো মন্তব্য কৰা নাছিল। গতিকে এই কথা সহজেই অনুমেয় যে খৃ: ৬ষ্ঠ শতিকাৰপৰা দশম শতিকালৈ কামৰূপ আৰু ইয়াৰ বংগস্থ উপনিবেশ সমূহত কামৰূপী অপভ্ৰংশৰ প্ৰচলন আছিল। ড: চেটাৰ্জীও স্বীকাৰ কৰিছে যে অতীতৰ উত্তৰ বংগ আৰু কামৰূপৰ ভাষা একেই আছিল।

উক্ত আলোচনাত খৃ: পূ: ৫ম শতিকাৰ পৰা আধুনিক কাললৈ অসমীয়া ভষাৰ বিকাশৰ ধাৰাৰ সংক্ষিপ্ত উল্লেখ কৰি অধ্যাপক হাজৰিকাই মত প্ৰকাশ কৰিছে যে মধ্য ভাৰতীয় ভাষাই খৃ:পূ: যুগত প্ৰাগজ্যোতিষৰ প্ৰাকৃতৰ ৰূপ লয় আৰু খৃ:

যুগত ই কামৰূপী প্ৰাকৃতত পৰিণত হয়। খৃ: ৬ষ্ঠ শতিকাত "কামৰূপী প্ৰাকৃত"ৰ পৰা কামৰূপী অপভ্ৰংৰ উৎপত্তি হয়। খৃ: ৮ম শতিকাৰ মাজ ভাগৰ পৰা কামৰূপী অপভ্ৰংশৰ এটা ঠালৰ প্ৰসাৰ ঘটে বংগত। আৰু ইয়ে কালক্ৰমত আধুনীক বঙালী ভাষালৈ ৰূপান্তৰিত হয়। আনটো ঠাল বিকাশ ঘটে অসমত আৰু ইয়ে পিছলৈ আধুনীক অসমীয়া ভাষাত পৰিণত হয়।

<u>লিপিৰ উৎপত্তি</u> : কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ মতে ভাস্কৰ বৰ্ম্মাৰ ৰাজত্বৰ সময়তেই পুৰণি অসমীয়া লিপিৰ উৎপত্তি হয়। তেখেতৰ অসমীয়া কৃষ্টি নামৰ লিখনিত অসমীয়া ভাষা বৰ্ত্তমান অৱস্থালৈ আহিছে আদিম কালৰ পৰা চেকনিৰ মাজেদি নিগৰি বুলি বৰ্ণনা কৰিছে। তেখেতে লিখিছে —

বৌদ্ধ সংস্কৃতিৰ মাজতো ব্ৰাহ্মণ্য সভ্যতাৰ ডাকৰ বচন আৰু ব্ৰাহ্মণ্য বিশাখদত্তৰ দান মুদ্ৰাৰাক্ষস পুথিখন সামান্য নহয়। এই যুগত অসমীয়া আখৰৰ প্ৰথম সৃষ্টি হয়। তন্ত্ৰৰ সাধনা, তন্ত্ৰশাস্ত্ৰ চৰ্চ্চা প্ৰচিন কামৰূপত যথেষ্ট হৈছিল। কামধেনু আৰু বৰ্ণ উদ্ধাৰত বৰ্ণৰ যেনে বৰ্ণনা আছে সেই বৰ্ণনা আসমীয়া আখৰৰ পৰিচয় পোৱা যায়। কালিকা বিলাস তন্ত্ৰৰ দুটা মন্ত্ৰ হুবহু অসমীয়া । তান্ত্ৰিক সাহিত্যত অসমীয়াৰ শ্ৰেষ্ঠ তান্ত্ৰিক 'নিবন্ধ' বোৰ। এই নিবন্ধবোৰ ভাৰত প্ৰসিদ্ধ । তন্ত্ৰৰ দাৰ্শনিকতাৰ সম্পৰ্কে উপাদেয় গ্ৰন্থ ৰচনা কৰিছিল কামৰূপৰ অভিনব গুপ্তই আৰু দক্ষিণ ভাৰতৰ ভাস্কৰ ৰায়ে। এই অভিনব গুপ্তক তৰ্কত হৰুৱাই শঙ্কৰাচাৰ্য্যই তেওঁক লগত লৈ পুনৰ সনাতন ধৰ্ম্ম প্ৰচাৰ কৰিছিল। কামধেনু আৰু বৰ্ণ উদ্ধাৰৰ মতে যি আখৰ সৃষ্টি হল সেই তন্ত্ৰ মন্ত্ৰ গুপুতিয়া ৰাখিবৰ কাৰণে সৃজন কৰা হৈছিল। এই আখৰৰ উৎপত্তিৰ স্থান বিক্ৰমশাল সংঘাৰাম (বৰ্ত্তমান বিক্ৰমপুৰ) আৰু কামৰূপৰ কামাখ্যা। এই আখৰেই আজিও অসম আৰু বংগত চলি আছে। সেই আগৰ সম্পূৰ্ণ অসমীয়া হে ।

উক্ত লিখনি সমূহে প্ৰমাণ কৰে যে খৃ: ১ ম শতিকাৰ পৰা ৫ম শতিকালৈ প্ৰাগ ঐতিহাসিক যুগৰপৰা চলি অহা পুৰণি জনজাতীয় ভাষা আৰু আৰ্য্য ভাষা সমূহৰ সংমিশ্ৰণত যি ভাষা সৃষ্টি হৈছিল সেয়াই শবৰীয়া ভাষা। এই শবৰীয়া ভাষাই ৬ষ্ঠ শতিকাৰ পৰা ১০ম শতিকাত দেশে কামৰূপ নাম পোৱাত ভাষাৰ নামো

কামৰূপী ভাষা হয় আৰু ১৩ শ শাতকাত আহোম সকলে অসম ৰাজ্য প্ৰাতষ্ঠা কৰাৰ পিছত এই কামৰূপী ভাষাই অসম দেশৰ নাম অনুসৰি ভাষাৰ নামো অসমীয়া হয়।

গতিকে বৰ্ত্তমানৰ অসমীয়া ভাষাতো শৰণীয়া সকলৰ হে ভাষা ।

মঙ্গোলীয় ভাষাৰ শ্ৰেণী বিভাগ ঃ—

প্ৰাগ ঐতিহাসিক যুগৰপৰা চলি অহা অসমৰ পুৰণি জনজাতীয় ভাষা সমূহ।

মঙ্গোলীয় জনজাতিয় সকলে কোৱা ভাষাবোৰ মূল চীনা-তিব্বতী। ইয়াৰ দুটা প্ৰধান শাখা —

(ক) তিৰ্ব্বত বৰ্ম্মীয় আৰু (খ) চীন-শ্যামিয় ।

**ক) তিৰ্ব্বত বৰ্ম্মীয়** — (১) তিব্বতী শাখা (২) হিমালয়ী শাখা (৩) অসম কৰ্ম্ম শাখা আৰু (৪) উত্তৰ অসম শাখা ।

**খ) চীন শ্যামিয়** ঃ (১) চীনা ভাষাৰ শাখা (২) ডাই,খাই বা শ্যামীয় ।

**(১) <u>তিব্বতী শাখা</u>** ঃ -

ক)**পশ্মিমী তিব্বতীঃ** মনগা, ৰিছ, গছমা, বালটী, স্কোৰ পৰিখ, ছাম, লেহ, লাডাক, স্পিটি ইত্যাদি ।

**(খ) দখিণী তিব্বতী** ঃ দক্ষিণ হিমালয়, চেৰপা (নেপাল) ডেন জংকে (চিকিম ভোটজা) লাহোক (ভোটান, ডোটজা) ইত্যাদি ।

**(গ) মধ্য তিব্বতী** ঃ ডবাছ আৰু গটজাং ভাষী ।

**(ঘ) দক্ষিণ পূৰ্ব তিব্বতী** ঃ তাচিয়েন, লু, চিকু, নগান চুনকীয়ান, ডেৰগে, নাংচেন ইত্যাদি ।

**(ঙ) উত্তৰ পূৰ্ব তিব্বতী** ঃ মথজো, চনগোনলো, ওপৰিছ, ৰমাচো গোলাগ, চোনে ।

**(চ) উত্তৰ তিব্বতী ঃ** বয়াং থা ভাষী ।

(২) **<u>হিমালয়ী শাখা -</u>**

ক) পূৰে ভাষী ঃ নেওবাৰ, মংগৰ,গুৰুং, ধামাং (মুমী) চুনবাৰ (লেপচা) ততো ইত্যাদি ।

খ) মিশ্রিত ভাষী ঃ (১) পূৰ্বী ভাষী - ৰায়, লিম্বু, থামি ধিমাল।

(২)পশ্চিম ভাষী - কানাবাৰী, কানাচী, মানছাটি, বুনা, ৰাংকোচ, চাওঁডাংচী, বয়াংচি ইত্যাদি।

<u>৩) অসম বৰ্ম্মী শাখা ঃ</u>

ক) বড়ো-নগা (১) বড়োভাষী - কছাৰী, মেচ, গাৰো,ৰাভা, ত্ৰিপুৰা, কোচ, চুতীয়া ।

(২) নগা ভাষী - আওঁ, আঙ্গামী ছেমা, লুথা, টাংখুল ছংটেম, নক্তেবাঞ্চে কন্যাক ইত্যাদি ।

(৩) বড়ো আৰু নগা শাখাৰ পৰা (মিকিৰ) কাৰ্বি ভাষা সৃষ্টি হৈছে ।

(খ) কুকি চীন - মেই থেই (বামুনিপুৰী) লুচাই (বা মিজো)

(গ) কোচিন লোলো - লোলো, কেচিন, বা চিংফৌ।

(ঘ) নতুন বৰ্মী - ময়াম্মা, বয়াম্মা, আৰাকান। এই শেষোক্ত তিনিটা শাখাক মন খেমৰ নামেৰেও জনাযায় ।

<u>৪) উত্তৰ অসম শাখা</u> ঃ হ্রূচু (অকা) নিচি (ডফলা) আদি (আবৰ) মিচিং (মিৰি) মিচিমি ইত্যাদি ।

(২) ডাই,থাই বা শ্যামিয় - (অসমত থকা লোক সকল)

শান (Rhwam) টাই বা আহোম খামটি, ফাকিয়াল নৰা, আইতনীয়া ইত্যাদি ।

অষ্ট্রিক ভাষী লোক অসমত তিব্বত বৰ্ম্মী ভাষীৰ তুলনাত কম। অষ্ট্রিক ভাষাক প্ৰধানকৈ দুটা ভাগত ভগাব পাৰি। (১) অষ্ট্ৰ এচিয়াতিক আৰু (২) অষ্ট্ৰনেচিয়ান ।

১) অষ্ট্ৰ-এচিয়াটিক বা অষ্ট্ৰ-এচীয় —

কোল (মুণ্ডা) — চাওতালী, মুণ্ডাৰী, হো, কোৰকু, সবৰ, গদৰ ইত্যাদি।

নিকোবৰী — নিকোবৰ দীপপুঞ্জৰ নিকোবৰী ভাষাবোৰ।

খাচী – (অসম) খাচী, জয়ন্তীয়া, চিনটেং ইত্যাদি।

বৰ্ম্মী — বাং, পালৌং, মন, (টাইলং)

কম্বোডিয়ান — খেমৰ।

চীন-অঞ্চলৰ — ছাম, ষ্টিয়ে বনাৰ।

মালায়ৰ — শাকই, চেমাং ইত্যাদি।

(২)অষ্ট্ৰেনেচীয় —

(ক) ইণ্ডোনেচীয় — মালয়, জাবানীয়, চাওঁদানীয়, মাদুৰীয়, বালী, সশ্বাক, চেলিবচ টাগালগ বিসায়ন ফিলিপাইনী, মালাগাচি (মাদাগাস্কাৰ)

(খ) মালেনেচীয় — মালেনেচীয়া, চলমনী, কালোডনীয়া ৱিটি (ফিজি)

(গ) পলেনেচীয় — চামোৱান, টোঙ্গান (টোঙ্গাও) টাহিটীয়, টাওমোটুবান, মাকেচীয়, মাগুৰী (নিউজিলেণ্ড) গহাউবাই ইত্যাদি।

(অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি নাহেন্দ্ৰ পাদুন)

# তৃতীয় অধ্যায়

## সমাজ

সমাজ বুলি কলে আমি বুজো যিবিলাক মানুহ একগোট হৈ থাকি বাস কৰে; যাৰ নিজক পৰিচালনা কৰাৰ বাবে সু-সংগঠিত অনুষ্ঠান আছে, যত তেওঁলোকৰ সামাজিক অনুষ্ঠান সমূহৰ সমস্যা তথা পাৰিবাৰিক সমস্যা সমূহ সমাধান কৰাৰ ব্যৱস্থা আছে। য'ত ৰাইজৰ অভাব মোচনৰ বাবে তথা সমাজৰ সৰ্ব্বাঙ্গীন উন্নতিৰ বাবে ব্যৱস্থা তথা ক্ষমতা আছে; প্ৰকৃতিৰদ্বাৰা ঘটা দুৰ্যোগবোৰৰ পৰা নিজকে ৰক্ষা কৰিব পৰা জ্ঞান তথা আত্মচেতনা আছে; সেই মানৱ সমষ্টিকেই আমি সমাজ বুলি কওঁ।

<u>পৰিয়াল পৰিচয়</u> ঃ- পৰিয়াল মানৱ সমাজৰ প্ৰাথমিক মানুহৰ গোষ্ঠী। সভ্যতা বিকাশ পোৱাৰে পৰা মানুহৰ যৌন প্ৰবৃত্তিক শৃঙ্খলাবদ্ধ ভাবে বান্ধিবলৈ যাওতে মানৱ সমাজত পৰিয়ালৰ সৃষ্টি হয়। ভগবানৰ সৃজনী শক্তিত জীৱসমূহৰ মাজত পুৰুষ প্ৰকৃতিৰ মিলনৰ ভাব সঞ্চাৰ হয়। সেই মিলনৰ ভাবকে মানুহক মানৱতাৰ জ্ঞানেৰে বিশেষ বিশেষ প্ৰথাৰে মিলন কৰি দিয়া হয়। তাকে আমি বিবাহ বুলি কওঁ। বিবাহ বুলি কোৱা শব্দৰ প্ৰথাৰ পৰাই পুৰুষ প্ৰকৃতি দুটা প্ৰাণীৰ হিয়া মন অন্তৰ অভিনৱ ভাবে আপোন হয়।

বিবাহ প্ৰথাৰ দ্বাৰা আপোন হোৱা পুৰুষ প্ৰকৃতি স্বামী-স্ত্ৰীৰ এটা দুটাকৈ সন্তান সন্ততি বাঢ়ি যায়। সন্তান সন্ততি বোৰ মাক-বাপেকৰেই তেজ মঙহৰ ফল। গতিকে মাক বাপেক আৰু তেওঁলোকৰ সন্তান সন্ততি এই আটাইবোৰেই তেওঁলোকৰ ভিতৰত তেজমঙহৰ দ্বাৰা এৰিব নোৱাৰা ওত: প্ৰোতভাবে জৰিত। সেয়ে তেওঁলোকৰ ভিতৰত এটা দল হয়। তাকে আমি পৰিয়াল বুলি কওঁ।

এই পৰিয়ালে প্ৰকৃতিৰ বুকুত, মানৱ সমাজৰ মাজত নিজকে জীয়াই ৰাখি তেওঁলোকৰ উন্নতি কৰিবৰ বাবে নানা প্ৰকাৰৰ নিয়ম মানি চলে। এই বোৰক পণ্ডিত সকলে পাচ ভাগত ভাগ কৰিছে। যেনে –

(১) পৰিয়ালে জীয়াই থকাৰ বাবে স্থায়িত্ব, আৰ্থিক সংস্থানৰ দ্বাৰা নিজকে সংস্থান আৰু নিজৰ সন্তান সন্ততিক লালন পালন কৰা।

(২) পৰিয়ালে সামাজিক সম্বন্ধ ৰক্ষা কৰাৰ নীতি নিয়ম।

(৩) পৰিয়ালৰ ভিতৰত কোনেও কাকো বঞ্চিত নকৰাৰ নীতি ।

(৪) বিবাহ বা আন আন অনুষ্ঠানৰ দ্বাৰা নিজৰ পৰিয়াল স্থায়ী ভাবে ৰক্ষাকৰা।

(৫) নামৰ সংজ্ঞা আৰু বস্তু সংগ্ৰহ কৰি তাক হিচাব কৰা প্ৰণালী। এই কেইটাই প্ৰধান (ভৱেন নাৰ্জী, বড়ো কছাৰী সমাজ আৰু সংস্কৃতি)

**বাসস্থান নিৰ্ণয় আৰু ঘৰ সজাৰ নিয়ম —**

শৰণীয়া পৰিয়ালে পুৰণি ঘৰৰ পৰা বেলেগ হৈ অন্য নতুন ঠাইত নতুন ঘৰ সাজি গৃহস্থলী পাতিব লগা হলে, নতুন ঠাইডোখৰ ঘৰ বন্ধাৰ আগেয়ে অভিজ্ঞ দৈৱজ্ঞৰ দ্বাৰা পৰীক্ষা কৰি চোৱা হয়। দৈৱজ্ঞই পৰীক্ষা কৰি ঘৰ সজাৰ বাবে উপযুক্ত বুলি কলে সেই ঠাইত ঘৰ বন্ধাৰ কাম আৰম্ভ কৰে। ঘৰ বন্ধাৰ কাম আৰম্ভ কৰাৰ আগেয়ে এদিন শুভদিন চাই ঘৰৰ লাই খুটা পোটে। সেই দিনাই ৰাতিপুৱাই ঠাইডোখৰৰ পূব পিনে এখন শৰাই দিয়া হয়। সেই শৰাইখনত ৰঙা কাপোৰ দিয়া হয়। তাৰ পিছত ৰঙা কাপোৰখন শৰাইৰ পৰা আনি লগত পান-তামোল , আমৰপাত, বেলপাত আদি বান্ধি দি লাই খুটা ডালত বান্ধি দিয়া হয়। লাইখুটাডাল পোটাৰ আগেয়ে পোটা ঠাইডোখৰ সোণ পানীৰে ধুইলোৱা হয়। তাৰ পিচতেই লাইখুটাডাল পোটা হয়। এই লাই খুটাটো মূল ঘৰৰ। মূল ঘৰটো শৰণীয়া সকলে সদায় উত্তৰ পিনে বান্ধে। দক্ষিণে গোহালী ঘৰ, পূবে ভৰাল ঘৰ আৰু ৰান্ধনী বা পাক ঘৰ। পশ্চিমে ঘৰৰ অন্যান্য অবিবাহিত ডেকা ল'ৰা থকাৰ বাবে এটা ঘৰ আৰু বাটৰ মুখত এটা চ'ৰাঘৰ বা বাটচৰা সজাই লয়। এই বাটচৰা ঘৰত দুৰণীবতীয়া আলহী আহিলে জিৰণী লোৱা বা ৰাতি থাকিব লগীয়া হলে থাকিব দিয়ে।

শৰণীয়া কছাৰী সকল বেছিভাগেই দুখীয়া। সেয়ে শৰণীয়া সকলে ঘৰ সদায় খেৰ, ধানৰ নৰা আৰু বাঁহেৰে সাজে। ঘৰৰ চাল বা গাঠনি খুটাৰ বাবে সদায় বাঁহ ব্যৱহাৰ কৰে। চালখন বাহৰ ৰুৱা আৰু কামিৰে সজা। এই চালৰ কামি আৰু ৰুৱাৰ গাঠি বা গাঠনিবোৰ কোমল বাঁহৰ টঙালেৰে গাঠি দিয়ে । তাৰ পিচত ছালখন উলুখেৰেৰে ঢাকি দি কামিৰে বান্ধি দি পৰ্য্যায় ক্ৰমে সজা হয়।

মূল ঘৰটোৰ মাজত দুখন বেৰা দি তিনিটা কোঠালি কৰা হয়। পূবকোথা আৰু পশ্চিম কোঠাত মানুহ শোৱে আৰু মাজৰ কোঠালি খোলা থাকে। এই কোঠালিটোক মইজা বোলে। ইয়াতে বহি পৰিয়ালৰ মানুহে কথা পাতে। মূল ঘৰটোৰ পূবপিনে পাকঘৰ। এই পাকঘৰ মূলঘৰটোৰ লগত লগ লগাই অৰ্থাৎ মূলঘৰৰ বাৰান্দাৰে পাকঘৰলৈ যাব পৰাকৈ বন্ধা হয়। এই পাক ঘৰটোৰ দুটা কোঠা। এটা কোঠাত ভাত ৰন্ধা হয় আৰু আনটো কোঠাত খোৱা হয়। এই খোৱা কোঠাটো বেচ আহল বহল।

এই পাকঘৰৰ কাষতে, বৰ ঘৰৰ দক্ষিণে গোহালী ঘৰ। এই ভঁৰাল ঘৰ আৰু গোহালী ঘৰ ডাঙৰ বা সৰু আকাৰৰ দ্বাৰাই পৰিয়ালৰ আৰ্থিক অৱস্থা জনা যায়। শৰণীয়া সমাজত গোহালী ঘৰৰ চাৰিওফালে বেৰ নিদিয়ে। অৰ্থাৎ চাৰিওফালে খোলা থাকে। চোতালৰ পূবপিনে এডাল তুলসী ৰুই আৰু তাৰ তলত সদায় চাকিদিয়ে। কিছুমানে পূবপিনে সৰুকৈ এটা গোসাই ঘৰ সাজি লয় আৰু ইয়াতে সদায় সন্ধিয়া চাকি বন্তি জ্বলাই।

চোতালখন পৰিয়ালৰ প্ৰত্যেক মানুহৰেই উমৈহতীয়া ব্যৱহাৰিক সম্পত্তি।

<u>গৃহ প্ৰৱেশ ঃ-</u> এইদৰে ঘৰৰ কাম সম্পূৰ্ণ হোৱাৰ পিছত এদিন শুভদিন চাই ঘৰ লোৱাৰ বাবে পূজা বা হোম পোৰা হয়। অৱস্থা সম্পন্ন লোকে ঘৰ লোৱাৰ বাবে পুৰোহিতৰ দ্বাৰা হোম পূজা কৰে। হোম পূজাৰ প্ৰাসঙ্গিকতাৰ বিষয়ে আমি পিচত আলোচনা কৰিম। কিছুমানে আকৌ নাম কীৰ্ত্তন কৰে। কিন্তু যি সকলে আৰ্থিক ভাবে দুৰ্ব্বল লোক তেওঁলোকে সাধাৰণ ভাবে ঠগি দিয়ে।

নাম কীৰ্ত্তন শেষ হোৱাৰ পিচত বা হোম পূজাৰ শেষত ঘৰৰ পৰিয়ালৰ আটাইকেইজন মানুহ আঠুলৈ সেৱা কৰে আৰু নৈবেদ্য বোৰ পুৰোহিতে ভগা বানলৈ আগবঢ়াই দিয়ে। পিছত পুৰোহিত বা দেউৰীয়ে তুলসীৰ পাতেৰে সোণপানী শান্তিজল ছটিয়াই গৃহপ্ৰবেশৰ বাবে পূজাৰ কাম সমাধা কৰে।

এই দৰে এটা পৰিয়ালৰ নতুন ঘৰত গৃহ প্ৰৱেশ আৰম্ভ হয়।

<u>চোতাল সম্পৰ্কীয় লোক বিশ্বাস</u> ঃ চোতালখন আমাৰ খেতিয়ক সকলৰ বাবে বৰ প্ৰয়োজনীয়। এই চোতালতে ধান মাহ আদি চপোৱাৰ পিছত সেইবোৰ চোতালতে শুকুৱা হয়। তাৰ পিছতহে ভঁৰালত থোৱা হয়। আকৌ ভঁৰাল বা ভাখেৰিৰ পৰা খোৱাৰ বাবে ধান উলিয়াই চোতালতে ৰ'দত দিয়া হয়। ধান বিক্ৰি কৰিব লগা হলেও চোতালতে উলিয়াই জুখি মাখি বস্তাত ভৰাই বিক্ৰি কৰা হয়।

চোলাতৰ কোনো কাষত গৃহিনীৰ তাত শালখনো পতা হয়। লগতে কোনো এটা কাষত শীত কালত চোতালত জুই জ্বলাই জুই পুৱায়। তাতে ল'ৰা-ছোৱালীক পঢ়াই শিক্ষা দিয়ে। বুঢ়া বুঢ়ী সকলে নাতি -নাতিনী হঁতক সাধু কথা কয়। এই চোতালতেই ল'ৰা-ছোৱালীৰ বিয়া বা কাজ কৰ্ম আদি ৰভা সাজি কৰা হয়। মুঠতে চোতালখনেই হৈছে আমাৰ সকলো সভ্যতা তথা সংস্কৃতিৰ ৰংগমঞ্চ ।

এই চোতালখনৰ ওপৰত আমাৰ সমাজৰ বহুতো লোক বিশ্বাস আছে -

(১) চোতালখন ৰাতিপুৱা পোহৰ হোৱাৰ লগে লগে সাৰিব লাগে। যদি

বাহিচোতাল গছকি পুৰুষ হাললৈ ওলাই যায় তেতিয়া সেই পুৰুষৰ আয়ুস টুটে। লগতে গৰু হালৰো আয়ুস টুটে বুলি বিশ্বাস কৰে। সেয়ে পুৰুষে হাল লৈ যোৱাৰ আগেয়ে চোতাল সাৰিব লাগে।

থিক তেনেকৈ আবেলিও সন্ধিয়া হোৱাৰ আগেয়ে চোতাল সাৰিব লাগে। সন্ধিয়া গৰু বন্ধাৰ পিছত চোতাল সাৰিব নেপায়। চোতাল সাৰিব লগা হলেও চোতাল সাৰা জাবৰ বোৰ পেলাই দিব নেপায়। চোতালৰ এটা কোণত সেই জাবৰবোৰ থুপাই থোৱা হয়।

(২) কুকুৰ মানুহৰ বৰ প্ৰভূভক্ত । কিন্তু সেই কুকুৰে যদি মানুহৰ চোতালৰ মাজত কটি (টিকা) চোচৰায়, তেতিয়া সেই গৃহস্থৰ ঘোৰ অমঙ্গল হয় বুলি বিশ্বাস কৰে।

(৩) শিয়াল বা হাপাই যদি ৰাতি আহি চোতালত হোৱা দিয়ে তেতিয়াও গৃহস্থৰ অমঙ্গল হয় বুলি বিশ্বাস ।

(৪) কাউৰ বা শগুণে চোতালৰ ওপৰেৰে উৰি যাওতে যদি চোতালত মঙহ পেলাই যায় তেতিয়াওঁ গৃহস্থৰ অমঙ্গল হয়।

(৫) শগুণে চোতালৰ উপৰেৰে উৰি যাওতে যদি চোতালত বমি কৰি দি যায় তেতিয়া সেই গৃহস্থৰ মঙ্গল; ঐশ্বৰ্য্যশালী হোৱাৰ সুচনা বুলি বিশ্বাস।

(৬) চোতালৰ মাজেৰে মাটিৰ ভাৰ বা গোবৰৰ ভাৰ কান্ধত লৈ যাব নেপায় বুলি বিশ্বাস ।

(৭) চোতালৰ মাজেৰে কান্ধত কোদাল কুঠাৰ লৈ অহাযোৱা কৰিলে গৃহস্থৰ কোনো মানুহৰ আগন্তুক মৃত্যু সুচনা দিয়ে বুলি বিশ্বাস ।

(৮) চোতালৰ মাজেৰে ডাল বাহ কান্ধত লৈ অহা যোৱা কৰিব নেপায়। অহাযোৱা কৰিলে কোনো মানুহৰ অমঙ্গল হয় বুলি বিশ্বাস ।

**ভাখৰী (ভৰাল ঘৰ)ৰ প্ৰতি লোক বিশ্বাস :-** শৰণীয়া সকলে ভৰাল ঘৰক ভাখৰী বুলি কয়। এই ভাখৰীৰ প্ৰতিও আমাৰ সমাজত কিছুমান বিশ্বাস আছে।

(১) ভাখৰীৰ সন্মুখত স-ভক্তিৰে সদায় সন্ধিয়া এগছি চাকি দিলে ভাখৰীত লক্ষ্মী বসতি হয় বুলি বিশ্বাস আছে।

(২) ভাখৰীৰ ভিতৰত শৰণীয়া সকলে এটা শিল থয়। এই শিলটো গৃহস্থই যেতিয়া ভাখৰীটো নতুনকৈ বান্ধে তেতিয়াই ভাখৰীৰ সন্মুখত এখন ঠগি দি শিলটো ভালদৰে ধুই ঠগীৰ আগত দিয়ে আৰু ঠগি শেষ হলে শিলটো সেন্দুৰ অলপ লগাই

ভাখৰীৰ ভিতৰত থৈ দিয়ে। এই শিলটোই হ'ল গৃহস্থৰ লক্ষ্মীৰ প্ৰতীক। এই শিলটো ভাখৰীৰ পৰা কোনোদিনে উলিয়াব নেপায়। কেতিয়াবা যদি কাৰোবাক ধান দান দিওতে এই শিলটো ধানৰ লগত গুচি যায় তেতিয়া সেই গৃহস্থৰ পৰাই লক্ষ্মীয়ে ধান নিওতা জনৰ ঘৰলৈ গুচি যায় বুলি বিশ্বাস কৰে। সেই দিনাৰ পৰাই ধান দিওতা গৃহস্থই ক্ৰমান্বয়ে দুখীয়া হৈ গৈ থাকে আৰু ধান নেওতা জনে ধনী হৈ গৈ থাকে বিশ্বাস।

(৩) ভাখৰীত প্ৰতি বছৰে শালি ধানৰ আগ আনি বন্ধা প্ৰথাৰ প্ৰতি বিশ্বাস। ইয়াকে ধানৰ আগ অনা বুলিও কোৱা হয়। আঘোণ মাহত যেতিয়া শালিধান কাতিবৰ হয় তেতিয়া ধান কতাৰ আগেয়ে এদিন শনিবাৰ বা মঙ্গলবাৰে ধানৰ আগ অনাৰ বাবে ঘৰত এখন ঠগি দিয়া হয়। সেইদিনা ৰাতিপুৱা সকলো ঘৰ মুচি ভাখৰীৰ সন্মুখত এখন ঠগি দিয়া হয়। তাৰ পিছত ধানৰ আগ আনিব যোৱা গৃহস্থ জনে গা পা ধুই খৰাহী এটাত আগলি কলপাতৰ ওপৰত এখন কাঁচি আৰু এজোৰ তামোল পানলৈ ধানৰ আগ আনিবলৈ যায়। ধানৰ আগ একে উশাহতে তিনিগজ কাটি লৈ খৰাহিত ভৰাই মূৰত তুলি ঘৰলৈ লৈ আহে। আহোতে বাটত কোনো মানুহকে মাতবোল কৰিব নেপায়। ঘৰলৈ আহি ধানৰ আগ কেইটা ভালদৰে বান্ধি ভাখৰীৰ দুৱাৰৰ কাষত ভালদৰে আৰি দিয়া হয়। এইদৰে প্ৰতি বছৰে লক্ষ্মীক পথাৰৰ পৰা ভৰাললৈ আদৰি অনাৰ প্ৰতি শৰণীয়া সকলৰ বিশ্বাস প্ৰচলিত আছে।

(৪) পুহ মানে তুহ বুলি শৰণীয়া সকলৰ মাজত বিশ্বাস আছে। সেয়ে শৰণীয়া সকলে পুহ মাহত ভাখৰীৰ পৰা ধান নুলিয়ায়। আঘোণ মাহৰ শেষত পুহমাহৰ বাবে যিমান ধান প্ৰয়োজন সিমান ধান আগতিয়াকৈ উলিয়াই থয়। লগতে ভাখৰীৰ সন্মুখত ঠগি এখন দি ভাখৰীত ফুল চতিয়ায়। এই ফুল চতিওৱাৰ পৰা মাঘতহে ভাখৰীৰ ধান উলিয়াব পাৰে।

<u>**বৰঘৰৰ প্ৰতি লোক বিশ্বাস**</u> ঃ চোতাল ভাখৰীৰ দৰে বৰ ঘৰৰ প্ৰতিও শৰণীয়া সকলৰ মাজত লোক বিশ্বাস আছে।

(১) বৰঘৰৰ মুধতে যদি শগুণ পৰে তেতিয়া গৃহস্থৰ মঙ্গল আৰু যদি শগুণে শ' খাই আধা এৰি যায় তেতিয়াও ভাল। যদি শগুণে মুধাত পৰি বমি কৰি যায় তেতিয়া সেই গৃহস্থী ভবিষ্যত ঐশ্বৰ্য্য শালী হোৱাটোকে গুচায়।

(২) কোনো পৰিয়ালৰ ঘৰত যদি হালুৱা গৰু সোমায় তেতিয়া বেয়া বুলি বিশ্বাস আৰু গাই গৰু পাক ঘৰত সোমালে গৃহস্থৰ মঙ্গল বুলি বিশ্বাস।

(৩) বৰ ঘৰৰ মুধাত লক্ষ্মী ফেচা পৰিলে গৃহস্থৰ মঙ্গল বুলি বিশ্বাস আছে।

(৪) বৰ ঘৰৰ মুধাত কপৌ চৰাই পৰি ৰমিয়ালে, গৰখীয়া ল'ৰাক মাটি আনি ভাত খুৱাব লাগে বুলি বিশ্বাস।

(৫) বৰ ঘৰৰ দুৱাৰ মুখৰ মাটিৰ প্ৰতি শৰণীয়া সমাজত গভীৰ বিশ্বাস আছে। কোনো মাইকী মানুহে লগত নাবালক ল'ৰা-ছোৱালীক ঘৰৰ বাহিৰলৈ লৈ যাব লগীয়া হ'লে মাক গৰাকীয়ে দুৱাৰ গুন্নাত মুখৰ পৰা থু অলপ মাটিত পেলাই দিয়ে আৰু সোঁহাতৰ বুঢ়া আঙুলিৰে থুখিনি মাটিত পিহি দিয়ে। তাৰ পিছত হাতৰ আঙুলিৰে সেই পিক পিহা মাটিৰে কেঁচুৱাটিৰ কপালত এটা ফোট আকি দিয়ে। এই দৰে দোৱাৰ গুন্নাৰ মাটিৰ ফোট দিলে কেঁচুৱাৰ কোনো আপদ-বিপদ নোহোৱাকৈ ঘৰলৈ ঘুৰি আহে বুলি বিশ্বাস।

(৬) পাক ঘৰৰ চৌকাৰ মাজৰ মাটিতো শৰণীয়া সকলৰ মাজত গভীৰ বিশ্বাস আছে। সৰু কেঁচুৱা লগত লৈ কৰবালৈ দুৰণীবতিয়া ঠাইলৈ ফুৰিব যাব লগা হ'লে মাকে বা ঘৰৰ বুঢ়ী মানুহে চৌকাৰ মাজৰ পৰা মাটি অলপ আনি তাত মুখৰ পৰা অলপ থু পেলাই দি ভৰিৰ বুঢ়া আঙুলিৰে পিহি দি সোঁহাতৰ বুঢ়া আঙুলীৰে কপালত এটা ফোট দিয়ে। এইদৰে ফোট দিলে শিশুটোৱে ভালে ভালে ঘুৰি আহি ঘৰৰ ৰন্ধা ভাত খাবলৈ পায় বুলি বিশ্বাস।

(৭) চৌকাৰ মাজৰ মাটিৰ আন এটি বিশ্বাস হ'ল ঘৰলৈ যদি নতুন গৰু কিনি অনা হয় তেতিয়াও গৰুটো চোতাল পোৱাৰ লগে লগে গৰুৰ ভৰি ধুই দি নতুন কাপোৰেৰে ভৰি মচি দি গোহালীত বন্ধাৰ পিছত গৰুটোক চৌকাৰ মাজৰ মাটি অলপ কলপাটত লৈ তাত নিমখ আৰু জাত্ৰাং মিলহি কৰি খুৱালে গৰুৱে সোনকালে ঘৰ খায় বুলি বিশ্বাস।

(৮) চৌকাৰ আধাপুৰা খৰি বাহিৰত পেলাই দিলে গৃহস্থৰ খোৱা লোৱাত টানটানি আৰু টকা পইচাৰ ধাৰ লাগে বুলি বিশ্বাস।

<u>অন্যান্য বিশ্বাস</u> ঃ

(১) ফেউৰা শিয়ালে হোৱা দিলে বা কেকোৰাই মাটিৰে নিজৰ মুখ বন্ধ কৰিলে বহুদিনলৈ বৰষুণ নহয় বুলি বিশ্বাস।

(২) উই জাকে জাকে উৰিলে, ৰঙা আৰু কলা গুৰি পৰুৱাই মুখত বগা ভাত (কোঁপ) লৈ লানি ধৰিলে, গাতৰ ভিতৰত ভেকুলীয়ে টোৰ টোৰালে, গাতৰ কেচু ওলালে বানপানী হয় বা বহুদিন বৰষুণ নহয় বুলি বিশ্বাস কৰে।

(৩) বৰষুণৰ পিচত কপৌ চৰায়ে ঘৰৰ মুধাত পৰি বহলকৈ পাখিমেলি পেট পেলাই থাকিলে বতৰ ফৰকাল হয় বুলি বিশ্বাস ।

(৪) জাকে জাকে কাকতি ফৰিং উৰিলে দেশত দূৰ্ভিক্ষ হয় বুলি বিশ্বাস কৰে।

(৫) বাঁহ অসমৰ জাতীয় জীৱনৰ এৰাব নোৱাৰা অংগ। কিন্তু এই বাহ গছৰ ফুল ফুলিলে মানুহে ধৰি লয় সোনকালেই পৃথিৱীত দুভিক্ষ হব।

(৬) ফেঁচাই ঘৰৰ চালত পৰি নিউনিউ কৈ মাটিলে ঘৰৰ অমঙ্গল হয় বুলি বিশ্বাস।

(৭) ৰাতি গোহালী ঘৰত গৰুৱে চট ফটালে গাৱত মহামাৰী হয় বুলি বিশ্বাস কৰে।

(৮) গাভীন গায়ে ৰাতি গোহালীত হেম্বিলিয়ালে গৃহস্থৰ অমঙ্গল হয় বুলি বিশ্বাস।

(৯) ফেঁচু চৰাই (ধেনচু) বা কাউৰীয়ে ঘৰত পৰি মাতিলে আৰু চোতালত কুকুৰাই যুজিলে আলহি অহাৰ চিন বুলি বিশ্বাস কৰে।

<u>খোৱা লোৱা সম্পৰ্কে বিশ্বাস</u> ঃ

(১) খাই থাকোতে গলত গাঠি লাগিলে কোনোবাই মনত পেলোৱা বুলি বিশ্বাস কৰে।

(২) খাই থাকোতে জিভাত কামোৰ লাগিলে কোনোবাই অন্যায় কৰা বুলি বিশ্বাস কৰে।

(৩) তিৰোতাই গিৰিয়েকতকৈ আগতে ভাত খালে গিৰিয়েকৰ আয়ুষ টুটে বুলি বিশ্বাস কৰে।

(৪) ভাত খাই থাকোতে ঢেঁকিৰ বানা কৰি থাকিলে বা শাল বৈ থাকিলে ঢেঁকি দিওতা আৰু শাল বাওতাৰ দুখ হয় বুলি বিশ্বাস আছে।

(৫) কণ নথকা তামোল খালে মানুহ বজা হয় বুলি বিশ্বাস আছে।

(৬) যজা ফল খালে মানুহৰ যজা সন্তান হয় বুলি বিশ্বাস আছে।

<u>যাত্ৰাৰ সময়ৰ বিশ্বাস</u> ঃ

(১) কইনা চাবলৈ যাওতে বা কোনো শুভকামত যাত্ৰা কৰি যায় থাকোতে বাটত মৰাশ নি থকা দেখিলে,কইনাৰ ঘৰত উপস্থিত হোৱাৰ সময়ত কইনাজনী কাপোৰ বৈ থকা দেখিলে মঙ্গল বুলি বিশ্বাস কৰে।

(২) কইনা চাবলৈ গৈ থাকোতে বা কোনো শুভকামত যাত্ৰা কৰি যায় থাকোতে

যদি মৰাশ স্মশানত থৈ ঘুৰি অহা দেখে তেতিয়া কইনাৰ ঘৰত বোকা মাটিৰে ঘৰ মুচি থকা দেখিলে তেতিয়া আৰু কইনা চাবলৈ যাওতে বাজি তিৰোতা বা গোফ নথকা মানুহ দেখিলে অমঙ্গল হয় বুলি বিশ্বাস কৰে।

(৩) যাত্রা কালত পিচ ফালৰ পৰা মাকে মাতিলে ভাল আৰু ঘৈণীয়েকে মাতিলে অমঙ্গল বুলি বিশ্বাস কৰে।

(৪) যাত্রা কালত পানী নিবলৈ অহা তিৰোতা মানুহ দেখিলে মঙ্গল বুলি বিশ্বাস।

<u>সপোনৰ বিশ্বাস</u> ঃ সপোনত দেখা ঘটনা সমূহ বাস্তব জীৱনতো ফলিয়াই বুলি বিশ্বাস কৰে।

(১) বিশেষকৈ সপোনত পোৱা ঔষধ বিশেষ ফলদায়ক বুলি বিশ্বাস কৰে। সেই সপোন যদি পুৱতি নিশা পায় আৰু বেছি ফলদায়ক বুলি বিশ্বাস কৰে।

(২) সপোনত হাহিব পালে, কোনো জীৱজন্তুৱে খেদিলে সাপে কামুৰিলে ঘৰত কিবা বিপদ হয় বুলি বিশ্বাস কৰে।

(৩) সপোনত কান্দিলে আৰু পুথিমাছ ধৰা সপোন পালে টকা পইচা লাভ হয় বুলি বিশ্বাস।

(৪) শৌচ কৰি পানী লবলৈ পালে হৈ থকা বেমাৰ আজাৰ আদি ভাল হয় বুলি বিশ্বাস। কিন্তু পানী লবলৈ নেপালে অমঙ্গল হয় বুলি বিশ্বাস ।

(৫) গো মাংস খোৱা সপোন পালে ঐশ্বৰ্য্যশালী হয়।

(৬) দাঁত সৰিলে নিজৰ কিম্বা আত্মীয়ৰ বিপদৰ সম্ভবনা। আগদাঁত সৰিলে ভাই-ভনীৰ মৃত্যু, জামিদাঁত সৰিলে মাক বা দেউতাকৰ মৃত্যু হয় বুলি বিশ্বাস।

(৭) নিজৰ ঘৰত জুই লগা দেখিলে আনৰ ঘৰত আৰু আনৰ ঘৰত জুই লগা দেখিলে নিজৰ ঘৰত জুই লাগে বুলি বিশ্বাস।

(৮) হাতীয়ে খেদিলে মঙ্গল। হাতীয়ে খেদি আনি ঘৰত ৰুমাই ভৰালত লুকাব পালে ধন সম্পত্তি হয় বুলি বিশ্বাস।

ওপৰত আমাৰ সমাজত প্ৰচলিত লোকবিশ্বাসৰ এটি আভাস ডাঙি ধৰা হ'ল। এই লোক বিশ্বাসৰ সাংস্কৃতিক মূল্য অতুলনীয়।

<u>খেতিৰ মাটি নিৰ্বাচন</u> ঃ শৰণীয়া কছাৰী সকল আৰ্থীক ভাবে বৰ পিছ পৰা । শতকৰা ৯৫ ভাগ মানুহেই খেতিৰ ওপৰত নিৰ্ভৰশীল। ধানখেতিয়েই শৰণীয়া সকলৰ প্ৰধান ব্যৱসায়। শতকৰা ৮০ জনৰ নিজৰ খেতিমাটি নাই। অন্য লোকৰ মাটি আধিয়া

হিচাবে খেতি কৰি খায়। শতকৰা ১০/১৫ জনে অন্য লোকৰ ঘৰত চাকৰ থাকি জীৱিকা নিৰ্বাহ কৰে।

শৰণীয়া কছাৰী সকলৰ খেতিৰ মাটি নিৰ্বাচনৰ এটি সুন্দৰ প্ৰবচন আছে।

প্ৰবচন-- মাটি কিনিবা মাজ খাল ।

ছোৱালী আনিবা মাক ভাল । (ডাকৰ বচন)

(১) এই প্ৰবচনৰ দ্বাৰাই বুজাই দিয়ে যে খেতিৰ মাটি সদায় বুকু দ অৰ্থাৎ মাজত দ হলে ভাল হয়।

(২) গৰা থকা কোনো নদী নাইবা জান-জুৰি বোৱতী পানী থাকিলে, কোনো নদী নাইবা জান-জুৰি ওচৰৰ পথাৰৰ মাটি খেতি পথাৰৰ উপযোগী বুলি নিৰ্বাচন নকৰে।

খেতিৰ বাবে আৱশ্যকীয় পানী আৰু মাটিৰ ওপৰৰ সাৰ মাটিৰ বিন্ধাবোৰেদি ওচৰত থকা গভীৰ গড়া নদী বা জান-জুৰিৰ পানীত পৰে। যাৰ ফলত সাৰ আৰু পানীৰ অভাৱত খেতি লেৰেলি যায়।

অসমৰ শৰণীয়া কছাৰী তথা অন্য কছাৰী সকলৰ বিশ্বাস যে বস্তীৰ উত্তৰ ফালে ধানখেতিৰ পথাৰ ৰাখি ধান খেতি কৰিলে সেই পৰিয়ালৰ ভাতৰ আকাল নুগুছে। ইয়াৰ অৰ্থ হ'ল - ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ মাটি উত্তৰৰ পৰা দক্ষিণলৈ ক্ৰমে এঢলীয়া হৈ আহিছে। সেই কাৰণে বস্তীৰ মাৰবোৰ বস্তীৰ উত্তৰ ফালৰ ধান খেতিত নপৰে গৈ। তাৰ ফলত খেতি ভাল নহয় আৰু ভাতৰ আকাল নুগুছে।

<u>ঘৰৰ বস্তিৰ মাটি নিৰ্বাচন</u> ঃ প্ৰধানত ধানখেতিৰ বাবে উপযুক্ত স্থায়ী মাটি নিৰ্বাচন আৰু বন্দ বস্তি হোৱাৰ পিছতহে ঘৰ বস্তীৰ বাবে মাটি পচন্দ কৰে। ঘৰ বস্তীৰ কাষত গৰু গাইৰ চৰণীয়া পথাৰো খেতিয়ক পৰিয়ালৰ বাবে আৱশ্যকীয় সম্বলৰ ঠাই। সেয়ে খেতিয়ক সকলে সদায় স্থায়ী ধান খেতিৰ পথাৰ ঘৰৰ বস্তিৰ মাটি আৰু চৰণীয়া পথাৰ এই তিনিটাৰ সুবিধাকে প্ৰাধান্য দিয়া হয়।

এই আটাইবোৰ কাৰণ চাইচিতিহে শৰণীয়া সকলে তথা অসমীয়া পৰিয়ালে বস্তি পাতিবলৈ আৰম্ভ কৰে। বস্তি পতাৰ বাবে সুন্দৰ যোজনা আছে -

যোজনা -- পশ্চিমে বাঁহ, পূবে হাঁহ ।

উত্তৰে গুৱা, দক্ষিণে ধুৱা ।।

এই যোজনাৰ তাৎপৰ্য্য - ভৈয়ামৰ অসম প্ৰাকৃতিক ভৌগলিক অৱস্থাৰ ও পৰত নিৰ্ভৰশীল। পশ্চিম ফালৰ ধুমুহা বতাহ বৰ বেগী, সেই কাৰণে বস্তীৰ পশ্চিমে

বাঁহ ৰুই দিলে বাহে প্ৰবল ধুমুহা বতাহৰ কোবক বাধা দিব - যাৰ দ্বাৰা পৰিয়ালৰ ঘৰ দুৱাৰ ভাঙিছিঙি যোৱাৰ পৰা ৰক্ষা কৰিব। তদুপৰি বাঁহ অসমীয়া মানুহৰ আপুৰুগীয়া বস্তু। আমাৰ দুখীয়া খেতিয়ক পৰিয়ালত জীৱনৰ সকলো বস্তু, যেনে - কুলা, পাচি, খৰাহী, চালনী, ডলা, ভাড়খদা, চেপা, চহৰা, নাঙলৰ দীলা, জুংলী, কোদালৰ নাল, ঘৰৰ খুটা, কামি বেৰাৰ টঙাল, ছালৰ ৰুৱা, মাল্লী, চেওতী ঘৰৰ দাং, ষাঠি আদিৰ পৰা আৰম্ভ কৰি ৰন্ধা বঢ়া কামৰ খৰিৰ পৰা মৰাশৰ চাঙলৈ এশ এটা কামত বাঁহ অত্যাৱশ্যকীয়। সেই কাৰণে নিজকে নিৰাপদে ৰাখিবলৈ ঘৰৰ বস্তীৰ পশ্চিমে বাঁহ ৰুব লাগে।

**বস্তিৰ পূবে হাঁহৰ অৰ্থ** ঃ হাঁৰে সদায় পুখুৰীত চৰে। সেই কাৰণে বস্তিৰ পূবপিনে সদায় পুখুৰী থাকিব লাগে। নতুবা বিল নদী আদি থাকিব লাগে। এই হাঁহৰ পৰা আমি মাংস আৰু কণী পাও আৰু পুখুৰী, নদী বা বিলৰ পৰা আমি মাছ, কেকোঁৰা আদি পাওঁ। তাৰ ওপৰি প্ৰাকৃতিক গুণ পূবৰ বতাহ মৃদু, বিল পুখুৰী নদীৰ পাৰৰ পৰা বৈ অহা বতাহ সদায় স্বাস্থ্যকৰ।

**উত্তৰে গুৱাৰ অৰ্থ** ঃ বাঁহ আৰু হাঁহৰ দৰেই অসমীয়া জীৱনত তামোল পাণ বৰ আপুৰুগীয়া বস্তু। বিবাহে সবাহে মেলে মিটিঙে সকলো সময়তে তামোল-পাণ নহলে নহয়। অমসীয়া সমাজত গুৰুতৰ অপৰাধ কৰিলেও পাণ তামোল এজোৰ লৈ ৰাইজৰ আগত আঠুলৈ সেৱা কৰি সমাজৰ ওচৰত ক্ষমা মাগিলে সকলো দোষ ক্ষমা কৰি দিয়া হয়।

ইয়াৰ বাহিৰেও তামোল পাণেৰে ভৰা বস্তী এটাই এটা পৰিয়ালক আৰ্থিক ভাবে যথেষ্ট সহায় কৰে। সেই কাৰণে এই যোজনাই বস্তীৰ উত্তৰে তামোল-পাণ ৰোৱাৰ উপদেশ দিয়ে। বস্তিৰ উত্তৰে তামোলপাণ ৰোৱাৰ পৰা তামোল গছৰ ছা পৰিয়ালৰ ঘৰত বা চোতালত নপৰে। সচৰাচৰ তামোলগছত পাণৰোৱা হয়। সেই কাৰণে তামোল গছত পানৰ পাতেৰে সৈতে ছাঁ ঘন হয়।

**দক্ষিণে ধুবা** ঃ ঘৰৰ বস্তিৰ দক্ষিণে ধুবা বা মুকলি ঠাই। ঘৰৰ সন্মুখ মুকলি কৰি ৰখাতো পৰিবেশ আৰু স্বাস্থ্য ৰক্ষাৰ বাবে মুকলি ৰ'দ পোৱাৰ অৰ্থ প্ৰকাশ কৰিছে।

এই যোজনাই অসমীয়া জাতীয় জীৱনৰ স্থায়ী আৰ্থিক সংস্থান, পৰিয়ালৰ মানুহৰ স্বাস্থ্য ৰক্ষা তথা আত্মনিৰ্ভৰশীল হৈ বাসস্থান কৰাৰ উপদেশ দিয়ে।

**ধানখেতিৰ উৎপত্তিৰ সম্পৰ্কে কিংবদন্তী** ঃ ধানখেতি উৎপত্তি সম্পৰ্কে আমাৰ শৰণীয়া সমাজত তথা উত্তৰ পাৰৰ বড়ো ৰাভা আদি সমাজত এটি কিংবদন্তী

শুনা যায়। যেনে — সৃষ্টিৰ আদিতে মহাদেৱে মানুহ সৃষ্টি কৰিবৰ কাৰণে ইচ্ছা কৰিলে। মহাদেৱে পাৰ্ব্বতীক নোকোৱাকৈ বাসস্থানৰ পৰা কিছুদূৰত নিজৰ ইচ্ছামতে মাটিৰ সৃষ্টি কৰিলে। আৰু আহাৰৰ বাবে ধান শস্যৰ সৃষ্টি কৰিলে। তাৰ পিছত মহাদেৱে পাৰ্ব্বতীক কলে যে সি মানুহ সৃষ্টি কৰিছে আৰু মানুহৰ বাবে শস্যও সৃষ্টি কৰিছে। কিন্তু এতিয়া মানুহক প্ৰাণদিয়াৰ বাবে মই কৈলাশলৈ গৈ অমৰ প্ৰাণ আনো। এই বুলি মহাদেৱে কৈলাশলৈ গ'ল। যোৱাৰ সময়ত পাৰ্ব্বতীক খেতি পথাৰলৈ যাবলৈ বাধা দি গ'ল। কিন্তু পাৰ্ব্বতীয়ে মহাদেৱৰ কথা নুশুনিলে। মহাদেৱে খেতি কৰা ঠাইলৈ পাৰ্ব্বতীয়ে গ'ল আৰু দেখিলে যে মহাদেৱে সুন্দৰ খেতি কৰিছে। পাৰ্বতীয়ে মহাদেৱে মাটিৰে বনোৱা মানুহটোক কচুৰ পাতেৰে পানী খুৱাই দি জীৱন দান দিলে। সেই দিনাৰ পৰাই মানুহৰ সৃষ্টি হয় বুলি বিশ্বাস। আনপিনে পাৰ্বতীয়ে মহাদেৱে কৰা খেতিৰ যিপিনে চকু ফুৰাইছে সেই পিনেই শস্যবোৰ পুৰি (নজৰ লাগি) মৰহি গ'ল।

কেইদিনমানৰ পিছত মহাদেৱে কৈলাশৰ পৰা মানুহৰ বাবে অমৰ প্ৰাণ আনি খেতি পথাৰলৈ গৈ দেখে যে সকলো খেতি মৰহি গৈছে। সেই সকলোবোৰ কাম পাৰ্বতীৰ বুলি মহাদেৱে জানিলে আৰু পাৰ্বতীৰ ওচৰলৈ গৈ কলে । মই মানুহৰ বাবে অমৰ প্ৰাণ আনিবলৈ কৈলাশলৈ গৈছিলো। এই অমৰ প্ৰাণ দি মানুহক অমৰ কৰিব খুজিছিলো। কিন্তু তুমি কোনো কথা ভাবি চিন্তি নেচাই মানুহটোক কচুৰ পাতেৰে পানী খুৱাই প্ৰাণ দিয়া বাবে সি মৃত্যু মুখি হব।

তাৰ পিছত মহাদেৱে খং কৰি পাৰ্বতীক কলে - তুমি মোৰ কথা নুশুনি মোৰ কামত হাত দিয়া বাবে মই তোমাক অভিশাপ দিলো। "তোমালোক তিৰোতা মানুহ আজিৰ পৰা কোনো শস্যৰ খেতি চাব নোৱাৰিবা। চালেই শস্য ধ্বংশ হব। এই বুলি মহাদেৱে পাৰ্বতীক অভিশাপ দিলে। সেই কাৰণে আজিও কোনো তিৰোতাক পথাৰৰ শস্য চাবলৈ যাব দিয়া নহয়।

পিছত মহাদেৱে পাৰ্বতীৰ দ্বাৰা নজৰ লাগি ধ্বংশ হোৱা খেতিবোৰ নজৰ ভাঙি পুনৰ জীৱিত কৰিলে। তেতিয়াৰে পৰাই খেতিত মুখ লাগিলে মুখ ভঙাৰ নিয়ম সৃষ্টি হয়।

পাৰ্বতীৰ নজৰ লাগি ধ্বংশ হোৱা খেতিবোৰ মহাদেৱে পুনৰ জীৱন দিয়া বাবে ধানৰ নানা জাতি আৰু নানা বৰণৰ হয় বুলি এতিয়াও আমাৰ সমাজত বিশ্বাস আছে।

<u>হালৰ জোগাৰ</u> ঃ আমাৰ সমাজত কিংবদন্তী আছে যে যেতিয়া মহাদেৱে পোন প্ৰথমে শস্যৰ খেতি কৰে তেতিয়া বলধ গৰুৰে হাল বাইছিল। হাল বাওতে

যিবোৰ নাঙলৰ খাপ পৰি ওখ লৈ খাকিল সেই বোৰেই পাহাৰ পৰ্বত সৃষ্টি কৰিলে।

মহাদেৱে বলধ গৰুৰে হাল বাইছিল কাৰণে আমাৰ শৰণীয়া তথা কছাৰী সকলে দুটা বলধ গৰুৰে হাল বাই মাটি চহাই খেতি কৰে।

**খেতিৰ ধৰণ** ঃ সচাৰাচৰ আমাৰ সমাজত প্ৰধানকৈ দুই ধৰণৰ খেতি কৰা দেখা যায়। আহু আৰু শালি।

**আহুধান** ঃ আহুধানৰ খেতি মাঘমাহৰ পৰা আৰম্ভ কৰি শাওন মাহলৈ খেতি কৰা হয়। এই আহুধান তিনি প্ৰকাৰে কৰা হয়। ধূলা, আচৰা আৰু ৰোৱা।

**ধূলা** ঃ শুকান মাটি চহাই ধূলাত গুটি সিচি কৰা খেতিকে ধূলা খেতি বোলে।

**আচৰা** ঃ পথাৰত পানী হোৱাৰ পিছত পানীৰে মাটি চহাই বোকা কৰি গুটি সিচাকে আচৰা খেতি বোলে। এই প্ৰণালীত ধানৰ গুটি দুদিন পানীত তিয়াই থৈ গাজা ওলোৱাৰ পিছত সিচা হয়।

**ৰোৱা** ঃ আগেয়ে ধান গুটি এটা দবলত ঘনকৈ সিচিলৈ একফুটমান ডাঙৰ হবলৈ দিয়া হয়। ইয়াকে কঠিয়া বোলে। কঠিয়া এক ফুটমান ডাঙৰ হোৱাৰ পিছত পানীত হাল বাই মাটি বোকা কৰিলৈ কঠিয়া সৰু সৰুকৈ লৈ ৰুই দিয়া হয়। ইয়াকে গোজ বোলে। গোজবোৰ ৰোৱাৰ আগতে কঠিয়া তুলি লোৱা হয়। এই প্ৰণালীকে ৰোৱা বুলি কোৱা হয়। ৰোৱা বোৰে উপযুক্ত ভাবে পানী পাবৰ বাবে চাৰিওঁফালে সৰু সৰুকৈ আলি দি দোৱা কৰা হয়।

**শালিধান** ঃ শালিখেতি সাধাৰণতে শাওণ মাহত কৰা হয়। আঘোন মাহত পকে। শালিধান দুবিধ আছে। এবিধ আছে কাতি শালি। কাতি মাহত পকে কাৰণে কাতি শালি বোলে। আনবিধক আঘোন মাহত পকে কাৰণে আঘোন শালি বুলিও কয়।

শালিধান ৰোৱাৰ কাৰণে জেঠ আহাৰ মাহত কঠিয়া পৰা হয় আৰু আহাৰৰ শেষৰ পৰা ৰোৱাৰ কাম আৰম্ভ কৰে।

**বাওঁধানৰ খেতি** ঃ আহু আৰু শালি ধানৰ খেতি কৰাৰ ওপৰিও ঠাই বিশেষে বাওঁধানৰ খেতি কৰা দেখা যায়। সচৰাচৰ বাৰিষা পানীৰ বাবে যিবোৰ দ ঠাইত হাল বাব নোৱাৰি তেনেবোৰ ঠাইত বাওঁ ধানৰ খেতি কৰা হয়। ইয়াৰ উপৰিও দ ঠাইত আহুখেতি কৰিলে বাৰিষা বানপানীয়ে পকাধান মাৰি পেলায়। সেয়ে এনেবোৰ দ ঠাইত খৰালিতে হালবাই মাটি চহাই বাওঁধানৰ খেতি কৰা হয়। বাওঁধান যিমানে পানী বাঢ়ে সিমানেই গছ ওখ হয়। এই বাওঁধান কাতি মাহৰ শেষ বা আঘোন মাহৰ

প্ৰথম অৱস্থাতে পকে। কেকোৱা বাওঁধানৰ সম্পৰ্কে অসমীয়াত সুন্দৰ ফকৰা যোজনা আছে - যেনে -

"পানী তলৰ পানী কেকোৱা
কৰৈ যোৱা তুমি গিৰি কণা
ধাৰে ধুপাৰে খাবি তই
একে মাৰণতে সুজিম মই"।

এই যোজনা অসমৰ মানুহৰ মুখে মুখে।

শৰণীয়া কছাৰী সকলৰ ধানখেতিৰ প্ৰণালী সম্পৰ্কে সংক্ষেপে আলোচনা কৰা হ'ল। ইয়াৰ ওপৰিও আজি কালি আধুনিক বহুতো ধান খেতি কৰা দেখা যায়।

এতিয়া আমি খেতিৰ বতৰ সম্পৰ্কে আলোচনা কৰিম।

<u>খেতিৰ বতৰ গণনা</u> ঃ নতুন বছৰত খেতিৰ বতৰ কেনে হ'ব, সেই বিষয়ে শৰণীয়া কছাৰী সকলৰ মাজত "ডাকৰ বচন" প্ৰচলন দেখা যায়। যেনে – "আমে বা কঠালে ধান"।

ইয়াৰ অৰ্থ হ'ল যিটো বছৰত আমে বেছিকৈ মলিয়াই সেই বছৰ বানপানী হয়। আৰু যি বছৰ কঠালে বেছিকৈ মুচি পেলায় সেই বছৰত ধান খেতি বেছিকৈ হয়।

খনাৰ বচনৰ জৰিয়তেও বতৰ গণনাৰ বাবে অসমৰ খেতিয়ক সকলে সহায় লয়। খনাৰ বচন হল যেনে -

ধন্য ৰজাৰ পুণ্য দেশ,
যদি বৰ্ষে মাঘৰ শেষ
যদি বৰ্ষে ফাগুণে
আউস হবে দ্বিগুণে (আহুখেতি)
চৈত্ৰেখৰ, বৈশাখে বৃষ্টিৰ ঝৰ
হেৰ চাচাৰ পো, কমৰ চমৰ বান্ধিয়াপৰ।
দিনে ঝৰা, ৰাত্ৰিতে ফুৰে তাৰা,
তবেসে জানিবে শস্যশ্যামলা বসুন্ধৰা।
আষাৰে কুৱাসা ভাদ্ৰেৰ বান
নৰেৰ মুণ্ড গড়া গড়ি বান।
যদি বৰ্ষে আঘোণে, ৰাজা যাবে মগনে

যদি বর্ষে পুষে, শস্য যাবে তুশে।

যে মাসেৰ পাচ ৰবি

সে মাসে খৰায় যায় (খৰ)

এই খোনাৰ বচনে কোনমাহত বৰষুণ হলে খেতি ভাল হয়, কোন মাহত বৰষুণ দিলে দেশৰ ৰজাৰ কি অবস্থা হয় আৰু এক মাহত পাচ ৰবিবাৰ পৰিলে যে খৰ হয় তাকেই আমাক সুৱৰাই দিয়ে।

আমাৰ গাৱলীয়া সমাজত বছৰৰ বাৰ মাহৰ ভিতৰত কোন মাহত বৰষুণ হব আৰু কোন মাহত খৰ হব সেই বিষয়ে জনাৰ কাৰণে এটি সুন্দৰ পদ্ধতি আছে।

<u>পদ্ধতি হল</u> ঃ পুহ আৰু মাঘৰ সংক্ৰান্তিৰ দিনা আগন্তুক নতুন বছৰৰ বাৰ মাহৰ বাবে বাৰতা কচুৰ পাত কচুৰ গছতে টোপলা বান্ধি প্ৰত্যেক কচুপাতত একোতা মাহৰ নাম দি চিন ৰাখি থোৱা হয়। পিছদিনা ৰাতিপুৱা অৰ্থাৎ মাঘ বিহুৰ প্ৰথম দিনা সেই টোপোলা বিলাক মেলি চাই কচুৰ পাতৰ টো পোলাৰ ভিতৰত পানী সোমাই থাকে। কচুৰ পাতৰ টোপোলাৰ ভিতৰত জমা হোৱা পানীৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰি প্ৰত্যেক মাহৰ বৰষুণৰ পৰিমাণ ঠাৱৰ কৰা হয়। যি মাহৰ নামত পানী মুঠেই জমা হোৱা নাই সেই মাহত খৰ হব বুলি ধৰি লোৱা হয়।

এই দৰে আমাৰ গাৱলীয়া সমাজত খেতিৰ বতৰৰ গণনা বা আগজাননী নিৰ্ণয় কৰে।

<u>বৰষুণৰ গননা</u> ঃ বতৰৰ লগত সম্পৰ্ক ৰাখি বৰষুণ দিয়া বা নিদিয়া গণনা কৰা দেখা যায়। ডাকৰ বচন মতে শনিৰ সাত, মঙ্গলে তিনি তাৰ পৰ দিন দিন । শনিবাৰে বৰষুণ পৰা আৰম্ভ কৰিলে সাতদিন বৰষুণ হয় বুলি অনুমান কৰা হয়। ঠিক তেনেদৰে মঙ্গলবাৰে বৰষুণ পৰিলে তিনিদিন বৰষুণ হয় বুলি বিশ্বাস হয়।

মাহ, ঋতু আৰু উৎসবৰ লগতো বৰষুণ গণনা কৰে। জেঠ মাহত খৰ দিয়ে। এই খৰক জেঠুৱা খৰ বুলি কোৱা হয়। আমাৰ সমাজত বিশ্বাস আছে যে জেঠ মাহত একেলগে বাৰদিন বৰষুণ নিদিয়ে।

<u>আমতীৰ সাত</u> ঃ আহাৰ মাহৰ সাত তাৰিখৰ পৰা আমতী লাগে। লগে লগে আমতিৰ সাত লাগে আৰু নেৰা নেপেৰা বৰষুণ হয়। আহাৰ মাহৰ সাত তাৰিখৰ পৰা বিশ তাৰিখলৈ তেৰদিন একে লেঠাৰিয়ে বৰষুণ দিয়ে বুলি বিশ্বাস কৰে।

আহিন, কাতি মাহত দুৰ্গা পূজাৰ সময়তো বৰষুণ হয় বুলি বিশ্বাস আছে।

দুপৰীয়া সূৰ্য্যৰ চাৰিওফালে গোলাকাৰকৈ মণ্ডল পটা দেখিলে অলপ দিনৰ

ভিতৰতে বৰষুণ হ'ব বুলি ধৰি লোৱা হয়।

দুপৰীয়াৰ পিছত আকাশত চপৰা চপৰি মেঘ উঠিলে বৰষুণৰ সাত লাগে। কিন্তু সূৰ্য্য অস্ত যোৱাৰ সময়ত সৰু সৰু মেঘৰ চকা আকাশৰ বহু উপৰলৈ উঠিলে খৰ হয় বুলি গণনা কৰা দেখা যায়।

হিমালয় পৰ্বতৰ পৰা চিলনীবোৰ ভয়ামলৈ নামি আহে আৰু নদীৰ সিহুবোৰ যদি উজাই যায় তেতিয়া বানপানী হয় বুলি বিশ্বাস।

এইদৰে আমাৰ সমাজত গছ-গছনি ফলমূলৰ পৰা কছুৰ পাতৰ পানীৰ পৰা আৰম্ভ কৰি কীট পতঙ্গ জীৱ জন্তুৰ লগত সম্পৰ্ক ৰাখি বতৰৰ আগ জাননী গণনা কৰা হয়।

<u>ধানখেতি সম্পৰ্কে মানিচলা লোক বিশ্বাস</u>ঃ

(১) নতুন বছৰৰ ধানখেতিৰ বাবে হাল যাত্ৰা কৰোতে আঘোন মাহতে হাল যাত্ৰা কৰে। পুহ মাহত হাল যাত্ৰা কৰিব নেপায় বুলি বিশ্বাস। সেয়ে আঘোন মাহত হাল যাত্ৰা নকৰিলে মাঘ মাহত হাল যাত্ৰা কৰে।

(২) আহুধানৰ গোছা মঙ্গলবাৰ আৰু শনিবাৰে লোৱা হয়। আনহাতে শালিধানৰ গোছা শনিবাৰ আৰু মঙ্গলবাৰৰ বাহিৰে অন্যবাৰত লোৱা হয়।

(৩) গোছা লোৱাৰ দিনা পথাৰত গোছা লোৱা দবলৰ পূব কোণৰ আলিৰ ওপৰত এডাল তুলসীৰ গছ পুতি লৈ কলপাতৰ আগলি ঠটা পাৰি তাৰ ওপৰত এটা মাটিৰ চাকিত তেল শলিতা দি চাকি জ্বলাই কলপাতৰ ওপৰত পানীতামোল এজোৰ আলা চাউল তুলসীৰ পাত দি ঠগী দিয়া হয়। তাৰ পিছত গৃহস্থৰ এজন মানুহে অন্য ৰোৱনীয়ে গোজ দিয়াৰ আগেয়ে বাওঁ হাতেৰে গোজ দি ৰুবলৈ আৰম্ভ কৰে। সেইদিনা গৃহস্থৰ ঘৰত আনন্দ উৎসবৰ দিন। ইয়াকে গোছা লোৱা উৎসব বুলিও কোৱা হয়। দিনটো ৰুব্বাৰ শেষত আহিবৰ সময়ত সকলোৱে পথাৰত বোকা খেলে। ইজনী ৰোৱনীয়ে সিজনী ৰোৱনীক বোকা সানি দি ৰং ধেমালি কৰে। সেইদিনা ৰুৱনীহতে ঘৰলৈ আহোতেও পথাৰত পানী খোৱা কলহত বোকা ভৰাই ঘৰলৈ লৈ আহে। সেই বোকা ঘৰৰ বেৰত আৰু ভাৰ্খৰী ঘৰতো লগাই মুচি দিয়ে। পিছত ঘৰত থকা সকলো লোককে বোকা সানি দিয়ে। ইয়াৰ পিছত সকলো ৰোৱনীয়ে গা-পা ধুই চাফা হৈ আহি মাছ মাংসৰে খানা খায়।

(৪) বছৰৰ শেষত যিদিনা ধান ৰুৱা শেষ হয় সেই দিনা শৰণীয়া কছাৰী সকলে হাল উঠা বুলি কয়। সেই দিনা ৰুৱাৰ শেষৰ দবলৰ এটা কোণত চাৰিও ফালে

কঠিয়া ৰুই মাজত খালি ঠাই ৰাখি বছৰটোৰ বাবে ৰুবাৰ কাম শেষ কৰে। এইদৰে চাৰিও ফালে ৰুই মাজত খালী ঠাই ৰখাকে লক্ষ্মী ৰখা বুলি কোৱা হয়।

(৫) পথাৰত হাল উঠাৰ পিছত তিৰোতা মানুহে পথাৰৰ ধান কেনে হৈছে বুলি চাব যোৱাতো নিষেধ। এই লোকবিশ্বাস মহাদেৱে প্ৰথম মানুহ সৃষ্টি কৰি কৈলাসলৈ মানুহৰ বাবে অমৰ প্ৰাণ আনিবলৈ যাওতে পাৰ্বতীয়ে মহাদেৱৰ খেতি চাবলৈ আহোতে গোটেই পথাৰখন জুই লাগি ধ্বংশ হৈছিল। তেতিয়াই মহাদেৱে অভিশাপ দিছিল যে কোনো তিৰোতাই শস্য দৰ্শণ কৰিলে শস্য ধ্বংশ হব বুলি। সেই দিন ধৰি কোনো তিৰোতাই শস্য দৰ্শন কৰিব নেপায় বুলি বিশ্বাস।

(৬) পথাৰত হালবাই থাকোতে যদি হালৰ জুংলি ভাঙি যায় বা হালৰ দীলা ভাঙি যায় তেতিয়া সেই জুংলি বা নাঙলৰ দীলা মাটিত চুচৰাই নি দূৰত পেলাব লাগে। সেইদিনা হালোৱ জনে লঘোন দিব লাগে।

(৭) বছৰৰ প্ৰথম ধান কটা আৰম্ভ কৰাৰ আগেয়ে পথাৰৰ পৰা ধানৰ আগ আনি ভৰালৰ দুৱাৰৰ সন্মুখত আৰি থোৱা নিয়ম। সেইদিনা গৃহস্থৰ এজনে ৰাতিপুৱাই গা পা ধুই ভাখৰীৰ সন্মুখত এখন ঠগী দিয়ে আৰু খৰাহী এটাত পাণতামোল আগলি কলপাত পাৰি কাচি এখন লৈ পথাৰলৈ গৈ পূবপিনে মুখ কৰি একে উশাহতে তিনিগজ ধান কাতি খৰাহীত ভৰাই লৈ আহে। ইয়াকে ধানৰ আগ অনা বুলি কোৱা হয়। ধানৰ আগ আনোতে কোনো মানুহক মাত দিব নেপায়। বাটত কাৰোবাক মাত দিলে লক্ষী গুছি যায় আৰু গৃহস্থৰ বছৰটোৰ বাবে খাব নোজুৰে বুলি বিশ্বাস।

(৮) বছৰটোৰ ধানকটাৰ শেষ হোৱাৰ দিনাও পথাৰত তিনিগজ ধান এৰি থৈ অহা হয়। ইয়াকে লক্ষ্মী এৰা বুলি কোৱা হয়। সেইদিনা যেতিয়া ধান কটা হয় তেতিয়া তিনি গজ ধান দবলৰ মাজতে একে লগ কৰি বান্ধি দিয়া হয়। তলৰ বনবোৰ চাফা কৰি পানীৰে মছি দি ধানকটা কাচিখন সেই ঠাইত থোৱা হয়। তাৰ পিছত কাচিখনক আগ কৰি লক্ষ্মী মাইক সেৱা কৰি বছৰটোৰ বাবে খেতিৰ কাম শেষ কৰে। ইয়াকে কাচি উঠা বুলিও কোৱা হয়।

(৯) নোৱা খোৱা : আঘোন মাহৰ 'ন' তাৰিখে বছৰৰ নতুন খেতিৰ নতুন ধানৰ নতুন চাউলৰ নখোৱা উৎসৱ পাতিব লাগে বুলি শৰণীয়া কছাৰী সকলে বিশ্বাস কৰে। এই বিশ্বাস আগত ৰাখিয়েই শৰণীয়া সকলে ৯ তাৰিখে 'নোৱা' খাব পৰাকৈ শালিধান আগতিয়াকৈ কাটে। পুৰণি কালত আঘো ন মাহৰ ৯ তাৰিখে শৰণীয়া সকলে গাওৰ সকলোৱে একে দিনাই 'নোৱা' খাইছিল। গাওত সেইদিনা উৎসৱ

মুখৰ পৰিবেশ হৈছিল। গাওঁৰ প্ৰতি ঘৰেই প্ৰতি ঘৰত গৈ এঘৰৰ পিছত আন ঘৰলৈ গৈ ন খোৱাৰ নিয়ম আছিল। আজি কালি সেই নিয়ম প্ৰায় উঠি গৈছে। আগেয়ে 'নোৱা' খাবলৈ মতাৰ নিয়ম নাছিল। সকলোৱে সকলোৰে ঘৰলৈ নোৱা খাবলৈ গৈছিল। আজি কালি নোৱা খাবলৈ মতাৰ নিয়ম হ'ল, মাতিলেহে খাব যায়।

নোৱা খোৱাৰ দিনা শৰণীয়া কছাৰী সকলে ঘৰত গোসানী পূজাপাতি হাঁহ বলি দি নোৱা খাইছিল। এই গোসানী পূজা সকলো দেৱ দেৱীক সন্তুষ্ট কৰাৰ উদ্দেশ্যে কৰা হয়। পৰিয়ালৰ লগতে ভাগী গোষ্ঠীৰ গয়া ৰাইজৰ সকলো প্ৰকাৰৰ মঙ্গলৰ বাবে এই পূজা কৰা হয়।

নোৱা খোৱাৰ দিনা ঘৰৰ ভাখৰীৰ সন্মুখত ঠগী দিয়া হয়। তাত নতুন চাউল দিয়া হয়। মাহ-প্ৰসাদ দিয়া হয়। ভাত খোৱাৰ আগেয়ে পূৰ্ব পুৰুষৰ প্ৰতি সন্মান জনাই বাৰীৰ পিছ পিনে পূৰ্ব পুৰুষক 'ন' ভাত আগ বঢ়োৱা হয়। তাৰ পিছত ভাঙৰী ধান এভাৰ নি গোহালী ঘৰত গৰুখ 'ন' ধান খাবলৈ দিয়া হয়। কিয়নো গৰুৱেই খেতিয়কৰ সৰ্বস্ব। গৰুক ধান দিয়া হোৱাৰ পিছত বাৰীৰ পিছ পিনে কুকুৰক এভাগ ভাত আগ বঢ়োৱা হয়। ইয়াৰ পিছতহে মানুহে নোৱা খায়।

<u>খোৱা বোৱাত আচাৰ ব্যৱহাৰ</u> ঃ

(১) মানুহে আহাৰ কৰাৰ সময়ত মুখৰ পৰা জিভা উলিয়াই তৰ্জ্জনী আঙুলি পোন কৰি আহাৰৰ বস্তু জিভাত পেলাই দি আহাৰ কৰিব নেপায়। তেনেকৈ আহাৰ কৰিলে লক্ষ্মী চাৰা হয় বুলি বিশ্বাস।

(২) আহাৰ খোৱাৰ সময়ত ঢেঁকী, বাঁহী বজাব আৰু শাল বব নেপায় বুলি বিশ্বাস। বজালে খাওতাৰ দাঁত সৰে।

(৩) ভাত খাই উঠি ভাতৰ পাতত হাতৰ ভৰ দি উঠিব নেপায়। এইদৰে উঠিলে লক্ষ্মী চাৰা হয়।

(৪) ভাত খাই উঠিয়েই বিছনাত দীঘল দি শুব নেপায়।

<u>খৰালি শস্য</u> ঃ শৰণীয়া সকল আৰ্থিক ভাবে বৰ পিছ পৰা। সেয়ে ধান খেতিৰ বাহিৰেও খৰালিও শস্য উৎপাদন কৰি আৰ্থিক অৱস্থা টনকিয়াল কৰা কাৰণে কিছু সংখ্যকক চেষ্টা কৰা দেখা যায়। কিন্তু শতকৰা ৮০ জনে অকল ধান খেতি কৰি বছৰৰ বেছি ভাগ সময় এনেয়ে বহি কটায়। অৰ্থাৎ শৰণীয়া সকলৰ শতকৰা ৮০ জনেই এলেহুৱা বুলি কলে ভুল নহয়।

শৰণীয়া সকলে ধান খেতিৰ বাহিৰেও খৰালিৰ খেতি বেহাৰ (সৰিয়হ), পতা

(মৰাপাট), আলু, মাঘা, তিচি, ধনীয়া, কলামাহ, মছুৰ, মাটিমাহ, পটল, গোমধান, গৰীয়া আলু, কবি, মূলা, লাই - লফা, পালেং ইত্যাদি কৰে।

খৰালি শস্যৰবীজ সদায় শনিবাৰ আৰু মঙ্গলবাৰে সিচিব লাগে বুলি বিশ্বাস। বেহাৰৰ খেতি কৰিলে আহিন আৰু কাতি মাহৰ অমাবস্যাৰ দিনা গুটি সিচিব লাগে। বেহাৰ ফুল ধৰাৰ সময়ত মোৱাই খায়। কিন্তু অমাবস্যাৰ দিনা বেহাৰ সিচিলে মোৱা পোকে নধৰে বা কোনো পোকে নধৰে বুলি বিশ্বাস।

<u>হালখতিৰ নিয়ম</u> ঃ শৰণীয়া খেতিয়ক সকলে বছৰৰ বিভিন্ন সময় তিথি পৰ্ব আদিত হালখতি মানি চলে। মাহটোৰ ভিতৰত হালখতি মানিচলা দিনকেইটা হল - কৃষ্ণ একাদশী, অমাবস্যা তিথি, শুক্লা একাদশী, পূৰ্ণীমা আৰু মাহৰ শেষৰ দোমাহী বা সংক্ৰান্তিৰ দিনা হালখতি কৰে। ইয়াৰ উপৰিও আহাৰ মাহৰ সাত দিনৰ দিনাৰ পৰা আমতিৰ সাঠ লাগে আৰু সেই দিনাৰ পৰা পাচ দিনলৈ আমতি নভঙা লৈকে হালখতি কৰে। দুৰ্গা পূজাৰ সময়ত ষষ্ঠীৰ পৰা দশমী পূজালৈ হালখতি কৰে। বহাগৰ দোমাহীত সাতদিন আৰু মাঘৰ দোমাহীত চাৰি দিন হালখতি কৰে। ইয়াৰ ওপৰিও বিভিন্ন পূজাৰ সময়ত হালখতি কৰে।

# চতুৰ্থ অধ্যায়

## সংস্কৃতি

সংস্কৃতি হল সমাজ এখন নিয়াৰিকৈ পৰিচালনা কৰোতে যি বোৰ প্ৰথা নিয়ম নীতি উৎসৱ পাৰ্বনৰ আদি আমি মানৱ সমাজে পালন কৰো বা মানি চলো সেয়ে সংস্কৃতি। এই সংস্কৃতি মানৱ জীৱনৰ আধাৰ। সেয়ে সমাজ বিজ্ঞানৰ ফালৰ পৰাও সংস্কৃতিক মানৱ সমাজৰ পৰম্পৰাগত অভ্যাস আৰু অভিজ্ঞতাৰ আধাৰ বুলি কোৱা হয়।

<u>সংস্কৃতি পৰম্পৰাগত অভ্যাস</u>

সংস্কৃতিক ভিত্তি কৰি সমাজে মানিচলা অভ্যাসবোৰক সমাজ তত্ত্ববিদ সকলে তলত দিয়া ধৰণে ভগাইছে। (ভবেন নাৰ্জী; বড়ো কছাৰী সমাজ আৰু সংস্কৃতি)

যেনে ঃ- (১) পৰিবেশৰ লগত খাপ খোৱাৰ চেষ্টা।

(২) আৰ্থিক অভ্যাস ।

(৩) যাতায়তৰ অভ্যাস ।

(৪) সামাজিক সংগঠনৰ অভ্যাস ।

(৫) সামাজিক নিয়ন্ত্ৰণৰ অভ্যাস ।

শয়ন, ভোজন, চলন ফুৰণ, জন্ম, বিবাহ, মৃত্যু, জীবিকাৰ ব্যৱসায়, সাজপাৰ,উৎসব পাৰ্ব্বন আদি সকলোতে মানুহে পৰম্পৰাগত নীতি নিয়ম মানি চলি আহিছে।

এজন নাট্য শিল্পীয়ে বিভিন্ন মঞ্চত বিভিন্ন ভাওত নানা ৰূপ ধৰি ভাওনা দেখুৱাৰ দৰে এজন মানুহেও তেওঁৰ সাংসাৰিক জীৱনত জন্মৰ পৰা মৃত্যুলৈকে তেওঁ জীয়াই থকা কালচোৱাত নানা সামাজিক আৰু ব্যক্তিগত অনুষ্ঠানত জৰিত হৈ সেই অনুষ্ঠানবোৰত পূৰণ কৰি যাবলগীয়া হয়।

অৰ্থাৎ সংস্কৃতিয়ে সমাজৰ নাইবা ব্যক্তিগত মানুহৰ কৰ্ত্তব্যৰ কোনো এটা বিষয়কে বুজোৱা নাই। মানুহৰ জন্মৰ পৰা মৃত্যুলৈ জীয়াই থকাৰ দিনত তেওঁৰ সাংসাৰিক জীৱনত সমাজত আচাৰ ব্যৱহাৰ পালন কৰি চলিযোৱা আৰু ব্যক্তিয়ে সেই নীতিজ্ঞানৰ মাজেদি সম্পাদন কৰাতোকে সংস্কৃতিয়ে সামৰি লৈছে।

সমাজবিদ সকলৰ মতে কোনো এখন সমাজৰ পৰিচয় পাবলৈ হলে, সেই

সমাজৰ মানুহৰ মাজত আত্মচেতনা, সাধাৰণ থকা ঠাই, ধৰ্ম্মৰ বৈশিষ্ট্য জীৱিকাৰ উপায় আৰু সমাজৰ জীৱনী শক্তি বজাই ৰাখিব পৰা সংস্কৃতি থাকিব লাগিব।

এতিয়া শৰণীয়া সমাজত পৰম্পৰাগত ভাবে চলি অহা আচাৰ ব্যৱহাৰ জন্ম বিবাহ মৃত্যুৰ ৰীতি নীতি বিষয়ে আলোচনা কৰোহক।

প্ৰথমে আমি বিবাহ উৎসব সম্পৰ্কে আলোচনা কৰোহক।

## বিবাহ

বিবাহ মানৱ জীৱনৰ এটা অতি প্ৰাণোময় উৎসৱ। বিবাহ মানৱ জাতিৰ সামাজিক প্ৰথা। বিবাহ মানৱ জীৱনৰ গুৰুত্বপূৰ্ণ অভিজ্ঞতা। শৰণীয়া সমাজতো বিবাহ অনুষ্ঠান অতি নিষ্ঠা আৰু উলহ মালহেৰে পালন কৰা হয়। এই বিবাহ প্ৰথাৰ দ্বাৰাই অইন অচিনাকি নতুন পৰিয়ালৰ লগত সম্বন্ধ কৰি দুয়োটা পৰিয়ালৰ সৈতে সম্বন্ধ কৰি দুয়োটা পৰিয়ালৰ মাজত আপোন ভাব সৃষ্টি কৰে। যাৰ ফলত দুয়োটা পৰিয়ালৰ লগতে দুখন সমাজৰো সুদৃঢ় গাঠনি সৃষ্টি কৰে। বিবাহ মানব সমাজৰ শান্তি আৰু শৃঙ্খলাৰ অৰ্থে কল্যান মূলক নীতি বিধান। বিবাহ স্ত্ৰী পুৰুষ মিলনৰ আনন্দদায়ক প্ৰথা মাত্ৰ নহয়। ই অকলশৰীয়া জীৱনক এটা সামাজিক বৃহৎ পৰিয়ালত পৰিণত কৰে। বিবাহৰ দিনৰ পৰাই স্বামীয়ে স্ত্ৰীৰ ওপৰত সুখ, শান্তি, আৰ্থিক সংস্থানৰ ওপৰত নজৰ ৰাখি পূৰ্ণ দায়িত্ব গ্ৰহণ কৰে। লগতে স্ত্ৰীয়ো স্বামীৰ ওপৰত সকলো সুখৰ দায়িত্ব গ্ৰহণ কৰে। বিয়াৰ পিছত স্বামী স্ত্ৰী দুয়ো দুয়োৰে ওপৰত দায়িত্ব লোৱাৰ পিছত সামাজিক নীতি নিয়মবোৰ পালন কৰি চলিব লগীয়া হয়।পৰিয়ালৰ দায়িত্বৰ লগতে সামাজিক দায়িত্বও বিবাহিত পৰিয়ালে পালন কৰি চলিব লগীয়া হোৱা বাবে মানুহ সামাজিক হবলৈ বাধ্য হয়।

পণ্ডিত সকলে মানৱ জাতিৰ বিবাহ ব্যৱস্থাক দুই ভাগত ভাগ কৰিছে। এটা মাতৃ প্ৰধান আৰু আনটো পিতৃ প্ৰধান বিবাহ। আমাৰ দেশত এই দুই প্ৰকাৰ বিবাহেই প্ৰচলিত।

পিতৃ প্ৰধান বিবাহত পিতৃ ঘৰৰ অভিভাৱক। সেয়ে এই বিবাহত ল'ৰাই ছোৱালীক বিবাহ কৰাই লৈ আহে। মাতৃ প্ৰধান বিবাহত মাতৃয়েই হৈছে ঘৰৰ অভিভাৱক। সেয়ে মাতৃ প্ৰধান সমাজত ছোৱালীয়ে ল'ৰাক বিবাহ কৰি নিয়ে।

আৰ্য্য আৰু দ্ৰাবিড় সকলৰ মাজত পিতৃ প্ৰধান বিবাহ দেখা যায়। বৰ্ত্তমান মেঘালয়ত খাছীয়া সকলৰ মাজত মাতৃ প্ৰধান বিবাহ দেখা যায়।

আমাৰ শৰণীয়া সমাজত পিতৃ প্ৰধান বিবাহ কৰি ঘৰলৈ যায়। অৰ্থাৎ ল'ৰাই

ছোৱালীক বিবাহ কৰি ঘৰলৈ অনাৰ নিয়ম।

জন্ম, বিবাহ আৰু মৃত্যু এই তিনিওটাত মানুহৰ হাত নাই বুলি মানুহে বিশ্বাস কৰে। বিধাতাই কপালত যাৰ লগত বিবাহ লিখি থৈছে তাৰ লগত হে বিবাহ হয় বুলি বিশ্বাস। সেয়েহে এতিয়াও বুঢ়া-বুঢ়ী সকলৰ মুখত শুনা যায়——

কপালৰ লিখন
নাযায় খণ্ডন
ছাৱোছ কঠিয়া চন্দ্ৰাৱলী
দাতা বিধাতাই নিদিলা চাৰী
এক চালে নহয় ঘৰ
দুই চালেহে ঘৰ
লোকৰ বেটা লোকৰ বেটি মিলি
তেহে হয় ঘৰ
দাতা বিধাতাই তাকে দিয়ে বৰ।

শৰণীয়া সমাজত তথা অসমীয়া হিন্দু সমাজত প্ৰচলিত বিবাহ কেইবা প্ৰকাৰো দেখা যায়। তাৰ ভিতৰত (১) প্ৰজাপত্য (২) গন্ধৰ্ব বিবাহ (৩) ঘৰজোঁৱাই বিবাহ (৪) ছোৱালী গা জাছি হোৱা বিবাহ (৫) পলুৱাই নিয়া বিবাহ ।

উক্ত প্ৰকাৰৰ বিবাহৰ ভিতৰত প্ৰজাপত্য বিবাহেই শৰণীয়া সকলৰ মাজত প্ৰচলিত । বৈদিক প্ৰথামতে সম্পন্ন হোৱা বাবে এই বিবাহক প্ৰজাপত্য বিবাহ বুলি কোৱা হয়। এই প্ৰথামতে কৰা বিবাহ পদ্ধতি হিন্দু ধৰ্ম্মৰ সকলো গোষ্ঠীৰ মানুহৰ মাজতে কম বেছি পৰিমাণে একে ধৰণৰ প্ৰক্ৰিয়া দেখা যায়।

শৰণীয়া সমাজত তথা অসমীয়া সমাজত ঘৰ জোঁৱাই (কোনো কোনো অঞ্চলত ঢকা) ৰখাৰ নিয়ম আছিল। অৱশ্যে এতিয়াও থকা বুলি শুনা যায়। শৰণীয়া সমাজ পিতৃ প্ৰধান হলেও কোনোবা যদি অপুত্ৰক হয় তেতিয়া বংশ ৰক্ষাৰ বাবে তেওঁৰ একমাত্ৰ ছোৱালী জনীৰ বাবে ঘৰ জোঁৱাই ৰাখে। এই বিবাহত ঘৰজোঁৱাই জনেই ঘৰৰ সম্পত্তিৰ উত্তৰাধিকাৰী হয়।

ল'ৰাৰ যদি কোনো ছোৱালী পছন্দ হয় আৰু তাইক বিবাহ কৰাৰ বিচাৰে, ছোৱালীৰো বিয়াত বহাৰ সন্মতি আছে কিন্তু পিতৃ-মাতৃ বা অভিভাৱকে সন্মত নহয় তেতিয়া ল'ৰাই কেইজনমান লগৰীয়াৰে ছোৱালীজনীক পলুৱাই নি কৰা বিবাহকে পলুৱাই নিয়া বিবাহ বুলি কোৱা হয়।

বিবাহ উপযুক্ত ছোৱালীয়ে কোনো ল'ৰাক ভালপালে ছোৱালীয়ে নিজে গা জাছি সেই ল'ৰাজনৰ ঘৰত সোমাই হোৱা বিবাহকে গা-জাছা বিবাহ বুলি কোৱা হয়। এই বিবাহ আজি কালি দেখিবলৈ পোৱা নেযায়।

বিবাহ উপযুক্ত ডেকা গাভৰুৱে সমাজৰ আঁৰত নিয়ম ভাঙি যদি দেহ মিলন ঘটাই আৰু তাৰ ফলত যদি ছোৱালীজনীৰ সন্তান সম্ভবা হয় বা সন্তান জন্ম দিয়ে, তাৰ পিছত ল'ৰাই ছোৱালী জনীক ঘৰলৈ লৈ আহে। এই প্ৰথাৰে হোৱা বিবাহক গন্ধৰ্বৰ বিবাহ বোলে।

উক্ত বিবাহ প্ৰকাৰৰ ভিতৰৰ প্ৰজাপত্য বিবাহকেই শৰণীয়া সমাজত স্বীকৃত বিবাহ বুলি কোৱা হয় । বিবাহ সংক্ৰান্তত মধ্যস্থ ব্যক্তি এজন থাকে। এই মধ্যস্থ ব্যক্তিজনেই দুয়ো পক্ষৰ খবৰ বাতৰি সৰবৰাহ কৰে। বিভিন্ন সমাজত বিভিন্ন নামেৰে এই ব্যক্তি জনক নামাকৰণ কৰা দেখা যায়। যেনে -নাৰদ, ঘটক, কাত্তৰীয়া ভাটাইত ইত্যাদি ।

ব্ৰাহ্মণ সমাজৰ দৰে শৰণীয়া সমাজত বিয়াৰ পূৰ্বে দৰা কইনাৰ কোষ্ঠী আনি কন্যাৰ ৰাখি লগ্ন আদিৰ বাবে জ্যোতিষীৰ দ্বাৰা গণনা কৰা নহয়। প্ৰথমে ল'ৰাই বা অভিভাৱকে ছোৱালী জনীক আগেয়ে পছন্দ হয় নে নহয় দুৰৈই পৰা অৰ্থাৎ ছোৱালী জনীৰ ঘৰত নোযোৱাকৈ অন্যৰ ঘৰত নতুবা কোনো বিবাহ বা পূজা পাৰ্বনত চাই লয়। এই কথা ছোৱালী বা ছোৱালীৰ অভিভাৱকে গম নেপায়। এই দৰে ছোৱালী পছন্দ হলে পিছত আনুষ্ঠানিক ভাবে ছোৱালী বা কন্যা চাবলৈ যোৱাৰ বাবে প্ৰস্তাৱ পথায়।

### <u>কইনা সুধিবলৈ যোৱাত যাত্ৰাকালীন শুভা-শুভৰ লোক বিশ্বাস</u> ঃ

কইনা সুধিবলৈ যাওতে বাটত মৰাশ নি থকা দেখিলে ভাল বুলি বিশ্বাস। কিন্তু মৰাশ শ্মশানত থৈ অহা দেখিলে অমঙ্গল বুলি বিশ্বাস কৰে।

কইনা সুধিবলৈ যাওতে বাটত অৰ্থাৎ যাত্ৰাৰ সময়ত মেকুৰীয়ে শব্দ কৰিলে অমঙ্গল বুলি বিশ্বাস কৰে। ফল দুগুৰী। যাত্ৰা পথত সাপে বাওঁপিনৰ পৰা সোঁপিনলৈ পাৰ হোৱা দেখিলে অমঙ্গল। নেওঁলে সোঁফালৰ পৰা বাওঁফাললৈ পাৰ হোৱা দেখিলে অমঙ্গল। ফল বিচ্ছেদ বুলি বিশ্বাস। যাত্ৰা কালত বাজী তিৰোতা বা দাড়ি-গোফ নথকা মানুহ দেখিলে অমঙ্গল বুলি বিশ্বাস।

কইনা সুধিবলৈ যোৱা মানুহবোৰৰ মাজত যদি কোনোবাই বাওঁভৰিৰে উজুতি খায় অমঙ্গল বুলি বিশ্বাস কৰে। কইনা সুধিবলৈ যোৱা মানুহে কইনাৰ ঘৰ পোৱাৰ

লগে লগে বাঁহ কাটি থকা দেখিলে, কোৰেৰে মাটি কাটি থকা দেখিলে অমঙ্গল বুলি বিশ্বাস কৰে। ইয়াৰ ফলত দৰা বা কইনাৰ মৃত্যু বুলি বিশ্বাস।

কইনাৰ ঘৰ পোৱাৰ মাত্ৰকে যদি কইনাজনী মাটিৰে ঘৰ মুচি থকা দেখে তেতিয়াও অমঙ্গল বুলি বিশ্বাস। কইনাৰ ঘৰত উপস্থিত হোৱা মাত্ৰকে যদি কইনাক ঘৰত ধান শুকাই থকা তাত শালত কাপোৰ বৈ থকা দেখিলে, তামোল, নাৰিকল বা কলগছৰ থোক খহি পৰিলে মঙ্গল বুলি বিশ্বাস কৰে। কইনাজনী লখিমী বুলি বিশ্বাস কৰে।

কইনাৰ ঘৰত উপস্থিত হোৱা মাত্ৰকে কইনাজনী বৰ ঘৰত সোমাই যাওতে যদি বাওঁভৰীৰ খোজ পিৰালীত প্ৰথমে পৰা দেখা যায় তেনে কইনা পতিব্ৰতা বুলি বিশ্বাস কৰে।

কইনাজনী যদি চোতাল সাৰি থকা বা মুৰৰ চুলি চুচা অবস্থাত দেখা পোৱা যায় তেনে কইনা দীৰ্ঘায়ু বুলি বিশ্বাস কৰে। ছোৱালীৰ জন্মগত চলন- ফুৰণ, অঙ্গচালনা আৰু অঙ্গ-প্ৰত্যঙ্গৰ ওপৰত নিৰ্ভৰ কৰিও বহুতে কইনাৰ স্বভাৱ চৰিত্ৰ নিৰ্ণয় কৰে।

যি ছোৱালী খোজ কাঢ়োতে বুকু উফন্দাই যায় আৰু খোজ দিয়াৰ সময়ত ভৰিৰ গোৰাৰ শব্দ কৰে সেই ছোৱালী দন্দুৰী বুলি বিশ্বাস কৰে।

যি ছোৱালীৰ বুকু ডাঙৰ কিন্তু বুকুতকৈ কটিদেশ (তপিনা) সৰু তেনে ছোৱালী চঞ্চলমতী।

শৰণীয়া কছাৰী যুৱক সকল বেছি ভাগেই ছোৱালী জনী নাক দীঘল, চকুৰ চেলাউৰী উজ্জ্বল, সৰু সৰু মিহি দাত, হাতৰ আঙুলিবোৰ মিহি, ঘন কলা দীঘল চুলি, প্ৰভাতি সূৰুযৰ প্ৰাণোময় ৰঙৰ ছোৱালী পাবলৈ বিচাৰে।

ছোৱালী বোৰেও সুন্দৰ স্বাস্থ্যৰ, ওখ, ককাল সৰু, ভৰিৰ কলা ফুল শকত আৰু সাহসী যুৱক পাবলৈ কামনা কৰে।

ল'ৰা-ছোৱালীৰ মাক পিতাক সকলেও উপৰত উল্লেখ কৰা ধৰণৰ ধুণীয়া বোৱাৰী আৰু ওপৰত উল্লেখ কৰা ধৰণৰ সুন্দৰ যুৱকক জোঁৱাই হিচাবে পাবলৈ বিচাৰে।

সেয়েহে শৰণীয়া সকলৰ মাক দেউতাক সকলে নিজৰ ল'ৰা-ছোৱালীক নিজৰ পচন্দ মতে বিবাহ পাশত আবদ্ধ হবলৈ আগৰ দিনত নিদিছিল। আৰু এতিয়াও দিয়া দেখা নেযায়। মাক দেউতাকৰ মতে ডেকা-গাভৰুৰ দৃষ্টি বা ভালপোৱা খন্তেকীয়া। মাক দেউতাকৰ মতে ডেকা গাভৰুৰ বিবাহৰ ভৱিষ্যতে তেওঁলোকৰ পৰিয়ালৰ ভৱিষ্যত

সুখৰ হওঁক, স্থায়ী হওঁক, যুগ্মজীৱন উদিত সূৰ্য্যৰ দৰে ৰঙীন হওঁক এয়ে কামনা।

অভিভাৱকে মানব সভ্যতা বিবাহৰ দ্বাৰা তেওঁলোকৰ মিলনৰ পিছত সিহঁতৰ পৰিয়ালৰ স্থায়ী সুখৰ দ্বাৰা গোটেই সমাজৰ সামাজিক নীতিজ্ঞান যাতে ৰক্ষা হয় আৰু এটা সুষ্ঠ পৰিয়াল গঢ়িব পাৰে তাৰ বাবে সদায় দৃষ্টি ৰাখে। গতিকে শৰণীয়া কছাৰী সকলৰ অভিভাৱক সকলৰ বিবাহৰ ক্ষেত্ৰত সদায় সজাগ।

কইনা পক্ষ আৰু দৰা পক্ষৰ অভিভাবক বিবাহৰ বাবে উভয় অভিভাৱকে সন্মতিৰ আদান প্ৰদান কৰাৰ পিছত ল'ৰা আৰু ছোৱালীয়ে দেখা দেখি হোৱাৰ নিয়ম। অৰ্থাৎ দৰা হ'ব লগা ল'ৰাজনে ছোৱালীজনীৰ ঘৰলৈ বিয়াৰ বন্দবস্ত হোৱাৰ আগেয়ে এবাৰ যাই ছোৱালী জনীৰ লগত এবাৰ দেখা হৈ কথা বতৰা হৈ অহাৰ নিয়ম আছে। এইদৰে ল'ৰাই ছোৱালীৰ ঘৰলৈ যোৱাৰ সময়ত যদি ছোৱালীৰ দৰা পছন্দ হয় তেতিয়া ছোৱালী জনীয়ে ল'ৰা জনক নিজে বোৱা ফুলাম গামোচা উপহাৰ দি সেৱাজনাই নিজৰ সন্মতিৰ ভাব প্ৰকাশ কৰে। আৰু যদি ছোৱালীৰ দৰা পচন্দ হোৱা নাই তেতিয়া ফুলাম গামোচাও নিদিয়ে আৰু সেৱাও নজনায়। এইদৰে ছোৱালীয়ে দৰা অপছন্দৰ ভাব প্ৰকাশ কৰে। তেতিয়া বিয়াৰ আদান প্ৰদান ইমানতে শেষ হয়।

<u>বিয়াৰ খাটিৰ ভাৰ</u> ঃ এইদৰে বিবাহিত জীৱনৰ সুখ শান্তি, আৰু সাফল্য অনাৰ বাবে সকলো বিষয় চালি জাৰি চোৱাৰ পিছত, তিথি বাৰ লগ্ন যোগ, নক্ষত্ৰ ৰাষি ইত্যাদি সকলো কথা দুয়ো পক্ষৰ মাজত চূড়ান্ত মিমাংসাৰ পিছত বিয়াৰ দিনবাৰ তাৰিখ ঠিক কৰাৰ কাৰণে দৰা ঘৰৰ পৰা কইনা ঘৰলৈ পাণ-তামোল, গাখীৰ-কলেৰে এখন ভাৰ নিয়া হয়। ইয়াকে খাতিৰ ভাৰ কয়।

<u>বিঁয়ে বন্ধা</u> ঃ বিয়াৰ দিন তাৰিখ স্থিৰ হোৱাৰ পিছত দুয়োপক্ষৰ দৰা আৰু কইনাৰ দেউতাকে সাবৰি দিয়া অনুষ্ঠান এটা পাতি বিঁয়ে বান্ধে। সেই অনুষ্ঠানৰ পৰাই দুয়ো অভিভাৱকে পুৰ্বৰ যদি কিবা সম্বন্ধ আছিল সেইবোৰ ওভতায়। এই সাবৰি দিয়া অনুষ্ঠান কইনা ঘৰৰ চোতালত দুয়োপক্ষৰ ৰাইজৰ সাক্ষাতত অনুষ্ঠিত কৰা হয়। এই সাবৰী দিয়া অনুষ্ঠান পাতোতে চোতালত তুলসীৰ তলত চাকি দিয়া হয় আৰু এখন ঠগী দিয়া হয়। তাৰ পিছত ঠগীৰ সন্মুখত দুয়োপক্ষৰ দেউতাক বহে আৰু অগ্নীক সাক্ষীকৰি দুয়ো দুয়োকো একোখন ফুলাম গামোচা গলত আগ বঢ়াই দি বিঁয়ে বুলি সম্বোধন কৰে। ইয়াৰ পিছত ৰাইজে তেওঁলোকক তুলসীৰ পানী চতিয়াই দি বিঁয়ে বন্ধা বুলি স্বীকৃতি দিয়ে। ইয়াৰ পিছত ৰাইজক চাহ পানী খুৱাই বিদায় দিয়ে। ইয়াতেই বিঁয়ে বন্ধা পৰ্বৰ সমাপ্ত হয়।

<u>ৰভা সজা</u> ঃ বিয়াৰ সকলো বন্দবস্ত হোৱাৰ পিছত দৰা আৰু কইনা দুয়ো পক্ষতে বিয়াৰ আগৰ দিনতে অৰ্থাৎ তেলৰ ভাৰ বা জোৰণৰ দিনা বিয়াৰ ৰভাৰ কাম সম্পূৰ্ণ কৰি তোলা হয়। ৰভা বিয়া ঘৰৰ চাৰিও ইফৰ ভিতৰত চোতালত সুন্দৰকৈ সজোৱা হয়। চোতালত চাৰিওকোণত চাৰিটা কল গছৰ দ্বাৰা ৰভা খুটা পোতা হয় আৰু উত্তৰ পিনে থকা দুডাল কলগছৰ মাজত এডাল বাহৰ খুটা পুতি ৰভাৰ খুটা বোৰত কাগজ মেৰিয়াই ফুল কাটি, ৰভা সুন্দৰকৈ সজাই তোলা হয়। ৰভাৰ পূবপিনে বিয়াৰ মণ্ডপ সজোৱা হয়। বিয়াৰ মণ্ডপত চাৰিটাকল পুলি প্ৰথমে পুতি লোৱা হয়। কলপুলি কেইটাত এৰা সুতাৰে মেৰিয়াই লোৱা হয়। ইয়াৰ পশ্চিম পিনে খোলা ৰখা হয়। এই কলপুলিৰ ওপৰত অন্য ৰঙীণ কাগজ বা অন্যান্য সামগ্ৰীৰে মণ্ডপ সজোৱা হয়। মণ্ডপৰ ভিতৰত এটি মাটিৰ চাকি জ্বলোৱা হয় । এখন শৰাইৰ ওপৰত এখন কীৰ্ত্তন পুথি এখন ফুলাম গামোচাৰে মেৰিয়াই থোৱা হয়।

আলহীৰ খোৱা লোৱাৰ বাবে বাৰীৰ অন্য পিনে ৰভা সজোৱা হয়।

<u>বিয়াৰ জোৰণ বা তেলৰ ভাৰ</u> ঃ বিয়াৰ নিৰ্দ্দিষ্ট দিনৰ আগৰ দিনা এটা আনুষ্ঠানিক অনুষ্ঠান থাকে। এই আনুষ্ঠানিক অনুষ্ঠানটোৱেই হল মূল বিয়াৰ শুভাৰম্ভ। এই অনুষ্ঠানটোৰ নাম হল 'তেলৰ ভাৰ' বা 'জোৰণ'। জুৰা শব্দৰ পৰাই জোৰণ শব্দৰ উৎপত্তি বুলি মানুহে কয়। তেলৰ ভাৰ দৰাৰ ঘৰৰ পৰা কইনাৰ ঘৰলৈ পঠোৱা হয়। তেলৰ ভাৰত কইনাৰ সেন্দুৰ, তেল, পাউদাৰ, গোন্ধ তেল, শাখা, আইনা, ফনী সোণৰ অলঙ্কাৰ পাতি, পোছাক পৰিচ্চদ, তামোলপাণ, ডাঙৰ মাছ এটা, দৈ এক টেকেলি, চিৰা একটেকেলি বা যাত্ৰা সান্দহ এক টেকেলি, মিঠাই বা চেনী এক টেকেলি আৰু কল দুই আখি। ভাৰখনত এফালে টেকেলি দুটা আৰু মাছটো আনফালে টেকেলি এটা আৰু কল দুই আখি দি এডাল বাহৰ টোকোনত টঙালেৰে বান্ধি ভাৰখন কৰা হয়। আনখন ভাৰত তামোল পাণ আৰু অন্যান্য সামগ্ৰী। টঙালেৰে ভাৰ বন্ধাৰো এটা নিয়ম আছে। ভাৰখনৰ মূল বান্ধটো খোলাৰ লগে লগে অন্য বান্ধ কেইটাও খোলা যায়।

ইয়াৰ ওপৰিও তেলৰ ভাৰত বিয়াৰ দিনা শুৱাগ জাবাৰ কাৰণে কইনা ঘৰলৈ পাচটা টেকেলি আৰু পাচটা চাকি পথাই দিয়ে। এই পাঁচতা টেকেলিত শুকটা বেহাৰ অলপ, কপাহ, কলপচলা অলপ আৰু একটাৰ চান খেৰৰ বাঢ়নী ভৰাই দিয়া হয়। এই টেকেলিত শুৱাগ জাবাৰ কাৰণে জহাচাউল দিয়া হয়। বেহাৰৰ লগত এটা কুৰিও শুৱাগ জাবাৰ কাৰণে দিয়া হয়। শুৱাগ জাবাৰ কাৰণে কুলাচালনী এজোৰ পথাই

দিয়াৰ নিয়ম।

জোৰণ বা তেলৰ ভাৰৰ সকলো বস্তু বা সামগ্ৰী জোগাৰ হোৱাৰ পিছত চোতালৰ ৰভাৰ তলিত মণ্ডপৰ সন্মুখত এগছি চাকি দৰাই দিয়ে আৰু সেৱা কৰে। জোৰণ বা তেলৰ ভাৰত যোৱা ৰাইজে হৰিধ্বনী কৰে আৰু যাত্ৰা আৰাম্ভ কৰি চোতালৰ পৰা পদূলিলৈ ওলাই যায়। পদূলিত দুডাল ডিলা থকা কলগছ তেলৰ ভাৰৰ দিনা আবেলি পোতা হয়। এই কলগছত তেলৰ ভাৰত যোৱা মানুহে এডাল বাটমালা দুডাল কল গছত বান্ধি আৰি দিয়ে। এই বাট মালাডাল উলুখেৰেৰে এডাল দীঘল জৰি বটে আৰু এই জৰি ডালত পাচটা বাট চাকি, পাচটা আমপাত, কপাহ আদি আৰি দিয়ে।

ইয়াৰ পিছত হৰিধ্বনি কৰি কইনা ঘৰলৈ যাত্ৰা আৰম্ভ কৰে। এই তেলৰ ভাৰত মূল ভাৰ লোৱা মানুহ জনেই তেলৰ ভাৰৰ কাম তথা বিবাহৰ কাৰ্য্য সমাধা নোহোৱালৈকে প্ৰধান ভাৰৰ কামবোৰৰ দায়িত্ব বহন কৰি সমাধা কৰি দিব লাগে।

প্ৰধান ভাৰ বহন কৰা মানুহজনৰ পিছতেই এই তেলৰ ভাৰত দুজনী আয়তীৰ ওপৰত প্ৰাধান্য দিয়া হয়। এই আয়তী দুজনীয়ে তেলৰ ভাৰৰ দায়িত্বৰ লগতে বিবাহৰো কইনাৰ সকলো কাৰ্য্য সমাধান কৰাৰ কাৰণে প্ৰাধান্য দিয়া হয়।

দৰাঘৰীয়াই কইনাৰ ঘৰগৈ পোৱাৰ লগে লগে পদূলিৰ মুখতে হৰিধ্বনি কৰে আৰু পদুলিৰ (গেট) বাটমালা আঁৰি দিয়ে। এই বাটমালা আৰি দিয়াৰ বাবে আবেলিতে পদূলিত দুডাল ডিলা থকা কলগছ পুতি থোৱা থাকে। ইয়াৰ পিছতে সকলোৱে কইনাৰ ৰভা তলিত গৈ মণ্ডপৰ সন্মুখত মূলভাৰখন থয়। তাৰ কাষত অন্যান্য ভাড় আৰু অন্যান্য সামগ্ৰী সমূহ থোৱা হয়।

তেলৰ ভাৰ বা জোৰণৰ সময়ত সমজুৱা আৰু প্ৰতিবেশী সকল গোট খায় আৰু জোৰণৰ সামগ্ৰী সমূহ লেখ আৰু চোৱাৰ বাবে অপেক্ষা কৰি থাকে। কইনা পক্ষৰ সমজুৱা ৰভাৰ তলিত উত্তৰে বহে আৰু দৰাপক্ষ দক্ষিণ পিনে বহে। আয়তি সকলে পশ্চিমে বহে আৰু জোৰণৰ গীত গায়।

"জোৰণ আহি পালে ঐ ৰাম
কইনাৰ মাক জোৰণ বৰি আনাহে ৰাম ।।"

কইনাৰ মাক দেউতাক বা অভিভাৱকে দৰা পক্ষৰ (জোৰণৰ) লোক কেইজনক আদৰ সাদৰ কৰি ৰভাৰ তলিত বহিব দিয়ে। সকলো জোৰণ যাত্ৰী ৰভাৰ তলিত বহাৰ পিছত দৰা পক্ষই এখন শৰাইত সুন্দৰকৈ পাণ তামোল সজাই কন্যা পক্ষৰ

ৰাইজলৈ দৰাৰ ভায়েক বা ককায়েকে মান ধৰে। তেতিয়া কইনা পক্ষৰ ৰাইজে এই মান গ্ৰহণ কৰে আৰু কেইপাতমান পাণ আৰু তাম্ৰোল শৰাইখনত দি দৰা পক্ষলৈ ঘুৰাই দিয়ে। ইয়াকে ৰাইজৰ মান বুলি কোৱা হয়। ইয়াৰ আগতে ভাৰৰ পৰা সকলো সামগ্ৰী খুলি ৰাইজৰ আগত সজায় লয়। সেয়ে আয়তি সকলে গায় —

ৰাম কৃষ্ণ আগৰখন ভাৰতে
ৰাম কৃষ্ণ কি কি আনিছা
হৰি মোৰ ঐ ৰাম
মুকলি চৰাতে থোৱা ।।
ৰাম কৃষ্ণ পাচৰখন ভাৰতে
ৰাম কৃষ্ণ কি কি আনিছা
হৰিমোৰ ঐ ৰাম
ৰাইজৰ আগতে থোৱা ।

ইয়াৰ পাচত কইনাক চোতাললৈ লৈ অহা হয় আৰু আয়তি সকলৰ আগত এখন ঢাৰীৰ ওপৰত কাপোৰ পাৰি দি তাতে বহিবলৈ দিয়ে। কইনা বহাৰ পিছত দৰা পক্ষৰ আয়তি সকলৰ এজনীয়ে গৈ কইনাক মূৰত তেল ঘহি দিয়ে আৰু মুখত পাউদাৰ আদি সানি দি সুন্দৰকৈ সজায়। তাৰ পিছত কাণত হাতত সোণ-ৰূপৰ অলঙ্কাৰ বোৰ পিন্ধাই দিয়ে। শেষত আয়তি সকলৰ এজনে শিৰত সেন্দুৰ লগাই দি কইনা সজাই দিয়ে। সেই সময়ত আয়তি সকলে গায়।

ওলাই আহা আই দেউ এ
দুবাৰ দলিৰ বাজ
দুবাৰ দলিৰ বাজ
বৰতে পিন্ধাব তোমাক
নকৰিবা লাজ, নকৰিবা লাজ"
ওলাই আহা আইদেউ এ
পদমতে ধৰি, পদমতে ধৰি
তোমালৈ বৈ আছে
অনেক সুন্দৰী, অনেক সুন্দৰী
ৰাম কৃষ্ণ বাৰীৰে কৰদে
ৰাম কৃষ্ণ ওলাই আহা বাধে

হৰিমোৰ ঐ ৰাম
তোমাক লগৰিয়াই মাতে ।।
ৰাম কৃষ্ণ তোমাৰ লগৰীয়া
ৰাম কৃষ্ণ জোনাকী পৰুৱা
হৰিমোৰ ঐ ৰাম
চোতাল ভৰি ভৰি আছে ।
মাৰাৰ অলঙ্কাৰ থোৱা আই তুমি
ঐ ৰাম দেউতাৰাৰ অলঙ্কাৰ থোৱাহে ।।
ৰামেদি পথাইচে বিচিত্ৰ অলংকাৰ
ঐ ৰাম্ লোৱা হাত জোৰ কৰিহে ।।
তুলিতে দলিছা বহিছে লতিকা
ঐ ৰাম শৰাই পাই মিলিছে ছলিহে ।।
দশ আঙুলিতে ৰত্ন জ্বলিছে
ঐ ৰাম নুপুৰে ধৰিছে তুলিহে ।।
বাৰীৰে পিছতে কজলা উৰহি
ঐ ৰাম পাতে তিৰি বিৰি কৰেহে ।।
আইৰে গালৈকে চাবকে নোৱাৰি
ঐ ৰাম হীৰা কি মকুতা জ্বলেহে ।।

জোৰণৰ গীতবোৰ ঠাই বিশেষে বেলেগ বেলেগ ধৰণে গায় –

মাথাটো চোচা আইতোক
কি চিকুণ দেখে আইতোক কি চিকুণ দেখে
অ আইতোৰ বগলীৰ বৰণ
মাথাটো চোচা আইতোৰ বিয়াৰ কাৰণ ।।
ফটাটো লৈচা আইতোক কি চিকুন দেখে
আই তোক কি চিকুন দেখে
অ আইতোৰ বগলীৰ বৰণ
কাপোৰ যোৰ পিন্‌ছা আইতোৰ বিয়াৰ কাৰণ ।।
কাপোৰযোৰ পিন্‌ছা, আইতোক কি চিকুন দেখে
আইতোক কি চিকুন দেখে

অ আইতোৰ বগলীৰ বৰণ
কাপোৰ যোৰ পিনছা আই তই বিয়ৰ কাৰণ ।।
ঠাই বিশেষে এনেদৰেও গায় —
মূৰতো চোচাওতে ঘামাইলা গা,
আয়াতোৰ ঘামাইলা গা
গাৰে জিলি মিলি সাৰুপা গা
আয়া তই লৈ থকা মলয়াৰ বা ।।
ফটাতো লওতে ঘামাইলা গা
আয়াতোৰ ঘামাইলা গা
গাৰে জিলি মিলি সাৰুপা গা
আয়া তই লৈ থকা মলয়া বা।
চোচাতো পিন্ধাওতে ঘামাইলা গা
আয়াতোৰ ঘামাইলা গা
গাবে জিলি মিলি সৰুপা গা
আয়া তই লৈ থকা মলয়াৰ বা ।।
মেখলাখন পিন্ধাওতে ঘামাইলা গা
আয়াতোৰ ঘামাইলা গা
গাৰে জিলিমিলি সাৰুপা গা
আয় তই লৈ থকা মলয়া বা ।।
চাদৰখন লওতে ঘামাইলা গা
আয়াতোৰ ঘামাইলা গা
গাৰে জিলি মিলি সাৰুপা গা
আয়াতই লৈ থকা মলয়াৰ বা ।।

এইদৰে বিভিন্ন ধৰণে তেলৰ ভাৰ বা জোৰণ দিয়াৰ সময়ত মাঙ্গলিক বিয়াৰ গীত আয়তি সকলে গাই থাকে আৰু কইনাক অলঙ্কাৰ পাতিবোৰ পিন্ধাই থাকে। বাকী থকাবোৰ কইনাক ঘৰৰ ভিতৰলৈ নি পিন্ধায় আৰু জোৰণ সামগ্ৰী সমূহো ঘৰৰ ভিতৰলৈ নিয়া হয়।

জোৰণ বা তেলৰ ভাৰৰ দিনৰ পৰাই কইনাই দৰা ঘৰৰ সামগ্ৰী সমূহ ব্যৱহাৰ কৰা নিয়ম। জোৰণ শেষ হোৱাৰ পিছত কইনাক চোতালৰ পৰা ঘৰৰ ভিতৰলৈ নিয়া

হয়। ইয়াৰ পিছতে আৰম্ভ হয় মান ধৰা পৰ্ব। পোনতে মান ধৰে কইনাৰ মোমায়েকক। শৰণীয়া সমাজত মোমায়েকৰ মানখনেই ডাঙৰ মান বুলি গণ্য কৰা হয়। দৰাৰ সৰু ভায়েকে সচৰাচৰ তামোল-পাণ কিছু পইচা আৰু বস্ত্ৰ এখন দি এখন শৰাইত সজাই লৈ সেৱা কৰি মোমায়েকক মান ধৰে। তাৰ পিছত মাক-দেউতাকক, তাৰ পিছত খুৰা-খুৰী আৰু ককায়েক সকলক ক্ৰমান্বয়ে উক্ত ধৰণে মান ধৰে। মানধৰাৰ শেষত দৰা পক্ষই কইনা পক্ষৰ ৰাইজক কিবা গাওৰ বান্ধ আছে নেকি বলি জানিব বিচাৰে আৰু যদি কিবা বান্ধ আছে লগে লগে সকলোবোৰ দিবলগীয়া বোৰ দি মুক্ত হয়। যাতে দিব লগীয়াবোৰ বিয়াৰ দিনা একো দিব লগীয়া নেথাকে। অৱশ্যে মানধৰা পৰ্বতো কিছুমান ঠাইত বিয়া সম্পূৰ্ণ হৈ যোবাৰ পিছতহে কৰে।

<u>অধিবাস আৰু পূজা</u> ঃ বিয়াৰ আগৰ দিনটো অধিবাস আৰু পূজা। অৱশ্যে কিছুমান ঠাইত বিয়াৰ দিনাই ৰাতিপুৱাৰ পৰাই এই নিয়ম মনা হয়। অধিবাস অনুষ্ঠানৰ যোগেদি দৰা কইনাক দৈহিক ভাবে পবিত্ৰ কৰাই সাত্তিক ভাবৰ মানসিকতা গঢ়ি তোলা হয়।

<u>পানী তোলা অনুষ্ঠান</u> ঃ অধিবাস সময়তে 'পানীতোলা' নামৰ এটা অনুষ্ঠান থাকে। বিয়াৰ দিনাই ৰাতিপুৱা সূৰ্য্য উদয়ৰ আগেয়ে শুদ্ধ আৰু আনুষ্ঠানিক ভাবে নৈৰ পৰা, নৈ ওচৰত নেথাকিলে পুখুৰীৰ পৰা নতুন ঘট নতুন কলহ আদিত পানী তুলি অনা হয়।

পানী তুলিবলৈ যো ৱাৰ সময়ত শৰণীয়া সমাজত আয়তী সকলে তলত উল্লেখ কৰা ধৰণে পানী তোলা জোগাৰ আৰু নিয়ম বোৰ পালন কৰা দেখা যায়।

পানী তুলিবলৈ যাওতে সাধাৰণতে তিনিখন কুলা ব্যৱহাৰ কৰে।

প্ৰথম কুলাখনত সহস্ৰবাতী, ইয়াত পাচটা চাকি জ্বলাই লোৱা হয়। প্ৰতিটো চাকিতে তিনিটাকৈ ফোট দিয়া হয়। তাৰ লগত তামোল-পাণ এজোৰ, শালীধানৰ শিৰ এটা আৰু পইচা এটা লোৱা হয়।

দ্বিতীয় কুলাত কপাহ, শুকুতা, বগৰী, শিলিখা কল পচলা আদি সকলো বস্তু নিৰ্দ্দিষ্ট পৰিমাণত লয়। ইয়াৰ লগতে পইচা আৰু খৰিকাৰ বাঢ়নি এপাত লোৱা হয়।

তৃতীয় কুলাখনত পপীয়া তামোল লোৱা হয়। পপিয়া তামোল হল প্ৰতিখন কটা তামোলক এখন কঠাল পাতেদি মেৰিয়াই বান্ধি পানী তোলা ঠাইলৈ লৈ যোৱা হয়। পানী তোলা হলে পানী তোলা নদীৰ পানীত কেইখনমান তামোল দলিয়াই দিয়া হয়। বাকী বোৰাখিনি পানীতোলা মহিলা সকলে পানী তুলি ঘুৰি আহোতে প্ৰতি

গৰাকীয়ে একোখনকৈ খাই আহে।

পানী তুলিবলৈ যাওতে পাচটা ঘট লাগে। এটা বৰ ঘট বা বৰ কলহ। বৰ ঘটং আমৰ ঠানি এটা আৰু এজোৰ পাণ-তামোল লাগে। বাকী সৰু চাৰিওটাত একোখনকৈ আমাৰ পাট লাগে। প্ৰতিটো ঘটত তিনিটাকৈ সেন্দুৰৰ ফোট দিয়া হয়।

যি গৰাকীয়ে পানী তুলিব যাব তাই তামোল পাণ এজোৰ ফুল কটাৰী এখন, শালিধানৰ শিৰ এটা আৰু পইচা এটা হাতত লৈ বৰ কলহটো হাতত লৈ নদীত পানী তুলিবলৈ যায়। পানী তোলাৰ আগেয়ে হাতৰ পাণ তামোলযোৰ আৰু পইচাটো জলক এৰি দিয়াৰ পিচত ফুল কটাৰিৰে পানীখিনি চাৰি ভাগ কৰি কাটি কলহত ভৰাই লৈ আহে। পানীখিনি চাৰিভাগ কৰি কটাৰ উদ্দেশ্য হল জলদেৱতাই চাৰিভাগৰ এভাগ পানী দিয়ে।

এই পানী অতি নিষ্ঠা সহকাৰে দৰা বা কইনাক গা ধোৱাৰ বাবে তোলা হয়। মহিলা সকলে জাক বান্ধি পানী তুলিবলৈ যায়। আয়তী সকলে গীতেৰে উৰুলীৰে অনুষ্ঠান মনোগ্ৰাহী কৰি তোলে। এই গীতবোৰ অঞ্চল ভেদে বেলেগ বেলেগ।

দে ঐ উৰুলী বজা ঐ মুৰুলী
ঐ ৰাম পানী তুলিবলৈ যাও হে।

এই দৰে উৰুলী দি পানী তুলিবলৈ যাত্ৰা কৰে। পানী তোলাত গোৱা গানবোৰ তলত দিয়া ধৰণে গায় —

(১)

গুৰুৰে আগতে বস্তি নজলে
কোন কুমাৰৰ চাকি
হাজইলা কুমাৰে চাকি গঢ়াই থৈছে
পদ্য পুখুৰীৰে মাটি ।।
পুবৰ দিগি কৰো প্ৰণাম পুবে ভানুমতি
গুৰুৰে আগতে বস্তি নজলে
কোন কুমাৰৰে চাকি
হাজইলা কুমাৰে চাকি গঢ়াই থৈছে
পদ্য পুখুৰীৰে মাটি ।
হৃদয়ত থাকি মাৰে দিয়া অনুমতি
গুৰুৰে আগতে বস্তি নজলে

কোন কুমাৰৰে চাকি
হাচাইলা কুমাৰে চাকি গঢ়াই থৈছে
পদ্য পুখুৰীৰে মাটি ।

(২)

চোতালতে গিদি মিদি, মৈজাত জ্বলে বাতি
বৰৰ বৌৱাক নিদাৰণী, পুৱাই নাহে ৰাতি ।।
প্ৰথমে প্ৰণামো ব্ৰহ্মা ৰূপি সনাতন
সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ ।
চোতালত গিদি মিদি মৈজাত জ্বলে বাতি
বৰৰ বৌৱাক নিদাৰণী, পুৱাই নাহে ৰাতি ।।
তযু নাভি কমলত ব্ৰহ্মা ভৈলা যাত
যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত ।
চোতালতে গিদি মিদি, মৈজাত জ্বলে বাতি
বৰৰ বৌৱাক নিদাৰণী, পুৱাই নাহে ৰাতি ।।

(৩)

হেৰ বৰৰ বৌৱাক তুমি যে পিন্ধি আহা শাৰী
বৰঘৰটো এৰি আহা তালা চাবি মাৰি।।
মৎসৰূপে অৱতাৰ ভৈলা প্ৰথমত
উদ্ধাৰিলা চাৰিবেদ প্ৰলয় জলত
হেৰ বৰৰ বৌৱেক তুমি যে পিন্ধি আহা শাৰী
বৰঘৰটো এৰি আহা তালা চাবি মাৰি ।।

(৪)

কাষতে কলষি মাথতে মালতি অ......
হাততে তুলসীৰ মালা
যমুনাকে যাবাক লাগি নকৰিবা হেলা ।।
কুৰ্ম্ম অৱতাৰ ভৈলা- ক্ষীৰ দধিতীৰে
লক্ষ্য প্ৰহৰৰ পথ জুৰাইলা শৰীৰে ।
কাষতে কলষি মাথাতে মালতি অ .........
হাততে তুলসীৰ মালা

যমুনাক যাবাক লাগি নকৰিবা হেলা ।।
দিব্য যজ্ঞ বৰাহ স্বৰূপ ভৈলা তুমি
নিজদন্ত অগ্ৰ উদ্ধাৰিলা ভূমি ।
কাষতে কলষি মাথাতে মালতি অ ......
হাতত তুলসীৰ মালা
যমুনাক যাবাক লাগি নকৰিবা হেলা ।।

(৫)

(পুৱাইলা ৰজনী উঠা যদুমনী য়ে)
হা ৰাম কৃষ্ণয়ে
ৰাতি পোহৰ হল ঐ ৰাম
দৈৱকী নন্দন কৃষ্ণয়ে) ২
ৰাতিতোলা পানী টুপি যে
হা ৰাম কৃষ্ণয়ে
কিয় আতিবই ৰাম
দৈৱকী নন্দন কৃষ্ণয়ে ।।
উঠা ডাঙৰ বৌ উঠা সৰুবৌ য়ে
হা ৰাম কৃষ্ণয়ে
পানী তুলিবলৈ যাও ৰাম
দৈবকী নন্দন কৃষ্ণয়ে ।।
বনৰে হৰিণী বনতে লুকাইব
হা ৰাম কৃষ্ণয়ে
পখি দশোদিশে হল ঐ ৰাম
দৈবকী নন্দন কৃষ্ণয়ে ।।
ৰাতি পুৱাইবো পখি পৰিবয়ে
হা ৰাম কৃষ্ণয়ে
জল যাব চুৰা ঐ ৰাম
দৈৱকী নন্দন কৃষ্ণয়ে ।।
টেকেলি আখাৰা টেকেলি পাখাৰা
হা ৰাম কৃষ্ণয়ে

কোন কুমাৰৰ গঢ় ঐ ৰাম
দৈবকী নন্দন কৃষ্ণয়ে ।।
বতুৱা কুমাৰে টেকেলি গঢ়াইছে
হা ৰাম কৃষ্ণয়ে
অ পদ্য পুখুৰীৰ মাটি ঐ ৰাম
দৈৱকী নন্দন কৃষ্ণয়ে ।।
চাকি আখাৰা চাকি পাখাৰা য়ে
হা ৰাম কৃষ্ণয়ে
কোন কুমাৰৰ গঢ় ঐ
দৈৱকী নন্দন কৃষ্ণ য়ে ।।
হাজাইলা কুমাৰে চাকি গঢ়াইছে
হা ৰাম কৃষ্ণ য়ে
পদ্য পুখুৰীৰ মাটি ঐ ৰাম
দৈৱকী নন্দন কৃষ্ণয়ে ।।

(৬)

হাতে চল চল ভৰি চল চল
চল ও ৰাম জানকীৰ বিয়া ঐ দ্বাৰগা
চলৰে মহাৰাজ
হাতে চল চল ভৰি চল চল —
এনেহেন দিনতে তামোলৰ হাহাকাৰ
কি চাই পাতিলি বিয়া ঐ দ্বাৰগা
চলৰে মহাৰাজ
হাতে চল চল ভৰি চল চল
চল ৰাম জানকীৰ বিয়া ও দ্বাৰগা
হাতে চল চল ভৰি চল চল ।
এনেহেন দিনতে পাণৰে হাহাকাৰ
কি বুলি পাতিলা বিয়া ঐ দ্বাৰগা
চলৰে মহাৰাজ
হাতে চল চল ভৰি চল চল

চল ৰাম জানকীৰ বিয়া ঐ দ্বাৰগা
চলৰে মহাৰাজ ...........

(৭)

বাৰি ঝুৰু বাৰি ঝুৰু
কি বাৰিত পালো এৰা
কি বাৰিত পালো এৰা
ঐ বৰৰ বৌৱাক ওলাই আছি
কি গাড়ী তানা পেৰা
চানা বাপু ঐ ।।
বাৰি ঝুৰু বাৰি ঝুৰু অ.........
কি বাৰিত পালো আদা
কি বাৰিত পালো আদা
আগৰ দাতো শলা
চানা বাপু ঐ ...... ..

(৮)

আলি খহো মহো ভূয়ৰ পকা দলি
অ কিয়ে আলিৰ খহো মহো ভূয়ৰ পকা দলি
অ সখি আমি যাও ধেমালী কৰিয়ে.......
অ সখিয়ে এইতো ৰাস্তা কোনে বান্ধি অ সখি বৰ কদাল পাৰিয়ে
অসখি আলিদি নাযাবা বালিয়ে বিন্ধিব
অ সখি পথাৰে নাযাবা কাটাৰে ।।
সখি যাও কতবেলি নাপাও হাত মেলি
অ সখি পদ্য পুখুৰীৰ মাটি য়ে
অ সখিয়ে দূৰৰে পুখুৰী দেখিলা ৰকনি
অ সখি বগুলা পৰিছে হালিয়ে ।।

(৯)

এপাহি গেন্ধে ফুল, দুপাহি তগৰ ফুল
তাৰ একপাহি বিবাহ চলিছে
বাপু তপেশ্বৰ বলি হৈ ৰাম ।

বাপু তপেশ্বৰ চোৱা বালি ৰাজা
ৰাস্তাই নধৰে বলা হৈ ৰাম ।।
এপাহি তগৰ ফুল, দুপাহি গেন্ধে ফুল
তাৰ এক পাহি বিবাহ চলিছে
বাপু তপেশ্বৰ বলি হৈ ৰাম ।
বাপু তপেশ্বৰ চোৱা বালি ৰাজা
ৰাস্তাই নধৰে বলা হৈ ৰাম ।।

(১০)

ইয়ো ঘাটে দলো দপো, সিয়ো ঘাতে পেক
কোন ঘাটে পানী তোলা হেৰ বৰৰ বৌৱেক।[২]
শুকমনি বোলন্ত অ-শুনা পৰিক্ষীত
সূৰ্য্যৰ পৰম ভক্ত সখা সত্ৰাজিত ।।
ইয়ো ঘাটে দলো দপো, সিয়ো ঘাটে পেক
কোন ঘাটে পানীতোলা হেৰ বৰৰ বৌৱেক।।
শুক হৈয়া সূৰ্য্য শ্যামল, ও কাক তাঙ্ক দিলা
সত্ৰাজিতে মহামুনিৰ কণ্ঠত পিন্ধাইলা।
ইয়োঘাটে দলো। দপো, সিয়ো ঘাটে পেক
কোন ঘাটে পানী তোলা হেৰ বৰৰ বৌয়েক।।

(১১)

ৰাম কৃষ্ণ ভাল মানুহৰ বেটী
ৰাম কৃষ্ণ জলে দিলা ভেটি
হৰি মোৰ ঐ ৰাম
লৈ যাও কলষি ভৰি ।।
ৰাম কৃষ্ণ যমুনাৰে জল
ৰাম কৃষ্ণ হৈ আছে নিৰ্ম্মল।
হৰি মোৰ ঐ ৰাম
দৈৱকী আহিব বুলি ।।
ৰাম কৃষ্ণ দৈৱকী সুন্দৰী
ৰাম কৃষ্ণ কিনো ভাগ্যৱতী

হৰি মোৰ ঐ ৰাম
কৃষ্ণক ধুৱাবা লাগি ।।
ৰাম কৃষ্ণ নাগৰে নাগিনী
ৰাম কৃষ্ণ জল এৰি দিয়া
হৰি মোৰ ঐ ৰাম
লৈ যাও বাটাৰী কাটি ।।
ৰাম কৃষ্ণ পানী তুলি ৰাধে
ৰাম কৃষ্ণ তলতি নাচাবা
হৰি মোৰ ঐ ৰাম
সাগৰে ধৰিব ঘেৰি ।।
ৰাম কৃষ্ণ ৰুই থৈ আহিলো।
ৰাম কৃষ্ণ দাবোৱা নাৰিকল
হৰি মোৰ ঐ ৰাম
তুলিলৈ আহিলো পানী ।।

( ১২ )

আহাৰে খতুৰাৰ তলে
পানী তুলি ঘৰক যাও ৰথৰে ওপৰে হে
পৃথিৱী তলবল কৰে ।
সূর্য্য যেন প্রকাশিয়া ধাহন্ত গৃহক
হৰিয়ে খতুৰাৰ তলে
পানী তুলি ঘৰক যাও ৰথৰে ওপৰে
পৃথিৱী তলবল কৰে ।।
ৰশ্মিয়ে তক্ষকপিড়ে দেখি প্রজাজাকে
হৰিয়ে খতুৰাৰ তলে
পানী তুলি ঘৰক যাও ৰথৰ ওপৰে পথিৱী তল বল কৰে ।।

(১৩)

কিয়ে পানী তুলি ৰাধে যাও কোন বাটে
দুই দাইলা ডালিমৰ মাজে
প্রভাত খেলন্ত পাখা প্রভু পিতাম্বৰে য়ে

পানী তোলা ৰাধে যাও কোন বাটে
দুই দাইলা ডালিমৰ মাজে।
আথে বেথে দেওজ্ঞান প্ৰজানিৰন্তৰে
পানী তোলা ৰাধে যাও কোণ বাতে
দুই দাইলা ডালিমৰ মাজে ।

(১৪)

ৰাম কৃষ্ণ আনছো গঙ্গাৰ জল
ৰাম কৃষ্ণ আনছো গয়া জল।
হৰি মোৰ ঐ ৰাম
আৰু জল আনিছো বাচি ।।
ৰাম কৃষ্ণ তামাৰে কলষি
ৰাম কৃষ্ণ বাপুহে মলষি
হৰি মোৰ ঐ ৰাম থবাগৈ আচল ঢাকি।।
ৰাম কৃষ্ণ চালত পানী দিবা
ৰাম কৃষ্ণ নিয়মকৈ সোমাবা
হৰি মোৰ ঐ ৰাম
মণ্ডল চাই টেকেলি থবা ।।
ৰাম কৃষ্ণ দুবাৰ মেল দুৱাৰী
ৰামকৃষ্ণ অঙ্গীৰাজ কোৱৰী
হৰিমোৰ ঐ ৰাম
দুৱাৰৰ ঘনুছ্ৰা জৰী ।।
ৰামকৃষ্ণ শিলৰ পাটা ধুৱা
ৰামকৃষ্ণ মেলা ৰজাৰ কোৱৰ
হৰি মোৰ ঐ ৰাম
টেকেলি ভিতৰে নিয়া ।।
ৰাম কৃষ্ণ আমৰে পাতৰে
ৰাম কৃষ্ণ থলা হৰি হৰি
হৰি মোৰ ঐ ৰাম
জামৰে পাতৰে থলা ।।

ৰাম কৃষ্ণ তেকেলিৰ
ৰাম কৃষ্ণ মুখ ঢাকি
হৰি মোৰ ঐ ৰাম
জোৰণ কাপোৰ দিয়া ।।

এই দৰে পানীতোলা পৰ্ব শেষ কৰে। আয়তি সকলে পানী তুলি আহি যিটো ঘৰত পানীৰ কলহ থব সেই ঘৰৰ দুৱাৰ ভিতৰৰ পৰা বন্ধ কৰি ৰাখে। আয়তি সকলে পাণ-তামোল এজোৰ দুৱাৰৰ ওপৰেৰে আগ বঢ়াই দিব। সেই সময়তে সেই ঘৰৰ চালত পানী ঢালি দিব। পাণ তামোল আগবঢ়াই দিয়াৰ পিছত দুৱাৰ খুলি দিব। তাৰ পিছত হে আয়তি সকলে টেকেলি ঘৰৰ ভিতৰত থয়। এই টেকেলি কেইটা জোৰণ কাপোৰেৰে মুখ ঢাকি থয়। এই সকলোবোৰ পানী তোলাৰ নিয়ম আয়তী সকলে বিয়াৰ গীতৰ মাজেৰে প্ৰকাৰ কৰে।

<u>গোহাই পূজা</u> ঃ বিয়াৰ দিনা বাসুদেৱক উদ্দেশ্যে থাপনা দিয়া হয় আৰু গোহাই পূজা কৰা হয়। গোহাই পূজা হল ৰভাৰ তলত চাৰিতা কলপুলি পুতি সেই কলপুলি কেইটা এৰা সুতাৰে বান্ধি দিয়া হয়। সন্মুখৰ পিনে খোলা ৰখা হয়। সুতাত আমৰ পাত আৰু কপাহ মাজে মাজে বান্ধি দিয়া হয়। ইয়াৰ মাজত শৰাই এখন তামোল-পাণ এযোৰ, পইচা এটা আৰু ইয়াৰ ওপৰত কীৰ্ত্তন পুথি এখন থোৱা হয়। থালত চাকি এগছি জ্বলোৱা হয়। কলপুলি চাৰিটা হল চাৰি সিদ্ধ। এই সময়ত পুৰোহিতে মণ্ডল পাতে আৰু পূজা আৰম্ভ কৰে। আয়তি সকলে বিয়াৰ নামৰ জৰিয়তে এই সকলো বোৰ চিত্ৰ দাঙি ধৰে।

আয়তি সকলে গায় ——

ব্ৰাহ্মণদেউ আহিছে মণ্ডল পাতিছে
পাতি ধৰমৰ খত
সীতাৰ পাতৰ খনী পিন্ধে যদুমণি
দেহা জ্বলে ফট ফট ।।
ব্ৰাহ্মণদেউ আহিছে ..........

পূবৰ দিগি কৰো প্ৰণাম
পূবে ভানু মতি
ব্ৰাহ্মণদেউ আহিছে মণ্ডল পাতিছে
পাতিছে ধৰমৰ খত

সীতাৰ পাতৰখনি পিন্ধে যদুমণি
দেহা জ্বলে ফট ফট ....... ।।
হৃদয়ত থাকি মাৰে দিয়া অনুমতি
ব্ৰাহ্মণদেউ আহিছে মণ্ডল পাতিছে
পাতিছে ধৰমৰ খত
সীতাৰ পাতৰ খনী পিন্ধে যদুমণি
দেহা জ্বলে ফট ফট ।।

(২)

আগৰখন কাঠিতে মলুৱা মালতি
পাছৰখন কাঠিতে নল
নালাগে নালাগে লগৰীয়াক চাবা
গোহাই পুজিবৰে হল ।।
প্ৰথমে প্ৰণাম ব্ৰহ্মাৰূপি সনাতন
আগৰখন কাঠিতে মলুৱা মালতি
পাছৰখন কাঠিতে নল
নালাগে নালাগে লগৰীয়াক চাবা
গোহাই পুজিবৰে হল।

(৩)

কলা কলা তুলসীৰে চাকলীয়া পাত
তগতুলী বহি বাপুই জলে দিলা হাত ।[২]
তযুনাভী কমলত ব্ৰহ্মা ভৈলা জাত
যুগে যুগে অবতাৰ ধৰা অসংখ্যাত ।
কলা কলা তুলসীৰে চাকলীয়া পাত
তগ তুলী বহি বাপুই জলে দিলা হাত ।।
মৎস্যৰূপে অবতাৰ ভৈলা প্ৰথমত
উদ্ধাৰিলা চাৰিবেদ প্ৰলয় জলত ।
কলা কলা তুলসীৰে চাকলীয়া পাত
ওগ তুলী বহি বাপুই জলে দিলা হাত ।।

(৪)

কিযে কলীয়া তুলসী ধৰা ভাল কৰি
ধান চাই মাৰিবা দলিয়ে । ২
কিয়ে কুৰ্ম্ম অৱতাৰ ভৈলা ক্ষীৰ দধী তিৰে
কিয়ে কলীয়া তুলসী ধৰা ভাল কৰি
ধান চাই মাৰিবা দলিয়ে ।।
লক্ষ্য প্ৰহৰৰ পথ জুৰিলা শৰীৰে।
কলিয়া তুলসী ধৰা ভাল কৰি
ধানচাই মাৰিবা দলিয়ে ।
কলা কলা তুলসীৰে বগা বগা ঠানি
আমাৰ বাপুই গোহাই পূজে
ফুলৰ বান্ধে আলি ।
কলা কলা তুলসীৰে বগা বগা ঠানি
আমাৰ বাপুই গোহাই পূজে
ফুলৰ বান্ধে আলি ।।
ক্ষেত্ৰিয়ক কাটিলে পৰশু কৰে ধৰী
নিক্ষেত্ৰিয় কৰিলে সমস্তে বসুন্ধৰী ।
কলা কলা তুলসীৰে বগা বগা ঠানি
আমাৰ বাপুই গোহাই পূজে
ফুলৰ বান্ধে আলি ।।
কৃষ্ণ গৈছে মথুৰাকে নাৰিকলৰ শাৰী
হৰি হৰি বিনন্দিয়া আমাক গৈলা এৰি
কলা কলা তুলসীৰে বগা বগা ঠানি
আমাৰ বাপুই গোহাই পূজে
ফুলৰ বান্ধে আলি ।।
কি ফুল খুজিছা ওৰে সক বাপু
কি ফুল খুজিছা গোহায়ো বাম । ২
দেউতাই আনি দিছে মলয়া মালতি
তাকে ফুল খুজিছে গোহায়ো বাম ।।

কি ফুল খুজিছা ওৰে সৰু বাপু
কি ফুল খুজিছা গোহায়ো ৰাম
ভাইটি আনি দিছে মলয়া তগৰফুল
তাকে ফুল খুজিছো গোহায়ো ৰাম ।।

(৭)

কি ফুলে গোহাই পূজে আজলি ভৰিয়ে
গেন্ধে ফুলে উঠি বোলে মই পূজা ভালে ।
কি ফুলে গোহাই পূজে আজলি ভৰিয়ায়ে
তুলসী দুমৰে উঠিবোলে মই পূজা ভালে য়ে ।।
কি ফুলে গোহাই পূজে আজলি ভৰিয়ায়ে
পিঠা দুবৰি উঠি বোলে মই পূজা ভাল য়ে ।।
কি ফুলে গোহাই পূজে আজলি ভৰিয়ে —

(৮)

(চাই মাৰাৰ তলে তলে সূৰুয ক্ৰান্তিৰ ফুল
আমাৰ বাপুই গোহাই পূজে নালাগে বামুণ)[২]
সত্যব্ৰত ৰজাক দেখাইলা নিজমায়া
নধৰিলা সমুদ্ৰে তোমাৰ মৎস্য কায়া নালাগে বামুণ ।।
(চাই মাৰাৰ তলে ..............)

(৯)

লতা আনা বাতি আনা সজাই আনা কাহি
সৰু বাপুক মাতি আনা গোহাই পূজক আহি)[২]
শুকমনী বোলন্ত শুনিয়ো পৰিক্ষীত
সূৰ্য্যৰ পৰম ভক্ত সখা সত্ৰাজিত ।
লতা আনা বাতি আনা সজাই আনা কাঁহি
সৰু বাপুক মাতি আনা গোহাই পূজক আহি ।।

(১০)

(কি ফুলে গোহাই পূজে আজলি ভৰিয়া য়ে
মোকে লাবে মোকে চাবে মোৰে গাঠে মালা য়ে)[২]
তুলসীয়ে উঠি বোলে মই পূজা ভালে

কি ফুলে গোহাই পূজে আজলি ভৰিয়া য়ে
মোকে লাৰে মোকে চাৰে মোৰে গাঠে মালায়ে ।।
চম্পাফুলে উঠিবোলে মই পূজা ভালে
কি ফুলে গোহাই পূজে আজলি ভৰিয়া য়ে
মোকে লাৰে মোকে চাৰে মোৰে গাঠে মালা য়ে ।।

(১১)

সুবৰ্ণৰে কাৰিকুৰা মানিকৰে পিৰা
সৰু বাপুই গোহাই পূজে আলচি ধৰিয়া । ২
শুকমণি বোলন্ত শুনিয়ো পৰিক্ষীত
সূৰ্য্যৰ পৰম ভক্ত সখা সত্ৰাজিত ।।
তুষ্ট হৈয়া সূৰ্য্যে শ্যামন্তক তাক দিলা
সত্ৰাজিতে মহামনি তাক পিন্ধাইলা ।।
সূবৰ্ণৰে কাৰিকুৰা মানিকৰে পিৰা
সৰু বাপুই গোহাই পূজে আলচি ধৰিয়া ।।

(১২)

কিয়ে মাথাই শিৰ ধৰি অ গোন্ধ তেল ধালি
উৰুলি জোকাৰ পাই য়ে
মাথাই শিৰধৰি অ গোন্ধ তেল ধালি
উৰুলি জোকাৰ পাই য়ে
কিয়ে ৰাত্ৰিয়েচোন কতপিৰে দেখন্ত যা যাকয়ে
মাথাই শিৰধৰি অ গোন্ধ তেল ধালি
উৰুলি জোকাৰ পাই য়ে ।

<u>বাসুদেৱৰ পূজা</u> ঃ গোহাই পূজাৰ পিছত বাসুদেৱক পূজা কৰে। বাসুদেৱক পূজা কৰা সময়ত উত্তৰ পিনে বাহ এডালত থেকৰ বাঢ়নী এডালত গোবৰে মুচি দিয়া হয়। তাত কড়ী এটা আৰু ফুল এটা লগাই দিয়া হয়। তলত মাটিৰ চাকী জ্বলাই ঠগী এখন দিয়ে। ঠগীত ঘটি এটাত পানী এঘটি আৰু ঘটিটোৰ মুখত ফুল তুলসী আদি দিয়ে। ঠগিৰ সোপিনে ব্ৰাহ্মণে যোল্ল ভাগ কৰি মণ্ডল পাতে আৰু প্ৰতিটো ভাগতে একোটাকৈ কণৰী দিয়ে। ইয়াকে যোল্ল ভাইগা ঠগি বুলিও কোৱা হয়। আয়তি সকলে তলত দিয়া ধৰণে পূজাৰ বিষয়ে গীত গায় –

(১)

(কিয়ে বাৰীৰে বগৰি অ পাৰি দিয়া হৰি
অ বাসুদেৱৰ পূজাক লাগে য়ে ।
যোল্ল ভাইগা ঠগি
অ ওপৰে বগৰি পূজে উত্তৰ মূৰা কৰিয়ে ) ²
কি য়ে পূবদিগি কৰে প্ৰণাম
পূৰে ভানুমতি
বাৰিৰে বগৰি পাৰি দিয়া হৰি
অ বাসুদেৱৰ পূজাক লাগেয়ে
যোল্ল ভাইগা ঠগি
অ উপৰে বগৰি পূজে উত্তৰ মূৰা কৰিয়ে।।
কিয়ে হৃদয়ত থাকি মাৰে দিয়া অনুমতি য়ে
বাৰিৰে বগৰী অ পাৰি দিয়া হৰি
অ বাসুদেৱৰ পূজাক লাগে য়ে
যোল্ল ভাইগা ঠগি
অ ওপৰে বগৰি পূজে উত্তৰ মূৰা কৰিয়ে।।

(২)

(বাপুথেৰ নঙলাতে ঢাকি পৰে টিয়া
বাসুদেৱক পূজা কৰে শিলখা বগৰি দিয়া।²
প্ৰথমে প্ৰণামো ব্ৰহ্মাৰূপি সনাতন
সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ
বাপুথেৰ নঙলাতে ঢাকি পৰে টিয়া
মৎস্যৰূপে অৱতাৰ ভৈলা প্ৰথমত
উদ্ধাৰিলা চাৰিবেদ প্ৰলয় জলত
বাপুথেৰ নঙলাতে ঢাকি পৰে টিয়া
বাসুদেৱক পূজা কৰে শিলখা বগৰি দিয়া।

<u>শ্ৰাদ্ধ</u> ঃ এইদৰে বাসুদেৱক পূজা কৰা হোৱাৰ পিছত দৰাই শ্ৰাদ্ধত বহে। শ্ৰাদ্ধৰ উদ্দেশ্য হল পূৰ্বৰ সাত পুৰুষৰ স্মৃতি আৰু তেওঁলোকৰ আত্মাৰ সদগতিৰ বাবে শান্তিৰ বাবে শ্ৰাদ্ধ তৰ্পন কৰা হয়। ব্ৰাহ্মণৰ দ্বাৰা এই শ্ৰাদ্ধ পশ্চিম মূৰাকৈ

চাৰিখন ঠগি পতা হয়। কলৰ চতিয়া পাৰি ঠগিৰ সন্মুখত চাৰিটা থালি পতা হয়। শ্ৰাদ্ধ কৰি থকা সময়ত আয়তি সকলে বিয়াৰ গীতৰ জৰিয়তে শ্ৰাদ্ধৰ কাৰ্য্যবোৰ বৰ্ণনা কৰি যায়। সেই গীতবোৰ তলত দিয়া ধৰণে গায় --

(১)

(বৰ নদীৰ মুখতে অ ৰঙি খাগৰা
দীমিলাৰ মুখতে বটা
আমাৰ সৰু বাপু অ: শ্ৰাদ্ধত বহিছে
চেলেঙে ঘুগুৰা গাঠা ) ২
তেখনে উঠিলা কৃষ্ণ ঘূমতিৰ জাগে
বৰনদীৰ মুখতে অ ৰাঙি খাগৰা
দীমিলাৰ মুখতে বটা
আমাৰ সৰু বাপু অ: শ্ৰাদ্ধত বহিছে
চেলেঙে ঘুঙৰা গাঠা ।।
আকৃতি ধৰিলা কৃষ্ণ স্তন খাবাক লাগি
বৰনদীৰ মুখতে অ ৰাঙি খাগৰা
দীমিলাৰ মুখতে বটা
আমাৰ সৰু বাপু অ:শ্ৰাদ্ধত বহিছে
চেলেঙে ঘুঙৰা গাঠা ।।

(২)

(হাজৰে খটখটি শিলৰ পাটাদলি
তাতে ৰাজ হংস চৰে
বাপুৰে গলতে গজ সিংহ কুটা
ৰদতে উতলি পৰে ) ২
আই বোলং বাই বলোং গোবালণ্ডি লোকে
হাজৰে খটখটি শিলৰ পাটাদলি
তাতে ৰাজহংস চৰে
বাপুৰে গলতে গজসিংহ কুটা
ৰদতে উতলি পৰে ।।

(৩)

(অকোৱা পকোৱা ৰঙিলি পকোৱা লুইতৰ বালিতে চৰে
আইতাকৰ দিনৰে সুবৰ্ণৰ খতুৱা
তাতে বহি শ্ৰাদ্ধ কৰে ) ২
ঘৰে ঘৰে গলো মই কৃষ্ণক বিচাৰি
অকুৱা পকুৱা ৰঙিলি পকোৱা
লুইতৰ বালিতে চৰে
আইতাকৰ দিনৰে সুবৰ্ণৰ খতুৱা
তাতে বহি শ্ৰাদ্ধ কৰে ।
কোনো ঠাই নেদেখিলো পুত্ৰ দামোদৰে
অকুৱা পকুৱা ৰঙিলি পকুৱা
লুইতৰ বালিতে চৰে ।
আইতাকৰ দিনৰে সুবৰ্ণৰ খটুৱা
তাতে বহি শ্ৰাদ্ধ কৰে ।।

(৪)

(এ হাতৰে আঙুলি লেহেৰা লিহিৰি
ভৰিৰে আঙুলি ঘন
কোন জনা ঈশ্বৰে তোমাকে স্ৰজিলে
চাই থাকিবৰে মন ) ২
বিচাৰিয়া ফুৰু মই গোপীৰ ঘৰে ঘৰে
হাতৰে আঙুলি লেহেৰা লিহিৰি
ভৰিৰে আঙুলি ঘন
কোন জন ঈশ্বৰে তোমাক স্ৰজিলে
চাই থাকিবৰে মন ।।

(৫)

(উঠাতে বহোতে ওঁ শ্ৰাদ্ধ কৰোতে
লাহৰি কঙ্কাল হালে
নালাগে উঠিব ও বহি শ্ৰাদ্ধ কৰা
হাতত বিথিনি পাই ) ২

বিচাৰিয়া সৰু বইনী কতে আছা বহী
উঠাতে বহোতে ওঁ শ্ৰাদ্ধ কৰোতে
লাহৰি ককাল হালে
নালাগে উঠিব ও বহি শ্ৰাদ্ধ কৰা
হাতত বিঘিনি পাই ।।
প্ৰকাশে যেন পূৰ্ণীমাৰ জোনে
উঠাতে বহোতে ওঁ শ্ৰাদ্ধ কৰোতে
লাহৰি ককাল হালে
নালাগে উঠিব ও বহি শ্ৰাদ্ধ কৰা
হাতত বিঘিনি পাই ।।

(৬)

(এহাতত বলৰামৰ কাঠৰ গামৰ খাৰু
গাঅত বলৰামৰ বালা
গলত বলৰামৰ প্ৰতাপৰ মাদুলী
শ্ৰাদ্ধত বহিবাৰ বেলা ) [২]
উঠা উঠা বাপু কৃষ্ণ ক্ষেত্ৰে পাইলেহে
হাতত বলৰামৰ কাঠৰ গামৰ খাৰু
গাঅত বলৰামৰ বালা
গলত বলৰামৰ প্ৰতাপৰ মাদুলী
শ্ৰাদ্ধত বহিবাৰ বেলা ।।
খাবাও আনি দিলো বগা ধানৰ চিৰা
হাতত বলৰামৰ কাঠৰ গাম খাৰু
গাঅত বলৰামৰ বালা
গালত বলৰামৰ প্ৰতাপৰ মাদুলি
শ্ৰাদ্ধত বহিবাৰ বেলা ।।

(৭)

আগৰ খন চোতালে মোচা নাই কাচানাই
পাচৰ খন চোতালে ধূলী
মাজৰখন চোতালে বাপুই শ্ৰাদ্ধত বহে

সেয়েহে বৈকুণ্ঠৰ ধূলি ।[২]

শুকমনি বোলন্ত শুনা পৰিক্ষীত
আগৰখন চোতালে মোচা নাই কাচানাই
পাচৰখন চোতালে ধূলী
মাজৰখন চোতালে বাপুই শ্ৰাদ্ধত বহে
সেয়েহে বৈকুণ্ঠৰ ধূলি ।।

তুষ্ট হৈয়া সূৰ্য্য শ্যামন্তক তাক দিলা
আগৰখন চোতালে মোচানাই কাচানাই
পাচৰখন চোতালে ধূলী
মাজৰখন চোতালে বাপুই শ্ৰাদ্ধত বহে
সেয়েহে বৈকুণ্ঠৰ ধূলি ।।

(৮)

(চাইমাৰাৰ ৰেণু ৰেণু ওলাই আছে ৰুৱা
তাৰে তলে শ্ৰাদ্ধত বহে
কাৰে সোণা মুৱা ।
সূৰ্য্য যেন প্ৰকাশিয়া আহন্ত গৃহক
ৰশ্মিয়ে চুই কতপিড়ে দেখি প্ৰজাজাক)[২]

অচন্ত আদিত্য বুলি মনত শংকিয়া
কৃষ্ণৰ কাষত সবে যাই লগৰীয়া
চাইমাৰাৰ ৰেণু ৰেণু ওলাই আছে ৰুৱা
তাৰতলে শ্ৰাদ্ধত বহে কৰে সোণা মুৱা ।।

(৯)

(ভোলানাথে গোহাইপূজে পশ্চিমমুৱা কৰিয়ে) চ
সবাততে খেলন্ত পাখা প্ৰভু পিতাঘৰে
ভোলানাথে গোহাই পূজে পশ্চিমমুৱা কৰিয়ে।।
আথে বেথে দেয় উজান প্ৰজা নিৰন্তৰে
ভোলানাথে গোহাই পূজে পশ্চিমমুৱা কৰিয়ে।।
প্ৰভু নাৰায়ণে শংখ চক্ৰ গদা ধৰয়ে
ভোলানাথে গোহাই পূজে পশ্চিমমুৱা কৰিয়ে।।

অৰবিন্দ লোচন গোবিন্দ দামোদৰয়ে
ভোলানাথে গোহাই পজে পশ্চিমমূৰা কৰিযে।।
কাগজতে লিখি ললা সাত পিড়িৰ নাম
সাতপিৰিৰ নামখিনি জলত কৰেদান ।
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম ।
ৰাম কৃষ্ণ নিৰঞ্জন শিব সনাতন ।।
কাগজতে লিখিললা সাতপিড়িৰ নাম
সাতপিড়িৰ নাম খিনি জলত কৰে দান
ৰাম নাৰায়ণ হৰি ৰাম নাৰাযণ
ৰাম কৃষ্ণ নিৰঞ্জন শিব সনাতন
কাগজতে লিখিললা সাতপিড়িৰ নাম
সাত পিডি নামখিনি জলত কৰে দান।

(১০)

চাৰিও ফালে চাত্তা থালি নকৰিবা ঘাটি
আকাশৰে দেবগণে কৰি আছে স্তুতি ।[২]
পূবদিগি কৰো প্ৰণাম পূৰে ভানুমতি
হৃদয়তে থাকি মাৰে দিয়া অনুমতি
চাৰিও ফালে চাত্তাথালি নকৰিবা ঘাটি
আকাশৰে দেবগণে কৰি আছে স্তুতি ।।
উত্তৰে কৰো প্ৰণাম মেৰুড় পাহাৰ
দক্ষিণতে কৰো প্ৰণাম অহয় আষাৰে
চাৰিওফালে চাত্তাথালি নকৰিবা ঘাটি
আকাশৰে দেবগণে কৰি আছে স্তুতি ।।
চাৰিওফালে চাত্তা থালি নকৰিবা কম
আকাশৰ দেবগণে কৰি আছে ৰণ ।[২]
কৃষ্ণ গিছি মথুৰাকে নাৰিকলৰ শাৰী
হৰি হৰি বিনন্দিয়া আমাক গৈলা এৰি ।
চাৰিও ফালে চাত্তাথালি নকৰিবা ঘাটি
আকাশৰে দেবগণে কৰি আছে স্তুতি ।।

অলে শুচি তলে শুচি অ শুচি বসুমতি
বামুণদেবে শুচিকৰে মন্ত্ৰ জুপি জুপি ।
পুৰাণ পুৰুষ তুমি অ সনাতন হৰি
যদুকুলে অৱতৰি আছা ছদ্ম ধৰি।
অলে শুচি তলে শুচি অ শুচি বসুমতি ।
বামুণদেৱে শুচি কৰে মন্ত্ৰজপি জপি ।।
তাতে সেয়া সন্ত পূজে অ দেখিতে তোমাক
বোলা হৰি হৰি উদ্ধাৰিওঁ আপোনাক
তলে শুচি জলে শুচি অসুচি বসুমতি
বামুণ দেৱে শুচি কৰে মন্ত্ৰ জুপি জুপি ।।

(১১)

(আলাচাউলে মুঠি মুঠি দধি মুহনিয়া কল
আঠু কাঢ়ি পিশু সানে দেৱতা সকল )[২]
ত্ৰৈলোক্যক আক্ৰমিলা চৰণৰ গতি
তযুপাদদকে গঙ্গা ভৈলা উৎপত্তি ।
আলাচাউলে মুঠি মুঠি দধি মুহনিয়া কল
আঠুকাঢ়ি পিশু সানে দেবতা সকল।
কিয়ে গোবিন্দৰে নাটি পিশু পেলা আটি
আগৰ পাত পেলাবে কাটি য়ে
গোবিন্দৰে নাটি পিশু পেলা আটি
আগৰ পাত পেলাবে কাটি
কিয়ে কৃষ্ণক দেখি পদ্মদেবে চিন্তিবা লাগিলা
কিয়ে গোবিন্দৰে নাটি পিশু পেলা আটি
আগৰ পাত পেলাবে কাটি ।।
কিয়ে এক কৌটি ৰাজা ৰজে মনত জাগিলা
কিয়ে গোবিন্দৰে নাটি পিশু পেলা আটি
আগৰ পাত পেলাবে কাটি ।।

(১২)

ঔ ফুল ফুটিছি ছয় পুত্ৰ জন্মিছিল

বাচাই পিণ্ডদিব আশা ঐ ৰাম ।
হেৰে আতি আবু পিণ্ড বঢ়াই থৈছি
হাতজোৰে কাৰি লোৱা ঐ ৰাম ।।
প্ৰথম প্ৰণাম ব্ৰহ্মাৰূপি সনাতন ঐ ৰাম
ঔ ফুল ফুটিছি ছয় পুত্ৰ জন্মিছিল
বাচাই পিণ্ডদিব আশা ঐ ৰাম
হেৰে আটি আবু পিণ্ড বঢ়াই থৈছি
হাতজোৰ কৰি লোৱা ঐ ৰাম ।।

(১৩)

আমাৰ বাপু দেখাদেউ হাতে তুলি পিণ্ডলও
যায় দুৰলৈয়ে বেলা হৰিয়ে ।।
(ইন্দ্ৰ ৰজা ইন্দ্ৰ ৰজা য়ে শুনা কাণ পাতি
তোমাৰ নাটি পিণ্ড দিছো লোৱা হাত পাতি)[২]
পূবদিগি কৰো প্ৰণাম পূবে ভানুমতি
হৃদয়তে থাকি মাবে দিয়া অনুমতি।
ইন্দ্ৰ ৰাজা ইন্দ্ৰ ৰাজা য়ে শুনা কাণ পাতি
তোমাৰ নাটি পিণ্ড দিছো লোৱা হাতপাতি ।।
আকাশত কৰো প্ৰণাম ওঁ দেৱতা সকল
পাতালত কৰো প্ৰণাম নাগ পত্নীগন
ইন্দ্ৰ ৰাজা ইন্দ্ৰ ৰাজা যে শুনা কাণ পাতি
তোমাৰ নাটি পিণ্ড দিছো লোৱা হাত পাতি ।।
আমাৰ বাপুদেখা দেওঁ হাতে তুলি পিণ্ড লওঁ
যায় ধৰমৰ বেলা হৰিয়ে )[২]
কৃষ্ণপদে পদ্মদেকে চিন্তিবা লাগিলা য়ে
আমাৰ বাপু দেখা দেওঁ হাতে তুলি পিণ্ড লওঁ
যায় ধৰমৰ বেলা হৰিয়ে।।
বসুমতি ৰজা ৰাজ মনত জাগিলা য়ে
আমাৰ বাপু দেখা দেওঁ হাতে তুলি পিণ্ডলওঁ
যায় ধৰমৰ বেলা হৰি য়ে ।।

(১৪)

(অ উত্তৰৰ ঘাটতে পিণ্ড নটাবা
ভালুকে মনিচক খায়।
দক্ষিণৰ ঘাটতে পিণ্ড অটাবা
দশমৰ পুথিখন চাই )[২]
লক্ষ্মীবোলে হেনবাণী কোৱা কোন মুখে
উত্তৰৰ ঘাটতে পিণ্ড নটাবা
ভালুকে মনিচক খায় ।
দক্ষিণৰ ঘাটতে পিণ্ড অটাবা
দশমৰ পুথিখন চাই ।।
তোমাতকৈ মই শ্ৰেষ্ঠ জানে সৰ্বলোকে
উত্তৰৰ ঘাটতে পিণ্ড নটাবা
ভালুকে মনিচক খায়
দক্ষিণৰ ঘাটতে পিণ্ড অটাবা
দশমৰ পুথিখন চাই ।।

(১৫)

(কৰুণা মই আকাশৰে দেৱগণে
কৰে জয় জয় হে কৰুনাময়)[২]
পূব পশ্চিম উত্তৰ দক্ষিণ
সবে হবা সাক্ষি কৰুণা-মই
আকাশৰ দেবগনে কৰে জয় জয়
হে কৰুণা ময় ।
চাৰি দেশৰ চাৰি সিদ্ধি হবা সবে সাক্ষি, কৰুণা ময়
আকাশৰ দেবগণে কৰে জয় জয় হে কৰুণা ময়।।
আকাশৰ দেৱগণে সবে হবা সাক্ষি, কৰুণা ময়
আকাশৰ দেৱগণে কৰে জয় জয় হে কৰুণা ময়।।
চাৰি দিশৰ চাৰি পুৰুষ সবে হবা সাক্ষি কৰুণা ময়
আকাশৰ দেৱগণে কৰে জয় জয় হে কৰুণা ময়।।

শ্ৰাদ্ধ শেষ হোৱাৰ পিছত শ্ৰাদ্ধৰ সকলো বস্তু তিনিখন পাঠি লোৱা কলৰ *দোনাত তুলি শ্ৰাদ্ধ কৰাজনে নদীলৈ নি পিণ্ড অটায় ।পিণ্ড সদায় নদীৰ দক্ষিণ ঘাটে*

অটায় দিয়ে । দৰাই বা দৰাৰ দেউতাকে পিণ্ড অতাবলৈ যাওঁতে মূৰৰ ওপৰত অন্য এজনে এটা ছাটি টানি ধৰি যায় । এজনে বেল বা কাহৰ টং টং কৰি কাহি বজাই, কিছুমানে খোল-তাল বজাই গৈ থাকে । নদীৰ দক্ষিণে পিণ্ড অতাই দিয়াৰ পিচত ঘুৰি চাব নেপায় ।

**নখ কমোৱা অনুষ্ঠান :—** নখ কমোৱা অনুষ্ঠান বিয়াৰ এটা মাঙ্গলিক অনুষ্ঠান। দৰা বা কইনাক কলৰ গুৰিত নি গা ধুওৱাৰ আগতে নখ কমোৱা হয় । নখ কমোৱাৰ অনুষ্ঠান দৰা বা কইনাৰ মোমায়েকে নখ কমায় । নখ কমোৱাৰ কাৰণে দৰা বা কইনা ৰভাৰ তলিত পূব মূৱাকে বহে । ভৰিৰ তলত ধানখেৰৰ একোটা সপ্তা দিয়ে। মোমায়েকে সন্মুখৰ পিনে বহি প্ৰথমে পাণ তামোলেৰে ভাগিনিয়েকক সেৱা কৰে । তাৰ পিচত কটাৰী এখনেৰে দৰা হলে মুখৰ দাৰি খুৰাই, হাত আৰু ভৰিৰ নখবোৰ কাটি কমাই দিয়ে । মোমায়েকৰ অনুপস্থিতিত ভিনিহিয়েকে এই অনুষ্ঠানত ভাগ লয় । দৰা বা কইনাৰ ভিনিহিয়েকে যদি এই অনুষ্ঠানত ভাগ লয় তেতিয়া ৰভাৰ তলিত থকা ডেকা গাভৰু হতে মুখত কাজল সানি, গাত পানী ঢালি ধেমালী কৰে ।

**গা ধুওৱা অনুষ্ঠান :** - নখ কমোৱা হোৱাৰ পিচতে মোমায়েকে দৰা বা কইনাক ৰভা তলিৰ পৰা গা-ধুওৱাৰ বাবে পথালি কোলা কৰি কলৰ গুৰিলৈ নিব লাগে । ইয়াৰ আগতে মূৰাৰে এডাল কলগছ তুলি আনি ঘৰৰ কাষত ৰুৱা হয় । মূৰাৰে সৈতে কলগছ তুলি অনাৰ অৰ্থ হল যাতে কলগছ ডাল মৰি নাযায় । গা ধুওৱা হোৱাৰ পিচত এই কলগছ ডাল অন্য ঠাইত ভালকৈ ৰুই দিয়া হয় । পানীতোলা মহিলা গৰাকীয়ে কলৰ গুৰিত দৰা বা কইনাক গা ধুওৱায়। দৰা বা কইনাক প্ৰথমে মাহ(গুৰি কৰি লোৱা মাহ) খিনি পানীৰ বাটিত গুলিলৈ তিনিবাৰ কলৰ গুৰিত দিব লাগে । তাৰ পিচত মাথাত আৰু গাত ঘঁহি দিব লাগে । ঠিক তেনেকৈ হালধিও তিনিবাৰ কলৰ গুৰিত দি প্ৰথমে মাথাত পিছত গাত ঘঁহি দিব লাগে ।

দৰা বা কইনাক গা ধোৱা হোৱাৰ পিছত দৰা বা কইনাই কলডাল মুখেৰে অলপ কামুৰি এৰুৱাই অনিব লাগে । সেই কলৰ চোচ খিনি কাপোৰৰ কমালত বান্ধি লব লাগে । বিয়াৰ পিচতে কলৰ গুৰিৰ পৰা ভিনিহিয়েকে পথালি কোলা কৰি আনি ৰভাৰ তলিত বহুৱাই থয় ।

এই নখ কমোৱা আৰু গাধুওৱা সময়ত আয়তি সকলে বিয়াৰ গীত গাই পৰিবেশ উৎসব মুখৰ কৰি তোলে । এই বিয়াৰ গীতবোৰ হ'ল —

ৰাম কৃষ্ণ সোণাৰে বাতিতে

ৰাম কৃষ্ণ মা-হালধী
হৰিমোৰ ঐ ৰাম
ৰূপৰে বাতিতে তেল
ৰাম কৃষ্ণ তামাৰে বালচি
ৰাম কৃষ্ণ লয়ৰে দৈৱকী
হৰিমোৰ ঐ ৰাম
কৃষ্ণকে ধুৱাবা গেল ।।
ৰাম কৃষ্ণ কৰ পৰা আহিলা
ৰাম কৃষ্ণ জটিয়া ভাঙুৰা
হৰি মোৰ ঐ ৰাম
সুদফে বান্ধ হে হিয়া ।।
ৰাম কৃষ্ণ কৰপৰা আহিলা
ৰাম কৃষ্ণ কৰে বেজ তুমি
হৰি মোৰ ঐ ৰাম
মাথে দিলা হাত ।।
ৰাম কৃষ্ণ কিবা জাতি কুল
ৰাম কৃষ্ণ আমাক নকলা
হৰি মোৰ ঐ ৰাম
নখ কমালা কিয় ।।
ৰাম কৃষ্ণ আজিনো মামাকৰ
ৰাম কৃষ্ণ কিনো চেনেহ লাগিছে
হৰিমোৰ ঐ ৰাম
লৈ গল পথালি কোলা ।।
ৰাম কৃষ্ণ মা-হালধীৰে
ৰাম কৃষ্ণ নোবালে ধুৱালে
হৰিমোৰ ঐ ৰাম
লৈ গ'ল ৰভাৰ তলি ।।
ৰাম কৃষ্ণ বহি থকা হৰি
ৰাম কৃষ্ণ ভলমুৰা কৰি

হৰিমোৰ ঐ ৰাম
আহোঁগে শুৱাগ জাবি ।।
ৰাম কৃষ্ণ সহস্ৰ বাতিৰে
ৰাম কৃষ্ণ আয়তি সকলে
হৰিমোৰ ঐ ৰাম
শুৱাগ জাৰিবলৈ গ'ল ।।

**শুৱাগ জাবা অনুষ্ঠান :** —বিবাহৰ ক্ষেত্ৰত শুৱাগ জাবা এটা উল্লেখযোগ্য অনুষ্ঠান । বৰুণ দেৱতাৰ উদ্দেশ্যে পূজা এভাগ আগবঢ়াই এই অনুষ্ঠানৰ পাতনি মেলা হয় । আয়তী সকলে নৈৰ পাৰলৈকে যায় । কেঁচা হালধীৰে ৰং কৰি ৰখা কাপোৰ এটুকুৰা এৰা সুটা, দুবৰি, তামোল-পাণ, পাতৰে সৈতে আমৰ এটা সৰু ডাল, বাঢ়ণীৰ কাঠি কেইডালমান, কুলা এখন, গোটাইলৈ দৰা বা কইনাৰ সাধবা মাকে মূৰত লৈ যায় । পিচে পিচে বেণ্ডপাৰ্টি বজাই যায় । নৈৰ দাতিত দৰা হলে পাচটা দৌল বান্ধিব আৰু কইনা হলে পুখুৰী বান্ধিব। শুৱাগ জাবা মহিলা গৰাকীয়ে চাৰিওঁ পিনে ৭ ডাল বা ৫ ডাল খৰিকা পুতি দিব । পিছত সেই দৌল বা পুখুৰীৰ মাজত তামোল পাণ এযোৰ, পইচা এটা কলপচলা এডোখোৰ কপাহ অলপ সূতা অলপ শিলিখা এটা বগৰী এটা দি দৌলে বা পুখুৰী বন্ধা হয় ।

তাৰ পিচত শুৱাগজাৱা মহিলা গৰাকীয়ে পানীৰ মাজত গৈ ও বাৰ পানীত দুব মাৰি দুই হাতেৰে পানীৰ তলৰ পৰা মাটি আনি বাওহাতৰ খিনি জল দেৱতাক ষ্টুপি দিব আৰু সোহাতৰ খিনি দৌলত দি য়ে । আন এগৰাকী মহিলাই আমৰ ঠানিৰে কৰ পৰা মাটি আনিছা বুলি হাতখনত কোবাই দিয়ে । তেতিয়া তাই পাতালৰ পৰা আনিছো কয় । এনেকৈ তিনিবাৰ মাটি অনা হয় । পিছত গা ধুই দিব্য বস্ত্ৰ পৰিধান কৰি সেই দৌল বা পুখুৰীৰ ওপৰত আন দুজনী মহিলাই এখন আৰ কাপোৰ টানি ধৰে তাৰ পিছত শুৱাগজাৱা মহিলা গৰাকীয়ে জহা চাউল মুগৰ গাজী পাণ তামোল লৈ নিজৰ ঠাইতে থাকি এপাক ঘুৰি পিচপিনে থকা কাপোৰখনত মূৰৰ ওপৰেৰে দলিয়াই দিয়ে । এই দৰে পাঁচবাৰ দিয়ে । পাঁচবাৰৰ প্ৰথম চাৰিবাৰৰ খিনি মহিলা গৰাকীয়ে পানীত দলিয়াই দিয়ে আৰু শেষৰ বাৰৰ খিনি ঘৰত লৈ আহে ।

কাপোৰখন ধৰাৰ উদেশ্য হল শুৱাগজাৱা চাউল প্ৰসাদ সমূহ যাতে জলদেৱতাই গোটেইখিনি নেপায় আমাৰ মানুহৰ বাবেও থাকে । সেয়ে শেষ বাৰৰ খিনি ঘৰলৈ লৈ অনা হয় । ঘুৰি অহাৰ সময়ত দুটা চাকি জ্বলাই পানীত ভহাই দিয়া হয় । চাকি

দুটা লগ লাগিলে বিবাহিত জীৱন সুখৰ হয় বুলি বিশ্বাস হয় । ঘুৰি আহোতে বাটত আগে আগে এজনে কোডালেৰে একোচাপৰ মাটি খান্দে কোনোবা এজনীয়ে সেই গাতত এটা বাদ দি এটাতপ্ৰসাদ দিয়ে আৰু মাটিৰ চপৰাৰে ঢাকি দিয়ে । শুৱাগজাৰা মহিলা গৰাকীয়ে মুখত এচলু পানী ভৰাই লৈ আহে আৰু সেই পানীখিনি ৰভাৰ কলগছৰ গুৰিত দিয়ে আৰু আহোতে পাছলৈ ঘুৰি চাব নেপায় ।

ঘৰলৈ আহি চোতালত বহি থকা দৰা বা কইনাৰ সন্মুখত পিৰা এখনত থিয় হয় । দৰা বা কইনাৰ মূৰৰ ওপৰত আয়তি সকলে এখন কাপোৰ মেলি ধৰে । কাপোৰখনৰ চাৰিও ফালে এৰা সুটাৰে কেইপাকমান ঘেৰি দিয়া হয় । পাঁচবাৰ বা সাতবাৰ কুলাখন মূৰতলৈ মহিলা গৰাকীয়ে পীৰাখনৰ ওপৰত এপাক ঘুৰে আৰু কুলাৰ বস্তুখিনি কাপোৰ খনৰ ওপৰত অলপ অলপকৈ ঢালি দিয়ে । এনেদৰে পাচবাৰ বা সাতবাৰ ঘুৰে আৰু ঢালি দিয়ে আৰু পাঁচবাৰ বা সাতবাৰ তোলে । কুলাত থকা হালধীয়া কাপোৰৰ টুকুৰা খনত সৰু কটাৰী এখন তামোল-পাণ এজোৰ সৰু দৰ্পন এখন বান্ধি দৰাৰ হাতত দিয়ে । এই খনৰ নাম হল 'দৰ্পন' বা ফলকটাৰী । কইনাৰ হাতত দিয়া ফলকটাৰীত দৰ্পন নেথাকে । বিয়াৰ সকলো কাম শেষ নোহোৱা পৰ্যন্ত দৰাই বা কইনাই দৰ্পন খন হাততেই ৰাখে ।

উক্ত কাৰ্যখিনি সমাপন কৰি থাকোতে আয়তি সকলে বিয়া গীতৰ দ্বাৰা বিয়াৰ পৰিবেশ আনন্দমুখৰ কৰি তোলে । সেই বোৰ হল —

**ৰাম কৃষ্ণ শুৱাগ জাৰি আহি**
**ৰাম কৃষ্ণ মেনকা সুন্দৰী**
**হৰি মোৰ ঐ ৰাম**
**পালে যাত্ৰা কলৰ পুলি**
**ৰাম কৃষ্ণ মেনকা সুন্দৰী**
**ৰাম কৃষ্ণ শুৱাগ জাৰি আহি**
**হৰি মোৰ ঐ ৰাম**
**ৰামৰ মাথে ঐ জাৰিলা।।**
**ৰাম কৃষ্ণ আয়তি সকলে**
**ৰাম কৃষ্ণ উৰুলি জোকাৰে**
**হৰি মোৰ ঐ ৰাম**
**দৰা সজাবলৈ লাগে ।**

ইয়াৰ পিছতে কইনা হলে মোমায়েকে কোলা কৰি নি বৰ ঘৰৰ ভিতৰত বহুৱাই থয় আৰু কইনাৰ সাজপাৰ অলংকাৰ পাতি পৰিধান কৰি বিয়াৰ বাবে সাজু হয় ।

**দৰাৰ বিবাহ যাত্ৰা ঃ—** আনপিনে দৰা হলে চোতালতে সাজপোছাক পিন্ধি সুসজ্জিত হৈ নিৰ্দ্দিষ্ট ক্ষণত কইনা ঘৰলৈ যাত্ৰা আৰম্ভ কৰে । যাত্ৰা কৰাৰ সময়ত প্ৰথমে দৰাৰ ভাগিনহঁতক পাণতামোল দি সেৱা কৰে । তাৰ পিছত মাক দেউতাকক আৰু বয়োজ্যেষ্ঠ জনক সেৱা কৰে । শেষত পাণতামোল লৈ ৰাইজক সেৱা কৰে আৰু ৰাইজে হৰিধ্বনী দিয়ে । ইয়াৰ পাচতে দৰাই যাত্ৰা আৰম্ভ কৰে ।

**ডাবলি ভাৰ ঃ—** দৰা পক্ষই কইনা ঘৰত বিয়া কৰাবলৈ যোৱাৰ সময়ত বিয়াৰ সম্পূৰ্ণ জোগাৰ নিজৰ লগত নিব লাগে । সেয়ে বিয়াৰ দুখন ভাৰ হয় । এখন ভাৰ হল বিয়াৰ বাবে সম্পূৰ্ণ জোগাৰপাতিৰ ভাৰ । এই ভাৰক কিছুমানে ডাবলি ভাৰ বুলিও কয় । এই ভাৰত বিয়াৰ পাণ তামোল নাৰিকল হুমৰ বাবে ঘি কল আদি এখন বস্তাত ভৰাই লৈ ভাৰ বাৰি ডালৰ এফালে বান্ধি দিয়ে । ভাৰ খনৰ আনফালে তিনিটা টেকেলীত দৈ, চেনী, গুৰ, চিৰা আদি লোৱা হয় । এই টেকেলী কেইটাত তিনিটাকৈ ফোট দিয়ে । কিছুমান ঠাইত সূৰ্যৰ প্ৰতিকো আকি দিয়ে । দৰা ঘৰিয়াই কইনা ঘৰত হুম পুৰাৰ বাবে হুমৰ খৰি, কেঁচা আমৰ খৰি লগত নিব লাগে । আজি কালি অৱশ্যে কইনা পক্ষৰ ডেকা ল'ৰাক এই হুম খৰি কটাৰ কাৰণে পাণ তামোল মানধন [illegible] টকা দি এই হুমৰ খৰি কটাৰ কাৰণে দায়িত্ব দিয়ে ।

**গৰখীয়া ভাৰ ঃ —** বিয়াৰ আন এখন ভাৰ হল গৰখীয়া ভাৰ এই গৰখীয়া ভাৰ হল দৰা পক্ষই কইনা পক্ষৰ সমাজলৈ নিয়া ভাৰ । এই গৰখীয়া ভাৰ [illegible] সকলৰ পৰম্পৰাগত লোকাচাৰ আৰু সংস্কৃতি । এই গৰখীয়া ভাৰৰ বাবে তিনিটা নতুন টেকেলী বা মাটিৰ ঘট লাগে । এই টেকেলী কেইটাত তিনিটাকৈ [illegible] ফোট দিয়ে । এই টেকেলী এটাত চিৰা এটাত দৈ এটাত জুঁপি [illegible] লোৱা হয় । চিৰা ভৰোৱা টেকেলীটোত ৫ টা লাৰু দি মুখ কেইখন কাগজ বা কলপাতেৰে ঢাকি দি টঙালেৰে বান্ধি দিয়া হয় । এই টঙালেৰে টেকেলী বন্ধাৰো বিশেষ নিয়ম আছে । এই গোটেই ভাৰখনৰ বান্ধবোৰ এটা বান্ধৰ লগত জৰিত । এই মুখ্যবান্ধটো খুলি দিলে গোটেই বান্ধ খোলা যায় । এই টেকেলী কেইটা ভাৰবাৰি এডালৰ এফালে বান্ধি দিয়া হয় আৰু ভাৰৰ আনটোফালে দুই -তিনি আখি পকা কল এখন মোনাত একপোন তামোল আৰু কেইমুঠামান পাণ দিয়ে । এই ভাৰখন বান্ধোতে বৰ ভক্তি ভাবে বন্ধা

হয় । কাৰণ আমাৰ সমাজত গৰখীয়া সকলক ভগৱান শ্ৰীকৃষ্ণৰ লগত তুলনা কৰা হয় । ভগৱান শ্ৰীকৃষ্ণয় বালক অৱস্থাতে গৰু চৰাইছিল । মহাপুৰুষ শঙ্কৰদেৱে কীৰ্তন পুথিত বৰ্ণাইছে —

গোপ শিশু সংগে গৈল বজাই
আগত গোধন বংশী বজাই।।
চাৰন্তে ফুৰন্তে গৰু গোৰক্ষ
পাইলা যমুনাৰ তীৰৰ লক্ষ ।।

বিয়া যাত্ৰীয়ে দৰা পক্ষৰ কোনো সৰু ল'ৰাক ভাৰখন লৱলৈ দিয়ে । আনন্দ ফুৰ্তিত ডাঙৰেও সেই ভাৰখন লোৱা দেখা যায় । কন্যাপক্ষৰ ৰভাৰতলি পোৱাৰ লগে লগে এইভাৰখন কন্যাপক্ষৰ গৰখীয়াবোৰক দিয়ে । ভাৰখন গৰখীয়াবোৰৰ মাজত টনা আজোৰা লাগে । ভাৰখন গৰখীয়া সকলে ৰভাৰ বাহিৰলৈ নি নিজৰ মাজত পৰম তৃপ্তিৰে ভগাই খায় আৰু দৰা কইনাক অন্তৰৰ পৰা আৰ্শিবাদ দিয়ে । তামোল পাণবোৰ ভগাই খায় ।

দৰা বিয়াৰ যাত্ৰা আৰম্ভ কৰাৰ পৰা আৰম্ভ কৰি কইনাৰ ঘৰ পোৱালৈ আয়তি সকলে তলত দিয়া ধৰণে বিয়াৰ গীত গায় —

ৰাম কৃষ্ণ আগৰখন চোতালে
ৰাম কৃষ্ণ মুচা নাই কাচা নাই
হৰি মোৰ ঐ ৰাম
পিছৰখন চোতালে ধূলি ।।
ৰাম কৃষ্ণ মাজৰখন চোতালে
ৰাম কৃষ্ণ বাপুই কাচোন কচে
হৰি মোৰ ঐ ৰাম
সেয়েহে বৈকুণ্ঠ পুৰি

(২)

পচতিয়া হালে-জালে বাপুই হালে কিয়
বাপুই হালে কিয়
বাপুৰ যদি দেউতাক আছে
ৰাতি কৰে কিয়
অলিয়া বলিয়া সবে, হৈলা সাজোপাৰ

হৈলা সাজোপাৰ
তথাপি তোমাৰ ঐ একো নহল ওঁ যোগাৰ
নহল ওঁ যোগাৰ ।।
বিবাহক যাবাতুমি বাটত লাগে ভোক
বাটত লাগে ভোক
বাটত ভোক লাগে বাপু ভাই আগত কবা
ভাইৰ আগত কবা
ডাবলি ভাৰৰ চিৰা খিনি আগে তুমি খাবা
আগে তুমি খাবা ।।

(৩)

চৰে কি অ চৰে ওলালা কাৰ ঘৰে
ঘৰতে এৰিলি অ চৰে গলি ভৰা গৰু
ভৰালত এৰিলি ধান চৰে ওলালি কাৰ ঘৰ
বৰঘৰত এৰিলি অ চৰে মায়েৰা
তোৰ হল বিবাহৰ মন চৰে ওলালা কাৰ ঘৰে
আলিদি নাযাবা অ চৰে বালিহে বিন্ধিব
পথাৰেদি নাযাবা কাটা চৰে ওলালা কাৰ ঘৰে
বৰঘৰত এৰিলি অ চৰে মৰমৰ মায়েৰা
তোৰ হল বিবাহৰ মন চৰে ওলালা কাৰ ঘৰে।
গাওৰ মাজেৰে যাবা অ চৰে মূৰডাঙি নাচাবা
নজৰ লাগিব চাবা চৰে ওলালা কাৰ ঘৰে
বৰঘৰ এৰিলি অ চৰে মৰমৰ মায়েৰা
তোৰ হল বিবাহৰ মন চৰে ওলালা কাৰ ঘৰে ।।

(৪)

এচনি বিচনি বাপু ভৰ্ণীয়া দৈ
আজি বাপু কলৈ যোবা অত সৈন্য লৈ ।
মাতখিনি থানাৰ থুনৰ ককাল খিনি সৰু
তোমাৰ শহুৰে পাতি থৈছে বজ্র সমান ধনু ।
বজ্র সমান ধনু তানবা সীতাই দিছে হাক

জনক নন্দিনী সীতাই বৰিব তোমাক
বাওঁ বাহু লৰে বাপুৰ শুভ যাত্ৰা পাই
জনক নন্দিনী সীতা আছে বাত চাই ।।

(৫)

অ গৃহবাহী জোৰাই পালা আহি
পদূলিতে চৰে হাতী গৃহবাহী
জোৰাই পালা আহি
পদূলিৰ মুৰতে অ গৃহবা হী
জোৰাই ৰখি আছে অ গৃহবাহী
আদৰি আনাগৈ অ গৃহবাহী
ছয়কুৰি আয়তিক লৈ গৃহবাহী
জোৰাই পালা আহি ।।
পাণে নকৰিবা অ গৃহবাহী
চঙাৰে কৰিবা অ গৃহবাহী
হাতী ডাঙৰীয়াৰ নাতি গৃহবাহী
জোৰাই পালা আহি ।।

**দৰা আদৰা অনুষ্ঠান :** — বিয়াৰ দৰা আদৰা শৰণীয়া কছাৰী সকলৰ এটা আকৰ্ষনীয় অনুষ্ঠান । দৰাই কইনা ঘৰৰ পদূলি মুখ পোৱাৰ পিছত কইনা ঘৰীয়াই পদূলিৰ কলৰ গুৰিৰ পৰা দৰাক আদৰি নিয়ে । কলৰ তলত এখন পিৰাৰ ওপৰত দৰাক থিয় কৰাই দৈৰে ভৰি ধুৱাই দিয়ে । তাতে দৰাক এটা সোণৰ আঙুঠি পিন্ধাই দিয়ে । এই আঙুঠিটোক বৰ বৰণৰ আঙুঠি বুলি কোৱা হয়। সোণৰ আঙুঠি দিব নোৱাৰিলে ৰূপৰ আঙুঠি টোপতোত অলপ সোণ চৰায় দিয়ে । গলত নতুন গামোচা দি আদৰণী জনাই পাণ-তামোলেৰে আদৰি নিয়ে । আয়তি সকলে উৰুলি দি গায়—

সহস্ৰ বাতি লৈ আয়তি সকলে
বৰ বৰিবলৈ যায় হে
হাতত দীপ লৈ মেনকা সুন্দৰী
জোৰাইৰ মুখ ঘুৰি চাই হে ।

দৰাক কলৰ গুৰিত পিৰাৰ ওপৰত ভৰি ধুৱাই দিয়াৰ সময়ত দৰাৰ মূৰৰ ওপৰত এটা ছাটি ধৰি ৰখা হয় । যেতিয়া আদৰণি জনাই তেতিয়া কইনা ঘৰৰ মানুহে আগ

চাউল দৰাৰ মুখলৈ চতিয়ায় । সেই সময়ত দৰাৰ চকুত চাউল পৰিব বুলি ছাতিটো দৰাৰ সন্মুখৰ পিনে অনা হয় । তাৰ পিচত কইনাৰ মোমায়েক বা ভিনিহিয়েকে দৰাক দাংকোলাকৈ লৈ ৰভাৰ তললৈ লৈ আহে আৰু আগে আগে কইনাৰ সাধবা মাক বা খুৰীয়েকে দৰাক পাণেৰে বৰণ কৰি লৈ আহে । এইদৰে দৰাক কোলা কৰি আনি ৰভাৰ তলিত ঢাৰিৰ ওপৰত নতুন কাপোৰ পাৰি বহুৱা হয় । এইদৰে জোঁৱাই আদৰা অনুষ্ঠান সমাপ্ত হয় ।

দৰা ৰভাৰ তলিত বিবাহ উপলক্ষে সামাজিক আদান প্ৰদানৰ বাবে কইনা ঘৰীয়া ৰাইজে কইনাৰ দেউতাকৰ চোতালত উত্তৰ ফালে বহে আৰু দৰা ঘৰিয়াই চোতালৰ দক্ষিণ পিনে বহে । দৰা চোতালৰ মাজত বহে সন্মুখত হুম পুৰিবৰ বাবে আৰু অন্যান্য বিবাহ কাৰ্য কৰাৰ বাবে খোলা ঠাই অলপ থাকে । সন্মুখত চাৰিতা কলপুলিৰে চাৰি সিন্ধৰ তলত থাপনা থাকে । পুৰোহিতে বিবাহ কাৰ্য চলাই যাওতে যিবোৰ সামগ্ৰীৰ প্ৰয়োজন হয় দৰা ঘৰীয়া বা কইনা ঘৰীয়াই সকলো বস্তু যোগান ধৰে।

দৰাই নিৰ্দিষ্ট আসনত বহাৰ পিছতে আৰম্ভ কৰা হয় বৈদিক প্ৰথাৰে বিবাহ কাৰ্য । হোম যজ্ঞ অনুষ্ঠিত হয় । দৰাচলতে সূৰ্যৰ পোহৰতহে হোম যজ্ঞ কৰাৰ নিয়ম। সেয়ে আগৰ দিনত চাৰিদিন ধৰি বিবাহ কাৰ্য চলিছিল । আজিকালি এৰাতিৰ ভিতৰতে সকলো কাম সমাধা কৰা হয় । সেইসময়ত আয়তি সকলে গায় —

আদৰি আনি অ গৃহবাহী
বহিবলৈ দিলে অ গৃহবাহী
বৰুণৰে পিৰা অ গৃহবাহী
জোঁৱাই পালা আহি ।।
কৰ পৰা আহিলা অ গৃহবাহী
জটিয়া ভাঙুৰা অ গৃহবাহী
শৰাতে বান্ধোৰে হীয়া গৃহবাহী
জোঁৱাই পালা আহি ।।
তোৰে ৰূপে দেখি অ গৃহবাহী
মেনকাই দৰাৰে অ গৃহবাহী
নিদিও পাৰবতীক বিয়া গৃহবাহী
জোঁৱাই পালা আহি ।।

আহি কি ৰামচন্দ্ৰই অ গৃহবাহী
লগৰীয়াক সুধে অ গৃহবাহী
সীতা কোনফালে আছে গৃহবাহী
জোঁৱাই পালা আহি ।।
পূবে পশ্চিমে অ গৃহবাহী
সীতাই পাখা খেলি আছে গৃহবাহী
জোঁৱাই পালা আহি ।।

দৰাই ৰভাৰ তলিত বহাৰ পিচতে পুৰোহিতে গোহাই পূজাৰ কাম আৰম্ভ কৰে। এই গোহাই পূজাৰ কাম কন্যাদান কৰা কইনাৰ দেউতাকে আৰু দৰাই একেলগে গোহাই পূজা কৰে এই গোহাই পূজা ফুল, তুলসী, দূৱৰী আদিৰে পূজা কৰা হয় । ইয়াৰ পিছতে দৰাক মাল্যদান কৰে । আয়তি সকলে বিয়াৰ গীত গায়—

কিনা সুতাৰে গুথে মালা ও বাপু যদুৰাই
একে লগে গোহাই পূজে শহুৰ জোৱাই ।
তুলসীয়ে উঠিবোলে ওঁ মই পূজা ভাল
মোকে লাবে মোকে চাবে মোৰে গাঠে মালা ।
দূৱৰীয়ে উঠিবোল ওঁ মই পূজা ভাল
মোকে লাবে মোকে চাবে মোৰে গাঠে মালা
বাহি ফুল থোৱা বাপু ওঁ সাজফুল লোৱা
আৰু ফুল লাগে যদি ভাইৰ আগত কোৱা
কি ফুলৰ মালা বাপু অ কাঞ্চল ফুলৰ মালা
শহুৰে দিয়া দানমালা বতাহতে হালা

ইয়াৰ পিচতে আৰম্ভ হয় দান পৰ্ব । কইনাক দেউতাকে কাহি, বাতি, চৰিয়া, পিতলৰ কলহ আদি দান কৰে । আয়তি সকলে বিয়াৰ গীতৰ দ্বাৰা বিয়াৰ কৰ্মবোৰ তলত দিয়া ধৰণে বৰ্ণনা কৰি গীত গায় —

(১)

কাহিদান কৰে দেউতা মোক জনকাৰে
কাহিৰে ভিতৰে কিহে লেতাৰ ফুল
খনি আগৰ কাপোৰ ।।
চৰিয়া দানকৰে দেউতা মোক জানকৰে

চৰিয়াৰ ভিতৰে কিহে লেতাৰ ফুল
খনি আগৰ কাপোৰ ।
কহলা দানকৰে দেউতা মোক জানকৰে
কহলাৰ ভিতৰে কিহে লেতাৰ ফুল
খনি আগৰ কাপোৰ ।

(২)

অলে শুচি তলে শুচি ঐ ৰাম শুচি বস্তু মতিহে
ব্ৰাহ্মণদেৱে শুচি কৰে ঐ ৰাম মন্ত্ৰ জুপি জুপি হে ।।
অতবেলি ব্ৰাহ্মণ ঠাকুৰ ঐ ৰাম মাতৃকে জুপিলা হে
বাৰিৰে পচলা কাতি ঐ ৰাম হুমকে পাতিলা হে ।।
হুম পাতা যজ্ঞ পাতা ঐ ৰাম নাপাতা বিঘিনি হে
হাহি থকা হাহি চম্পা ঐ ৰাম বহিছে আগুৰি হে ।।

(৩)

ৰাম কৃষ্ণ দৰাথেৰ বাৰিৰে
ৰাম কৃষ্ণ কংস দমৰু
হৰি মোৰ ঐ ৰাম
ভাৰতে নানিলা কিয়া ।।
ৰাম কৃষ্ণ কইনাথেৰ বাৰিৰে
ৰাম কৃষ্ণ মিঠা আমৰ ঠানি
হৰি মোৰ ঐ ৰাম হুমৰ জুই নজ্বলে কিয় ।।

**কইনা উলিওৱা বিয়া গীত ঃ—** কইনাক ঘৰৰ পৰা উলিয়াই আনি বভাৰ তলিত দৰাৰ কাষত বহুৱাৰ কাৰণে আয়তি সকলে তলত দিয়া ধৰণে গীতবোৰ গায়-

(১)

ব্ৰাহ্মণে বোলেৰে কইনা ওলাও ওলাও
আকাশে ফুটা নাই তৰা ওঁ ৰাম ৰাম
আকাশে ফুটা নাই তৰা ।
আয়াৰে হাততে সোণৰ কিলিমাৰা
কেনেকে ওলাবা পাৰা ।।
প্ৰথমে প্ৰণামো ব্ৰহ্মা সনাতনে

ব্ৰাহ্মণে বোলেৰে কইনা ওলাও ওলাও
আকাশে ফুটা নাই তৰা ওঁ ৰাম ৰাম
আয়াৰে হাততে সোণৰ কিলি মাৰা
কেনেকে ওলাবা পাৰা ।

(২)

(ৰকনি ওলাল হৰিয়ে চৌদিশে পোহৰ কৰিয়ে)[২]
ৰকনি ওলাছি জয়ে জকৰে মাতৃকে নমস্কাৰ কৰিয়ে
ৰকনি ওল্লাল হৰিয়ে চৌদিশে পোহৰ কৰিয়ে।।
ৰকনি ওলাছি জয়ে জকৰে ৰাইজক নমস্কাৰ কৰিয়ে
ৰকনি ওলাল হৰিয়ে চৌদিশ পোহৰ কৰিয়ে ।।
ৰকনি ওলাছি জয়ে জকবে পিতৃকে নমস্কাৰ কৰিয়ে
ৰকনি ওলাল হৰিয়ে চৌদিশ পোহৰ কৰিয়ে ।।

(৩)

(গোপাল ওঁ তৰুৱা ভেটে কি দিলা ৰামৰ হাতে ৰে)[২]
যেখনে উঠিলা কৃষ্ণ ঘুমুতিৰ জাগৰে
গোপাল ও তৰুৱা ভেটে কি দিলা ৰামৰ হাতে ৰে ।।
আকৃতি ধৰিলা কৃষ্ণ ঘমুতিও জাগৰে
গোপাল ও তৰুৱা ভেটে কি দিলা ৰামৰ হাতে ৰে
আকৃতি ধৰিলা কৃষ্ণ স্তন খাব লাগে ৰে ।
গোপাল ও তৰুৱা ভেটে কি দিলা ৰামৰ হাতে ৰে

(৪)

ৰাম ৰজা কল্যান পাতি তাৰ ৰঙা দৈ
বহিছি জানকি সীতা ৰঘুনাথক লৈ )[২]
সত্যব্ৰত ৰজাক দেখাইলা নিজ মায়া
নধৰিলা সমুদ্ৰে তোমাৰ মৎস্য কায়া ।
ৰাম ৰজা কল্যান পাতি তাৰ ৰঙা দৈ
বহিছি জানকি সীতা ৰঘুনাথক লৈ ।।
কুৰ্ম্ম অৱতাৰ ভৈলা ক্ষিৰদধী তীৰে ।

লক্ষ প্ৰহৰৰ পথ জুৰাইলা শৰীৰে ।।
ৰাম ৰজা কল্যান পাতি তাৰ ৰঙা দৈ ।
বহিছে জানকি সীতা ৰঘুনাথক লৈ ।।

(৫)

গছে ৰঙা পাতে ৰঙা ৰঙা কৈদ্যেৰ ফুল
ৰঙা কৈদ্যেৰ ফুল
ওচৰ চাপি আহা আয়া নাযায় জাতি কুল
নাযায় জাতি কুল ।
হা হৰি সয়েন্দেৰি মহেন্দ্ৰীৰ যুগ
মহেন্দ্ৰীৰ যুগ
কোনসতে বিয়া দিছে দয়াৰ পিতৃ তোক ।
দয়াৰ পিতৃ তোক
মই বিয়া দিয়া নাই বাচা দিছে নাৰায়ণে
দিছে নাৰায়ণে
দুখৰে সুখৰে কথা লিখিছে কপালে
লিখিছে কপালে ।

(৬)

চাইমাৰাৰ ওপৰে সৰাপে গুজুৰে
ঐ ৰাম সীতাই গলে মুখে থাইহে
সীতাৰ গলে ধৰি ৰামেহে বুজাবে
ঐ ৰাম তোৰ মোৰ সাৰথি নাই হে ।

<u>হোম-যজ্ঞ কৰাৰ সময়ত গোৱা বিয়া গীত -</u> কইনা ৰভাৰ তলিত উলিয়াই আনি দৰাৰ কাষত বহুৱাৰ পিছত কইনাৰ দেউতাকে কইনা সম্প্ৰদান কৰে আৰু কইনাৰ সৰু ভায়েকে লগুণ গাঁঠি দিয়ে। দৰাই সম্পূৰ্ণ বৈদিক প্ৰথাৰে হম যজ্ঞ আৰম্ভ কৰে। ব্ৰাহ্মণে মন্ত্ৰ মাতি যোৱাৰ লগে লগে দৰায়ো মন্ত্ৰ মাতি যজ্ঞত ঘি ঢালি অগ্নিক সাক্ষি কৰি কইনাক গ্ৰহণ কৰে। এই দৰে হোম কৰোতে আয়তি সকলে ওলত দিয়া ধৰণে গীত গায় ।

(১)

এহাতৰ গিদি মিদি বশিষ্ট বদতি

সীতা বসুমতি আই ।
তোমাৰ পুত্ৰৰ এনোবা লক্ষণ
হাতৰ গিদি মিদি বশিষ্ঠ বদতি
সীতা বসুমতি আই ।
তেখনে উঠিলা কৃষ্ণ ঘুমতিৰ জাগে
হাতৰ গিদি মিদি বশিষ্ঠ বদতি
সীতা বসুমতি আই
তোমাৰ পুত্ৰৰ এনোবা লক্ষণ
যজ্ঞ আৰম্ভিব যায় ।।

(২)

(ৰামে ঘৰ বান্ধে ও সীতাই ভাত ৰান্ধে
ওলাবা নিদিলা ধূঙা
সীতাৰে বাতৰি কোনেনো জনালা
আহে ৰাম চন্দ্ৰ ৰাজা । [২]
আকৃতি ধৰিলা কৃষ্ণ স্তন খাবা লাগে
ৰামে ঘৰ বান্ধে ও সীতাই ভাত ৰান্ধে
ওলাবা নিদিলা ধূঙা
সীতাৰে বাতৰি কোনেনো জনালা
আহে ৰাম চন্দ্ৰ ৰাজা ।।

<u>উচৰ্গা তোলাৰ গীত -</u> যজ্ঞ শেষ হোবাৰ পিছত উচৰ্গা তোলা হয়। উচৰ্গা তোলাৰ সময়ত দৰা কইনাৰ হাতত উচৰ্গাৰ বস্তুবোৰ দি দাতাৰ নাম কৈ যজ্ঞত ব্ৰাহ্মণে আহুতি দিয়ে। সেই সময়ত আয়তি সকলে তলত দিয়া ধৰণে গীত গায় ।

(১)

(ৰাম কৃষ্ণ হৰে উচৰ্গা কৰিলাক নিৰন্তৰে)[২]
যত আছে মহামাহী বিচাৰ কৰি লোৱে ।
ৰাম কৃষ্ণ হৰে উচৰ্গা কৰিলাক নিৰন্তৰে ।।
যত আছে মামা মামী বিচাৰ কৰি লোৱে
ৰাম কৃষ্ণ হৰে উচৰ্গা কৰিলাক নিৰন্তৰে ।।
যত আছে বাই ভিনি বিচাৰ কৰি লোৱে

বাম কৃষ্ণ হবে উচর্গা কৰিলাক নিৰন্তৰে ।।
যত আছে দাদা খুৰী বিচাৰ কৰি লোৱে
বাম কৃষ্ণ হবে উচর্গা কৰিলাক নিৰন্তৰে ।।

(২)

(আখৈ তোলা থান বান কাপোৰ লাগে সাত খান
বটাঁই দি ধৰিবা মান হৰি য়ে )[২]
ত্ৰৈলোক্যক আক্ৰমিলা চৰণৰ গতিহে
আখৈ তোলা থান বান কাপোৰ লাগে সাত খান
বটাঁই দি ধৰিবা মান হৰি য়ে ।
তযু পাদোদকে গঙ্গা ভৈলা উৎপত্তি হে
আখৈ তোলা থান বান কাপোৰ লাগে সাত খান
বতাঁই দি ধৰিবা মান হৰিয়ে ।।

(৩)

(কিয়ে ছাগলে ধান খালা কিনো দায়ো পালী
সমাজে সাণ্ডুৰাই থলাৱে )[২]
কিয়ে পুৰাণ পুৰুষ তুমি সনাতন হৰিয়ে
ছাগলে ধান খালা কিনো দায়ো পালা
সমাজে সাণ্ডুৰাই থলাৱে ।।
যদুকুলে অৱতৰি আছা স্বপ্ন ধৰিয়ে
ছাগলে ধান খালা কিনো দায়ো পালা
সমাজে সাণ্ডুৰাই থলাৱে ।।

<u>লাজ হম</u>ঃ বৈদিক আচাৰৰ শেষত হয় "লাজ হম"। এই অনুষ্ঠানটোক আখৈ তোলা অনুষ্ঠান বোলা হয়। বয়ো কনিষ্ঠ কোনো এজনে দৰা কইনাৰ হাতত আখৈ তুলি দিয়ে । সেই আখৈৰ সামান্য পৰিমাণ দৰাই হমৰ অগ্নিত পেলাব লাগে। হুতাশন অগ্নিৰ সন্তুষ্টিৰ বাবেই এই অনুষ্ঠান। ইয়াতেই বৈদিক প্ৰথাৰ সমাপ্তি। ইয়াৰ পিছতেই আৰম্ভ হয় টিক ধৰা অনুষ্ঠান ।

<u>টিক ধৰা বা সম্বন্ধ ছিঙা অনুষ্ঠান</u>ঃ টিক ধৰা অনুষ্ঠানত কলৰ দীলৰ মজা এটাত পকা কল এটা চেলাই লৈ তাত পানী অলপ, গাখীৰ অলপ, তুলসীৰ পাত, আলাচাউল, দুবৰীবন লৈ দৰা কইনাৰ দুয়োৰে মাজত ৰাখি কুহুবন এডাল দুয়োৰে

মাথাত লগাই ধৰি থাকি নগদ টকা এটা দৰাৰ মাথাত কইনাৰ দেউতাকে ধৰি থাকে। তাৰ পিছত ব্ৰাহ্মণে মন্ত্ৰ মাতি ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ সাক্ষি কৰি সমাজক সাক্ষি কৰি সকলো দেৱতাক সাক্ষি কৰি জোৰাইলৈ কন্যাদান কৰে। তাৰ পিছত কুহবন দাল মাজতে ছিঙি দিয়ে।

ইয়াৰ পিছতে দৰা কইনাক উলট পালট কৰে। দৰাৰ থাইত কইনা বহে আৰু কইনাৰ ঠাইত দৰা বহে। ইয়াৰ পিছত বিহু ঘূৰাই। অৰ্থাৎ দৰাই কইনাৰ বুঢ়া আঙুলিত ধৰি সাত পাখ ঘুৰে। ইয়াৰ পিছত দৰা কইনাই নিজৰ নিজৰ ঠাইত বহে ।

ইয়াৰ পিছত দৰাই আনাখিলা সাতখন পাণ এখন এখনকৈ শাৰি পাতি পাৰি দিয়ে আৰু শিল এটা পাণৰ ওপৰত দিয়ে। কইনাই শিলৰ ওপৰত ভৰিদি পাণখিলা আগ ভৰিৰে উত্তৰৰ পৰা দক্ষিণলৈ থপাই নিয়ে। ইয়াৰ পিছতে দৰা কইনা দুয়ো বহে আৰু অলপ পিছতে দৰা কইনাক বৰ ঘৰলৈ নিয়ে।

বৰ ঘৰৰ ভিতৰত পাতি পাৰি বৰ কইনাক বহুৱা হয়। প্ৰথমে দুটা বাতিত গাখীৰ কল দিয়ে আৰু তাত দুডাল খৰিকা দিয়ে। কাষত হাত মুখ ধুবৰ বাবে চৰিয়া এটা আৰু পানী দুগিলাচ দিয়ে। এই বাতি দুটা দৰা কইনাই তিনিবাৰ সাল সালনি কৰে আৰু নিজৰ আগহাতৰ কিনা আঙুলিৰে গাখীৰ কল লগাই লৈ শুঙে আৰু চৰিয়াত সিচৰাই দিয়ে। এনেকৈ তিনিবাৰ দিয়ে।

এই বাৰ পানী গিলাচ দুটা তিনিবাৰ দৰা কইনাই সলনা সলনি কৰে। তাৰ পিছত মুখ হাত ধুই আৰু খৰিকাৰে দাত চাফা কৰে। পিছত আকৌ মুখ হাত ধোৱে।

ইয়াৰ পিছত পপিয়া তামোল খাব আৰু বহা ঢাৰিৰ তলত উলিয়াই থব। আকৌ মুখধুব আৰু খৰিকাৰে দাত ঘকটায় (চাফা কৰিব)।

ইয়াৰ পিছত এবাতি চাউলত কইনাৰ আঙুঠি কইনাই লকুৱাই দৰাক বিচাৰিব দিয়ে। দৰাই বিচাৰি উলিয়াই দিয়ে। এইদৰে তিনিবাৰ আঙুঠি কইনাই লকুৱায় আৰু তিনিবাৰ দৰাই বিচাৰি উলিয়ায়। এই দৰে তিনিবাৰ আঙুঠি লকুৱা খেল খেলে।

ইয়াৰ পিছত আকৌ কইনা গা ধোৱাৰা মহিলাই এবাতি চাউল লৈ আগ চাউল চতিয়ায়। তাৰ পিছত এখন কাহিত তামোল পাণ এজোৰ চাকি এটা জ্বলাই দৰা কইনাক আগ দিয়ে। এই আগ দেউতে পাণেৰে দৰাক আহ্বান আৰু কইনাক বিদায় দিয়ে। এইদৰে তিনিবাৰ দিয়ে। এইদৰে তিনিজনী মহিলাই তিনিবাৰ আগ দিয়ে। ইয়াৰ পিছত দৰা কইনাক দুয়োহাতে দুমুঠি চাউল লৈ আহি পাণ তামোল এজোৰ লৈ ৰাইজক সেৱা কৰে। ৰাইজে হৰিধ্বনী কৰি আশীৰ্বাদ দিয়ে। তাৰ পিছত জোৰণ

গাঠি খুলি দিয়ে। তাৰ পিছতে থাপনাৰ মাহ প্ৰসাদ দৰা কইনাৰ মুখত দিব দিয়ে। তাৰ পিছত হে দৰাই ঘৰৰ পৰা নিয়া আহাৰ গ্ৰহণ কৰে।

টিক ধৰা অনুষ্ঠানৰ সময়ত আয়তি সকলে বিয়াৰ গীত তলত দিয়া ধৰণে গায়-

(১)

(টিক ধৰা টিক ধৰা শালি ধানৰ শিৰ
ভাল কৰি টিক ধৰা নগদ টকা দি)[২]
কৃষ্ণ গিছি মথুৰাক নাৰিকলৰ শাৰী
হৰি হৰি বিনন্দিয়া আমাক গৈলা এৰি।।
টিক ধৰা টিক ধৰা শালি ধানৰ শিৰ
ভাল কৰি টিক ধৰা নগদ টকা দি।
উৰি গৈলা ৰাজ হংস পৰি ৰৈলা পাখি
হৰি হৰি বিনন্দিয়া আমাক গৈলা এৰি।
টিক ধৰা টিক ধৰা নগদ টকা দি।
বৃন্দাবনৰ মাজে হৰি আছিলা লুকাই
কাবে গোপী কাটে গুৱা কাবে গোপী বেছেই।।
টিক ধৰা টিক ধৰা শালি ধানৰ শিৰ
ভাল কৰি টিক ধৰা নগদ টকা দি।।

(২)

আকাশে উৰিলা আকাশী ভোমোৰা
ভৈয়ামত পৰি যায় পাখী
সত্যভোমাৰ জীয়াক কৃষ্ণক বিয়া দিলা
ধৰমক কৰিলা সাক্ষী।[২]
উত্তৰ দক্ষিণ পূব পশ্চিম সবে হৰা সাক্ষী
আকাশে উৰিলা আকাশী ভোমোৰা
ভৈয়ামত পৰি যায় পাখি
সত্যভোমাৰ জীয়াক কৃষ্ণক বিয়া দিলা
ধৰমক কৰিলা সাক্ষী।।
ব্ৰহ্মা বিষ্ণু মহেশ্বৰ সবে হৰা সাক্ষী

আকাশে উৰিলা আকাশী ভোমোৰা
ভৈয়ামত পৰি যায় পাখি
সত্যভোমাৰ জীয়াক কৃষ্ণক বিয়া দিলা
ধৰমক কৰিলা সাক্ষী ।।
চাৰি কোনৰ চাৰি সিদ্ধ সবে হবা সাক্ষী
আকাশে উৰিলা আকাশী ভোমোৰা
ভৈয়ামত পৰি যায় পাখি
সত্যভোমাৰ জীয়াক কৃষ্ণক বিয়া দিলা
ধৰমক কৰিলা সাক্ষী ।।
আঁকাশৰ দেৱগণ সবে হবা সাক্ষী
আকাশে উৰিলা আকাশী ভোমোৰা
ভৈয়ামত পৰি যায় পাখি
সত্যভোমাৰ জীয়াক কৃষ্ণক বিয়া দিলা
ধৰমক কৰিলা সাক্ষী ।।

(৩)

(আয়ায় কাটা তামোলখনি বাপুই নাখাই লাজে।
হাতত ধৰি সিফাল কৰে সমাজৰ মাজে)[২]
মৎস্যৰূপে অৱতাৰ ভৈলা প্ৰথমত
উদ্ধাৰিলা চাৰিবেদ প্ৰলয় জলত ।
আয়ায় কাটা তামোলখনি বাপুই নাখায় লাজে
হাতত ধৰি সিফাল কৰে সমাজৰ মাজে।
সত্যব্ৰত ৰজাক দেখাইলা নিজমায়া
নধৰিলা সমুদ্ৰে তোমাৰ মৎস্য কায়া ।
আয়ায় কাটা তামোলখনি বাপুই নাখায় লাজে
হাতত ধৰি সিফাল কৰে সমাজৰ মাজে।

(৪)

( বাপুই যায় পাণপাৰি আয়ায় যায় লিখি
আজিৰ পৰা বস্ত্ৰ দিবা হাত ৰাখি ৰাখি)[২]
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম

ৰাম কৃষ্ণ নিৰঞ্জন দিবা সনাতন ।
বাপুই যায় পণ পাৰি আয়ায় ষায় লিখি
আজিৰ পৰা বস্তু দিবা হাত ৰাখি ৰাখি ।।

ইয়াৰ পিছত অৰ্থাৎ বিয়াৰ শেষত কইনা উলিয়াই দিয়াৰ আগতে দৰাই কইনাৰ মাক দেউতাক, খুৰা-খুৰীক, মামা-মামীক ককায়েক বৌয়েক আৰু অন্যান্য বয়োজ্যেষ্ঠ জনক সেৱা কৰি মান ধৰে।

ইয়াৰ পিছত অতি বেদনা দায়ক পৰিবেশৰ মাজেদি কইনাই মাক দেউতাকক সেৱা জনাই বিদায় লয়। বিদায় পৰ্ব্বত গোৱা বিয়াৰ গীত –

(১)

(হাতত পাণ বঁটালৈ
মাৰাক মাতাগৈ
মা মই ওলালো
যাবৰে সময়ত
প্ৰণামহে জনালো)[২]
হাতত পাণ বঁটালৈ
দেউতাৰাক মাতালৈ
দেউতা মই ওলালো
যাবৰ সময়ত
প্ৰণামহে জনালো। [২]

(২)

নেকান্দিবা দেউতা তুমি
মোৰ মুখ চাই
মোৰ মুখ চাই
কুশ কাটি বিয়া দিছা
সম্বোন্ধ গুচাই ।।
আখো তোলা আখো তোলা
মৰমৰে ভাই
মৰমৰে ভাই
আজিৰ পৰা তোমাৰ লগত

সুত্ৰ ছিঙি যায়
সুত্ৰ ছিঙি যায় ।

<u>দৰা ঘৰত কইনা</u> ঃ কইনা দৰা ঘৰৰ পদূলি আহি পোৱাৰ পিছত পদূলীৰ মুখৰ পৰা আদৰি অনা হয়। কইনাক বাটমালা দিয়া কলৰ তলত এখন পিৰাৰ ওপৰত থিয় হব দিয়ে আৰু দৰাৰ মাক বা মাক অবিহনে খুৰীয়েকে কইনাক ৰভাৰ তলিলৈ আদৰি আনে। আদৰি আনোতে কইনাক মাটি খুচিব দিয়া নহয়। কলৰ দীঘল দীঘল চতিয়া পাৰি দিয়া হয়। সেই চতিয়াৰ ওপৰত খোজ দি কইনা ৰভাৰ তলি পায়হি। এইদৰে কইনাই আহোতে ভৰিৰে চৰিয়া এটা আৰু চৰিয়াৰ ওপৰত এটা ঘটি ঠেলি ঠেলি লৈ আহিব লাগে।

চোতালত দৰা-কইনাক আকৌ জোৰণ দিয়ে আৰু তিনি পাক ঘুৰিবলৈ দি ঢাৰিৰ ওপৰত বহিবলৈ দিয়ে। ইয়াৰ পিছত এটা বাতিত চাউল এবাতি দিয়ে। তাত দৰাই আঙুঠি লুকায় আৰু কইনাই বিচাৰি ওলিয়ায়। এই দৰে তিনিবাৰ দৰাই আঙুঠি লুকায় আৰু কইনাই বিচাৰি উলিয়ায়। আঙুঠি লুকুৱাৰ সময়ত আয়তী সকলে তলত দিয়া ধৰণে বিয়াৰ গীত গায় –

আগে দশৰথে আঙুঠি লুকায়ে
বিচাৰি নাপাব বুলি
পাছে দশৰথে আঙুঠি নাপালে
ভাৰ্য্যাই লঘু কৰে বুলি।।
শুকমুনি বোলন্ত শুনা পৰিক্ষীত
যেনমতে কৃষ্ণ উপজিলা দৈৱকীত।।
আগে দশৰথে আঙুঠি লুকায়ে
বিচাৰি নাপাব বুলি
পাছে দশৰথে আঙুঠি নাপালে
ভাৰ্য্যাই লঘু কৰে বুলি ।।
পৃথিবীৰ সমঙ্গল ভৈলন্ত উপাৰ
নদী নদ পঙ্কজ ভৈলা জ্যোতিষ্কাৰ ।
মধ্য ৰাত্ৰি অতি অন্ধকাৰ বনে
সেই সময়তে উপজিলা নাৰায়ণে ।।
আগে দশৰথে আঙুঠি লুকায়ে

বিচাৰি নাপাব বুলি
পাছে দশৰথে আঙুঠি নাপালে
ভাৰ্য্যাই লঘু কৰে খুলি ।

ইয়াৰ আগতে দুটা বাতিত দুটা কল আৰু অলপ গাখীৰ দিয়ে। এটা চৰিয়াত হাত ধুবদি কেজা আঙুলিৰে কল গাখীৰ স্পৰ্শ কৰি শুঙে আৰু হাত ধুব দিয়ে। ইয়াৰ পিছত দুয়োকে পপিয়া তামোল খাব দিয়ে। দুয়ো তামোল কামৰি বহা ঢাৰিৰ তলত সুমাই থয়।

ইয়াৰ পিছত দৰা কইনাক কইনা ধোবুৱা ছোৱালী জনীয়ে প্ৰথমে আগ চাউল চতিয়ায়। এই আগ চাউল এটা বাটিত এবাটি চাউল লয়। তাৰ পিছত দুখন হাতেৰে দুমুঠি চাউল লৈ দৰা কইনাৰ গালৈ চতিয়ায় ।এইদৰে তিনিজনী ছোৱালী বা মহিলাই তিনিবাৰ চাউল চতিয়াই।

ইয়াৰ পিছত এখন কাঁহিত তামোল পান এজোৰ চাকি এটা জ্বলাই দৰা কইনাক আগ দিয়ে। এই আগ দিওতে পাণেৰে কইনাক আহ্বান কৰে আৰু দৰাক বিদায় দিয়ে এইদৰে তিনিবাৰ তিনিজনী মহিলাই দিয়ে। ইয়াৰ পিছত দৰা কইনাক ঘৰৰ ভিতৰলৈ নিয়া হয়।

কইনাক ঘৰৰ ভিতৰলৈ নিওতে দৰাই কইনাৰ খোপাত কিএা আঙুলি লগাই আহি থাকে। এই দৰে আহি থাকেতে ঘৰৰ সন্মুখত এটা মাটিৰ চাকি উল্টাই থৈ দিয়া থাকে। সেই চাকিতো কইনাই ভৰিৰে অলপ লৰাই দি আহে আৰু দৰাই চাকিটো ভৰিৰে গছকি ভাঙি থৈ আহি ঘৰৰ ভিতৰলৈ সোমাই আহে। ভিতৰত দোৰণ গাঁঠি খুলি দিয়া হয়।

ইয়াৰ পিছতে দৰা কইনাক দুয়ো হাতে দুমুঠি চাউল লৈ আহি বটাত পাণ তামোল এজোৰ লৈ ৰাইজক সেৱা কৰে। ৰাইজে হৰিধ্বনি কৰে। ইয়াতেই বিয়াৰ যবনিকা ।

<u>কইনাৰ ভাত চোৱনী</u> ঃ বিয়াৰ শেষত আনন্দ ফুৰ্ত্তিৰে পালন কৰা হয় কইনাৰ ভাত চোৱনী পৰ্ব। ঠাই বিশেষে ইয়াক বৰদানৰ ভাত বুলিও কোৱা হয়।

ন কইনাই পবিত্ৰ হাতেৰে ভাতচোৱনীৰ ভোজনৰ ভাত ৰান্ধিব লাগে। ভোজ খাওতা বহু মানুহ হয় কাৰণে অন্য ৰান্ধনিয়ে ভোজৰ ভাত ৰান্ধে। ন কইনাই এটা সৰু চৰুত ভাত ৰান্ধে, কেৰাহীত মাছ মাংস আদি ৰান্ধে। ন কইনাই ৰন্ধা ভাত দৰা-দৰাৰ সখিয়েক আৰু অন্য বয়োজ্যেষ্ঠ কেইজনমান মানুহক ঘৰৰ ভিতৰতে বহিবলৈ দি

কইনাই নিজ হাতে ভাত বিলাই কইনাৰ ভাত চুবনি পৰ্ব আৰম্ভ কৰে। তাৰ পিছতহে ৰাইজক ভাত দিয়া হয়। দৰাৰ খোৱা হোৱাৰ পিছত কাহিতৰোৱা ভাত আঞ্জা কইনাই খাব লাগে। এই ন কইনাৰ ভাত চুবনি পৰ্ব দৰা ঘৰিয়াই বৰ উলহ মালহেৰে পালন কৰে। এই পৰ্বত দৰাই গাওৰ সকলো মানুহকে ভাত খাবৰ কাৰণে নিমন্ত্ৰণ কৰে। এই পৰ্ব অনুষ্ঠিত কৰাৰ আন এটা কাৰণ হল বিয়াৰ দিনা গাওৰ ৰাইজে বহুত কষ্ট কৰিব লগীয়া হয়। কিছুমান কৰ্ম্মীয়ে বিয়াৰ দিনা খাবলৈয়ো সময় নেপায়। সেয়েহে এই অনুষ্ঠান মাছ মাংস যথেষ্ট পৰিমাণে দিয়ে।

এই দৰে ৰাইজে ভাত খোৱা হোৱাৰ পিছত চোতালত সকলোৱে বহে আৰু ন কইনাই তামোল বিলায়। সেই তামোল খাওতে কিছুমানে কইনাক দহ বিশ টকা উপহাৰ দিয়ে। এই দৰে কইনাৰ তামোল খোৱা বা কইনাই তামোল বিলোৱাৰ উদ্দেশ্য হল যি বিলাকে ন কইনাক দেখা নাছিল তেওঁলোকে কইনাক তামোল বিলাওতে দৰ্শন কৰিলে।

এইদৰে তামোল বিলোৱা হোৱাৰ পিছত ন কইনাই দৰাৰ মাক, দেউতাক, খুৰা-খুৰী, ককায়েক-বৌযেক আদি ঘৰৰ জ্যেষ্ঠ সকলক তামোল পাণ আৰু এখন কাপোৰ বঁটা এখনত লৈ মান ধৰে। সন্মান জনাই সেৱা কৰে। বয়োজ্যেষ্ঠ সকলেও টকা পইচা দি ন কইনাক আশীৰ্বাদ দিয়ে।

ইয়াৰ পিছতে কইনাই বিদায় লৈ মাকৰ ঘৰলৈ যায়। ইয়াৰ পিছত আহে আঠ মঙলা পৰ্ব। বিয়াৰ পৰা আঠ দিনৰ দিনা দৰাই লগত কেইজনমান বন্ধু আৰু দৰাৰ ভনীয়েক বৌৱেক আদিক লগত লৈ কইনাৰ ঘৰলৈ ন কইনাক আনিব যোৱাৰ নিয়ম। ইয়াকে দৰাৰ আঠমঙলা খাব যোৱা বা আঠমঙলা ভঙা বুলি কোৱা হয়। এই আঠ মঙলা ভাঙিবলৈ যাওতে দৰাই লগত তামোল-পাণ, বিড়ি-চিগাৰেত আৰু মিঠাই আদি লগত লৈ যায়।

আঠ মঙলাৰ দিনা কইনাৰ লগত আনিব লগা কাপোৰ কানি আৰু বিয়াৰ দিনা উঠা উচৰ্গা পাতি আদি আনিব লগীয়া থাকিলে সকলোবোৰ কইনাক গোটাই দিয়ে। আঠ মঙলা শেষ হোৱাৰ দিনৰ পৰাই বিবাহৰ কাৰ্য্য সামৰণি পৰে।

<u>জন্ম প্ৰকৰণ</u>ঃ সামাজিক নিয়মেৰে এহাল ডেকা-গাভৰু বিয়া বাৰু হৈ সামাজিক স্বীকৃতি লাভ কৰি সেই ডেকা গাভৰু হালে যুগ্ম জীৱনৰ পাতনি মেলে। তেওঁলোকৰ ভবিষ্যতৰ বংশ ৰক্ষাৰ বাবে। যৌবনা গাভৰু এজনী বোৱাৰী হৈ এখন নতুন সংসাৰ আৰম্ভ কৰাৰ লগে লগে মাতৃত্বৰ ফালে লাহে লাহে আগ বাঢ়ে। সন্তান সম্ভৱা বোৱাৰী

এজনীৰ শাৰীৰিক পৰিবৰ্ত্তনৰ লগে লগে পৰিয়ালটোৰ সকলো সদস্যৰ মনত উল্লাস জন্মে। বোৱাৰীজনীক লৈ শাহুৱেক তথা পৰিয়ালৰ সকলো সদস্য সদায় সজাগ হৈ থাকে। তেওঁলোকে বোৱাৰীক যেই সেই ঠাইলৈ যাব নিদিয়ে। এইটো নেখাবি সেইটো নেখাবি বুলি খোৱা লোৱাত সদায় সাৱধান হয়। লগতে গাৰ সন্তান সম্পৰ্কে বোৱাৰীক শাহুৱেকে বা কইনাৰ মাকে বহুতো উপদেশ আৰু বুজনি দি সন্তান সম্ভৱা বোৱাৰীক দেহিক আৰু মানসিক ভাবে সন্তান জন্ম দিয়াৰ বাবে প্ৰস্তুত কৰি তোলে।

সন্তান সম্ভৱা ন বোৱাৰী আৰু নবজাতক শিশুক লৈ শৰণীয়া সমাজত কিছুমান ৰীতি-নীতি প্ৰচলন আছে। সন্তান সম্ভৱা হোৱাৰ লগে লগে গৰ্ভস্থ সন্তানটো যাতে নষ্ট নহয় তাৰ বাবে সন্তানৰ পিতৃ মাতৃয়ে অনেক নিয়ম নীতিৰ মাজেৰে চলিব লগা হয়। সন্তানৰ পিতৃক জীৱ হত্যা কৰা, শৱ সৎকাৰ কৰা ৰাতি বিয়লি ঘৰৰ বাহিৰৰ পৰা আহি ঘপহ কৰি হাত ভৰি নুধুৱাকৈ শোৱনী কোঠাত প্ৰৱেশ কৰা, মাছ মৰা, চিকাৰ আদিলৈ যোৱা ইত্যাদি কামৰ পৰা বিৰত ৰখা হয়। সন্তান সম্ভৱা অৱস্থাত বোৱাৰীক গধুৰ বস্তু ডাঙিব বা গধুৰ কাম কৰিবলৈ বাৰণ কৰা হয়। অপদেৱতাৰ পৰা হাত সাৰিবৰ বাবে বেজৰ পৰা তাবিজ আদি ব্যৱহাৰ কৰি মানসিক ভাবে প্ৰস্তুত কৰা হয়।

সন্তান প্ৰসৱৰ পূৰ্বাভাস পোৱাৰ লগে লগে গৃহস্থৰ সকলো সদস্য সজাগ আৰু নি কোনো সমস্যাৰ বাবে প্ৰস্তুত হবলৈ সাজু হৈ থাকে। মাটিত ঢাৰি এখন পাৰি কিছুমানে আঁচুতিয়া কোঠাত ধান খেৰ পাৰি দি তাৰ ওপৰত এখন কাপোৰ পাৰি দি শেতেলি পাৰি প্ৰসূতিক ৰখা হয়। সেই কোঠাত অপদেৱতাই যাতে প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে দুৱাৰ মুখত ফটা জাল, বগৰীৰ কটা আদি আঁৰি দিয়া হয়।

গৰ্ভস্থ সন্তানটি ভূমিষ্ঠ হোৱাৰ লগে লগে প্ৰসুতিৰ লগত থকা ধাই বা বিজ্ঞ মহিলাই সন্তানটিৰ "নাই"ৰ গুৰিত বান্ধিবৰ বাবে এডাল বগা এৰা সুতা দিয়ে। প্ৰসুতিয়ে এৰা সুতাৰ জৰিৰে কেঁচুৱাটিৰ নাই'ৰ গুৰিত বান্ধে। ধাৰ থকা বাহৰ চোচেৰে বা নতুন ব্লেদেৰে সুতাৰে বন্ধা গাঠিটোৰ ওপৰৰ পিনে প্ৰসুতিয়ে নিজে নাড়ী কাটি দিয়ে। কটা নাড়ী খিনি প্ৰসুতি থকা ঘৰৰ দুৱাৰ মুখত পুতি থয়। কেঁচুৱাটিৰ জিভাত জাৰি পৰিবলৈ অলপ মৌ লগাই দিয়া হয়। প্ৰসুতিৰ কোঠাত জুই একুৰা ধৰি পানী গৰম কৰি কুহুমীয়া পানীৰে সন্তানটিৰ গা ধুৱাই দিয়ে। কেচুৱাটিৰ 'নাই' শুকাই সৰি যোৱাৰ পিছত সযত্নে নাইটো বাহা এটাত ভৰাই ভালকৈ বান্ধি টেমা বা বাকচত ভৰাই থয়। ইয়াকে আয়ুস তোলা বুলিও কয়।

কেঁচুৱাটিৰ নাই সৰিলে ঘৰৰ শেতেলিৰ খেৰ বোৰ উলিয়াই নি বাহিৰত পুৰি

পেলায়। ঘৰৰ সকলোবোৰ কানি কাপোৰ ধুই দিয়ে আৰু সূৰ্য্যক নমস্কাৰ কৰে। কেঁচুৱাকো মৃদু গৰম পানীৰে গা ধুৱাই সূৰ্য্যক দৰ্শন কৰায়। তাৰ পিছতে চোতালৰ আগত তুলসীৰ তলত পৰিষ্কাৰ কৰি অতাই তাত চাকি বন্তি এগছি জ্বলাই দিয়ে। বন্তিৰ কাষত কাঁহৰ বাতি এটাত পানী এবাতি আৰু জুইৰ ভূটা এটা জ্বলাই থোৱা হয়। সূৰ্য্য দৰ্শন হোৱাৰ পিছত কেঁচুৱাটি বন্তিৰ কাষত নিয়া হয়। পিছত বন্তিৰ কাষৰ পানীৰ বাতিটোৰ ওপৰত তিনিবাৰ ঘূৰাই কয় - "পানীত পৰি নমৰিবি" তাৰ পিছত জুইৰ ভূটাৰ ওপৰত তিনিবাৰ ঘূৰাই কয় "জুইত পৰি নমৰিবি" বুলি অগ্নি ভয় আৰু জলভয় গুছাই তাৰ পিছত বগৰীৰ কাটাৰ ওচৰত তিনিবাৰ ঘুৰায়। ইয়াৰ অৰ্থ হ'ল "বাটৰ জেং বিপদ আপদ" দূৰ হওঁক। ইয়াৰ পিছত ঘটি এটাত পানী এঘটি লৈ তাত সোণৰ আঙুঠি এটা দি তুলসীৰে গোটেই ঘৰত পানী চতিয়াই ঘৰটো সুচী কৰি সেই দিনাৰ অনুষ্ঠান সামৰণি মাৰে.

সন্তানটো ছোৱালী হলে এমাহ আৰু ল'ৰা হলে একৈশ দিনত শুচি বা চোৱা পেলোৱা হয়। সেইদিনা সন্ধিয়া নাম কীৰ্ত্তন কৰি মাহ-প্ৰসাদ, চাহ মিঠাই খুৱাই আৰু ধাই সকলক ভাত খোৱায়। সেই দিনাৰ পৰা মাতৃ আৰু সন্তান দুয়ো শুচি হয়।

নৱজাতক শিশুটি ডাঙৰ হলে মুখত ভাত দিয়া প্ৰথা এটা শৰণীয়া সকলৰ মাজত দেখা যায়। শিশুটি সাত মাহ হলে মোমায়েকক মাটি আনি শিশুটিক ভাত খোৱাবা হয়। ইয়াকে অন্ন প্ৰসন্ন বুলিও কোৱা হয়। সেই দিনা মোমায়েকে শিশুটিক ভাত খোৱাৰ বাবে কাঁহৰ কাহি-বাতি এজোৰ ঘৰৰ পৰা লৈ আহে। সেই কাহিখনতেই প্ৰথমতে ভাত দি মোমায়েকে শিশুটিক ভাত খোৱায়। শিশুটিক ভাত খোৱা হোৱাৰ পিছত গাওৰ বয়োজ্যেষ্ঠ কেইজন মান আৰু গৰখীয়া কেইজন মানক মাতি আনি ভাত খোৱায়।

সন্তান জন্ম হোৱাৰ লগে লগে ধাই সকলে সন্তানটি কিমান সময়ত জন্ম পালে লিখি থয়। সেইমতে পিছত শিশুটিৰ গন চোৱা হয়। গন মতে কোন ৰাশিত পৰে আৰু কি নাম থলে ভাল হব আদি গণনা কৰা হয়। সেইমতে পিছত শিশুটিৰ নাম থোৱা হয় আৰু কোষ্ঠী কৰা হয়।

<u>সন্তান বিক্ৰী</u>ঃ শৰণীয়া সমাজত কোনো পৰিয়ালত সন্তান জন্ম হৈ যদি বেছি দিন জীয়াই নেথাকি বাৰে বাৰে মৰি যায় তেতিয়া নবজাতক শিশুক ভুটিয়াৰ তাত বিক্ৰী কৰি দিয়া হয়। পিছত পুনৰ কিনি অনা হয়। তেনে কৰিলে সন্তান দীৰ্ঘায়ু হয় বুলি বিশ্বাস কৰে। তেনেদৰে বিক্ৰি কৰা ল'ৰা ছোৱালীৰ নাম ভুটিয়া বা ভুটিয়ানী

ৰখা হয়।

পৰিয়ালৰ বংশ ৰক্ষা আৰু সন্তানৰ দীৰ্ঘায়ু কামনা কৰি পুৰণি শৰণীয়া সমাজত এইবোৰ নিয়ম পালন কৰিছিল।

<u>মৃত্যু প্ৰকৰণ</u> ঃ জন্ম ললেই মানুহে এদিন মৃত্যুকো আকোৱালি লব লাগিব। মৃত্যু মানুহৰ অনিৰ্বাৰ। মৃত্যুৰ লগে লগে মৃতকৰ লগত জীৱিত সকলৰ সকলো সম্পৰ্ক ওৰ পৰে। কিন্তু মৰমৰ এনাজৰিডাল মৃতকৰ লগত ধৰি ৰখাৰ প্ৰয়াসৰ ফলতেই সমাজত সৃষ্টি হৈছে মৃত্যু প্ৰকৰণৰ সংস্কৃতি। শৰণীয়া সকলৰ মাজতো মৃত্যুক লৈ সৃষ্টি হৈছে ৰীতি-নীতি আৰু সংস্কৃতি।

শৰণীয়া সকলৰ কোনো লোকৰ মৃত্যু হলে নিৰ্দ্দিষ্ট মৰিশালিত দাহ কৰাৰ নিয়ম। যি সকলৰ নিৰ্দ্দিষ্ট মৰিশালি নাই তেওঁলোকে নিজা মাটিৰ আওঁহটীয়া ঠাইত বা নিজৰ ঘৰৰ বস্তিৰ কোণত দাহ কৰে। ইয়াকে সংকাৰ কৰা বুলিও কোৱা হয়। অৱশ্যে সৰু ল'ৰা-ছোৱালীৰ মৃত্যু হলে পুতি থোৱা হয়। পানীত পৰি মৰা, সৰ্প দংশনত মৰা আত্ম ঘাটি হৈ মৰা আদি অকাল মৃত্যুবৰণ কৰা ব্যক্তিৰ মৃতদেহ পুতি থোৱা হয়।

শৰণীয়া সকলে কোনো লোকক মৃত্যুৰ সময়ত অৰ্থাৎ মৃত্যুৰ আগেয়ে ঘৰৰ পৰা বাহিৰ নকৰে বা নুলিয়াই। ঘৰৰ ভিতৰতে মৰিবলৈ দিয়ে। শ্মশানত নিয়াৰ সময়ত হে ঘৰৰ ভিতৰৰ পৰা উলিয়াই অনা হয়।

শৰণীয়া সকলে মৃতকক মৰিশালীলৈ নিয়াৰ বাবে বাৰিৰ চুকৰ এজোপা বাঁহৰ পৰা এডাল বাঁহ কাটি আনি একেডাল বাহেৰে এখন চাং কৰে। মৃতকৰ চাং কৰা কাৰণে কটা বাহ ছোপ এবছৰলৈ অন্য কামত লগোৱা নহয়। এই চাংখন সাজোতে দুডাল ধাম কাটে। এই ধাম দুডাল চাৰে তিনিহাত দীঘলকৈ কটা হয়। ইয়াক কান্ধ মাৰি বুলিও কোৱা হয়। কান্ধ মাৰিৰ ওপৰত ফলা বাঁহৰ কামি দেৰহাত দীঘল জোখ কৰি কাটি ফালি পাৰি দি টঙালেৰে বন্ধাৰ নিয়ম। ইয়াৰ ওপৰত নতুন ঢাৰি এখন পাৰি দিয়ে। এই দৰে চাং সজাৰ পিছত মৰাশটো ঘৰৰ ভিতৰৰ পৰা উলিয়াই আনি উত্তৰ পিনে মুৰকৈ শুৱাই দিয়া হয়। তাৰ পিছত মৰাশটোৰ গাটো পানীৰে ধুই দি সুগন্ধি তেল তাৰ অবিহনে মিঠাতেল গাত ঘহি দিয়া হয়। সেইখিনি হোৱাৰ পিছত মৰাশটো এখন বগা কাপোৰেৰে গোটেই গাটো ঢাকি দিয়া হয়। মূৰৰ পিনে এটা মাটিৰ চাকি জ্বলাই দিয়ে। তাৰ পিছত মৃতকক সকলোৱে শেষ শ্ৰদ্ধা জনাই পৰিয়ালৰ সকলোৱে মৃতদেহৰ ওপৰত পুষ্প অৰ্পন কৰি ভৰিৰ পিনে সেৱা জনাই চিৰ বিদায়

য়ে। এইদৰে চিৰ বিদায় দিয়াৰ পিছত চাংখনৰ চাৰিটা কান্ধ মাৰিত চাৰিজন মানুহে কান্ধত তুলিলৈ মৰিশালিলৈ লৈ যায়। মৃতকৰ পুত্ৰ ভাই ভটিজা নাতি আদি আত্মীয়ই হে প্ৰথমে 'শ' কান্ধত তুলি হয়। একোজন মানুহে কান্ধ নসলায়। অন্য এজন মানুহক সাঙি এৰি দি কান্ধ সলাই হে 'শ' যাত্ৰা কৰা হয়।

মৃতকৰ পিছে পিছে 'শ' দাহ কৰাৰ কাৰণে গাওৰ ৰাইজে, বাঁহ, শুকান খৰি আদি লৈ যায়। মৃতকক দিয়া কাৰণে মাটিৰ ঘট এটা, মাটি মাহ, বেহাৰ, তিল আদি নিয়াৰ নিয়ম।

<u>চিতা সজা</u> ঃ মৃতদেহটো সৎকাৰ কৰাৰ কাৰণে এখন চিতা সজোৱা হয়। এই চিতা সজোৱাৰ কাৰণে মাটিত পূবা পশ্চিমা আৰু উত্তৰ দক্ষিণা কৰি যোগ চিনৰ নিচিনাকৈ এটা গাত খন্দা হয়। ইয়াক মণ্ডল সজা বুলিও কিছুমানে কয়। তাৰ আগতে চিতা সজোৱা ঠাই খিনিত এটা পইচা দি মাটিখিনি কিনি লোৱা হয়। উত্তৰৰ পৰা দক্ষিণলৈ চাৰে তিনি ভৰি আৰু পূবৰ পৰা পশ্চিমলৈ দেৰ ভৰি হিচাব কৰি জুখিলৈ চাৰি মূৰে সাত ফুট দীঘলৰ চাৰিটা গছৰ খুটা মজবুতকৈ পুতিলোৱা হয়। চিতাৰ একেবাৰে তলত ডাঙৰ খৰিৰে দুডাল গড় দি লোৱা হয়। এতিয়া চিতাত খুটা কেইটাৰ মাজত উত্তৰা দক্ষিণাকৈ সাতদালবাঁহ পাৰি দি তাত সাতখন আম পাত পাৰি দিয়া হয়। তাৰ পিছত আকৌ সাতদাল বাহ পাৰি দিয়ে আৰু পাচখন আম পাত পাৰি দিয়ে। এইদৰে সাত থাক বাঁহ পাৰি দিয়ে আৰু প্ৰতিথাকৰ ওপৰত পাঁচখনকৈ আমপাত পাৰি দিয়ে। এই সাত থাক খৰিৰ ওপৰত মৃতদেহটো উত্তৰ পিনে মূৰকৈ শুৱাই দিয়ে। মৃতক যদি মহিলা হয় তেতিয়া ওপৰ মুৱা আৰু পুৰুষ হলে তলমুৱা কৰি দিয়া নিয়ম। তাৰ পিছত মৃতদেহৰ ওপৰত আৰু পাঁচ থাক খৰি পাৰি দিয়া হয়। এইদৰে মৃতদেহটো সৎকাৰ কৰাৰ কাৰণে চিতা সজোৱা সম্পূৰ্ণ কৰা হয়।

<u>মুখাগ্নী</u> ঃ মৃতকৰ মুখাগ্নী মৃতকৰ ডাঙৰ পুত্ৰ নতুবা সৰু পুত্ৰই কৰিব লাগে। যিজনে মুখাগ্নী কৰে সেইজনেই কাজ ধৰে। মুখাগ্নী কৰাৰ আগেয়ে যিজনে মুখাগ্নী কৰিব সেইজনে এখন পাৰি নথকা শুভ্ৰ বগা কাপোৰ পিন্ধিব আৰু নদীত গা ধুই আহি ঘৰৰ পৰা জ্বলাই নিজা জুমুঠি (ভুটা) টোৰ পৰা দীঘল খেৰৰ মুঠিত জুই জ্বলাই লৈ পূব পিনৰ পৰা আহি মুখত জুই লগাই দি পশ্চিম পিনেৰে ঘুৰি আহি ভৰিত জুই লগাই দি আকৌ পূব পিনেৰে আহি মুখত জুই লগাই দি আকৌ পশ্চিম পিনে আহি ভৰিত জুই দিয়ে। এই দৰে সাতবাৰ মুখাগ্নি কৰি শেষত পূব পিনৰ পৰা চিতাৰ তলত মণ্ডলৰ গাটত পশ্চিম মুৱা কৰি জুই জ্বলাই দিয়ে। চিতাত জুই জ্বলাৰ পিছত গাওৰ

ৰাইজ তথা সকলো গুনমুগ্ধই মৃতকৰ প্ৰতি সন্মান জনাই চিতাত ফুল, ফুলৰ মালা আৰু একোডাল খৰি দি মৃতকৰ প্ৰতি সন্মান জনাই চিৰ বিদায় দিয়ে। শৰণীয়া সমাজত গাওত মৃতকক প্ৰত্যেকে একোডাল খৰি দি পুৰুষ মহিলা তথা কিশোৰ-কিশোৰী সকলোৱে অংশ গ্ৰহণ কৰি শেষ সন্মান জনোৱা দেখা যায় ।

<u>অস্থি গ্ৰহণ</u> ঃ মৃতদেহটো সম্পূৰ্ণ দাহ হলে এটা মাটিৰ কলহেৰে জুইত পানী ঢালি দিয়ে। খুতনিৰে বিচাৰি মৃতকৰ এটুকুৰা অস্থি অৰ্থাৎ হাড় গুলটাকৈ কটা বাঁহৰ চুঙাত ভৰাই ঘৰলৈ লৈ অহা হয়। সেই অস্থি দহাৰ দিনা প্ৰযোজন হয়। দহা শেষ হলে অস্থি নদীত বিসৰ্জন দিব পাৰে নতুবা আকৌ ঘৰলৈ আনি পিছলৈ ভালকৈ ৰাখি গঙ্গা, পুৰী অথবা মথুৰা আদিত বিসৰ্জন দিব পাৰে। অস্তি ঘৰত আনি ৰখাকে অস্তি গ্ৰহণ বুলি কোৱা হয়।

<u>পজা সজা</u> ঃ মৃতকক সংকাৰ কৰাৰ পিছত অৰ্থাৎ পুৰি শেষ কৰাৰ পিছত চিতাৰ উত্তৰ ফালে অৰ্থাৎ মৃতকৰ মূৰৰ ফালে চাৰিডাল বাহৰ পাত থকা আগলি বা জেং (জিকনী) বৰ্গক্ষেত্ৰ আকাৰত পুতি লৈ তাত বগা কাপোৰ এখন তৰি দিনা হয়। অৰ্থাৎ বগা কাপোৰ ডোখৰ চাৰিডাল ৰচিৰে বাঁহৰ আগলি চাৰিডাল বান্ধি দিয়া হয়। এই বগা কাপোৰখনৰ ওপৰত এটা পইচা দিয়া হয়। ইয়াৰ অৰ্থ হল মৃতকৰ কাৰণে সেই মাটি খিনি মূল্য দি কিনা হয়। সেই কাপোৰৰ চালিখনৰ তলত মৃতকৰ কাৰণে একলহ পানী দিয়া হয় আৰু কলহটোত এখন বগা কাপোৰ মেৰিয়াই দিয়া হয়। ইয়াৰ অৰ্থ হল মৃতকৰ ঘাট পাৰ হব নোৱাৰালৈকে মৃতকে উক্ত বগা কাপোৰৰ পজাৰ তলত থাকিব আৰু কলহৰ পানী খাব আৰু পইচাৰে ঘাট পাৰ হব।

মৃতকক সংকাৰ কৰি অহাৰ সময়ত চিতাত আৰু চিতাৰ কাষৰ চাৰিওফালে ধৰৰ পৰা নিয়া তিল,বেহাৰ মাতি মাহ আদি চতিয়াই দিয়া হয়। মৃতকৰ মূৰৰ পিনে এডাল কলগছ আৰু এডাল তামোলৰ পুলি ৰুই দিয়া হয। ইয়াৰ অৰ্থ হল মৰিশালীত মৃতকে যাতে উক্ত শস্যবোৰৰ ফল ভোগ কৰিব পাৰে। ইয়াৰ ওপৰিও মৃতকৰ চিতাৰ ওপৰত মৃতকৰ জীৱিত কালৰ কিছুমান মৰমৰ বস্তুও যেনে - হাত কটাৰী, ধপাত খোৱা সকলৰ ধপাত খোৱা চিলিম, হোকা, মৃতকে পিন্ধা কাপোৰ, বিচনা আদিও মৃতকৰ লগত চিতাত দি অহা হয়। এই দৰে সংকাৰ কৰি আহোতে মৃতকৰ আত্মাই যাতে ৰাইজৰ পিছে পিছে আহিব নোৱাৰে তাৰ কাৰণে ৰাইজৰ শেষৰ জনে এখন কোবেৰে ঘৰলৈ ফিৰি অহা বাটত তিনি ঠাইত তিনিটা ঘাপ দি তিনিটা চিন দিয়ে। আৰু কয় অ অমুকা আজিৰ পৰা তোৰ লগত আমাৰ কোনো সম্পৰ্ক নাই। এই

তিনিডাল লক্ষণ ৰেখা দিলো। এই কেইদাল পাৰ হৈ নাহিবি।

এইদৰে আহি সকলোৱে নদীত গা ধুই ভিজা কাপোৰেৰে মৃতকৰ ঘৰৰ পদূলীলৈ আহিব আৰু মৃতকৰ পৰিয়ালৰ মুখিয়াল লোকজনে পদূলীৰ মুখত ধান খেৰৰ এটা জগা দিয়ে। তাত সকলোৱে আহি হাত ভৰি শিকিব আৰু মুখিয়াল লোকজনে এটি পাত্ৰত তুলসীৰ পানী লৈ মৰাশ সংকাৰ কৰা সকলো মানুহকে পানী চতিয়াই শান্তি কৰিব। তাৰ পিছত সকলো ঘৰা-ঘৰি যাব।

নিজৰ ঘৰৰ পদূলী পোৱাৰ লগে লগে ঘৰৰ পদূলীত গৃহস্থই সজাই ৰখা গাধোৱা পানীৰে গা ধুব লাগে আৰু সজাই ৰখা খেৰৰ জাগত জুই ধৰি হাত ভৰি লগতে গাটো শিকিব লাগে। তাৰ পিছত গৃহস্থই দুবৰী বন তুলসীৰে পানী চতিয়াই দি শান্তি দিব। ইয়াৰ পিছত হে শুকান কাপোৰ সলাব পাৰে আৰু ঘৰৰ ভিতৰলৈ যাব পাৰে।

মৰাশ মৰি শালিলৈ নিয়া আৰু সংকাৰ কৰাৰ সময়ত অংশ গ্ৰহণ কৰা লোক সকলক মৰি শালীত চাহ খোৱাৰ বাহিৰে মৃত্যুৰ দিনা কোনো আতিথ্য কৰা নহয়।

তিনি দিনত তিলনি - মৃত্যুৰ পৰা তিনিদিনলৈ মৃতকৰ পৰিয়ালৰ লোক সকলে লঘোন দিব লাগে। তিনি দিনৰ দিনা চৰু হাড়ি ধুই ঘৰৰ সকলো কানি কাপোৰ ধুই ঘৰ দুৱাৰ গোবৰ মাটিৰে মুচি পেলোৱা হয়। একেই বংশৰ মানুহ যতেই নেথাকক কিয় চৰু হাড়ি ধুই কাপোৰ কানি ধুই পেলাই শুচি হয়। উক্ত দিনা মৃতকৰ ঘৰে গাওৰ জ্ঞাতিৰে সৈতে কেঁচা চাউলৰ গুৰা কল চেনী বা গুৰ আদি খাই লঘোন ভাঙে। সেই কেঁচা গুৰা মৃতকৰ গৃহস্থৰ বাহিৰে গাওৰ ৰাইজে নিজে ঘৰত খুন্দি লৈ আহে। ইয়াকে জাছা গুৰা বুলিও কোৱা হয়।

<u>হবিচ খাটা</u> ঃ মৃতকৰ যি জনে কাম ধৰে সেই ব্যক্তিজনে মৃতকৰ শ্ৰাদ্ধ যেতিয়ালৈকে শেষ নহয়, তেতিয়ালৈকে হবিচ খাতিব লাগে। এই হবিচৰ নিয়ম মতে হবিচ খাতা লোকজনে দিনটো লঘোন দিব লাগে আৰু সন্ধিয়া হোৱাৰ আগে আগে নিজে, চাউল, আলু, কল আদি তিনিটা জীয়া গছৰ থানীৰ খুটিৰ ওপৰত সিদ্ধ কৰি খাব লাগে। এই খাদ্য সামগ্ৰী সমূহ পৰিয়ালৰ বাহিৰৰ মানুহে জাছা হিচাবে দিয়ে। ইয়াকে জাছা দিয়া বুলিও কয়। হবিচ খাটাতো অকল কাম ধৰাজনে পালন কৰিব লাগে যদিও শৰণীয়া সমাজত পৰিয়ালৰ সকলো সদস্যই পালন কৰা দেখা যায়।

<u>ভুটা (জুই মুঠি)</u> ঃ মৃতকৰ সংকাৰ কৰিবলৈ নিয়াৰ সময়ত ঘৰৰ পুজিৰ ধান

খেৰেৰে এটা ভূটা গুঠি স্মশানলৈ নিয়া হয়। যেতিয়া মৃতকক সৎকাৰ কৰা শেষ হয় তেতিয়া খেৰৰ ভূটাতো জ্বলাই ঘৰলৈ লৈ অহা হয়। এই ভূটাতো দহাৰ দিনলৈ জ্বলাই ৰখা হয় আৰু দহাৰ শেষত সেইটো পেলাই দিয়া হয়। এই ভূটাটোক স্মশানৰ জুই বুলিও কোৱা হয়।

<u>দাহা বা দোহা</u> ঃ মৃত্যুৰ দহ দিনৰ দিনা দাহা বা দোহা পতা হয়। এই দোহাৰ যোগাৰ বোৰ হল –

(১) তামোল-পাণ, মাটিৰ চাকি দহটা, ঘট তিনিটা, কুমাৰী চৰু দুটা, নাৰিকল এটা, এৰা সুতা, সৰিয়হৰ তেল, সেন্দুৰ, গৰুৰ মুত, নিয়ৰৰ জল, পদ্মৰ পাত, পদ্মৰ গুৰৰ মাটি, শমিন, পলাশৰ পাত, আহতৰ পাত, সেবাল-পটল, দৈ গাখীৰ, ঘিউ, মৌ, চেনী, গুৰ, তিল, শিলিখা, সেৰা বেহাৰ, ধান, মাহ মাৰ্কিন কাপোৰ দুই মিটাৰ, তুলসী, চাউল, কল ইত্যাদি ।

বিচনা ঢাৰি এখন, আঠুৰা বিচনা চাদৰ, গাৰু, কম্বল এখন, কাঁহি, বাতি, ঘটি, গিলাচ, ধুতি এখন, গেঞ্জি এটা, গামোচা পাঁচখন, সোন ৰূপ গৰু ফুল তুলসী ইত্যাদি।

মৃত্যুৰ দহ দিনৰ দিনা উক্ত সকলোবোৰ জোগাৰ পাতিলৈ গাওৰ সকলো মানুহ নদীৰ পাৰলৈ যায়। নদীৰ পাৰৰ এডোখৰ সুন্দৰ পৰিষ্কাৰ ঠাই সুন্দৰকৈ চাছি লৈ ঠাইদোখৰৰ চাৰিও পিনে চাৰিটা বাঁহৰ খুতি মাৰি দিয়ে। কিছুমানে এই খুটি কেইটাৰ ওপৰত এখন কাপোৰ আঁৰি দিয়ে। এই খুটি চাৰিটাৰ মাজত দহাৰ সামগ্ৰী সমূহ লৈ দহাৰ কাম আৰম্ভ কৰে। এই দহাৰ কামবোৰ এজন ব্ৰাহ্মণ পুৰুহিতৰ জৰিয়তে সমাপ্ত কৰা হয়।

দহাৰ প্ৰথমতে পিণ্ড দিয়া কাম কৰে। মৃতকৰ পিণ্ড দিয়া বাবে দক্ষিণ মুৱাকৈ পূজা পতা হয়। এগছি বন্তি দক্ষিণমুৱাকৈ জ্বলাই লৈ ঠোগি এখন পতা হয়। পিণ্ড দিবৰ বাবে কল, চাউল, ঘি, মৌ, চেনী, গুৰ আদি সানি লৈ পিণ্ড জোগাৰ কৰা হয়। এই পিণ্ডখিনি দহ ভাগ কৰি লোৱা হয়। ঠোগীৰ কাষত কল দিলৰ মজা কেইখনমান পাৰি লোৱা হয়। তাত প্ৰতিটো মজাত বেলেগ বেলেগকৈ গৰুৰ মুত, দৈ, ঘি আদি বেলেগ বেলেগকৈ শাৰী পাতি লোৱা হয়।

পিণ্ড দিয়াৰ বাবে পলাশৰ পাত আৰু আহতৰ পাতৰ থগু বনাই লোৱা হয়। এই থগু প্ৰথমটো এখন পলাশৰ পাতেৰে সজোৱা হয়। দ্বিতীয় থগুটো এখন আহতৰ আৰু এখন পলাশৰ পাতেৰে সজোৱা হয়। তৃতিয় থগুটো তিনিখন পাতেৰে চতুৰ্থ থগুটো চাৰিখন পাতেৰে ৫ম থগুটো ৭খন পাতেৰে ৮ম থগুটো আঠখন পাতেৰে

৯ম থোঙাটো নখন পাতেৰে আৰু দশম থোঙাটো তেনেদৰে পাচখন আহতৰ আৰু পাচখন পলাশৰ পাতৰ দ্বাৰা বনোৱা হয়।

ইয়াৰ পিছত পিণ্ড দিয়া পূজা আৰম্ভ হয়। পূজা আৰম্ভ কৰাৰ বাবে এটা কলৰ দোনাত জল, তুলসীৰ পাত চাউল তিল আদি লয় আৰু আনটো দোনাত ফুল পাত আদি লোৱা হয়। পিণ্ড দিয়া জনে সোঁহাতৰ আঙুলিত কুহুবনৰ আঙুঠি আৰু বাওঁহাতৰ আঙুলিৰ মাজত কেইপাতমান কুহবনৰ পাত পিন্ধি লয়। ইয়াৰ পিছতে পুৰুহিতে মন্ত্র জপে আৰু এভাগ পিণ্ড পূজাৰ পাতত দিয়ে। এইদৰে পাঁচবাৰত পাঁচভাগ পিণ্ড মৃতকক দিয়াৰ পিছত সেই পিণ্ড খিনি একৰ পৰা পাঁচখন পাতেৰে বনোৱা থোঙাত একেলগে থঙাকেইটা জাপি তাত পিণ্ডখিনি ভৰাই দিয়া হয় আৰু থঙাৰে সৈতে পিণ্ডখিনি নদীত ভহাই দিয়া হয়। ইয়াৰ পিছত আকৌ পাঁচবাৰ পিণ্ড দিয়া হয়। আৰু আগৰবাৰৰনিচিনাকৈ ছয়ৰ পৰা দহটা পাতৰ থঙাত ভৰাই নদীত বিসর্জন দিয়া হয়।

ইয়াৰ পিছত অস্থিটো বাহৰ চুঙাৰ পৰা উলিয়াই আনি শ্মশানৰ জুইত পুৰা হয়। শ্মশানৰ জুই মানে মৃতকক দাহ কৰাৰ দিনা ভূটা এটাত শ্মশানৰ পৰা জুই জ্বলাই অনা হয়। সেই ভূটাৰ জুইক শ্মশানৰ জুই বুলি কোৱা হয়। সেই জুইৰ দ্বাৰাই জুই একুৰা ধৰি তাত অস্থিখিন পুৰি অস্থিখিনি পূজা কৰা ঠাইতে সৰু গাত এটা খান্দি পুতা হয়। পুতাৰ সময়ত অস্থিৰ লগত সমিন গছৰ পাত অলপ দিয়া হয়। তাৰ পিছত সেই পুতি থোৱা অস্থিখিনি পুনৰ খান্দি উলিওৱা হয়। সেই অস্থিখিনি কলদিলৰ মজা এটাত লৈ নদীত বিসর্জন দিয়া হয়। কিছুমানে সেইদিনা নদীত বিসর্জন নিদি অস্থিখিনি ঘৰলৈ লৈ আহে আৰু পিছত নিজৰ সুবিধা মতে কাশি, গঙ্গা আদিত গৈ তাত শ্রাদ্ধ পাতি পিণ্ড দান কৰি অস্থি বিসর্জন দিয়ে।

নদীৰ পানীত পিণ্ড আৰু অস্থি উটাই দিয়াৰ পিছত এটা কুমাৰী চৰুত উল্টা পিনে মৃতকৰ নামটো উল্টাকৈ এখন নাঙলৰ বুঢ়া ফালেৰে পুৰুহিতে কর্ম্ম ধৰাজনক লিখিব দিয়ে। পিছত এই কুমাৰী চৰুটোক নদীত ডুবমাৰী নাঙলৰ ফালেৰে ফুটাই দি পানীত ভহাই দিব লাগে।

ইয়াৰ পিছতে উত্তৰ পিনে মহাদেৱ আৰু পাৰ্ব্বতিক পূজা কৰা হয়। এই পূজাৰ বাবে এগছি বন্তি জ্বলোৱা হয়। লগত ধূপ ধূনা আদি জ্বলোৱা হয়। চাকিৰ কাষত দুখন ঠগি পতা হয়। ঠগি দুখনৰ কাষত দুটা মাটিৰ ঘট বা মাটিৰ কলহ পানীৰে পূর্ণ কৰি দিয়া হয়। ঘট দুটাত ঠাৰিৰে সৈতে আমৰ পাত দিয়া হয়। এই পূজাত মহাদেৱ পাৰ্ব্বতিৰ লগতে ১৬ জনী মাতৃক পূজা কৰা হয়। এই পূজাৰ বাবে কণৰী, শিলিখা,

বন্ধা বেঙেন আদি আগ বঢ়োবা হয়। ঘৰৰ পৰা নিয়া ধানৰ পৰা নদীৰ পাৰতে জুইধৰি কুমাৰী চৰু এটাত ধানৰ পৰা আখৈ ফুটাই এই পূজাত আগবঢ়োবা হয়। পুৰুহিতৰ নির্দেশ মতে কাম ধৰা জনে পূজা আগ বঢ়াই যায় আৰু পুৰুহিতে মন্ত্র জুপি যায়। এই পূজাৰ পিছতেই দহা দিয়া শেষ হয় আৰু মৃতকৰ সকলো পুত্রই মূৰৰ চুলি খুৰায়। এই চুলি খুৰোৱাৰ আগতে নাপিতক দান দিয়া হয়। ইয়াত কণ্ঠ এখন তাৰ ওপৰত বিচনা চাদৰ এখন আৰু অন্যান্য সামগ্রী সমূহ দান কৰে।

এই পূজা শেষ হোৱাৰ পিছত বহুতে একে লগে চুৱা কামটোও কৰে। এই চুৱা কামটোৰ বাবে দক্ষিণ মুৰাকৈ পূজাৰ ঠগী পাতে। এগছি বন্তি জ্বলাই ধূপধূনা আদিৰে পূজা আৰম্ভ কৰে। এই চুৱা কাজত মৃতকৰ গোটেই কেইজন পুত্রই শাৰীপাতি একেলগে বহে। পূজা কৰাৰ আগেয়ে গোটেই কেইজন পুত্রই সোঁহাতৰ আঙুলিত কুহবনৰ আঙুঠি আৰু বাওঁহাতৰ দুটা আঙুঠিৰ মাজত কুহবন লোৱা হয়। পুৰুহিতে মন্ত্র উচ্চাৰণ কৰে আৰু ফুল ফল আদিৰে পূজা কৰা হয়। এইদৰে চুৱা কাজৰ পূজা শেষ হোৱাৰ পিছত পূজাৰ সামগ্রী সমূহ নদীৰ পানীৰ কাষত নি থোৱা হয়। সকলো পূজা শেষ হোৱাৰ পিছত দহা কৰা ঠাইত এখন বগা কাপোৰ চাৰিদাল আগ থকা বাঁহৰ জিকনীৰ মাজত আঁৰি দিয়া হয়। ইয়াতেই নদীৰ পাৰৰ দোহা আৰু চুৱা কাজৰ সামৰণী পৰে।

ইয়াৰ পিছত নদীত সকলোৱে গা ধুই মৃতকৰ ঘৰলৈ আহে। মৃতকৰ ঘৰৰ সন্মুখত ধানখেৰৰ জুই একুৰা ধৰি দিয়া হয় আৰু তাত সকলোৱে হাত ভৰি শিকি লয়। পুৰুহিতে তুলসীৰ পানী চতিয়াই দি সকলোকে মন্ত্র মাতি শুচিকৰে। ইয়াৰ পিচত মৃতকৰ চোতালত বহী সকলোৱে প্রসাদ খায়। কল, গুৰ, আলাচাউলৰ পিঠা গুৰিৰে গুৰা খাই ঘৰলৈ যায়। ইয়াতেই মৃতকৰ দহাৰ পর্ব শেষ হয়।

দহাৰ দিনা পিণ্ডদিওতে এবাৰতে নিদি এবাৰ এবাৰকৈ দহবাৰ পিণ্ড দিয়া হয়। এই দহাৰ পিণ্ড দিয়াৰ অর্থ হল মৃতকৰ মৃত্যুৰ দিনৰ পৰা দহ দিনলৈ পিণ্ড দিয়া হয়। আচলতে মৃতকক মৃত্যুৰ দিনৰ পৰাই প্রতি দিনে পিণ্ড দিয়াৰ নিয়ম। পুৰণি কালত শৰণীয়া সমাজত মৃত্যুৰ দিনৰ পৰা সদায় পিণ্ড দিছিল বুলি শুনা যায়। প্রতি দিনে পিণ্ড দিলে সদায় পুৰুহিত মাতিব লাগে। সদায় পুৰুহিত পোৱা অসুবিধা আৰু সদায় পুৰুহিত পালেও গৃহস্থৰ খৰচৰ কথা আহি পৰে। সেয়ে প্রতিদিনে পিণ্ড আগ নবঢ়াই দহদিনৰ মূৰত একে লগে দহ দিনৰ পিণ্ড দিয়া হয়। সেয়েহে দহদিনৰ হৈ একেলগে দহ ভাগ পিণ্ড দিয়া হয়।

দহা শেষ হোৱাৰ পিছত বাৰ দিনৰ দিনা শ্ৰাদ্ধ কৰে আৰু তেৰ দিনৰ দিনা বাইজক ভোজ দিয়ে। কিন্তু সদায় পুৰুহিত মাতিব লাগে কাৰণে বাৰদিনৰ দিনা শ্ৰাদ্ধ নকৰি তেৰ দিনৰ দিনাই শ্ৰাদ্ধ কৰে আৰু শ্ৰাদ্ধৰ ভোজ দিয়ে।

দহাৰ সময়ত পিণ্ড দেওতে পলাশৰ পাত আৰু আহতৰ পাত মেৰিয়াই সেই গিলাচত পিণ্ড ভৰাই নদীত উটাই দিয়াৰ তাৎপৰ্য্য পুৰুহিত সকলৰ মতে হল – যে দশৰথ ৰজাৰ মৃত্যুৰ পিছত তেখেতৰ আত্মাৰ সদ্‌গতিৰ কাৰণে সীতাই পিণ্ডদান কৰিব লগীয়া হৈছিল। কিন্তু সেই সময়ত সীতাই বনবাসত থকাৰ কাৰণে পিণ্ড দিবলৈ সীতাৰ হাতত একো নাছিল। আনকি পানী দিবলৈ পাত্ৰ এটাও নাছিল। দশৰথ ৰজাৰ আত্মাই সীতাক পিণ্ড দিবলৈ কোৱাত সীতাই ৰজাক পিণ্ড দিবলৈ যে তেওঁৰ হাতত একো নাছিল সেই কথা কৈছিল। তেতিয়া দশৰথ ৰজাই সীতাক বালীৰে পিণ্ড দিবলৈ আজ্ঞা দিছিল। গছৰ পাতৰ দ্বাৰাই গ্লাচ বনাই পানী আনি পিণ্ড দিবলৈ দিছিল। তেতিয়া সীতাই দশৰথৰ আজ্ঞা মানি বালিৰে পিণ্ড দিছিল আৰু পলাসৰ পাতৰ গিলাচ বনাই পানী আনি পিণ্ডত ঢালিছিল। প্ৰবাদ মতে তেতিয়া ৰজা দশৰথৰ আত্মাই সদ্‌গতি পায় আৰু তেতিয়াৰ পৰাই মানুহৰ মৃত্যু হলে এই পলাসৰ পাতৰ দ্বাৰাই পিণ্ডদান কৰাৰ নিয়ম প্ৰবৰ্ত্তন হয়।

<u>শ্ৰাদ্ধ</u> ঃ মৃতকৰ যি কোনো এজন পুত্ৰই শ্ৰাদ্ধ কৰিব পাৰে। মৃতকৰ কোনো পুত্ৰ নেথাকিলে যি কোনো এজন ওৱাৰিছে শ্ৰাদ্ধ কৰিব পাৰে।

যি জনে শ্ৰাদ্ধ কৰিব সেইজনে মৃত্যুৰ দিনৰ পৰা বহুতো নিয়ম নীতি মানি চলিব লগা হয়। শ্ৰাদ্ধ কৰা জনে মৃত্যুৰ দিনৰ পৰা তিনিদিনলৈ লঘোন দিব লাগে। এই তিনিদিনৰ দিনা ৰাইজে গুৰা, কল খোৱাৰ পিছতহে কাজধৰা বা শ্ৰাদ্ধ কৰা জনে ভাত খাব পাৰে। শ্ৰাদ্ধ ধৰাজনে দিনটোত এসাজ ভাত খায়। ইয়াকে হবিছ খাটা বুলিও কোৱা হয়। শ্ৰাদ্ধ ধৰাজনে নিজৰ ঘৰৰ চাউলেৰে কাজ শেষ নহোৱা পৰ্য্যন্ত ভাত খাব নোৱাৰে। অন্যালোকে দিয়া জাছা চাউলৰ শ্ৰাদ্ধ ধৰাজনে চোতালৰ এফালে তিনিটা জীয়া গছৰ ঠানি পুতিলৈ তাত নিজে ৰান্ধি বেলি দুবাৰ আগেয়ে ভাত খাব লাগে। শ্ৰাদ্ধ ধৰা জনে মৃতকক মুখাগ্নি কৰাৰ সময়ত যিখন কাপোৰ পৰিধান কৰি আছিল সেই কাপোৰখন দহা শেষ নোহোৱা পৰ্য্যন্ত সলাব নেপায়। সেই কাপোৰ খনেৰেই গা ধুব আৰু গাতে শুকাব। দহাৰ দিনা পিছত সেই কাপোৰখন নদীত গা ধুই সলাব আৰু সেই কাপোৰখন অন্যক দান কৰিব। শ্ৰাদ্ধ শেষ কৰি উদ্ধাৰ নোহোৱা পৰ্য্যন্ত মাছ, মাংস, তেল, মচলা আদি খাব নোৱাৰিব। পীৰাত বহিব নোৱাৰিব। মাকৰ মৃত্যু হলে ল'ৰা-ছোৱালীয়ে গাখীৰ খাব নোৱাৰিব আৰু পিতৃৰ মৃত্যু হলে কল খাব

নেপায়।

**শ্ৰাদ্ধৰ সম্ভাৰ সমূহ** ঃ কলপুলি চাৰিটা, এৰাসূতা, কলৰদোনা ১৬ টা, ঘট এটা, আমপাত, বেলপাত, ফুল, ধূপ-ধূণা, নাৰিকল দুটা।

**শ্ৰাদ্ধৰ পিণ্ডৰ মূল সম্ভাৰ সমূহ** ঃ সেন্দুৰ, ঘট, মাহ, তিল, মৌজোল, ঘি, চেনী, গুৰ, এৰা গাখীৰ, আমপাত, বেলপাত, বৰ পাত, তুলসী, জহা চাউল, বিভিন্ন প্ৰকাৰৰ ফুল, মুগুমাহ, কুহিয়াৰ, কল, পাণ-তামোল ইত্যাদি ।

শ্ৰাদ্ধৰ দিনা ঘৰৰ চৌহদতে থকা চোতালত তথা বাৰীত গাওৰ ডেকা ল'ৰাবোৰৰ সহযোগত ঠাইখণ্ড চিকুনাই তোলা হয়। চোতালত ৰভা সাজি চাৰিওফালে জ্ঞাতি তথা অভ্যাগত সকলক বহিবৰ বাবে সুচলকৈ সজোৱা হয়। জ্ঞাতিক ভোজ দিবৰ বাবে বাৰিৰ পিনে খোৱা লোৱাৰ বাবে অন্য এখন ৰভা সজাই তোলা হয়। শ্ৰাদ্ধৰ কাম শেষ হোৱাৰ পিছত সেই ৰভাত সকলো ৰাইজকে আপ্যায়িত কৰা হয়।

চোতালৰ ৰভাৰ তলিৰ পূব দিশত চাৰিদাল কল পুলি পোতা হয়। এই কল পুলি কেইদাল এৰাসুতাৰে চাৰিওদালকে বন্ধা হয়। সন্মুখৰ পিনে খোলা ৰখা হয়। এই কলপুলি চাৰিদালক চাৰি সিদ্ধ বুলিও কোৱা হয়। এই চাৰি সিদ্ধৰ মাজত বতাৰ ওপৰত এখন পুথি, টকা এটা তাৰ ওপৰত সুন্দৰ ফুলাম গামোচা খাপনা পাতি থোৱা হয়। তাৰ কাষত এটি বন্তি জ্বলাই থোৱা হয়। বন্তিৰ কাষত এটা নাৰিকল থোৱা হয়। ঘটত পানী ভৰাই ঠানিৰে সৈতে আমৰ পাত ৰখা হয়। ঘটটোত আৰু নাৰিকলটোত তিনিতাকৈ সেন্দুৰৰ ফোট দিয়া হয়। ইয়াৰ কাষতে এখন পাতচৰুত চাউল ভৰ্ত্তি কৰি ৰখা হয়। তাৰ ওপৰত ৰাখি লগত আলু পিয়াজ মিঠাতেল জলকীয়া হালধী আদি মৃতকে ভালপোৱা বস্তুবোৰ ৰখা হয়। চাৰি সিদ্ধৰ দক্ষিণ পিনে ১৬ টা কলদোনাত চাউল ভৰ্ত্তি কৰি প্ৰতিটোত একোটাকৈ আলু দি থাক থাক কৈ থোৱা হয়। চোতালৰ দক্ষিণ ফালে চাৰিখন ঠোগী (নৈবেদ্য) পতা হয়। প্ৰতিখনতে একোটাকৈ জ্বলোৱা হয়। এই চাৰিখন ঠোগী পূৰ্ব পুৰুষক স্মৰণ কৰি পতা হয়। চোতালৰ উত্তৰ দিশে এখন ঠোগী পতা হয়।

চাৰি সিদ্ধৰ অৰ্থাৎ ৰভাৰ তলিৰ কলপলিৰ চাৰিটাৰ দক্ষিণ পিনে চাৰি এখন পাৰি দিয়ে তাৰ ওপৰত বিচনা চাদৰ এখন পাৰি দিয়ে। বিচনাত এখন উৰা কম্বল, গাৰু আৰু মহৰি এখন দিয়া হয়। ইয়াৰ লগতে মৃতকৰ নামত কাঁহিবাতি এজোৰ ঘটি এটা, কলহ এটা, ধুতি এখন, গোঞ্জি এটা, সোণ-ৰূপ আদিৰ লগতে গৰুও উচৰ্গা কৰে। মৃতক যদি মহিলা হয় তেতিয়া মেখেলা-চাদৰ উচৰ্গা কৰে। গৰু উচৰ্গা কৰা

সময়ত সোণ-ৰূপৰ আঙুঠি দুবৰি বণ আৰু তুলসীৰে গৰুটোক ভৰিৰ পৰা মূৰলৈ পূজা কৰি শান্তিজল চতিয়ায়। এই সকলোবোৰ দান কৰা বস্তু পূজা শেষ হোৱৰ পিছত পুৰুহিতে নিজে মৃতকৰ হৈ গ্ৰহণ কৰে আৰু ঘৰলৈ লৈ যায়।

এই সকলোবোৰ নৈবেদ্য জোগাৰ কৰি লোৱাৰ পিছত কাজধৰা জনে পূবপিনে চাৰি সিদ্ধৰ (চাৰিটা কলপুলি)ৰ মাজত পতা ঠগিৰ পিনে বহি শ্ৰীকৃষ্ণক স্মৰণ কৰি পূজা আৰম্ভ কৰে। পুৰুহিতে মন্ত্ৰ স্মৰণ কৰি যায় আৰু শ্ৰাদ্ধ কৰাজনে পুৰুহিতৰ নিৰ্দ্দেশ ক্ৰমে পূজাৰ কাম কৰি যায়। শ্ৰীকৃষ্ণ বা নাৰায়ণৰ পূজা শেষ হোৱাৰ পিছত চোতালৰ দক্ষিণ মূৰাকৈ পতা পূজাৰ ঠগিৰ পিনে শ্ৰাদ্ধ ধৰাজনে শ্ৰাদ্ধৰ কাম আৰম্ভ কৰে। পুৰহিতে মন্ত্ৰ মাতি যায় আৰু শ্ৰাদ্ধ কৰাজনে পুৰুহিতৰ মুখে মুখে উচ্চাৰণ কৰি পূজা কৰি যায়। প্ৰতিখন থোগিৰ কাষতে একোখন চাউল আৰু চাউলৰ ওপৰত একোখন সৰু গামোচা দিয়া হয়। শ্ৰাদ্ধ কৰা জনে সো ভৰিৰ আঠুটো মাটিত লগাই বা আঠুটো অলপ ওখকৈ ৰাখি বাওঁহাতৰ বুঢ়া আঙুলিটোৰে মৃতকক আগবঢ়োৱা চাউলৰ থালটো ধৰি থাকি সো হাতেৰে পূজা আগবঢ়োৱা হয। ঠিক তেনেদৰে চাৰিওখন নৈবেদ্যতে তেনেকৈ পূজা কৰি পূৰ্ব পুৰুষৰ চাৰি পুৰুষক স্মৰণ কৰি শ্ৰাদ্ধ কৰা হয়।

শ্ৰাদ্ধ শেষ হোৱাৰ পিছত চোতালৰ উত্তৰ মূৰাকৈ পতা নৈবেদ্য খনত শিব আৰু পাৰ্বতিক স্মৰণ কৰি পূজা কৰা হয়। সেই পূজা শেষ হোৱাৰ পিছত জহাচাউল, কল, ঘি, মৌ, চেনী, গাখীৰ, গুৰ আদি সকলোবোৰ সানি পিণ্ড সনা হয়। সেইবোৰ চাৰিভাগ কৰি চাৰি পুৰুষৰ নাম স্মৰণ কৰি পিণ্ড তৰ্পন কৰা হয়।

পিণ্ড দিয়া হোৱাৰ পিছত থালি পাতে। মৃতকৰ আত্মীয় সকলে মৃতকৰ নামত আগলি কলপাত পাৰি তাৰ ওপৰত চাউল দিয়ে। চাউলৰ ওচৰত একোখন সৰু গামোচা দিয়ে। এইদৰে চাউলৰ থালি মৃতকৰ জীয়েক জোৱায়েক, ভতিজা, ভাগিন আদিয়ে আগ বঢ়ায়। পুৰুহিতে থালি আগ বঢ়োৱা প্ৰতিজন ব্যক্তিৰ নাম উচ্চাৰণ কৰি মন্ত্ৰ মাতে আৰু শ্ৰাদ্ধ কৰাজনে মন্ত্ৰৰ শেষত একোপাহি ফুল তৰ্পন কৰে।

এইদৰে শ্ৰাদ্ধৰ কাম শেষ হোৱাৰ পিছত এখন বহল কাঁহি বা থালৰ ওপৰত কলৰ চতিয়াৰ ওপৰত পিণ্ড দিয়া সামগ্ৰী আৰু নৈবেদ্য সমূহ কাজ ধৰাজনে মূৰৰ ওপৰত তুলিলৈ ওচৰৰ নদীত উতাই দিবলৈ নিয়ে। এইদৰে যাওতে এজনে এটা ছাটি মূৰৰ ওপৰত তুলি ধৰে আৰু পিছে পিছে তাল-খোল আদি বজাই বজাই নৈবেদ্য নদীত ভহাই দিবলৈ যায়। নদীত নৈবেদ্য ভহাইদি ঘূৰি আহোতে পিছপিনে ঘূৰি চাব নেপায়।

এই সকলোবোৰ ক্ৰিয়া কাণ্ড কৰোতে অৰ্থাৎ শ্ৰাদ্ধ আৰম্ভ কৰাৰ সময়ৰ পৰা

এজন ভকতে চোতালৰ উত্তৰ ফালে দক্ষিণ মুৱাকৈ বহি কীৰ্ত্তন পাঠ কৰি থাকে। পুৰুহিতৰ শ্ৰাদ্ধৰ কাম শেষ হোৱাৰ আগে আগে ভকতেও কীৰ্ত্তন পাঠ সমাপ্ত কৰে।

শ্ৰাদ্ধ কৰাজনে নদীত পিণ্ড অতাই অহাৰ পিছত মৃতকৰ কাৰণে এটা কুমাৰী চৰুত ভাত ৰান্ধে। ভাত ৰন্ধা হোৱাৰ পিছত কুমাৰী চৰুৰ পৰা ভাত অন্য থালত নমাই থৈ আকৌ মাছ, মাংস আদি ৰান্ধে। এই দৰে ৰন্ধা হোৱাৰ পিছত মৃতকৰ ঘৰৰ পিছপিনে এখন আগলি কলৰ পাতত ভাত মাছ-মাংস আদি আগ বঢ়োৱা হয়।

ঘৰৰ পিছপিনে মৰাক আগবঢ়োৱাৰ বাবে প্ৰথমে চাকি এঠা জ্বলাই আগলি কলপাত এখন পাৰি পাণ তামোল দি ঠোগী এখন পাতে। তাৰ পিছত কাম ধৰা জনে আঠু কাঢ়ি সেৱা জনাই সেই ঠোগীখনৰ কাষতে আগলি কলপাত এখন পাৰি তাৰ ওপৰত ভাত, মাছ, মাংস আদি ৰান্ধি নিয়া থালৰ পৰা বাওঁহাতেৰে প্ৰথমে ভাত অলপ, তাৰ পিছত দালি অলপ, পিছত মাছ-মাংস আদি অলপ অলপকৈ আগ বঢ়ায়। গাওঁৰ বুঢ়া বা পুৰুহিত বা বয়োজ্যেষ্ঠ এজনে কয় আৰু অমুকা তোৰ ডাঙৰ পুত্ৰই তোক ভাত মাছ-মাংস আদি ভক্তি ভাবে আগ বঢ়াইছে। তই কোনো দোষ নধৰি গ্ৰহণ কৰিবি। আৰু আজিৰ পৰা তই ইয়াত নেথাকি স্বৰ্গলৈ গুচি যাবি। পিছত আগবঢ়োৱাজনে হাত ধুই সেৱা কৰি বিদায় দিয়ে। এইদৰে মৃতকৰ পুত্ৰ বোৱাৰী, জী-জোৱাই আদিয়ে মৃতকৰ ভাত আগবঢ়ায়।

এইদৰে মৃতকক আগবঢ়োৱা হোৱাৰ পিছত শ্ৰাদ্ধধৰা জনে আহি চোতালত জাতিৰ লগত অন্ন গ্ৰহণ কৰে। এইদৰে অন্ন গ্ৰহণ হোৱাৰ পিছত জাতিয়ে শ্ৰাদ্ধ ধৰাজনক মূৰত তেল দিয়ে।

কিয়নো মৃতকৰ পৰিয়ালে মৃত্যুৰ দিনৰ পৰা মূৰত তেল নলয় আৰু খোৱা লোৱাতো তেল নেখায়। ৰাইজে মূৰত তেল দিয়াৰ পৰা তেল লব পাৰে আৰু ৰাইজক ভোজ দিয়াৰ পৰা তেল মছলা আদি খাব পাৰে।

এইদৰে শৰণীয়া কছাৰী সকলে মানুহ মৃত্যু হোৱাৰ পৰা শ্ৰাদ্ধলৈকে নিজৰ সংস্কৃতিৰ বৈশিষ্টৰ মাজেদি সংকাৰ আৰু উদ্ধাৰ হৈ চলি আছে।

<u>উৎসৱ পাৰ্বন</u> : উৎসৱ পাৰ্বন মানৱ জাতিৰ সভ্যতাৰ দাপোন। একোটা উৎসৱ বা পাৰ্বনৰ যোগেদি কোনো এটা মানৱ গোষ্ঠীৰ সামাজিক জীৱনৰ পটভূমি পৰিষ্কাৰকৈ ফুটি ওলায় । যেনে - অসমৰ বিহু। বিশেষকৈ বহাগ বিহু উৎসৱে অসমৰ জাতীয় জীৱন যিদৰে পৰিষ্কাৰকৈ ফুটাই তোলে তেনেকৈ আনকোনো উৎসৱে অসমীয়া জাতীয় জীৱনক ফুটাই তুলিব নোৱাৰে।

বহাগ বিহু অসমৰ সকলো জনগোষ্ঠীৰ মানুহেই পালন কৰে। এই বহাগ বিহু প্ৰতিটো গোষ্ঠীয়ে নিজৰ স্বকীয়তা বজাই ৰাখি পালন কৰে।

পণ্ডিত সকলে বিহুক জনজাতীয় সংস্কৃতিৰ অৱদান বুলি কয়। অতীজৰে পৰা জনজাতীয় সকলে পৰম্পৰাগতভাবে নিজ নিজ বৈশিষ্ট আৰু ৰীতি-নীতিৰে এই বিহু উৎসৱ পালন কৰি আহিছে। বিশেষকৈ বসন্ত ঋতুৰ কৃষি কাৰ্য্যত আত্ম নিয়োগ কৰাৰ আগেয়ে এই বিহু উৎসৱ পালন কৰা হয়। এই ক্ষেত্ৰত বড়ো কছাৰী সকলৰ বৈছাগু উৎসৱ, মিচিং সকলৰ 'আলি আই লিগাং' ৰাভা সকলৰ 'বায়ুখ' উৎসৱ, তিৱা সকলৰ 'ছুগ্ৰামিছাবা' উৎসৱ আৰু শৰণীয়া সকলৰ 'গোছাই বাঁ' (গোহাই বাঁ) উৎসৱ উল্লেখ কৰিব পাৰি।

**<u>শৰণীয়া কছাৰীৰ বহাগ বিহু উৎসৱ</u>** ঃ শৰণীয়া সকলে বহাগ বিহুক 'বহাগৰ দোমাহী'' বুলি কয়। এই বহাগ বিহু শৰণীয়া সকলে বৰ উলাহ মালহেৰে পালন কৰে। এই বহাগ বিহু বা 'বহাগৰ দোমাহী' এতিয়া গোটেই অসমতে ৰঙালী বিহু বুলি সৰ্বজন বিদিত। এই বিহু আতীতৰ পৰা দুই ধৰণে গৰু বিহু আৰু মানুহ বিহু হিচাবে পালন কৰা হয়। এই দৰে পালন কৰি আহোতে জনমানসত কিছুমান গভীৰ বিশ্বাস সুমাই পৰিছে। এনে জনবিশ্বাস সমূহ বহাগ বিহুত বিশেষ ভাবে প্ৰস্ফুৰিত হয়।

চ'তৰ বিহুৰ দিনা গৰুৰ ওপৰত বিশেষ পবিত্ৰতা আৰোপ কৰা হয়।চ'তৰ সংক্ৰান্তিৰ দিনা গৰুক কেন্দ্ৰ কৰিয়েই বহাগ বিহুৰ পাতনি মেলা হয়। সেইদিনা ৰাতিপুৱা শুই উঠিয়েই আগতে যতনাই থোৱা মা-হালধী এটা পাত্ৰত মিহিকৈ বতিলৈ তাত অলপ মিঠাতেল দি গৰুৰ শিঙৰ পৰা আৰম্ভ কৰি গৰুৰ গাত ঘহি দিয়া হয়। তাৰ পিছত হালধী আদি সৰুসৰুকৈ কাটি একদলিয়া দুই দলিয়া আৰু তিনিদলিয়া তঙালেৰে মালাগাঠি লোৱা হয়। সেই দিনা গৰুক বাহৰ লৰুৰে কোবাব নেপায়। সেয়ে সেইদিনাৰ কাৰণে আগতিয়াকৈ মা-খাইতি,দীঘলতি, তৰা,ভেদেই লতা গছ আদি যতনাই থোৱা হয়। মা হালধী গোহালীত গৰুক সনাৰ পিছত গোহালীৰ পৰা গৰু উলিয়াই নদীলৈ গাধোৱাবলৈ নিয়া হয়। নিওতে বাটত দীঘলটী তৰা, মা-খাইতি আদিৰে কোবাই খেদি নিয়া হয়। নদীত সমূহীয়া ভাবে গা ধুৱোৱা হয়। নদীত চাৰিওফালে মানুহৰ জুমে গৰুবোৰ আগুৰি ৰাখে। গাওঁৰ সকলো গৰু নিয়া হোৱাৰ পিছত গাওঁৰ বয়োজ্যেষ্ঠ এজনে পোনতে গৰুৰ গাত পানী মাৰে। তাৰ পিছত সকলোৱে গৰুবোৰক পানী মাৰি গাধুৱাই দিয়ে। পানীৰে গা ধুৱাই দিয়া হোৱাৰ পিছত সকলোৱে মালাগাঁঠি নিয়া লাউ বেঙেনাৰে গৰুৰ গাত মাৰি দিয়ে আৰু গৰুক —

"লাউ খা বেঙেনা খা বছৰে বছৰে বাঢ়ি যা

মাৰ সৰু বাপেৰ সৰু তই হবি বৰ গৰু " ।।

বুলি আশিৰ্বাদ দি ভালদৰে গা পা ধুবাই দিয়ে। সেই দিনা গৰুক দৰখ (এবাল) দিয়া নহয়। গৰু গা ধুবা হোৱাৰ পিছত মালাবোৰ তিনি খৰৰ মাজত তিনিবাৰ সালসলনি কৰিব লাগে। গৰু গা ধুবা হোৱাৰ পিছত মানুহেও গা ধুয়। গা ধুবাৰ আগতে গৰুৰ পুৰণি পঘাবোৰ নদীৰ পানীত ধোৱা হয়। তাৰে এডাল পঘা নদীত সংখ্যা দিয়াৰ কাৰণে দিয়া হয়। এই সাংখ হল গাওৰ কেইবা ঘৰৰ পঘা লগ লগাই নদীৰ ইপাৰৰ পৰা সিপাৰলৈ লগপোৱাকৈ জোৰা দি দি দীঘলকৈ নিয়া হয়। যেতিয়া নদীৰ ইপাৰ সিপাৰ লগ পায় তেতিয়া বচিৰ বা পঘাৰ দুয়ো মূৰে "মা খাইতি"ৰ ঠাবি দুটা বান্ধি খুটা কৰি নদীৰ দুয়োপাৰে পুতি দিয়ে। ইয়াৰ পিছত অৱশিষ্ট মালা কেইডাল আৰু মা-খাইতি দীঘলতি আদি ঘৰলৈ লৈ আহি গোহালী ঘৰত ভালদৰে বান্ধি থোৱা হয়। এইদৰে থলে গৰুৰ কোনো অপায় অমঙ্গল নহয় বুলি বিশ্বাস।

গৰু বিহু দিনা পুৱা গৰুৰ গাত ঘহা কেঁচা হালধিৰ ৰস গৃহস্থৰ সকলো মানুহে গাত ঘহি গা ধুব লাগে ।এইদৰে গা ধুলে বছৰটোৰ বাবে মানুহৰ ছালৰ বেমাৰ নহয় বুলি বিশ্বাস।

গৃহস্থৰ সকলোৱে গা ধুই উঠি তথা গাওৰ বাইজে সকলোৱে গা ধুই উঠি গোহাই ঘৰলৈ যায়। গোহাই ঘৰত বাইজৰ হৈ দেউৰীয়ে চাকি দিয়া। চাকি দিয়া হোৱাৰ পিছত "গোহাই বা" থকা সকলে বা বজাৰ কাম কৰে। এই বিষয়ে পিছত আলোচনা কৰিম।

সেই দিনা গৰু গা ধুবাই ঘৰলৈ অহাৰ পিছত শৰণীয়া সকলে প্ৰত্যেকে নিজৰ ঘৰৰ থাপনাত চাকি জ্বলায়। এখন চালনিত লাউ বেঙেনা পাণ তামোল আদি লৈ থাপনা পাতি ঠোগি দিয়ে। এই ঠোগী খন গৃহস্থৰ পূৰ্ব পুৰুষ সকলক সোঁৱৰণ কৰি দিয়া হয়। বিশ্বাস যে উপৰি পুৰুষৰ আত্মাই সেইদিনা নিজে স্থাপন কৰা ঘৰলৈ আহে। পৰলোক আত্মাই যাতে অসন্তোষ নহয় তাৰ কাৰণে এই ঠোগী আগ বঢ়োৱা হয়। গৰু বিহুৰ দিনা দুপৰীয়া পইতা ভাত খোৱা নিয়ম। এই পইতা ভাত সেইদিনা এশ এবিধ শাক পাচলি মিলাই বন্ধা আঞ্জাৰে খোৱা নিয়ম। পইতা ভাত এশ এটা শাকেৰে খাব পাৰিলে গোটেই বছৰটোতে শৰীৰত কোনো বেমাৰ আজাৰ নহয় বুলি বিশ্বাস।

এই দৰে গৰু গা ধুবাই ঘৰলৈ আহি পইতা ভাত এশ এবিধ আঞ্জাৰে খাই উঠি ডেকা ল'ৰাবোৰে কণী যুঁজলৈ যায়। কণী যুঁজত হৰা জিকাতো বছৰৰ ভাগ্য পৰীক্ষা। কণী যুজৰ হৰা জিকাৰ ওপৰতেই বছৰৰ উপাৰ্জনৰ ফলাফল নিৰ্ণয় কৰিছিল পুৰণি

কালিত। এতিয়া অৱশ্যে কণী যুঁজ প্ৰায় উঠি গৈছে।

গধুলী গৰু ঘৰলৈ অহাৰ পিছত গৰুকলৈ গোহালী ঘৰত এটি মাঙ্গলিক অনুষ্ঠান পতা হয়। সেইদিনা গধুলী গোহালী ঘৰত জাগ দিয়াৰ বাবে ধানখেৰ এক কোচা আনি গোহালী ঘৰৰ কাষত থোৱা হয়। তাৰ ওপৰত অলপ ধানৰ তুহঁ দিয়া হয়। তুহঁৰ লগত তুলসী পাত, বেল পাত, ভাঙৰ পাত, মাখিয়তী, দীঘলতী গছৰ পাত ইত্যাদি লগ লগাই জুই দি তাৰ ধোৱা গোহালী ঘৰত গৰুক দিয়া হয়। ইয়াকে জাগা বা গাজ দিয়া বুলিও কোৱা হয়। এই জাগাৰ ধোৱাই মহ দাহ আদি খেদাৰ ওপৰিও বেমাৰৰ জীৱাণু নাশকৰে। সেই দিনা গৰুক নতুন পঘাৰে বিহান দিয়া হয়। অৰ্থাৎ সেইদিনা গৰুক পুৰণি বন্ধা ৰচিবোৰ সলাই নতুন ৰচিৰে বন্ধা হয়। গৰু বন্ধাৰ আগেয়ে চালনী এখনত এটা চাকি জ্বলাই আগলি কলপাত এখনত পাণ তামোল লৈ তাৰ লগতে গৰুৰ কাৰণে নতুন ৰচিবোৰ সেই চালনী খনত তুলি লৈ গোহালীঘৰলৈ নিয়া হয় আৰু সেই নতুন ৰচিৰে সেইদিনা গৰু বন্ধা হয়। ইয়াকে গৰুৰ বিহান বুলি কোৱা হয়। ইয়াৰ পিছতে গৰুক বালা নিমখ খুওৱা হয়। কিছুমানে কলা নিমখ চাউলৰ লগত পিঠা পুৰি খুৱায়। এইদৰে খুৱালে গৰুৰ বছৰটোলৈ পেটৰ অসুখ নহয় বুলি বিশ্বাস।

এইবোৰ জনবিশ্বাস শৰণীয়া তথা সকলো অসমীয়া সমাজতে আবহমান কালৰ পৰা চলি আহি আজি ই সংস্কৃতিৰ ৰূপত পৰিছেহি। গৰু বিহু ইমানতে সামৰণী পৰে।

<u>মানুহৰ বিহু আৰু বিহান</u> **:** নতুন বছৰৰ এক তাৰিখৰ পৰা ছয় তাৰিখলৈ মানুহৰ বিহু বুলি কোৱা হয়। বহাগৰ এক তাৰিখৰ দিনা ৰাতিপুৱাই ঘৰদুৱাৰ পৰিষ্কাৰকৈ মুচি লয়। ৰন্ধা বঢ়া কৰা চৰু হাড়িস্কোৰ ধুই পেলায়। ইয়াকে চৰু পেলোৱা বুলিও কোৱা হয়। লগতে গৃহস্থৰ সকলো মানুহে গা পা ধুই শুচি হৈ লয়। এইদৰে ঘৰ আৰু মানুহ শুচিহৈ লোৱাৰ পিছত থাপনাত এখন ঠোগী পতা হয়। এই থাপনাত চাকি বন্তি জ্বলাই লৈ পাণ তামোল আৰু প্ৰসাদেৰে আগলি কল পাতত আগ বঢ়াই পতা হয়।

<u>বিহান (বিহুৱান)ৰ গামোচা</u> **:** এই থাপনাৰ লগতে চালনি এখনত গৃহস্থৰ মুল মহিলা গৰাকীয়ে পৰিয়ালৰ সকলো সদস্যৰ কাৰণে বিহান (বিহুৱান) গামোচা আগ বঢ়ায়। পিছত ঠোগী ভাঙি থাপনাৰ পৰা বিহানৰ পৰা চালনিখন আনি পৰিয়ালৰ সকলোকে বিহান দিয়ে। প্ৰথমে পৰিয়ালৰ বয়োজ্যেষ্ঠ জনক বিহান দিয়া হয় আৰু পৰিয়ালৰ সকলোৱে তেওঁক সেৱা জনায়। তাৰ পিছত একাদিক্ৰমে জ্যেষ্ঠ কেইজনক

বিহান দি সেবা জনোবা হয়। সৰুক বিহান দি মৰম জনোৱা হয়।

বিহানে (বিহুৱানে) বৰ্ত্তমান ৰঙালী বিহুত মুখ্যস্থান লাভ কৰিছে। বিহুৱানৰ বিষয়ে ভৃগু মোহন গোস্বামীয়ে সুন্দৰকৈ বৰ্ণনা কৰিছে। বিহান বুলিলে এতিয়া কেবল গামোচাখনকহে বুজায়। ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ হেমকোষৰ মতে বিহুৱানৰ অবিধা হল, বিহুৰ ভেটি; বিহুত দিয়া নতুন কাপোৰ। বহাগৰ বিহুত গোহাই, ডাঙৰ সৰু, প্ৰণয়-প্ৰণয়ণী সকলোকে বিহুৱান দিয়া হৈছিল। নামনি অসমত বিহুৱান শব্দতো বিহান হিচাবে ব্যবহাৰ হয়। মাঘৰ দোমাহিৰ পিছতে শিপীনিয়ে বিহুৰ কাপোৰ ৰবলৈ আৰম্ভ কৰে। মাঘ ফাগুন এই দুই মাহৰ ভিতৰতে বিহান বোৰ বোৱা শেষ কৰি লয়। চ'ত মাহত আগেয়ে বিহান বোৱা নিষেধ আছিল। প্ৰণয়ণীয়ে কাপোৰ বৈ জপা ভৰাই থৈছিল। সেয়ে বিহুগীতত আছে —

জপা গৰকিলে জপাৰে বৰকাপোৰে
দেহা গৰকিলে প্ৰেমে
প্ৰেমৰে জালতে মৰো কলেমলিয়াই
মাৰিও নিনিয়ে যমে।

বিহুত প্ৰণয়নিয়ে প্ৰণয়ীক দুটা বস্তু বিশেষকৈ দিছিল সেয়া হল হাঁচতি আৰু গামোচা। হাঁচতি হল – তামোল গামোচা, তামোল পাণ আদি বান্ধি লৈ ফুৰা সৰু ঠেক কাপোৰ। এতিয়াৰ প্ৰণয়ীয়ে হাঁচতি নলয়। কিন্তু আগৰ দিনত হাঁচতিখন বোৱাত বেয়া হলে প্ৰণয়ীয়ে এই দৰে ঠাট্টা কৰিছিল -

আগফালে এখনি পিচফালে এখনি
শিপিনিৰ দুখন শাল,
আমাৰে শিপিনি হাঁচতি যাচিছে
মোৱামাছ ধৰিবলৈ ভাল ।

আকৌ প্ৰণয়িণীয়ে হাঁচতি উপহাৰ দি এই কথাও সোৱৰাই দিছিল –

হাঁচতি হাঁচতি কৰ এই হাঁচতি
হাঁচতি থৈছো বৈ
হাঁচতি পাবি তই মোকহে নেপাবি
কান্দিবি আগতে লৈ ।

এই হাঁচতিখন বিহুৰ এক প্ৰকাৰ ভেটি স্বৰূপ আছিল। সময়ৰ লগে লগে শিপিনীৰ কাপোৰ বোৱাৰ পৰিবৰ্ত্তন ঘটিছে।আগতে কপাহ নেওঠি, ধুনি, সুতাকাটি

কাপোৰ বৈছিল। প্ৰণয়িণীয়ে গোবা এই বিহুগীত এতিয়া অচল —

ৰাতি দুপৰলৈ কাটি সূতা লাহী

ধনলৈ বিহুবান বলোঁ

ৰঙাকৈ আচুৰে বাছি পানে কটা

টিপতে লকুৱাই থলো ।

প্ৰেমিকে শিপিনীয়ে বোবা কাপোৰখন পাবলৈ এইদৰে প্ৰশ্ন কৰিছিল —

হাতেৰে কাজিহে কি কাম কৰিলা

বিহুবান গামোচা কতা ?

ইয়াৰ উত্তৰত প্ৰণয়িনীয়ে এই দৰে দিছিল –

দেখিলি বুলিয়ে পাবি কেনেকৰি

বিহুবান কপালত নাই ।

প্ৰণয়নিৰ বাহিৰেও মায়ে দিয়া বিহুবানখনৰ মূল্য কম নাছিল। যাৰ মাক নাই মাউৰা তাৰ বিহুবানো নাই। সেয়ে খেদ কৰি গাইছিল –

বিহুতি চৰায়ে কৰে বিহু বিহু

আমাৰ বিহুৰ কাপোৰ নাই

সমনীয়াই সুধিলে কমে কি বুলি

সৰুতে মৰিগল আই ।

তাত শালখন শিপিনীৰ এবিধ নোবাৰা বস্তু আছিল। সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে এজনী মহিলাই এতিয়া বিভিন্ন কাম কৰিব লগীয়া হৈছে। কেৱল তাত শাল খনেৰে শিপিনীৰ পেটে নভৰে। হাঁচতি খোজা বিহুবাক এতিয়াৰ শিপিনীয়ে এই দৰে নোসোধে —

তুমিযে খুজিছা এখনি হাঁচতি

ববলৈ টোলোঠা নাই

ইয়াৰ উত্তৰ বিহুবায়ো এইদৰে দিয়ে —

উজনী নামনি কেউৰাজ মাৰিলো

টোলোঠাৰ নেপালো গছ ।

সমাজ পৰিবৰ্ত্তনৰ লগে লগে পৰম্পৰাই মোট সলায়। আমাৰ বিহুবানৰ ক্ষেত্ৰতো সেয়ে পৰিবৰ্ত্তন আহি পৰিছে। বহাগৰ সৈতে গৰু ওত: প্ৰোত ভাবে জড়িত আছিল। গৰুক বিহুবান দিয়া প্ৰাচীন প্ৰথা। গাবৰ খেতিয়ক সকলে গৰুৰ বিহুবানৰ

কাৰণে শনি বা মঙ্গলবাৰে পঘাত গুণ দিছিল। আকৌ এই বিহুৰ পঘাৰ লগত তৰা অকন অকন লগাই দিছিল। ইয়ে মৰাপাতৰ আগতে তৰাৰে বনোৱা ফয়ৰে গৰু মহ বন্ধাৰ কথা সোঁৱৰাই।

বহাগ বিহুত অকলযে গৰুকে বিহুবান দিছিল এনে নহয়। গৰু, মহ, ছাগলী সকলো পোহনীয়া জীৱ-জন্তুকে বিহুবান দিছিল। যাৰ হাতী আছিল তেওঁলোকে হাতীকো বিহুবান দিছিল। আনহাতে শিপিনীৰ তাঁতশাল শনৰবাৰে যিবোৰ আহিলা লাগে সেইবোৰ এই বিহুৰ সময়তে নতুনকৈ বনাইছিল। ইয়ো এক প্ৰকাৰ বিহুবান। কুমাৰৰ চকাতো বিহুবান দিয়া হৈছিল। বহাগ বিহুৰ উৰুকাৰ দিনা চাকত চাকি বন্তি দি মাহ চাউল লাড়ু চাকলৈ আগ বঢ়ায়। যাৰ যি জীৱিকাৰ উৎস তাতেই বহাগ বিহুত বিহুবান দিয়াৰ প্ৰথা আছিল।

এইদৰে বিহান দিয়া লোৱা হোৱাৰ পিছত সকলোৱে মিলি পিঠা পনা খাই গোহাই ঘৰলৈ যায়। গোহাই ঘৰৰ গোহাই বাঁহ বন্ধা কাম কৰে। গোহাই বাঁ ফুৰাই বিহুমাৰিবলৈ যায়।

বহাগ বিহু উৎসব-পাৰ্বনৰ ৰংৰইচতে আবদ্ধ থকা নাই। ই মানৱ সভ্যতাৰ নৈতিকতা আৰু শিষ্টাচাৰৰ জ্ঞান আহৰণ কৰাতো সহায় কৰিছে।

ঘৰৰ ন বোৱাবীয়ে শহুৰ-শাহুৰেকক সেৱা লয়। পিছত নিজৰ মাক দেউতাকক সেৱা লবলৈ যায়। ঠিক তেনেকৈ ল'ৰায়ো নিজৰ মাক দেউতাকক সেৱা কৰাৰ পিছত শহুৰ শাহুৰেকক সেৱা লবলৈ যায়। শহুৰ শাহুই নবোৱাবীক বিহান দি আশীৰ্বাদ দিয়ে। ঠিক তেনেকৈ জোঁৱাইকো শহুৰ শাহুৰেকে নতুন কাপোৰ বিহান দি আশীৰ্বাদ দিয়ে।

গৃহস্থৰ তিৰোতা মানুহে তথা পুৰুষ সকলেও গাওঁৰ বয়োজ্যেষ্ঠ জনক এই বিহুৰ দিনাই সেৱা জনাই আশীৰ্বাদ গ্ৰহণ কৰে।

এইদৰে শৰণীয়া তথা গোটেই অসমবাসীয়ে বিহুৰ বিহানৰ জৰিয়তে পৰিয়াল তথা গোটেই সমাজখনকে মৰম, প্ৰেম-প্ৰীতি আৰু শ্ৰদ্ধাৰ বান্ধেৰে বান্ধি ৰাখিছে।

<u>গোসাই ঘৰ আৰু গোসাই বাঁহ</u> : শৰণীয়া সম্প্ৰদায়ৰ প্ৰত্যেক গাৱঁতে একোটাকৈ গোসাই ঘৰ থকাটো এক সুকীয়া বৈশিষ্ট। এই গোসাই ঘৰৰ পৰাই শৰণীয়া সকলে বহাগ বিহুত এখন বহাগৰ পৰা সাত বহাগলৈ "গোসাই বাঁহ" উলিয়াই গাৱে গাৱে পৰিভ্ৰমণ কৰে। এই গোসাই বাঁ উৎসৱ শৰণীয়া সকলৰ মাজত পূৰ্ব পৰম্পৰা-গতভাবে চলি আছে।

বহাগ বিহুৰ গৰু বিহুৰ দিনা অৰ্থাৎ চ'তৰ সংক্ৰান্তিৰ দিনা গোহাই বাঁ সজোৱা

হয়। ইয়াকে গোহাই বাঁ বন্ধা বুলিও কোৱা হয়। সেইদিনা গৰু বিহু পালন কৰি উঠি অৰ্থাৎ গৰু গা ধুৱাই উঠি গাওৰ ডেকা-বুঢ়া সকলোৱে গোসাই ঘৰলৈ যায়। গোসাই ঘৰৰ দেউৰীয়ে গোসাই ঘৰৰ তৰোৱালখন উলিয়াই লৈ লগত দুজন মানুহ লৈ গোসাই বাঁহৰ কাৰণে বাঁহ কাটিবলৈ যায়। বাঁহৰ চুবৰ পূবফালৰ পুৰঠ জাতি বাঁহ এডাল কাটি লৈ আহে। বাঁহডাল গোসাই ঘৰলৈ আনি নিৰ্দিষ্ট জোখত কাটি উলিয়ায। এই বাহডাল ৯ হাত ৫'' দীঘল ।

এই বাঁহডাল ভালকৈ ধুই লৈ দাৰে চাচি চুচি সমান কৰে। তাৰ পিছত গোসাই বাঁহডাল এখন বগা কাপোৰেৰে মেৰিয়াই বা বগা কাপোৰৰ জামা পিন্ধাই দিয়ে। তাৰ পিছত সেই বগা কাপোৰখনৰ ওপৰত ৰুমাল ফুলাম গামোচা চোঁৱৰ আদি পিনমাৰি নাইবা বান্ধি দি গোটেই বাঁহডাল ধুনীয়াকৈ সজাই তোলা হয়। বাঁহডালৰ ওপৰত এটা পিতলৰ মুকুত পিন্ধাই তাত তেল সেন্দুৰ সানি ফুলৰ মালা পিন্ধোৱা হয়। তাৰ পিছত গোসাই ঘৰৰ আগত থাপনা পাতি এটা খুটাত বাঁহডাল বান্ধি ৰখা হয়। ধূপ-ধুনা জ্বলাই পূজাপাতি নতুন বছৰৰ শুভকামনা কৰা হয়।

পিছদিনা বহাগ মাহৰ এক তাৰিখ গাওৰ ডেকা-বুঢ়া সকলোৱে গা পা ধুই পবিত্ৰ হৈ গোসাই ঘৰলৈ আহে আৰু গোসাই বাঁহ, ঢোল, তাল, শঙ্খ ঘণ্টা বৰকাহ আদি লৈ গাওৰ ঘৰে ঘৰে ফুৰাবলৈ আৰম্ভ কৰে।

গোসাই বাঁহডাল ফুৰুৱাৰ বাবে বাঁহডালৰ দুইমুৰত দুজন মানুহৰ প্ৰয়োজন। বাঁহডালৰ আগৰ পিনে ধৰা জনক "আগধৰা' আৰু গোৰৰ পিনে ধৰা জনক "গোৰ ধৰা" বুলি কোৱা হয়।। "আগধৰা" জনৰ হাতত "গোসাই বাঁহ" ডাল থিয় কৰি ৰখাৰ বাবে এখন বঁটা থাকে। এই বঁটাখনত ফুল আৰু পাত ভৰ্তি কৰি এখন বগা কাপোৰেৰে আবৰণ দি ৰখা হয়। যেতিয়া মানুহৰ চোতাল পায় তেতিয়া আগধৰাজনে বাহডাল ওপৰলৈ উৰুৱাই দিয়ে আৰু গোৰধৰাজনে বাঁহ ডাল কিছু সময় ওপৰতে ধৰি ৰাখে। তাৰ পিছত আগধৰাজনে হাতত থকা বঁটাখন গৃহস্থই চোতালৰ আগত গোসাই বাঁহ যোৱাৰ আগে আগে পানীৰে মুচি থোৱা ঠাইত থব আৰু গোৰধৰা জনে বাঁহ-ডাল মাটিত নলগাকৈ সেই বঁটাখনৰ ওপৰত থব। গোসাই "বাঁহ" চোতালত থিয় হোৱাৰ পিছত গৃহস্থই গোসাই "বাঁহ"' আগমনৰ বাবে আগেয়ে সাজু কৰিৰখা ঠগি নৈবেদ্য ধূপ,ধুনা, চাকি নৈবেদ্য বৰগুণি আদি এখন কলপাত পাৰি দি আগবঢ়ায় । কোনো কোনো গোসাই বাঁহত দেউৰীজন লগত যায়। তেতিয়া তেওঁ গোসাইৰ আগত নৈবেদ্য আগবঢ়ায়। নৈবেদ্য আগবঢ়োৱাৰ পিছত বাইজে নাম পৰিবেশন কৰে। অৱশেষে সকলো

গৃহস্থৰ ঘৰতে নাম পৰিবেশন কৰিব নিদিয়ে। বাঁহ গোসাই যোৱাৰ লগে লগে আগলতি কলপাত পাৰি দি সাধ্যানুসাৰে চাউল আৰু মাননি দি বাঁহ গোসাইৰ সন্মুখত আঠু লয়। বাঁহ গোসাইৰ লগত যোৱা ৰাইজে হৰিধ্বনি দি আশীৰ্বাদ দিয়ে। বঁটাৰ পৰা ফুল এপাহ উলিয়াই সেৱা কৰাজনক নিৰ্মালী দিয়ে।

নাম পৰিবেশন কৰা গৃহস্থৰ ঘৰত নাম শেষ হোৱাৰ পিছত গৃহস্থৰ সকলো সদস্যই গোসাই বাঁহৰ সন্মুখত আঠুলৈ সেৱা কৰে। নিজৰ মনৰ কামনা পূৰণৰ বাবে ভগৱানৰ ওচৰত আশীৰ্বাদ বিচাৰে। উপস্থিত ভকত সকলে গৃহস্থৰ মনৰ কামনা পূৰণ হওঁক বুলি বাঁহ গোসাইৰ নাম ধৰি “জয় গোপালক সুমৰি হৰি বোল, হৰি বোল, হৰি বোল”, গৃহস্থৰ মনৰ কামনা পূৰ্ণ হওঁক হৰিবোল হৰিবোল হৰিবোল, এই বুলি আশীৰ্বাদ দিয়ে।

গৃহস্থৰ চোতালত বিভিন্ন নাম কীৰ্ত্তন কৰাৰ ওপৰিও কিছুমান ধেমেলীয়া গীতো গোৱা শুনা যায়। তাৰে কেইটিমান —

(১)

বেং কান্দে তৰং তৰং
চাপৰা মাটিৰ তলত
নতুন আপিৰ ছাওৱা কান্দে
চিৰা কেথাৰ তলত ।
অ কাকা লেওঁকা
কথা হৈছে টান
গাংবুঢ়াৰ দুটা তিৰি
এটা কাটে ধান ।।

(২)

পাণ খালু তামোল খালু
পেলাই আহিলো পিত
চিলমিলা ঘুমতিত
মাৰি দিলো গীত ।

(৩)

পাণ খালু তামোল খালু
লাগি থাকিল গলত

পানী খাবা গেলং মই
গোসাই দোঙৰ পাৰত ।।

(৪)

ধুলীয়া ধান পেলালোং
বতাহ কায়া হল
বতাহ কায়াৰ জীয়াকটো
বিয়া দিবৰ হল।

(৫)

বাতাবনত পৰি কান্দে
ৰঙা কুকুৰা
ঝেয়াঁৰ লগত ঘিলা খেলে
কেয়া ডাকুৰা ।।

(৬)

পানী পৰে চিৰিপ চিৰিপ
মহদাহে খায়
কাপুৰ কানিৰ দুখতে
ডাঙায় হুবা যায়।

(বি:দ্র: -স্মৃতিগ্রন্থ ৫০০ বছৰীয়া জয়ন্তী কছুবাৰী, ৰাভা সাহিত্য সভা, তামুলপুৰ)

এইদৰে গৃহস্থক আশীৰ্বাদ দিয়াৰ পিছত গৃহস্থই আগবঢ়োৱা মাহ প্ৰসাদ আনন্দ মনে গ্ৰহণ কৰি গোসাই বাঁহ অন্য ঘৰলৈ নিয়ে।

গোসাই বাঁহ পোনতে কোনো মান্যবৰ ঘৰলৈ নিয়া হয়। তাৰ পিছত গোসাই ঘৰৰ দেউৰীৰ ঘৰলৈ নিয়া হয়। তাৰ পিছত হে সৰ্বসাধাৰণ ৰাইজৰ ঘৰলৈ নিয়া হয়। দিনটো গোসাই বাঁহ ফুৰাই গধূলী সূৰ্য্য অস্ত যোৱাৰ লগে লগে গোসাই ঘৰত বাঁহ সোমাই থোৱা হয়। এইদৰে গোসাই বাহ ফুৰোৱা উৎসৱ বৰ বিহুৰ পৰা সাত বিহুলৈ চলে। ৰাইজৰ পৰা পোৱা চাউল টকা পইচা আদিৰ এটা অংশ গোসাই ঘৰৰ উন্নয়নৰ কাৰণে ব্যয় কৰা হয় আৰু বাকী অংশ ৰাইজে দলভাত খায়। বৰছটোলে গোসাই বাঁহ ফুৰোৱা ইমানতেই সামৰণী পৰে।

<u>হোম পুৰা আৰু গোসাই বাঁহ খহোৱা উৎসৱ</u> ঃ গোসাই ঘৰৰ হোম পুৰা উৎসৱ আৰু গোসাই বাঁহ খহোৱা উৎসৱ বহাগৰ তেৰ তাৰিখে কৰে। কিছুমানে

বহাগৰ সাত তাৰিখ আৰু কিছুমানে বহাগৰ ৩১ তাৰিখে কৰা দেখা যায়। ই শৰণীয়া সকলৰ বৰ আৰম্বৰ পূৰ্ণ উৎসৱ। উক্তদিনা গোসাই ঘৰত ৰাইজৰ মঙ্গলৰ কাৰণে গোসাই ঘৰ পৰিচালনা সমিতিৰ জৰিয়তে পুৰুহিতৰ দ্বাৰা হোম পুৰা হয়। হোম পুৰাৰ প্ৰাসংগিকতাৰ বিষয়ে পিছত আলোচনা কৰিম। এই উৎসৱলৈ নিজৰ গাওঁৰ ওপৰিও দূৰণীৰ পৰাও শ শ ভক্ত আগেয়ে মানস কৰি থোৱা ঠগি, নৈবেদ্য, হাঁহ, পাৰ, ছাগলী আদি লগত লৈ আহে। এই নৈবেদ্য সমূহ গোসাই ঘৰৰ পৰিচালনা সমিতিৰ হাতত দিয়ে আৰু পৰিচালনা সমিতিয়ে ভক্তজনৰ নাম কৈ হোমৰ অগ্নিত পুৰুহিতৰ জৰিয়তে আহুতি ধালে।

পুৰুহিতে হোম পুৰি থকা সময়তে আনপিনে নাম কীৰ্ত্তন চলি থাকে। এই নাম কীৰ্ত্তনৰ দল সমূহে ভগৱানৰ আশীৰ্বাদ পোৱাৰ বাবে নিজে মানস কৰি নাম গাবলৈ আহে। এই নাম কীৰ্ত্তনৰ দল সমূহে এটা দলৰ নাম শেষ হলে আনটো দলে গায়। এইদৰে হোম শেষ নোহোৱালৈকে নাম কীৰ্ত্তন চলি থাকে। হোম শেষ হোৱাৰ পিছতে সকলোৱে গোসাইৰ আগত আঠু কাঢ়ি সেৱা লয় আৰু পুৰুহিতে সকলোকে নিৰ্ম্মালী দিয়ে। নিৰ্ম্মালী লোৱা শেষ হোৱাৰ পিছত গোসাই বাঁহডাল গোসাই ঘৰৰ পৰা দুজন ডেকা ল'ৰাই উলিয়াই লৈ আহে আৰু গোসাই ঘৰৰ সন্মুখত আদৰা জনে ওপৰলৈ উৰুৱাই দিয়ে। গৰধৰাজনে গোসাই বাঁহডাল ওপৰতে ধৰি থাকে। তাৰপিছত সমূহ ৰাইজে ঢোল,তাল, সংখ,ঘণ্টা আদি বজাই গোসাই বাঁহডাললৈ গোসাই ঘৰৰ চাৰিওফালে গোসাইৰ নাম গুণ বৰ্ণনা কৰি গান গাই গাই সাত পাক ঘূৰে। এই দৰে ঘূৰোতে প্ৰতিবাৰতে গোসাই বাঁহদাল গোসাই ঘৰৰ সন্মুখ পোৱাৰ লগে লগে আগৰ মুকুটটোৱে গোসাই ঘৰৰ পিনে মোৰ দোৱাই সেৱা কৰে। এই দৰে গোসাই সাত পাক ঘূৰাই থাকোতে আয়তি সকলে গোসাইৰ দশ-অৱতাৰৰ ৰূপ বৰ্ণনা কৰি গীত গাই থাকে। সেই গীত বোৰ হ'ল —

গোসাই সাত পাক ঘূৰে পাৰুৱা বুলনে বুলে
গোসাইৰে আগতে ছোঁৱাৰে বৰিছে, আগ হালি হালি পৰে। ¹
প্ৰথমে প্ৰণাম ব্ৰহ্মাৰূপি সনাতন
সৰ্বঅৱতাৰৰ কাৰণ নাৰায়ণ
গোসাই সাতপাক ঘূৰে পাৰুৱা বুলনে বুলে
গোসাইৰে আগতে ছোঁৱাৰে বৰিছে আগহালি হালি পৰে।
তযূ নাভি কমলত ব্ৰহ্মা ভৈলাজাত

যুগে যুগে অবতাৰ ধৰা অসংখ্যাত
গোসাই সাত পাক ঘুৰে পাৰুবা বুলনে বুলে
গোসাইৰে আগতে ছোঁৱাৰে বৰিছে আগ হালি হালি পৰে।
মৎস্যৰূপে অৱতাৰ ভৈলা প্ৰথমত
উদ্ধাৰিলা চাৰিবেদ প্ৰলয় জলত
গোসাই সাতপাক ঘুৰে পাৰুবা বুলনে বুলে
গোসাইৰে আগতে ছোঁৱাৰে বৰিছে আগ হালি হালি পৰে।

এইদৰে গোসাই সাতপাক ঘুৰা লৈকে আয়তি সকলে ভগৱানৰ দশঅৱতাৰৰ ৰূপ বৰ্ণনা কৰি নাম গাই থাকে।

সাতপাক ঘুৰা শেষ হোৱাৰ পিছত গোসাই বাঁহডাল পুনৰ গোসাই ঘৰৰ ভিতৰলৈ নিয়া হয় আৰু বাহ ডাল দুডাল বাঁহৰ মাৰিৰ ওপৰত পেলাই লৈ বাঁহডালৰ পৰা ৰুমাল কাপোৰ ছোঁৱাৰ আৰু মুকুত আদি খুলি হোমৰ পানী চতিয়াই চোঘৰৰ ভিতৰত বাকচত সোমাই থোৱা হয়। আন পিনে আগৰ বছৰৰ পুৰণি বাঁহডাল চোঘৰৰ পৰা উলিয়াই অনা হয় আৰু নতুন বছৰৰ বাঁহডাল চো ঘৰৰ ভিতৰত থোৱা হয়। আগৰ পুৰণি বাঁহডাল চো ঘৰৰ পৰা উলিয়াই অনা হয় আৰু সেই বাঁহডালৰ ভেলৰ ওপৰত দি অৰ্থাৎ হোম শেষ হোৱাৰ পিছত যিবোৰ নৈবেদ্য নদীত উটুৱাই দিবলৈ নিয়া হয় তাৰ লগতে উক্ত বাঁহডালো উটুৱাই দিবলৈ নিয়া হয়। উক্ত ভেলখন চাৰিজন ডেকা লৰাই চাৰিটা কোণত ধৰি নদীলৈ উটুৱাই দিবলৈ নিয়ে। পিছে পিছে ঢোল তাল ঘণ্টা আদি বজাই বছৰৰ কাৰণে গোসাই বাঁহক উটুৱাই দি বিষৰ্জন দিয়ে। নদীত উটুৱাই দি বিষৰ্জন দি ঘুৰি আহোতে পিছ পিনে ঘুৰি চাব নেপায়।

ইয়াৰ পিছত গোসাই ঘৰৰ সন্মুখত সকলো ভক্তই বহী গোসাই সেৱা কৰে আৰু পুৰুহিতে মন্ত্ৰ মাতি হোমৰ ছাই সকলো ভক্তকে কপালত তিলক পিন্ধাই দিয়ে। লগতে পুষ্পাঞ্জলি আগ বঢ়াইয়। ইয়াৰ পিছত প্ৰসাদ বিতৰণ হয়। প্ৰসাদ বিতৰণৰ পিছত প্ৰীতি ভোজ হয়। যিবিলাক ভক্তই গোসাইৰ আগত মানস কৰি হাঁহ, পাৰ, ছাগলী আদি আগবঢ়ায় সেইবোৰ মোছাৰি মাৰি গোসাইক আগবঢ়োৱাৰ পিছত মাংসখিনি প্ৰীতি ভোজনত ভক্ত সকলক প্ৰসাদ হিচাবে আগ বঢ়ায়।

এই "গোসাই বাঁহ" উৎসব ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে যিবোৰ ঠাইত শৰণীয়া কছাৰী লোক বাস কৰি আছে সেই সকলোবোৰ ঠাইতে বৰ আন্তৰিকতাৰে পালন কৰা দেখা যায়। এই গাও সমূহ হল ধমধমা, ফুলগুৰি, গড় ভিতৰ,

গোবালবিল,ঘোৰামাৰা, হাঁহকাটা, টুপলীয়া, কটাহবাৰী, বৌমাৰী, কান্দুলিমাৰা, বৰভেৰা, চৰিয়া, মাজদিয়া, দৰঙা পাৰ, উলুবাৰী, সাপকাতা, দুলংপাৰ, ভকত পাৰ, কালাকুচী, বৰ বেলবাৰী, কছুবাৰী (কছুবাৰীত গোপাল আৰু জগন্নাথ দুডাল বাঁহ আছে) বৰ বালিসিয়া, ইত্যাদি।

<u>বুৰঞ্জীৰ পটভূমিত গোঁসাই ঘৰ আৰু গোঁসাই বাঁহৰ জন্ম</u> গোসাই বাঁহ ফুৰোৱা উৎসৱ কেতিয়াৰ পৰা আৰম্ভ হৈছিল সেই বিষয়ে সঠিক তথ্য নেপালেও অনুমান হয় এই উৎসৱ ১৪৪৯ চনৰ পৰা প্ৰচলন হয়। এই বিষয়ে শ্ৰীসূৰ্য্য কুমাৰ ভূঞাৰ পুৰণি কামৰূপ বুৰঞ্জীত কিছু আভাষ পোৱা যায়।

গোঁসাই বাঁহৰ জন্ম পুৰণি কামৰূপৰ বৰ্ত্তমান গোৱালপাৰা জিলাৰ চিকনাই পৰ্বতৰ কাষত খুটাঘাট নামৰ গাওত। উক্ত গাঁওত পানবৰ, ভেদেলা, ভেদভেদো, বৰিহণা, কাঠীয়া, গুৱাবৰ, মেঘো, বৈহাগু, জেসৈ, গৰুকটা, যুদ্ধবৰ আৰু ডেখেৰা নামৰ এই বাৰঘৰ মেচ আছিল। তাৰে প্ৰধান আছিল হাৰিয়া মণ্ডল। এই হাৰিয়া মণ্ডলে চাৰি দণ্ডৰ পথত কপাহ দিছিল। হাৰিয়াৰ প্ৰথমা ভাৰ্য্যা লীলা, দ্বিতীয় ভাৰ্য্যা হীৰা। ঘৈণীয়েকহঁতৰ এজনীয়ে সদায় গাড়ীত (খেতি পথাৰত) ভাত দিয়েগৈ।

এদিনাখন হীৰাই ঋতুস্নান কৰি হাৰিয়ালৈ ভাত লৈ যাওতে মহাদেৱে দেখিলে। গাড়ীলৈ এক দণ্ডৰ পথ থাকোতে বৰগছ এডালৰ তলত হাৰিয়া মণ্ডলৰ ৰূপধৰি মহাদেৱে বহি আছে। তাতে মদ ভাত খালে, সেই স্ত্ৰীকো হৰিলে। ঘৈণীয়েকে কলে "গাড়ী এৰি কিয় আহিলি"? ছদ্মা মহাদেৱে বোলে ভাত নাপাই ভোক লাগিলত আহিলো। এই বুলি গাড়ীলৈ যাও বুলি অন্তৰ্ধ্যান হল।

পাছে আনপিনে হাৰিয়া মণ্ডলে ভোকত থাকিব নোৱাৰি ঘৰলৈ আহি ঘৈণীয়েকক খং কৰি বোলে – "আজি মোলৈ কিয় ভাত নিনিলি?" ঘৈণীয়েকে বোলে বৰগছৰ তলত মদ ভাত খালি, সম্ভোগ কৰিলি,খং কৰ কিয়? এই কথা শুনি হাৰিয়া বিস্ময় হৈ থাকিল। পাছে ৰাত্ৰি মহাদেৱে সন্যাসী ৰূপধৰি স্বপ্ন কৰালে। বোলে - "তোৰ ঘৰিণীক খং নকৰিবি। মইহে এনে কৰিলোঁ। তহতে শুদ্ধ ভাৱে থাকিবি। মোৰ বিৰ্য্য যি পুত্ৰ জন্মিব সি মহা বলিষ্ঠ ৰজা হব। আৰু বৰ গছৰ তলত পূজা কৰিবি গৈ, তাতে ঢাল এক, তৰোৱাল এক পাবি। আৰু গছত বানৰ এটা দেখিবি। সেই বানৰ আকাৰে ধ্বজদণ্ড সাজিবি। পূবমুখে গৃহত থৈ সদায় পূজা কৰি থাকিবি। যি কালত এই ধ্বজৰ মুখ ঘুৰে সেই কালে সেই বছৰতে তোৰ বেটা ৰজা হব"।

পিছদিনা ৰাতিপুৱা হাৰিয়াই ঘৈণীয়েক হীৰাক বিচাৰি আনিলে আৰু ৰাতিৰ স্বপ্নৰ কথা তাইক বিবৰি কলে। মহাদেৱৰ স্বপ্নৰ নিৰ্দ্দেশ ক্ৰমে হাৰিয়াই পিছ দিনা

ঘৈণীয়েক হীৰাক লগত লৈ সেই বৰগছৰ তললৈ গল আৰু মহাদেৱে হীৰাক সম্ভোগ কৰা ঠাইখিনিতে পূজা কৰিব ধৰিলে। পূজাৰ শেষত হাৰিয়া আৰু হীৰা দুয়ো বিস্ময় হল - যেতিয়া সঁচাকৈ মহাদেৱে কোৱাৰ দৰে তাত এখন ঢাল আৰু এখন তৰোৱাল পালে। লগতে তাত থকা বৰগছত এটা বানৰ দেখিলে।

পৰম বিস্মিত হাৰিয়া মৰলে পিছত সেই স্থানতে এটি গৃহ নিৰ্ম্মাণ কৰিলে আৰু এডাল বাঁহৰ মূৰত এটি বানৰ আকৃতিৰ মকুত পিন্ধাই, মুকুতৰ তলত এখন বগা কাপোৰ আঁৰি দি এডাল ধ্বজা দণ্ড (গোসাই বাঁহ) সাজিলে। সেই ধ্বজা দণ্ডডাল উক্ত গৃহৰ পূব মূৰত পূবক মূৰ কৰি ৰাখি সদায় চাকি বন্তি জ্বলাই মহাদেৱক পূজা কৰিব ধৰিলে।

পাছে দিনক্ৰমে কাৰ্ত্তীকৰ বিষুত পুত্ৰ জন্মিল। পুত্ৰ জন্মৰ সময়ত উক্ত পূজা গৃহত ৰাত্ৰি হাতী, ঘোৰা, বন্দুক পঞ্চ শব্দৰ বাদ্য ভৈল। পুত্ৰৰ নাম থলে বিষু (বিশু)। আগৰ ভাৰ্য্যাৰ পুত্ৰটিৰ নাম শিশু। এই প্ৰকাৰে বাৰ বছৰ হল। বাৰ বছৰৰ পিছত অস্ত্ৰ শস্ত্ৰৰ বৰ অভ্যাস হল। বিছৰ ১২ বছৰ গিৰি মেচৰ ১২ জন চোৱাল সহিতে চিকাৰ কৰি ফুৰে। পাছে বই গাঁও সি গাঁও মাৰি খুটাৰ ঘাটৰ কৰ্ণপুৰ ভূঞাক মাৰিলে। এই ক্ৰমে কৰে বাৰীৰ কামৰূপ বেহাৰৰ সকল ভূঞাক মাৰি ৰাজ্য যবু কৰি চিকনাইত পাত কৰি ৰাজা হ'ল ১৪৪৯ ।

হাৰিয়া মৰলৰ মহাদেৱৰ সপোন বাস্তবত পৰিণত হল। ১৪৪৯ চনৰ বহাগৰ প্ৰথম অৱস্থাত হাৰিয়াই দেখিলে যে গোসাই গৃহৰ ধ্বজ-দণ্ডৰ (গোঁসাই বাহ)ৰ মূৰ পূবৰ পৰা পশ্চিমে ঘুৰিছে আৰু তাৰ কেইদিন মানৰ পিছতে বিশু সচাঁকৈ ৰজা হল।

এই চলন্তি ঘটনাই হাৰিয়া মৰলৰ গোসাই গৃহ আৰু ধ্বজ দণ্ড (গোঁসাই বাঁহ) ৰাজকীয় মৰ্য্যদা পালে। ১৪৪৯ চনৰ পৰাই গোসাই বাঁহ বহাগৰ প্ৰথমদিনা গোসাই গৃহৰ পৰা সজাই পৰাই ঢোল, খোল, শংখ কাঁহ আদি বজাই প্ৰথমে ৰজাৰ গৃহলৈ নিয়ে। ৰজাই পূৰ্ব্বে বৰ্ণনা কৰাৰ লেখিয়াকৈ গোঁসাই বাঁহৰ সন্মুখত চাকি বন্তি জ্বলাই নৈবেদ্য আগ বঢ়ায়। পিছত ভক্ত সকলে নাম কীৰ্ত্তন কৰে। নাম কীৰ্ত্তন শেষ হোৱাৰ পিছত ৰজাই গোসাই বাঁহৰ সন্মুখত আঠুকাঢ়ি সেৱা কৰে। ৰাইজে ৰজাৰ মঙ্গলৰ বাবে আশীৰ্বাদ দিয়ে। ৰজাই উক্ত দিনা সকলোকে দান দক্ষিণা দিয়ে। তাৰ পিছত গোসাই বাঁহ অন্যান্য ডা-ডাঙৰীয়া সকলৰ ঘৰলৈ নিয়া হয়।

বিশু ৰজা হৈ বিশ্ব সিংহ উপাধি গ্ৰহণ কৰে আৰু বৰনদীৰ পৰা কৰতোৱালৈকে নিজ ৰাজ্য পাতি ললে। এই বিশু বা ৰজা বিশ্ব সিংহই গোসাই গৃহৰ গোসাই বাঁহৰ মূৰত সোণৰ মুকুট পিন্ধাই গোটেই বাঁহ ডালতে নতুন কাপোৰ পিন্ধাই প্ৰতি বছৰে

বহাগৰ প্ৰথম দিনত ৰাজা গৃহলৈ নিয়াৰ নিয়ম প্ৰচলন কৰে।

উক্ত চলন্তী ঘটনা সমূহৰ পৰা আমি খাটাংকৈ কব পাৰো যে হাৰিয়া মৰলৰ দিনৰ পৰা বা ৰজা বিশ্বসিংহৰ দিনৰ পৰা গোসাই বাহৰ জন্ম। এই গোসাঁই গৃহত গোসাই বাহ সাজি পূজা কৰা মানে দেৱাদি দেৱ মহাদেৱক পূজা কৰা হয়।

<u>হোম যজ্ঞৰ প্ৰাসংগিকতা</u> ঃ শৰণীয়া সকলে বহাগত "গোসাই বাহ" খহোৱাৰ দিনাখন অৰ্থাৎ বহাগৰ ১৩ তাৰিখে যি হোম যজ্ঞ কৰে তাৰ যথেষ্ট প্ৰাসংগিকতা আছে। এই বিষয়ে এক অক্টোবৰ ২০০৫ ৰত হৃদয়া নন্দ ভট্টাচাৰ্য্যই অগ্ৰদূতত সুন্দৰ ভাবে বৰ্ণনা কৰিছে ।

যজ - শদ্ৰ বা যজ + ন + যজ্ঞ । যজ ধাতুৱে তিনিটা অৰ্থ প্ৰকাশ কৰে - দেৱ পূজা, সংগতি কৰণ আৰু দান। প্ৰথম বিধে ডাঙৰৰ প্ৰতি কৰ্ত্তব্য, দ্বিতীয় বিধে সমনীয়াৰ প্ৰতি কৰ্ত্তব্য আৰু তৃতীয়া বিধে নিজতকৈ হীন জনৰ প্ৰতি কৰিব লগীয়া কৰ্ত্তব্য সূচায়। এই তিনিটা চিৰন্তন মানবীয় সত্যৰ ইংগিত দিয়া হেতুকে যজ্ঞক মানৱ শ্ৰেষ্ঠ কৰ্ম্ম বুলি গণ্য কৰা হয়।

হোম-যজ্ঞ হল ব্ৰাহ্মণ সকলৰ দ্বাৰা সভক্তিৰে সম্পাদিত এটা আধ্যাত্মিক অনুষ্ঠান। বিশ্ব শান্তি আৰু জনকল্যানৰ লক্ষ্য লৈ আত্ম শুদ্ধিৰ ভাৱেৰে বেদ মন্ত্ৰ উচ্চাৰণ কৰি বিশ্বাধিপতিক সন্তুষ্ট কৰিব বিচৰা আধ্যাত্মিক কাৰ্য্যই যজ্ঞ ।

"সহযজ্ঞা প্ৰজাসৃষ্টা পুৰোবাচ প্ৰজাপতি ।

অনেন প্ৰসবিশ্বধ্বমেষ বোহাস্তিতুষ্ট কামধুক।। (গীতা)

প্ৰজাপতি ব্ৰহ্মাই প্ৰজা সৃষ্টিৰ লগে লগেই যজ্ঞৰ সৃষ্টি কৰিছিল। ইয়াৰ দ্বাৰা বুজিব পাৰি যে যজ্ঞ কৰ্ম্মৰ দ্বাৰাহে বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টি কৰিছিল। যজ্ঞ হিন্দু সকলৰ এটি প্ৰৱিত্ৰ অনুষ্ঠান ।

যুক্তি পূৰ্ণ চিন্তাৰ দ্বাৰা প্ৰকৃত সত্যৰ উদঘাতনেই বিজ্ঞান। আজিৰ যুগ বিজ্ঞানৰ যুগ। আজিৰ সভ্যতা বিজ্ঞানৰ সভ্যতা। বিশ্বৰ প্ৰান্তৰে প্ৰান্তৰে বিজ্ঞানে জয়গান গাইছে। জনতাৰ অন্তৰে অন্তৰে অঙ্কুৰিত হোৱা বিজ্ঞানৰ বীজটো গতিশীল সময়ৰ দাবিত পুৰঠ হৈ আহিছে। বিজ্ঞানে মানৱ জীৱন সমাজলৈ কঢ়িয়াই আনিছে সুখ শান্তি আৰু সমৃদ্ধিৰ বতৰা। একে সময়তে সমান্তৰাল ভাবে সমাজ ধ্বংসৰ অকৃত্ৰিম আখৰাও অব্যাহত ৰাখিছে। মানুহৰ হিংস্ৰতা আৰু পশুত্বৰ নিৰব বিজ্ঞানকেই জগৰীয়া কৰিব নোৱাৰিনে?

বিজ্ঞানে সৃষ্টি কৰিছে সচা কিন্তু ই আধ্যাত্মিকতাক কবৰস্ত কৰিছে। দয়া, ক্ষমা

আৰু প্ৰেমৰ নামত কৃত্ৰিমতাৰ প্ৰলেপ সানি এদল উদণ্ড মানৱৰ সৃষ্টি কৰিছে। বিজ্ঞানে যদি এদল দায়িত্বহীন ক্ষমতাহীন আৰু প্ৰেমহীন মানুহৰ সৃষ্টি কৰে ই যে বিশ্ব ধ্বংস কৰিব তাৰ বাবে উপৰুক্ত উদাহৰণেই যথেষ্ট।

এই খিনিতে উল্লেখ কৰিব পাৰি যে সত্য অহিংসা দয়া পৰোপকাৰ ত্যাগ আদি মানুহৰ সৎগুণবোৰ ধৰ্ম্মীয় অনুষ্ঠানে সৃষ্টি কৰিব পাৰে। যজ্ঞস্থলীত এক মতাম্বলী হেজাৰ বিজাৰ লোকৰ সমাগম হয়। ই ধৰ্ম্মীয় ভাবৰ সৃষ্টি কৰাৰ ওপৰিও একতা আৰু সমন্বয়ৰ মঞ্চ গঢ়িব পাৰে। ধৰ্ম্মীয় চিন্তা চৰ্চ্চাই আৰু আলোচনাই মানুহৰ মাজত সত্য অহিংসা দয়া পৰোপকাৰ ত্যাগ আদি গুণবোৰৰ উদ্ৰেগ ঘটাই প্ৰকৃত মানুহ ৰূপে আত্ম প্ৰকাশ কৰিবলৈ অনুপ্ৰেৰণা যোগায়। যজ্ঞই বিভিন্ন সাংসাৰিক চিন্তাৰ যতি পেলাই ঈশ্বৰৰ চিন্তাত নিমগ্ন হবলৈ মানুহক উদ্ভাষিত কৰে। ই বিজ্ঞানৰ কু-প্ৰভাবৰ পৰা মানুহৰ মন বৰ্জিত কৰি গঠন মূলক চিন্তা চৰ্চ্চাৰ দ্বাৰা যোগাত্মক দিশবোৰ গ্ৰহণ কৰাত সহায় কৰে। অৱশ্যে কৰ্ম্ম নকৰিলে যজ্ঞাদি কাৰ্য্য নিষ্ফল হয়।

যজ্ঞৰ পবিত্ৰতা ইয়াৰ ব্যৱহাৰ কৰা সামগ্ৰী সমূহেই প্ৰতিবন্ন কৰে। বিশুদ্ধ ঘি, যজ্ঞীয় কাঠৰ সমীধ, বেদজ্ঞ হোঁটা, বোৱতী নদীৰ জল, সূৰ্য্যৰ পৰা পোনে পোনে ধৰি অনা অগ্নি আৰু ব্ৰাহ্মণৰ সু-সংমিশ্ৰণ ঘটে যজ্ঞ কুণ্ডত। ই মানুহৰ অন্তৰত ইতিমধ্যে থিতাপি লোৱা হিংসা আসুয়া আদি কু-প্ৰবৃত্তিবোৰ লুপ্ত কৰি জ্ঞানৰ জ্যোতিৰে প্ৰকৃত মানুহ হিচাবে আত্ম প্ৰকাশ কৰিবলৈ উদ্‌গনি যোগায়। এনে এক আধ্যাত্মিক পৰিবেশ সমাজখনত শান্তিৰ বাতাবৰণ গঢ়িতোলাত সহায় কৰিব বুলি আশা কৰিব পাৰি।

আজিৰ বিশ্বত কলকাৰখানা, আগ্নেয়গিৰিৰ উদ্‌গিৰণ বন জুইৰ উষ্ণ বাষ্প আদিয়ে বায়ু মণ্ডল কুলষিত কৰিছে। ইয়াৰ ওপৰিও যুদ্ধ বিগ্ৰহ পৰমাণু শক্তিৰ পৰীক্ষা মূলক বিস্ফোৰণ আদিৰ ফলত বিশ্বত বেমাৰৰ বীজাণু উদ্ভাৱন হৈছে। এইড্‌ছ প্ৰভৃতি ৰোগে মানব জাতিৰ সন্মুখত ভাবুকিৰ সৃষ্টি কৰিছে। মানুহৰ অবিৰত ধ্বংস যজ্ঞৰ ফলত গছ-গছনি হ্ৰাস পাই আহিছে। বাসস্থানৰ সমস্যা লাঘৱ কৰিবলৈ পৰ্বৃত পাহাৰ ভাঙি মানুহে বাসগৃহ নিৰ্ম্মাণ কৰিব লগা হৈছে। ফলত পৰিবেশ প্ৰদূষণে ভয়াবহ ৰূপ ধাৰণ কৰিছে। এনে এক দোদুল্যমান অৱস্থাত সমাজখনক নিশ্চিত মৃত্যুৰ গৰাহৰ পৰা ৰক্ষা কৰাৰ উদ্দেশ্যে যজ্ঞই পৰিবেশ শুদ্ধি কাৰক ৰূপে বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিব পাৰে।

"অন্নাত্ত বন্তি ভূটানি পৰ্জন্যাদন্ন সম্ভব।
যজ্ঞাত ভবতি পৰ্জন্য যজ্ঞকৰ্ম সমূদ্ভব" ।। (গীতা)

যজ্ঞকুণ্ডৰ পৰা নিৰ্গত ধোৱাই বায়ুমণ্ডল বিশুদ্ধ কৰে। পৰিবেশ প্ৰদূষণ হ্ৰাস

কৰি সু-বৃষ্টি অনাত সহায় কৰে। ইয়াৰ ফলত উৎপন্ন হোৱা খাদ্যশষ্যই জীৱ মাত্ৰৰে শ্ৰীবৃদ্ধি ঘটায়।

উক্ত আলোচনাৰ পৰাই আমি অনুমান কৰিব পাৰো যে হোম যজ্ঞ মানুহে ধৰ্ম্মীয় অনুষ্ঠান সমূহৰ যথেষ্ট তাৎপৰ্য্য পূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

<u>বাতৰ পূজা</u> ঃ ৰাইজৰ গোসাই ঘৰৰ হোম শেষ হোৱাৰ পাচ দিনাৰ দিনা গাওঁৰ আয়তি সকলে গাওঁৰ তিনি আলিৰ চ'কত এই বাতৰ পূজা পাতে। এই পূজা কৰাৰ কাৰণে তিনি আলিত কোৰেৰে চাচি ঠাই দোখৰ সুন্দৰকৈ চাফা কৰা হয়। পূজা পতাৰ কাৰণে কলপাতৰ এখন ৰভা দিয়া হয়। ঠাই দোখৰ মুছি পূব পিনে চাৰিদাল কলপুলি পুতা হয়। কলপুলি কেইডাল আৰু সুতাৰে বেৰি দিয়া হয়। পশ্চিমপিনে খুলা কৰি ৰখা হয়। কলপুলি চাৰিটাৰ মাজত এখন বঁটাৰ ওপৰত এখন পুঠি ফুলাম গামোচাৰে মেৰিয়াই থোৱা হয়। তাৰ কাষত এটা চাকি জ্বলোৱা হয় । ইয়াতে নজনী গোসানীৰ কাৰণে নখন ঠগী পতা হয়। এই পূজাত কলডোনাৰে ঘৰৰ নিচিনাকৈ চাৰিওঁফালে বিভিন্ন ৰঙৰ ফুলেৰে সুন্দৰকৈ এখন ভেল সজোৱা হয়। অমিতাৰ থাৰিৰে চিলিম আৰু হোকা বনোৱা হয়। ইয়াৰ ওপৰিও পাৰ চৰাই এজোৰ, দিমা এজোৰ, আম পাচজোৰ,কঠাল এটা, তিনি আখি কল থকা কলদীলেৰে সৈতে কল এথোক, ঘি, মৌ, বগা কাপোৰ এখন, ভাং, তাংখু, মিঠাই আৰু গাখীৰ, আৰু গুৰা, আখৈ, ধূপ, ধুনা ইত্যাদিৰে পূজা আৰম্ভ কৰে। আয়তি সকলে উৰুলি দি এনেদৰে বন্দনা আৰম্ভ কৰে –

"জয় ঈশ্বৰী ভাগৱতী আইৰ চৰণত পৰিছো
হৰি বোলা - হৰে
ডাঙৰ আই, সৰু আই, মাই জাং আই, ভিতৰা আই চৰণত পৰিছো
হৰি বোলা - হৰে

এইদৰে আয়তি সকলে বিভিন্ন ধৰণে বন্দনা, প্ৰাৰ্থনা আৰু শেষত চাপৰি বজাই বজাই নাম কীৰ্ত্তন কৰি সভক্তিৰে আই গোসানী সকলক শ্ৰদ্ধাঞ্জলী তৰ্পন কৰে। নাম শেষ হোৱাৰ পিছত ঠগী নৈবেদ্যৰ সকলো বস্তু এপদ এপদকৈ ভেলতে উঠাই লয়। সম্পূৰ্ণ উঠাই লোৱাৰ পিছত এজনে ভেলখন মুৰত তুলি নৈ নৈত উটাই দি আহে।

এই পূজাৰ তাৎপৰ্য্য হল শিব গোসাঁই আৰু ভাগৱতী আই সহ নজনী (পাৰ্বতী, কাছুকামাৰী, সুপুনী, ঘৰদেৱতী, ৰথবালী, কাচাই খাইতী, দুধকুৱৰী, ফুল কুৱৰী, সুবচনী) গোসানীক পূজা কৰি সন্তুষ্ট কৰা। তেখেত সকলে জেন গোটেই গাঁওখনক মহামাৰী,

শোক-তাপ, জৰা, মৃত্যু, ভূত, প্রেত বানপানী আদিৰ পৰা ৰক্ষা কৰে।

আবাহমান কালৰ পৰা আজিওঁ শৰণীয়া সমাজত এই ধৰণৰ বাতৰ পুজা চলি আছে।

বাতৰ পূজাত যিবোৰ নাম গোৱা হয় সেই নাম বোৰ আইৰ নামৰ লগত একে।সেয়ে বাতৰ পূজাৰ নামবোৰ আইৰ নামলৈ এৰি থোৱা হল।

<u>কাতি গাছা (কাতিবিহু)</u> ঃ শৰণীয়া সকলে কাতি বিহুক কাতি গাছা বুলি কয়। এই কাতি গাছা আহিন আৰু কাতিমাহৰ দোমাহীৰ দিনা পালন কৰা হয়। সেইদিনা সন্ধিয়া পথাৰত শালী ধানৰ পথাৰৰ মাজত চাকি জ্বলাই গাছা দিয়া হয়। এডাল বিজুলী বাহ ৪ ফুটমান দীঘলকৈ কাতি লৈ মূৰৰ পিনে এটা চহৰা বনোৱা হয়। এই বাহৰ চহৰাতে তামোল পাণ তুলসীৰপাত দুটামান চাউল প্ৰসাদ আদি এখন আগলি কলপাতত মেৰিয়াই লৈ ভৰাই এই বিজুলী বাহৰ চহৰাটো পথাৰত পুতি দিয়া হয়। চহৰাটো মুখত এটা কলদোনাৰ চাকি বনাই তাত তেল আৰু শলিতা লগাই চাকি দিয়া হয়।

পথাৰত চাকি দি আহি ঘৰতো এখন থাপনা পতা হয়। থাপনা পতা হোৱাৰ পিছতে ভৰাল ঘৰত, গোহালী ঘৰত বাতত (পদূলীত) বাৰিৰ পিছ পিনে সকলোতে বন্তি জ্বলোৱা হয়। ঘৰৰ সকলোতে বন্তি জ্বলোৱা হোৱাৰ পিছত ঠগী ভাঙি মাহ প্ৰসাদ খায়। থাপনাৰ ঠগী ভাঙি মাহ প্ৰসাদ খোৱাত গাওঁৰ সকলো ল'ৰা ছোৱালীয়ে অংশ গ্ৰহণ কৰে। এই দৰে শৰণীয়া সকলে পৰম্পৰা ভাবে কাতিগাছা পালন কৰি আহিছে।

<u>মাঘৰ দোমাহী</u> ঃ মাঘৰ বিহুক শৰণীয়া সকলে মাঘৰ দোমাহী বুলি কয়। এই মাঘৰ দোমাহী শৰণীয়া সকলে সাত দিনীয়াকৈ পালন কৰে। পুহ আৰু মাঘ মাহৰ দোমাহীৰ দিনাৰ পৰাই এই বিহু আৰম্ভ হয়। এই বিহুৰ দিনা পথাৰৰ ভেলা ঘৰত গাওঁৰ সকলোৱে লগ হৈ লগভাত (দলভাত) খায় আৰু পিছদিনা ভেলা ঘৰত জুই লগাই দিয়ে।

এই ভেলাঘৰ আৰু ভেলা পুজি গাওঁৰ ডেকা ল'ৰাবোৰে এমাহমান আগৰে পৰা হাবী বননীৰ পৰা বাহ খেৰ আদি কাতি আনি পথাৰত এটা ঘৰ সাজে। এই ঘৰৰ সম্মুখত এখন চোতাল কোদালেৰে চাচি সজাই। চোতালৰ চাৰিওফালে খেৰৰ বা কল পাতৰ বেৰ দিয়ে। ইয়াতেই বিহুৰ দিনা ৰাতি সকলোৱে মিলি দলভাত বা লগভাত খায়। এই ভেলা ঘৰৰ অলপ দূৰত এটা ভেলা পুজি বনোৱা হয়। এই পুজিতো শুকান কলপাতেৰে সজোৱা হয়। প্ৰথমে এডাল পুৰঠ দীঘল ঘৰেয়া বাহ আগলীতো ৰাখি বাকীখিনি

টকলাই জখলাৰ নিছিনাকৈ লৈ পুতিলোৱা হয়। তাৰ পাছত পোন্ধৰ বিশ দাল বিজুলী বাহ সেই বাহডালৰ চাৰিওঁফালে নিৰ্দ্দিষ্ট দুৰত পুতি আগটো হালাই নি মূলবাহ ডালৰ আগত লগাই বান্ধি দিয়া হয়। তাৰ পাছত মাজে মাজে কামি বান্ধি দি সেই কামিবোৰত শুকান কলপাতৰ পাত আৰি দিয়া হয়। এই দৰে ভেলাপুজি সজোৱা হয়। আগেয়ে ভেলা পুজি সাত বিহুৰ কাৰণে সাতটা পুজি সজাইছিল। এক বিহুৰ পৰা সাত দিনলৈ সদায় এটাকৈ পুজি জ্বলাইছিল। আগেয়ে শুকান কলপাতৰ বাহিৰেও পথাৰৰ নাৰাৰেও ভেলাপুজি সজাইছিল। আজি কালি অৱশ্যে ভেলাপুজি এটা হে সজায়।

মাঘ বিহুত গাওঁৰ ডেকা ল'ৰা বোৰে আগেয়ে হাবী বননীৰ পৰা অনা কাঠেৰে জুইৰ মেজি বনাইছিল। এই মেজি ভেলা ঘৰৰ কাষতে সজা হয়। ৰাতি ডেকা ল'ৰাবোৰে গাঁওৰ মানুহৰ বাৰীৰ পৰা আলু কবি আদি চুৰ কৰি আনি ধেমালী কৰি খানা খায়। ৰাতি ভেলা ঘৰতে ধানখেৰ পাৰি শুই থাকে। ৰাতি পুৱা উঠি নদীত সকলোৱে গা-পা ধুই আহি এজনে পাণ তামোলৰে মেজিৰ কাষত ঠগীদি মেজিত জুই লগাই দিয়ে। মেজি জ্বলাই শেষ হোৱাৰ পিছত মেজিৰ চাইৰ ফোট লৈ ঘৰলৈ যায় আৰু সকৰে ডাঙৰক সেৱা জনাই বিহুৰ পাতনি মেলে। তাৰ পিছত সকলোৱে পিঠাপোনা খায়। এই বিহুৰ উৰুকাৰ গোটেই নিশা ঘৰৰ মহীলা সকলে পিঠা বনাই। এই বিহুৰ প্ৰথম দিনা ঘৰৰ বোৱাৰীয়ে শহুৰ শাহুক সেৱা কৰে। তাৰ পিছত নিজৰ মাক দেউতাকক সেৱা কৰিবলৈ মাকৰ ঘৰলৈ যায়। থিক তেনেকৈ ল'ৰায়ো নিজৰ মাক দেউতাকক সেৱা লোৱাৰ পিছত শহুৰ শাহুক সেৱা লবলৈ যায়।

এই মাঘ বিহুত আগেয়ে বহুতো খেলধেমালী হৈছিল। সেইবোৰৰ ভিতৰত হাউখেল, ভাটা খেল, ধুপ খেল, কুকুৰা যুজখেল, তেকেলি ভঙা খেল, অলৌ গুটি তলৌ গুটি খেল, ৰচি টনা খেল, দীঘল জাপ মৰা খেল, ওখজাপ মৰা খেল ইত্যাদি।

এই মাঘ বিহুত আগেয়ে গাওঁৰ বুঢ়া সকলে লগহৈ গাওঁৰ প্ৰতিঘৰতে গৈ বিহুখোৱাৰ প্ৰথা আছিল। প্ৰতি ঘৰে বুঢ়া মেঠাক চিৰা পিঠা আদি দিয়াৰ ওপৰিও মদ বটল আদিও মাংসৰ লগত দিছিল। এই দৰে বিহু খাই ফুৰোতে যদি কোনো ঘৰত গৃহস্থ নেথাকে তেতিয়া তলত দিয়া ধৰণে গৃহস্থৰ চোতালত গান গাই গাই নাচিছিল।

ই ঘৰ গিৰি ক'ত গেল
চৰে হাল বায়
মদ দিবা পাম বুলি
বেৰা ভলঙাই যায়।

**বাম্বোল পিটা উৎসৱ** ঃ বাম্বোলপিতা উৎসৱ শৰণীয়া সকলৰ আন এটি সুকীয়া সাংস্কৃতিক বৈশিষ্ট। এই বাম্বোল পিতা উৎসৱৰ জৰিয়তে গ্ৰীষ্মক বিদায় দিয়া আৰু শৰতক আমন্ত্ৰণ জনোৱা হয়। এই উৎস ৱ ভাদ মাহৰ পূৰ্ণিমা তিথিৰ দিনাৰ পৰা আৰম্ভ কৰি পাঁচদিন পালন কৰা হয়।

বাম্বোলৰ অৰ্থ হ'ল - বাম মানে বাহ আৰু বোল মানে টুকুৰাই কোৱা বা গোৱা। অৰ্থাৎ বাঁহত সৰু বাঁহৰ টুকুৰাৰে দীঘল বাঁহত কোবাই কোবাই গোৱা গীত। সেয়ে এই উৎসৱত গাঁওৰ ডেকা ল'ৰাবোৰে নিজৰ কান্ধৰ সমানকৈ একোডাল বাহৰ টোকান কাতিলয় আৰু একোডাল একহাত দীঘলৰ সৰুবাহৰ টুকুৰা লয়। এই সৰুবাহৰ টুকুৰাৰে দীঘলবাহৰ টুকুৰা ডালত গীতৰ তালে তালে টুকুৰীয়াই যায়।

গাঁওঁৰ ডেকা ল'ৰা বোৰে জুমপাতি এই গীত পৰিবেশন কৰে আৰু তাৰ পৰা সংগৃহীত ধনেৰে দল ভাত খাই আনন্দ কৰে। এই গীত এজনে লগাই দিয়ে আৰু বাকী লগৰীয়া বোৰে তুলি ধৰে। এই দৰে গাৱত প্ৰতি ঘৰে ঘৰে গৈ পাচ দিন ধৰি বাম্বোল পিতে। তলত কেইটামান বাম্বোল পিতা গীত উল্লেখ কৰা হ'ল —

(১)

কাউৰ কান্দে খেলেং খেছেং
বাহৰ ওপৰত, বাহৰ ওপৰত
বাৰী তিৰি সুতা কাটে ভাঙা যতৰত ।।
আঠিয়া কলৰ কল পচলা
মুহনীয়া কলৰ পুলি
গাৱে গাৱে ঘুৰি ফুৰিলো ঢকা ৰাখক বুলি
কি আই হাই তৌ বোলে
বাই হাই তৌ বোলে
বাম্বোল, বাম্বোল পিতিব যাই হেৰ
বাম্বোল, বাম্বোল পিতিব যাই
অ হুৰেই, অ হুৰেই ।

(২)

এশটকাৰ হালধী গুৱা দুশ টকাৰ তেল
তিনিশ টকাৰ ঘোৰাটো লাগাম চিঙি গেল।
খিদি আনলো খিদি আনলো বান্ধবাৰ থল নাই

শহুৰ বুঢ়াই দিখাই দিলা কতবাহৰ তল
কি আই হাইতৌ বোলে, বাই হাই টৌ বোলে
বাম্বোল বাম্বোল পিতিব যায়, হেৰ
বাম্বোল বাম্বোল পিতিব যায়
অ হুৰেই, অ হুৰেই ।

(৩)

ইয়োবলে জলপান সিয়ো বোলে জলপান
জলপানৰ পিঠা গুৰি খায়
জলপানৰ পিঠা গুৰি খায়।
অ-হো কানিচিৰাত তপলাই
অ-হো কানিচিৰাত তপলাই
পথাৰলৈ লৈ যায়
আলিৰ মূৰত বহিবহি খায়
কি হাই তৌ বোলে
বাই হাই তৌ বোলে
বাম্বোল বাম্বোল পিতিব যায়, হেৰ
বাম্বোল বাম্বোল পিতিব যায়
অ হুৰেই, অ হুৰেই ।

(৪)

ছাগাল জাতি ভেবেৰা, ছাগাল জাতি ভেবেৰা
বাৰিবাৰি চুৰা ভাত খাই, বাৰিবাৰি চুৰা ভাত খায়
অ-হো ছাগাল বুলি নাজানলো
অ- হো ছাগাল বুলি নাজানলো
ফৰমত দাল মাৰি দিলো, ঘৰৰ ছাগাল ঘৰে ঘৰে যায়
কি আই হাই তৌ বোলে .............. অ হুৰেই, অ হুৰেই।

(৫)

মণিয়া বেহাৰৰ তেল হৰি হৰি
মনিয়া বেহাৰৰ তেল, মনিয়া বেহাৰৰ তেল।
অ-হো ভাঙিও নপেৰে অহো চিঙিও নপৰে

এনেহেন তামুলপুৰৰ মেল
কি আই হাই ............

(৬)

মইনাগিৰি ধানৰে লাৰু হৰি হৰি
মইনাগিৰি ধানৰে লাৰু, মইনাগিৰি ধানৰে লাৰু
অ-হো সেই লাৰু নাখাবা
অ-হো সেই লাৰু নাখাবা
শাউহাৰে ভুলোৱা ডাৰু
কি আই হাই তৌ বোলে

(৭)

ভলুকা বাহৰে আখি হৰি হৰি
ভলুকা বাহৰে আখি, ভলুকা বাহৰে আখি
অ-হো বতাহে বৰষুণে
অ-হো বতাহে বৰষুণে
আহিব লাগিছে, আমাকো নথবা ৰাখি
কি আই হাই তৌ বোলে ...........

(৮)

নিগনিয়ে কি আধাৰ খালি
শাউহাৰে আহিব লাগছি মূৰ ডাঙি চালি
আহক বা নাহক নকৰং ভয়
লিটুং ডাঙি ডাঙি নাছিম মই
এক চুৰিয়া কাৰে গুৰা দুইচুৰিয়া পানী
কি সুখে খাবি তই বাপেৰ গু সানি
কি আই হাই তৌ বোলে ..........

(৯)

কপৌটিয়ে চোৰে নিলা চেপা
কি কৰি চেপা পাতছা মুখত সপা নাই
কি কলি কি কলি মুখত সপা নাই
হিচি হিচি চেপা পাতছো মুখত সপা দি

কি আই হাই তৌ বোলে, বাই হাই তৌ বলে

(১০)

কিনো মাছ মাৰিলোং তৰা হৰি হৰি
কিনো মাছ মাৰিলোং তৰা
কিনো মাছ মাৰিলোং তৰা
অ হো ঠোঠা ৰজাৰ পুতাকে
অ হো ঠোঠা ৰজাৰ পুতাকে বৰ ঘৰ বান্ধিছে
চেউতি নাথালাক জোৰা
কি আই হাই তৌ ...........

(১১)

খটবাৰ গোসাঁই ঘৰ দেখংতে ভয়ংকৰ
ছয় কুৰি নাহৰৰ খুটা
ছয় কুৰি নাহৰৰ খুটা
অ হো একালে লেখিলে ৰামে লক্ষণে
আন ফালে লিখিলে সীতা
কি আই হাই তৌ বোলে ........

(১২)

এডালি তামোলে দুডালি তামোলে
তিনিডালি তামোলে ধনা
তিনিডালি তামোলে ধনা
অহো শাহ বোৱাৰীয়ে
অহো শাহ বোৱাৰীয়ে চেলেংখন লগালে
ভুলতে লগালে কনা কি আই ............

(১৩)

বণ্ডা বণ্ডা চৰায়টোৱে বাওঁ ধান খায়
সাউদৰ পুতেকে নাওঁ মেলি বায়।
নাৱে কৰে তুলুং ভুতুং, বইঠাই কৰে হেলা।
সাতখন নদী পাৰহৈ শহৰ থেক গেলা।।
শাহবাৱে বানছিল মাহৰ দালি বৰ সদ পালা

আৰু একবাৰ খুজুংতে হাঠাৰ কুবখালা
কি আই ..........

(১৪)

আদাহে কুটিলো চকলা চকলি
আদাতে লাগিলা পোকা
আদাতে লাগিলা পোকা
ও হো বৰজনীৰ আগতে
ও হো বৰজনীৰ আগতে
সৰুজনী বহিলা
বান্ধিলা যোল্লহতীয়া খোপা
কিআই ............

(১৫)

একপাচি চাউলৰে গুৰা হৰি হৰি
দুই পাচি চাউলৰে গুৰা
দুইপাচি চাউলৰে গুৰা
অহো ৰাক্ষস বামুনে
অহো ৰাক্ষস বামুনে
মণ্ডলখন পাতিছে হাততে নুথিলা গুৰা
কি আই হাই ...........

<u>**মহখেদা উৎসব**</u>**:** মহ খেদা উৎসব বাম্বোল পিতা উৎসবৰ নিচিনাই উৎসব। এই মহখেদা উৎসব আঘোণ মাহৰ পূৰ্ণিমাৰ দিনৰ পৰা পাচ দিন পালন কৰে। এই মহখেদা উৎসবে শৰতক বিদায় আৰু শীতক আহ্বান জনায়। এই মহখেদা উৎসবতো বাম্বোলপিতা উৎসবৰ নিচ্ছিনাকৈ ডেকা ল'ৰা বোৰে একোডাল দীঘল টোকান লয় আৰু ঘৰে ঘৰে মহ খেদিবলৈ যায়। এই উৎসবক ভালুক নছোৱা উৎসব বুলিও কোৱা হয়। কিয়নো কিছুমান ডেকা ল'ৰাই মহখেদিব যাওঁতে এজনক শুকান কলপাতেৰে মেৰিয়াই ভালুক বনাই লৈ যায়। মহখেদা গীতৰ মাজৰ পৰা ভালুকক গীতৰ জৰিয়তে আহবান জনায় আৰু ভালুকে জাপমাৰি আহি গীতৰ তালে তালে নৃত্য কৰিবলৈ ধৰে। এই গীত সমূহ তলত দিয়া হল —

(১)

আঘোণ হল পূৰ্ণী হল
মহখেদাৰ হুকুম হল।
হালতি হৌৰে থুপৰী হওঁ
কানাই কুজাই এক ফাল হওঁ।।
কানা কুজা ধানা গোবা
ওজা মাতলো বেৰেই পুৰা।
ওজা মাতি হলো লাজ
চাৰি বামুণৰ চাৰি কাজ।।
একলা বামুণৰ বৰ পেত
বৰপেটত পৰিল পানী
বামুণে কৰে লৰা লৰী।।
লৰা লৰী ভাই বৌ
টেপল গুৰা খাইবো
টেপলত নহল নোন
চাউল কৰে ডোন ডোন
চাউল কৰি পাতাল পিহা
খাইতে কৰে থিহা নীহা ।।
সোনাৰ নাঙাল ৰূপৰ ফাল
ভায্যা বেটাই কৰে হাল
হাল বালো শিৰালে
মৈ দিলো পাকে
খিদি গুৰি পাৰ কৰালো
বুঢ়া দিয়াৰ ঘাটে।
বুঢ়া দিয়াই পাৰে ৰিং
কুবাই ভাঙিম ম'হৰ সিং।।
ম'হৰ সিং একা বেকা
তাত পৰি যায় মাছ বোকা
মাছ বোকা ৰিতোতো

মূৰত টিপলী ওলাই ঘিওঁ।
বেৰাৰ আগৰ পকা জালুক
জাপদি আহে বুঢ়া ভালুক
হুই নাকা হুইৰে
আহে ভালুক আহেৰে
হুই নাকা হুইৰে ।
উই খোৱা নাছেৰে
হুই নাকা হুইৰে
উই নাখাই খাব কি
হুই নাকা হুইৰে
বনৰ মাজত পাব কি
হুই নাকা হুইৰে
বাহৰ পাত চিকি মিকি
হুই নাকা হুইৰে
আমাক দিব আধলি শিকি
হুই নাকা হুইৰে।
বাহৰ পাত থকা থকা
আমাক দিব টকা টকা
হুই নাকা হুইৰে
যি দান কৰেৰে
হুই নাকা হুইৰে ।।

(২)

আঘোন হল পূৰ্ণী হল
মহখেদাৰ হুকুম হল
অ- ৰি- অ - ৰি ।।
ধান খায় নাখায় বগলী
ধান নাখায় কেৰকতুৰা
আঘোণ মাহত দুৰ্গা পূজা ।
আঘোন হলৰে পূৰ্ণী হল

মহখেদাৰ হুকুম হল
মহ গেল মমহাই
তিনডাল গছত গা ঘেহাই ।।
হিন্দালো পইতা
মহমাৰো ছয়তা
হিন্দালো ছাথি
মহমাৰো ৰাতি ।।
বেৰাৰ আগৰ পকা জালুক
জাপদি আহে বুঢ়া ভালুক
হুই নাকা হুইৰে
আহে ভালুক আহেৰে
হুইনাকা হুইৰে
উই খোৱা নাছেৰে
হুই নাকা হুইৰে
উই নাখাই খাব কি
হুই নাকা হুইৰে
বনব মাজত পাব কি
হুই নাকা হুইৰে।
বাহৰ পাট চিকি মিকি
হুই নাকা হুইৰে
আমাক দিব আধলি শিকি
হুই নাকা হুইৰে ।
বাহৰ পাত থকা থকা
আমাক দিব টকা টকা
হুই নাকা হুইৰে
যি দান কৰেৰে
হুই নাকা হুইবে ।
(উক্ত গান দুটা শ্ৰীবীনা শৰণীয়া, ভকত পাৰাৰ পৰা সংগৃহিত ।)

<u>আই নাম</u> ঃ (শ্ৰী যশোদা শৰণীয়া আৰু সংগীবৃন্দৰ পৰা সংগৃহিত, ভকতপাৰা)

শৰণীয়া সমাজৰ আই সকলৰ মাজত প্ৰচলিত আইনামবোৰ কোনো ৰচয়িতা নাম পোৱা নেযায়। এই নামবোৰ অতি সহজ সৰল ভাবে বিষদ বৰ্ণনাৰে অনাদি কালৰে পৰা যুগে যুগে আই সকলৰ মুখে মুখে প্ৰচলিত হৈ আহিছে। যুগৰ পৰিবৰ্ত্তনৰ লগে লগে মানুহৰ বাসস্থান ঠাই পৰিবৰ্ত্তনৰ লগে লগে সময়ৰ সোতত বিৱৰ্ত্তনৰ লগে লগে ইয়াৰ ৰূপ কিছু পৰিবৰ্ত্তন হলেওঁ ইয়াৰ মৌলিক ৰূপটোৰ কোনো পৰিবৰ্ত্তন হোৱা নাই। সাহিত্যৰ দিশৰ পৰা বিশ্লেষণ কৰিলে দেখা যায় যে এই আই নামবোৰ শৰণীয়া সাহিত্যৰ তথা অসমীয়া সাহিত্যৰ আদিম স্বৰূপ। সংস্কৃতিৰ ফালৰপৰা বিশ্লেষণ কৰিলে আমি দেখিবলৈ পাম যে এই আই নামবোৰ শৰণীয়া তথা অসমীয়া সমাজৰ জাতীয় সম্পদ।

আইৰ পূজাৰ থাপনা পতা হোৱাৰ পিছত আয়তি সকলে তলত দিয়া ধৰণে আইৰ নাম আৰম্ভ কৰে –

জয় ঈশ্বৰী ভাগবতী আইৰ চৰণত পৰিছোং  
হৰি বোলা - হৰে ......  
ডাঙৰ আই সৰু আই মাইজং আই ভিতৰত আইৰ চৰণ পৰিছোং  
হৰি বোলা - হৰে ........  
ও - ও - ও (উৰুলি জোকাৰে)  
জয় জয় ৰাম কৰুণা সাগৰ ঐ ৰাম  
ৰাখা নাৰায়ন এই বাৰ কৰুণা মই।  
জয় জয় ৰাম কৰুণা সাগৰ ঐ ৰাম  
ৰাখা নাৰায়ন এই বাৰ কৰুণা মই।।  
প্ৰথমে প্ৰণাম ব্ৰহ্মা ৰূপি সনাতনে  
জয় জয় ৰাম কৰুণা সাগৰ ঐ ৰাম  
ৰাখা নাৰায়ণ এই বাৰ কৰুণা মই।।  
তযু নাভি কমলত ব্ৰহ্মা ভৈলা জাতে  
জয় জয় ৰাম কৰুণা সাগৰ ঐ ৰাম  
ৰখা নাৰায়ণ এইবাৰ কৰুণা মই ।।  
মৎস্যৰূপে অৱতাৰ ভৈলা প্ৰথমতে  
জয় হৰি ৰাম শ্ৰীৰাম জয় সনাতনে

জয় জয় ৰাম জয় শ্ৰীৰাম জয় সনাতনে য়ে
জয় জয় ৰাম জয় শ্ৰীৰাম জয় সনাতনে য়ে ।।
তযু নাভি কমলত ব্ৰহ্মা ভৈলা জাতে
মৎস্যৰূপে অৱতাৰ ভৈলা প্ৰথমতে ।
সত্যব্ৰত ৰজাক দেখাইলা নিজমায়া ।
জয় হৰি ৰাম জয় শ্ৰীৰাম জয় সনাতনে ।।

আয়কে প্ৰাৰ্থনা কৰো দুয়ো চৰণতে ধৰো
আই ভাগৱতী ভাৰন্তে নামিছে শোকে সন্তাপে মৰো।
আয়কে প্ৰাৰ্থনা কৰো দুয়োচৰণতে ধৰো
আই ভাগৱতী ভাৰন্তে নামিছে শোকে সন্তাপে মৰো।
ঐ ডাঙৰ আই সৰু আই মাইজং আই ভিতৰা আই নামিছে
শোকে সন্তাপে মৰো .......
আয়কে প্ৰাৰ্থনা কৰো দুয়োচৰণতে ধৰো
আই ভাগৱতী ভাৰন্তে নামিছে শোকে সন্তাপে মৰো।
ঐ হাজিৰি পামিলি শিখিলী ন বইনী নপুঙা
বাৰ বইনী বুঢ়ী আই নামিছে, শোকে সন্তাপে মৰো
আয়কে প্ৰাৰ্থনা কৰো দুয়োচৰণতে ধৰো
আই ভাগৱতী ভাৰন্তে নামিছে শোকে সন্তাপে মৰো।
জয় আই ঈশ্বৰী ভাগৱতী আইৰ চৰণত পৰিছোং
হৰি বোলা হৰে
ডাঙৰ আই সৰু আই ভিতৰা আই চৰণত পৰিছোং
হৰি বোলা হৰে
ন বইনী নপুঙা বাৰ বইনীৰ চৰণত পৰিছোং
হৰি বোলা হৰে .......... ।

সোনাৰে একেডাল জৰি ৰূপৰে একেডাল জৰি
আই ভাগৱতী ভাৰন্তে নামিছে হাতে ধৰা ধৰি কৰি) ২
ঐ ডাঙৰ আই সৰু আই মাইজং আই ভিতৰা আই নামিছে
হাতে ধৰা ধৰি কৰি ..........
সোনাৰে একেডাল জৰি ৰূপৰে একেডাল জৰি

আই ভাগৱতী ভাৰন্তে নামিছে হাতে ধৰা ধৰি কৰি।
ঐ বগা আই কলা আই হালধীয়া আই নামিছে।
হাতে ধৰা ধৰি কৰি............
সোনাৰে একেডাল জৰি ৰূপৰে একেডাল জৰি
আই ভাগৱতী ভাৰন্তে নামিছে হাতে ধৰা ধৰি কৰি।
ঐ হাগৰি সুহুৰি লালিলাং ছুৰপুৰি নামিছে
হাতে ধৰা ধৰি কৰি ............
সোণৰে একেডাল জৰি ৰূপৰে একেডাল জৰি
আই ভাগৱতী ভাৰন্তে নামিছে হাতে ধৰা ধৰি কৰি।।
সোণৰে একেখান কোলা ৰূপৰে একেখান কোলা
আই ভাগৱতী ভাৰন্তে নামিছে মাথাতে ফুলৰে মালা।২ ।।
ঐ ডাঙৰ আই সৰু আই মাইজং আই ভিতৰা আই নামিছে
মাথাতে ফুলৰে মালা ............
সোণৰে একেখন কোলা ৰূপৰে একেখন কোলা
আই ভাগৱতী ভাৰন্তে নামিছে মাথাতে ফুলৰে মালা।।
ঐ লুতি আই পুতি আই পঞ্চামৃত বাতিফুলি ছয় আঙুলি নামিছে
মাথাতে ফুলৰে মালা .............
সোনৰে একেখন কোলা ৰূপৰে একেখন কোলা
আই ভাগৱতী ভাৰন্তে নামিছে মাথাতে ফুলৰে মালা

মিছাতে ঘুমতি যায় জাগো যগোমায়া আই
তোমাৰ সেবাৰ পূজা থৈছো আগবঢ়াই
লোৱা চকু মেলি চাই )২
ঐ ডাঙৰ আই সৰু আই মাইজাং আই ভিতৰা আই
লোৱা চকু মেলি চাই।
মিছাতে ঘুমতি যায় জাগো যগোমায়া আই
তোমাৰ সেবাৰ পূজা থৈছো আগ বঢ়াই
লোৱা চকু মেলি চাই ।।
ঐ চেপেতি লেপেতি কলিয়া ঠাকুৰ বলিয়াবীৰা
জগন্নাথ জগৎ গুৰু গোপাল ঠাকুৰ

লোৱা চকুমেলি চাই ......... ।
মিচাতে ঘুমতি যায় জাগো যগোমায়া আই
তোমাৰ সেৱাৰ পূজা থৈছো আগবঢ়াই
লোৱা চকুমেলি চাই ।।
ঐ কুছুনি মুছুনি দাস দাসি ঘাটুবাই বাতুবাই ভোকলাই
লোৱা চকুমেলি চাই ...........
মিছাতে ঘুমতি যায় জাগা যগোমায়া আই
তোমাৰ সেৱাৰ পূজা থৈছো আগবঢ়াই
লোৱা চকুমেলি চাই ।

জয় আই ভগৱতী আই চৰণত পৰিছোং
হৰি বোলা হৰে ..........
ডাঙৰ আই সৰু আই মাইজং আই ভিতৰা আই চৰণত
পৰিছোং হৰি বোলা হৰে ........
হাবিলি পামিলি শিঠিলি ন বইনী ন পুঙা
বাৰ বইনী বুটী আইৰ চৰণত পৰিছো হৰি বোলা
... হৰিবোলা হৰে উ উ উ (উৰুলি দি চা... ...বি যজাই নাম আৰম্ভ কৰে)

আই আগে প্ৰণাম কৰো দুই চৰণে ধৰো
আই আগে প্ৰণাম কৰো দুই চৰণে ধৰো
আইক স্তুতি কৰি সুখে আনন্দ কৰো
আগে প্ৰণাম কৰো দুই চৰণে ধৰো
আই দিলা হৰি নাম হৃদয়ৰ পৰে
আই দিলা হৰি নাম হৃদয়ৰ পৰে
মহামতি মাই আমাৰ ওপৰে
আই দিলা হৰি নাম হৃদয়ৰ পৰে
মহামতি আই হৃদয়ৰ ওপৰে
আইদিলা হৰি নাম হৃদয়ৰ পৰে ।।

আইৰ চৰণ চাই ফুৰিবা ধৰে
আইৰ চৰণ চাই ফুৰিবা ধৰে
প্ৰথমতে আগবাঢ়ে আয়ক সেৱা কৰে
আইৰ চৰণ চাই ফুৰিবা ধৰে ।।

মুছা কাছা ঠাইখিনি আমোল মূল কৰে।
মুচা কাছা ঠাইখিনি আমোল মূল কৰে।
ডাঙৰ আই সৰু আই মাইজং আই ভিতৰা আই
আহি আৰু তাতে আৰণ কৰে।
মোচা কাচা ঠাই খিনি আমোলমূল কৰে
হাবিলি পামিলি শিঠিলি ন বইনী ন-পুঙা বাৰবইনী
বুঢ়ী আই আহি আৰু তাতে আৰণ কৰে।
মোচা কাচা ঠাইখিনি আমোল মোল কৰে।।
বগা আই কলা আই হালধীয়া আই ভিতৰা আই
আহি আৰু তাতে আৰুণ কৰে -
মোচা কাছা ঠাইখিনি আমোল মূল কৰে।
কিমানখিনি পালেং আই গহিন গহিন কৰে।
কিমানখিনি পালেং আই গহিন গহিন কৰে
ডাঙৰ আই সৰু আই মাইজং আই ভিতৰা আই
আহি আৰু তাতে আৰণ কৰে
মুচা কাছা ঠাইখিনি গহিন গহিন কৰে।।
ঐ হাগৰি খাগৰি লালিলাং ফৰফৰি
আহি আৰু তাতে আৰণ কৰে
কিমান খিনি পালেং আই গহিন গহিন কৰে।
মুছৰি দুমৰি ঔফুলি দুৰাফলি কছুফলি
আহি আৰু তাতে আৰণ কৰে।
কিমানখিনি পালোং আই গহিন গহিন কৰে।।
ধৰ ও নামধৰ লেচেৰি ধৰও নাম ধৰো
বাৰ বছৰে আই আৰোহন কৰে - নাম ধৰে ও
বাৰ বছৰে আই ওলাহল কৰে - নামধৰে ও
বাৰ বছৰেআই পোনৰ আহে আহে নাম ধৰে ও
বুঢ়াই আনিলোং আই ওদাৰত কৰি - আই নাম ধৰে
বহিবাক লগাই দিলোং আই বগা নীলা আসন - নামধৰেও
খাবাক আনি দিলোং বগা ধানৰ চিৰা - নাম ধৰেও

চৰণ ধোৱালোং আই ভোমোৰাৰ জল-নাম ধৰেও
চৰণ মোচালোং আই কেশৰ ওপৰে - নাম ধৰেও
খাবাক আনিদিলোং বগাধানৰ চিৰা - নাম ধৰেও
ভোজনক কলাক আই পতাৰ কাই খেলি - নাম ধৰেও
মুকুতি কৰালা আই এটি মিঠা পাণ নাম ধৰেও
মূৰটো দেখং আই জোঙা নাৰিকল নাম ধৰেও
কেশদাল দেখং আই হাৰিয়াৰ চোঙাৰ নাম ধৰেও
কেশত ঘহিলা আই একে কুটাৰ জল নাম ধৰে ও
কেশদাল চোচে আই সোনৰ কাকেদিয়া নাম ধৰেও
চুচি মাগি বান্ধে আই চলি কদম দিয়া - নাম ধৰেও
খোপাত পিন্ধিলা আই বিয়াৰ লাছিফুল - নাম ধৰেও
মাথাত ললা আই মাথাৰ মুকুতা - নাম ধৰেও
কপালখন দেখং আই পূৰ্ণীমাৰ জোন নাম ধৰে ও
কপালতে পিন্ধে আই দেশৰ সেন্দুৰ নাম ধৰেও
চকু দুটা দেখং আই সৰগৰ তৰা - নাম ধৰেও
নাকত পিন্ধিলা আই বিয়াৰ লাছি ফুল নাম ধৰে ও
কাণত পিন্ধিলা আই কানৰ ফুল - নাম ধৰেও
কান দুখন দেখং আই বুঢ়া গছৰ পান - না( ধৰে ও
কানত পিন্ধিলা আই কানৰ ফুল নাম ধৰেও
গলটো দেখং আই গছৰ বৰণ নাম ধৰেও
ওঠ দুটা দেখং আই পালঙিৰ পান - নাম ধৰেও
জিভাখন দেখং আই আদাৰ বৰণ - নাম ধৰেও
দাঁত কেইটা দেখং আই মুকুতাৰ শাৰী নাম ধৰেও
সদায় নুগুছে আইৰ মিচিকিয়া হাহি - নাম ধৰেও
গলটো দেখং আই শঙ্খৰ বৰণ নাম ধৰেও
গলত পিন্ধিব আই ঈশ্বৰীৰ হাড় নাম ধৰেও
দুই বাহু দেখং আই মদনৰ দাড়ি নাম ধৰেও
দুই মুঠি পিন্ধে আই দুই মুঠি শাখা নাম ধৰেও
দহ আঙুলি দেখং আই দহকুৰি নাম ধৰেও

বকুখন দেখং আই চন্দনৰ পাতা নাম ধৰেও
পিঠিখন দেখং আই ধবাই ধুৱা পাটা নাম ধৰে ও
মাজ হাড়া দেখং আই মুগাৰ মাডলি নাম ধৰেও
কামি হাড়া দেখং আই কাটা মাছৰ শৰীৰ নাম ধৰেও
পেটতো দেখং আই নামৰ ভাণ্ডাৰ নাম ধৰে ও
নাড়ি কোছা দেখং আই শুকান পুখুৰী নাম ধৰেও
ককালটো দেখং আই আটি বাহৰ খৰী নামধৰেও
আটি মুদি ফলাই আই সাহে দুমৰু নাম ধৰেও
দুই ভেৰা দেখং আই গামৰীৰ খুৰা নাম ধৰেও
দুই দীলা দেখং আই সোনাৰ ছুকৰি নাম ধৰে ও
দুই দীলে দেখং আই কেতেকিৰ গোলা নাম ধৰেও
ভৰিত পিন্ধিলা আই ভৰিৰ নপূৰ নাম ধৰেও
ভৰি দুখন দেখং আই পাৰৰ বুলন নাম ধৰে ও
ভৰিত পিন্ধিলা আই ভৰিৰ নপূৰ নাম ধৰেও
কটিত পিন্ধিলা আই কেচাপাতৰ শাৰী নাম ধৰেও
গাৱত ললা আই শুকান পাতৰ শাৰী নাম ধৰেও
পিন্ধিউৰি ওলাই আই ৰাইজক লাগি নাম ধৰেও
কণি চোৱা বোলা আই লগত পৰীয়া নাম ধৰেও
দাস দাসি ললা আই লগত পৰীয়া নাম ধৰেও
যখিনি মুখিনি দাস দাসি ঘাতুৱাই বাতুৱাই
সকলোৱে আইৰ লগত যায় নাম ধৰেও
আইৰ লগত যাবি আই এখন ভৰি পাবি নাম ধৰেও
কি দি পুজিম আই মনৰ তুষ্ট মনিচ নাম ধৰেও
আলা চাউলে কছুপাতে সেয়ে তুষ্ট হোৱা নাম ধৰেও
কৰ পৰা আহিলা সাত বইনী নামি নাম ধৰেও
সাত বইনী আহিলা সাতখন নাওঁ লৈ নাম ধৰেও
কৈত যাবা কৈত থাকা কৈতে খোৱা পানী নাম ধৰেও
কৈলাশত থাকো আই নাৱত খাওঁ পানী নাম ধৰেও
তাকুৰী চৰাইয়া মূৰত মেৰাই নাম ধৰেও

সোণৰ ছাৰী কণী লেখি কৰি লওঁ নাম ধৰেও
লিখি কবি দিম কৰি কান ভৰাই লওঁ নাম ধৰেও
যতে বলং পাৰ ঘাটিয়া পাৰ কৰাই থওঁ নাম ধৰেও
যনি আইক পাৰ কৰিবি লবি আনা আনা নাম ধৰেও
ডাঙৰ আই সৰু আই মাইজং আই ভিতৰ আই
পাৰ কৰিলি লবি কাণৰ সোনা নাম ধৰেও
অন্য আয়ক পাৰ কৰিলি লবি আনা আনা নাম ধৰেও
কাবেৰি কামিলি হিন্দিলি নবৈনী নপুঙা বাৰ বৈনী
বুঢ়ি আইক পাৰ কৰিলি লবি কাণৰ সোনা নাম ধৰেও
অন্য আইক পাৰ কৰিলি লবি আনা আনা নাম ধৰেও
মছুৰী দুমৰী ঔফুলি জিকা ফুলি কছুফুলিক পাৰ কৰিলে
লবি কাণৰ সোনা নাম ধৰেও
অন্য আইক পাৰ কৰিলি লবি আনা আনা নাম ধৰেও
বগা আই  কলা আই হালধীয়া আই  পথৰা আইক
পাৰ কৰিলে লবি কাণৰ সোনা নাম ধৰেও
অন্য আইক পাৰ কৰিলে লবি আনা আনা নাম ধৰেও
তোত কৰি সকলোৱে হাহি কাৰি খুন্দামাৰি ঘগামাৰি
পেট ফুলি ছয় আঙুলি বাতি ফুলিক পাৰ কৰালি
লবি কাণৰ সোনা নাম ধৰেও
অন্য আইক পাৰ কৰিলি লবি আনা আনা নাম ধৰেও
বঙালনি নেপালনী ভুটীয়ানীক পাৰ কৰিলে
লবি কাণৰ সোনা নাম ধৰেও
অন্য আইক পাৰ কৰিলে লবি আনা আনা নাম ধৰেও
চেপেতি লেপেতি কলিয়া ঠাকুৰ বলিয়া পিতা জগন্নাথ
জগৎ গুৰু গোপাল ঠাকুৰক পাৰ কৰিলে
লবি কাণৰ সোনা নাম ধৰেও
অন্য আইক পাৰ কৰিলে লবি আনা আনা নামধৰেও
চচুনি মছুনি দাস দাসি ঘাটোৱাল ঘাটোৱাল
সকল আয়ক পাৰ কৰিলে লবি কাণৰ সোনা  নাম ধৰেও

অন্য আইক পাৰ কৰিলে লবি আনা আনা নাম ধৰেও
আই আহিলা আহানে বহিলা আইৰ মনত ৰং হৰিয়ে
আই আহিলা আহানে বহিলা আইৰ মনৰ ৰং হৰিয়ে
ডাঙৰ আই সৰু আই মাইজং আই ভিতৰা আই
আইৰে চৰণতিৰে আহিলা লগে নাহিলা ধন হৰি য়ে
আই আহিলা আহানে বহিলা আইৰ মনত ৰং হৰিয়ে
অ ৰংমলা ধনমলা কহিমলা গুৰিমলা আইছি চৰণ তিয়াই য়ে
আই আহিলা লগে নাহিলা ধন হৰি য়ে
আই আহিলা আহানে বহিলা আইৰ মনত ৰং হৰিয়ে
কুৰকুৰি বুৰবুৰি হানি কৰি খুন্দামাৰি ঠেলামাৰি
আহিছিল চৰণ তিয়াই য়ে -
আই আহিলা লগে নাহিলা ধন হৰিয়ে
আই আহিলা আহানে বহিলা আইৰ মনত ৰং হৰিয়ে
আই নন্দিৰ লেব হৰিয়ে, আই নন্দিৰ লেব হৰিয়ে
অ সৰু আই ডাঙৰ আই মাইজং আই
আই নন্দিৰ লেব হৰিয়ে, আই নন্দিৰ লেব হৰিয়ে
চামেলি ভেদেলি নবইনী নপুঙা বুঢ়ী আই আহিব
আই নন্দিৰ লেব হৰিয়ে আই নন্দিৰ লেব হৰিয়ে
হবি আই বুঢ়ী আই পঞ্চমৃত ৰাতি ফুলি ছয় আঙুলি আহিব
আই নন্দিৰ লেব হৰিয়ে, আই নন্দিৰ লেব হৰিয়ে
লাউমুখী পাপৰি লালিলাং ফৰফুৰি আহিব
আই নন্দিৰ লেব হৰিয়ে, আই নন্দিৰ লেব হৰিয়ে
সিপাৰে কণিমায় যে বাত এৰি লও বে
সিপাৰে কনিযায় য়ে বাত এৰি লওবে
ডাঙৰ আই সৰু আই মাইজং আই ভিতৰা আই
নামক মাং পাৰ কৰাই থওবে
সিপাৰে কনিযায় য়ে বাত এৰি লওবে
ন বইনী নপুঙা বাৰ বইনীৰ নামক যাও
পাৰ কৰাই থওবে

সিপাৰে কনিযায় য়ে বাতএৰি লওৱে
আউলে বাউলে শুংশুঙি ভূতভূতি খুন্দামাৰি
থকামাৰি নামক যাং পাৰ কৰাই থও ৰে
সিপাৰে কনিযায় যে বাত এৰি লও ৰে।।
পাৰ কৰ পাৰকৰ ৰে না-নাৱৰীয়া লৈ
হৰি সভা চাবা যাং পাৰ কৰা মোকে।[২]
ডাঙৰ আই সৰু আই মাইজং আই ভিতৰা আই
আহি আৰু আহানে বহিলা
হৰি সভা চাবা যাং বুলি বাতৰি জনাইলা
পাৰ কৰ পাৰ কৰ ৰে না-নাৱৰীয়া লৈ
হৰি সভা চাবা যাং পাৰ কৰা মোকে।
মছুৰি দুমৰি ঔফুলি জিকাফুলি কচুফুলি
আহি আৰু আহানে বহিলা
হৰি সভা চাবাক লাগি বাতৰি জনাইলা
পাৰকৰ পাৰকৰয়ে না-নাৱৰীয়া লৈ
হৰি সভা চাবা যাং পাৰকৰা মোকে।
অ-জগন্নাথ জগৎ গুৰু বুঢ়া পিতা
আহি আৰু আহানে বহিলা
হৰি সভা চাবাক লাগি বাতৰি জনাইলা
পাৰ কৰা পাৰকৰৰে না-নাৱৰীয়া লৈ
হৰি সভা চাবা যাং পাৰ কৰা মোকে ।
হৰি গুৱা কৰিলো, অ হৰিয়ে পাচফটা কৰিলো
ডাঙৰ আই সৰু আই মাইজং আই ভিতৰা আই আহিছে
আনন্দে আহিছে বঢ়ি আনোগে হৰিয়ে
হৰি নাৰায়ন চাৰি ফটা কৰিলোং হৰিয়ে
পাচফটা কৰিলোং হৰিয়ে।
নেপালনী ভূটানী আহিছে আনন্দে আহিছে।
বঢ়ি আনংগে অ হৰিয়ে -
হৰি নাৰায়ন চাৰি ফটা কৰিলোং অ হৰিয়ে

পাচ ফটা কৰিলোং অ হৰিয়ে
ধনমালা বণমালা কুহিমালা গুৰিমালা আহিছে
আনন্দে আহিছে বড়ি আনোগৈ হৰিয়ে
হৰি নাৰায়ণ চাৰিফটা কৰিলোং অ হৰিয়ে
পাচফটা কৰিলোং অ হৰিয়ে

আসন পাৰি থৈছো বহক মহামায়া, ভাবক হৰি কথা হৰিয়ে
আসন পাৰি থৈছো বহক মহামায়া, ভাবক হৰিকথা হৰিয়ে।
আসনে বহিছে কিচাবি আৰি ৰং হৰিয়ে
আসন পাৰি থৈছো বহক মহামায়া,ভাবক হৰি কথা হৰিয়ে।
কলী আই বগা আই আহিছে আসনে বহিছে
কি চাবি আইৰ ৰং হৰি য়ে
আসন পাৰি থৈছো বহক মহামায়া
ভাবক হৰি কথা শুনি হৰিয়ে।
কৈলাশৰ পৰা আই নামি আহে ঘৰৰে মন্দিৰ চাই হৰিয়ে
পখিলা বস্ত্রে আসন পাৰিছোং
ন বইনী নপুঙা আগবঢ়াই দিয়া আই হৰিয়ে।
আইৰে বাৰীতে ৰাম কলদালি চেনা সেনাপতি পাই হৰিয়ে -

হাতত কৈলাশ পতি সুবৰ্ণৰে খুটি আই পদূলিত যায় হৰিয়ে
হাততকৈলাশ পতি সুবৰ্ণৰে খুটি আই পদূলিত যায় হৰিয়ে।
পদূলি পদূলি আহিল ডাঙৰ আই সৰু আই মাইজাং আই
ভিতৰা আই ফুৰে বালকক চাই হৰি য়ে।
হাতত কৈলাশ পতি সুবৰ্ণৰে খুটি আই পদূলিত যায় হৰিয়ে।
পদূলি পদূলি আহি ডাঙৰ আই সৰু আই
ন বইনী নপুঙা ফুৰে বালকক চাই হৰিয়ে।
হাতত কৈলাশ পতি সুবৰ্ণৰে খুটি আই পদূলিত যায় হৰিয়ে।
পদূলি পদূলি আহে হাগুৰি পাদুৰি হালিলাং লালিলাং
ফুৰ ফুৰি ফুৰে বালকক চাই হৰিয়ে।
হাতত কৈলাশপতি সুবৰ্ণৰে খুতি আই পদূলিত যায় হৰিয়ে।
(আইৰ চৰণ চুমি আই ফুৰে দিনে ৰাতি
বালকক ফুলদিবা লাগে হৰিয়ে)[২] ।।

ডাঙৰ আই সৰু আই মাইজং আই ভিতৰুৱা আই
ফুৰে বালকক চাই হৰিয়ে -
আইৰ চৰণ চুমি আই ফুৰে দিনে ৰাতি
বালকক ফুল দিব লাগে লাগে হৰিয়ে ।
বগা আই কলা আই হালধীয়া আই
ফুৰে বালকক চাই হৰিয়ে
আইৰ চৰণ চুমি আই ফুৰে দিনে ৰাতি
বালকক ফুল দিব লাগে হৰিয়ে।

আইলোৰে মাই জগৎ জননী মা আইলোৰে
আইলোৰে মাই জগৎজননী মা আইলোৰে
ডাঙৰ আই সৰু আই মাইজং আই ভিতৰা আই
পৰি নমস্কাৰ কৰং হৰিয়ে
আইলোৰে মাই জগৎ জননী মা আইলোৰে।
ঔ ফুলি জিকাফুলি সৰুফুলি কছুফুলি আইছে
পৰি নমস্কাৰ কৰং হৰিয়ে
আইলোৰে মাই জগৎজননী মা আইলোৰে
বৰবৰি দলিমাৰি হাড়িভাঙি আইছে
পৰি নমস্কাৰ কৰং হৰিয়ে -
জগতৰ ঈশ্বৰী ফুলেশ্বৰী আই আই হে
তোমাৰ মহিমা তত নেপাই
ডাঙৰ আই সৰু আই মাইজং আই ভিতৰা আই
নামে সন্তোষ হইবাহে
সোনা ৰূপা ৰচিলৈ চাই আহংগৈয়ে বে
ঔ ফুলি জিকাফুলি কছুফুলি নামে সন্তোষ হইবাহে
ফুল কই আহিলোং হেঙাৰ বান্ধিলো
গন্ধ সোমাব নোৱাৰা কৈ হৰি হে
ডাঙৰ আই সৰু আই মাইজং আই
আহিছে ফুলপাৰি দিয়া হৰিয়ে -
ফুল কই আহিলোং হেঙাৰ বান্ধিলোং

গৰু সোমাব নোৱাৰা কৈ হৰিয়ে
চামেলি ফেমেলি ন-বইনী নপুঙা বাৰ বইনী
বুঢ়ী আই আহিছে ৰাইজে ফুল পাৰি দিয়াহৰিয়ে -
ফুল কই আহিলোং হেঙাৰ বান্ধিলোং
গৰু সোমাব নোৱাৰা কৈ হৰিয়ে
আউলী বাউলী শুউনী বিজ বিজি আইছি
ৰাইজে ফুল পাৰি দিয়া হৰিয়ে
ফুল কই আহিলোং হেঙাৰ বান্ধিলোং
গৰু সোমাব নোৱাৰা কৈ হৰিয়ে
জিকা ফুলি যায় গোহাই তুলি যায়
সুহৰি পাতিলা আই হৰিয়ে। ২
যাতি মালি ফুল থাকে ৰেণুফুৰা
তাকো শৰাইখন পাই হৰিয়ে।২
ভকতৰ নামফুলেৰে ইমাঙ্গ মালতি
খোপাতে পিন্ধিলা আই হৰিয়ে
যতি মালি ফুল থাকে সৰু ফুৰা
তাকো শৰাইখন পাই হৰিয়ে
ধূপ ধুনা শালা সেন্দুৰ ফুলৰে ইলঙ্গ মালতি
খোপাতে পিন্ধিলা আই হৰিয়ে
যদি মালতি ফুল থাকে ৰেণুফুৰা
তাকো শৰাইখন পাই হৰিয়ে
পপিয়া তামোল পাণ বৰফুকন আখে লাৰু
আদা-লোণ ফুলৰে ইলঙ্গ মালতি পাই হৰিয়ে
যতি মালতি ফুল থাকে ৰেণু ফুৰা
তাকো শৰাইখন পাই হৰিয়ে
কাথন্দা কৰোবা বিজলী কদম মথঙা ফুলৰে
ইলঙ্গ মালতি খোপাতে পিন্ধিলা আই হৰিয়ে।
যতি মালিফুল থাকে ৰেণুফুৰা
তাকো শৰাইখন পাই হৰিয়ে। /

ঔফুল বহফুল কচুফুল চাইফুল পদুমফুল
কৰবিৰ একলাৰিৰ ফুলৰে ইলঙ্গ মালতি
খোপাতে পিন্ধিলা আই হৰিয়ে
যতিমালি ফুল থাকে বেশুফুৰা
তাকো শৰাইখন পাই হৰিয়ে
আন আন ফুলেৰে ইলঙ্গ মালতি
খোপাতে পিন্ধিলা আই হৰিয়ে
যতি মালি ফুল থাকে বেশুফুৰা
তাকো শৰাইখন পাই হৰিয়ে ।।
জয়তি গাঠিলো মালতি গাঠিলো
গাঠিলো কয়ৰিকা জয় হৰি য়ে ।[২]
অকন অকন নামৰো ফুলেৰে গাঠিব নাপালো
আয়ৰে ৰূপ চাই হৰিয়ে
জয়তি গাঠিলো মালতি গাঠিলো
গাঠিলো ফয়ৰিকা জয় হৰিয়ে ।।
ধূপ ধুনা তেল সেন্দুৰ শালাবন্তি ফুলেৰে গাঠিব নাপালোং
আয়ৰে ৰূপ চাই হৰিয়ে ।।
জয়তি গাঠিলো মালতি গাঠিলো
গাঠিলো ফয়ৰিকা জয় হৰিয়ে।।
বছতিকা তামোলপাণ আখে লাক ফুলেৰে গাঠিব নাপালোং
আয়ৰে ৰূপ চাই হৰিয়ে
জয়তি গাঠিলোং মালতি গাঠিলোং
গাঠিলোং ফয়ৰিকা জয় হৰিয়ে
আদানোন ফুলেৰে গাঠিব নাপালোং
আয়ৰে ৰূপক চাই হৰিয়ে
জয়তি গাঠিলোং মালতি গাঠিলোং
গাঠিলোং ফয়ৰিকা জয়হৰিয়ে ।
ছন্দোবা তৰুৱা ভেতে কদম মকুৱা ফুলেৰে গাঠিব নাপালোং
আয়ৰে ৰূপক চাই হৰিয়ে -

জয়তি গাঠিলোং মালতি গাঠিলোং
গাঠিলোং ফয়ৰিকা জয় হৰিয়ে
ঔ ফুল বোফুল কছুফুল শিৰিফুল কদম ফুল
একলাবিৰ ফুলেৰে গাঠিব নাপালোং
আয়ৰে ৰূপক চাই হৰিয়ে -
জয়তি গাঠিলোং মালতি গাঠিলোং
গাঠিলোং ফয়ৰিকা জয় হৰিয়ে।
একাচি লতা পকা ফুলেৰে গাঠিব নাপালোং
আয়ৰে ৰূপক চাই হৰিয়ে
জয়তি গাঠিলোং মালতি গাঠিলোং
গাঠিলোং ফয়ৰিকা জয় হৰিয়ে
নানান ফুলেৰে গাঠিব নাপালোং
আয়ৰে ৰূপক চাই হৰিয়ে ।।
ফুল পাৰি দিয়া বান্ধব কৃষ্ণৰে আয়ৰে সভাক যাওঁ
ফুল পাৰি দিয়া বান্ধব কৃষ্ণৰে আয়াৰে সভাক যাওঁ।।
ডাঙৰ আই সৰু আই মাইজং আই ভিতৰা আই
জগৎ তাৰিণা মুখে হৰি নাম গাম।
ফুল পাৰি দিয়া বান্ধব কৃষ্ণৰে আয়ৰ সভাক যাওঁ
ন বইনী নপুঙা বাৰ বইনী জগৎ তাৰিণা
মুখে হৰি নাম গায়
ফুল পাৰি দিয়া বান্ধব কৃষ্ণ আয়ৰে সভাক যাওঁ
বগা আই কলা আই হালধীয়া আই মুগা আই
জগৎ তাৰিণা মুখে হৰি নাম গায়
ফুল পাৰিদিয়া বান্ধব কৃষ্ণৰে আয়ৰ সভাক যাওঁ
কি ফুল ফুলিছে খৰিকাতা বহ, অ হৰিয়ে ৰাম -হয়
অ ডাঙৰ আই সৰুআই মাইজং আই ভিতৰা আই
আহিবা বাতৰি পাই, আহিবা বাতৰি পাই।।
ঐ আগোন তাগোন মা মই তাকাই মকাই
কি ফুল ফুলিছে বৰ অ হৰিয়ে ৰাম হয়

অ হাগৰি পাগৰি লালিলা ফৰফৰি
আহিবা বাতৰি পাই বাতৰি পাই
জ্বলিছে ধূপ ধূনা তেল সেন্দুৰ ডাকাই মকাই
কি ফুল ফুলিছে বৰ অ হৰিয়ে বাম হয়
ঐ মজুৰি দুমাৰি ঐফুলি জিকা ফুলি পাতুগ ফুলি
আহিবা বাতিৰ পাই, বাতাৰি পাই,
তুলিছে পাতুনিকা তামোলপাণ বেলভূষণ
আখৈ লাৰু আৰু নোন জকাই মকাই
কি ফুল ফুলিছে ফৰিকাত বৰ. অ হৰিয়ে ৰাম
অ হাগুৰি পাদুৰি লালিলাং, ফৰফৰি
আহিবা বাতৰি পাই, বাতৰি পাই ।।
ফুলিছে নানাফুল জকাই মকাই
কি ফুল ফুলিছে ফৰিকাত বন অ হৰিয়ে নাম ।।
মোবালিয়ে কি ফুল ফুলিছে কোবা
মোৰালিয়ে কি ফুল ফুলিছে কোৱা
ডাঙৰ আই সৰু আই মাইজং আই ভিতৰা আয়ক
ফুল দিব নাপালোং ভোমোৰাই কৰিগল ছোৱা
মোৰালিয়ে কি ফুল ফুলিছে কোৱা ।
তামলি শেতেলি ন বইনী ন পুঙা বাৰ বয়নি বুঢ়ী আইক
ফুল দিব নাপালোং ভোমৰাই কৰি গল ছোৱা
মোৰালিয়ে কি ফুল ফুলিছে কোবা ।
আউলী বাউলী শুংশুনি ভূতভূতি ঠেলামাৰী খুন্দামাৰি
ফুলদিবা নাপালোং ভোমৰাই কৰিগেল ছোৱা
মোবালিয়ে কি ফুল ফুলিছে কোবা ।
মোবালিয়ে কি ফুল ফুলিছে থোকে
ডাঙৰ আই সৰু আই মাইজং আই ভিতৰা আই
ফুলিদিবা নাপালোং ফুলনিলা জগতৰ লোকে
মোবালিয়ে কি ফুল ফুলিছে থোকে ।।
চেপেতি লেপেতি কলিয়া ঠাকুৰ বলিয়া পিতা জগন্নাথ

জগৎগুৰু গোপাল ঠাকুৰক ফুলদিবা নাপালোং
ফুল নিলা জগতৰ লোকে
মোৰালিয়ে কি ফুল ফুলিছে থোকে ।
যোখিনি মখিনী দাস দাসী ঘাটু বাই বাটু বাই
সকল আইক ফুলদিবা নাপালোং
ফুল নিলাক জগতৰ লোকে
মোৰালিয়ে কি ফুল ফুলিছে থোকে ।
ভগৱতী আই ৰাইজক ৰাখিবা ভালা বাচাই
ঐ নবইনী নপুঙা বাৰ বইনী নাৰখিলি ৰাখংতা নাই য়ে,
ভগৱতী আই ৰাইজক ৰাখিবা ভালা বাচাই
ভাগৰু বাগুৰী লালিলাং ফৰফৰী
নাৰাখিলি ৰাখংতা নাই য়ে
ভগৱতী আই ৰাইজক ৰাখিবা ভালা বাচাই।।
ফুলেশ্বৰী আই জগৎ নন্দিনী আই
ডাঙৰ আই সৰু আই ভিতৰা আই মাইজং আই
ৰং হালধী লৈ নামিছোং তাতে
ফুলেশ্বৰী আই জগৎ নন্দিনী আই
ঐ ন বইনী নপুঙা বাৰবইনী হাতে কুন্দেলৈ নামিছোং তাতে
ফুলেশ্বৰী আই জগৎ নন্দীনি আই
বগা আই কলা আই হালধীয়া আই জেঠা আই
হাতে কুন্দে লৈ নামিছোং তাতে
ফুলেশ্বৰী আই জগৎ নন্দিনী আই

মাইৰে মাই আমাৰ দিগি আহি আছা
ঐ কি ঐ ৰাম
মাইৰে মাই আমাৰ দিগি আহি আছা
ঐ কি ঐ ৰাম ।।
ঐ ডাঙৰ আই সৰু আই ভিতৰা আই মাইজং আই
ৰং কৰি নামে যমুনাতে
মাইৰে মাই আমাৰ দিগি আহি আছা

ঐ কি ঐ ৰাম
ঐ জগন্নাথ জগৎগুৰু বলিয়া পিতা গোপাল ঠাকুৰ
ৰং কৰি নামে যমুনাতে
মাইৰে মাই আমাৰ দিগি আহি আছা
ঐ কি ঐ ৰাম
কছুনি মছুনি দাস দাসি ঘাটু বাই বাটু ৰাই সকলোৱে
ৰং কৰি মাতে যমুনাতে
মাইৰে মাই আমাৰ দিগি আহি আছা
ঐ কি ঐ ৰাম

ৰূপে মহিলা হৰিয়ে আই ঘপিমালা
ৰূপে মহিলা হৰিয়ে আই ঘপি মালা
ডাঙৰ আই সৰু আই ভিতৰা আই মাইজং আই
হাতৰ ফুল চঙাৰতে দিলা ।
ৰূপে মহিলা হৰিয়ে আই ঘপিমালা ।।
ঐ হাবেলি পামেলি শিতেলি ন বইনী
বুঢ়ী আইৰ হাতৰ ফুল চঙাৰতে দিলা ।
ৰূপে মহিলা হৰিয়ে আই ঘপি মালা ।।
মাইৰে মাই, ফুলদিলোং চাউল দিলোং
আৰু ফুলৰ কলি হৰি, আৰু ফুলৰ কলি
চাউল দিলোং ফুল দিলোং
আৰু ফুলৰ কলি হৰি আৰু ফুলৰ কলি ।।
ন বইনী নপুঙা বাৰ বইনীক
ফুৰলোং মই আঙুলি ধৰি
মাইৰে মাই, ফুলদিলোং চাউল দিলোং
আৰু ফুলৰ কলি হৰি আৰু ফুলৰ কলি
হাগুলি ঘুগুৰি লালিলাং ফৰফৰিক
ফুললোং মই আঙুলি ধৰি ।
মাইৰে মাই, ফুলদিলোং চাউল দিলোং
আৰু ফুলৰ কলি হৰি আৰু ফুলৰ কলি ।

হাগুলি ঘুগুলি লালিলাং ফৰফৰিক
ফুললোং মই আঙুলি ধৰি ।
মাইৰে মাই, ফুলদিলোং চাউল দিলোং
আৰু ফুলৰ কলি হৰি আৰু ফুলৰ কলি ।
গাঠিলু নেদেফুল মালতিৰে মালা
গাঠিলু কি ফুল মালতিৰে মালা
ঐ ডাঙৰ আই সৰু আই মাইজং আই ভিতৰা আই
দেউ ফুল আজলি ভৰিয়া ।
গঠিলো কি ফুল মালতিৰে মালা
হাবেলি পামেলি শেতেলি ন বইনী নপুঙা
বাৰ বইনী বুঢ়ী আইক দেউ ফুল আজলি ভৰিয়া
গাঠিলোং কি ফুল মালতিৰে মালা ।।
বগা আই কলা আই ভিতৰা আই হালধীয়া আই
দেউ ফুল আজলি ভৰিয়া
গাঠিলোং কি ফুল মালতিৰে মালা ।।
মৰুৱা ফুলৰে মুকুট পিন্ধালোং
কেতেকি ফুলৰে বেলা হৰিয়ে ।
বে থুগা আৰ্চিখন মামোক ফুলেৰে মুকুট বান্ধিলোং
আয়ে যিবা বাৰ বেলা হৰিয়ে
মৰুৱা ফুলৰে মুকুত বান্ধিলোং
কেতেকি ফুলৰে মালা হৰিয়ে ।।
আগলি পাত, তামোলপাণ, তেল বকুল আখে লাৰু
আদা নোন ফুলেৰে গাঠিবা নাপালোং
আইৰে ৰূপক চাই হৰিয়ে।
মৰুৱা ফুলৰে মুকুট বান্ধিলোং
কেতেকি ফুলৰে মালা হৰিয়ে ।
চান্দোবা তৰুৱা-ভেতে কদম
মৰুৱা ফুলৰে মুকুট বান্ধিলোং
আয়ে যিবা বাৰ বেলা হৰিয়ে

মকুৰা ফুলৰ মুকুট বান্ধিলোং
কেতেকি ফুলৰ মালা হৰিয়ে ।।
ঔফুল বৌফুল পদাফুল শ্রীফুল ফুলৰে মুকুট বান্ধিলোং
আয়ে জিবা বাৰ বেলা হৰিয়ে ।।
মকুৰা ফুলৰ মুকুট বান্ধিলো
কেতেকি ফুলৰ মালা হৰিয়ে ।
মূলা সুচি জকা পকা ফুলৰে মুকুট বান্ধিলো
আয়ে জিবা বাৰ বেলা হৰিয়ে
মকুৰা ফুলৰ মুকুট বান্ধিলোং
কেতেকি ফুলৰ মালা হৰিয়ে
মকুৰা ফুলৰ মুকুট বান্ধিলোং
কেতেকি ফুলৰ মালা হৰিয়ে ।
নানান ফুলেৰে মুকুট বান্ধিলোং
আয়ে জিবা বাৰ বেলা হৰিয়ে ।।
মকুৰা ফুলেৰে মুকুট বান্ধিলোং
কেতেকি ফুলৰে মালা হৰিয়ে ।

গোপালৰে আই মোৰ ঘৰে
গোপালৰে আই মোৰ ঘৰে
আই থকা আসন বাসন মামোৰ
ফুলৰে মালা ধৰে আয়ৰ শৰীৰে
গোপালৰে আইমোৰ ঘৰে
ধূপ ধূনা সেৱা বন্তি তেল সেন্দুৰ
মালা ধৰে আয়ৰ শৰীৰে
গোপালৰে আই মোৰ ঘৰে ।
দশোদিশে তামোলপাণ বেল বকুল আখৈৰ লাৰু
আদা নোন ফুলৰে মালা ধৰে আয়ৰ শৰীৰে
গোপালৰে আই মোৰ ঘৰে ।
কাঠগুা তৰুৱা ভেতে কদম ভতুৱা ফুলেৰে
মালা ধৰে আয়ৰ শৰীৰে

গোপালৰে আই মোৰ ঘৰে ।
ঔফুল কছুফুল শ্ৰীফুল পদুমফুল একলাবীৰ
মালাধৰে আয়ৰ শৰীৰে।
গোপালৰে আই মোৰ ঘৰে ।
যত আছে লতা পতা ফুলৰ মালাধৰে আয়ৰ শৰীৰে
গোপালৰে আই মোৰ ঘৰে।
নানান ফুলৰে মালা ধৰে আয়ৰ শৰীৰে
গোপলৰে আই মোৰ ঘৰে ।

আইমোৰ ইমানতে শান্ত হোৱা
আইমোৰ ইমানতে শান্ত হোৱা
জগৎ জননী আই ভগৱতী
ডাঙৰ আই সৰু আই মাইজং আই ভিতৰা আইৰ চৰণত
কামনা কৰিছোং আৰু শতবাৰ সেৱা
আই তুমি ইমানতে শান্ত হোৱা ।
আই জগত জননী আই ভগৱতী
ন বইনী ন পুঙা বাৰ বইনীৰ চৰণত
কামনা কৰিছোং আৰু শতবাৰ সেৱা
আই তুমি ইমানতে শান্ত হোৱা ।
ঐ জগৎ জননী আই ভগৱতী
হাজেলী পামেলি শিতেলী বুঢ়ী আইৰ চৰণত
কামনা কৰিছোং আৰু শতবাৰ সেৱা ।
আই তুমি ইমানতে শান্ত হোৱা
আই তুমি ইমানতে শান্ত হোৱা ।
ঐ জগত জননী আই ভগৱতী
বগা আই কলা আই ভিতৰা আই পথৰা আইৰ চৰণত
কামনা কৰিছোং আৰু শতবাৰ সেৱা
আই তুমি ইমানে শান্ত হোৱা ।
ঐ জগত জননী ভগৱতী আই
মছুৰী দুমৰী ঔ ফুলি জিকা ফুলি কছুফুলিৰ চৰণত

কামনা কৰিছোং আৰু শতবাৰ সেবা ।
আই তুমি ইমানে শান্ত হোৱা ।
ঐ জগত জননী আই ভগৱতী
ৰহিমলা থুহিমলা ৰহিমলা ধুহিমলা গতিমালা চৰণত
কামনা কৰিছোং আৰু শতবাৰ সেবা ।
আই তুমি ইমানে শান্ত হোৱা ।
ঐ জগত জননী আই ভগৱতী
হাগুৰী খাগুৰী লালিলাং থৰপুৰিৰ চৰণত
কামনা কৰিছোং আৰু শতবাৰ সেবা ।
আই তুমি ইমানে শান্ত হোৱা ।।
ঐ জগত জননী আই ভগৱতী
যখিনি মুখিনী দাস দাসি ঘাটু বাই বাটু বাই চৰণত
কামনা কৰিছোং আৰু শতবাৰ সেবা
আই তুমি ইমানে শান্ত হোৱা ।
ভগৱতী আই হে নধৰিবা দায়
ভগৱতী আই হে নধৰিবা দায়
ঐ চাই থোপা নঠুকু নধৰিবা দায়
ভগৱতী আই হে নধৰিবা দায় ।
ঐ মাহ-মুগে পাতিছোং নধৰিবা দায়
ভগৱতী আই হে নধৰিবা দায় ।
ঐ ধূপ ধুনাই পাতিছোং নধৰিবা দায়
ভগৱতী আই হে নধৰিবা দায় ।
ঐ শালা বন্তি পাতিছোং নধৰিবা দায়
ভগৱতী আই হে নধৰিবা দায় ।
ঐ তেলে সেন্দুৰে পাতিছোং নধৰিবা দায়
ভগৱতী আই হে নধৰিবা দায়
ঐ তামোল পাণে পাতিছোং নধৰিবা দায়
ভগৱতী আই হে নধৰিবা দায় ।
ঐ কচু-ঢেকিয়াই পাতিছোং নধৰিবা দায় ।

ভগৱতী আই হে নধৰিবা দায় ।
ঐ লাটুম দিয়া পাতিছোং নধৰিবা দায়
ভগৱতী আই হে নধৰিবা দায়
আদা নোনে পাতিছোং নধৰিবা দায়
ভগৱতী আই হে নধৰিবা দায় ।
ঐ নানান ফুলে পুজিছোং নধৰিবা দায়
ভগৱতী আই হে নধৰিবা দায় ।
ঐ জলদিয়া পুজিছোং নধৰিবা দায়
ভগৱতী আই হে নধৰিবা দায় ।

অ হৰিয়ে আই তোমাৰ চৰণে ধৰং -
অ হৰিয়ে
অভাগিনী নাৰী আমি প্ৰণাম কৰং
অ হৰিয়ে
হাতে ভৰি ধৰি আমি কা কা কৰং
অ হৰিয়ে
অ হৰিয়ে আই আমাক কৰি যোৱা দয়া
অ হৰিয়ে
ৰজা লোকে প্ৰজা লোকে কৰি যাং সেৱা
অ হৰিয়ে
অ বেঙা লোকে কানা লোকে কৰি যাং সেৱা
অ হৰিয়ে
অ হৰিয়ে আই তুমি দেৱী ভগৱতী
অ হৰিয়ে
নাম লোক চাপি যাওক আয়ক আতি আতি
অ হৰিয়ে
অ হৰিয়ে আই তুমি দুমৰে সাজত
অ হৰিয়ে
অ হৰিয়ে আই তুমি নামৰে সাজত
অ হৰিয়ে

ধৰতে ধৰতে নাম নালাগে ভাগৰ
অ হৰিয়ে
অ হৰিয়ে আই তুমি দেৱী ভগৱতী
অ হৰিয়ে
নাগলোকে চাপি যাওক আয়ৰ জ্যোতী
অ হৰিয়ে
হৰি আয়ে আহানে বহিলা
হৰি আয়ে আহানে বহিলা
হৰি আয়ে নকৰিবা ভয়
হৰি আয়ে নকৰিবা ভয়
আহানতে বহি থাক আমি চাম বৈ
হৰি আয়ে নকৰিবা ভয় ।
ধুলে ধুলে আই আহানতে ধুলে
ধুলে ধুলে আই আহানতে ধুলে
আইৰ পাৰিষদ পাৰে পাৰে ঘূৰে ঘূৰে ঘূৰে
আছে আই আই আহানতে আছে
আছে আই আই আহানতে আছে
আইৰ পাৰিযদ পাৰে পাৰে ঘূৰে ঘূৰে ঘূৰে
আইৰ মাথাৰ শিলা হালি হালি ঘূৰে ঘূৰে ঘূৰে
তুলসীৰ মালা ধাৰী ৰোহিনীৰ মালা
তুলসীৰ মালা ধাৰী ৰোহিনীৰ মালা
ঐ ডাঙৰ আই সৰু আই মাইজং আই ভিতৰা আই
ধোপ খেলাই লীলা
তুলসীৰ মালা ধাৰী ৰোহিনীৰ মালা
ন বইনী নপুঙা বাৰ বইনী
ধোপ খেলাই গোধলী বেলা
তুলসীৰ মালা ধাৰী ৰোহিনীৰ মালা
জগন্নাথ জগৎগুৰু বলীয়া পিতা
ধোপ খেলাই গোধলী বেলা

তুলসীৰ মালাধাৰী ৰোহিনীৰ মালা
গোছিনী গোমূৰী ঔফুলি জিকা ফুলি কছুফুলী
ধোপ খেলাই গোধলী বেলা ।
পূবৰে বেলাটো পশ্চিমে যায়
ঐ ডাঙৰ আই সৰু আই মাইজং আই ভিতৰা আই
পুজিবৰ পাৰ হৈ যায়।
পূবৰে বেলাটো পশ্চিমে যায়
গোজৰী পামিলী শিতেলী ন বইনী বুঢ়ী আইক
পুজিবা পাৰ হৈ যায়
পূবৰ বেলাটো পশ্চিমে যায়
বগ্মা আই কলা আই হালধীয়া আই বেচা আইক
পুজিবৰ পাৰ হৈ যায়
পূবৰে বেলাটো পশ্চিমে যায়।

ৰাখাহে কি দিয়া পুজিম হৰি নাৰায়ণ
ৰাখাহে কি দিয়া পুজিম হৰি নাৰায়ণ
চাৰিও দিন ঘূৰি পিপৰাই পৰি যায়
হৰি নাৰায়ণ
আখন দিয়া পুজিম কাউৰীয়ে হাগী যায়
হৰি নাৰায়ণ
মা মুগে পুজিম পোকাই হাগী যায়
হৰি নাৰায়ণ
শালা দিয়া পুজিম ব্ৰহ্মাই আগে খায়
হৰি নাৰায়ণ
ধূপ ধূনাই পুজিম পুৰি হয় ছাই
হৰি নাৰায়ণ
তামোল দিয়া পুজিম বছে আগে খায়
হৰি নাৰায়ণ
কল দিয়াপুজিম মথই আগে চাকি চায়
হৰি নাৰায়ণ

ফল দিয়া পুজিম বছে আগে খায়
হৰি নাৰায়ণ
লাটিম দিয়া পুজিম পানী উঠি যায়
হৰি নাৰায়ণ
আদা দিয়া পুজিম ধূলাই মাটি খায়
হৰি নাৰায়ণ
নোন দিয়া পুজিম পানী উঠি যায়
হৰি নাৰায়ণ
জলদিয়া পুজিম তেল পৰি যায়
হৰি নাৰায়ণ
তেল দিয়াপুজিম ব্ৰহ্মাই চহিযায়
হৰি নাৰায়ণ
মন দিয়া পুজিম মন নাই থিৰ
হৰি নাৰায়ণ
দেহা দিয়া পূজিম পাপে জৰাজৰ
হৰি নাৰায়ণ
আইৰ চৰনে থাকিযায় দোষ
হৰি নাৰায়ণ
আইৰ পূজাৰ ফুল নাপালো বিচাৰি
হৰি নাৰায়ণ
চাৰি কোণাৰ পৃথিবীৰ একেডাল ফুল
হৰি নাৰায়ণ
চাৰিও ফালে পজিলেহে আই হয় তুষ্ট
হৰি নাৰায়ণ
সংসাৰৰ গুৰুজন আছে যত যত
হৰি নাৰায়ণ
একে বাৰে প্ৰনাম কৰং আইৰ চৰণ
হৰি নাৰায়ণ
ডাঙৰ চৰণে থাকি যায় দোষ
হৰি নাৰায়ন

কত ফুল পৰে নন্দ চোৱালে
কত ফুল পৰে নন্দ চোৱালে
খোপাই নধৰে ফুল আৰু কত লাগে
কত ফুল পৰে
ইদাল সিদাল কৰি ডাল ভাঙি পৰে
কত ফুল পৰে
বাওঁ নাই বতাহ নাই কত ফালে হালে
কত ফুল পৰে

বিদায় দিয়া আই হে গধূলী হল
বিদায় দিয়া আই হে গধূলী হল
ব্ৰহ্মাক বিদায় দি আহানে ৰল
বিদায় দিয়া আই হে গধূলী হল
আমাক বিদায় দি ফকিদৰি হল
বিদায় দিয়া আই হে গধূলী হল
ব্ৰহ্মাক বিদায় দি ৰাধা চলি গল
বিদায় দিয়া আই হে গধূলী হল
ৰাম বোল হৰিবোল নামৰ নামত নকৰিবা হেলা
এই নামে যাব লাগে জীৱন কালৰ বেলা
ৰাম জয় হৰি জয় ৰাইজৰ হওঁক জয়
গোপীনিৰ ভাগ হয় ।
জয় ঈশ্বৰী ভগৱতী আইৰ চৰণত পৰিছোং
হৰি বোলা - হৰে
ডাঙৰ আই সৰু আই মাইজং আই ভিতৰা আইৰ
চৰণত পৰিছোং - হৰি বোলা হৰে
জয় কৃষ্ণ প্ৰভু গোপালৰ চৰণত পৰিছোং
হৰি বোলা হৰে
জগন্নাথ জগৎগুৰু বলিয়া পিতাৰ চৰণত পৰিছোং
হৰি বোলা - হৰে
ভগৱতী আই লক্ষ্মী আইৰ চৰণত পৰিছোং

হৰি বোলা হৰে
গোপাল গোবিন্দ যদুনন্দন
কৃষ্ণৰে চৰণ লৈলো শৰণ ) ২
প্ৰথমে প্ৰণাম ব্ৰহ্মা ৰূপে সনাতন
সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ
গোপাল গোবিন্দ যদুনন্দন
কৃষ্ণৰে চৰণ লৈলো শৰণ ।।
তযু নাভি কমলত ব্ৰহ্মা ভৈলা জাত
যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত
গোপাল গোবিন্দ যদুনন্দন
কৃষ্ণৰে চৰণ লৈলো শৰণ ।।
মৎস্যৰূপে অৱতাৰ ভৈলা প্ৰথমত
উদ্ধাৰিলা চাৰিবেদ প্ৰলয় জলত
গোপাল গোবিন্দ যদুনন্দন
কৃষ্ণৰ চৰণ লৈলো শৰণ ।।
সত্যব্ৰত ৰজাক দেখাইলা নিজ মায়া
নধৰিলা সমুদ্ৰে তোমাৰ মৎস কায়া
গোপাল গোবিন্দ যদু নন্দন
কৃষ্ণৰ চৰণে লৈলো শৰণ ।।
দিব্য যজ্ঞত বৰাহ স্বৰূপ ভৈলা তুমি
লীলায় দন্তৰ অগ্ৰে উদ্ধাৰিলা ভূমি
গোপাল গোবিন্দ যদুনন্দন
কৃষ্ণৰ চৰণে লৈলো শৰণ ।।
ত্ৰৈলোক্যক আক্ৰমিলা চৰণৰ গতি
তযু পাৱেদাকে গঙ্গা ভৈলা উৎপত্তি
গোপাল গোবিন্দ যদুনন্দন
কষ্ণৰ চৰণে লৈলো শৰণ ।।
জগন্নাথ আহে উপৰে কদম তলে সিংহাসন
জগন্নাথ তাতে বহে ।

ঐ জগন্নাথৰ চৰণত য়ে পৰি কৰং সেৱে
অ বলিয়া পিতাৰ চৰণত কৰং নমস্কাৰে
অ হৰি ৰাম
জগন্নাথ আহে উপৰে কদম তলে সিংহাসন
জগন্নাথ তাতে বহে ।।
ঐ গোপাল ঘাটৰ চৰণত য়ে পৰি কংৰ সেৱে
টাকান মাৰাৱ চৰণত কৰং নমস্কাৰে
অ হৰি ৰাম
জগন্নাথ আহে উপৰে কমদ তলে সিংহাসন
জগন্নাথ তাতে বহে ।।
ঐ বাত ৰজাৰ চৰণতে পৰি কৰং সেৱে
গাও ৰজাৰ চৰণত কৰং নমস্কাৰে
অ হৰি ৰাম
জগন্নাথ আহে উপৰে কদম তলে সিংহাসন
জগন্নাথ তাতে বহে ।।

(সোণাই কৰে জিলিমিলি ৰূপৰ মাজে ৰেৱা
জগন্নাথ বহি আথে ইয়াৰ পৰাই সেবা )[২]
জগন্নাথৰ চৰণত পৰি কৰং সেৱে
গোপাল ঘাটৰ চৰণত কৰং নমস্কাৰে
সোণাই কৰে জিলি মিলি ৰূপাই কৰে ৰেৱা
জগন্নাথ বহি আছে ইয়াৰ পৰাই সেৱা ।।
কৃষ্ণ প্ৰভু চৰণত পৰি কৰং সেৱা
মহাদেৱৰ চৰণত কৰং নমস্কাৰে
সোণাই কৰে জিলি মিলি ৰূপাই কৰে ৰেৱা
জগন্নাথ বহি আছে ইয়াৰ পৰাই সেৱা ।।
লক্ষ্মী মাতৃৰ চৰণত পৰি কৰং সেৱে
পাৰ্বতীৰ চৰণত কৰং নমস্কাৰে
সোণাই কৰে জিলি মিলি ৰূপাই কৰে ৰেৱা
জগন্নাথ বহি আছে ইয়াৰ পৰাই সেৱা ।।

সৰস্বতীৰ চৰণত পৰিকৰং সেৱে
দুর্গা মাতৃৰ চৰণত কৰং নমস্কাৰে
সোণাই কৰে জিলিমিলি ৰূপাই কৰে ৰেবা
জগন্নাথ বহি আছে ইয়াৰ পৰাই সেবা ।।
গাওঁ ৰজাৰ চৰণত পৰি কৰং সেৱে
বাত ৰজাৰ চৰণত কৰং নমস্কাৰে
সোণাই কৰে জিলিমিলি ৰূপাই কৰে ৰেবা
জগন্নাথ বহি আছে ইয়াৰ পৰাই সেবা ।।
দেশ ফুৰাৰ চৰণত কৰং নমস্কাৰে
একলাবীৰৰ চৰণত কৰং নমস্কাৰে
সোণাই কৰে জিলিমিলি ৰূপাই কৰে ৰেবা
জগন্নাথ বহি আছে ইয়াৰ পৰাই সেবা ।।
জয় কবিৰ চৰণত পৰি কৰং সেৱে
স্থল কবিৰ চৰণত কৰং নমস্কাৰে
সোণাই কৰে জিলিমিলি ৰূপাই কৰে ৰেবা
জগন্নাথ বহি আছে ইয়াৰ পৰাই সেবা ।।
(ভাঙা ঘৰৰ তলে তলে হে মনিচৰে বাহা
জগন্নাথে ৰাখবো বুলিহে অমি কৰং আশা
গোহাই এই বেলি ৰখা কৰা )[২]
জগন্নাথৰ চৰণত হে পৰি কৰং সেৱে
বলিয়া পিতাৰ চৰণতহে কৰং নমস্কাৰে
গোহাই এই বেলি ৰক্ষা কৰা
ভাঙা ঘৰৰ তলে তলে হে মনিচৰে বাহা
জগন্নাথে ৰাখবো বুলিহে আমি কৰং আশা
অ পাগ্লাহাবাৰ চৰণতহে কৰং নমস্কাৰে
টাঙান মাবাৰ চৰণত হে কৰো নমস্কাৰে
গোহাই এবেলি ৰক্ষা কৰা
ভাঙা ঘৰৰ তলে তলেহে মনিচৰে বাহা
জগন্নাথে ৰাখবো বুলিহে আমি কৰং আশা ।।

বলিয়া পিতাৰ চৰণত হে পৰি কৰং সেৱে
মূৰা নহাৰ চৰণতহে কৰো নমস্কাৰে ;
গোহাই এই বেলি ৰক্ষা কৰা
ভাঙা ঘৰৰ তলে তলে হে মনিচৰে বাহা
জগন্নাথে ৰাখবো বুলিহে আমি কৰং আশা ।।
একলাবীৰৰ চৰণতহে পৰি কৰং সেৱে
মাকুতাৰ চৰণতহে কৰং নমস্কাৰহে
গোহাই এই বেলি ৰক্ষা কৰা
ভাঙা ঘৰৰ তলে তলেহে মনিচৰে বাহা
জগন্নাথে ৰাখবো বুলি আমি কৰো আশা ।।
ইন্দ্ৰ চৰণতহে কৰং নমস্কাৰে
বৰুণ ৰজাৰ চৰণত হে পৰি কৰং সেৱা
গোহাই এই বেলি ৰক্ষা কৰা
ভাঙা ঘৰৰ তলে তলে হে মনিচৰে বাহা
জগন্নাথে ৰাখবো বুলিহে আমি কৰং আশা ।।
বায়ু ৰজাৰ চৰণতহে পৰি কৰং সেৱে
কুৱেৰৰ চৰণত কৰো নমস্কাৰ হে
গোহাই এই বেলি ৰক্ষা কৰা
ভাঙা ঘৰৰ তলে তলে হে মণিচৰে বাহা
জগন্নাথে ৰাখবো বুলিহে আমি কৰং আশা ।।
নাৰায়ণৰ চৰণত হে পৰি কৰং সেৱে
সকল গোহাইৰ চৰণত কৰো নমস্কাৰে
গোহাই এই বেলি ৰক্ষা কৰা
ভাঙাঘৰৰ তলেতলে মনিচৰে বাহা
জগন্নাথে ৰাখবো বুলিহে আমি কৰং আশা

ওলায় আহা ভাঙাৰায়ে নয়ন ভৰিয়া
ভাঙৰাৰ গলত দেখং কদমৰ মালা হে অ হৰি ৰাম
অ ভাঙৰাৰ চৰণত পৰি কৰং সেৱে
গোপাল ঠাকুৰৰ চৰণত কৰং নমস্কাৰহে

ওলায় আহা ভাওৰায়ে নয়ন ভৰিয়া
ভাঙাৰাৰ গলত দেখং কদমৰ মালাহে - অ হৰি ৰাম
অ জগন্নাথৰ চৰণত য়ে পৰি কৰং সেৱে
পাগ্লাভাৰৰ চৰণত পৰি কৰং নমস্কাৰহে - অ হৰি ৰাম
ওলাই আহা ভাওৰায়ে নয়ন ভৰিয়া
ভাঙাৰাৰ গলত দেখং কদমৰ মালাহে - অ হৰি ৰাম
জলকবিৰ চৰণত য়ে পৰি কৰং সেৱে
স্থল কবিৰ চৰণত কৰং নমস্কাৰ হে - অ হৰি ৰাম
ওলাই আহা ভাওৰায়ে নয়ন ভৰিয়া
ভাওৰাৰ গলত দেখং কদমৰ মালাহে- অ হৰি ৰাম
জলকবিৰ চৰণত য়ে পৰি কৰং সেৱে
স্থল কবিৰ চৰণত কৰং নমস্কাৰ হে-অ হৰি ৰাম
ওলাই আহা ভাওৰায়ে নয়ন ভৰিয়া
ভাঙাৰাৰ গলত দেখং কদমৰ মালাহে - অ হৰি ৰাম
মহাদেৱৰ চৰণত য়ে পৰি কৰং সেৱে
পাৰ্ব্বতীৰ চৰণত কৰং নমস্কাৰহে - অ হৰি ৰাম
ওলাই আহা ভাওৰায়ে নয়ন ভৰিয়া
ভাঙাৰাৰ গলত দেখং কদমৰ মালাহে - অ হৰি ৰাম
কৃষ্ণ প্ৰভুৰ চৰণত যে পৰি কৰং সেৱে
সবাল গোহাইৰ চৰণত কৰং নমস্কাৰ হে- অ হৰি ৰাম
ওলাই আহা ডাওৰায়ে নয়ণ ভৰিয়া
ভাওৰাৰ গলত দেখং কদমৰ মালাহে - অ হৰি ৰাম

(কছুৰে কটাৰী ভাঙে নাৰায়ণে
শিলতে ধৰিলা উই, শিলতে ধৰিলা উই
নাম ধালি দিয়া ধৰমৰ গণনী
সংসাৰত পাপীৰে জুই হে)[২]
কৃষ্ণ গিছি মথুৰাক নাৰিকিলাৰ শাৰী
হৰি হৰি কিনন্দিয়া আমাক গলে এৰি হে
কছুৰে কটাৰী ভাঙে নাৰায়ণে

শিলতে ধৰিলা উই, শিলত ধৰিলা উই
নাম ধালিদিয়া ধৰমৰ গপনী
সংসাৰত পাপীয়ে জুই হে ।।
উৰি গৈলা ৰাজহংস পৰি ৰৈলা পাখী
ষোল্লশ গোপিনী কান্দে কৃষ্ণক বিচাৰী হে
কছুৰে কটাৰী ভাঙে নাৰায়নে
শিলতে ধৰিলা উই, শিলতে ধৰিলা উই
নাম ধালিদিয়া ধৰমৰ গপনী
সংসাৰত পাপীয়ে জুই হে ।।
উৰি গৈলা ৰাজহংস বৃন্দাবনত পৰি ৰৈলা চাই
ষোল্লশ গোপিনী কান্দে কৃষ্ণক নেপাই হে
কছুৰে কটাৰী ভাঙে নাৰায়ণে
শিলতে ধৰিলা উই, শিলতে ধৰিলা উই
নাম ধালি দিয়া ধৰমৰ গপনী
সংসাৰত পাপীবে জুই হে ।।
বৃন্দাবনৰ মাজে হৰি আছিলা লোকাই
পাৰে গোপী কাতে গুৱা কাবে গোপী বেছে ।
পাৰে গোপী যমুনাৰ জলভৰী আছে হে -
কছুৰে কটাৰী ভাঙে নাৰায়ণে
শিলতে ধৰিলা উই, শিলতে ধৰিলা উই
নাম ধালি দিয়া ধৰমৰ গোপনী
সংসাৰত পাপিবে জুই হে ।।
এভাগ গোপিনী বোলে উৰি যাওঁ আমি
এভাগ গোপিনী বোলে ঘৰে নাযাওঁ আমি
কছুৰে কটাৰী ভাঙে নাৰায়ণে
শিলতে ধৰিলা উই, শিলতে ধৰিলা উই
নাম ধালি দিয়া ধৰমৰ গোপনী
সংসাৰত পাপিবে জুই হে ।।
সেন্দুৰৰ দগমগ কাজলৰে ৰেখা

তাৰমাজে ঘৰে আহি কৃষ্ণই দিলা দেখাহে
কছুৰে কটাৰী ভাঙে নাৰায়ণে
শিলতে ধৰিলা উই, শিলতে ধৰিলা উই
নাম ধালি দিয়া ধৰমৰ গপনী
সংসাৰত পাপীৰে জুই হে ।।

গছে সৰু সৰু পাতে চেবে দিয়া মানিকে মাধুৰী লাগে ।
গছে সৰু সৰু পাতে চেবে দিয়া মানিকে মাধুৰী লাগে ।
বৃন্দাবনতে নেযাবা গোহাই ও সৃষ্টি ৰহিবা লাগে হে
গছে সৰু সৰু পাতে চেবে দিয়া মানিকে মাধুৰী লাগে ।
বৃন্দাবনতে নেযাবা গোহাই ও সৃষ্টি ৰহিবা লাগে হে ।।
তেখনে উঠিলা কৃষ্ণ ঘুমুতিৰ জাগে
আকৃতি ধৰিলা কৃষ্ণ স্তন খাবা লাগে হে ।।
গছে সৰু সৰু পাতে চেবে দিয়া মানিকে মাধুৰী লাগে ।
বৃন্দা বনতে নেযাবা গোহাই ও সৃষ্টি ৰহিবা লাগে হে ।।
স্তন খাবা নাপাই শিশু গৈলা ৰোহ কৰি
আই বলং বাই বলং গোবা লাগি লটা হে
গছে সৰু সৰু পাতে চেবে দিয়া মানিকে মাধুৰী লাগে ।
বৃন্দা বনতে নেযাবা গোহাই ও সৃষ্টি ৰহিবা লাগে হে ।।
আই বলোং বাই বলোং গোবা লাগি লয়
কৃষ্ণ গৈছে ৰোহ কৰি আনি দিয়া মোকহে
গছে সৰু সৰু পাতে চেবে দিয়া মানিকে মাধুৰী লাগে ।
বৃন্দা বনতে নেযাবা গোহাই ও সৃষ্টি ৰহিবা লাগে হে ।।
বিচাৰিয়া গলো মই গোপীৰ ঘৰে ঘৰে
কোনো ঠাই নেদেখিলো পুত্ৰ দামোদৰেহে
গছে সৰু সৰু পাতে চেবে দিয়া মানিকে মাধুৰী লাগে ।
বৃন্দা বনতে নেযাবা গোহাই ও সৃষ্টি ৰহিবা লাগে হে ।।
বিচাৰিয়া গলোমই কতে আছে বহি
প্ৰকাশ কৰোং যেন পূৰ্ণিমাৰ ফটা হে
গছে সৰু সৰু পাতে চেবে দিয়া মানিকে মাধুৰী লাগে ।

বৃন্দা বনতে নেযাবা গোহাই ও সৃষ্টি ৰহিবা লাগে হে ।।
উঠা উঠা বাপু কৃষ্ণ নেত্র পাৰি দেং
সিংগোৰাৰ জল আনি চৰণ ধোৱাং হে
গছে সৰু সৰু পাতে চেবে দিয়া মানিকে মাধুৰী লাগে ।
বৃন্দা বনতে নেযাবা গোহাই ও সৃষ্টি ৰহিবা লাগে হে ।।
বগাধানৰ চিৰা আনি কৃষ্ণক খোবাং
পঞ্চ গায়ৰ খিৰ আনি কৃষ্ণক পুঞ্চংহে
গছে সৰু সৰু পাতে চেবে দিয়া মানিকে মাধুৰী লাগে ।
বৃন্দা বনতে নেযাবা গোহাই ও সৃষ্টি ৰহিবা লাগে হে ।।
সিংগোৰাৰ জল আনি মুখক ধোৱাং
কৰপোৰ তামোল আনি মুখতি কৰংহে ।।

মইতো দুৰাচাৰ কেবল তোমাৰ
অপৰাধ হয় নাৰায়ণ হৰিয়ে
মইতো দুৰাচাৰ কেবল তোমাৰ
অপৰাধ হয় নাৰায়ণ হৰিয়ে
অপৰাধি হৰি অপৰাধ মাগিছো
কেশ ছিঙি ধৰো চৰণত হৰিয়ে ।।
মইতো দুৰাচাৰ কেবল তোমাৰ
অপৰাধ হয় নাৰায়ণ হৰিয়ে।।
(আলাস এৰিয়া লোবা হৰি নাম
বিলাস এৰিয়া লও হৰিয়ে
সৰু হৈ গুৰুনাম থোবা গেল
হীৰায়ে বান্ধিয়া লও হৰিয়ে ) [২]
শাস্ত্ৰৰ উত্তম গীতা ভাগৱত
ধৰ্ম্মৰ উত্তম নাম হৰিয়ে
আলাস এৰিয়া লোবা হৰি নাম
বিলাস এৰিয়া লও হৰিয়ে ।।
দেৱৰ উত্তম দৈৱকী নন্দন
চৰণে কৰো প্ৰণাম হৰিয়ে

আলাস এৰিয়া লোৱা হৰি নাম
বিলাস এৰিয়া লওঁ হৰিয়ে ।।

ৰাম বোল বোল হৰি বোল বোল
ৰাম বোল বোল হৰি বোল বোল
আজিৰ পৰা কৃষ্ণ প্ৰভু গোপাল ঠাকুৰৰ
মনৰ কামনা পূৰ্ণ হ'ল।
ৰাম বোল বোল হৰি বোল বোল
আজিৰ পৰা মহাদেৱৰ মনৰ কামনা পূৰ্ণ হল
ৰাম বোল বোল হৰি বোল বোল
আজিৰ পৰা বাত গোহাই বাক ৰজাৰ
মনৰ কামণা পূৰ্ণ হ'ল
ৰাম বোল বোল হৰি বোল বোল
আজিৰ পৰা গাঁওবজাৰ দেশ ফুৰাৰ
মনৰ কামনা পূৰ্ণ হল -
ৰাম বোল বোল হৰি বোল বোল
আজিৰ পৰা বাট কবিৰ জল কবিৰ স্থল কবিৰ
মনৰ কামনা পূৰ্ণ হল -
ৰামবোল বোল হৰি বোল বোল
আজিৰ পৰা একলাবীৰ জল শৰীয়াৰ
মনৰ কামনা পূৰ্ণ হ'ল ।
ৰাম বোল বোল হৰি বোল বোল
আজিৰ পৰা লক্ষ্মী মাতৃৰ সৰস্বতীৰ
মনৰ কামনা পূৰ্ণ হ'ল।
ৰাম বোল বোল হৰি বোল বোল
আজিৰ পৰা পাৰ্ব্বতী দূৰ্গা মাতৃৰ
মনৰ কামনা পূৰ্ণ হ'ল -
ৰাম বোল বোল হৰি বোল বোল
আজিৰ পৰা সকলো গোহাইৰ
মনৰ কামনা পূৰ্ণ হ'ল -

ৰাম বোল বোল হৰি বোল বোল
আজিৰ পৰা ৰাইজৰ মনৰ কামনা পূৰ্ণ হল
ৰাম বোল বোল হৰি বোল বোল
ৰাম বোল হৰি বোল নামত নকৰ হেলা
এই নামে যাব লাগে নিদান কালৰ বেলা

## নামৰ শেষত আহান তোলা গীত

গতি মালি ফুল লাৰিলেই পৰিব লেহেৰাই তুলিবা আই
গতি মালি ফুল লাৰিলেই পৰিব লেহেৰাই তুলিবা আই
অ ডাঙৰ আই সৰু আই মাইজং আই ভিতৰা আই চৰণ চাপাই
গতি মালি ফুল লাৰিলেই পৰিব লেহেৰাই তুলিবা আই
অ আৰেৰি তাবেৰি ন বইনী চৰণ চপাই
গতি মালি ফুল লাৰিলেই পৰিব লেহেৰাই তুলিবা আই
অ বগা আই কলা আই হালধীয়া আই চৰণ চপাই
গতি মালি ফুল লাৰিলেই পৰিব লেহেৰাই তুলিবা আই
আখেফুল ফুটে পাৰংটা নাই
জকাই মকাই ফুল তল সৰি যায়
অ ডাঙৰ অই সৰু আই মাইজং আই
ভিতৰা আই চৰণ চপাই
আখেফুল ফুটে পাৰংটা নাই
জকাই মকাই ফুল তল সৰি যায়
অ-কছুৰী ডুমৰী ঔফুলি জিকা ফুলি চৰণ চপাই
আখেফুল ফুটে পাৰংটা নাই
জকাই মকাই ফুল তল সৰি যায়
অ হাগুৰী ঘগুৰী লালিলাং ফৰফৰী চৰণ চপাই
আখেফুল ফুটে পাৰংটা নাই
জকাই মকাই ফুল তল সৰি যায়
নাওঁহেলনীয়া বৈঠা হেলনীয়া হৰিয়ে
কিয়ে আৰু হেলনীয়া চৈ যায় ও যায়ে ।।
নাওঁৰে ওপৰে জালী হেলনীয়া হৰিয়ে

কিয়ে বিজেলী বাঁহৰে দৈ ও যায় ও যায়ে
নাওঁহেলনীয়া বৈঠা হেলনীয়া হৰিয়ে
কিয়ে আৰু হেলনীয়া চৈ যায় ও যায়ে ।।
আজি আই যমুনাকে যায় হৰিয়ে
আজি আই যমুনাকে যায় হৰিয়ে ।
আমে কঠালে নানা নৈবেদ্যে
নৌকাতে ভৰায় হৰিয়ে
আজি আই যমুনাকে যায় হৰিয়ে ।
নানা ফলে কলে নৈবেদ্যেয়ে
নৌকাতে ভৰায় হৰিয়ে
আজি আই যমুনাকে যায় হৰিয়ে ।।
ঘিয়ে মৌৰে শালাবন্তিয়ে নৌকাতে ভৰায় হৰিয়ে
কলে ফলে নানা নৈবেদ্যে নৌকাতে ভৰায় হৰিয়ে
আজি আই যমুনাকে যায় হৰিয়ে ।
কাষতে কলৰি মাথাতে মালতি অ........
হাততে তুলসীৰ মালা
যমুনাকে যাবলাগি নকৰিবা হেলা ।
কাষতে কলৰি মাথাতে মালতি অ
হাততে তুলসীৰ মালা
যমুনাকে যাবলাগি নকৰিবা হেলা ।
অ ডাঙৰ আই সৰু আই মাইজং আই নকৰিবা হেলা
কাষতে কলৰি মাথাতে মালতি অ
হাততে তুলসীৰ মালা
যমুনাকে যাবলাগি নকৰিবা হেলা ।
অ আগেৰী তামেলী নিতেলী ন বইনী ন পুতা
বাৰ বইনী বুঢ়ী আই নকৰিবা হেলা ।
কাষতে কলৰি মাথাতে মালতি অ
হাততে তুলসীৰ মালা
যমুনাকে যাবলাগি নকৰিবা হেলা ।

অ বগা আই কলা আই হালধীয়া আই বেথা আই
ভিতৰা আই নকৰিবা হেলা -
কাষতে কলষি মাথাতে মালতি অ
হাততে তুলসীৰ মালা
যমুনাকে যাবকলাগি নকৰিবা হেলা ।
অ -হাগুৰী খুগুৰী লালিলাং ধৰফৰি ধকুৰী
হানেশ্বৰী খুন্দামাৰী নকৰিবা হেলা -
কাষতে কলষি মাথাতে মালতি অ
হাততে তুলসীৰ মালা
যমুনাকে যাবলাগি নকৰিবা হেলা ।

জয় গোপাল ঠাকুৰৰ চৰণত পৰিছোং
হৰি বোলা - হৰে -
জগন্নাথ জগৎ গুৰু বলিয়া পিতাৰ চৰণত পৰিছোং
হৰি বোলা - হৰে -
কলিয়া গুৰু টাঙান মূৰা মূৰা নহাৰ চৰণত পৰিছোং
হৰি বোলা - হৰে -
গাঁও ৰাজা দেশ ফুৰা ৰাতিফুৰাৰ চৰণত পৰিছোং
হৰি বোলা - হৰে -
খাল কবিৰ জল কবিৰ স্থল কবিৰৰ চৰণত পৰিছোং
হৰি বোলা - হৰে -
জয় আই লক্ষ্মীমাতৃ সৰস্বতী ৰাধামাতৃৰ চৰণত পৰিছোং
হৰি বোলা - হৰে -
জয় শিব বাবা মহাদেব পাৰ্বৃতীৰ চৰণত পৰিছোং
হৰি বোলা - হৰে -
হৰি বোলা - হৰে -
ৰাইজৰ সকল ৰাজাৰ হালা খুছি মতে জলসুচিমতে
সকাল ৰাইজক জলাব লাগে
হৰি বোলা - হৰে -
নীলাগত বলা নীলাৰ লাগে খীনাব লাগে

হৰি বোলা - হৰে -
চালৰ মাটী বেৰাৰমাটী চালৰ কুটা আখৰী
কৰিব লাগে - হৰি বোলা হৰে -
বৃন্দাৰ পাতে গাধকে আৰামে বান্ধিব লাগে
হৰি বোলা - হৰে -
সকল ৰাইজৰ যাতে ঘৰে বাইজে জয় জয় ময় ময় খালা খুচি মতে জলশুচিমতে ৰাইজৰ যাতে উজ্জ্বল কৰে, আগন্তুক লাগি দিবা থবা শক্তিমান কৰে -
হৰি বোলা - হৰে
অ - ৰাম - অ হৰি
অ - হৰি - অ ৰাম
জয় প্ৰভু গোপালৰ চৰণত পৰিছোং
হৰি বোলা - হৰে -

<u>তোলনী বিয়া বা ধুৱনী বিয়া</u> ঃ শৰণীয়া সকলৰ ছোৱালী প্ৰথম ঋতুমতি হলে গাৱৰ তিৰোতা সকলে আহি পৰম্পৰাগত ভাবে আগ দি ঘৰৰ ভিতৰত কোনো পুৰুষে নেদেখাকৈ ৰখা হয়। খেৰৰ বিচনা পাৰি শুৱলৈ দিয়া হয়। পঞ্চম দিনৰ দিনা কইনাক নিৰ্দিষ্ট প্ৰথা অনুসৰি নোৱাই ধুৱাই গাৱৰ সকলো তিৰোতাই পিঠাগুৰি, সেন্দুৰ আদিৰে ইজনে সিজনক ঘহি দি নানা ভাও দি গীত গাই ধং ধেমালী কৰে ।

ছোৱালী ঋতুমতি হোৱাৰ দিনা যিটো ঘৰত থোৱা হয় সেই ঘৰত এখন কাহিত মাটিৰ চাকি জ্বলাই পাণ-তামোল দি এখন ঠগী পতা হয়। সেই ঠগীৰ লগতে বাতি এটাত ধানৰ শিৰ দিয়া হয়। ধানৰ শিৰৰ অভাৱত ধানকে এবাতি দিয়া হয়। ঠগীৰ কাষত ঘটি এটাত পানী এবাটি দি তাত আমৰ ঠানি এটা দিয়া হয়। ইয়াৰ পিছত অপুষ্পিতা ছোৱালী ৫ জনী আহি ধুৱনীৰ দিনলৈ দিনত দুবাৰকৈ পানী চতিয়ায়। পানী ৰখাঘটিটোত তিনিটা সেন্দুৰৰ ফোঁট দিয়া হয়।

এই অনুষ্ঠানত গণক বা জ্যোতিষীৰ ভূমিকা আছে। গণকৰ দ্বাৰা ছোৱালী পুষ্পিতা হোৱাৰ দ্বিতীয় দিনা গণনা কৰি “দোষ গুণ” চোৱা হয় আৰু দোষ থাকিলে গণকৰ বিধান মতে প্ৰতিবিধানৰ ব্যৱস্থা লোৱা হয়। পুষ্পিতা হোৱা ছোৱালীক ‘কইনা’ আৰু অনুষ্ঠানটোক আগবিয়া বুলিও অভিহিত কৰা হয়।

ছোৱালী ঋতুমতি হোৱাৰ দিনৰ পৰা গাৱৰ লগ সমনীয়া ছোৱালীবোৰে বাতি তাইৰ লগত থাকিবলৈ আহে আৰু সেই সখিয়েক সকলোৱে পাঁচদিনলৈকে বাতি কৰি গা ধুৱায়।

ঋতুমতি হোৱাৰ তিনিদিনৰ দিনা জাপা দিয়াৰ নিয়ম। জাপা সচৰাচৰ মোমায়েক নতুবা বিয়া দিয়া মাহীয়েকৰ ঘৰত দিয়া হয়। মোমায়েক নতুবা মাহীয়েকৰ ঘৰ বহু দূৰত হলে আৰু বিশেষ অসুবিধা হলেহে অন্য আত্মীয়ৰ ঘৰত জাপা দিয়া হয়। এই জাপাটোত চুৰী কটাৰী এখন, বেঙেনাৰ কৰ বা বেঙেনা তিনিটা, ডালিমৰ কৰ বা ডালিম দুটা আৰু পাণ তামোল এজোৰ এখন ৰুমালেৰে বান্ধি এটা বাঁহৰ পাত্ৰত অথবা কাহৰ সাফৰ থকা পাত্ৰ এটাত ভৰাই লোৱা হয়। ইয়াকে জাপা বুলি কোৱা হয়। এই জাপাটো লৈ কইনা পক্ষই মোমায়েক বা মাহীয়েকৰ ঘৰলৈ জাপা দিবলৈ যায়। জাপা ভৰাই নিয়া পাত্ৰটোক গাজীৰাম বুলি কোৱা হয়। যি ঘৰত জাপা দিব সেই ঘৰক দৰা পক্ষ বুলি কোৱা হয়। জাপা সজাই দৰা ঘৰলৈ যোৱাৰ বাবে সাজুহৈ থকা সময়ত আয়তি সকলে তোলনী বিয়াৰ গীত তলত দিয়া ধৰণে গায় -

দিহাঃ কিয়ে জাপাৰ সকথাতি জাপা বান্ধে আতি
জাপা যায় নগৰৰ ছাতিয়ে ।।

পদ ঃ কিয়ে মৎস্য ৰূপে অৱতাৰ ভৈলা প্ৰথমত
উদ্ধাৰিলা চাৰিবেদ প্ৰলয় জলতে ।
জাপাৰ সক খাতি জাপা বান্ধে আতি
জাপা যায় নগৰৰ ছাতিয়ে ...... ।।
কুৰ্ম্মা অৱতাৰ ভৈলা ক্ষীৰ দধি তীৰে
লক্ষ্য প্ৰহৰৰ পথ জুৰিলা শৰীৰে ।
জাপাৰ সকথাতি জাপা বান্ধে আতি
জাপা যায় নগৰৰ ছাতিয়ে ...... ।।

কইনা পক্ষ জাপালৈ গৈ দৰা পক্ষৰ ঘৰৰ পদূলী পোৱাৰ লগে লগে দৰা পক্ষই সহস্ৰ বাতিলৈ পাণ তামোল দি কইনা পক্ষক পাণৰ আগেৰে চোতাললৈ বৰণ কৰি নিয়ে। এই দৰে বৰণ কৰি নিয়া সময়ত আয়তি সকলে বিয়াৰ গীত গায় । এই গীতবোৰক তোলনী বিয়াৰ গীত বুলিও কোৱা হয়।

দিহা ঃ জাপা বঢ়া জাপা বঢ়া জাপাত নিদবা হাত
জাপাৰ ভিতৰে নাইতে আছে নামে জগন্নাথ

পদ ঃ প্ৰথমে প্ৰণাম ব্ৰহ্মাৰূপে সনাতন
সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ
জাপা বঢ়া জাপা বঢ়া জাপাত নিদবা হাত

জাপাৰ ভিতৰে নাইতে আছে নামে জগন্নাথ ।

বৰণ শেষ নোহোৱালৈকে এই দৰে আয়তি সকলে বিয়াৰ গীত গাই থাকে।

দৰা পক্ষই চোতালত ঢাৰি পাৰি তাৰ ওপৰত এখন কাপোৰ পাৰি দি কইনা পক্ষক বাটৰ পৰা বৰি নি বহিব দিয়ে। চোতালত জাপাটোক অৰ্থাৎ গাজীৰামক জাপাৰ পৰা উলিয়াই গাখীৰ পানী আৰু গুৱাৰে গাজী ৰামক ধুৱোৱা হয়। এই দৰে ধুই থাকোতে আয়তী সকলে বিয়াৰ গীত গায় ।

দিহাঃ ৰঙালী ৰদতে গাজীকে নুলাবা চিলাই থাপি নিব ।
চিলাই থাপমাৰি মাদাৰে তুলিব মায়াকে বাহুল্য হুব ।।

পদ ঃ তযু নাভী কমলত ব্ৰহ্মা ভৈলা জাত
যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত .....
ৰঙালী ৰদতে গাজীকে নুলাবা চিলাই থাপি নিব
চিলাই থাপমাৰি মাদাৰে তুলিব মায়াকে বাহুল্য হুব ।।

এইদৰে আয়তি সকলে গাজীক ধুৱাবাৰ সময়ত গান গাই থাকে । গাজিক গান গাই ধুৱাই উঠাৰ পিছত ঘৰৰ ভিতৰত সোমাই থোৱা হয়। তাৰ পিছত কইনা ঘৰিয়াই দৰা ঘৰৰ পৰা বিদায় লৈ ঘৰলৈ ঘূৰি আহে।

পঞ্চম দিনা দৰা পক্ষই গাজিৰামক (জাপাটো) আৰু লগত আন এটা জাপালৈ যাত্রা কৰে। গাজিৰামৰ লগত আনা জাপাটোত পাণ তামোল দিয়ে। এইদৰে কইনা ধুৱাবলৈ আহোতে দৰা পক্ষই কইনাৰ কাৰণে নতুন কাপোৰ অলঙ্কাৰ আদিও লগত লৈ আহে। এইদৰে আহি কইনা পক্ষৰ পদূলী পোৱাৰ লগে লগে দৰা পক্ষই উৰুলী জোকাৰ দিয়ে আৰু কইনা পক্ষই দৰা পক্ষক পদূলীৰ পৰাই আদৰি আনে।

কইনা পক্ষই দৰা পক্ষক আদৰি আনিব যোৱাৰ সময়ত কইনা পক্ষৰ এজনী সৰু ছোৱালীয়ে মূৰত এটি জাপালৈ পদূলিলৈ আগ বাঢ়ি যায়। আৰু আন এজনী মহিলাই কাহী এখনত সহস্ৰ বাতিলৈ পাণ তামোলেৰে দৰা পক্ষক আদৰিব যায়। পদূলীত দৰা পক্ষৰ দুজনী সৰু ছোৱালীয়ে মূৰত জপা লৈ থিয় হয় আৰু কইনা পক্ষৰ এজনী একে শাৰীত থিয় হয়। ইয়াৰ পিছতে তিনিও জনীৰ পৰস্পৰৰ মাজত জপা সলনা সলনি কৰে। এইদৰে জপা সলনা সলনি কৰাৰ পিছত এখন নতুন আনা কাটা কাপোৰ তিনিওজনীৰ মাথাৰ ওপৰত ঢাকি দিয়া হয়।এই ঢাকি থকা কাপোৰখনৰ এটা আজলিত ধৰি সহস্ৰ বাতি লৈ পাণৰ আগেৰে এই জাপা ধৰা তিনিও জনীক লগতে দৰা পক্ষৰ সমূহ আয়তীক বৰণ কৰি চোতাললৈ নিয়ে আৰু চোতালৰ আগত

এখন ঢাৰি নতুন কাপোৰ পাৰি গাজি ৰাখকে ধৰি তিনিওটা জাপাকে বহুৱাই থোৱা হয়। এইদৰে পদুলীৰ পৰা জাপা বৰি আনোতে আয়তি সকলে বিয়াৰ গীত এই দৰে গায় -

দিহা ঃ জাপা বড়া জাপা বড়া জাপাত নিদবা হাতে
জাপাৰ ভিতৰে নাইতে আছে নামে জগন্নাথ

পদ ঃ প্ৰথমে প্ৰণামো ব্ৰহ্মা ৰূপে সনাতন
সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ
জাপা বড়া জাপা বড়া জাপাত নিদবা হাত
জাপাৰ ভিতৰে নাইতে আছে নামে জগন্নাথ ।।
মৎস্যৰূপে অৱতাৰ ভৈলা প্ৰথমতে
নধৰিলা সমুদ্ৰে তোমাৰ মৎস্য কায়া ।।
জাপা বড়া জাপা বড়া জাপাত নিদবা হাত
জাপাৰ ভিতৰে নাইতে আছে নামে জগন্নাথ ।।

ইয়াৰ পিছতে কইনাক সখিয়েক সকলে গাধোৱাৰ কাৰণে কলৰ গুৰিলৈ উলিয়াই লৈ আহে। আহোতে কইনাই আগে আগে যায় আৰু পিছে পিছে সখিয়েক সকলে গোবৰ পানী চতিয়াই যায়। গোবৰ পানী চতিয়াই যোৱাৰ কাৰণ হল কইনাই খোজ দি যোৱা ঠাইখিনি পবিত্ৰ কৰি যোৱা । কইনাক গা ধুৱাবৰ কাৰণে কলগছ আগেয়ে ঘৰৰ কাষত আনি পুতি থয় আৰু তাতে কইনাক সখিয়েক সকলে গা ধুৱায়। কইনাক গা ধুৱোৱাৰ সময়ত কইনাৰ কাষত থকা ধানৰ বাতি আৰু ঘটিৰ আমৰ ঠানি কলৰ গুৰিত আনি পেলায়। কইনাক মাহ আৰু হালধী বতি লৈ তাৰ পানীৰে গা ধুৱায়। সেই সময়ত আয়তি সকলে বিয়াৰ গীত তলত দিয়া ধৰণে গায় -

(১)

দিহা ঃ প্ৰথমে মাহ দিয়া, মাহ যায় ৰস
লাইখে লাইখে হালধীকে ঘহিবা গাৱত ।

পদ ঃ কইনাধেৰ নগুলাতে হালী আছে নল
কলহে কলহে ঢালে যমুনাৰ জল ।
প্ৰথমে মাহদিয়া মাহ যায় ৰস
লাইখে লাইখে হালধীকেঘহিবা গাৱত ।।
সত্যব্ৰত ৰজাক দেখাইলা নিজমায়া

নধৰিলা সমুদ্ৰে তোমাৰ মৎস্য কায়া ।
প্ৰথমে মাহ দিয়া, মাহ যায় বস
লাইখেলাইখে হালধীকে ঘহিবা গাৱত ।।

(২)

দিহাঃ গা ধুই উঠিয়ে আৰে চানা মাই
কেইখন লেখিলা গাঁও
আয়তি সকলে আগুৰি ধুৱায়ে
একলা মায়াৰে নাম ।।
পদ ঃ কুৰ্ম্ম অৱতাৰ ভৈলা ক্ষীৰো দধি তীৰে
লক্ষ প্ৰহৰৰ পথ জুৰিলা শৰীৰে ।।
গা ধুই উঠিয়ে আৰে চানা মাই
কেইখন লেখিলা গাঁও
আয়তি সকলে আগুৰি ধুৱায়ে
এবেলা মায়াৰে নাম ।।

গা ধুৱা নহোৱালৈকে এইদৰে নাম গাই থাকে। গা ধুই উঠাৰ পিছত কলৰগুৰিতে কইনাক নতুন কাপোৰে পিন্ধায়। সেই সময়তে আয়তি সকলে তলত দিয়া ধৰণে বিয়াৰগীত গায় ।

(৩)

আয়াৰে কাপোৰখন গোলাপী গোলাপী ৰং
খুজি আনা বুলি কৰিছে খং
খুজিও অনা নাই ঘৰতে ঘৰতে আছে
ভাজনী মায়েৰে থৈ থৈছে আগে ।।
আয়াৰে চোলাতো বিলাতী বিলাতী ৰং
খুজি আনা বুলি কৰিছে খং
খুজিও আনা নাই চেনেহৰ পিতাবাই
আনি থৈছে আগে ।।
আয়াৰে চোলাতো বিলাতী বিলাতী ৰং
খুজি আনা বুলি কৰিছে খং
ভাজনী মায়াবাই থৈ থৈছে আগে ।।

(৪)

দিহা ঃ গা ধুই উঠি আগে দুৰ্গাক মাগে বৰ
দুৰ্গা মায়ে আনি দিলা পুত্ৰ দামোদৰ ।।
পদ ঃ কুৰ্ম্ম অৱতাৰে ভৈলা ক্ষীৰ দধি তীৰে
লক্ষ প্ৰহৰৰ পথ জুৰাইলা শৰীৰে ।।
গা ধুই উঠি আয়ে দুৰ্গাক মাগে বৰ
দুৰ্গা মায়ে আনি দিলা পুত্ৰ দামোদৰ ।।

কইনা গা ধুই উঠাৰ পিছত কলৰ গুৰিৰ পৰা মাহীয়েকে কোলা কৰি দাঙি লৈ আহি চোতালত পিৰাৰ ওপৰত বহুৱাই থয়। আনপিনে সখীয়েক সকলেও গা-ধুই পবিত্ৰ হৈ কইনাৰ কাষত ঢাৰিৰ ওপৰত বহে। ইয়াতে সখীয়েক সকলে গাজি ৰামক সলনা সঁলনি কৰি কোলাত লয়। সেই সময়তে আয়তি সকলে তলত দিয়া ধৰণে বিয়াৰ গীত গায় -

হৰিয়ে ই কলা সিকলা
হৰিহে নাতী তিনি কলা
হৰিহে মাহীয়েকৰ কোলাতে থোৱাহে ৰাম ।
হৰিহে লাৰোতে চাৰোতে
হৰিহে পিছলি পৰিব চাবাহে ।।

চোতালত কইনাজনী দুই হাতৰ কোচত দুটা ঘটি লৈ কোচত গাজীৰামক লৈ আৰু হাতত আখৈ লৈ নিজৰ জাগাতে থাকি চাৰিও ফালে ঘুৰে। এই দৰে ঘুৰোতে হাতৰ আখৈ বোৰ অলপ অলপকৈ লৈ ঘুৰি থাকে। সেই সময়ত আয়তি সকলে তলত দিয়া ধৰণে গীত গায়।

দিহা ঃ দুই হাতে দুটি লটা কপিলৰে দৈ
চাৰিও ফালে ঘুৰা আয়া গাজিৰামকলৈ ।।
পদঃ দিব্য যজ্ঞত বৰাহ স্বৰূপ ভৈলা তুমি
নীলায় দন্তৰ অগ্ৰে উদ্ধাৰিলা ভূমি ।।
দুই হাতে দুটি লটা কপিলৰে দৈ
চাৰিও ফালে ঘুৰা আয়া গাজি ৰামক লৈ ।।

ইয়াৰ পিছতে কইনাক মুৰ ফনিয়াই অলঙ্কাৰ পাতিবোৰ পিন্ধাই সজাই তোলে। সেই সময়ত আয়তি সকলে তলত দিয়া ধৰণে গায় —

দিহা ঃ আমাৰ আয়া কিনো কলা এজ্বাৰতে জ্বলে
তেল দিলে চিকিমিকি ৰদত পেখন ধৰে ।

পদ ঃ তোমাক কৰিলে যুদ্ধ হিৰণাক্ষ বীৰে
অপ্রয়াসে দৈত্যক মাৰিলা দন্তে ছিড়ি।।
আমাৰ আয়া কিনো কলা এজ্বাৰতে জ্বলে
তেলদিলে চিকি মিকি ৰদত পেখন ধৰে ।।

দিহা ঃ মায়েৰাৰ অলঙ্কাৰ থোৱাহে ৰুক্মীনি
দেইতাৰাৰ অলঙ্কাৰ থোৱাহে
দ্বাৰকাৰ শ্ৰীকৃষ্ণই অলঙ্কাৰ পঠাইছে
লোৱা হাতজোৰ কৰিহে ।।

পদ ঃ আদি দত্য হিৰণ্য কশিপু বলিয়াৰ
নৰসিংহ ৰূপে হিয়া বিদাৰিলা তাৰ ।।
মায়েৰাৰা অলঙ্কাৰ থোৱাহে ৰুক্মীনি
দ্বাৰাকাৰ শ্ৰীকৃষ্ণই অলঙ্কাৰ পঠাইছে
লোৱা হাত যোৰ কৰিহে ।।

ইয়াৰ পিছতে কইনাজনীক ঘৰৰ ভিতৰলৈ নিয়া হয়। কইনাজনী অলপপিছত হাতত পাণ তামোল লৈ চোতাললৈ আহি ৰাইজক সেৱা কৰে।

আন পিনে আয়তি সকলে নাম আৰম্ভ কৰে। নাম শেষ হোৱাৰ পিছত সকলোৱে মাহ প্ৰসাদ খায়। সেই সময়তে আয়তি সকলে পৰস্পৰৰ মাজত সেন্দুৰ আৰু পিঠাগুৰি ঘহি দি ধেমালি কৰে। কিছুমানে কলৰ মালাও দিয়া দেখা যায়। এই দৰে বিভিন্ন ধৰণে আয়তি সকলে পৰস্পৰৰ মাজত হাঁহি-ধেমালি কৰে।

এইদৰে হাঁহি-ধেমালি কৰি মাহ প্ৰসাদ খোৱাৰ পিছত দৰা পক্ষক বিদায় দিয়া হয়। দৰা পক্ষক বিদায় দিয়াৰ সময়ত কইনাজনী ঘৰৰ পদুলীলৈ আগবাঢ়ি আহি পান তামোল এজোৰ লৈ মাহীয়েকক ভৰিত ধৰি সেৱা কৰি বিদায় দিয়ে আৰু কইনা জনীক সখীয়েক সকলে ঘৰলৈ লৈ যায়।

ঘৰৰ বাৰাণ্ডাত কইনাজনীক ঢাবীৰ ওপৰত কাপোৰ এখন পাৰি বহুৱাই থৈ দিয়ে আৰু সকলোৱে তাতেই কইনা জনীক আশীৰ্বাদ দি বিদায় লয়। এইদৰে শৰণীয়া সকলে তোলনী বিয়া আদিবে পৰা এতিয়ালৈ পালন কৰি আহোতে এটি সংস্কৃতিত পৰিণত হৈছে।

**<u>অপেশ্বৰী নাম ঃ</u>** শ্ৰীমত জয়মতী আৰু শ্ৰীমত চন্দ্ৰাবতী (সাপতাৰ) পৰা সংগৃহীত ।

*অপেশ্বৰী নামৰ জোগাৰঃ* পাৰ চৰাই দুইযোৰ, কেঁচা ভোগ, পকা ভোগ। পাৰ এযোৰ ৰান্ধি দিয়ে আৰু আনযোৰ উৰাই দিয়ে। ডীমা দুই যোৰ। এখন ছাঙৰ ওপৰত অপেশ্বৰী পূজাৰ বাবে তিনিখন ঠগী দিয়ে। পকা কল এক আশি, তিনিটা গাইৰ গাখীৰ একপোৱা। কণী, আৰি ঠগীত একযোৰ আৰু অপেশ্বৰীৰ ঠগীত একযোৰ। ভোগ বনোৱাত গাখীৰ, গুৰু মিঠাই, কেঁচা গুৰৰ লগত কেঁচা ভোগ আৰু সিজাই বা ৰান্ধি দিয়া খিনিক পকা ভোগ বুলি কোৱা হয়। অপেশ্বৰীৰ ঠগীৰ কাষত ৯ খন ধেনু দিয়ে। ঘাই আহানত ৯ ভাগ গাজী আৰু অপেশ্বৰী ভাগত বা আহানতো ৯ ভাগ গাজি দিয়ে। বলিয়া গোহাই আৰু পাৰঘাটিয়া গোহাইক পাঁচ ভাগকৈ গাজি দিয়ে। প্ৰতিটো ভাগতে একোযোৰ পাণ-তামোল আৰু একোখনকৈ কটা তামোল দিব লাগে। আহান পতা হোৱাৰ পিছত স্তুতিৰ গান আৰম্ভ কৰে –

**<u>অপেশ্বৰী স্তুতি গান ঃ</u>**

ঘোষা ঃ জয় জয় ৰাম কৰুণা সাগৰ নাম
ৰাখা নাৰায়ণ এবাৰ কৰিব দয়া ।।

পদ ঃ প্ৰথমে প্ৰণাম ব্ৰহ্মাৰূপে সনাতন
সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ ।
জয় জয় ৰাম কৰুণা সাগৰ নাম
ৰাখা নাৰায়ণ এবাৰ কৰিব দয়া ।।

ঘোষা ঃ জয় জয় ৰাম জয় শ্ৰীৰাম
জয় সনাতন হে

পদ ঃ তযু নাভি কমলত ব্ৰহ্মা ভৈলা জাত
যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত
জয় জয় ৰাম জয় শ্ৰীৰাম
জয় সনাতনহে

ঘোষা ঃ মাথাই ফুলৰ কন্দিলে আয়কে সাদৰৰগৈ
জগতৰ জননী আয়ৰ নাম ভাবিনী ছয়াইদি আগুৰগৈ ।।

পদ ঃ অ আই কুমুনি নিচানি কাটিগণ পৰিগণ
গাঙা দুৰ্গা ছয়াই দি আগুৰগৈ

মাথাই ফুলৰ কন্দিলৈ আয়কে সাদৰংগৈ
জগতৰ জননী আয়ৰ নাম ভাবিনী ছায়াই দি আগুৰংগৈ ।।

ঘোষা ঃ কপাহী গামোচা আয়ৰ ভৰিমুছা
অ আই আয়ৰ খৰী কটা পিৰা
মাথাৰে বোকাৰি বাম মই লিছিয়াই
জীৱন পাৰি দিয়া আসন ।।

পদ ঃ জ্বৰ গেন্দ্রি, পানী খাইতি আধুৰী খামুছি
বেজাৰ কৰি জীৱন পাৰি দিয়া আসন ।।
কপাহী গামোচা আয়ৰ ভৰি মুছা
অ আই আয়াৰ খৰী কটা পিৰা ।
মাথাৰে বোকাৰি বাম মই লিছিয়াই
জীৱন পাৰি দিয়া আসন ।।
অ-হিহিলী বিহিলী খাৰিতি ফেঙেৰি
জীৱন পাৰিদিয়া আসন ।
অ-পাৰিজাত পৰিষদ গোপাল ঠাকুৰে
জীৱন পাৰি দিয়া আসন ।।

ঘোষা ঃ আই সকলৰ ভৰগতি, বকুল ফুলৰ কামি
কিবা ৰূপে পূজবা লাগছিল নাজানিলোং আমি ।।

পদ ঃ অ হাগুৰি কাহৰি উকিলনি বাতিয়াল নি
কিবা ৰূপে পূজবা লাগছিল নাজানিলোং আমি ।।
অ খৰ্গেশ্বৰী মহেশ্বৰী অপেশ্বৰী
কিবাৰূপে পূজবা লাগছিল নাজানিলোং আমি ।।
অ নামতি নবুলি নিয়ামী ধৰ্ম্মী
কিবা ৰূপে পূজবা লাগছিল নাজানিলোং আমি ।।

ঘোষা ঃ ৰুগীৰে ঘমুতি নাই অৰে জাগ মহা মায়া আই
তোমাৰ পূজা পানী দিছোং আগবঢ়াই
লোবা চকু মেলি চাই ।।

পদ ঃ অ নাজানি নগুনি বিভিৰি কালেৰি আই
তোমাৰ পূজা পানী দিছোং আগবঢ়াই লোবা চকু মেলি চাই ।
অ দয়ালি শেৱালী কৃপাকৰি ৰক্ষাকৰি
তোমাৰ পূজাপানী দিছোং আগবঢ়াই লোবা চকু মেলি চাই ।।

ভেলভাষী নৈবাদভাৰি মিঠামাৰি লোৱা চকুমেলি চাই
তোমাৰ পূজাপানী দিছোং আগবঢ়াই লোৱা চকুমেলি চাই ।।

ঘোষা ঃ কাতি আনি দেং ফুল মালতিৰে মালা
ঈশ্বৰী ভগৱতী বুঢ়ী আইক দেংফুল আজলি ভৰিয়া ।।

পদ ঃ ডাঙৰ আই চানা আই মাইজং আই ভিতৰা আইক
দেংফুল আজলী ভৰিয়া ।
দেশফুৰা ৰাতিফুৰা টঙান মাৰাক
দেংফুল আজলি ভৰিয়া ।।
ঘাটুবৈ বাটু বৈ ডাক ডাকি চুচিয়া মুচিয়া
সকল আয়ক দেং ফুল আজলি ভৰিয়া ।।

এই সময়ত আয়তিয়ে হাতত ফুললৈ প্ৰতিখন ঠগীতে তিনিবাৰকৈ ফুল চতিয়াই দিয়ে।

ঘোষা ঃ আহংতে ৰুই গেলুংপুলি যাওঁতে লৈ গেলু তুলি
আমিতো নাজনং অ হৰি হৰি আয়েদয়া কৰে বুলি ।।

পদ ঃ অ কুমুলি মিঠালি কতিগণ পখিগণ গাঙা দুৰ্গা
আয়ে দয়া কৰে বুলি ।।
অ নেপালনি, বঙালনি আহোমনি চৰালনি
চলি ধৰিয়া আয়ে দয়া কৰে বুলি ।।
অ দন্দিকা চন্দিকা কালিকা মহামায়া দুৰ্গাদেৱী
লোৱা চকু মেলি চাই ।

ঘোষা ঃ আই তই শেতেলী দখলি পুতলি
থৈ থোৱা বকু জোৰাই হৰিয়ে ।।

পদ ঃ অ ঈশ্বৰী ভগৱতী বুঢ়ী আয়ে
থৈ যাবি বকু জোৰাই হৰিয়ে ।।
নাজানি নুশুনি বেঙেৰী কালেৰী
থৈ যাবি বকু জোৰাই হৰিয়ে ।।
জুবগেশ্ৰী পানী খাইতি আজুৰি খামুচি
থৈ যাবা বকু জোৰাই হৰিয়ে ।।

ঘোষা ঃ ভগৱতী আই গোলামটোক ৰাখিবা ধুলা ধাকাই
ঈশ্বৰী ভগৱতী বুঢ়ী আই ন্যৰাখিলে ৰাখাংতো নাই ।।

পদ ঃ খৰ্গেশ্বৰ মহেশ্বৰী অপেশ্বৰী নাৰাখিলি ৰাখংতা নাই

ভগৱতী আই গোলামটোক ৰাখিবা ধূলা ধাকাই ।
আকাশী পাতালী চৌৰাঙ্গী বুঢ়ি আই নাৰাখিলে ৰাখংতা নাই।
ভগৱতী আই গোলামটোক ৰাখিবা ধূলা ধাকাই ।।

ঘোষা ঃ উঘা ঘুৰে চিৰকি ঘুৰে ঘুৰে বাইনৰ ছুলি
আকাশতে ঘুৰবা লাগছি আই অপেশ্বৰী ।।

পদ ঃ ৰণ্ডিকা চণ্ডিকা কালিকা মহামায়া দুর্গা দেৱী
আকাশতে ঘুৰবা লাগছি আই অপেশ্বৰী ।
অ চেপেতি লেপেতি কুয়াল গেন্ধেলি
আকাশতে ঘুৰবা লাগছি আই অপেশ্বৰী
অ ঘাটুবৈ বাটুবৈ ডাকডাকি চুচিয়া মুচিয়া
সকল আয়ে আকাশত ঘুৰবা লাগছি আই অপেশ্বৰী

ইয়াতে নামৰ সামৰণি পৰে, গৃহস্থই সেৱা লয় আৰু ধনুকেইখন চাৰিওফালে মাৰি পঠিয়ায়। প্ৰথমে পূবপিনে এখন তাৰ পিছত অন্য কেওফালে ধনু কেইখন মাৰি পঠিয়ায়। ধনু তনাৰ আগেয়ে ওপৰলৈ পোনায়। উৰুৱাই দিয়া পাৰযোৰ পূৱমূৱাকৈ ঘৰৰ চালত উৰুৱাই দিয়ে। ইয়াৰ পাছতে নৈবেদ্যখন ভেলত তুলি লৈ নদীত উতুৱাই দিয়ে।

অপেশ্বৰী নামত হাতৰ চাপৰী বজোৱা নহয়।

# ৫ ম অধ্যায়

# শিল্প কৰ্ম্ম

শিল্প কৰ্ম্ম বুলি কলে বিশেষকৈ বাঁহ বেতৰ শিল্প আৰু পলু পুহি সুতা প্ৰস্তুত কৰি এৰি কাপোৰ বোৱাটোৱেই প্ৰধান ।

পুৰুষ সকলে ঘৰতে চমৎকাৰ শিল্প নৈপুন্যৰে তৈয়াৰ কৰা বিভিন্ন সামগ্ৰী সমূহ শৰণীয়া কছাৰী সকলৰ শিল্প কলাৰ পৰিচায়ক । বাঁহ বেতৰ লগতে কাঠৰ বিভিন্ন সামগ্ৰী সমূহো শৰণীয়া কছাৰী সকলে প্ৰস্তুত কৰি লয়। এনে সামগ্ৰী সমূহ হল - ডালা, চালনী, জাকৈ, খালৈ, খৰাহি, পাচি, জাল, চেপা, প'ল, জুলুকী, চহৰা, বাঢ়নী, দোন, মূৰা, নাঙল, যুৱলি, জাপি, বাহৰ দিলা, বাহৰ মৈ, গছা, ঢেকী, শাল, মাকু ইত্যাদি দৈনন্দিন জীৱনত প্ৰয়োজনীয় সকলোবোৰ সামগ্ৰী তৈয়াৰ কৰি লয়।

শৰণীয়া কছাৰী মহিলা সকলে আগেয়ে ঘৰত প্ৰয়োজনীয় হোৱা কাপোৰ ঘৰত কপাহ খেতি কৰি কপাহ উৎপাদন কৰি কপাহৰ পৰা সুতা কাতি তাত নিজস্ব আৱিস্কৃত প্ৰাকৃতিক ৰঙেৰে ৰং দি কাপোৰ বৈছিল। পলু পুহি পলুৰ পৰা এড়ি সূতা তৈয়াৰ কৰি ঠাণ্ডাত উৰাৰ কাৰণে এড়িয়া বা এণ্ডিকাপোৰ প্ৰস্তুত কৰি উলিয়াইছিল। আজিও শৰণীয়া কছাৰী সমাজত তাত শিল্পই বিশেষ স্থান অধিকাৰ কৰি আছে। প্ৰতিতো পৰিয়ালতে একোখন তাত শাল থকাটো বস্ত্ৰশিল্পৰ উল্লেখযোগ্য বৰঙণি।

**এড়ি কাপোৰ শিল্প ঃ** এড়ি কাপোৰ শিল্প অসমীয়া সমাজৰ বাপতি সাহন স্বৰূপ। এই এড়ি কাপোৰ অসমৰ সকলো জাতি জনজাতিৰ মাজতে অতি জনপ্ৰিয় কাপোৰ হিচাবে সমাদৰ লাভ কৰিছে। এই এড়িকাপোৰ শৰণীয়া সমাজত নিজস্ব পদ্ধতিৰে প্ৰস্তুত কৰা দেখা যায় ।

**পলুপোহা পদ্ধতি ঃ** এড়ি কাপোৰ প্ৰস্তুত কৰাৰ কাৰণে এড়ি পলু পোহা হয়। এই এড়ি পলু পোহাৰ কাৰণে প্ৰথমে এড়ি পলুৰ বাহ সংগ্ৰহ কৰা হয়। বাছি বাছি দহ পোন্ধৰটামান বাহ সংগ্ৰহ কৰি সেইবোৰ এডাল সৰু ৰচি এডালত মালা গাঠি বেৰত আঁৰি থোৱা হয়। দহৰ পৰা পোন্ধৰ দিনৰ ভিতৰত এই বাহবোৰৰ লেটাৰ পৰা পখিলা জন্ম লৈ বাহিৰ ওলাই আহি বাহৰ ওপৰত পখিলাবোৰ পৰে। তেতিয়া এই পখিলাবোৰক বেৰত আঁৰি থোৱা এখন কাপোৰৰ ওপৰত ৰখা হয়। এই পখিলা বোৰৰ মাইকী পখিলাক চকৰী আৰু মতাবোৰক চকৰা বুলি কোৱা হয়। চকৰী বোৰক

কাপোৰৰ পৰা যাতে উৰিযাব নোৱাৰে তাৰ বাবে সদায় লক্ষ্য ৰখা হয় বা সূতাৰে বান্ধি ৰখা হয় । কেইদিনমানৰ পিছত চকৰী বোৰে কাপোৰখনত কণী পাৰে। তেতিয়া চকৰী বোৰক এৰি দি কণীবোৰ কাপোৰখনত 'ফটাকানি'ত বান্ধি থয়। প্ৰায় দহ দিনমানৰ ভিতৰতে কণী বোৰৰ পৰা পলুৰ জন্ম হয়। সৰু সৰু পলুবোৰ ফটা কানিৰে সৈতে এখন ডালাত মেলি থোৱা হয়। এই পলুবোৰক এড়াগছৰ কোমল পাতবোৰ আহাৰ হিচাবে যোগান ধৰা হয়। কেইদিনমানৰ ভিতৰতে ইহঁতে অলপ ডাঙৰ হোৱাৰ লগে লগে এড়াগছৰ বুঢ়া পাতবোৰ খাবলৈ দিয়া হয়। বুঢ়া পাত খাব পৰা হোৱাৰ লগে লগে ঘৰৰ ভিতৰত ঘৰৰ চালৰ ৰুৱাত দুডাল ৰচি আঁৰি দি তলত বিজেলী বাঁহৰ তিনিডাল ডাং আঁৰি দিয়া হয়। এই ডাংবোৰত এড়া গছৰ পাতবোৰ মুঠা বান্ধি বান্ধি আঁৰি দি তাত পলুবোৰ এৰি দিয়া হয়। আঁৰি দিয়া পাতবোৰৰ খোৱা হলে ডাংবান্ধি দিয়া তলৰ বাহ ডাল উলিয়াই আনি ওপৰত ডাংকৰি দি তাৰ ওপৰত আকৌ পাত আঁৰি দিয়া হয়। এইদৰে সদায় পাতৰ মুঠিবোৰ সলাই দিয়া হয় আৰু মুঠিবোৰত থকা পলুবোৰ এৰুৱাই নতুনকৈ দিয়া পাতত দি দিয়া হয়। এইদৰে দহ দিনমান যোৱাৰ পাছত পলুবোৰ পকিবলৈ ধৰে। পলুবোৰ পকিবলৈ ধৰিলে পাতৰ মুঠিৰ ওপৰলৈ উঠি আহে । এই পকা পলুবোৰ পকিছেনে নাই চোৱাৰ এটা পদ্ধতি আছে। পলুটো হাতৰ মুঠিত লৈ কাণৰ কাষত নি আঙুলিৰে ঘহি দিব লাগে। তেতিয়া পকা পলুৰ খৰক খৰককৈ মাত ওলায়। যদি খৰক খৰক কৈ মাত নোলায় তেতিয়া পকা নাই বুলি জনা যায়। এই পলুবোৰ ৰাতি পুৱা বাৰ বজালৈ পকে। সেয়ে এই পকা পলুবোৰ আগবেলাতে চাই জ্বালিত থব লাগে। জালি হ'ল শুকান কলপাত তিনিডাল বাঁহৰ খুটিত বান্ধি তাত পকা পলুবোৰ থোৱা হয়। এই জ্বালিত পকা পলুবোৰে বাহ বান্ধে। ইয়াকে পলুৰ জ্বালি বুলি কোৱা হয়। কঠাল গছৰ পাত থকা ঠানিকো জ্বালি বনায়। এক সপ্তাহৰ পিছত জ্বালি ভঙা হয়। অৰ্থাৎ জ্বালিৰ পৰা পলুৰ বাহবোৰ এৰুৱাই অনা হয়। এই বাহবোৰ এটা খৰাহিত থোৱা হয়। এই খৰাহিৰ পৰাই বাহবোৰ হাতত লৈ দুই হাতৰ আঙুলিৰে ধৰি পলুটোৰ মুখ থকা পিনে মুখখন অলপ ফালি দিয়ে আৰু লেটাতো বাহাৰ পৰা উলিয়াই এখন কাঁহিত থৈ দিয়ে। এইদৰে লেতাবোৰ সম্পূৰ্ণ উলিওৱা হোৱাৰ পাছত লেতাবোৰ ভাজি খোৱা হয়।এই লেতাবোৰ শৰণীয়া সকলৰ সুস্বাদু খাদ্য ।

সূতা কটা পদ্ধতি ঃ বাহাৰ পৰা লেতাবোৰ উলিওৱাৰ পিছত বাহাবোৰ এখন কাপোৰত টোপলা বান্ধি লোৱা হয়। এই বাহাৰ টোপলাটো এটা ডাঙৰ কেৰাহীত সিজোৱা হয়। সিজোৱাৰ সময়ত অলপ কলাখাৰ দিয়া হয়। কলাখাৰ দিলে বাহাবোৰ

সোণকালে সিজে আৰু সুতাবোৰ পিছল হয়। কাপোৰ বৈ উঠাৰ পিছত এটা সুন্দৰ সোণালী ৰং ধৰে। বাহবোৰ গৰম পানীত উহাওতে ভালকৈ লুটিয়াই বগৰাই দিব লাগে। সিজোৱা হোৱাৰ পিছত চেচা হবৰ কাৰণে কেৰাহীতো নমাই থোৱা হয়। চেচা হোৱাৰ পিছত বাহবোৰ ভালকৈ ধুই চেপি মেলি ৰ'দত দিয়া হয়। তিনি চাৰিদিন মান ভালকৈ ৰ'দত দি শুকাই মেলি সেইবোৰ ভালকৈ টোপলা বান্ধি থোৱা হয়। এই টোপলাৰ পৰা সুতাকটাৰ কাৰণে অলপ অলপকৈ উলিয়াই আনি একবাতি পানীলৈ তাত ভিজাই থৈ এডাল বাঁহৰ সৰু হাত মাৰ লৈ তাৰ মূৰত লেটাৰ বাহা কেইবাটাও সুমুৱাই লৈ সেই লেতাবোৰৰ পৰা এটা টাকুৰিত মিহিকৈ সুতা কটা হয়। ইয়াক সুতাৰ টুকুৰা কাটা বুলিও কোৱা হয়। সৰু মিহিকৈ সুতা কাটোতে দক্ষতাৰ প্ৰয়োজন। এই টুকুৰা এটাও এটা মাকৈৰ সমান ডাঙৰকৈ সুতা কটা হয়। এইদৰে গোটেইবোৰ লেটাৰ বাহ টুকুৰাত সুতা কটা হয়। এইদৰে সুতা কটা হোৱাৰ পিছত সেই টুকুৰাবোৰৰ পুৰা সুতাবোৰ উলিয়াই একোটা লেচা বা মুঠা কৰা হয়। এই লেচা বা মুঠা কৰোতে এটা খেপ থকা গছৰ ঠানি কাটি এটা চেৰেকিত ভৰাব পৰা জোখেৰে গছৰ ঠানিতোত এডাল বাঁহৰ কাঠি বান্ধি লৈ তাতে টুকুৰাৰ পৰা সুতাবোৰ পকাই পকাই ভৰোৱা হয়। তাৰ পৰা উলিয়াই কাপোৰ লগোৱাৰ কাৰণে ভাতৰ মাৰদি ৰ'দত ভালকৈ শুকুৱাই লোৱা হয়। তাৰ পিছত সেই লেচি সুতাবোৰ এটা চেৰেকিত ভৰাই তাৰ পৰা উঘাত ভৰোৱা হয়। এক সেৰমান সুতা এইদৰে কেইবাতাও উঘাত ভাগ ভাগকৈ ভৰোৱাৰ পিছত কাপোৰ লগোৱাৰ বাবে সুতাখিনি প্ৰস্তুত হৈ উঠে। এবাৰতে তিনি চাৰিখন এৰিচাদৰ বব পৰা যায়।

**কপাহ কাপোৰ শিল্প ঃ** কপাহ গছবোৰ এবিধ সৰু জোপোহা গছ। আগেয়ে শৰণীয়া তথা গোটেই অসমীয়া সমাজত কপাহ খেতি কৰি কপাহী কাপোৰ বৈ লৈছিল। অৱশ্যে এতিয়া কল কাৰখানাৰ পৰা উন্নত মানৰ সুতা পোৱা যায় বাবে কপাহ খেতি কৰি হাতেৰে কপাহৰ সুতা প্ৰস্তুত কৰি উলিয়াই কাপোৰ বোৱা এৰি দিছে। কপাহ খেতি বহাগ মাহত কৰা হয়। কপাহৰ ফুলৰ পৰা গুটি ধৰে। গুটি পুৰঠ হলে আপোনা আপুনি গুটি ফাটি যায় আৰু কপাহবোৰ ওলাই পৰে। তেতিয়া সেই কপাহবোৰ গছৰ পৰা সংগ্ৰহ কৰি লৈ অহা হয়। সেই কপাহবোৰ ভালদৰে সংগ্ৰহ কৰি ৰাখি সুতা কটাৰ সময়ত ধনু এখনেৰে ভালদৰে ধুনী লৈ গুটিবোৰ এৰুৱাই লোৱা হয়। এই কপাহবোৰ পানীত ভিজাই এডাল বাহৰ মাৰিত মেৰিয়াই লৈ টুকুৰাত সুতা কটা হয়। টুকুৰাত সুতা কটাৰ উপৰিও যঁতৰতো সুতা কটা হয়। এইদৰে সুতা কটা হোৱাৰ পিছত চেৰেকিত পকাই লেচা কৰি লোৱা হয়। এইদৰে লেচা কৰি

লোৱাৰ পাছত সুতাবোৰ কাপোৰ লগোৱাৰ কাৰণে ভাতৰ মাৰ দি ৰ'দত শুকাই লোৱা হয়। ইয়াৰ পাছতে কাপোৰ লগোৱাৰ কাৰণে চেৰেকিৰ পৰা উঘাত সুতাবোৰ পকোৱা হয়। তেতিয়াই ই কাপোৰ লগোৱাৰ বাবে প্ৰস্তুত হৈ পৰে।

পাট শিল্প ঃ- পাট শিল্প শৰণীয়া সমাজত এড়িশিল্পৰ দৰে প্ৰসাৰতা লভা নাছিল যদিও এই পাট শিল্পও শৰণীয়া সমাজত প্ৰচলিত আছিল। অসমৰ পাট শিল্প বুলি কলে নুনী পলুৰ পৰা হোৱা পাটকে বুজায়। গছৰ আহৰ পৰা তৈয়াৰী পাট সুতা অসমত প্ৰচলন নাছিল। পাছত গছৰ আহৰ পৰা তৈয়াৰী পাট সুতা সহজ লভ্য হোৱাত নুনী পলুৰ পৰা হোৱা পাটৰ শিল্প লোপ পাবলৈ ধৰে। তথাপিও ঠাই বিশেষে এই পাট শিল্প এতিয়াও জীয়াই আছে।

নুনি পলুপুহি তাৰ বাহ কাটি পাট সুতা তৈয়াৰ কৰা হয়। পলুপোহাৰ কাৰণে এটা আঁচুতিয়া ঘৰ লাগে। কাৰণ এই পাট পলুবোৰ বৰ স্পৰ্শকাতৰ। সেয়ে এই পাট পলু পুহিলে বিশেষ সাৱধানতা অৱলম্বন কৰিব লাগে। এই পলু পোহাৰ কাৰণে ঘৰৰ ভিতৰত চাংপাতি তাৰ ওপৰত ঢাৰি পাৰি ৰখা হয়। এই পুলু মাখিয়ে যাতে আক্ৰমণ কৰিব নোৱাৰে তাৰ বাবে আঠুৱা তঁৰি দিব লাগে। ননি গছৰ পাত খোৱাই নুনি পলু পোহা হয়। এই পলু সোনকালে পুৰঠ হয়। দুই তিনিদিনৰ ভিতৰতে এই পলুবোৰ পুৰঠ হয়। পলু পকিলে গাৰ বগা ৰংটো পাতলহৈ পৰে আৰু মুৰটো ডাঙি ঠৰঙা দি থাকে। এই দৰে থাকিলে পলুটো পকা বুলি জানিব পাৰি আৰু তাক বাহা বান্ধাৰ বাবে শুকান কলপাত বা লাৰু বন্ধা পাতৰ দ্বাৰা বন্ধা জকাত দিয়া হয়। এই জকাত ই বাহা বান্ধে । বাহা বন্ধাৰ লগে লগে সুতা কাটিব লাগে। বাহাৰ ভিতৰত পলুটো লেটালৈ ৰূপান্তৰিত হোৱাৰ আগেয়ে সুতা নেকাটিলে পাছৰ দিনাই ই পখিলা হৈ পৰে। সেয়ে বাহা বোৰ লেটা হোৱাৰ আগতে সুতা কাতিব লাগে।

**সুতা কটাৰ পদ্ধতি ঃ** লেটাবোৰ বাহা বান্ধি উঠাৰ লগে লগে জকাৰ পৰা বাহাবোৰ আনি এটা ডাঙৰ পাত্ৰত থোৱা হয়। তাত গৰম পানী দিয়া হয় আৰু সেই পাত্ৰৰ পৰাই বাহাৰ পৰা যঁতৰত সুতা কটা হয়। পানীখিনি ঠাণ্ডা হলে আকৌ গৰম পানী দিয়া হয়। এই দৰে পাতৰ সুতা কটা হয়। পাটৰ কাপোৰৰ বাবে এখন চাদৰত প্ৰায় একপোৱা সুতা লাগে।

এইদৰে শৰণীয়া কছাৰী শিপিনী সকলে অতীজৰে পৰা এড়ি, পাট, কপাহী আদি কাপোৰ এতিয়ালৈ বৈ আহি এই হস্ত শিল্পৰ এক অপূৰ্ব নিদৰ্শন ধৰি ৰাখিবলৈ সক্ষম হৈছে ।

**শৰণীয়া সমাজত ব্যৱহৃত কাপোৰ সাজৰ সমূলি ঃ-** পলু বা কপাহৰ পৰা

সুতা কাটি এখন কাপোৰ বৈ প্ৰস্তুত কৰি উলিয়াওতে ব্যৱহৃত হোৱা কাপোৰ সালৰ সজুলি সমূহৰ তালিকা তলত দিয়া হল ।

১) কাপোৰ খুটি (কাপোৰ লগাওতে মেৰিয়াই দিয়ে)

২) ৰাহ (কাপোৰ বোৱাৰ বাবে সুতাবোৰ ভৰোৱা হয়।)

৩) খাটি বা কেতেলা পহুৰ কাইট (ৰাহত সুতা ভৰোৱাৰ বাবে ব্যৱহাৰ কৰাহয়)

৪) ফনী (সুতা ফনীয়াবৰ বাবে ) (৫) সুতা ভৰোৱা গাড়ী (৬) কাপোৰ ভৰোৱ গাড়ী (৭) চিৰি (ৰাহৰ আগত দিয়া হয়) (৮) তাঁতৰ খুটা চাৰিতা (৯) তাঁতৰ শালমাৰী (সাল তনাৰ বাবে) (১০) নাছনী মাৰী (বৌ সুতা বন্ধা মাৰী) (১১) বৌ চুঙা (১২) সাল তনা মাৰী (ইয়াত বৌ বন্ধা নাছনী মাৰি আঁৰি দিয়া হয়) (১৩) সাল পাটিয়া (ৰাখন ধৰি ৰখা কাঠৰ পাতি) (১৪) মাকো (১৫) মহুৰা (১৬) মহুৰা খাটি (১৭) ভিজনী মাৰী (বৌ বন্ধা হয়) (১৮) ভিজনী বাৰী (সালখন কাপোৰ গাড়ী আৰু সুতাৰ গাড়ী টানকৈ ৰখাৰ বাবে লোৰ খুটি দুটা ) (১৯) বৌ তনা গড়কা মাৰী (২০) গড়কা খুটি (গড়কা মাৰী ধৰি ৰাখে) (২১) গৰী ফলহীয়া ( বৌ সুতা ধৰি ৰখা মাৰী) (২২) চিৰি মাৰি (২৩) যঁতৰ (২৪) ভোগমাৰি (২৫) ফুলখাটি (২৬) ঘিলা (ৰচি আঁৰি থোৱা ঘুৰণীয়া চকা) (২৭) বৰ চেৰেকি (২৮) সৰু চেৰেকি (২৯) উঘা।

**কাপোৰ লগোৱা পদ্ধতি ঃ** কাপোৰ লগোৱাৰ কাৰণে চোতালত দুই মূৰে নিৰ্দ্দিষ্ট জোখত দুডাল কাপোৰৰ খুতি পুতি লোৱা হয়। তাৰ পিছত এই কাপোৰৰ খুটিৰ এডালৰ পিছ পিনে কেইটামান সুতা ভৰ্ত্তি উঘা পুতি লোৱা হয়। এই পিছ পিনৰ সুতা ভৰ্ত্তি উঘাৰ পৰা শিপিনী মহিলাই হাতেৰে সুতা উজনাই প্ৰথমে কাপোৰ খুতিত মেৰিয়াই দিয়ে। তাৰ পিছত এডাল বাঁহৰ মাৰিত সুতাবোৰ লগাই লৈ হাতেৰে টানি সন্মুখৰ পিনে·থকা কাপোৰৰ খুটিটোত মেৰিয়াই দিয়া হয়। ইয়াৰ পিছত পূনৰ উঘাৰ পৰা সুতা উজনাই অৰ্থাৎ হাতত পকাই সুতাবোৰ কাপোৰ খুতিত সুমুৱাই দিয়ে। তাৰ পিছত পুনৰ বাঁহৰ মাৰিৰে সুতাবোৰ ধৰি হাতেৰে টানি নি সন্মুখৰ কাপোৰৰ খুটিত মেৰিয়াই সুমাই দিয়ে। এই দৰে নিৰ্দিষ্ট পৰিমাণৰ সুতা সম্পূৰ্ণ নোহোৱালৈকে সুতাৰ বাতি কাৰি থাকে। এখন বিছ্বানৰ কাৰণে কমেও ছয়শ ডাল সুতাৰ প্ৰয়োজন । এই দৰে নিৰ্দিষ্ট পৰিমাণৰ সুতা ভৰোৱা হোৱাৰ পিছত প্ৰথম খুটিৰ পৰা সুতাবোৰ উলিয়াই এখন ৰাহত কেতেলা পহুৰ কাটা এডালৰ দ্বাৰা সুতা ভৰোৱা হয়। ৰাহ খনত সুতা ভৰোৱা হোৱাৰ পিছত মাৰি এডাল সুমুৱাই লৈ সুতা ভৰোৱা গাড়ীত বান্ধি দিয়া হয়। তাৰ পিছত সুতা চালা হয়। এখন ফনীৰে সুতাবোৰ ফনীয়াই গৈ থকা হয় আৰু গাড়ীত মেৰিয়াই গৈ থকা হয়। এই দৰে সম্পূৰ্ণ ৰূপে চালি গৈ গাড়ীত মেৰিয়াই

লোৱাৰ পিছত বহ তোলাৰ বাবে প্ৰস্তুত হয়। বহ কাপোৰখনত চাবি বাতি তোলে। কাপোৰখনৰ ওপৰৰ পিনে দুবাতি আৰু তলৰ পিনে দুবাতি। বহ তোলাৰ কাৰণে এটা চুঙা লোৱা হয়। ইয়াকে বহ চুঙা বোলে। চুঙাৰ তলত এডাল মাৰি দিয়া হয়। এই মাৰি ডালক ভোগ মাৰি বুলি কোৱা হয়। বহ চুঙাৰ ওপৰত যিডাল মাৰি দিয়া হয় সেই মাৰিডালক "গৰিফলহীয়া" মাৰি বুলি কোৱা হয়। এই গৰি ফলহীয়া মাৰিদালে বহ সুতাবোৰ ধৰি ৰাখে। বহতোলতে প্ৰথম বাতিত সুতাবোৰ এডাল সুতা এৰি এডাল তুলি যোৱা হয়। এই দৰে উপৰৰ পিনে দুটা বাতিৰ বহ তোলা হোৱাৰ পিছত সালখন ওলটাই তলৰ পিনে আকৌ দুবাতি বহ তোলা হয়। এইবাৰ বহ তোলতে আৰ এডালৰ পিছত এডাল এৰি যোৱা সুতা বোৰত তোলা হয়। এই দৰে বহ তোলা হোৱাৰ পিছত সালখন কাপোৰ ভৰোৱা গাড়ীত বান্ধী লোৱা হয়। ইয়াৰ পিছতে কাপোৰ বোৱাৰ কাৰণে সালখন তাঁতৰ সালত আঁৰি লোৱা হয়। ইয়াৰ পিছত ৰচিৰে ভিজনী মাৰীত আৰু তলৰপিনে গড়কা মাৰিত বহৰ জাকি বান্ধি দিয়া হয়। সাল বুৰাওতে গড়কা মাৰিত ভৰিৰে ভৰ দিয়াৰ লগে লগে বহৰ জাকি উঠে আৰু মাকু মাৰি দিয়া হয়। পিছৰ বাৰত আকৌ অন্য ভৰিখন অন্যডাল গড়কা মাৰিত ভৰ দিয়াৰ লগে লগে অন্য বাতিৰ বহৰ জাকি উঠে আৰু মাকুমাৰি দিয়া হয়। এইদৰে এডালৰ পিছত আনডাল গড়কা মাৰিত ভৰ দিয়া হয় আৰু প্ৰতি বাৰতে মাকুমাৰি কাপোৰ বৈ যোৱা হয়।

<u>তেল পেৰা শিল্প</u> : শৰণীয়া কছাৰী সকলৰ মাজত আগেয়ে তেল পেৰা শিল্প আছিল। নিজৰ প্ৰয়োজনীয় মিঠা তেল বা সৰিয়হ তেল, তেল পেৰা শালত পেৰি খাইছিল। নিজে পথাৰত সৰিয়হৰ খেতি কৰি মৰণা মাৰি শালত পেৰি লোৱা শিল্পকে তেল পেৰা শিল্প বুলি কোৱা হয়। এই শিল্প লুপ্ত প্ৰায়। আজি কালি সৰিয়হ বিক্ৰি কৰি দিয়ে আৰু দোকানৰ পৰা পেৰা তেল কিনি আনি খায়।

সৰিয়হৰ খেতি খৰালি মাহত কৰা হয়। শালিধানৰ খেতিৰ হাল উঠাৰ পিছত সৰিয়হ বা বেহাৰ খেতিৰ কাৰণে মনোনিবেশ কৰা হয়। বেহাৰ খেতি নতুনকৈ হাৰি ভাঙি কৰা মাটিত ভাল হয়। ভালকৈ হাল বাই আহিন কাতি মাহত বেহাৰ সিচা হয়। বেহাৰ তোলাৰ পিছত সেইবোৰ বেহাৰ তলিতে ৰদত দি শুকুৱাই থোৱা হয়। তাৰ পিছত বেহাৰ তলিতে এখন খলতা প্ৰস্তুত কৰি বেহাৰ বোৰ গৰুৰে মৰণা মৰা হয়। তাৰ পিছত গছবোৰ জাৰি জোকাৰি চাফকৈ বস্তাত ভৰাই ঘৰলৈ অনা হয়।

<u>তেল পেৰা পদ্ধতি</u> : বেহাৰ পেৰি তেল উলিয়াই খোৱাৰ বাবে আগেয়ে একোখন তেল পেৰা সাল পাতি লৈছিল। এই তেলপেৰা সাল প্ৰস্তুত প্ৰণালী বৰ মনাকৰ্ষক। তেলপেৰা সালৰ বাবে পুৰঠ সাৰ হোৱা কঠাল গছৰ গোড় এটা প্ৰায় আঠ

ফুটমান দীঘলকৈ কাটি আনি বাটৰ চোতালত ওলটাকৈ মাটিত চাৰি ফুটমান দ কৰি গাট খান্দি পুতি লোৱা হয়। মাটিৰ পৰা মূৰটো ৩/৪ ফুট মান ওলাই থাকে। মূৰটো ঢেকীৰ পখালিৰ নিচিনাকৈ এক ফুট ব্যাসাৰ্দ্ধৰ আৰু এক ফুট গভীৰৰ এটা পখলি খুলা হয়। এই খুলনীৰ তলত আকৌ ছয় ইঞ্চিমান 'দ' আৰু চাৰি ইঞ্চিমানৰ ব্যাসাৰ্দ্ধৰ আকৌ এটা সৰু খুলনী (পখালী) খুলা হয়। এই ভিতৰৰ সৰু পখালি বা খোলনিটোৰ মাফত এডাল তেল পেৰা মাৰি, নাগৰা বজোৱা মাৰি সদৃশ আগৰ পিনে ঘুৰণীয়া টোপ থকাকৈ ঢেকিৰ থোৰাৰ সমান বা তাতকৈ অলপ দীঘলকৈ মূৰৰ পিনে জোঙা কৈ কটা হয়। ঘুৰণীয়াকৈ কটা মূৰটো পখলিৰ ভিতৰত দিয়া হয়। এই মাৰী বা থুৰাটোৰ জোঙা মূৰটোত নাঙলৰ ভাজৰ নিচিনা কাঠ এদোখৰ ভালকৈ খুলি লগাই দিয়া হয়। এই কাঠ ডোখৰৰ এটা ফাল দীঘল আৰু এটা ফাল চুটি। এতিয়া পখালি খুলা গছ ডালৰ মাজতে অৰ্থাৎ মাটিৰ পৰা তিনি ফুটমান ওপৰত গছ টুকুৰাৰ চাৰিওফালে ডেৰ ইঞ্চি বহলৰ আৰু এক ইঞ্চি গভীৰৰ এটা ঘাট কাটা হয়। এই ঘাটটোত চাৰি ফুট দীঘলৰ তক্তা এখনৰ এটা মূৰ গছডালৰ ঘাটৰ খোৱাকৈ ঘূৰণীয়াকৈ কটা হয় আৰু আনটো মূৰত ৰচি আৰি দিব পৰাকৈ দুটা ফুটা কৰি দিয়া হয়। এতিয়া এই তক্তাখন শালৰ গছৰ ঘাট কটা ঠাইত লগাই দিয়ে আৰু আনটো মূৰত ৰচি লগাই ৰচি দুডাল তেল পেৰা থুৰাটোৰ মূৰত লগোৱা নাঙল ভাজৰ দীঘল ফালৰ পিনে বান্ধি দিয়ে। তেল পেৰাৰ সময়ত পখালিটোত দহ কিলোমান বেহাৰ ঢালি দিয়ে আৰু ৰচি আঁৰি দিয়া তক্তাখনত গধুৰ শিল কেইটামান তুলি দিয়ে। এই শিল কেইটাৰ ভৰত তেলপেৰা শালৰ থুৰাটো পখালিটোৰ এটা ফালে হালি আছে। এতিয়া এই তক্তাখন তেলপেৰা শালখনৰ চাৰিওফালে ৰচিৰে টানি ঘূৰোৱা হয়। এই তক্তাখন ঘুৰোৱাৰ বাবে চাৰিফুটমান দীঘল সফুৰী আম গছৰ যেন্না (খেপ) থকা ঠানি এটা লোৱা হয়। এই ঠানিটোৰ যেন্না টো থুৰাডালত লগাই দিয়ে আৰু আনটো মূৰত তক্তাখনৰ ৰচি লগোৱা হয়। এই ৰচি লগোৱাৰ ফলত মানুহ এজনে ধৰি ঘুৰিবলৈ ধৰে। এইদৰে ঘুৰোতে তক্তাখনৰ ওজনৰ ভৰত থুৰাটো হালি ঘূৰে আৰু এইদৰে থুৰাটো হালি ঘুৰেতে বেহাৰ খিনি তলৰ সৰু খুলনীৰ ভিতৰত অলপ অলপকৈ যায় আৰু চেপা খাই তেল বাহিৰ হয়। এই তেলখিনি বাহিৰ ওলাবৰ বাবে তেলপেৰা শালখনৰ ভিতৰত থকা সৰু খুলনীটোৰ তলেৰে হেলনীয়াকৈ বাহিৰলৈ এটা ফুটা কৰা হয়। এই ফুটটোত এটা টিনৰ নাওৰা লগাই দিয়া হয়। এই নাওৰাৰ মুৰত তেল জমা হোৱাৰ বাবে এটা টিন বা গেলন থোৱা হয়। শাল ঘুৰাই থাকিলে বেহাৰ চেপা খাই ফুটাৰে ওলাই নাওৰাৰে গেলনত জমা হয়।

বেহাৰ বা সৰিয়হ পেৰাৰ আগেয়ে বেহাৰখিনি ভালদৰে ৰদত শুকাই লোৱা হয়। পেৰাৰ বাবে শালত দিয়াৰ আগতে বেহাৰখিনি ঢেঁকীত খুন্দি ফটাই লোৱা হয়। তাৰ পিছত শালৰ পখালিত দিয়া হয়। এই দৰে বেহাৰ পেৰি তেল খোৱা হয়। এই তেল শিল্প এতিয়া লুপ্ত প্ৰায় ।

<u>কুঁহিয়াৰৰ মিঠাই শিল্প</u> ঃ আগেয়ে শৰণীয়া কছাৰী সকলে চেনীৰ ব্যৱহাৰ নেজানিছিল। চেনীৰ সলনি ঘৰতে কুঁহিয়াৰ খেতি কৰি কুঁহিয়াৰ শালত চেপি থালিত কুঁহিয়াৰৰ ৰস উতলাই মিঠাই কৰি খাইছিল। কুঁহিয়াৰ খেতি নদীৰ পাৰৰ বালিচহীয়া মাটিত ভাল হয়। কুঁহিয়াৰ ৰুবাৰ বাবে কুঁহিয়াৰৰ আগ আনি মাটি চহাই শাৰী শাৰীকৈ ৰুবা হয়। এবাৰ খেতি আৰম্ভ কৰিলে কেইবা বছৰলৈয়ো কুঁহিয়াৰ কাটিব পাৰি।

কুঁহিয়াৰ খেতি বৰ কষ্টকৰ। কুঁহিয়াৰ কাটাৰ সময়ত এজনৰ বা দুজনে কুঁহিয়াৰ কাটি শেষ কৰিব নোৱাৰি। সেয়ে গাওঁৰ গোটেই মানুহকে সাউৰী মতা হয়। সাউৰি মাতি কুঁহিয়াৰ খেতি একেদিনে বা দুদিনতে কাটি শেষ কৰা হয়। কাটি উঠাৰ পিছত আকৌ শালত পেৰা হয়। এই কুঁহিয়াৰ পেৰাও বৰ কষ্টকৰ কাম। একে লগে গোটেইখিনি কুঁহিয়াৰ পেৰিব লগা হয়। সেয়ে কুঁহিয়াৰ কটাৰ পৰা আৰম্ভ কৰি কুঁহিয়াৰ চেপি থালিত উতলাই গুৰ নোহোৱালৈ কুঁহিয়াৰ তলিতে মানুহে ঘৰ সাজি থাকিব লগা হয়। সেই কেইদিনত পালপাতি পাতি মানুহে ঘৰলৈ ভাত খাবলৈ আহে আৰু এটা পল ঘুৰি গৈ আগৰ পালক ভাত খাবলৈ অহাৰ কাৰণে আজৰি কৰি দিয়ে। সেই কেইদিন গৃহস্থৰ ৰান্ধনিবো বৰ কষ্ট হয়। দিনৰ দিনটোৰ ওপৰিও ৰাতিও বহু ৰাতিলৈ কুঁহিয়াৰ পালৰ মানুহক ভাত ৰান্ধি বাৰি ৰখি থাকিব লগা হয়।

কুঁহিয়াৰৰ জাল দিয়াৰ কাৰণে কুঁহিয়াৰ তলিতে ডাঙৰ ডাঙৰ থালি চৌকা কৰি তাত কুঁহিয়াৰৰ ৰস জাল দিয়া হয়। কুঁহিয়াৰ জাল দিয়াৰ কাৰণে আগেয়ে ঘ্ৰাৰমণি লতা কাটি শুকুৱাই থোৱা হয়। সেই লতাৰে কুঁহিয়াৰ জাল দিয়া হয়। জাল দিয়াহোৱাৰ পিছত মিঠাইবোৰ তেকেলিত ভৰাই ঘৰলৈ লৈ অহা হয়।

এইদৰে শৰণীয়া সকলে আগেয়ে কুঁহিয়াৰ খেতি কৰি নিজৰ প্ৰয়োজনীয় মিঠাই প্ৰস্তুত কৰি লৈছিল। ●

# ষষ্ঠ অধ্যায়

## আহাৰ

শৰণীয়া কছাৰী সকলৰ প্ৰধান আহাৰ ভাত। ভাতৰ লগত উপ আহাৰ হিচাবে পশু-পক্ষীৰ মাংস, মাছ-কাছ, ফল-মূল, শাক-পাচলিৰ ৰুচিবোধক আঞ্জা ৰান্ধী খোৱা হয়।

অসম এখন কৃষি প্ৰধান ঠাই হোৱা বাবে অসমৰ প্ৰায়বিলাক জনগোষ্ঠীয়েই ভাতকেই আহাৰ হিচাবে গ্ৰহণ কৰে। শৰণীয়া সকল কৃষি জীবি আৰু ধানেই প্ৰধান শস্য। এই ধান খেতি তিনি প্ৰকাৰে কৰা হয় — আহু, শালি আৰু বাওঁ খেতি কৰা হয়। ভিন ভিন ধানৰ সোৱাদ ভিন ভিন হোৱাৰ বাবে খাদ্য তালিকাখনো বিভিন্ন খাদ্য ৰাজিৰে পৰিপুষ্ট।

অসমৰ বিভিন্ন ঠাইত খেতি কৰা ধানৰ নাম সমূহ জনগোষ্ঠী বিশেষে ভিন্ন হয়। শৰণীয়া সকলেও একে ধানৰে খেতি কৰে যদিও নামবোৰ মন কৰিব লগীয়া কুনকুনি জহা, তুলসী জহা, সোৱাগ মনি, কলাজহা, খুলপাখৰি, মইনাগিড়ি, মালভোগ, বাচমতি, কলা বন্নী (বৰা) পাখৰি বন্নী, তুলসী বন্নী, ৰঙা আহু, বগা আহু, বৰধান, বৰচেঙা, দুবৰিচেঙা, কেকৰাবাওঁ, দলবাওঁ, এদলীয়াবাওঁ, চিলনি বাওঁ।

শৰণীয়া সকলে উহোৱা আৰু আলা চাউল দুয়োটাকে ব্যৱহাৰ কৰে। উহোৱা চাউলতকৈ আলা চাউলৰ ব্যৱহাৰ বেছি হয়। আলহি আহিলে আলা চাউলৰ ভাত আৰু চৰাই মাংস, মাহ শাক আৰু হাঁহৰ মাংস মন কৰিব লগীয়া। আলহি আহিলে মাংস দিব নোৱাৰিলে নিজকে সৰু হোৱা যেন লাগে।

বৰা ভাত সিজোৱা বা ৰন্ধা পদ্ধতি বেলেগ। ইয়াক ভাপত দিয়া বা চেকা ভাত বুলি কোৱা হয়। ইয়াক সিজাওঁতে ভাওৰ চৰুত পানী ভৰ্তি কৰি দি তাৰ ওপৰত বন্নী চাউল (বৰা চাউল) এটা পিতলৰ নিচকা বা খৰাহীত তুলি দিয়া হয়। উতলা পানীৰ ভাপতে এই বৰা চাউল সিজে। এইদৰে সিজোৱা ভাপকে চেকা ভাত বা ভাপত দিয়া ভাত বুলি কোৱা হয়।

চাউলৰ পৰা ৰন্ধা ভাতকেইটা গৰমৰ গৰমে খোৱাৰ উপৰিও ইয়াক থাণ্ডা কৰি কৰকৰা ভাত বা পানীত ভিজাই থৈ পন্তা ভাত কৰি খোৱা হয়। এই পন্তাভাত গৰৈ মাছ

পুৰা, তাত পিয়াজ তেল নিমখ জালা ধনিয়াৰ পাত সানি পিতিকি খোৱা ভাতৰ কাহ্নিখন সকলোৰে লোভনীয়।

চাউলৰ পৰা গৰম ভাত, পন্তাভাত খোৱাৰ উপৰিও চাউলৰ পৰা নানা ধৰণৰ জলপান প্ৰস্তুত কৰি খোৱা হয়। জলপান সমূহৰ ভিতৰত চিৰা, পিঠাগুৰি, সান্দহ, কাৰে, মুড়ি, চাউল গুৰিকৰি টেকেলী মুখত দিয়া পিঠা, বৰা চাউলৰ গুৰাৰে তেল পিঠা, মিঠাই দিয়া পিঠা, তিল দিয়া পিঠা, বৰা চাউল বাহৰ চুঙাত ভৰাই পুৰা চুঙা পিঠা, বকা চাউল বা কোমল চাউল, গাখীৰ, পিঠাগুৰি আথিয়া কলেৰে প্ৰস্তুত কৰা লুথৰী পিঠা বেমাৰী আৰু কেচুৱাৰ কাৰণে উপকাৰী।

**আঞ্জাৰ তালিকা :-** অসমৰ অন্যান্য গোষ্ঠীৰ নিচিনাকৈ শৰণীয়া সকলেও ভাতৰ লগত নানা ধৰণৰ স্বাদ আৰু গুণ সম্পন্ন আঞ্জা ব্যৱহাৰ কৰে। সেইবোৰ হল খাৰ, তিতা, টেঙা, তেলত ভজা, পুৰা, পাততদি খোৱা পুৰি পিতিকি খোৱা, ভাপত সিজা খোৱা উহোৱা আৰু সেকি খোৱা।

আঞ্জাৰ কাৰণে শৰণীয়া তথা অসম বাসীয়ে কিছুমান শাক পাচলি ঘৰৰ বাহিৰত খেতি কৰি লয় আৰু কিছুমান হাবি বননিৰ পৰা সংগ্ৰহ কৰি লয়। ঘৰতে কৰা শাক পাচলিবোৰ হল — বাৰিষাৰ বঙালাও, কুমুৰা, ভোল, জিকা, ভিঁহ, ভাতকেৰেলা, তিতা কেৰেলা, মেস্তা টেঙা, ধুন্দলি, পটল, লেচেৰা, বাঙি, ভেণ্ডি, গাজৰ, বহুৰ, তিল মাটিমাহ, বেঙেনা, ওৰহী আদিয়েই প্ৰধান।

**জাৰকালি পাচলি :-** ফুল কবি, বন্ধা কবি, ওলকবি, আলু, মটৰ, ধনীয়া, লাই-লাফা, পালেং, মূলা, বেহাৰ, চুকা টেঙা, মাটিমাহ, মছুৰদালি, মুগ, খেচাৰী দালি বিলাহী, স্কচ।

**হাবিৰ পৰা অনা পাচলি :-** এইবোৰৰ উপৰিও হাবি বননিৰ পৰাও বিধে বিধে শাক পাচলি সংগ্ৰহ কৰি খোৱা হয়। সেইবোৰ হল — ভেদেইলতা, হেলচী, নৰসিংহ, সৰুমানিমুনি, ডাঙৰ মানিমুনি, কলমৌ, পৈশাক, মেটেকা, মেচাকী, দোৰম ফুল, লাফু, কচু চেকীয়া, খুতৰা কলমৌ, বিলকুৰি, ভেতৰা, নিমপাত, ডিমৰু পোখা, ঔটেঙা, বগৰী, বাহৰ গাজা, বিবিধ বনৰীয়া আলু আদিয়েই প্ৰধান।

**মা-মছলা :-** মাছ-মাংস, শাক-পাচলি, আদি সোৱাদ লগাকৈ ৰন্ধাৰ কাৰণে সে তেলৰ লগতে নানা ধৰণৰ মছলা ব্যৱহাৰ কৰা হয়। তাৰ কাৰণে নিজৰ বাৰীতে বহুতো মছলা খেতি কৰিলোৱা হয়। যেনে— জালুক, আদা, জলকীয়া, পিয়াজ, নহৰু, ধনীয়া, হালধি, তেজপাত, জাত্ৰাং ইত্যাদি। ইয়াৰ ওপৰিও জিৰা, জলকীয়া, লং, ইলাচি,

দালচেনী আদি মছলা বজাৰৰ পৰা অনা হয় ।

শৰণীয়া সকলে মাছ-মাংসৰ ওপৰিও বিভিন্ন পোক পৰুৱাও আহাৰ হিচাবে ব্যৱহাৰ কৰে । এৰিপলুৰ লেটা, পাট আৰু মুগা, পলুৰ লেটা, আমলৰি পোকৰ লেটা, কাকৰা, জাকৈ বুঢ়ি পোকা, কাৰে পোকা, বৰলৰ টোপ, উঁইচিৰিঙা, ডাঙৰ ঘুনপোক ইত্যাদি ।

বনৰীয়া বৰা, হুগৰি, শহা, কেটেলা পহু, নেউল, ডাউক, ডৰিক, দেওঁ হাঁহ, শৰালি, খিলা হাঁহ, কাম চৰাই, হাইঠাল, কপৌ, শৰপহু, আদি পশু পখি আহাৰ হিচাবে গ্ৰহণ কৰে ।

পুঠি, খলিহনা, গৰৈ, তৰা, বতিয়া, চেলেকনি, কাৱৈ, মাগুৰ, শিঙিৰা, পানিমতুৰা, বামি, বৌ, বৰালী, মীৰগা, ভকুৱা, কমন কাৰ্ড, কুচিয়া,কুকিলা, আৰি, মোৱা, চান্দা, লাউপুঠি, পাভ, কুৰী, বাহু, চিতল, কান্দুলী, গাগল, কচ, শল, শাল, শিঙি, বাহ-পাতিয়া, সিংৰা, কাছ, আদি নানা বিধ মাছ কাচ আদি নৈ বিল আদিৰ পৰা ধৰি আনি খোৱা হয় ।

সিন্দল মাছ ঃ- মাছ, মাংস আদি শৰণীয়া সকলে কেচাই কেচাই ৰান্ধি খোৱাৰ ওপৰিও শুকাই লৈ বহুদিনলৈ সাছি ৰাখি খায় । মাছ বা মাংস বেছিকৈ পালে জুইত শুকাই লৈ খালৈত খোৱা হয় । তাৰ পৰাই মাজে মাজে খাৰদি সহাই বা খোলাত দি সিজাই খোৱা হয় । শুকান হাঁহৰ মাংস, গাহৰীৰ মাংস, মাটি মাহৰ দালিৰ লগত বৰ সোৱাদৰ আঞ্জা । শুকান মাছ বেছিদিনলৈ সাছি ৰাখিলে ঘুনে খাই নষ্ট কৰে । সেই কাৰণে শুকান মাছ সিন্দল খান্দি ৰাখিলে বহুদিনলৈ সাছি খাব পাৰি ।

শুকান মাছ সিন্দল খান্দিলে মাছৰ লগতে কিলোত একপোৱাকৈ কচুৰ থাৰিও ৰদত অলপ শুকাইলৈ ঢেকীত খুন্দা হয় । তালকৈ খুন্দাৰ পিছত সিন্দলবোৰ বাহৰ চুঙাত তালকৈ কলপাতেৰে সোপা দি থোৱা হয় ।

সিন্দল মাছ অসমৰ সকলো জনজাতীয় লোকৰে বৰ প্ৰিয় খাদ্য । শুকুতা, মাতি মাহৰ আঞ্জা, কচু আঞ্জা আদিত সিন্দল মাছ দি খাবলৈ বেছি পছন্দ কৰে । কেৰাহিত অলপ পানী দি উতলাই সিন্দলৰ জোল খাবলৈ জনজাতীয় সকলে বৰ ভাল পায় ।

মাছ-মাংস শুকাই সাছি খোৱাৰ নিচিনাকৈ জনজাতীয় সকলে শাক পাচলিকো শুকাই সাচি ৰাখি খায় । তাৰ ভিতৰত নেপালীৰ “গুন্দ্ৰুক” বাঁহৰ গাজৰ খৰিচা আৰু শুকুতাই প্ৰধান । সকলোতে যথেষ্ট পোৱা মূলা পাত লাই পাত আদি কাটি শুকাই ঢেঁকীত খুন্দি মাটিত গাত খান্দি পুতি থয় । তিনি চাৰি দিনৰ পিচত গাতৰ পৰা উলিয়াই ৰদত

শুকাই লয় ইয়াকে "গুনদ্রু" বোলে।

বড়ো, খচীয়া শৰণীয়া সকলে বাহৰ গাজা সৰু সৰু কৰি কাটি ঢেকীত খান্দি গুৰি কৰিলৈ তাক মাটিৰ কলহত ভৰাই মুখখন বতাহ সুমাব নোৱাৰাকৈ বন্ধ কৰি থোৱা হয়। তিনি চাৰি দিনৰ পিছত বাহৰ গাজা টেঙা হয়। এই বাহৰ গাজা মাজে সময়ে ৰদত দি থাকিলে বহুদিন সাচি ৰাখি খাব পাৰি।

মূলা যথেষ্ট পৰিমাণে হোৱাৰ সময়ত মূলাবোৰ সৰু সৰুকৈ চকলিয়াই ৰদত ভালকৈ শুকাই লৈ মাটিৰ কলহত ভৰাই থোৱা হয়। মাজে মাজে ৰদত মেলি দি শুকাই ৰাখিলে এই মূলা সুঠি বহুদিনলৈ সাচি খাব পাৰি।

**ফলমূল ঃ-** বিভিন্ন ফলমূল আদি শৰণীয়া তথা গোটেই অসমীয়া মানুহে জা-জলপানৰ অঙ্গ হিচাবে ব্যৱহাৰ কৰি আহিছে। বিভিন্ন জাতৰ কল, কঠাল, আম মধুৰী আম, লেচু, লেতেকু, পনিয়ল, বগৰী, কৰদৈ,জলফাই,তেতেলী, আমলখি, থেকেৰা, জামু, অমিতা, কমলা, ৰবাব টেঙা, ৰব টেঙা, টেপৰ টেঙা, আমৰা, ঔটেঙা, পানী শিঙৰী, পদুমৰ চকা, টিয়ঁহ, বাঙি, চিৰাল, মিঠা আলু, কাঠ আলু, ইত্যাদি অনেক ফলমূল আহাৰ হিচাবে গ্ৰহণ কৰা হয়।

**ৰন্ধন প্ৰকৰণ ঃ-** অসমীয়াত ওঠৰ প্ৰকাৰৰ ৰন্ধন প্ৰকৰণ আছে বুলি জনা যায়। ইয়াৰ নামবোৰহে উদ্ধাৰ কৰিব পৰা নাই। তাৰ কেইটামান - (১) ভাজা (২) আঞ্জা-ভাতৰ লগত খোৱাৰ কাৰণে কৰা জোল (৩) খুৰ খুৰ — কমকৈ জোল ৰাখি কৰা আঞ্জা (৪) পানী জৰ জৰ — মাংসত বা মাছত অলপমান জোল ৰাখি কৰা ভাজি (৫) পাতত দিয়া সৰু মাছ বা শাক কলপাতত মেৰিয়াই বান্ধি দি জুইত পুৰি পিছত তেল নিমখ সানি খোৱা (৬) পুৰা — গৰাই মাছ পুৰিলৈ তাত তেল, নিমখ, জলকীয়া সানি খোৱা হয় (৭) উহা — লাই লাফা আদি শাক কেৱল নিমখ দি উহাই খোৱা হয়। ইয়াকে উহা আঞ্জা বুলি কোৱা হয় (৮) খাৰ — খতুৱা শাক আদিত কেৱল কলখাৰ আৰু নিমখ দি খোৱা হয়। ইয়াকে খাৰ আঞ্জা বুলি কোৱা হয়। মাটি মাহৰ দালিত শুকান মাছ বা শুকান মাংস দিও খাৰ আঞ্জা খোৱা হয়।

কেত বোৰতিতা শাক যেনে তেতোৰা, শেৱালী ফুল, দুৰণ ফুল, শুকতা আদিত খাৰনি দিহে আঞ্জা ৰন্ধা হয়। পাতি হাহৰ মাংসৰ সৈতে কুমুৰা আঞ্জা, শ'ল মাছৰ সৈতে মূলাৰ জোল, ঔটেঙা আৰু ৰৱালী মাছৰ আঞ্জা, পাৰ মাংস আৰু কলদিল ভাজি। এইবিলাক বিধে বিধে শৰণীয়া তথা অসমীয়া সমাজে সুৰুচি আঞ্জা ব্যৱহাৰ কৰে।

সকলো জীৱই নিজে জীয়াই থকাৰ কাৰণে আহাৰ গ্ৰহণ কৰে। মানুহেও জীয়াই

থকাৰ কাৰণে আহাৰ গ্ৰহণ কৰে। কিন্তু ইয়াৰ বাহিৰেও উৎসৱ, পাৰ্বন, বিবাহ আত্মীয় স্বজনৰ বাবে ভিন ভিন খাদ্যই আৰু ইয়াৰ ৰন্ধন প্ৰণালীৰ নিয়ম নীতিয়ে সংস্কৃতিৰ গভিৰ প্ৰভাব পেলাইছে। আহাৰে আমাক জীয়াই ৰখাৰ ওপৰিও মানব সভ্যতাৰ সংস্কৃতিও জীয়াই ৰাখিছে।

**মদৰ ব্যৱহাৰ ঃ—** শৰণীয়া কছাৰী সকলে সামাজিক ভাবে মদ নেখায় যদিও বিহু উৎসৱ পাৰ্বন আদিত মদ ব্যৱহাৰ কৰা দেখা যায়। এই মদ সাধাৰণতে বৰা চাউল আৰু আলা চাউল, শালি চাউলৰ তৈয়াৰ কৰা দেখা যায়। এই মদ তৈয়াৰ কৰাৰ কাৰণে শৰণীয়া সকলে ঘৰতে "সুৰাচি" (বাখাৰ) তৈয়াৰ কৰি লয়। এই "সুৰাচি" এক কিলো মান চাউলৰ গুৰিৰ লগত আনাৰসৰ পাত আধাপোৱামান, ভেটেই পাতৰ আগ আধাপোৱামান, আৰু কঠাল পাত আধাপোৱা আৰু কুহিয়াৰ পাত, লগতে পুৰণি সুচাৰি দুটা মিহলাই দিয়ে। এই সুৰাচি বনোৱা চাউল খিনি অনুমান কৰি তিনিঘন্টা মান পানীত তিয়াই থব লাগে। তাৰ পিছত পানীৰ পৰা তুলি আনি চাউলৰ লগতে উক্ত বনৰীয়া পাত লতা বোৰ ঢেকীত খুন্দি গুৰা কৰি লাৰু বনাই লোৱা হয়। এই লাডুবোৰ বৰ চালনী এখনত খেৰেৰে ঢাকি থৈ গাপতে শুকাবলৈ দিয়া হয়। চাৰি ৰাতি এইদৰে ৰখাৰ পিছত ই সম্পূৰ্ণ হৈ উঠে বুলি ধৰা হয়।

মদ বনোৱাৰ বাবে আৰৈ চাউল বা অকাৰী চাউলৰ আৱশ্যক। এক কলহ মদ বনাবলৈ তিনিকিলো চাউলৰ প্ৰয়োজন। এই অকাৰী চাউলখিনি ভাত ৰন্ধা হয়। ভাত ৰান্ধোতে ভাতখিনি কৰ কৰীয়া টান কৰি ৰন্ধা হয়। মদৰ কাৰণে সিজোৱা ভাতখিনি এখন ডালাত গৰমক গৰমে মেলি দি বাখাৰ গুৰা কৰি অত্যন্ত ভালকৈ সানি দিয়া হয়। ভাতত বাখৰ সনাৰ পিছত এক ৰাতি ভলাতে থোৱা হয়। পিছদিনা কলহত ভৰাই থয়। ভাত ভৰাই থোৱাৰ পিছত কলহৰ মুখত এটা আণ্ডুঠা দি থয়। যাতে মৰাই লাৰি মদ নষ্ট নকৰে। এইদৰে তিনিদিন থোৱাৰ পিছত মদ খাব পৰা হয়।

বৰা চাউলৰ মদক শৰণীয়া সকলে মেৰা বুলি কয়। বৰা চাউলৰ মদ আৰু মেৰা দুয়োতাকে খোৱা হয়। শৰণীয়া তথা সকলো জনজাতীয় লোকৰ মাজতে বৰা চাউলৰ মেৰা বৰ লোভনীয়। বিহুত আলহী অতিথি আহিলে এই মেৰা খাবলৈ দি সকক মৰম আৰু ডাঙৰক শ্ৰদ্ধা জ্ঞাপন কৰে।

**তামোল পাণ ঃ—** আহাৰ কৰাৰ পিছত মুখশুদ্ধিৰ কাৰণে তামোল পাণ খোৱা হয়। আলহি আহিলে প্ৰথমে চাহ দিয়া হয় আৰু চাহ খোৱা হোৱাৰ পিছত তামোল পাণেৰে মুখশুদ্ধি কৰি আতিথ্য কৰা হয়। তামোলৰ উপৰিও মুখশুদ্ধিৰ কাৰণে আমলখি,

শিলিখা, আদা, আদি ব্যৱহাৰ কৰা হয়। তামোল পাণ খোৱাতো শৰণীয়া সমাজত ল'ৰাৰ পৰা বুঢ়ালৈ কোনো বাধা নাই। ভগৱানৰ নামত ঠগি নৈবেদ্য আগবঢ়োৱাৰ কাৰণেও তামোল পাণ অপৰিহাৰ্য। সেয়েহে সকলো শৰণীয়া পৰিয়ালে নিজৰ ঘৰতে তামোল পাণৰ বাৰী পাতি লয়।

তামোল পাণ অসমীয়া সমাজৰ বৰ সন্মানৰ বস্তু। ৰাইজৰ মেলত যদি কোনোবা দণ্ডনীয় হয় তেতিয়া পাণ তামোলৰ শৰাই এখন দি ৰাইজক সেৱা কৰি ক্ষমা প্ৰাৰ্থনা কৰিলে ৰাইজে সকলো দোষ ক্ষমা কৰি দিয়ে।

কেচা তামোল যেতিয়াই তেতিয়াই খোৱা আৰম্ভ কৰিব নোৱাৰে। কাতি গাছাৰ দিনা তামোল পাণেৰে পথাৰত শলা বন্তি বা আকাশ বন্তি দিয়াৰ পিছৰ পৰাহে কেচা তামোল খোৱা হয়।

তামোল বিভিন্ন ধৰণে খায়। তামোল কেচাই খোৱাৰ ওপৰিও মাটিত পুতিথৈ বুঢ়া তামোল খায়। ৰদত শুকাই চুপাৰী কৰি খোৱা হয়। ●

# সপ্তম অধ্যায়

## সাজপাৰ আৰু অলংকাৰ

পণ্ডিত সকলৰ মতে শৰণীয়া তথা গোটেই অসমৰে জাতীয় জীৱনৰ পিন্ধা উৰা কাপোৰ হল এৰি, মুগা, পাট আৰু কপাহী কাপোৰ । এই এৰি আৰু পাত কাপোৰ আৰু তিৰোতা মানুহে পিন্ধা ৰিহা মেখেলা সাজপাৰ শৰণীয়া সকলৰ পূৰ্ব পুৰুষ মঙ্গোলীয় সকলে তিব্বতৰ পৰা নামি আহোতে লৈ অহা । সেয়ে অসম তথা উত্তৰ পূব ভাৰতৰ সকলো মঙ্গোলীয় গোষ্ঠীৰ লোকৰ মাজতে এই এৰি পাত আৰু ৰিহা মেখেলাৰ সাদৃশ্য পৰিলক্ষিত হয় । সেয়ে এৰি মুগা আৰু পাট এই তিনিবিধ কাপোৰ অসমীয়াৰ অমূল্য সম্পদ ।

আগেয়ে শৰণীয়া সকলে তথা অসমীয়া পুৰুষ সকলে কপাহী কাপোৰৰ ধুতি, মুগা বা পাটৰ কাপোৰৰ চোলা, গলত এখন পাটৰ চেলেং মেৰিয়াই লৈছিল আৰু মূৰত মুগাৰ চেলেং চাদৰ এখন মেৰিয়াই লৈ বিয়া সভা বা মেললৈ গৈছিল ।

শৰণীয়া তথা অসমীয়া মহিলা সকলে আগেয়ে নিজ হাতে ৰিহা মেখেলা বৈ লৈছিল । সচৰাচৰ কপাহী আৰু পাতৰ কাপোৰত বিভিন্ন ধৰণৰ ফুল তুলি লৈছিল । আজিও কলপতিয়া ৰঙৰ সুতাৰে বুতা বছা ফুলেৰে বৈ লোৱা মেখেলা বুকুত পিন্ধি গাত ধুনীয়া ফুলতুলা এৰিয়া চাদৰ লৈ বিয়া সভালৈ যোৱা দেখা যায় । গাতলোৱা এই চাদৰ খনৰ বা কাপোৰ খনক আলোৱান বোলে ।

পুৰুষ সকলেও থান্দাৰ দিনত উৰাৰ কাৰণে এৰিয়া চাদৰ ব্যৱহাৰ কৰে । এই এৰিয়া চাদৰখনক এন্দি পচৰা বা আগৰান বুলি কোৱা হয় । এই এন্দি পচৰা শৰণীয়া মহিলাই ঘৰতে পলু পুহি সুতা কাতি কাপোৰ বৈ নিজৰ গিৰিয়েক তথা ল'ৰা ছোৱালীক উৰাইছিল ।

এৰি আৰু কপাহী কাপোৰৰ বাহিৰে আজিকালি শৰণীয়া তথা জনজাতীয় সকলে মুগ , পাটকাপোৰ বৰলৈ এৰি দিলে । আগতে ঘৰত ব্যৱহাৰৰ কাৰণে কপাহৰ পৰা সুতা কাটি পুৰুষৰ কাৰণে গামোচা আৰু মহিলাৰ কাৰণে মেখেলা বৈ লৈছিল । আজিকালি বজাৰৰ পৰা মেচিনত কটা সুতা আনি গামোচা মেখেলা আদি বৈ লয় ।

আজিকালি শৰণীয়া তথা সকলো জনজাতীয় লোকে আধুনিক পোচাক লংপেন, চাৰ্ট, কোট আদি ব্যৱহাৰ কৰে । বৃদ্ধ সকলেহে চুৰিয়া পাঞ্জাবী আৰু এন্দি পছৰা ব্যৱহাৰ কৰা দেখা যায় । মহিলাসকলেও পাটৰ মুগাৰ মেখেলা চাদৰৰ ওপৰিও বিভিন্ন ধৰণৰ

শাৰী ব্লাউজ, ছোৱালী বিলাকে ফ্ৰক, স্কাৰ্ট মেদি, চুৰিদাৰ, আদি, ব্যৱহাৰ কৰা দেখা যায়।

বিয়াৰ সময়ত দৰাই পাটৰ চোলা আৰু পাটৰ চুৰিয়া (ধুতি) ব্যৱহাৰ কৰে। গলত এখন চেলেং সন্মুখৰ পিনে আগৰ লোচ দুটা উলিয়াই লয়। মূৰত আগেয়ে মুগাৰ চাদৰ এখন মেৰিয়াই টুপি পিন্ধি লৈছিল। এতিয়াৰ দৰাই মুগাৰ কাপোৰ লিপিন্ধি মূৰত মূৰলি পিন্ধে।

বিয়াত কইনাই পাটৰ মেখেলা চাদৰ ব্লাউজ ব্যৱহাৰ কৰে আৰু গাত এখন পাটৰ আবোৰান উৰি লয়।

আগেয়ে শৰণীয়া সকলৰ মাজত হাচতি ব্যৱহাৰ আছিল। হাচতি হল এখন সৰু গামোচা আজিকালিৰ কমালতকৈ অলপ ডাঙৰ আৰু দীঘল। ইয়াৰ এটা মূৰত তামোল পাণ ধপাত বান্ধি লৈছিল আৰু আনটো মূৰ কমৰৰ খোচত লৈ পথাৰত কাম কৰিছিল। এতিয়া হাচতি আধুনিক যুগত কমালৰ ৰূপ লৈছে। এতিয়া সকলোৱে হাত মুখ মুচাৰ কাৰণে কমাল ব্যৱহাৰ কৰে।

এই কমালখন অকল হাতমুখ মুচাতেই আবদ্ধ নহয়। কমালে প্ৰেমৰ আদান প্ৰদান কৰে। অসমৰ সকলো ছোৱালীয়ে কাপোৰ বব জানে। বহাগৰ দোমাহীৰ আগেয়ে সকলো ছোৱালী হাচতি (সৰুগামোচা) বা কমাল বৈ থয় বহাগত প্ৰিয়জনক দিয়াৰ বাবে।

**অলংকাৰ ঃ—** সোণৰ ৰূপৰ অলংকাৰ বনাই নাকত, কানত, গলত আৰু হাতত শৰণীয়া মহিলাই তথা সকলো অসমীয়া তিৰোতাই পিন্ধে। কিছুমানে ভৰিৰ আঙুলি আৰু ভৰিৰ খাৰু গাঠিতো অলংকাৰ পিন্ধে। মানুহে সভ্যাহে অহাৰ লগে লগে আৰু সভ্যতাৰ ক্ৰমবিকাশৰ লগে লগে অলংকাৰবো পৰিবৰ্তন হৈ আহিছে। আগৰ ডাঙৰ ডাঙৰ সোণ ৰূপৰ অলংকাৰবোৰ আজিকালি সৰু সৰু অলংকাৰত পৰিণত হৈছে।

**গলত পিন্ধা ঃ—** গলত সোণেৰে বনোৱা সোণৰ হাড় ৰূপেৰে বনোৱা ৰূপৰ হাড় পিন্ধে। আগেয়ে

(১) থাক মনি পিন্ধিছিল আৰু মনিৰ মাজে মাজে সোনৰ ঢল মাদলী দিছিল।

(২) সোণৰ গল পাত (৩) চন্দ্ৰ হাৰ (৪) বিছাহাৰ আদি গলত পিন্ধিছিল।

**কাণত পিন্ধাঃ—** (১) ঢেকীৰ কেতবা সোণা আগেয়ে পিন্ধিছিল। অতে সোণ বেছিকৈ দিব পৰাজনে জিঞ্জিৰি লগাই কাণৰ পিছ পিনে নি উলমাই ৰাখিছিল। কন্যাৰ কাৰণে এনে ধৰণে সোণৰ অলংকাৰ বনাইছিল। (২) সোণৰ ফুটি (৩) কাণ পাচা (৪) ইয়াৰিং (৫) দুল ইত্যাদি ইতি পূৰ্বৰ পৰা এতিয়ালৈ পিন্ধি আহিছে।

**নাকত পিন্ধা ঃ—** নাকত পিন্ধা অলংকাৰক নাকফুলি কয় । কলফুলিয়া, নাকফুলিয়া, তাৰাফুলিয়া, নাকফুলি, সিংৰি টেঙা পতিয়া নাকফুলি আৰু সোণৰ নাকবালি ইত্যাদি নাকত পিন্ধা অলংকাৰ ।

**হাতত পিন্ধা ঃ—** মুঠিখাৰু, গামখাৰু, বালাখাৰু, হাতৰ বাজু (হাতৰ বাহুত পিন্ধে) ইত্যাদি হাতত পিন্ধা অলংকাৰ, খাৰু ব্যৱহাৰ কৰে ।

**হাতৰ আঙুলিত পিন্ধা ঃ—** সোণৰ আৰু ৰূপৰ বিভিন্ন ধৰণৰ আঙুঠি হাতৰ আঙুলিত পিন্ধে ।

এইবোৰেই শৰণীয়া তথা অসমত বাসকৰা মহিলাই অলংকাৰ পিন্ধিছিল । এতিয়া আধুনীক যুগত এই অলংকাৰবোৰ অৱশ্যে বহুতো পৰিবৰ্তন হৈছে ।

অলংকাৰ তিৰোতা মানুহৰ পক্ষে সামাজিক জীৱনত বৰ আৱশ্যকীয় । অলংকাৰ নিপিন্ধা মহিলাক বিধবা মানুহ বুলি পৰিচয় পোৱা যায় ।

# ৮ম অধ্যায়

## খেল খেমালিৰ গীত

(১)

সক ল'ৰা ছোৱালী দুজনৰ মাজত খেল। এজনে আনজনৰ হাতত চপৰিয়াই গায়। গান গোৱা শেষ হোৱাৰ পিছত ইজনে সিজনক কাষলতিত কুটকুটাই দিয়ে।

তোৰ মায়েৰাই মাছ ভাজি থয়
বৰ ঘৰৰ মেকুৰী বাহুনী ঘৰত যায়
ধাকোন পেলাই ভাজা মাছ
চোৰ কৰি খায়
কায় কুট কুট; কায় কুট কুট

(২)

দুজন ল'ৰা ছোৱালীৰ মাজত, হাতৰ মুঠিত গুটি লুকুৱাই খেলা খেল। এজনে এটা গুটি হাত দুখন নিজৰ পিছ পিনে নিয়ে আৰু আনজনে নেদেখাকৈ গুটিটো যি কোনো এখন হাতৰ মুঠিত ৰাখিব। পিছত হাতৰ মুঠি দুটা লগৰীয়া জনৰ সন্মুখত আনি কোনখন হাতত গুটি আছে উলিয়াই দিয়ে। তেতিয়া লগৰীয়া জনে তলত দিয়া ধৰণে গায়—

অলো (ওলা) গুটি তলে গুটি
কছু গুটি ঐ ৰাম
যি হাতে গুটি আছে
সেই হাতে পাম।

গুটি বিচাৰি নোপোৱালৈকে এইদৰে চলি থাকে। বিচাৰি পালে বিচাৰি পোৱা জনে গুটি লুকুৱাই আৰু অন্য জনে উক্ত গানটো গাই গাই গুটি বিচাৰে এইদৰে খেল চলি থাকে।

(৩)

সক ছোৱালীয়ে দীঘলকৈ শাৰীপাতি এজনে আনজনৰ ককালত ধৰি খেলা খেল

চিৰি কুটি মিৰি কুটি
বাহৰ খোলা
মোৰ মাই পদূলিত
বান্ধিলে খোৱা

ৰজাই গৈছে পহু মাৰিব
মোক খেদাইছে কুমৰা খুজিব ।

(৪)

সৰু ল'ৰা ছোৱালীৰ ছাগলী বন্ধা খেল । এই খেলত সৰু ল'ৰা ছোৱালীবোৰে হাতত ধৰি এটা এটাকৈ শাৰীপাতি থিয় হৈ থাকে । এজনে শেষত বা কাষত থাকি বুঢ়ী হয় আৰু তলত দিয়া ধৰণে কথা সুধি এটাৰ কাষলটিৰ তলেৰে পাৰ হৈ গৈ থাকে ।

প্ৰশ্ন ঃ অ বুঢ়ী তোৰ ছাগলী কোনে ?
উত্তৰ ঃ বনে ।
প্ৰশ্ন ঃ বনে জহা কি খায় ?
উত্তৰ ঃ লতা পাত
প্ৰশ্ন ঃ কি হাগে ?
উত্তৰ ঃ শুখনা পতা
প্ৰশ্ন ঃ কি মুতে ?
উত্তৰ ঃ তেল চুৰকা

তোৰ ছাগালে ধান খাইছে বান্ধি থওঁ । এই বুলি কোৱাৰ লগে লগে বুঢ়াৰ ছাগলী বান্ধ খাই যায় । তাৰ পিছত তাক বুঢ়া আঙুলিত ধৰি বহিব দি কত যাবি বুলি সুধি দুজনে ধৰি ডাঙি নিয়ে । গন্তব্য স্থান নপোৱালৈকে বুঢ়া আঙুলি এৰি দিব নোৱাৰে ।

(৫)

সৰু ল'ৰা বা ছোৱালীৰ নাচ গুটি খেলৰ গীত —

(ক)

এক, দুই , তিনি, চাৰি, পাচ
গুটি নাচ (এটাকৈ গুটি ধৰি)
নাচ ভেলকী হাউত যায়
কলপাত কাতি দলভাত খায়
যুটি - (দুটাকৈ ধৰি)
এই চাব গুটি কঠালৰ গুটি
তেনে - (এবাৰত এটা আনবাৰত তিনিটা ধৰি)
তেনে তেৰিবান দাজি ভাত বান্ধ
উকা - (চাৰিওটা গুটি)

উকাই লত্তি ফেলজুং বান্ধি

(খ)

অলে গুটি তলে যায়

সফুৰা মায়েকক লয় যায়

হৈচপ তেনা মাখিৰ ভেনা

উকে হাৰো বগা ঘোৰা

(গ)

নাছিলং গুটি কাটিলং পাত

মই খাবা নাই জকবা ভাত

ঐ চপ তেনা মাখিৰ ভেনা

উককাই লাটি ফিলুং বান্ধি ॥

(৬)

হাউগুদু খেল :— এই খেলত সমান সংখ্যক দুটা দল হয় । খেলত এডাল গছ ঘাই হিচাবে লয় । এদলৰ এটাই হাউ মাৰিব আৰু অন্য দলে সেইজনক ধৰিব । ধৰি ৰাখিব পাৰিলে হাউমাৰা জনে মৰিব আৰু ৰাখিব নোৱাৰিলে গাত চুই যোৱাজনে মৰিব। এইদৰে খেল চলি থাকিব । যিদলৰ খেলুৱৈ এইদৰে খেলোতে আগেয়ে মৰি (Out) শেষ হব সেইদলে হাৰিব আৰু নমৰা দলে জিকিব । এই খেলত তলত দিয়া ধৰণে গীত গাই গাই হাউ খেলে —

(ক)

গীত — আগুৰ গুৰ মাগুৰ জালি

ধোঁৱাৰ নাকত দিলো জৰি

ধোঁৱা গেল উত্তৰে

সোলমাছে গুজৰে

সোলমাছে গুজৰে

(খ)

গীত — বৰ ধান তলীয়া অৰু হাউবে

মাৰি আহ্ আহ্ হাউ

মাৰি আহ আহ্ হাউ ইত্যাদি

(৭)

ভাটা খেলৰ গীত — ভাটা খেল দুই প্ৰকাৰৰ

(ক) গাতা ভাটা আৰু

(খ) খুটি ভাটা।

এই খেলত সমান সংখ্যক দুটা দল হয়। এটা দলৰ এজনে ভাটা মাৰে আৰু বিপৰীত দলে হাতত একোদাল মাৰিলে সেই ভাটা ঠুকিব লাগে। ঠুকিব পাৰিলে ভাটা মাৰাজন মৰে। যদি ভাটা ঠুকিব নোৱাৰে তেতিয়া ভাটা মাৰা বাৰি (টকান) দালেৰে তলত দিয়া ধৰণে গান গাই ভাটা পৰা ঠাইৰ পৰা হিচাব কৰি আহে গাটা ভাটাৰ বাবে

একুলে দুকুলে কাহালে কুকুলে

লফে লতা ভোলে বাটা

খুটি ভাটাৰ বাবে—

একু দুকু তিনা চাৰা

পাঞ্চাল ঢোল ভোল ভাটা।

ভাটা খিলিব নোপোৱা চেমনীয়া হতে হাতে হাতে দুডালকৈ লাখুটিলৈ কোবাই কোবাই ঘুৰি ঘুৰি তালে তালে গায় —

একানি দুবানি তিনাই চাৰ

হালি পৰে মঙ্গলবাৰ

তকৰা গছৰ কাটলৰ গুৰি

থাক থিক উন্নিছ কুৰি।

(৮)

টাং গুটি খেলৰ গীত — ফালৌ ফুটলো ঢিং

টি চিণ্ডিয়া মজুক কামায়া

কুং কুলে ধুম।

(৯)

অপেন দি বাইচ কোব

নাইন টেন তেইশ কোব

চলিত অনা বেবিতানা

চাহে বাবুক ধইথে আনা

আমাৰ নাম বেনু বালা

গলে পৰিল মুক্তিৰ মালা

এই গানৰ খেলত দুজনে মুখা মুখিকৈ থিয় হৈ হাত দুখন ওপৰত তুলি পৰস্পৰে ধৰা ধৰি কৰি থাকি গানটো গায় থাকে । সিহঁতৰ হাতৰ তলেৰে খেলৰ সংগীযাবোৰ এটা এটাকৈ পাৰ হৈ গৈ থাকে । গানটো শেষ হোৱাত বিজনে পৰে সেইজনে মুক্তিৰ মালা পিন্ধে ।

লুকা ভাকু খেল বা কানি মুনি খেলৰ গীত —

(ক)

ইছনি বিচনি দৰিকাদৌ
মৌ ধাৰা পাৰি থৌ
বৌ পৰে চিলা পৰে
হাতে হাতে ধৰা পৰে
ঔ কাকা হাটত যাং
মুনে ভাতে সানি খাং
এল পাত বেল পাত
ৰাজা হঁতৰ চিৰি ঘাট
কাট কুট তুল হাত ।।

(খ)

ইছনি বিছনি দাবগা লঔ
মোৰ পিৰাকৈ পাৰি লঔ
হেলা হেলা কিতানো
ডিমা পাৰে পদুম খেলা
তপুনা গছৰ তকনা
মইৰা গছৰ বগনা
তোৰ হাতখন লুকাউ ।।

(গ)

ইছনি বিছনি দাবগা বিছনি
পাত পাৰি যায় পাত পাৰি যায়
কাবাই দিমা পাবে
এল পাত বেল পাত
ৰাজাহঁতৰ চিৰি ঘাট
কাট কুট তুল হাত ।।

এই খেলত কেইজনমান ল'ৰা ছোৱালী এঠাইত ঘুৰণীয়াকৈ বহি হাতবোৰ মাটিত পাৰিবলৈ দিয়া হয় । এজনে উক্ত গান গাই এখন হাত মুঠি মাৰি ধৰি মুঠিটো প্ৰত্যেকৰে হাতে হাতে দি যায় । যাৰ হাতত শেষ হয় সিয়ে মৰে । এই মৰাজনেএডাল ঘাই গছত চকু মুদি থাকে আৰু বাকীবোৰে লুকাবলৈ যায় । পিছৰ মৰাজনে লুকাই থকা সকলক বিচাৰি চুবলৈ যায় । চুবলৈ যাওঁতে অন্য সকলোৱে দৌৰি আহি ঘাই চুৱে । যদি কাৰে াবাক চুব পাৰে সি মৰে । এই মৰাজনে চকুত হাতথৈ চকু মুদিব অন্য বিলাকে লুকাব । কিন্তু মৰাজনে যদি কাকো চুব নোৱাৰে তেতিয়া তাৰ মূৰত সকলোৱে জেং দি কা কা কৰিব । শেযত পুনৰ আকৌ খেল আৰম্ভ কৰিব ।

## পাৰিবাৰিক সম্বোধন

শৰণীয়া সকলে পাৰিবাৰিক সম্বোধন তলত উল্লেখ কৰা ধৰণে লয় —

| লিখিত সম্বোধন | শৰণীয়া সকলে কয় |
|---|---|
| আই | মায় |
| দেউতা | পিতে |
| খুৰা - দেউতাকৰ ভায়েক | দাদা |
| খুৰী মা - খুৰাৰ ঘৈণীয়েক | খুৰী |
| ককা দেউতা- দেউতাৰ দেউতাক | আটা |
| আইতা- দেউতাকৰ মাক | আবু |
| বৰ দেউতা- দেউতাকৰ ককায়েক | জেঠা |
| বৰ মা- বৰ দেউতাকৰ ঘৈণীয়েক | জেঠী |
| দেউতাকৰ বায়েক | জেঠী |
| দেউতাকৰ ভিনিহিয়েক | জেঠা |
| দেউতাকৰ ভণীয়েক | পিহি |
| দেউতাকৰ ভণীজোৱায়েক | পেহা |
| মাকৰ বায়েকক | জেঠী |
| মাকৰ ভণীয়েকক | মাহী |
| মাহীৰ গিৰিয়েকক | মহা |
| মাকৰ ভায়েকক | মামা |
| মামাৰ ঘৈণীয়েক | মামী |
| মাকৰ দেউতাকক | আটা |

| | |
|---|---|
| মাকৰ মাকক | আবু |
| নিজৰ ডাঙৰ ভাইক | কাকা |
| নিজৰ সৰু ভাইক | ভাই |
| কাকাৰ ঘৈণীক | বৌ |
| সৰু ভাইৰ ঘৈণীক | ভাই বোৱাৰী |
| নিজৰ ডাঙৰ ভনীক | বাই |
| নিজৰ সৰু ভনীক | বইনী (নামায়) |
| ঘৈণীয়েকৰ বায়েকক | জীয়া শাহু |
| ঘৈণীয়েকৰ ভনীয়েক | খুলখালী |
| ঔগণীয়েকৰ ভায়েক | খুলখালী |
| জীয়া শাহুৰ গিৰিয়েক | জেহুপতি |
| খুলখালীৰ গিৰিয়েক | সালপতি |
| বাইৰ গিৰিয়েক | ভিনী |
| সৰু ভনীৰ গিৰিয়েকক | বইনাই (কুৰমা) |
| ঘৈণীয়েকৰ মাকক | শাহু |
| ঘৈণীয়েকৰ দেউতাক | শহুৰ |
| নিজৰ ল'ৰাৰ ঘৈণীয়েক | বোৱাৰী |
| নিজৰ ছোৱালীৰ গিৰিয়েক | জোৱাই |
| জোৱাইৰ মাকক | বিয়নী |
| জোৱাইৰ দেউতাকক | বিয়ৈ |
| নিজৰ বোৱাৰীৰ দেউতাক | বিয়ৈ |
| নিজৰ বোৱাৰীৰ মাক | বিয়নী |

কোনো মানুহে কোনো মানুহৰ লগত কথা বতৰা স্বভাব চৰিত্ৰ আদি মিলহলে বন্ধুত্ব গঢ়ি উঠে। সেই বন্ধুত্বক স্থায়ী ৰূপ দিবৰ বাবে ৰাইজ মাতি সাবৰি দি সখি বান্ধে। এই সাবৰি দেওঁতে দুই বন্ধুই কোনো এজন বন্ধুৰ ঘৰৰ চোতালত ৰাইজক মাতি চোতালৰ পূব পিনে মাটিৰ চাকি এটা জ্বলাই ঠোগী এখ ন পাতে। ঠোগীৰ সন্মুখত দুই বন্ধুই মাজত এখন বটালৈ দুয়োফালে বহে। বটাত পাণ তামোল লৈ লগতে গিৰুনৰ ঘৰত সাবৰি দিয়া হয় সেইজনে এখন কাপোৰ সখিয়েকক মান দিয়ে। দুই বন্ধুই অগ্নিক সাক্ষী কৰি বটাত ধৰে আৰু ৰাইজে তুলসীৰ পানী চতিয়াই দুই সখিয়েকক স্বীকৃতি দিয়ে। সেই দিনাৰে পৰা দুয়ো দুয়োকো সখা বুলি সম্বোধন কৰে। সখাৰ ঘৈণীয়েকক সখী বুলি

সম্বোধন কৰে । সখাৰ মাকক আমৈ আৰু দেউতাকক তাঁৱৈ বুলি সম্বোধন কৰে । সেই দিনাৰ পৰাই দুয়োটা পৰিয়ালৰ ল'ৰা ছোৱালীৰ মাজত ভাই ককাই বাই ভনীৰ সম্বোধন গঢ়ি উঠে ।

ইয়াৰ বাহিৰেও পৰিয়ালৰ কোনো মানুহৰ মাক নেথাকিলে অইন কোনো বয়সষ্ঠ তিৰোতাক ধৰ্ম মাক হিচাবে বাবদায় দিব পাৰে । থিক তেনেকৈ কোনো মানুহৰ দেউতাক যদি ঢুকাইছে তেতিয়াও অন্য বয়জেষ্ঠ লোকক নিজৰ ধৰ্ম দেউতাক হিচাবে বাবদায় দিব পাৰে । সেই দিনাৰ পৰা নিজৰ মাক দেউতাকৰ নিছিনাকৈ ধৰ্ম মাক আৰু দেউতাকক সম্বোধন কৰে । নিজৰ ভাই বা ভনী নেথাকিলেও এইদৰে ধৰ্ম ভাই বা ভনী বনাই লব পাৰে ।

পৰিয়ালৰ মুৰব্বী হিচাবে মাক দেউতাকেই পৰিয়াল পৰিচালনা কৰে । দেউতাক অবিহনে মাকে পৰিয়াল পৰিচালনা কৰে । কিন্তু পুত্ৰ ডাঙৰ হৈ আহিলে ডাঙৰ ল'ৰাই পৰিয়ালৰ দায়িত্ব বহন কৰি পৰিয়াল পৰিচালনা কৰে ।

পৰিয়ালৰ সকলো কামত স্ত্ৰী-পুৰুষৰ সমানে অধিকাৰ থাকে । শৰণীয়া মহিলা সকলে ৰন্ধা-বঢ়া, সুতা কটা, কাপোৰ বোৱা, গোবৰ পেলোৱা, ঢেঁকী দিয়া, ঘৰ চোতাল মোচা, ল'ৰা ছোৱালীক আল পইচান ধৰা, পথাৰত ধান ৰুৱা আদি ঘৰৰ কাম কৰে । পুৰুষ সকলে ঘৰৰ প্ৰয়োজনীয় সকলো সামগ্ৰীৰ যোগান ধৰে । ঘাহবন জোগাৰ কৰি ঘৰ সজা, খেতিৰ সামগ্ৰী নাঙল জুংলী, মৈ, গৰুৰ জৰি জোগাৰ কৰা হালৰ গৰুৰ যতন লোৱা, মাছ পুঠিৰ বাবে চেপা চহৰা বনোৱা, পথাৰত হালবাই খেতি কৰি পথাৰৰ পকা ধান ঘৰলৈ চপাই আনি মৰনা মৰা আদিৰ ওপৰিও ঘৰৰ সামগ্ৰী বজাৰত বিক্ৰী কৰি বজাৰ হাতৰ পৰা তেল নিমখৰ জোগাৰ ধৰা আদি সকলো কাম পুৰুষে কৰে ।

**সামাজিক অনুষ্ঠানত :—** পূজা- পাৰ্বন, বিবাহ সভা আদি অনুষ্ঠানত পুৰুষ মহিলাই সমানে অংশ গ্ৰহণ কৰে ।

**উপাধি :—** শৰণীয়া সকলে নামৰ পিছত ব্যৱহাৰ কৰা উপাধি সমূহ হল —

(১) শৰণীয়া (২) দাস (৩) ডেকা (৪) চৌধাৰী (৫) হাজৰীকা (৬) বৰ্মন (৭) লহকৰ (৮) শইকীয়া (৯) বৰ্মা (১০) মহন্তীয়া । ●

# নৱম অধ্যায়

## শৰণীয়া কছাৰী সকলৰ ৰাজনৈতিক দৰ্শন অতীত আৰু বৰ্তমান

অসমৰ অৰ্থাৎ কামৰূপৰ অৰ্থাৎ প্ৰাগজ্যোতিষপুৰৰ ইতিহাস বহু প্ৰাচিন । এই দেশ কাৰ দেশ ? এই প্ৰশ্নৰ উত্তৰ এক কথাত দিবলৈ বৰ তান । বিভন্ন সময়ত ভিন ভিন যুগত বাহিৰৰ পৰা নানা উপ জাতিৰ দল আহি অসমত সোমাইছে । আৰ্য সকলৰ আগমনৰ বহু হেজাৰ কাল আগৰে পৰা অসমৰ উত্তৰ আৰু পূৱ ফালেদি মঙ্গোলীয় জাতিৰ নানা দল আহি অসমত সোমাইছিল । বুৰঞ্জীবিদ সকলৰ মতে এই মঙ্গোলীয় সকলেই অসমৰ আদিম অধিবাসী । আৰ্য সকলে এই মঙ্গোলীয় সকলক কিৰাত বুলি অভিহিত কৰিছিল। " সৰ্বে যোগিনী পীঠে ধৰ্ম কৈৰাতজমত" (যোগিনী তন্ত্ৰ) ইয়াৰ অৰ্থ পুৰণি কামৰূপৰ ধৰ্ম কৰ্ম কিৰাত ধৰ্ম মতেই হৈছিল । এই কিৰাত সমূহত বিভিন্ন প্ৰজাতি সমূহ হৈছে —

(A) কছাৰী – (i) বড়ো (ii) ৰাভা (iii) ডিমাচা (iv) শৰণীয়া আৰু ৰাজবংশী (v) লালোং (vi) ঠেঙাল (vii) সনোৱাল (viii) হাজোং (ix) মেচ

(B) মিকিৰ (C) মিৰি (D) দেউৰী (E) খামতি আৰু ফাকিয়াল ইত্যাদি ।

শৰণীয়া কছাৰী সকলৰ কোনো পৰিকল্পিত ধাৰাবাহিক ইতিহাস লিখা নহল যদিও পুৰণি ইতিহাসত শৰণীয়া সকলৰ জন্মৰ উৎস বিচাৰি পোৱা যায় । আৰু স্বকীয় বৈশিষ্টৰে মুখে মুখে চলি অহা মাত কথা আৰু লোক উৎসৱ লোক কলাৰ যোগেদি এই বিশাল জনগোষ্ঠীৰ ঐতিহ্য হেৰাই যোৱা নাই ।

বুৰঞ্জীবিদ সকলৰ মতে আৰ্য সকলৰ অসমলৈ প্ৰবজন ঘটিছিল খৃ:পূ: ৫ম শতিকাত পশ্চিম পিনেদি । " এছ এন ভদ্ৰ" নামৰ এজন বঙালী বুৰঞ্জীবিদে তেওঁৰ " উত্তৰ পূৱ ভাৰতৰ ইতিহাস " গ্ৰন্থত লিখিছে যে " আনকি খৃ: ৬ষ্ঠ শতিকাতো সমুদ্ৰ প্ৰায় হিমালয় পৰ্যন্ত বিয়পি আছিল ।

প্ৰচিন কালত ভাৰত আৰু প্ৰাগজ্যোতিষৰ মাজত থকা সমুদ্ৰ খণ্ডক পূৰ্ব সাগৰ বুলি কৈছিল । সেই সময়ত বঙ্গ সমুদ্ৰ গৰ্ভত থকাত খৃ: পূ: ৫ম শতিকাত আৰ্য সকলে গঙ্গাৰ পাৰেদি আহি পূৰ্ব বঙ্গ পাৰহৈ ব্ৰহ্মপুত্ৰৰ পাৰত এখন ৰাজ্য স্থাপন কৰিছিল । এই আৰ্য সকলেই ব্ৰহ্মপুত্ৰ উপত্যকাত খৃ: পূ: ৫ম শতিকাৰ পৰা খৃ: ৪ৰ্থ শতিকালৈ ৰাজত্ব কৰে বুলি পণ্ডিত সকলে অনুমান কৰে । সেই সময়তে আৰ্য সকলে ব্ৰহ্মপুত্ৰ উপত্যকাত হিন্দু ধৰ্ম প্ৰচাৰ কৰিছিল । আমি আগেয়ে উল্লেখ কৰি আহিছো যে সেই সময়ত যিসকল

কছাৰী লোকে হিন্দু ধৰ্মত শৰণ লৈছিল তেওঁলোকক এটা সোণেৰে বনোৱা গৰু বা সোণ চৰুৱা কলহৰ মাজত সোমোৱাই হোমপুৰি পূজা কৰি উলিয়াই আনিছিল । পূজাৰ শেষত সেই সোণৰ গৰু বা কলহৰ বৰ্মতো ব্ৰাহ্মণ পুৰুহিত সকলে ভগাই লৈছিল । সেই দিনাৰ পৰা তেওঁ আৰু তেওঁৰ বংশধৰ সকলোৱে বৰ্মা বা বৰ্মন উপাধি ধাৰণ কৰি হিন্দ ক্ষত্ৰীয় হৈছিল । এইদৰে নেত্ৰীস্থানীয় কছাৰীলোক বা কছাৰী ৰজাসকলক হিন্দু ধৰ্মত শৰণ দিয়া হৈছিল । সেই সময়ত তেওঁলোকক অবশ্যে শৰণীয়া বুলি কোৱা হোৱা নাছিল । কিন্তু সেই সময়ত বা সেই সময়ৰ পৰা যি সকল লোক বৰ্মা বা বৰ্মন উপাধি ধাৰণ কৰিছিল তেওঁলোক প্ৰকৃততে শৰণীয়া কছাৰী লোক । এই বৰ্মা বা বৰ্মন উপাধি ধাৰি শৰণীয়া সকল খৃ: ৪ৰ্থ শতিকাৰ শেষৰ ফালে ইমান শক্তিশালী হৈ উঠিছিল যে এই বৰ্মা বংশৰে পূৰ্য বৰ্মাই ৩৫৫ খৃ:ত আৰ্য সকলক পৰাভূত কৰি এখন স্বাধীন ৰাষ্ট্ৰ গঠন কৰে । তেওঁক ৰাজা চক্ৰবৰ্তী বুলি স্বীকাৰ কৰিছিল । এই কথা ঐতিহাসিক ভাবে সত্য ।

এতিয়া আমি কব পাৰো যে শৰণীয়া সকলৰ ৰাজনৈতিক দৰ্শন আৰম্ভ হৈছিল খৃ: ৪ৰ্থ শতিকাত । এই শৰণীয়া ৰজা সকলৰ পিনে চকুফুৰালে দেখা যায় এই বৰ্মা বা বৰ্মন বংশৰ প্ৰতিষ্ঠাতা পুষ্য বৰ্মা (৩৫৫-৩৮০ খৃ:) তেওঁৰ পুত্ৰ সমুদ্ৰ বৰ্মা (৩৮০-৪০৫ খৃ:) তেওঁৰ পুত্ৰ বল বৰ্মা (৪০৫-৪২০ খৃ:) । এই বল বৰ্মাৰ জীয়াৰী অমৃত প্ৰভাক কাশ্মীৰ ৰাজ্যৰ ৰজা মেঘবাহনে বিয়া কৰায় । চতুৰ্থ ৰজা (১ম) কল্যান বৰ্মা (৪২০-৪৪০খৃ:) তেওঁৰ পুত্ৰ গনপতি বৰ্মা (৪৪০-৪৫০খৃ:) ৬ষ্ঠ ৰজা মহেন্দ্ৰ বৰ্মা (৪৫০-৪৮০খৃ:) এই মহেন্দ্ৰ বৰ্মাই পঞ্চম শতিকাৰ শেষৰ ফালে সাম্ৰাজ্যবাদী গুপ্ত সকল দুৰ্বল হৈ পৰাত দক্ষিণ পূব বঙ্গ অধিকাৰ কৰি বঙ্গোপ সাগৰৰ পাৰলৈকে কামৰূপ ৰাজ্যৰ সীমা বঢ়ায় আৰু লগতে বিজয় কীৰ্তি ঘোষনা কৰিবলৈ দুটা অশ্বমেধ যজ্ঞ সমাপন কৰি কামৰূপ ৰাজ্যক গুপ্ত সাম্ৰাজ্যৰ অধীনৰ পৰা মুক্ত কৰে আৰু পশ্চিমফালে কামৰূপ ৰাজ্য বঢ়োৱাৰ পাতনি মেলে । মহেন্দ্ৰ বৰ্মাৰ পিছত নাৰায়ণ বৰ্মা (৪৮০-৫১০ খৃ:) মহাভূতি বৰ্মা (৫১০-৫৫৫ খৃ:) এই ৰজাৰ দিনতে দক্ষিণ পশ্চিম ফালে ছিলেত, ত্ৰিপুৰা আৰু কাছাৰো কামৰূপ ৰাজ্যৰ অন্তভুক্ত হয় । এই ৰজাৰ পিছত চন্দ্ৰমুখ বৰ্মা, স্থিতি বৰ্মা, সুস্থিত বৰ্মাৰ(মৃগাঙ্ক) সুপ্ৰতিষ্ঠিত বৰ্মা আৰু কুমাৰ ভাস্কৰ বৰ্মা (৫৯৪-৬৫০খৃ:)।

বুৰঞ্জীবিদ সকলৰ মতে বৰ্মা বংশীয় ৰজা সুস্থিত বৰ্মাৰ দুজন পুতেক আছিল । এজনৰ নাম সুপ্ৰতিষ্ঠিত আৰু আনজনৰ নাম ভাস্কৰ বৰ্মা । সুস্থিত বৰ্মাৰ মৃত্যুৰ পিছত গৌড় ৰজাই কামৰূপ ৰাজ্য আক্ৰমন কৰে । কিন্তু সুপ্ৰতিষ্ঠিত বৰ্মা আৰু ভাস্কৰ বৰ্মাই সেই আক্ৰমন উফৰাই পঠিয়াই । সুপ্ৰতিষ্ঠিত বৰ্মাৰ মৃত্যুৰ পিছত ভায়েক ভাস্কৰ বৰ্মা কামৰূপৰ ৰজা হয় । ভাস্কৰ বৰ্মা সেই সময়ত এজন প্ৰখ্যাত ৰজা আছিল । এওঁ ভাস্কৰ

অৰ্থাৎ সূৰ্যৰ দৰে প্ৰভাৱশালী আছিল । উত্তৰ ভাৰতৰ ৰজা হৰ্ষ বৰ্দ্ধন বা শিলাদিত্য তেওঁৰ সমসাময়িক আছিল । সেই সময়ত ভাৰতবৰ্ষৰ উত্তৰ ফালে হৰ্ষবৰ্দ্ধন ভাস্কৰ বৰ্মা এই দুজনেই ডাঙৰ ৰজা আছিল । ভাস্কৰ বৰ্মাই হংসবেগ নামে কটকী পঠিয়াই হৰ্ষবৰ্দ্ধনৰ লগত মিত্ৰতা কৰিছিল । সেই সময়ত গৌড় ৰাজ্যত শশাঙ্ক নামেৰে এজন প্ৰভূত্বকামী ৰজাই ৰাজত্ব কৰিছিল । শশাঙ্কৰ হাতত হৰ্ষবৰ্দ্ধনৰ ককায়েক ৰাজ্যবৰ্দ্ধন নিহত হয় । সেইদেখি হৰ্ষবৰ্দ্ধনে ভাতৃহন্তা শশাঙ্কৰ ৰাজ্য আক্ৰমন কৰে । ভাস্কৰ বৰ্মাই তেওঁক সহায় কৰে । ভাস্কৰ বৰ্মা আৰু হৰ্ষবৰ্দ্ধনৰ হাতত শশাঙ্ক পৰাস্ত হয় । শশাঙ্কৰ ৰাজ্য কৰ্ণ সুবৰ্ণ আৰু গৌড় বা পৌণ্ড্ৰবৰ্দ্ধন ভাস্কৰ বৰ্মাই পায় । কৰ্ণ সুবৰ্ণ আৰু গৌড় অঞ্চলে অহাত ভাস্কৰ বৰ্মা এখন বিশাল ৰাজ্যৰ অধিশ্বৰ হৈ পৰে । ভাস্কৰ বৰ্মাৰ সময়ত কামৰূপ ৰাজ্যৰ সীমা পশ্চিমে বিহাৰ আৰু দক্ষিণে উৰিষ্যাৰ ওচৰ পাইছিলগৈ ।

ভাস্কৰ বৰ্মাৰ বিষয়ে শ্ৰীহট্ট জিলাৰ নিধন পুৰ গাৱৰ পৰা উদ্ধাৰ হোৱা " নিধন পুৰ তামৰ ফলি শ্ৰীহৰ্ষ চৰিত, কাশ্মীৰৰ ৰাজতৰঙ্গিণী আৰু য়ুবান চুৱাং (হিউৱেন চাঙ) চীনা পৰিব্ৰাজকৰ বিবৰণীৰ পৰা পোৱা যায় ।

ভাস্কৰ বৰ্মাৰ বিষয়ে চীনা ভ্ৰমন কাৰিয়ে কৈছে যে ৰজা বৰ বিদ্যুৎসাহী আৰু ৰজাক দেখাত দেখি প্ৰজা সকলো শিক্ষাৰ প্ৰতি বৰ অনুৰাগী । দূৰ দুৰন্তৰৰ পৰা বিদ্বান লোক সকলে কাম বিচাৰি কামৰূপ ৰাজ্যলৈ আহিছিল । নিজে যদিও বৌদ্ধ নহয় তথাপি বিদ্বান ভিক্ষুক সকলক ৰজা বৰ শ্ৰদ্ধা ভক্তি দেখোৱায় ।

হিউৱেন চাঙে কৰতোৱা নৈ পাৰহৈ কামৰূপত সোমোৱা কথা লিখিছে । তাৰপৰা বুজা যায় যে তেতিয়াও কামৰূপৰ সীমা কৰতোৱা নদী আছিল । আৰু এই ৰাজ্যৰ ভিতৰত বৰ্তমানৰ অসমৰ ওপৰিও ভূটান, উত্তৰ বঙ্গ আৰু মৈমান ছিং জিলাৰ এছোৱা পৰিছিল। তলত ভাস্কৰ বৰ্মাৰ ৰাজ্যৰ মেপ এখন (আমাৰ দেশৰ বুৰঞ্জী পৃ : ২৩) মতে দিয়া হল ।




কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজ্য
(আমাৰ দেশৰ বুৰঞ্জী লেখক

৫৯৪ খৃ:ত ভাস্কৰ বৰ্মাই সিংহাসনত আৰোহন কৰি এটা নতুন চনৰ প্ৰচলন কৰে। ইয়াকেই "ভাস্কৰাব্দ" বা কামৰূপী চন বোলা হয়। কুমাৰ ভাস্কৰ বৰ্মা (হয়তো অবিবাহিত) ৰ মৃত্যুৰ পিছত কামৰূপত এটা ডাঙৰ বিপ্লৱ ঘটিছিল। এই বিপ্লৱৰ সুযোগতেই ভাস্কৰ বৰ্মাৰ ভতিজা ল'ৰা (ওচৰ সম্বোন্ধীয়) অবন্তী বৰ্মাই সিংহাসন অধিকাৰ কৰে। এই অবন্তী বৰ্মাই শালস্তম্ভ বংশৰ প্ৰতিস্থাপক। এওঁ প্ৰাগজ্যোতিষ পুৰৰ পৰা ৰাজধানী তুলি নি বৰ্তমান তেজপুৰৰ ওচৰৰ হাৰুপেশ্বৰ নামে ঠাইত পাতে। কেনো কোনো পণ্ডিতৰ মতে অবন্তী বৰ্মা ৰজাহে শালস্তম্ভ নাম লয়। সেয়ে তেওঁৰ বংশক শালস্তম্ভ বংশ বুলি কোৱা হয়। শালস্তম্ভৰ পৰা শ্ৰীত্যাগ সিংহ পৰ্যন্ত এই বংশৰ একৈশ জন ৰজাই দশম শতিকালৈ (৬৫০-৯৯০) কামৰূপত ৰাজত্ব কৰে। বুৰঞ্জীত এই বংশৰ প্ৰালম্ভ হৰ্জ্জৰ, বলমাল, জয়মাল, বীৰবহু, আৰু বলো বৰ্মন আদি কেইবাজনো ৰজাৰ নাম পাওঁ।

এই শৰণীয়া বৰ্মা বংশই খৃ: ৪ৰ্থ শতিকাতে কামৰূপ ৰাজ্য প্ৰতিষ্ঠা কৰি নিপুন ভাবে ৰাজ্য শাসন কৰাৰ দিনৰে পৰা এই শৰণীয়া জাতিটোৰ স্বকীয় জাতি সত্বা আৰু ৰাজনৈতিক ধ্যান ধাৰণাৰ জন্ম হয়। এই শৰণীয়া জাতিয়েই কামৰূপত ৪ৰ্থ শতিকাৰ পৰা ১০ শতিকালৈ (অনুমানিক ৩৫৫ খৃ: ৰ পৰা ৯৯০ খৃ:) লৈ ৬০০ বছৰ কামৰূপত ৰাজত্ব কৰি ভাষাগত, কৃষ্টিগত, ধৰ্মগত আৰু সমাজগত ভাবে এক সমন্বয়ৰ সুত্ৰত বান্ধ খুৱাই।

দশম শতিকাত ত্যাগ সিংহৰ মৃত্যুৰ পিছৰ পৰা এই জাতিটোৰ ৰাজনৈতিক বিপৰ্যয় আৰু ধৰ্মীয় সংঘাত আৰাম্ভ হয়। ধৰ্মীয় সংঘাতে গোটেই কামৰূপতে (অসমতে) কেনেদৰে বিপৰ্যয় সৃষ্টি কৰিছিল সেই কথা আমি আগেয়ে বৰ্ণনা কৰি আহিছো। খৃ: ১৫০০ শতিকাত এই বিপৰ্যয় চৰম সীমা পায় আৰু তেতিয়াই জন্ম হয় মহাপুৰুষ শঙ্কৰদেৱৰ। তেখেতৰ প্ৰৱৰ্তীত বৈষ্ণৱ ধৰ্মত যি বিলাক কছাৰীয়ে শৰণ ললে সেই সকলকেই ধৰ্মীয় গুৰু সকলে তথা উচ্চজাতে শৰণীয়া কছাৰী (শন্যা কছাৰী) বুলি অভিহিত কৰিলে। তেতিয়াৰ পৰাই এই কছাৰী সকলক শৰণীয়া কছাৰী বুলি কোৱা হয়।

শঙ্কৰদেৱৰ মৃত্যুৰ পিছত এই কছাৰী সকলক পুনৰ আগৰ দৰে ব্ৰাহ্মণ পুৰুহিত মহন্ত সকলে শৰণ দিবলৈ ধৰে। শেষত ইংৰাজ আগমনৰ পিছত এই শৰণ প্ৰথাৰে কছাৰী সকলক হিন্দু কৰণ প্ৰথা বন্ধ হলেও খৃ: ১০ শতিকাৰ পৰা এই শৰণীয়া কছাৰী সকলৰ যি ৰাজনৈতিক আৰু ধৰ্মীয় বিপৰ্যয় সৃষ্টি হল সি আজিও সাম কতা নাই। বৰং স্বাধীন ভাৰত চৰকাৰে ১৯৭১ চনত শৰণীয়া সকলক লোকপিয়লত অনুসুচিত জনজাতিৰ তালিকাৰ পৰা মচি দি শৰণীয়া সকলৰ মৃত্যু ঘন্টা বজালে।

আশাৰ বতৰা মাত্ৰ এইটোৱেই যে এই দুৰ্যোগৰ সময়ত শৰণীয়া কছাৰীৰ কেইজনমান সচেতন ব্যক্তিয়ে নিজৰ গোষ্ঠীতোক জীয়াই ৰখাৰ বাবে তেওঁয়াৰ পৰা অহোপুৰুষাৰ্থ কৰি আহিছে । আমি জনাত এই বৰেণ্য ব্যক্তি সকল হ'ল --

মানিক চৌধাৰী, হিতৰাম চৌধাৰী, গোপাল চৌধাৰী, পদ্মমল চৌধাৰী (এই সকলৰ ওপৰিও অজানিত আন বহুতো ) । এই লোক সকলৰ উমৈহতীয়া চেষ্টাত টুপলীয়াত প্ৰাক স্বাধীন কালত "১৯৪৭ চনৰ ২২ মাৰ্চ" ত জাতীয় বৈবাহিক সম্পৰ্কে সভা পাতে । তাৰ পাছৰ বছৰত ১৯৪৮ চনৰ ১৯ জানুৱাৰীত বৰমাত জাতীয় সন্মিলন নামে সভা হয় । ইয়াৰ পিছত ১৯৭১ চনত ৫,৬ আৰু ৭ বহাগত টুপলীয়াত শৰণীয়া সন্মিলন হয় । ইয়াৰ পিছতে গোৰেশ্বৰত ১৯৭২ চনত সদৌঅসম ভিত্তিত শৰণীয়া সন্মিলন বহে । এই ইতিবৃত্তকে লৈ ১৯৭৯ চনৰ ৭,৮ এপ্ৰিলত গোৰেশ্বৰৰ কলা গুৰু বিষ্ণু ৰাভা ভৱনত সদৌ অসম শৰণীয়া সন্মিলনৰ চতুৰ্থ অধিবেশন অনুষ্ঠিত হয় । এই সন্মিলনতে "সদৌ অসম শৰণীয়া সন্মিলন" ৰ ঠাইত " সদৌ অসম শৰণীয়া সন্থা" নামাকৰণ কৰা হয় ।

এয়ে সদৌ অসম শৰণীয়া সন্থাৰ জন্ম । এই অধিবেশনতেই সন্থাৰ স্থায়ী কাৰ্য নিৰ্বাহক সমিতি গঠিত হয়।

কাৰ্য নিৰ্বাহক সমিতিৰ সদস্য সকল হল

১। শ্ৰীবৈকুন্ঠ নাথ দাস, বিধায়ক, উপদেষ্টা
২। শ্ৰীমানিক চন্দ্ৰ দাস, বিধায়ক, উপদেষ্টা
৩। শ্ৰীসুৰেন্দ্ৰ নাথ দাস, প্ৰাক্তন বিধায়ক, সভাপতি
৪। শ্ৰীদেবকান্ত মজুমদাৰ , উপসভাপতি
৫। শ্ৰীদাতি ৰাম ডেকা, উপসভাপতি
৬। শ্ৰীহলধৰ দাস, সাধাৰণ সম্পাদক
৭। শ্ৰীকনক চন্দ্ৰ চৌধাৰী, সহ: সম্পাদক
৮। শ্ৰীৰমেশ চন্দ্ৰ দাস , সহ: সম্পাদক
৯। শ্ৰীবেনুধৰ ডেকা, সহ: সম্পাদক
১০। শ্ৰীগনেশ চন্দ্ৰ ডেকা, সদস্য
১১। শ্ৰীৰতন চন্দ্ৰ ডেকা, সদস্য
১২। শ্ৰীধৰণী ধৰ দাস, সদস্য
১৩। শ্ৰীৰজত চন্দ্ৰ দাস, সদস্য
১৪। শ্ৰীকুলধৰ দাস, সদস্য
১৫। শ্ৰীৰুকন চন্দ্ৰ ডেকা, সদস্য
১৬। শ্ৰীৰজনী কান্ত দাস, সদস্য

১৭। শ্ৰীদেৱৰাজ দাস, সদস্য

১৮। শ্ৰীবাবুল দাস, সদস্য

১৯। শ্ৰীনৰেণ দাস, সদস্য

২০। শ্ৰীৰবীন দাস, সদস্য

উক্ত অধিবেশনৰ ১ম প্ৰস্তাৱ মৰ্মে অসম চৰকাৰৰ ওচৰত স্মাৰক পত্ৰ প্ৰদান কৰা হয়। লগতে কেন্দ্ৰীয় চৰকাৰৰ নিয়োজিত সুৰাজ ভান আয়োগৰ ওচৰত ১২/৬/৭৯ তাৰিখে দিছপুৰৰ জনতা ভবনত শৰণীয়া সকলক ইতিপূৰ্বৰ দৰে জনজাতীয় তালিকাত তালিকাভূক্ত কৰিব লাগে বুলি স্মাৰক পত্ৰ দিয়া হয়। উক্ত সজাতি দলক সন্থাৰ সভাপতি সুৰেন্দ্ৰ নাথ দাস দেবে নেতৃত্ব দিয়ে। প্ৰতিলিপি তলত দিয়া হল —

# MEMORANDUM

To

The Chairman & members of Parliamentary
Join Committee on the Scheduled Caste and
Scheduled Tribes Orders (Ammendment) Bill,1978

**Sub** - Inclusion of Saraniya Sub-Caste in the schedule of plains tribes of Assam .

**Submitted by** - The Sadaw Assam Saraniya Santha
Goreswar, Dt – 12-6-1979 .

Respected sir,

We the undersigned on behalf of the saraniya people and Sadow Assam Saraniya Santha are very much delighted to have this rare oppertunity of presenting our case before the August committee for favour of consideration and necessary action to include the saraniya caste in the list of Scheduled tribes plain in Assam . The reasons are stated below .

1. Historical background :-

Before the Coming of the Arjaya people the state of Assam was inhabited by the Ashuras and Kirates. So far we have come to understand the Ashuras and Kiratas were nothing but the aboriginals such as Kachari, Rabha, Lalong, Dewri etc .

In course of time the mighty Ahoms entered Assam with a view to establish kingdom . The mighty race gradually conqured all of Assam defeating the Kachari and other kings . The Ahom

kings were attracted to Hinduism and than took up Hindu Religion as their religious faith .

It might be during the regime of Ahom many of the aborigins viz. Kachari, Rabha, Lalong etc. Acepted Hindu Religion (though not by all) . Their ethnic indentity Mangoloid . In the process of social emancipation many of the tribes took Assamese language including the Rulers i.c. Ahoms . The religious spokesmen accepted them with much reservation and that is why they retained their separate old way of life and culture . This section of the tribal people are called Saraniya as this name was given by religious spokesmen .

Sir, such process of religious transformation is nothing new or unique to the saraniya along . Many such tribal people took to a new Hindu culture namely Brahma which originated in the later port of the ninteenth century in West Bengal & many of them took Christianity and in upper Assam almost of Kachari people had taken Hindusim many centuries ago which are known as Sonowal Kachari just like Saraniya in lower Assam .

2. Ethnic list and census :-

The Saraniyas found distinctive mention together with the Kacharies , the Maches, the Rabha, Lalong etc. In the ethanic list of aboriginal tribe up to the cenus of 1961 . But suddently in the census of 1971 from the ethnic list of aboriginal the distintive mention of saraniya as cuas missing . This has created a sense of shock and apprehension in the mind of the saraniya people for obvious reasons .

3. Mother tongue & culture :-

As we have mentioned above about the acceptiance of Hindusim several centuries ago, gradually this sub-caste has lost their original language like that of sub-caste Rabhas, Language and Sonowals. So in course of time the language prevailed in the state becomes our mother language . The other culture of the sub-caste remains some as was before. Due to acceptance of Hinduism we are marching towards the as similation with the other people of the country . Now the political with hunter have from time of time tried to discover somthing conspiracy in the process of religion convertion of tribes . The present generation should not be put in

the dock for somthing done by the predecessors .

4. Proposed list of scheduled tribes :-

Sirs, we are glad to inform you that the present Janata Govt .Of Assam have been pleased to include the saraniya sub-caste in the proposed lost of scheduled tribe of Assam . In schedule we are mentioned as saraniya kachari . We have no objection about this, but the fact remains that not only some kacharies become saraniya but from Lalongs and Rabhas also become saraniya . So it is mentioned as Saraniya kachari some sort of injustice will have to be done to Rabhas and Lalongs . Therefore, we request you consider the term Saraniya Kachai as Sarania which will cover entire sub-caste as we cited above.

5. Economice Condition :-

The Economice condition of this sub-caste is beyond expectation . They have no businessman no industrialist no skilled workers simply all of them are cultivatours . Many of them have sold their land to other and in this way they gradually become landless and reduce to poverty .

Secondly uptill now they have only a handful of lower category staff in verious Govt. department . They are economically so backward even sventy percent of their children have to give studies due to pecuniary conditions from class vi or vii . The percentage of Matriculation and degree holder is tearfully low . The saraniya could not fully avail the verious department plan and programme of the Goverment for the betterment and upliflment of the schedule tribes due to their ignorance about it .

6. Political Strata :-

In 1971 census from the ethnic list of aborigins the saraniya are missing so the actual population of thes sub-caste can not be ascertained . However, the saraniya people will be little over the 4 (four) lakhs within the state of Assam . At present we have two representatives from the reserved seats in the legislative Assambly of Assam state . Our students and people have already experiencing trouble and humaliation when they approach the authority concerned for issue of caste certificate with a vew to put application as scheduled tribe . Such a situation has already caused hard to this community .

Sirs, we hope, we have been abole to make our prints clear and we request your honour to be pleased and to recommend immediate inclusion of the saraniyas as a distinct caste of the plains cheduled tribes list of Assam, so that we may not be deprived of plan and programme of the Government Constitutional facilities .

We remain sir

Sincerely yours .

1. Surendra Nt. Das. president– All Assam Saraniya Association .
2. Haladhar Das . General secretary, All Assam Saraniya Association .
3. Baikuntha Nt. Das . M.L.A.
4. Jogen Deka.
5. Manik Das .
6. Kanaksen Deka .
7. Kishor kr. Das .
8. Soneswar Das .
9. Banudhar Deka .
10. Dharani dhar Das .

Copy to :–

1) All Minister of Assam .
2) All M.L.A. of Assam .
3) All M.P.s of Parliament of India. .
4) Prime Minister of India .
5) Home Minister of India .

**For faver of information and necessary action .**

ইয়াৰ উপৰিও ২১-১০-১৯৮০ তাৰিখে অসমৰ মুখ্য সচিব মাননীয় শ্ৰীৰমেশ চন্দ্ৰ মহোদয়ৰ জৰিয়তে প্ৰধান মন্ত্ৰীলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰা হয় । উক্ত সজাতি দলক সন্থাৰ উপ-সভাপতি মাননীয় শ্ৰীদাতি ৰাম ডেকাই নেতৃত্ব কৰে । সজাতি দলত সৰ্বশ্ৰী হলধৰ দাস, সম্পাদক, শ্ৰীগনেশ ডেকা, মুকুন্দ মেধি, মাধৱ চন্দ্ৰ দাস, অৰবিন্দ ডেকা, কনক চন্দ্ৰ চৌধাৰী, যোগেন ডেকা আৰু ভূপেন নাথ ঠাকুৰীয়াই যোগদান কৰে।

সদৌ অসম শৰণীয়া সন্থাৰ ৪ৰ্থ অধিবেশনৰ প্ৰথম প্ৰস্তাব কাৰ্যকৰী কৰাৰ অৰ্থে ১৯৮১ চনত দিল্লীলৈ সজাতি দল গৈ ২৫ ফেব্ৰুৱাৰী তাৰিখে গৃহমন্ত্ৰীক আৰু ২৬ ফেব্ৰুৱাৰী তাৰিখে ভাৰতৰ প্ৰধানমন্ত্ৰীৰ ওচৰত সন্থাৰ স্মাৰক পত্ৰ প্ৰদান কৰি শৰণীয়া সকলক পূৰ্ববদৰে জনজাতীয় লিষ্টি ভূক্ত কৰণৰ বাবে আবেদন কৰা হয় । স্মাৰক পত্ৰৰ প্ৰতিলিপি তলত দিয়া হল —

## MEMORANDUM

SUBMITED TO -
THE PRIME MINISTER OF INDIA
ON
THE DEMAND FOR RE-INCLUSION ON THE SARANIYAS IN THE PLAINS SCHEDULED TRIBES LIST OF ASSAM .
BY
THE SODOU ASOM SARANIYA SANTHA
FEBRUARY 11-1981 .
GORESWAR - 781366
ASSAM .

To

The Prime Minister of India, New Delhi .

Dear Madam,

On behalf of the sadou Asom saraniya Santha the only socio-caltural organisation of the saraniya tribe leaving mostly in the plains of Assam, we express sincerest gratitude to you for allowing us this oppertunity to present this memorandam on the demand for re-inclusion of the saraniya tribe as a separate and independent tribe in the list of plains scheduled tribes of the state of assam.

We may be permitted to mention that the saraniya tribe is an off shoot of the great Indo-Mangoloid race like the Rabhas and the Kacharis . In the first nationwide census of 1871 this tribe was returned as aboriginal along with the Rabhas and the Kacharis because of their living condition customs and beekwardness . Mr. w.w. Hunter who based his book " A statistical Account of Assam" . On this census report, brought out a number of tribal on ethnieal division of the people of Assam . There also in the trible of the districts of Kamrup and Lakhimpur he had saw the saraniyas as a aboriginal tribe along with Garo, Kachari, Rabha, Lalong, Mikir, Miri and others . (Vide at p.p. 30 and 307 in vot 1 of A Statical Account of Assam, reprinted edition of 1975, publish by B.R. publishing Corporation 461, vivekandu Nagar, Delhi – 110052)

Since than on, even after Independence the tribe has been treated as schedule tribe in Assam and up til 1961 the Name "

saraniya" occured in the list of scheduled tribes and the saraniya people enjoyed all the constitutional priviliges as such (Vide at P 52 of the census Hand Book of Assam 1961 for the list of Scheduled Tribes)

It is really regrettable that suddently in 1971 the Saraniya tribe ceased to occour in the list of schedule tribes of Assam plains without any reason what soever. It is certainly not a feat of Magic that the saraniya people have overnight advanced in all diractions at such a speed that they have for surpassed their counter parts in the list and become at par with other advanced communities. The following statisties would rather prove to the contrary.

Of the five lakhs and add sould of the Saraniya Tribes only .08 percent are educated, a percentage much lower then of the Baro Kachari. Which also a scheduled tribe of Assam plains. There service holders constitute ameagre. .01 percent while 70 percent of them have no land to till. Although almost cent percent of them are agriculturists, 5 percent have hand of there own .80 percent of them are compelled to live under peorage. They are thus economically still in the backwater of ages and much more poorer than the other plains scheduled tribes of Assam.

Culturally however they have no language of there own like the Sonowal, Lalunge, the Rabha and a sizeable section of the Baro Kachari, all plains scheduled tribes, they too have forgotten their original mother tongue, viz. a dialect of the Bodo Group of languages owing to long disuse. But the Saraniya tribe have still retained its old customs and believs, though like most of the scheduled tribes (Plains) of Assam they to have centuries ago adopted Hinduism as their religion.

From the above circumstances, it would certainly convince you madam, that there was no justification however in excluding the saraniya tribe from the list of Assam's plains scheduled tribes. One can very well imagine what would be in the plight of the soraniya if such a state of offair is allowed to continue any further.

We do hope your honour would appreciate the gravity of the situation and talk all necessary steps to include the saraniya tribe in

the list of plains scheduled tribes of Assam as a separate independent tribe.

We would feel ourselves highly rewarded if decision on the matter is quickly taken.

Your faithfully.

| | |
|---|---|
| 1. Manik Ch. Das, MLA | Adviser. |
| 2. Baikuntha Nt. Das, MLA | Adviser. |
| 3. Surendra Nt. Das, M.L.A. | President. |
| 4. Debakanta Mazumdar | Vice-president |
| 5. Dati Ram Deka, | - do- |
| 6. Haladhar Das, | Gen. Secretary |
| 7. Banudhar Deka, | Asstt. Secretary |
| 8. Kanak Ch. Choudhary | - do - |
| 9. Ramesh Ch. Das, | - do - |

প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীয়ে সজাতিদলক শৰণীয়া সকলক জনজাতীয় লিষ্টিভুক্ত কৰা হব বুলি কথা দিয়ে আৰু সেই কথা পিছত পত্ৰৰ জৰিয়তেও অৱগত কৰে। সেই পত্ৰখনৰ প্ৰতিলিপি তলত দিয়া হল —

No- BC. 12016-6-82 Sc & BCD IV
Government of India / Bharat Sarkar
Minister of Home Affairs Mantranalaya
New Delhi, Dated the 22 Jan/1982.

To,

Shri Haladhar Das, General Secy.
Sodou Assam Saraniya Santha.Goreswar (Assam)

Subject :- Inclusion of Saraniya Community in the list of Scheduled tribes of Assam Plains.

Sir,

**I am derected to refer to your letter No. 003941- dated the 13-1-1982 on the subject mention above and to say that your proposed would be considared when the Government decides to undertake a legislation for the comprehensive revision of the list of schedul cast and scheduled tribes.**

**Your faithfully**
**Y.P. Marwaha**
**Research officer.**

ইয়াৰ পিছৰ পৰাই শৰণীয়া সন্থাই সাংগঠনিক দিশত যথেষ্ট গুৰুত্ব দিয়ে আৰু গোটেই অসমতে বহল প্ৰচাৰৰ ব্যৱস্থা কৰে। নৱ সংগঠন সমূহ ১। পূৱদেফেলী শৰণীয়া সন্থা ২। ১ নং পূব দেফেলী যুব ছাত্ৰ শৰণীয়া সন্থা ৩। উত্তৰ বাক্সা মৌজা শৰণীয়া সন্থা। ৪। কুমাৰীকাটা মৌজা শৰণীয়া সন্থা, ৫। সাজিকুছি মৌজা শৰণীয়া সন্থা, ৬। পাতিদৰং মৌজা শৰণীয়া সন্থা, ৭। শিলা সেন্দুৰী ঘোপা আৰু পূব বংশৰ মৌজা শৰণীয়া সন্থা, ৮। কাউৰ বাহা আৰু পূব কছাৰী মহল শৰণীয়া সন্থা, ৯। কাকগাওঁ আঞ্চলিক শৰণীয়া সন্থা, ১০। বৰমা আঞ্চলিক শৰণীয়া সন্থা, ১১। বেতাগাওঁ প্ৰাথমিক শৰণীয়া সন্থা, ১২। পশ্চিম বনভাগ আৰু মধ্যম বাক্সা শৰণীয়া সন্থা, ১৩। ভেকেলী মৌজা শৰণীয়া সন্থা, ১৪। গুৰমৌ প্ৰাথমিক শৰণীয়া সন্থা, ১৫। চেখাৰ মৌজা শৰণীয়া সন্থা , ১৬। চিনা কোনা মৌজা শৰণীয়া সন্থা, ১৭। শিলপতা মৌজা শৰণীয়া সন্থা, ১৮। পূব বাক্সা মৌজা শৰণীয়া সন্থা, ১৯। গৰগাওঁ প্ৰাথমিক শৰণীয়া সন্থা, ২০। ৰাকৰুছি প্ৰাথমিক শৰণীয়া সন্থা, ২১। পশ্চিম কামৰূপ শৰণীয়া সন্থা, ২২। দলংদিয়া শৰণীয়া সন্থা, ২৩। পশ্চিম বাক্সা মৌজা শৰণীয়া সন্থা, ২৪। মালিগাওঁ, গুৱাহাটী শৰণীয়া সন্থা ।

ইয়াৰ ওপৰিও আঞ্চলিক ভিত্তিত ১। গোবেশ্বৰ, ২। তামুলপুৰ, ৩। গুৰমৌ, ৪।বৰমা, ৫। মহৰিপাৰা, টেঙাজাৰ, ৬। ১ নং ডেফেলী, ৭। ধমধমা, ৮। খৈৰাবাৰী আদিত আঞ্চলিক যুৱছাত্ৰ শৰণীয়া সন্থা গঠন কৰা হয় আৰু ১৯৮০ চনত ২০ আৰু ২১ চেপ্তেম্বৰত বৰিমখা হাইস্কুলত দুদিনীয়া কাৰ্য্যসূচীৰে অধিবেশন অনুষ্ঠিত কৰা হয়।

ইয়াৰ পিছত ১৯৮২ চনৰ ৩ আৰু ৪ এপ্ৰিল তাৰিখে দৰং জিলাৰ খৈৰাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সদৌ অসম শৰণীয়া সন্থাৰ ৫ ম অধিবেশন অনুষ্ঠিত হয়। উক্ত অধিবেশনত সৰ্ব্ব সন্মতি ক্ৰমে তলত উল্লেখ কৰা নিয়মাবলী গ্ৰহণ কৰা হয়।

"সদৌ অসম শৰণীয়া সন্থাৰ নিয়মাৱলী"

উপবিধি নিয়মাৱলী (ক)

১। সন্থাৰ নাম ঃ- সদৌ অসম শৰণীয়া সন্থা ।

২। সন্থাৰ প্ৰধান কাৰ্যালয় আৰু ঠিকনা ঃ- সাং গোবেশ্বৰ, পোঃ অঃ- গোবেশ্বৰ, থানা ঃ- বৰিয়া, জিলা ঃ- কামৰূপ (অসম)

৩। পৰিসীমা ঃ- সদৌ অসম (অসমৰ গোটেই জিলা কেইখন)

৪। উদ্দেশ্য ঃ- অসমৰ অনুসূচিত ভৈয়াম জনজাতি শৰণীয়া জাতিৰ লোক সকলৰ শিক্ষা অৰ্থনৈতিক, স্বাস্থ্য, কৃষি, সংস্কৃতি সমাজ সংস্কাৰ আৰু অনুসূচীত জনজাতিৰ তালিকাত শৰণীয়া জাতি হিচাবে সাংবিধানিক স্বীকৃতি আদায়, বহুতো দিশত পিছ পৰি থকা কাৰণে আমি সকলো দিশতে উন্নতি কৰা আৰু সংঘবদ্ধ ভাবে কাম কৰি যোৱাৰ কাৰণে অনুভৱ কৰি আমি সদৌ অসম শৰণীয়া জাতিৰ লোক সকলে এখন, সন্থা আৱশ্যক

ভাবি এই সন্থা আয়োজন কৰিছো।

৫। সভ্যভৰ্ত্তি :- প্ৰাপ্তবয়স্ক (১৮ বছৰ) সকলো লোক প্ৰত্যেকেই ইয়াৰ সাধাৰণ সভ্য হব পাৰিব আৰু নিৰ্বাচনত অংশ গ্ৰহণ কৰিব পাৰিব।

ক) প্ৰত্যেকেই ২.০০ টকা বৰঙণি দি সভ্য হব লাগিব। সভ্য ভৰ্ত্তিৰ শতকৰা ২৫% ভাগ ৰাজ্যিক সন্থাক দিব লাগিব। বাকী অংশৰ ২৫% জিলা, ২৫% মৌজা আৰু বাকী ২৫% প্ৰাথমিক সমিতিয়ে পাব।

খ) ধনৰ আৱশ্যক অনুযায়ী প্ৰত্যেক জিলা মৌজা আৰু প্ৰাথমিক সমিতি সমূহে দান বৰঙণি সংগ্ৰহ কৰি ৰাজ্যিক পুজিত জমা দিব লাগিব। (৫ নং(ক) নিয়ম অনুযায়ী

গ) কোনো চৰকাৰী অনুদান পালে ৰাজ্যিক পুজিত জমা হব।

ঘ) ৰাজ্যিক সমিতিয়ে নিজাকৈ দান বৰঙণি সংগ্ৰহ কৰিব পাৰিব। আৱশ্যক অনুযায়ী সকলো সংগঠনে নিজাকৈ দান বৰঙণি সংগ্ৰহ কৰি সমিতিৰ পুজিত জমা দিব।

ঙ) দান বৰঙণি সংগ্ৰহ কৰা ৰচিদ বহী জিলা/মৌজা সমিতি সমূহে নিজাকৈ চপাই লব। প্ৰাথমিক সমিতি সমূহক মৌজা সমিতিয়ে দিব। দান বৰঙণিৰ সংগ্ৰহৰ বাবে ৰাজ্যিক সমিতিৰ নিজা ৰচিদ বহী থাকিব। ৰচিদত সম্পাদকৰ চহী থাকিব আৰু সভাপতিৰ প্ৰমাণিক স্বাক্ষৰ থাকিব।

চ) ৰাজ্যিক সমিতিৰ ধন সভাপতি আৰু সম্পাদকে সন্থাৰ নামত হিচাব খুলি কোনো বেঙ্কত ৰাখি আদান প্ৰদান কৰিব পাৰিব।

ছ) সাধাৰণ সম্পাদকে নগত ৫০১ টকা হাতত ৰাখিব পাৰিব ।

৬। সাধাৰণ সভা :- সকলো ধৰণৰ সমিতি সমূহে প্ৰতি বছৰে সাধাৰণ সভা বা বাৰ্ষিক সন্মিলন পাতিব। তিনি বছৰ পূৰ হোৱাৰ লগে লগে অধিবেশন পাতি পূৰণা সমিতি সমূহ ভঙ্গ কৰি নতুন সমিতি পতা হব।

৭। সাধাৰণ সভা আৰু অধিবেশনৰ থুল :- সাধাৰণ সভা বা অধিবেশন ১/৩ অংশ সদস্য আৰু প্ৰতিনিধিৰ উপস্থিতিৰে সভাৰ থুল বুলি গণ্য কৰা হব।

৮। কাৰ্যকৰী কমিটি গঠন :- কাৰ্যকৰী সমিতিৰ সদস্য সকলক সাধাৰণ সভাৰ দ্বাৰা নিৰ্ব্বাচন কৰা হয়।

৯। কাৰ্যকৰী সমিতি গঠনৰ চমু বিৱৰণ :-

১ জন সভাপতি, ২ জন উপ-সভাপতি, ১ জন সাধাৰণ সম্পাদক ৩ জন সহকাৰী সম্পাদক (সাংগঠনিক) আৰু দুজন সহ সম্পাদক। সাধাৰণ সম্পাদকৰ পৰামৰ্শ অনুযায়ী কাৰ্যনিৰ্ব্বাহক সভা নিৰ্ব্বাচন কৰিব। ১১জন বা ১২ জন সদস্য আদিক সাধাৰণ সভাই নিৰ্ব্বাচন কৰিব। জিলা আৰু মৌজা সমিতিৰ সভাপতি আৰু সম্পাদক জনক ৰাজ্যিক সমিতিৰ সদস্য লব পাৰিব। স্মৃতি গ্ৰন্থৰ সম্পাদকক কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে নিৰ্ব্বাচন

কৰিব।

১০। ৰাজ্যিক কাৰ্যকৰী সমিতিখন ৩১ জনীয়া অথবা ১০১ জনীয়া হ'ব। ইয়াৰ কাৰ্য্যকাল তিনি বছৰীয়া হ'ব। জিলা মৌজা আৰু প্ৰাথমিক সমিতি সমূহৰো কাৰ্যকাল একে ধৰণে হ'ব।

১১। (ক) প্ৰতিটো মহকুমাৰ কাৰণে এখন জিলা সন্থা গঠন কৰা হ'ব।

জিলা সন্থা গঠন ঃ- ১জন সভাপতি, ২জন সহকাৰী সভাপতি, ১জন সম্পাদক, ২জন সহকাৰী সম্পাদক ১১ জন সদস্য সাধাৰণ সভাই নিৰ্ব্বাচন কৰিব। ইয়াৰ উপৰিও মৌজা আৰু প্ৰাথমিক সমিতি সমূহৰ সম্পাদকজন জিলা কাৰ্য্য নিৰ্ব্বাহক সদস্য হ'ব।

খ) মৌজা সমিতি গঠন ঃ- প্ৰতিখন মৌজাত এখন মৌজা সমিতি গঠন কৰা হ'ব। মৌজাৰ ভিতৰত প্ৰাথমিক সমিতি গঠন কৰিব পাৰিব।প্ৰাথমিক সমিতিৰ সম্পাদকজন সেই মৌজাৰ মৌজা সমিতি কাৰ্য্য নিৰ্ব্বাহক সদস্য হ'ব।

গ) সকলো ধৰণৰ সমিতি সমূহৰ পৰা ৰাজ্যিক সন্থাৰ বছৰেকীয়া আৰু অধিবেশন বোৰত প্ৰতিনিধি ক্ষমতা থাকিব ৫ জন আৰু নিৰীক্ষক প্ৰতিনিধি দুজন ।

ঘ) মৌজা কাৰ্যনিৰ্ব্বাহক গঠনঃ ১জন সভাপতি, ১জন উপ সভাপতি, ১ জন সম্পাদক, ১জন সহকাৰী সম্পাদক, ১১ জন সাধাৰণ সভাই নিৰ্ব্বাচন কৰা সদস্য হ'ব।

ঙ) প্ৰাথমিক সমিতিৰ কাৰ্য্যনিৰ্ব্বাহক গঠন ঃঃ এখন গাওঁৰ বা কেইখনমান গাওঁ চুবাৰ সভাৰে এখন প্ৰাথমিক সমিতিৰ কাৰ্য নিৰ্ব্বাহক সমিতি গঠন হ'ব। ১ জন সভাপতি, ১ জন সম্পাদকেৰে ৯ জনীয়া বা ১১ জনীয়া কাৰ্য্যনিৰ্ব্বাহক সমিতি গঠন হ'ব। সকলো সদস্য সাধাৰণ সভাই নিৰ্ব্বাচন কৰিব।

১২। কাৰ্য্যকৰী সমিতিৰ সদস্য সকলক পুণ: নিৰ্ব্বাচন কৰাৰ পদ্ধতি ঃ- সংবিধানৰ নিয়ম অনুযায়ী সাধাৰণ সভাৰ জৰিয়তে সদস্য সকলক পুণ: নিৰ্ব্বাচন কৰা হয়।

১৩। কাৰ্য্যকৰী সমিতিৰ সভাৰ নিয়ম ঃ- কাৰ্য্যকৰী সমিতিৰ সভা দুই মাহৰ মূৰে মূৰে অনুষ্ঠিত হ'ব। বিশেষ আৱশ্যক হ'লে সাধাৰণ সম্পাদকে কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ সভা আহ্বান কৰিব পাৰিব।

১৪। কাৰ্য্যকৰী সমিতি সমূহৰ সভাৰ থুল ঃ- কাৰ্য্যকৰী সমিতিৰ মুঠ সদস্য $^{১}/_{৩}$ অংশ সদস্য উপস্থিত থাকিলে সভাৰ থুল বুলি গণ্য কৰা হ'ব।

১৫। সদস্য বাতিল কৰণ ঃ- কোনো সদস্যই সন্থাৰ বিৰুদ্ধে গৈ আইন আৰু অনুশাসন ভঙ্গ কৰিলে সদস্য পদ বাতিল কৰা হ'ব। লগতে কোনো সদস্য চিৰদিনৰ কাৰণে পাগল হ'লে অথবা কোনো সদস্যৰ মৃত্যু হ'লে সদস্য পদ বাতিল হ'ব।

১৬। হিচাব পৰীক্ষক ঃঃ হিচাব পৰীক্ষকে বছৰত এবাৰকৈ হিচাব পৰীক্ষা কৰিব।

১৭। আইন সম্পৰ্কীয় পৰিচালনা ঃ- সমিতিৰ পঞ্জীয়ন আইনৰ ৬নং ধাৰা অনুসৰি

সম্পত্তিৰ সপক্ষে বা বিপক্ষে সকলো ধৰণৰ আইন সম্পৰ্কীয় কাম সভাপতি আৰু সম্পাদকৰ নামত পৰিচালিত হ'ব।

১৮। এই সন্থা কোনো ৰাজনৈতিক অনুষ্ঠান বা ৰাজনৈতিক কৰ্মৰ লগত জৰিত নেথাকিব।

১৯। ৰাজ্যিক সমিতিৰ কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ নিৰ্দ্দেশ মতে জিলা মৌজা আৰু প্ৰাথমিক সমিতি সমূহ পৰিচালিত হ'ব। কোনো সমিতি বিৰুদ্ধাচাৰণ কৰিব নোৱাৰিব।

২০। জনজাতি আদি সম্প্ৰদায়ৰ কাৰণে চৰকাৰে দিয়া সকলো ধৰণৰ সা-সুবিধাযাতে শৰণীয়া জাতিৰ লোক সকলে পাব পাৰে তাৰ কাৰণে নজৰ দিব। আৱশ্যক অনুযায়ী চাকৰি আদিৰ ক্ষেত্ৰতো নজৰ দিব।

২১। নিয়মাৱলী আৱশ্যক হ'লে ৰাজ্যিক সমিতিয়ে সাধাৰণ সভাৰ অনুমোদন সাপেক্ষে সাল সলনি কৰিব পাৰিব।

২২। অধিবেশন আৰু বাৰ্ষিক সাধাৰণ সভা সমূহত যোগদান কৰিব ইচ্ছা কৰা চৰকাৰী চাকৰিয়াল সকলৰ কাৰণে বিশেষ চুটিৰ বাবে (Special casual leave) ৰাজ্যিক সমিতিয়ে চৰকাৰৰ লগত যোগাযোগ কৰিব।

২৩। ৰাজ্যিক কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ সভাপতি, সম্পাদক সকলক ৰাজ্যিক পূজিৰ পৰা বছৰেকীয়া বানচ দিয়াৰ ব্যৱস্থা ৰাজ্যিক কাৰ্য্য নিৰ্ব্বাহকে ল'ব পাৰিব।

২৪। অধিবেশনলৈ যোৱা ৰাজ্যিক সমিতিৰ সদস্য সকলক ৰাজ্যিক সমিতিৰ পুজিৰ পৰা আৰু জিলা, মৌজা আৰু প্ৰাথমিক সমিতিৰ সভাপতি সম্পাদক সকলক সমিতিৰ পুজিৰ পৰা ভ্ৰমণ বানচ দিব পাৰিব।

২৫। যি ঠাইত অধিবেশন পতা হ'ব সেই অধিবেশনৰ অভ্যাৰ্থনা সমিতিৰ সভাপতি আৰু সম্পাদক দুয়োজনেই নতুন কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ বিনা প্ৰস্তাৱে সদস্য হ'ব।

২৬। সন্থাৰ পতাকা আৰু প্ৰতীক —

ক)প্ৰতীক জ্বলি থকা বন্তি

১) গেৰুৱা মাটিৰ চাকি (ত্যাগ)

২) বন্তি (পোহৰ, পথ আৰু সমাজ গঠন)

খ) পতাকাৰ ৰং বগা (সত্য, পবিত্ৰ, পৰোপকাৰ)

গ) পতাকাৰ ওপৰত বামধেণু আকাৰত হালধীয়া ৰঙেৰে সদৌ অসম শৰণীয়া সন্থা লিখা থাকিব (জনজাতীয় লোকে ৰং বিৰঙৰ পোছাক ভাল পোৱাৰ প্ৰতীক)

ঘ) বন্তিৰ চিহ্ন - পতাকাৰ মাজত থাকিব ।

ঙ) পতাকাৰ মাফ - ২:৩ (১৯৮৯ চনৰ ২৫/২৬ ফেব্ৰুৱাৰী তাৰিখে নলবাৰী জিলাৰ কলুবাৰীত ৭ম অধিবেশনত সংশোধিত)

২৭। ভঙ্গকৰণ ঃ- যদি কেতিয়াবা সমিতি ভঙ্গ কৰিব লগা হয়, ভঙ্গ কৰা আৰু বাকী সা-সম্পত্তিবোৰ হস্তান্তৰ কৰণৰ ক্ষেত্ৰত সমিতিৰ পঞ্জীয়ণ আইনৰ ১৩ আৰু ১৪ ধাৰা অনুসৰি ব্যৱস্থা লোৱা হ'ব।

| | |
|---|---|
| স্বাক্ষৰ | স্বাক্ষৰ |
| *শ্ৰীসুৰেন্দ্ৰ নাথ দাস* | *শ্ৰীহলধৰ দাস* |
| সভাপতি | সাধাৰণ সম্পাদক |
| সদৌ অসম শৰণীয়া সন্থা | সদৌ অসম শৰণীয়া সন্থা |

১৯৭৯ চনৰ চেপ্তেম্বৰ মাহৰ পৰা "সদৌ অসম ছাত্ৰ সন্থা" (আছু)ৰ বিদেশী বিতাৰণৰ আন্দোলন আৰম্ভ হয়। উক্ত আন্দোলনত শৰণীয়া কছাৰী ছাত্ৰ-ছাত্ৰী তথা গয়া ৰাইজেও দেহে কেহে যোগদান কৰে। শেষত ১৯৮৫ চনৰ ১৪ আগষ্টৰ দিনা আছু আৰু ভাৰত চৰকাৰৰ লগত অসম চুক্তিসম্পাদিত হয় আৰু আন্দোলনৰ সমাপ্তি ঘটে। আছুৰ কেইবাখনো অভিবৰ্ত্তন অনুষ্ঠিত হোৱাৰ পিছত ১৯৮৫ চনত গোলাঘাটত ৰাজনৈতিক অভিবৰ্ত্তনে অ. গ. প. দল গঠন কৰি ৰাজনীতিত প্ৰত্যক্ষ ভাৱে অংশ গ্ৰহণ কৰে আৰু অসম গণ পৰিষদ চৰকাৰ গঠন কৰে ১৯৮৫-৮৬ চনত।

এই ঐতিহাসিক প্ৰসঙ্গ এই কাৰণেই উত্থাপন কৰাৰ দৰকাৰ হৈছে যে অসম আন্দোলন আৰম্ভ হোৱাৰে পৰা শৰণীয়া কছাৰী সকলক শৰণীয়া কছাৰী বুলি জাতিগত প্ৰমাণ পত্ৰ দিয়াতো বন্ধ হৈ যায়। স্কুল-কলেজত নামভৰ্ত্তিৰ ক্ষেত্ৰত বহুতো আহকালে দেখা দিয়ে। আনকি চৰকাৰী চাকৰিৰ ক্ষেত্ৰতো বহুতো অসুবিধা দেখা দিয়ে।

এই সময় ছোৱা শৰণীয়া কছাৰী সকলৰ আত্মনিয়ন্ত্ৰণৰ এক অতি গুৰুত্ব পূৰ্ণ ৰাজনৈতিক অধ্যায়। নিজৰ জন্মস্বত্ব অধিকাৰ সাব্যস্ত কৰাৰ কাৰণে অৱধাৰিত হৈ পৰিল নিজস্ব সংগঠনৰ। জন্ম হ'ল ১৯৮৬ চনত ১৫ আৰু ১৬ ফেব্ৰুৱাৰীত তামুলপুৰত, তামুলপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ত "সদৌ অসম শৰণীয়া ছাত্ৰ সন্থা"ৰ। পিছত এই "সদৌ অসম শৰণীয়া ছাত্ৰ সন্থাই" কালৰ গতিত অসমৰ বুকুৰ পৰা হেৰাই যাব ধৰা এই শৰণীয়া সম্প্ৰদায়তোক পুনৰ উদ্ধাৰৰ বাবে অৱধাৰিত ভাবে, জাগ্ৰত প্ৰহৰি ৰূপে কামত অগ্ৰসৰ হয়।

এই শৰণীয়া ছাত্ৰ সন্থাই শৰণীয়া কছাৰী সকলৰ অভাব অভিযোগবোৰ অসম গণ পৰিষদ চৰকাৰৰ ওচৰত আলোচনাৰ জৰিয়তে দূৰকৰাৰ কাৰণে দাবী কৰে আৰু স্মাৰক পত্ৰৰ জৰিয়তে শৰণীয়া সম্প্ৰদায়ক অসম ভৈয়াম জনজাতীয় তালিকাত পুনঃ অন্তৰ্ভূক্তিৰে পূৰ্ব্বৰ সাংবিধানিক স্বীকৃতি প্ৰদানৰ কাৰণে দাবী জনায়। স্মাৰক পত্ৰখন

তলত দিয়া ধৰণে প্ৰদান কৰা হয় —

## স্মাৰক পত্ৰ

প্ৰতি,

মাননীয়

অসম চৰকাৰ

দিশপুৰ (গুৱাহাটী) । তাৰিখ - ২০ মে ১৯৮৬ চন ।

বিষয় ঃ শৰণীয়া সম্প্ৰদায়ক অসমৰ ভৈয়াম জনজাতীয় তালিকাত পুণ: অৰ্ন্তভূক্তিৰে পূৰ্ব্বৰ সাংবিধানিক স্বীকৃতি প্ৰদান আৰু বিভিন্ন সমস্যাৱলী ।

মহাশয়,

অসমৰ বুকুত সিচৰিত হৈ থকা শৰণীয়া সম্প্ৰদায়ৰ লোক সকলৰ দিনক দিনে বাঢ়ি অহা দুৰৱস্থা, কালৰ গতিত এই অসমৰ বুকুতেই জাহ যোৱাৰ এক দুখজনক পৰিস্থিতি আহি পৰাত উক্ত সম্প্ৰদায়তোৰে জন্মভূমি এই গণতান্ত্ৰিক দেশত ভাৰতীয় সংবিধানে আনজাতি সমূহক দিয়া সকলো সাংবিধানিক মৰ্যাদা যাতে শৰণীয়া জনসাধাৰণেওঁ লাভ কৰিবলৈ সমৰ্থ হয় তাৰ প্ৰতি বিশ্লেষণাত্মক দৃষ্টিভঙ্গী আগত ৰাখি বৰ্ত্তমানৰ চেতনাশীল উঠি অহা শিক্ষিত ছাত্ৰ ছাত্ৰীচামে বিগত ৫ (পাচ) বছৰীয়া চিন্তাৰ টৌৰ খলকনি যোৱা ১৫, ১৬ ফেব্ৰুৱাৰী ১৯৮৬ চনত তামুলপুৰত অনুষ্ঠিত হোৱা অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ছাত্ৰ প্ৰতিনিধিৰ সৰ্ব্বসম্মতিক্ৰমে "সদৌ অসম শৰণীয়া ছাত্ৰ সন্থা" গঠনেৰে অন্ত পেলোৱা হয়।

উক্ত ছাত্ৰ সন্থা গঠনৰ চিন্তাৰ খলকনি ৫ (পাঁচ) বছৰ পিছুৱাই দিয়াৰ মূলতেই আছিল "সদৌ অসম ছাত্ৰ সন্থা"ৰ আহ্বানত অসমত অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ হকে চলা অহিংস গণতান্ত্ৰিক আন্দোলন। এই ঐতিহাসিক গণ আন্দোলনত শৰণীয়া সম্প্ৰদায়ৰ জনসাধাৰণেওঁ জাগ্ৰত প্ৰহৰি স্বৰূপে দেহে কেহে খাটি জাগৰণৰ প্ৰতি পূৰ্ণ অৰিহণা আগ বঢ়ায়।

মহাশয়, সমগ্ৰ অসমত বৃহৎ অসমীয়া জাতি একৈ অংশ হিচাবে মহান ঐতিহ্য বহন কৰি অহা শৰণীয়া সম্প্ৰদায়টোক পুন: শৰণীয়া এক জনজাতীয় সম্প্ৰদায় হিচাবে সাংবিধানিক মৰ্যাদা প্ৰদান আৰু বিভিন্ন সমস্যাবলিৰ প্ৰতি আপোনাৰ দৃষ্টি আকৰ্ষণ কৰাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগোযোগ কৰি ইয়াক এক ইতিবাচক সমাধান বিচাৰি আমি "সদৌ অসম শৰণীয়া ছাত্ৰ সন্থাই" এই স্মাৰক পত্ৰ প্ৰদান কৰিলোঁ। আমাৰ সমস্যাৱলীৰ বিষয়ে আপোনাক অৱগত কৰাৰ আগতে আমি শৰণীয়া সম্প্ৰদায়ৰে এটি

থুল মূল আভাষ দিব বিছাৰিছোঁ।

১। শৰণীয়া সকল —

অসম ভূমিত যুগ যুগ ধৰি বিভিন্ন জনগোষ্ঠীৰ লগতে অসমৰ জলবায়ু সেৱন কৰি ভূমিপুত্ৰ স্বৰূপে বসবাস কৰি অহা "শৰণীয়া সম্প্ৰদায়"টোক লৈ শিক্ষিত উদীয়মান এই গণতান্ত্ৰিক বৃহৎ দেশ ভাৰত বৰ্ষত সীমাহীন। ফল স্বৰূপে এই শৰণীয়া সম্প্ৰদায়টোৱে আজি বিশেষকৈ ১৯৭১ চনৰ পৰা পানীত হাহ নচৰা এক সংকটাৱস্থাৰে দিন নিয়াব লগীয়া হৈছে। ঐতিহ্য বিচাৰিলে বিভিন্ন গ্ৰন্থই কয় যে প্ৰাক শঙ্কৰী যুগত অসমত উত্তৰ পশ্চিম চুকেদি এক মঙ্গোলীয় জনগোষ্ঠীয়ে অসমত প্ৰৱেশ কৰিছিল। বুৰঞ্জী আদিৰ পৰা স্পষ্ট যে বৰ্ত্তমান অসমৰ বিভিন্ন জনগোষ্ঠীৰ মূলতেই হ'ল বৃহৎ মঙ্গোলীয় জনগোষ্ঠীৰে এক ক্ৰমবিকাশ। প্ৰাচীন কালত ভাৰতবৰ্ষ এখন অনাৰ্য্য লোকৰ বাসভূমি আছিল। এই অনাৰ্য্যসকল মঙ্গোলীয় জনজাতিয়ে বা ট্ৰাইবেল হিচাবে জনা যায়। দেৱী প্ৰসাদ চট্টোপাধ্যয়ৰ ৰিপোৰ্ট মতে ভাৰত বৰ্ষত ট্ৰাইবেল জনসংখ্যা আন সকলোতকৈ বেছি আৰু প্ৰাচীনতম গোষ্ঠী। এই অনাৰ্য্য গোষ্ঠীটোৱে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত বহুবছৰ বাস কৰাৰ পিছতহে আৰ্য্য সকলে ভাৰতত প্ৰৱেশ কৰে। এই আৰ্য্য সকল বুদ্ধিমান চতুৰ আছিল। তেওঁলোকে ভাৰতত প্ৰৱেশ কৰি অনাৰ্য্যলোক সকলৰ ওপৰত বিশেষ ভাবে প্ৰভূত্ব বিস্তাৰ কৰিছিল। আয়েগে স্থানীয় এই বৃহৎ সংখ্যক অনাৰ্য্য ট্ৰাইবেল লোক সকলে ভাৰত বৰ্ষত আৰ্য্য সভ্যতা বিস্তাৰ হোৱাৰ পিছত আৰ্য্য সভ্যতা অন্তৰভূক্ত হৈছে। এই আৰ্য্য সকলে আৰ্য্য তেজ থকা বহিৰাগত বৃটিছ শাসনৰ দিনত আৰু বেছিকৈ ভাৰতৰ বিভিন্ন প্ৰান্তৰ লগতে অসমত থকা অনাৰ্য্য ভাৰতৰ বিভিন্ন প্ৰান্তৰ লগতে অসমত থকা অনাৰ্য্য মঙ্গোলীয় গোষ্ঠীৰ ট্ৰাইবেল সকলৰ ওপৰত তেওঁলোকে জয়ঢোল কোৱালে। ফলত ট্ৰাইবেলসকল হিন্দুহোৱাৰ প্ৰাৰম্ভিক স্তৰস্বৰূপে 'শৰণ' এক ধৰ্ম্মান্তৰিত আৰু জাত্যান্তৰিত প্ৰকৃয়াৰ বশৱৰ্ত্তীহৈ হিন্দু ধৰ্ম্মত সোমাই পৰে। সময়ৰ প্ৰবাহমান গতিত কোনো এক সুতিত এটা গোষ্ঠীয়ে সমাজৰ অস্পৃশ্যতা জ্ঞান তথা আন আন কাৰণত এক গোট হৈ ৰকলগীয়া হয় আৰু সময়ৰ সোতত সেই জনগোষ্ঠীটোৱে আজিৰ পৰা এক শতাব্দিৰো অধিক বছৰৰ আগৰ পৰা এক শৰণীয়া সম্প্ৰদায় হিচাবে চিনাকি দিবলৈ লয়।

অসমৰ মহান অসমীয়া জাতি যি দৰে বিভিন্ন জাতি আৰু জনজাতিৰ সমন্বয়ত গঢ়ি উঠিছে সেই একেদৰেই এই অসমতে মূল অনাৰ্য্যৰ মঙ্গোলীয়ৰ লগতে বিভিন্ন জনজাতীয় গোষ্ঠী বড়ো, কছাৰী, ৰাভা, বৰঘৰীয়া গাৰো, চিচিলিংগা গাৰো, কাৰ্বি, লালুং, মিৰিমিচিং আদিৰ সংমিশ্ৰণত এই বৃহৎ শৰণীয়া সম্প্ৰদায় গঢ়ি উঠিছে।

শৰণীয়া সকলৰ উদ্ভব সম্পৰ্কে প্ৰাচীন ঐতিহ্য বিচাৰি চালে জানিব পাৰি, বৌদ্ধ যুগৰ পণ্ডিত সকল ব্ৰাহ্মণত পৰিণত হৈ তেওঁলোকৰ যাদুকৰি কল্পনা মূলক চক্ৰান্তৰ বলিহৈ অসমৰ আদিম ৰজা সকল জাত্যান্তৰিত হৈ নিজৰ প্ৰজা সকলকো তেওঁৰ অনুগামী কৰি তুলিছিল (খৃ: পূ: ৫০০ বছৰৰ ঃ বিষ্ণুৰাভা ৰচনাবলী ৭১) ১৩ শতিকাৰ প্ৰথম ভাগত কমতা ৰাজ্যৰ ৰজা আছিল নীলধ্বজ। এই নীলধ্বজ ৰজা মেচ ৰজা আছিল। দৈবৰ গুণত তেওঁ ৰজা হৈছিল। তেওঁৰ ১ম নাম কান্ত নাথ মেচ । শৰণীয়া বা ব্ৰাত্যক্ষত্ৰিয় হোৱাৰ পিছত নীলধ্বজ নাম লৈ কমতা ৰাজ্য ৰাজত্ব কৰিছিল। সেই মতে আজিও শৰণীয়া সকলক বা ব্ৰাত্যক্ষত্ৰিয় কোনো লোকক বড়ো সকলে খেনী বুলি কয়। (বিষ্ণু ৰাভাৰ ৰচনা বলী; বান কোবাং ৩৪৭) এয়া প্ৰাক শঙ্কৰী যুগৰ যৎকিঞ্চিত বৰ্ণনা মাথোন।

শঙ্কৰ উত্তৰ যুগলৈ এভূমুকি মাৰি বুৰঞ্জীৰ পাত লুটিয়ালে দেখা যায় যে ১৭৮০ চনত কছাৰী ৰজা কৃষ্ণচন্দ্ৰই যেতিয়া গীতা শাস্ত্ৰ শুনিবলৈ মন কৰে তেতিয়া ব্ৰাহ্মণ সকলে তেওঁক হিন্দু ধৰ্ম্মত দীক্ষিত হবলৈ কৈছিল এটা সোণৰ গাইৰ মূল্য দি। সেয়ে ৰজাই এটা সোণৰ গাই তৈয়াৰ কৰি গাইটোৰ মূল গহ্বৰেৰে ৰজাই নিজে প্ৰবিষ্ট হৈ জননদ্বাৰেৰে নিৰ্গত হৈছিল আৰু গাইতোক ব্ৰাহ্মণক দান কৰিছিল। এই দৰে ক্ষত্ৰিয় কৰা হৈছিল আৰু গীতা শাস্ত্ৰ শ্ৰৱণ ক্ষম হৈছিল। বড়ো সকলৰ মতে পোন প্ৰথমতে চিনাঝাৰত প্ৰথম কোচ ৰাজ্য প্ৰতিষ্ঠাতা হাওঁৰীয়া মেচৰ পিতাক ডাম্বাম্বু মেচৰ থাৰী বা গোত্ৰ আছিল মৌছাৰী বা মৌছাবাৰী বাঘৰ বংশ বা গোত্ৰ। সেই বংশৰে নৰনাৰায়ন চিলাৰায় নৰসিংহ আদিয়ে কান্ত নাম মেচ বা নীলধ্বজ ৰজাৰ দৰে ব্ৰাত্যক্ষত্ৰিয় হয়।

পঞ্চদশ শতিকাত মহাপুৰুষ বৈষ্ণৱ গুৰু শ্ৰীমন্ত শঙ্কৰ দেৱৰ আৱিৰ্ভাব হয়। তেওঁৰ অনুগত বৈষ্ণৱ গুৰু সকলৰ চৰিত পুথিত কয় যে এক শৰণ নাম ধৰ্ম্ম যিজনে নতুনকৈ গ্ৰহণ কৰিছে তেওঁকেই শৰণীয়া বুলি কোৱা হৈছে। আৰু কোৱা আছে শঙ্কৰদেৱে হেৰেমীয়া ৰজাৰ আহ্বান ক্ৰমে শৰণ ধৰ্ম্মত শৰণ দিবলৈ বুলি মাধবদেৱ আৰু মিত্ৰ নাৰায়ণক হেৰেমীয়া ৰাজ্যলৈ পঠাইছিল। হেৰেমীয়া ৰজা হিড়িম্বা দানবৰাজ ভগদত্তৰ বংশধৰ বৰকছা বৰ্ম্মা, ভাস্কৰ বৰ্ম্মা আদিয়ে হিন্দু ধৰ্ম্ম লোৱাৰ মূলতে আছিল জাত্যান্তৰিতৰ এক ফল শ্ৰুতি। শঙ্কৰদেৱৰ মৃত্যুৰ পিছত অসমত গঠিত হোৱা বিভিন্ন সত্ৰৰ সত্ৰাধিকাৰ আৰু গোসাই সকলৰদ্বাৰা জনজাতিয় সকলক হিন্দু কৰণ কৰা হৈছিল। তেওঁলোকে সত্ৰৰ দ্বাৰা জনজাতি গোষ্ঠীৰ লোকক কেনেকৈ হিন্দু কৰিছিল তাক A Cantlie এ সুন্দৰকৈ বৰ্ণাইছে —

**The Gasains in fact Multiplied with their desciples and the growth of branch satras through out the Brahmaputra vally in the**

period between 1650 and 1800 can be taken to indicate the repid progress of proselytisation. Although same converts attach from other Hindu sects the majority must have been tribal people ......... To day initiation by the Guru is the first step in the gradual transfermation of a tribal in to a caste. আনহাতে গোসাই সকলে শংকৰৰ মূল ধৰ্ম্মমতৰ পৰা আতৰি গৈ শৰণৰ বিকৃত ৰূপেৰে জনজাতি সকলক ধৰ্মান্তৰিত আৰু জাত্যান্তৰিত কৰি হিন্দুকৰণ কৰিবলৈ গৈ হিন্দুধৰ্মৰ পবিত্ৰতাৰ বিষয়ে বুজাইছিল এনেধৰণে —

The Mathod of conversion by the Gosains is described in same details by the officiating Deputy Commissioner of Nowgaon in respect of the Lalungs, Kacharies and Mikirs of the Dist. The tribal are frequently betured upon the purity of Hindu religion and the case with which they can aquire salvation and a position inHindu society if the give up their habits of eating park and other farbidden foods and drinking strong liquor and conform to Hindu us age, when after some time they sow same initiation in becoming Hindu the Gosain given them the option of simply taking a 'saran' and remaining free in their cuting habits (this is the status of sarania koch) or of becoming perfect Hindu (Soru koch) ১৮৮১ চনৰ লোক পিয়লৰ প্ৰতিবেদনৰ Appendix A -3 কামৰূপ জিলাৰ উপায়ুক্তই লিখিছে :— In respect of the Koch I would point out that the terms has very much the some maning as shaikh among Mohommedans in upper India, that is it is used to include converts from non Hindu tribes to Hinduism. It does not immediately include all converts when a kachary take a saran i.c. discards certains of his old habits and adopts Hindu usage he become a "Saraniya" and after generations his discardants especialy if well to do can in at least in part Kamrup becoms "Koch".

ধৰ্মান্তৰিত যে বিভিন্ন গোষ্ঠীৰ পৰা হৈছে সেই বিষয়ে লিখা হৈছে — The name is Assam is no longer that of a tribe but mother of a Hindu casts in to which all converts to Hinduism from the different tribes kachary, Garo, Lolungs, Mikir etc. admitted on conversion, RCA (1891: 213)

এইদৰে মিশ্ৰিত জনজাতিৰ গোষ্ঠীৰ পৰা হিন্দুধৰ্মত অৰ্থাৎ শৰণ লৈ শৰণীয়া ৰূপে পৰিগণিত হৈ পিছত জাত্যান্তৰৰ ফলত উচ্চ জাত কোচলৈ ৰূপান্তৰিত

হোৱাৰ পদ্ধতি কোচ ৰাজত্বৰ সময়লৈ চলি থাকে। কোচ ৰাজত্বৰ অৱসান, বৃটিছ শাসন প্ৰবৰ্ত্তন, পশ্চিমীয়া চিন্তাধাৰা আধ্যাত্মিক ভাব ধাৰাৰ প্ৰতি উদাসীনতা, বাস্তৱ সন্মত চিন্তাধাৰা কোচ ৰাজ বংশত প্ৰতিষ্ঠিত কোচ সকলৰ লগতে অন্যান্য জনজাতি অথচ সত্ৰীয়া প্ৰভাৱত পৰা লোকসকল আৰু ব্ৰাহ্মণ গোহাই সকলৰ হিন্দু ধৰ্ম্মৰ অতি ওখ খাপত থকা শৰণীয়া, মদাহী, দেউৰী আদি জনজাতী সকললৈ অস্পৃশ্যতা জ্ঞান আৰু অৱজ্ঞাসূচক মনোভাৱৰ বাবে নাজল নাম্বল অৱস্থা এটি হৈ পৰাৰ লগে লগে এই শৰণীয়া প্ৰথাৰে হিন্দু ধৰ্ম্মত দীক্ষিত হোৱা প্ৰথা আৰু শৰণীয়াৰ পৰা কোচলৈ জাত্যান্তৰিত হোৱা প্ৰথা স্তব্ধ হৈ যায়। কিন্তু শৰণ প্ৰক্ৰিয়া বৰ্ত্তমানো হিন্দু সমাজত একৰীতি নীতি স্বৰূপে চলি আছে। ইয়াৰ অনুশৰণত কেইবাটাওঁ পুৰুষে শৰণীয়া গোষ্ঠী হিচাবে পাৰ হৈ শৰণীয়া নামৰ অৱস্থাটোত থাকিওঁ এতিয়াওঁ গোসাইত বিবাহৰ পিছতে 'শৰণ' হয়।

কোচ ৰাজবংশৰ অন্তৰ্ভূক্ত হৈ এটা হিন্দু জাতিত পৰিণত হোৱাৰ মানসেৰেই ইওঁক বা অইন কাৰণতেই হওঁক মুঠতে হিন্দু হোৱাৰ বিভিন্ন পৰ্য্যায়ৰ প্ৰাথমিক পৰ্য্যায় 'শৰণীয়া' নামেৰে শেষত এই পুৰণি বৃহৎ জনগোষ্ঠীটোৱে চিনাকি দিবলৈ বাধ্য হয়। অৰ্থাৎ আহোম সকলৰ অসম আগমণৰ পিছৰ পৰা বিভিন্ন ৰাজবংশৰ ৰাজত্ব, কোচ ৰাজত্ব, আহোম ৰাজত্ব আৰু বৃটিছ ৰাজত্বৰ পৰা প্ৰাক স্বাধীন কাললৈকে অসমত ধৰ্ম্মৰ নামত যি বা মাৰলি বৈছিল তাৰ বা এই মিশ্ৰিত অসমীয়া ভাষিৰ জনগোষ্ঠীৰ মাজত লাগিছিল। অৱশেষত ৰাসায়নিক বিক্ৰিয়া অধ:ক্ষেপনৰ দৰে সামাজিক বিক্ৰিয়াত 'শৰণীয়া' এটা জনজাতীয় সম্প্ৰদায় ৰূপে ঊনবিংশ শতিকাত আজি অসমৰ সাহিত্যিক,বুদ্ধিজীবি সকলে নাজানিলেওঁ বৃটিছ আমোলৰ বিষয়া সকলে বহু কষ্ট কৰি ঊনবিংশ শতিকাৰ শেষত, তেওঁলোকৰ শাসন কাললৈকে বিভিন্ন লোকপিয়লত এই জাতিৰ কথা উল্লেখ কৰিছে। সেয়া হৈছে ১৮৭১ চনৰলোক পিয়লৰ পৰা। বৰ্ত্তমান অসমত থকা ৭(সাত) লাখতকৈ অধিক জনসংখ্যাৰ এই শৰণীয়া সকলে জনজাতীয় অধিক জনসংখ্যাৰ এই শৰণীয়া সকলে জনজাতীয় হিচাবে দাবী কৰে। এই শৰণীয়া সকল সম্পূৰ্ণ জনজাতীয় আদিবাসী এই বিষয়ে কিছু গ্ৰন্থত আছে : —

যেনে —

১) কথা গুৰু চৰিত।

২) Census report of Assam 1881.

৩) Hunter wards worth Statical report.

৪) ১৯৬০ চনৰ লোক পিয়লৰ Hand Book.

বিভিন্ন জনগোষ্ঠীৰ মিশ্ৰিত শৰণীয়া সম্প্ৰদায়টোৰ ভাষা আৰু সংস্কৃতি অসমীয়া। হিন্দু ধৰ্ম্মৰ ৰীতিনীতি ও প্ৰতিষ্ঠিত হৈ বৈদিক ক্ৰিয়া কাৰ্য্য যোগে চলি আহিছে। আৰু বৃহৎ মহান অসমীয়া জাতিৰ অংশ হিচাবে পৰিচিত। এই শৰণীয়া সকলৰ সাংবিধানিক নাৰ্যতা যে ভাৰতীয় সংবিধানে প্ৰদান কৰিছিল, ইয়াৰ ভাৰতীয় সংবিধানৰ প্ৰস্তাৱ ভিত্তিক বিষয়ে আপোনাৰদৃষ্টি আকৰ্ষনাৰ্থে দুটা Censes report তলত উল্লেখ কৰিলো।

১৮৮১ চনৰ Censes Report on Assam অৰ Late E. Stock (P.H.8) এ দিয়া তালিকা আৰু ১৮৯১ চনৰ censes report ত থকা তালিকাৰ হুবহু নকল এটা দিয়া হল —

**Table -1**

Assam Scheduled Tribe in process of conversion.

| | |
|---|---|
| Rabha — | 56285 |
| Madahi — | 13149 |
| Saraniya — | 4718 |
| Mahalia — | 6198 |
| Totla — | 2538 |
| Total — | 82889 |

**Table - 2**

Census Report of Assam 1891

| | |
|---|---|
| Bor (big)Koch — | 71944 |
| Sarukoch — | 27842 |
| Heremia — | 3614 |
| Saraniya — | 26248 |
| Madahi — | 18430 |
| Total — | 1,48,430 |

যে চৰকাৰী হিচাবে পুৰণি জিলা অনুসৰি শৰণীয়া সকলৰ অৱস্থিতিৰ সংখ্যাৰ তালিকা —

| | | |
|---|---|---|
| ১। | কামৰূপ আৰু দৰং — | ৩,০০,০০ |
| ২। | লক্ষীমপুৰ — | ৫০,০০০ |
| ৩। | শিৱসাগৰ — | ৫০,০০০ |
| ৪। | গোৱালপাৰা — | ২৫,০০০ |
| ৫। | নগাঁও — | ১,০০,০০০ |
| | মুঠ — | ৫,২৫,০০০ |

বিদেশী প্ৰশাসক ইংৰাজে এই শৰণীয়া সকলক ১৮৯৭ চনত অসমৰ বিভিন্ন জনগোষ্ঠী সমূহৰ মাজৰ পৰা বাছি উলিয়াই শৰণীয়া সকল এটি ভৈয়াম জনজাতি হিচাবে জনজাতীয় তালিকাত ভুক্ত কৰি সাংবিধানিক স্বীকৃতি প্ৰদান কৰে। আকৌ এই প্ৰশাসনৰ কালছোৱাতো বহু শৰণীয়া লোক অৱস্থাপন্ন আৰু সুবিধা ভুগি হৈ নিজ সম্প্ৰদায়ক যতে আছে তাতে এৰি থৈ দেশৰ ঘাই সুতিত মিলি বৰ্ণভুক্ত সম্প্ৰদায়ৰ উলম্বিত অখলাত উধাই ঢাপলি মেলিছে। তেওঁলোকে এতিয়া দূৰৰ পৰা নিজ সম্প্ৰদায়ক উপদেশ দিয়ে। তেওঁলোক বৰ্ণভুক্ত সম্প্ৰদায়ৰ সুতিত মিলি যোৱাৰ কথা স্বীকাৰ কৰিবলৈ কুণ্ঠাবোধ কৰে। আন হাতে এই সকল (শৰণীয়া) অবহেলিত লোকৰ উন্নতি কল্পে চিন্তাও নকৰে। কিন্তু যি সকল এতিয়াও আপোন হৈ আছে, সেই সকল নিস্বাৰ্থ চেতনাশীল ব্যক্তিয়ে সুবিধাভোগী সমাজৰ সকলো কৌটিল্য জাল ফাঁহ ফাঁহ কৰি বৰ্ণভুক্তিৰ কথা অস্বীকাৰ কৰি বঞ্চিত শৰণীয়া জনজাতি সকলৰ অভাৱৰ দুখ মোচনৰ বাবে মাত মাতি প্ৰকৃত সত্য ডাঙি ধৰি দেশৰ ঘাই সুতিৰ সমস্যাক লৈ নিজ সমাজক আগুৱাই নিবলৈ অহৰহ চেষ্টা চলাই আহিছে।

পৰিতাপৰ বিষয় যে, কালৰ সোতত "শৰণীয়া" সকল নিচিহ্ন হোৱাৰ পথত। যুগ যুগ ধৰি অসমৰ জনজাতীয় গোটটোৰ এক যুগজয়ী সম্প্ৰদায় স্বৰূপে শৰণীয়া সকলে সামাজিক ও সাংবিধানিক স্বীকৃতি এক শতাব্দী বছৰ ধৰি লাভ কৰি অহাৰ পিছত, এই দূৰ্ভগীয়া জনগোষ্ঠীতোৱে ১৯৭১ চনৰ লোকপিয়লত কিছুমান ৰাজনৈতিক স্বাৰ্থজৰিত নেতাৰ ন্যস্তস্বাৰ্থৰ কবলত পৰিয়েই হওক বা চৰকাৰৰ অনিহা কোপ দৃষ্টিতেই হওঁক বা আন আন নীচাত্মক ভাব ধাৰাৰ কবলত পৰিয়েই হওঁক ভাৰতীয় সংবিধানে দিয়া মৰ্যাদা হৰণ কৰি শৰণীয়া গোষ্ঠীৰ স্থিতি মচি পেলোৱা হল। ফলত এই শৰণীয়া সকলে আজি ১৬ বছৰে জনজাতীয় হিচাবে পৰিচয় প্ৰমাণ পত্ৰ পোৱাকে ধৰি অৰ্থনৈতিক সামাজিক আদি নানান ক্ষেত্ৰত নানান আলৈ আহুকালৰ সন্মুখীন হৈ বৰ্ত্তমান এক অভিশপ্ত সম্প্ৰদায়। যুগ যুগ ধৰি অবহেলিত, প্ৰতাৰিত হৈ অহা দুখীয়া জনগনে বৰ্ত্তমান এই সভ্য প্ৰগতিবাদী ভাৰতীয় গণতান্ত্ৰিক সমাজ তন্ত্ৰত নিচিহ্ন হবলগীয়া হোৱাত আমি মৰ্ম্মাহত।

২। পূৰ্বৰ যোগাযোগ :—

মহাশয় এই শৰণীয়া সম্প্ৰদায়ৰে এক সংগঠন "সদৌ অসম শৰণীয়া সন্থাই" কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ সৈতে উক্ত গোষ্ঠীৰ জনসাধাৰণে জীয়াতু ভোগী থকা সমস্যাবিলাকলৈ এক বহল বিৱৰণীৰে ১৯৮১ চনৰ ১১ ফেব্ৰুৱাৰীত আৰু ১৯৮২ চনৰ ২৮ জুনত স্মাৰক পত্ৰ প্ৰদানেৰে যোগাযোগ কৰি একো ফলাফল পোৱা নাই।

ইয়াৰ বাহিৰেও সন্থাই বিভিন্ন ধৰণেৰে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি থাকে আৰু তাৰ ফল স্বৰূপে যোৱা ১৯৮৫ চনৰ ৮ এপ্ৰিলত কেবিনেট পৰ্য্যায়ৰ উপসমিতিৰ আগত শুনানি হৈ যায়। তলত আপোনাৰ দৃষ্টি আকৰ্ষনাৰ্থে শৰণীয়া সন্থাৰ যোগাযোগ সম্পৰ্কে দিয়া হল :—

| Apeal to Govt. by Santha | Reply of Govt. to Sadou Assam Saraniya Santha. |
| --- | --- |
| 1. 1978 to central Govt.: Janata charkar | Proposed list to Assam Govt. on 20th Nov. 1978. |
| 2. Suresh Van Commission : on the 12th Jue 1979. | A comment was given by the commission to the Govt. to includ Saraniya is a caste |
| 3. 1980 on the 21 th october through the chief Secy to the Prime Minister | Favourable action will be taken for the Saraniya caste when the Govt. will be decide to take revision of list for ST. |
| 4 1981 to the Prime Minister: | - do - |
| 5. 1982, 28th June Through the Chief Secy to the P.M. | - do - |
| 6. 1982, 15th Sept. Deptt for welfare p.t. & B.C. Dispur Ghy - 6 | The subject is sen to the research office for research. |
| 7. 1983, on 15 th August, to the: Director of research. | Gate nothing any latter from Govt. |
| 8. 1983 on 19 August to the Director of research. | A latter to secty of S.A.S. Santha from. |

Special Secretary to the Govt. of Assam Department for welfare P.T. and B.C. etc. U.C. Saraniya I.A.S. Called for hearing infront of Cabinate sub-committee.

1st called- 19 January 1985

2nd called - 8 April 1985.

Reply of cabinet Sub-Committee:-

The Saraniya is existing tribal and so day have to enclude on the list of S.T. plain of Assam.

মহাশয়, এখন গণতান্ত্ৰিক ৰাজ্যৰ জনগণৰ প্ৰতিনিধি হিচাবে আপুনি আমাৰ

সমূহ সমস্যাৱলী গুৰুত্ব সহকাৰে দৃষ্টিত কৰিবলৈ সবিনয়ে অনুৰোধ জনালো আৰু আমাৰ সমস্যাৱলীৰ বিষয়ে প্ৰস্তাৱ ও দাবী সমন্নিতে স্মাৰক পত্ৰ যোগে আপোনাৰ ওচৰত দাখিল কৰিলোঁ।

আমাৰ বিভিন্ন প্ৰস্তাব সমূহ :—

ক) ১৯৮৫ চনৰ ১৫ আগষ্টৰ পুৱতি নিশা স্বাক্ষৰিত বিদেশী নাগৰিক বহিষ্কাৰৰ সংক্ৰান্তত অহিংসাৰ এক ঐতিহ্যমণ্ডিত সমগ্ৰ দেশৰ শান্তি, সম্প্ৰীতি আৰু প্ৰগতিৰ বাহক স্বৰূপ অসম চুক্তিখন ৰাজনৈতিক দৃঢ়তাৰে ফলপ্ৰসু কাৰ্য্যকৰী কৰণ সেৱা তৎকালীন ভাবে আগবাঢ়িবলৈ বদ্ধ পৰিকৰ হোৱাৰ কামনা কৰিলোঁ।

খ) অসমৰ থলুৱা জনজাতীয় বাইজৰ আবাস সংস্থাপন, সম্পত্তি, শিক্ষা, কৃষ্টি সংস্কৃতি আৰু ঐতিহ্য আদিৰ পৰিচয় ৰক্ষাৰ্থে অহা ৩০ বছৰৰ বাবে প্ৰয়োজনীয় সাংবিধানিক ৰক্ষনা বেক্ষণৰ ব্যৱস্থা নিয়ন্ত্ৰণ কৰিবলৈ অনুৰোধ জনাওঁ।

আমাৰ দাবী সমূহ :—

১। বৃটিছ আমোলৰ সময়ত অসমৰ চুকে কোণে বাস কৰি থকা বিভিন্ন জনগোষ্ঠী সমূহৰ মাজৰ পৰা শৰণীয়া সম্প্ৰদায়টোক বিচাৰি উলিয়াই ১৮৭১ চনৰ লোক পিয়লত শৰণীয়া সকল অসমৰ ভৈয়াম জনজাতিৰ মাজৰ এক প্ৰতিষ্ঠিত সম্প্ৰদায় স্বৰূপে তালিকা ভুক্ত কৰে আৰু সাংবিধানিক ভাবে স্বীকৃতি প্ৰদান কৰে। ইংৰাজৰ পৰাধীনতাৰ শিকলি চিঙি ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিলে। অতি পৰিতাপৰ বিষয়, স্বাধীনতাৰ একুৰি তিনি বছৰ পাৰ হোৱাৰ পিছতো এটা সম্প্ৰদায়ক ১৯৭১ চনৰ লোক পিয়লত ভাৰতীয় সংবিধানৰ পৰা মচি পেলোৱা হল আৰু কালৰ সোঁতত শৰণীয়া সকল আজি এক অভিশপ্ত সম্প্ৰদায়ত পৰিণত হয়। সেয়ে বৃহৎ অসমীয়া জাতিৰ অপৰিহাৰ্য্য অংগ স্বৰূপ ভূমিপুত্ৰ এই শৰণীয়া সকলে পূৰ্বৰ সাংবিধানিক মৰ্য্যাদা (অসমৰ ভৈয়াম শৰণীয়া জনজাতী হিচাবে) দাবী কৰে। ইয়াৰ এক ক্ষীপ্ৰ ইতিবাচক সমাধান আমি বিচাৰো।

২।সাংবিধানিক মৰ্য্যাদা হেৰুৱাই থলুৱা জনজাতীয় বাসিন্দা শৰণীয়া সকলে শৰণীয়া সম্প্ৰদায় হিচাবে জাতিগত প্ৰমাণ পত্ৰ আদি পোৱাত এক জাতি লতাই দেখা দিছে। সেয়ে আমাৰ বিভিন্ন জনজাতি গোষ্ঠীৰ ব্যক্তিবা ছাত্ৰ-ছাত্ৰীয়ে নিজ জাতিৰ পৰিচয় সহ প্ৰমাণ পত্ৰ পোৱাৰ দৰে অসমৰ চুকে কোণে সিচৰিত হৈ থকা ভূমিপুত্ৰ শৰণীয়া সকলে জনজাতীয় বাসিন্দা হিচাবে শৰণীয়া এক সম্প্ৰদায় নামাকৰণেৰে সম্প্ৰদায়ৰ প্ৰমাণ পত্ৰ পাব পৰাকৈ এক সু-ব্যৱস্থা জুন মাহৰ ১৯৮৬ চনৰ ভিতৰতে আমাক আগবঢ়াব লাগে।

৩। আগন্তুক লোক পিয়লবোৰত অসমত ভূমি পুত্ৰ হিচাবে বসবাস কৰা শৰণীয়া

জনজাতীয় লোক সকলকো ১৯৭১ চনৰ আগৰ লোক পিয়ল সমূহৰ দৰে সুকিয়া ভাবে গণনা কৰিবলৈ চৰকাৰৰ জৰিয়তে বিভাগীয় কৰ্তৃপক্ষক উচিত ব্যৱস্থা গ্ৰহণাৰ্থে পৰামৰ্শ আগবঢ়াব লাগে। আৰু লগে লগে চৰকাৰী হিচাবে এটা পৰিসংখ্যা উলিয়াবলৈ অনুৰোধ জনোৱা হ'ল।

৪। ৰাজ্য চৰকাৰ তথা কেন্দ্ৰীয় চৰকাৰৰ চৰকাৰী আৰু বেচৰকাৰী সকলো অনুষ্ঠান আৰু প্ৰতিষ্ঠানতে জনজাতীয় আসন সংৰক্ষণ বিধি অনুসৰি নিয়োগৰ ব্যৱস্থা সম্পূৰ্ণ কাৰ্য্যকৰি কৰিব লাগে।

৫। প্ৰত্যেক জিলা বা মহকুমাৰ ভৈয়াম জনজাতীয় উন্নয়ন পৰিষদ আৰু সস্থা সমূহত শৰণীয়া সম্প্ৰদায়ৰ পৰাও সভ্য নিযুক্তিব্যৱস্থা ৰাখিব লাগে।

৬। অসমৰ থলুৱা জনজাতীয় লোক সকলৰ অৰ্থনৈতিক দিশবোৰ একেবাৰে দুৰ্দ্দশাগ্ৰস্ত। সেই হেতুকে সামগ্ৰীক অৰ্থনৈতিক উন্নয়নৰ দিশ ক্ষীপ্ৰতৰ কৰিবলৈ অসম চৰকাৰ তথা কেন্দ্ৰীয় চৰকাৰে শীঘ্ৰেই সুপৰিকল্পিত জনজাতি কল্যানমূলক আচনীৰে ব্যৱস্থা হাতত লব লাগে। আৰু বিবোৰ অনুদান ইতিমধ্যে আগবঢ়াই আছিছে সেইবোৰ জনজাতীয় তালিকাভুক্ত সকলো জনজাতীয় বাইজে যাতে পাব পাৰে তাৰ ক্ষমতা বক্ষাৰ ওপৰত গুৰুত্ব সহকাৰে পৰ্য্যবেক্ষনো চলাব লাগে।

৭। শৰণীয়া লোকৰ বসতিপূৰ্ণ অঞ্চলসমূহ পৰ্য্যবেক্ষণ কৰি দেখা গৈছে যে ৯৯% ই অশিক্ষিত, যিটো সংখ্যা শতকৰা অসমত ভৈয়াম জনজাতি হিচাবে বসবাস কৰি থকা অন্যান্য জনজাতি সকলতকৈ বহু তলত। চৰকাৰী চাকৰিয়ালৰ সংখ্যা নাই বুলিলেই হয়। প্ৰায় ৭০% ই ভূমিহীন আৰু মাটিহীন শ্ৰেণীৰ লোক। ১০০% ভাগেই কৃষিজীৱি বুলি কব পাৰি। তাৰ ভিতৰত মাত্ৰ ৫% মানহে নিজ কৃষি মাতি আছে। ৮০% ই আনৰ বহতিয়া স্বৰূপে থাকি কাম কৰি জীৱিকা নিৰ্বাহ কৰে। এই ধৰণে তেওঁলোক সামাজিক অৰ্থনৈতিক, শিক্ষা আদি বিভিন্ন দিশত জনজাতীয় শ্ৰেণীতকৈ বহুগুণে পিছ পৰা আৰু অতিদুখীয়া লোক।

গতিকে এই বৃহৎ জনগোষ্ঠীটোৱে যাতে আন বিভিন্ন গোষ্ঠীৰ লৈতে সকলো দিশবসুতিত খোজ মিলাবলৈ অনগ্ৰসৰতা দূৰহে সকলতা লাভ কৰিব পাৰে, ইয়াক উন্নত কৰাবহুকে পৰিকল্পনা সূলত বিহিত ব্যৱস্থা অনতি পলমে হাতত লব লাগে।

সৰ্ব্ব শেষত মহাশয়, সমস্যাৱলীৰ এক ইতিবাচক সমাধানৰ বাবে শৰণীয়া সম্প্ৰদায়টোৱে কেন্দ্ৰীয় ও ৰাজ্য চৰকাৰৰ তৎকালীন মনোযোগ দাবী কৰিছো। গণতান্ত্ৰিক দেশৰ এক জনজাতীয় গোষ্ঠী হিচাবে ভাৰতীয় সংবিধানে সংৰক্ষিত কৰি ৰখা গণতান্ত্ৰিক

মৰ্য্যদা, এই সম্প্ৰদায়টোৰেও অক্ষুন্ন ৰখাৰ সকলো প্ৰচেষ্টাত দৃঢ় হৈ সদৌ অসম শৰণীয়া ছাত্ৰ সন্থাই এই পদক্ষেপ লৈছো । আমি দৃঢ় জাতীয় চৰকাৰে থলুৱা কৃষ্টি সংস্কৃতিৰ সৈতে যি জাতীয় সমন্বয়ৰ দৃঢ়তা পোষণ কৰি আহিছে সেইবোৰ অগ্ৰাধিকাৰ সাব্যস্ত কৰিব।

আমি আৰু বিশ্বাসবাদী আপোনালোকৰ বাস্তৱ ধৰ্ম্ম কৰ্ম্মই আমাক এটা তৎকালীন সুব্যৱস্থা আগবঢ়াব ।

শ্ৰদ্ধাৰে —

| | |
|---|---|
| স্বাক্ষৰ | স্বাক্ষৰ |
| শ্ৰীৰামেশ্বৰ ডেকা | শ্ৰীউমেশ চন্দ্ৰ দাস |
| সভাপতি | সা: সম্পাদক |
| স:অ:শ:ছা: স: | স:অ:শ:ছা: স: |
| ২০ মে ১৯৮৬ ইং | ২০ মে ১৯৮৬ ইং |

শৰণীয়া ছাত্ৰ সন্থাৰ উক্ত স্মাৰক পত্ৰ চৰকাৰৰ ওচৰত প্ৰদান আৰু মন্ত্ৰী সকলৰ লগত আলোচনাৰ পিছত অসম চৰকাৰৰ মন্ত্ৰী মাননীয় শ্ৰীভৰত নৰহ্ ডাঙৰীয়াই শৰণীয়া সকলক কছাৰী হিচাবে জাতিগত প্ৰমাণ পত্ৰ দিয়াৰ বাবে সদৌ অসম ট্ৰাইবেল সংঘৰ সভাপতিলৈ তলত দিয়া ধৰণে পত্ৰ প্ৰেৰণ কৰে ।

No. MFSC (WPT) 2/86/108/ July 18, 1986.

To,

The President
All Assam Tribal Sangha
Tribal Rest House
Paltanbazar, Guwahati - 8

I have discussed in detail about the caste certificate with the re-presentative of the "All Assam Saraniya Students' Union". I am in full agreement with the union and hence you are requisted to kindly issue the certificate as usual as Saraniya (Kachari), plain tribes of Assam.

It is hoped that you will do the needful.

Sd. B. Norah
Minister
Welfare of pt and SC.
CTC Assam, 18-7-86

উক্ত স্মাৰক পত্ৰ পোৱাৰ পিছতে চৰকাৰে শৰণীয়া সকলক জাতিগত প্ৰমাণ পত্ৰ পোৱাৰ সুবিধাৰ কাৰণে তলত উল্লেখ কৰা চৰকাৰী আদেশ (ordert) এখন গোটেই অসমতে প্ৰেৰণ কৰে। ordert খনৰ প্ৰতিলিপি তলত দিয়া হ'ল —

ORDER

Government of Assam

DEPARTMENT FOR WELFARE OF PLAINS TRIBES & BACKWARD CLASSES

Dispur : Guwahati - 1

No. - TAD/MISC/508/83/PT/72 Dated, Dispur, the 3rd Sept. 1986

From - Shri S.S. Ahmed, ACS.
Under Secretary to the Govt. of Assam

To, The President, All Assam Tribal Sangha.
Tribal Rest House, Paltabazar, Guwahati-8

Subject : Issue of cast certificate to the Saraniya People.

Reference: Your letter No. AATS/2/85-86/20 u o dt. 31-7-1986

Sir,

I am directed to Say that it was been brought to notice of the Govt. that the representatives of All Assam Saraniya Students Union are exaperencing difficulties in gatting caste certificate as ST(p) for deriving various benefits admissible to them under the existing orders of the Govt. Due to non receipt of caste certificates intime a Good number of genuine applicants belonging to the said catagory of the backward classes is deprived of these benefits.

It is to mentioned that the Saraniya community has not yet been included in ST list. However, the case of Saraniya being encluded as ST(p) is under consideration, Tim it is finally decided, people of this community may receive caste certificate as kachari, if they regard themselves as such and the competant authority is to be satisfied.

You are there for, requested to inform the district units.

Your faithfully

sd -

Under Secy. to the Govt. of Assam.

Memo No. - TAD/MISC/508/83 pt-A. dated. Dispur the 3rd sept. 1986

Copy to the:- (1) All Secretaries

2) All Deputy Commissioner/Sub-Divisional officer

3) All Heads of Deptt.

4) All Sub-Divisional Welfare Officers/project Director ITDP.

5) Chairman, All Sub-Divisional Dev. Board for ST/SC.

By orders CTC

sd -

Under Secretary to the Govt. of Assam

Deptt. for wpt & B.C. CTC.

১৯৮৮ চনৰ জুলাই মাহৰ ১১ তাৰিখে ভাৰতৰ প্ৰধানমন্ত্ৰীক শৰণীয়া ছাত্ৰ সন্থাই এখন স্মাৰক পত্ৰ প্ৰদান কৰে। সেই স্মাৰক পত্ৰৰ প্ৰতিলিপি তলত দিয়া হ'ল —

To

The Honorable Prime Minister of India, New Delhi.

Subject:- Re inclusion of the Saraniya on the plain Scheduled tribes list of Assam.

Respected Prime Minister,

In drawing your kind attention to the above noted subject, we the under signed, on behalf of the "ALL ASSAM SARANIYA STUDENT UNION" beg to lay before you honour the following few lines for favour of your kind consideration and earlier necessary action.

We beg to state Sir, that the Saraniya are a Tribal of the ancient kirata origin (of Indo Mongalaid Stock) like the sonowals, the lalungs and the Rabhas in-habiting since time immemorial in the plains of Assam. They have been included in the list of aborigin along with the Kacharis, the Rabhas and others since the first census operation that tock place in 1871. They were put in the same position till the country's independence when this was shown in the list of scheduled tribes in the plains of the state of Assam — along with the aforesaid tribes. Present times it is very vital problem on behalf of the 5 lakhs strong Saraniya tribe inhabitating in the state of Assam which has become a matter of life or death for the entire tribe.

In the list census of Assam however, which we done in 1971, to our utter dismay we found that the Saraniya tribe was missing from the list of Scheduled tribes of the plains of the state of Assam for some mysterious reason. It may be that some factional leaders deliberately misrepresented against the interest of the Saronias and got its name dropped from the list of Scheduled tribes because they (the Saraniya) solidly stood for the integrity of the nation and against the fissiparous tendency of these factional tribal leaders. We still fail to understand what logic has promted the Govt. of our country to suddently detrablise saraniya after 1971, though a humble of tribes like sonowals and the lalongs with exectly similar socio-cultural status have been retained in the list of scheduled tribes up to this day. This is blantantly against the principle of equily and natural justice.

New as a result of this sudden thoughtless detribalisation of the saraniyas, they have become like fish out of water, as much as they have been deprived of the special privileges which they enjoy till 1971 and as continously enjoyed by their other kinsman even to day. This has adversely affected their economic and cultural life; especially hampered their childrens education, the job seckers is getting jobs, the poor fermers and businessmen procuring finance for expension of their persuits. This day they have in a way threatened their very existence.

We there for formally appeal to your honour to reconsider the case of the Saraniya of this basis of post experience on the present situation of the tribe vis a vis of the other tribes of the state and to restore them in the list of scheduled tribes, plain in the state of Assam, as a seperate independent tribe, at least for two decades so as to enable them to make up for the lost time.

We would feel ourselves highly rewarded if decision on the matter is quickly taken. with due applogy and humble faith.

July-11-1988 — Your faithfully

Goreswar-781366 — Sd-Sri Manas Saraniya

Kamrup(Assam) — All Assam Saraniya Student Union

Copy to - The honorable Chief Minister of Assam for information and necessary action.

ইয়াৰ পিছত এই একেই বছৰতে ১৯৮৮ চনৰ তাৰিখ - অসম চৰকাৰৰ কেবিনেট উপ সমিতিক শৰণীয়া ছাত্ৰ সন্থাই লগধৰি স্মাৰক পত্ৰ প্ৰদান কৰে। স্মাৰক পত্ৰৰ প্ৰতিলিপি তলত দিয়া হ'ল —

প্ৰতি,

কেবিনেট উপ-সমিতি, অসম চৰকাৰ, দিশপুৰ (অসম)

বিষয় ঃ শৰণীয়া সম্প্ৰদায়ক অসমৰ ভৈয়াম জনজাতীয় তালিকাত পু: অন্তৰ্ভূক্তিৰে সাংবিধানিক স্বীকৃতি প্ৰদান ।

মহাশয়,

ওপৰোক্ত বিষয় প্ৰসঙ্গত সদৌ অসম শৰণীয়া ছাত্ৰ সন্থাই আপোনাক দৃষ্টি আকৰ্ষণ কৰিব বিচাৰো যে, অসমৰ শৰণীয়া সম্প্ৰদায়টো নি: সন্দেহে এক জনজাতীয় গোষ্ঠী, ইতিপূৰ্ব্বে জনজাতীয় তালিকা ভূক্ত হোৱা সত্বেও ৰাজনৈতিক কু-অভিসন্ধিৰ ফলত, তেওঁলোকক ১৯৭১ চনৰ পৰা পুনৰ বঞ্চিত কৰা হৈছে। এই সম্পৰ্কে ইতিপূৰ্বে সময়ে সময়ে সদৌ অসম শৰণীয়া সন্থা আৰু সদৌ অসম শৰণীয়া ছাত্ৰ সন্থাই অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ লগতো বিভিন্ন পৰ্য্যায়ত দাবী, স্মাৰক পত্ৰ আৰু সংশ্লিষ্ট বিষয়ৰ নথি পত্ৰেৰে যোগাযোগ কৰি আহিছে যদিওঁ আজিকোপতি এই সম্পৰ্কত কোনো কাৰ্য্যকৰী ব্যৱস্থা লোৱা হোৱা নাই। শৰণীয়া সম্প্ৰদায়ৰ অস্তিত্ব সম্পৰ্কত বিভিন্ন চৰকাৰী কাগজ পত্ৰ পিয়ল আদিৰ দ্বাৰা সমৰ্থিত প্ৰয়োজনীয় সকলো সময়ে সময়ে চৰকাৰৰ বিবেচনাৰ্থে আগ বঢ়োৱা হৈছে। অসমৰ বৃহৎ অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াত পৰ্ব্বত এই শৰণীয়া সকলো তাৰ পৰা অব্যাহতি লব নিবিচাৰে। কিন্তু সৰ্ব্বতো প্ৰকাৰে অনুন্নত শ্ৰেণীতোৱে সংবিধান প্ৰদত্ত কিছু বিশেষ সুবিধাৰে অগ্ৰগতি লাভ কৰাৰ অধিকাৰৰ পৰাওঁ বঞ্চিত হৈ আহিছে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনজাতীয় লোকগোষ্ঠী সমূহৰ ভিতৰত অন্যতম্ এই সম্প্ৰদায়টো নিজৰ জনজাতীয় চৰিত্ৰটোৰ স্বীকৃতিৰ পৰাওঁ বঞ্চিত হৈ থকাটো বৰ পৰিতাপৰ বিষয়। জনজাতীয় লোকগোষ্ঠী হয়ো আত্ম পৰিচয়ৰ অধিকাৰ খিনিৰ পৰা আমাক বঞ্চিত কৰাৰ অন্তৰালত কেনেধৰণৰ কৌশল গ্ৰহণ কৰা হৈছে সেই সম্পৰ্কে আমি নেতিবাচক সিদ্ধান্ত লব বিচৰা নাই।

জীয়াই থাকক থলুৱা কৃষ্টি, চহকী হওঁক অসমীয়া জাতি এনে মূল লক্ষ্য আৰু উদ্দেশ্যাৰে গঠিত সদৌ অসম শৰণীয়া ছাত্ৰ সন্থাই বৃহৎ ব্ৰহ্মপুত্ৰ উপত্যকাৰ সমগ্ৰ জনগোষ্ঠীৰ মিলন ভূমি অসম "বৰ অসম" হোৱাটোকে কামনা কৰি আহিছে আৰু তাৰ ভিত্তিতেই ইয়াৰ কাৰ্য্য পন্থা ৰচনা কৰিছে। শৰণীয়া সকলক জনজাতীয় তালিকা ভূক্ত কৰি তেওঁলোকৰ আদিম গোষ্ঠীগত স্বীকৃতি বিচৰাটো অকল নাৰ্য্যই নহয় ই এটা মানবীয়

অধিকাৰ। অসমৰ সাম্প্ৰতিক কালৰ ৰাজনৈতিক অস্থিৰতা, বিভিন্ন আন্দোলনমুখী কাৰ্য্যকলাপ সমূহ আমি গভীৰ ভাবে পৰ্যাবেক্ষণ কৰি আহিছো। অসমৰ অখণ্ডতা, ব্ৰহ্মপুত্ৰ উপত্যকাৰ মহান সংস্কৃতিৰ সমন্বয়ৰ সেতু গঢ়াৰ বাবে আমি আগ্ৰহী, কিন্তু তাকে কৰিবলৈ আমাৰদৰে অনুন্নত ক্ষুদ্ৰগোষ্ঠী সমূহৰ অবজ্ঞা বা পৰিত্যাগ কৰি তেনে কাৰ্য্য সিদ্ধি কৰাটো সম্ভৱপৰ বুলি ভবাৰ থল নাই। আদিমবাসী এই শৰণীয়া সকল জনজাতি হয়ো ভাৰতীয় সংবিধানে দিয়া নুন্যতম স্বীকৃতি আৰু সুবিধা খিনিৰ পৰাও বঞ্চিত হৈ কিদৰে একবিংশ শতিকাত প্ৰবেশ কৰিব সেইটো চিন্তনীয় বিষয়।

সদৌ শেষত আমাৰ ফালৰ পৰা পুন:সাংবিধানিক অধিকাৰ আৰু মৰ্য্যদাৰ ভিত্তিতেই অনুৰোধ জনাওঁ যাতে ইতিপূৰ্বে আমাক দিয়া স্বীকৃতি পুন জীৱিত কৰে আৰু ইতিমধ্যে আমাৰ দ্বাৰা অৰ্পিত বিভিন্ন স্মাৰক পত্ৰ আৰু অন্যান্য নথিপত্ৰ সমূহ সুক্ষ্মভাবে পৰ্য্যালোচনা কৰি অৱহেলিত এই সম্প্ৰদায়টোক সৰ্ব্বটো প্ৰকাৰে উন্নয়ন মুখি কৰি তোলাত জনপ্ৰিয় চৰকাৰকৰ তৰফৰ পৰা এক তৎকালীন কাৰ্য্যব্যবস্থা গ্ৰহণ কৰে।

ভৱদীয়

| | |
|---|---|
| স্বা: শ্ৰীৰামেশ্বৰ ডেকা | স্বা:- শ্ৰীমানস শৰণীয়া |
| সভাপতি | সাধাৰণ সম্পাদক |
| স:অ:শ:ছা:স: | স:অ:শ:ছা:স: |

এইদৰে ৩৫৫ খৃ:ত পূৰ্য্য বৰ্ম্মাৰ দ্বাৰা আৰম্ভ হোৱা শৰণীয়া কছাৰী সকলৰ ৰাজনৈতিক দৰ্শন, দশম শতিকাত এই জাতিৰ ৰাজনৈতিক বিপৰ্য্যয় ধৰ্ম্মীয় বা মালৰি, ১৮৭১ চনৰ লোক পিয়লত শৰণীয়া সকলক পৃথক গণনা কৰি অনুসুচিত জনজাতীৰ তালিকাত অন্তৰভূক্তি, স্বাধীন ভাৰত চৰকাৰৰ ১৯৭১ চনৰ লোক পিয়লত শৰণীয়া সকলক অনুসুচিত জনজাতীৰ তালিকাৰ পৰা মুচি দিয়াৰ পিছত অসমৰ শৰণীয়া সকলৰ জাগৰণ, শৰণীয়া জাতিক জীয়াই ৰখাৰ বাবে, আত্ম প্ৰতিস্থাৰ সংগ্ৰামত অৱতীৰ্ণ "সদৌ অসম শৰণীয়া সন্থাৰ" জন্ম, ১৯৭৯ চন, নিজৰ জন্মস্বত্ব অধিকাৰ সাব্যস্ত কৰাৰ বাবে ১৯৮৬ চনত "সদৌ অসম শৰণীয়া ছাত্ৰ সন্থা"ৰ জন্ম। উক্ত সংগঠন দুটাই শৰণীয়া সকলৰ সুৰক্ষা আশা আকাঙ্খা, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক সমস্যাৱলী উপযুক্ত স্থানত উত্থাপন আৰু ইতিবাচক সমাধানৰ দাবীৰ উত্তৰণ কোন দিশত কেনেদৰে রূপ ধৰিছে তাৰ বৃত্তান্ত অন্য এক ইতিহাস।

## সদৌ অসম
## শৰণীয়া সন্থাৰ অধিবেশণৰ জিলিঙণি

| | স্থান | সভাপতি | সম্পাদক | চন আৰু তাৰিখ |
|---|---|---|---|---|
| ১ম | টুপলীয়াত শৰণীয়া জাতীয় সন্মিলন | | | ১৯৪৭ চন ২২ মাৰ্চ |
| ২য় | বৰমা শৰণীয়া জাতীয় সন্মিলন | | | ১৯৪৮ চন ১৯ জানুৱাৰী |
| ৩য় | টুপলীয়া শৰণীয়া সন্মিলন | | | ১৯৭১ চন ৫,৬,৭ বহাগ |
| ৪র্থ | গোৰেশ্বৰ শৰণীয়া সন্মিলন | | | ১৯৭২ চন |
| ৫ম | গোৰেশ্বৰ সদৌ অসম শৰণীয়া সন্থা | শ্ৰীসুৰেন্দ্ৰ নাথ দাস বৰমা | শ্ৰীহলধৰ দাস গোৰেশ্বৰ | ১৯৭৯ চন ৭,৮ এপ্ৰিল |
| ৬ষ্ঠ | খৈৰাবাৰী (দৰং) সদৌ অসম শৰণীয়া সন্থা | শ্ৰীসুৰেন্দ্ৰ নাথ দাস | শ্ৰীহলধৰ দাস | ১৯৮২ চন ৩,৪, এপ্ৰিল |
| ৭ম | আঠিয়াবৰী সদৌ অসম শৰণীয়া সন্থা | শ্ৰীসুৰেন্দ্ৰ নাথ দাস | শ্ৰীহলধৰ দাস | ১৯৮৩ চন ২৮,২৯ ৩০ মাৰ্চ |
| ৮ম | অমুলপুৰ কন্দুবাৰী সদৌ অসম শৰণীয়া সন্থা | শ্ৰীদাতিৰাম ডেকা | শ্ৰীহলধৰ দাস | ১৯৮৯ ইং ২৫,২৬, ফেব্ৰুৱাৰী |
| ৯ম | গোৰেশ্বৰ বামছা স:অ:শ:স: | শ্ৰীমাধৱ দাস বৰমা | শ্ৰীকামেশ্বৰ দাস | ১৯৯৩ চন ২৩, ২৪ ২৫ এপ্ৰিল |

## সদৌ অসম
## শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ অধিবেশনৰ জিলিঙণি

| | স্থান | সভাপতি | সম্পাদক | চন আৰু তাৰিখ |
|---|---|---|---|---|
| ১ম | তামুলপুৰ | শ্ৰীৰামেশ্বৰ ডেকা | শ্ৰীউমেশ চন্দ্ৰ দাস | ১৯৮৬ চন ১৬ ফেব্ৰুৱাৰী |
| ২য় | টংলা | শ্ৰীৰামেশ্বৰ ডেকা | শ্ৰীমানস শৰণীয়া | ১৯৮৭ চন |
| ৩য় | বৰমা | শ্ৰীৰামেশ্বৰ ডেকা | শ্ৰীৰমেশ চন্দ্ৰ দাস | ১৯৮৮ চন ২৪, ২৫ চেপ্তে: |
| ৪ৰ্থ | ঝাৰগাওঁ | শ্ৰীগৌৰীশঙ্কৰ ডেকা | শ্ৰীবিজু শৰণীয়া | ১৯৯৪ চন ২০,২১,২২ জানুৱাৰী |
| ৫ম | গোৰেশ্বৰ | শ্ৰীৰমেশ চন্দ্ৰ দাস | শ্ৰীবংশীধৰ দাস | ১৯৯৫ চন ১৭,১৮,১৯ ফেব্ৰুৱাৰী |
| ৬ষ্ঠ | ধমধমা | শ্ৰীৰমেশ চন্দ্ৰ দাস | শ্ৰীঅৰূপ কুমাৰ শৰণীয়া | ১৯৯৭চন ৪,৫ মাৰ্চ |
| ৭ম | টংলা | শ্ৰীৰমেশ চন্দ্ৰ দাস | শ্ৰীপৰীক্ষিত ৰঞ্জন ডেকা | ২০০৩ চন। ১ আৰু ২ এপ্ৰিল |

**সমাপ্ত**

# গ্ৰন্থ-পঞ্জী


| | |
|---|---|
| অসমীয়া সমাজ আৰু সংস্কৃতি | ডক্টৰ সৰ্বেশ্বৰ ৰাজগুৰু |
| বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি | শ্ৰীভবেন নাৰ্জি |
| সোনোৱাল কছাৰী সমাজ আৰু সংস্কৃতি | সম্পাদনাত |
| | শ্ৰীমোহন সোনোৱাল |
| | শ্ৰীগুনেশ্বৰ সোনোৱাল |
| বিষ্ণু প্ৰসাদ ৰাভা ৰচনা সম্ভাৰ | ৰাভা ৰচনাৱলী প্ৰকাশন সংঘ |
| (দ্বিতীয় খণ্ড) | মুখ্য সম্পাদক - যোগেশ দাস |
| | সম্পাদক - ডা: সৰ্বেশ্বৰ বড়ো |
| অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি | নাহেন্দ্ৰ পাদুন |
| শৰণীয়া সকল কোন জাতিৰ মানুহ | শ্ৰীৰজনী কান্ত দাস, বি, এ . |
| | শ্ৰীৰাম চৰণ ব্ৰহ্ম |
| অসম দেশৰ বুৰঞ্জী | শ্ৰী ............... |
| সোণৰ অসম (বুৰঞ্জী) | শ্ৰীভূপেন্দ্ৰ নাথ চৌধুৰী |
| দেৱী | ড০ নিৰ্মল প্ৰভা বৰদলৈ |
| পুৰণি অসম | মনোৰঞ্জন দত্ত |
| অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতি | মুখ্য সম্পাদক - ড:শৈলেন ভৰালী |
| কামৰূপৰ বুৰঞ্জী | শ্ৰীসূৰ্য কুমাৰ ভূঞা |
| সাতসৰী অসম বুৰঞ্জী | সম্পাদক - সূৰ্য কুমাৰ ভূঞা |
| AN ACCOUNT OF ASSAM | Editor - S.K. Bhuyan Ph.D. |
| KAMRUPASASANAVALI | Edited By - Dr.Dimbeswar Sarma. |
| অসম বুৰঞ্জী | সম্পাদক - শ্ৰীশৰৎ কুমাৰ দত্ত |
| কছাৰী বুৰঞ্জী | সম্পাদক - ড০ সূৰ্য কুমাৰ ভূঞা |
| A History of Assam | Sir Edward Gait |
| অসমৰ জনজাতি | সম্পাদক - শ্ৰীপ্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য |
| নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী | ডিম্বেশ্বৰ নেওগ |
| আসাম বুৰঞ্জী | গুনাভি ৰাম বৰুৱা |
| অসমীয়া ভাষা তত্ত্ব | অধ্যাপক শৰ্মা আৰু চৌধাৰী |
| কথা- গুৰুচৰিত | উপেন্দ্ৰ চন্দ্ৰ লেখাৰু |
| ASSAMES ITS FORMATION | |
| AND DEVELOPMENT | By Banikanta Kakoti M.A.Ph.D. |
| শৰণীয়া জাতি গঠনৰ প্ৰক্ৰিয়াৰ ওপৰত | শ্ৰীৰমেশ দাস |
| হাতে লিখা প্ৰবন্ধ | ঘোৰামাৰা |
| কোচ কেনেকৈ ৰাভা হ'ল ? প্ৰবন্ধ | ড: ৰেৱতী মোহন সাহা |
| স্মৃতিগ্ৰন্থ, নিখিল ৰাভা সাহিত্য সভা১৯৯৮ | (ৰাভা ভাষা বন্ধু) |